# নলবাৰী মহাবিদ্যালয় আলোচনী

৬৬ সংখ্যক প্ৰকাশ

২০১৬ - ১৭ ইং বৰ্ষ



সম্পাদক ঃ গুঞ্জন শৰ্মা


মুক্তি দিয়া সোণৰ অসম বচিবলৈ...
CALIFORNIA SUMMER

# নলবাৰী মহাবিদ্যালয় আলোচনী

# Nalbari College Magazine

## ২০১৬-১৭ ইং বৰ্ষ

তত্ত্বাৱধায়িকা

ড° বন্দনা দাস

সম্পাদক

গুঞ্জন শৰ্মা

৬৬ সংখ্যক প্ৰকাশ

নলবাৰী মহাবিদ্যালয়ৰ বছৰেকীয়া প্ৰকাশ

Annual Publication of Nalbari College, Vol. LXVI

# নলবাৰী মহাবিদ্যালয় আলোচনী ঃ নলবাৰী মহাবিদ্যালয়, নলবাৰী
## বছৰেকীয়া প্ৰকাশ

Nalbari College Magazine : The Annual Publication of Nalbari College
Nalbari- 781335 : Vol.- LXVI


## সম্পাদনা সমিতি

| | | |
|---|---|---|
| তত্ত্বাৱধায়িকা | ঃ | ড° বন্দনা দাস |
| শিক্ষক সদস্য | ঃ | ড° দ্বিজেন দাস |
| | | ড° কাকলি দত্ত |
| | | ড° প্ৰদ্যুম্ন শৰ্মা |
| | | ড° ধঞ্জুমণি পাঠক |
| | | ৰিণ্টু ডেকা |
| সম্পাদক | ঃ | গুঞ্জন শৰ্মা |
| ছাত্ৰ সদস্য | ঃ | আফতাৰ হুছেইন |
| | | বনশ্ৰী বৈশ্য |
| | | মিনহাজুল হক চৌধুৰী |
| | | জিমণি দেৱী |
| | | মানৱ শৰ্মা |
| বেটুপাত | ঃ | পিযুষ শৰ্মা |
| শেষ পৃষ্ঠা | ঃ | দিলীপ কলিতা |
| আৰ্হি চিত্ৰ | ঃ | অনুপ দত্ত, নিতুমণি দাস |
| অলংকৰণ | ঃ | সম্পাদক |
| ডি. টি. পি. | ঃ | অংকিতা কম্পিউটাৰ প্ৰেছ, পল্লা ৰোড, নলবাৰী |
| মুদ্ৰণ | ঃ | ফেয়াৰগ্ৰাফিক্‌চ মিডিয়া চাৰ্ভিচেছ প্ৰাঃ লিঃ বামুনীমৈদাম, গুৱাহাটী |



# অধ্যক্ষৰ মেজৰ পৰা



ভাৰতবৰ্ষই স্বাধীনতা লাভ কৰাৰ দুবছৰ পূৰ্বেই অৰ্থাৎ ১৯৪৫ চনত কলিকতা বিশ্ববিদ্যালয়ৰ অধীনত প্ৰতিস্থিত হৈছিল ঐতিহ্যমণ্ডিত নলবাৰী মহাবিদ্যালয়। বিভিন্ন ইতিহাস সমৃদ্ধ এই মহাবিদ্যালয়খনিয়ে বৰ্ণিল যাত্ৰা আৰম্ভ কৰি আজি মহাৰজত জয়ন্তী বৰ্ষৰ দুৱাৰদলিত থিয় হৈছে। মহাবিদ্যালয়ৰ আলোচনীখনে ১৯৫১ চনত প্ৰথম সংখ্যা প্ৰকাশৰ পৰা আজি ৬৬ সংখ্যক সংখ্যা প্ৰকাশৰ যোগেদি সুদীৰ্ঘ বছৰ জুৰি ছাত্ৰ-ছাত্ৰীসকলৰ সাহিত্য-সংস্কৃতি চৰ্চাৰ কঠিয়াতলী হিচাপে পৰিগণিত হৈ আহিছে। ছাত্ৰ-ছাত্ৰী সকলৰ একান্ত সাধনা আৰু নিৰবচ্ছিন্ন অনুশীলনেৰে মহাবিদ্যালয়ৰ আলোচনীত আৰম্ভ কৰা সাহিত্য সংস্কৃতি চৰ্চাই এদিন তেওঁলোকক প্ৰতিষ্ঠিত কবি-সাহিত্যিকত পৰিণত কৰি অসমী আই তথা ভাৰত মাতৃৰ সু-সন্তান হিচাপে স্বীকৃতি দিব। আমাৰ ভৱিষ্যৎ উন্নতিত সহায়ক হোৱাকৈ মহাবিদ্যালয় আলোচনীত ছাত্ৰ-ছাত্ৰী তথা শিক্ষক-কৰ্মচাৰীৰ ইতিহাস সমৃদ্ধ লিখনিৰ প্ৰয়োজন। আজিৰ ছাত্ৰ-ছাত্ৰী দেশৰ ভৱিষ্যৎ নাগৰিক। তেওঁলোকৰ হাততেই আছে দেশৰ আৰু জাতিৰ প্ৰগতি। মহাবিদ্যালয়ৰ শিক্ষাগুৰু সকলে সেয়েহে ছাত্ৰ-ছাত্ৰীসকলৰ বৌদ্ধিক, শাৰীৰিক আৰু মানসিক উৎকৰ্ষ সাধনৰ বাবে সততে দৃষ্টি ৰাখে। বৃহত্তৰ নলবাৰী অঞ্চলৰ সমাজ সচেতন নাগৰিকসকলৰ যোগাত্মক সহাঁৰি আমাৰ সততে কাম্য। সময়ৰ বিৱৰ্তনৰ লগত খোজ মিলাই আমিও অগ্ৰসৰ হৈছো আমাৰ যাত্ৰা পথত। ছাত্ৰ-ছাত্ৰীৰ সৰ্বাত্মক প্ৰগতি আমাৰ লক্ষ্য।

অনাগত দিনত নলবাৰী মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীয়ে বিশ্বৰ দৰবাৰত প্ৰতিষ্ঠিত হৈ বিজয় ধ্বজা উৰুৱাব বুলি আশা কৰিলো। মহাবিদ্যালয়ৰ আলোচনীখন সুন্দৰ হোৱাৰ কামনাৰে-

(ড° দীপক গোস্বামী)
অধ্যক্ষ
নলবাৰী মহাবিদ্যালয়, নলবাৰী

# শ্ৰদ্ধাঞ্জলি



অসমৰ আগশাৰীৰ ভ্ৰাম্যমান
নাট্যদল সমূহৰ অন্যতম
কহিনুৰ থিয়েটাৰ। ১৯৭৬ চনত
ৰতন লহকৰৰ প্ৰচেষ্টাত এই
নাট্যদলটিৰ জন্ম হয়। অসমীয়া
সাহিত্যৰ নাটকৰ লগতে
ভাৰতীয় পৰ্যায়ৰ আৰু
উলিয়াম ছেক্সপিয়েৰৰ
নাটক মঞ্চস্থ কৰি অভিলেখ
সৃষ্টি কৰে। আকৌ পৃথিৱী
বিখ্যাত হলিউদ চলচ্চিত্ৰ
‘‘টাইটানিক’’ৰ সফল মঞ্চায়নৰ
জৰিয়তে নিজৰ অভিলেখ ভঙ্গ কৰে।

সৰ্বানন্দ সোণোৱাল

সত্যমেব জয়তে

মুখ্যমন্ত্ৰী, অসম
গুৱাহাটী

দিছপুৰ
২৯-০৬-২০১৮

## শুভেচ্ছাবাণী

ঐতিহ্যমণ্ডিত নলবাৰী মহাবিদ্যালয়ৰ ২০১৬-১৭ বৰ্ষৰ বাৰ্ষিক আলোচনীখন প্ৰকাশৰ বাবে যো-জা চলোৱা হৈছে বুলি জানিবলৈ পাই মই সুখী হৈছো।

শিক্ষা হৈছে প্ৰজ্ঞা, গতি আৰু বিকাশৰ মূল সমল। শিক্ষাৰ জৰিয়তেহে সমাজ এখন পোহৰাই তোলাটো সম্ভৱ আৰু ইয়ে মানুহক ইতিবাচক দিশেৰে আগবাঢ়ি যাবলৈ পৰিৱেশ নিৰ্মাণ কৰে। সৃজনীশীল চিন্তাধাৰাৰ উন্মেষৰ ক্ষেত্ৰতো শিক্ষাই সদায়ে গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰি আহিছে। শিক্ষানুষ্ঠানৰ আলোচনী এখনে ছাত্ৰ-ছাত্ৰীসকলৰ প্ৰতিভাৰ উন্মেষ সাধনত সহায় কৰাৰ উপৰি অঞ্চলটোৰ ইতিহাস, বিভিন্ন শিক্ষামূলক দিশ অৱলোকনেৰে জ্ঞান বৰ্দ্ধনতো সহায় কৰে। ঐতিহ্যমণ্ডিত নলবাৰী মহাবিদ্যালয়ে ইয়াৰ প্ৰতিষ্ঠাকালৰে পৰা শিক্ষাৰ্থী সকলৰ মাজত গুণগত শিক্ষাৰ বিকাশ, উপযুক্ত মানৱ-সম্পদ গঢ় দিয়া আৰু সুস্থ শৈক্ষিক পৰিৱেশ সৃষ্টিত অনৱদ্য অৱদান আগবঢ়াই আহিছে। মহাবিদ্যালয়খনে ভৱিষ্যতেও শৈক্ষিক উত্তৰণৰ দিশত ইতিবাচক বৰঙণি আগবঢ়াই যাব বুলি কামনা কৰিলো।

নলবাৰী মহাবিদ্যালয়ৰ বাৰ্ষিক আলোচনীখন সৰ্বাংগসুন্দৰ হোৱাৰ লগতে সকলোৰে সমাদৰ লাভ কৰিব বুলি আশা কৰিলোঁ।

(সৰ্বানন্দ সোণোৱাল)

**ASHOK SARMA**
Member of Assam Legislative Assembly
59 Nalbari Constituency
M.L.A. Hostel, House No. 40
Dispur, Guwahati-781006

সত্যমেব জয়তে

E-mail:sarmaashok59@gmail.com

*Ref. No.............................* *Date:..............................*

# শুভেচ্ছা বাণী

জন্ম লগ্নৰে পৰা শৈক্ষিক জয়যাত্ৰা অটুট থকা ঐতিহ্যমণ্ডিত নলবাৰী মহাবিদ্যালয় বৰ্তমান সময়ত অসমৰ এখন গৌৰৱোজ্জ্বল শিক্ষাক্ষেত্ৰ। ইংৰাজী ১৯৪৫ চনতে বহুজন শিক্ষাপ্ৰেমী আৰু শিক্ষানুৰাগীৰ ত্যাগ আৰু প্ৰচেষ্টাৰ ফলত স্থাপিত হোৱা এইখন শিক্ষানুষ্ঠানৰ এই অৱস্থা প্ৰাপ্তিত অবিহণা যোগাই যোৱা আৰু যোগাই থকা নামস্য অধ্যক্ষ, অধ্যাপক, অধ্যাপিকা সকলৰ সবল ভূমিকাক আমি বিশেষ ভাৱে শলাগ লব লাগিব। নলবাৰী মহাবিদ্যালয়ৰ স্বৰ্ণিল শৈক্ষিক পৰিবেশত গঢ় লৈ ইতিমধ্যে দেশৰ সামাজিক, ৰাজনৈতিক, শৈক্ষিক, সাংস্কৃতিক আদি বিভিন্ন ক্ষেত্ৰত বহুজন ছাত্ৰ-ছাত্ৰীয়ে বহু সংখ্যক গুৰুত্বপূৰ্ণ পদ লাভ কৰি কৰ্মক্ষেত্ৰত উজলি উঠিছে। আমি জনাত নলবাৰী মহাবিদ্যালয়ে প্ৰথম অৱস্থাৰ পৰা যিটো দিশত গুৰুত্ব দি আহিছে সেয়া হৈছে- শিক্ষক ছাত্ৰ সম্পৰ্ক সুদৃঢ় আৰু সুমধুৰ কৰা আৰু নিঃসন্দেহে ইয়াৰ সুফল লাভ হৈছে।

নলবাৰী মহাবিদ্যালয় ছাত্ৰ একতা সভাই ২০১৬-১৭বৰ্ষৰ আলোচনী খন এইবেলি প্ৰকাশ কৰি উলিয়াবলৈ প্ৰস্তুতি চলাই থকা বুলি জ্ঞাত হৈ আনন্দ লাভ কৰিছো। আমি জনাত মহাবিদ্যালয় খনৰ আলোচনী প্ৰতি বছৰে প্ৰকাশ পাই আহিছে। ছাত্ৰ-ছাত্ৰী সকলৰ বৌদ্ধিক আৰু মানসিক বিকাশ সাধনৰ বাবে এখনি স্কুল বা কলেজৰ আলোচনীৰ কিমানযে গুৰুত্ব থাকিব পাৰে সেয়া উপলব্ধিৰ বিষয়। বহুজন খ্যাতনামা লেখক লেখিকাই লিখাৰ আৰম্ভণি কৰিছিল স্কুল কলেজৰ আলোচনীৰ জৰিয়তে। আমাৰ দেশৰ ভৱিষ্যত, উঠি অহা চামৰ কৰ্ম, নৈতিকতা আৰু সৃষ্টিৰ ওপৰতহে নিৰ্ভৰশীল। নলবাৰী মহাবিদ্যালয়ৰ ছাত্ৰ ছাত্ৰী সকলৰ সৰ্বপ্ৰকাৰ শ্ৰীবৃদ্ধি কামনা কৰাৰ লগতে তেওঁলোক যাতে প্ৰকৃত অৰ্থত একো একোটি মানৱ সম্পদ ৰূপে গঢ়ি উঠিব পাৰে তাৰেই কামনাৰে-

শ্ৰী অশোক শৰ্মা
বিধায়ক
৫৯নং নলবাৰী বিধানসভা সমষ্টি

# সম্পাদকীয়



**সমস্যাবোৰক আওকান কৰি আঁতৰি ফুৰাটোও এটা সমস্যা ঃ**

ভাৰতবৰ্ষৰ দৰে তৃতীয় বিশ্বৰ দেশসমূহৰ সকলোবোৰ সমস্যাই প্ৰথম বিশ্বৰ দেশবোৰে জোৰকৈ জাপি দিয়া সমস্যা। আন্তৰাষ্ট্ৰীয় চুক্তিসমূহৰদ্বাৰা যিবোৰ সমস্যাৰ বোজা ভাৰতবৰ্ষৰ ওপৰত জাপি দিয়া হ'ল অথবা ভাৰতবৰ্ষই স্বইচ্ছাই ল'বলৈ বাধ্য হ'ল তাৰ প্ৰতিফলন প্ৰায় তৃতীয় বিশ্বৰ দেশৰ দৰে ভাৰতবৰ্ষতো পৰিছে। ৰাজনৈতিক, সামাজিক, অৰ্থনৈতিক বা আন সকলো ক্ষেত্ৰতে সেইসমূহ চুক্তিৰ পয়োভৰ। কিন্তু আচৰিত কথা এইটোৱে যে চৰকাৰ সমূহে এইবোৰ চুক্তিৰ সফল ৰূপায়ণৰ বাবে ঢোল-তাল বজাই সকলো প্ৰকাৰৰ জনতাৰ হাত চাপৰি আদায়ৰ কামত উঠিপৰি লাগিছে। তাতোকৈও লক্ষণীয় কথাষাৰ হ'ল এয়ে যে এই সমূহ চুক্তিৰ ৰূপায়ণৰ বাবে প্ৰয়োজনীয় বৃহৎ পৰিমাণৰ ধন যোগান ধৰিছে মাৰ্কিন সমাজবাদৰ পৃষ্ঠপোষক আই. এম. এফ. আৰু ওৱাৰ্ল্ড বেংকৰ দৰে প্ৰভাৱশালী প্ৰতিষ্ঠানবোৰে। যিসকলে অলপ অচৰপ বিশ্ব অৰ্থনীতিৰ খবৰ ৰাখে তেওঁলোকে জানে যে এই সমূহ প্ৰতিষ্ঠানে তৃতীয় বিশ্বসমূহক বিভিন্ন চুক্তিৰ মাধ্যমেৰে বৃহৎ পৰিমাণৰ টকাৰ যোগান ধৰাৰ আৰৰ কাৰণ কি? তেওঁলোকৰ এই উদাৰতা কিহৰ স্বাৰ্থত। প্ৰথম কথা তেওঁলোকে বৃহৎ পৰিমাণৰ ধনৰ যোগান ধৰে ঋণ হিচাপে। উল্লেখ নকৰি নোৱাৰি যে এই ঋণ আদান-প্ৰদানৰ নিয়মানুযায়ী এখন দেশ আৰু প্ৰতিষ্ঠানটোৰ মাজত কিছু গোপনীয় মুদ্ৰানীতিৰ খচৰা প্ৰস্তুত কৰা হয়। আৰু এই খচৰাৰ চৰ্ত সাপেক্ষে দেশখনে অতি প্ৰয়োজনীয় আভ্যন্তৰীণ সমস্যা সমূহ আওকান কৰি চলিবলগীয়া হয়। ১৯৯১ চনৰ অৰ্থনীতিৰ সংস্কাৰৰ নামত যি উদাৰনীতি ভাৰতবৰ্ষই গ্ৰহণ কৰিছিল বা বিশ্বৰ প্ৰথম শাৰীৰ দেশবোৰৰ হেচাত গ্ৰহণ কৰিবলৈ বাধ্য হৈছিল তাৰ ফলত দেশখনৰ অতি গুৰুত্বপূৰ্ণ আভ্যন্তৰিণ সমস্যা যেনে কৃষি, নিবনুৱা আদি সম্পূৰ্ণ ৰূপে মোকাবিলা কৰিবলৈ এৰি দিয়া হৈছিল কৰ্পোৰেট খণ্ডক। পিছৰ সময়বোৰত কৰ্পোৰেট খণ্ডই এই সমস্যাবোৰক মূলধন হিচাপে লৈ দেশখনৰ ৰাজহুৱা অনুষ্ঠানবোৰক অতি লাভজনক ব্যক্তিগত ব্যৱসায়িক অনুষ্ঠানলৈ ৰূপান্তৰ কৰি দেশৰ কোটি কোটি মানুহৰ অৰ্থনীতিৰ এনেদৰেই সংস্কাৰ কৰিছিল।

দ্বিতীয়তে আন্তঃৰাষ্ট্ৰীয় মুদ্ৰা যোগান নীতি নিৰ্ধাৰণকাৰী সকলৰ পৰামৰ্শ দাতাসকলক নিয়ন্ত্ৰণ কৰে মাৰ্কিন প্ৰতিপত্তিশালি গোটটোৱে। তাৰোপৰি এই গোটটোৱে তৃতীয় বিশ্বৰ

দেশসমূহৰ আভ্যন্তৰীণ বজাৰ, সম্পদ, নিজৰ মতে ব্যৱহাৰ কৰাৰ ক্ষেত্ৰত যিবোৰ কূটনৈতিক সিদ্ধান্ত লয়, সেই সিদ্ধান্তক ৰূপায়ণ কৰাৰ পৰিপ্ৰেক্ষিতত দেশখনৰ আভ্যন্তৰীণ পৰিমণ্ডলত সন্ত্ৰাসবাদ বা সমপৰ্যায়ৰ সমস্যাক জীয়াই ৰখাৰ স্বাৰ্থত কোনোবা শিশুৰ মৃত নিঠৰ দেহ এটি ভূমধ্য সাগৰৰ দাঁতিত পৰি থাকিবলগীয়া হয় নাইবা কোনো চোমালিয়াত অস্থিচৰ্মসাৰ শিশুৱে যদি ভোকত চিৎকাৰ কৰি থাকিবলগীয়াও হয় নাইবা কোনোবা ভাৰতবৰ্ষত যদি বিষাক্ত ৰাসায়নিক গেছে অযুত সংখ্যক মানুহক নিধন কৰে তথাপি মাৰ্কিন প্ৰতিপত্তিশালী গোটটোৰ একো নাহে, নাযায়।

**মানুহৰ ভৱিষ্যত ঃ**

সময়ৰ বিক্ষিপ্ত ইতিহাস ৰচনা কৰি থৈ যোৱা প্ৰসিদ্ধ মহাকাশ বিজ্ঞানী ষ্টিফেন হকিঙে সৌ সিদিনা মাত্ৰ কৈ গৈছে যে পৃথিৱীত মানুহৰ আয়ুস মাত্ৰ এশ বছৰ। অৰ্থাৎ অহা এশ বছৰৰ ভিতৰত পৃথিৱীখন মানুহৰ বাবে বাসোপযোগী হৈ নাথাকিব। আমি জানো যে যেতিয়াৰ পৰা মানুহৰ মানসিকতাত অতি সভ্যতাৰ ধাৰণাটোৱে ঠাই লৈছিল তেতিয়াৰপৰা পৃথিৱীখন দ্ৰুত গতিত নগৰীকৰণৰ পৰা আৰম্ভ কৰি আন সকলো প্ৰকাৰৰ আধুনিকীকৰণ হৈছিল। যাৰ ফলত ইতিমধ্যে প্ৰকৃতিৰপৰা বহু কেইটা জীৱ প্ৰজাতিৰ বিলুপ্তি ঘটিছে আৰু আন বহু প্ৰজাতি বিলুপ্তিৰ পথত আগবাঢ়িছে। এষাৰ কথা কৈ থোৱা ভাল হ'ব যে যোৱা হাজাৰ কোটি নিযুত বছৰৰ পৰিক্ৰমাত যিবোৰ প্ৰজাতি ইতিমধ্যে বিলুপ্তি ঘটিছে তাৰ কিছু প্ৰাকৃতিক কাৰণো আছে। কিন্তু প্ৰকৃতিৰ কাৰণত বিলুপ্তি হোৱা প্ৰজাতিবোৰ আছিল অতি শক্তিশালী, হয়তোবা সেইসমূহ প্ৰজাতি বৰ্তি থাকিলে পৃথিৱীখন আন প্ৰাণীৰ বিকাশৰ বাবে অন্তৰায় হ'লহেঁতেন। সি যি কি নহওঁক, ওপৰত কৈ অহা পৃথিৱীত মানুহৰ ভৱিষ্যত সম্পৰ্কীয় ষ্টিফেন হকিঙৰ ভৱিষ্যত বাণীটোৱে আগন্তুক সময়ত পৃথিৱীৰ মানুহে কিদৰে গ্ৰহণ কৰে সেই সম্পৰ্কে আলোচনা নকৰি আমি কিছু আন কথাহে ইয়াত বিচাৰ কৰি চাম। ২০০০ চনত ডেনমাৰ্কৰ ৰাজধানী কোপেন হেগেনত অনুষ্ঠিত হৈ যোৱা বিশ্ব জলবায়ু সন্মিলনত প্ৰথম বিশ্বৰ দেশবোৰে বিশেষকৈ আমেৰিকা আৰু তাৰ দুগ্ধপোষ্য দেশবোৰে বিশ্বৰ গোলকীয় উষ্ণতা বৃদ্ধিৰ বাবে সম্পূৰ্ণৰূপে দায়ী কৰিছিল তৃতীয় বিশ্বৰ দেশবোৰক। কিন্তু তৃতীয় বিশ্ব বা আন এক অৰ্থত প্ৰতিযোগী দেশবোৰে আমেৰিকাৰ সাহায্য পুজি বন্ধ কৰি দিয়াৰ ভয়ত এই অপবাদৰ বিৰুদ্ধে এটা টু শব্দও উচ্চাৰণ নকৰিলে। কিন্তু কথা হৈছে কেৱল মাত্ৰ তৃতীয় বিশ্বৰ দেশবোৰে দায়ীনে? উদাহৰণ এটা দিয়া যাওক, বিশ্বৰ নব্য উদাৰনীতি অৰ্থনীতিয়ে আন যি নকৰক ভাৰতবৰ্ষৰ গুৰুত্ব বঢ়াইছে। কাৰণটো স্পষ্ট, ইয়াৰ জনসংখ্যা, দেশী-বিদেশী বনিয়াবোৰৰ বাবে ভাৰতবৰ্ষ এখন উৎকৃষ্ট বজাৰ, প্ৰায় এশ ত্ৰিশ কোটিৰ গ্ৰাহকৰ এখন বজাৰ সকলোৰে বাবে গুৰুত্বপূৰ্ণ। তদুপৰি ভূ-গৰ্ভৰ সকলো সম্পদ ভৱিষ্যতলৈ সাচি ৰাখি ভাৰতবৰ্ষৰ ভূ-গৰ্ভৰ সম্পদ কিদৰে ব্যৱহাৰ কৰিব পৰা যায় তাৰ সুন্দৰ ব্যৱস্থাও ইতিমধ্যে কৰি থোৱা হৈছে নব্য উদাৰনীতি অৰ্থনৈতিক সংস্কাৰৰ জৰিয়তে। ইয়াৰ ফলত ভাৰতবৰ্ষৰ মাটিত বিভিন্ন পানীয়, যান-বাহনৰ উদ্যোগ গঢ়ি উঠিছে, কিন্তু ইয়াক নিয়ন্ত্ৰণ কৰিছে আমেৰিকা, জাপান আদিৰ দৰে দেশবোৰে। আনৰ চৰুত আনৰ চাউল সিজাই তলিলৈকে খোৱাৰ কি এই কৌশল? এতিয়া কথা হ'ল প্ৰথম বিশ্বৰ নিয়ন্ত্ৰিত তৃতীয় বিশ্বত গঢ়ি উঠা উদ্যোগৰ বাবে প্ৰয়োজনীয় ভূ-গৰ্ভৰ সম্পদ ব্যৱহাৰৰ বাবে আৰু এই সমূহ উদ্যোগৰ পৰা নিৰ্গত পৰিবেশৰ বাবে অনুপযোগী গেছবোৰৰ বাবে তৃতীয় বিশ্বৰ দেশসমূহ দায়ীনে?

মানুহৰ ভৱিষ্যত সম্পৰ্কীয় আলোচনাত ওপৰোক্ত কথাসমূহৰ গুৰুত্ব সৰ্বাধিক, আন যি কাৰণতে নহওঁক যি হাৰত গোলকীয় উষ্ণতা বৃদ্ধি পায় আহিছে ইয়াৰ ফলত পৃথিৱীখন মানুহৰ বাবে যে উপযোগী হৈ নাথাকিব সেয়া খাটাং।

**বিকল্প পৃথিৱীৰ সন্ধান ঃ**

'বিকল্প পৃথিৱী' অভিধাটো কুৰি শতিকাৰ চতুৰ্থ দশকৰ সৃষ্টি। বিশেষকৈ দ্বিতীয় মহাসমৰে সৃষ্টি কৰি থৈ যোৱা বিভীষিকাময় অস্বাভাৱিক পৰিৱেশটোৱে এই অভিধাৰ আৰৰ মূল কাৰণ। ১৯৩৯ বা তাৰো আগৰ দশকবোৰত পৃথিৱীৰ প্ৰায়ভাগ দেশ উপনিবেশ, একনায়কত্ববাদ আদি সমস্যাবোৰেৰে ভাৰাক্ৰান্ত। তাৰ পিছৰ সময়চোৱা আছিল যুদ্ধ বিধ্বস্ত। গতিকে এক দীঘলীয়া সময়ৰ অস্বাভাৱিকতাই পৃথিৱীৰ সকলো মানুহৰ মনত এক ঘৃণাৰ ভাব জন্ম দিছিল আৰু সেই সময়খিনিৰ পৰা মানুহৰ চেতনাত ঈশ্বৰৰ অস্তিত্ব সম্পৰ্কীয় আলোচনাবোৰেও ভূমুকি মাৰিছিল। মানুহৰ পৃথিৱীখনক ভালপোৱা বহু মানুহে তেতিয়াই এখন বিকল্প পৃথিৱীৰ সন্ধান কৰিছিল। সেই বিকল্প পৃথিৱীৰ সন্ধ্যানৰ ফলতেই ভাষা-ধৰ্ম-নিৰ্বেশেষে আন সকলোবোৰ পুৰণি মতবাদ আতৰাই মানৱতাবাদৰ উত্থান হৈছিল। কিন্তু পিছৰ সময়ছোৱাত বিকল্প পৃথিৱীৰ পৰিগাঠাটোৱে চৰিত্ৰৰ সলনি কৰি বহুধাবিভক্ত হৈছিল বা ৰাজনৈতিক স্বাৰ্থত ইয়াৰ চৰিত্ৰ সলনি কৰি পেলোৱা হৈছিল। মানৱতাবাদৰ ভাগ ভাগ কৰি সৃষ্টি কৰা হৈছিল নাস্তিকতাবাদ, নাৰীবাদ আদিৰ দৰে জটিল মনস্তাত্ত্বিক বাদবোৰৰ। এতিয়া সকলোৰে মনত প্ৰশ্ন উঠিব পাৰে আচলতে এই বিকল্প পৃথিৱী কোনখন? এই গছ-লতিকা, পাহাৰ-পৰ্বত, সমতল, মালভূমি, নৈ-নিজৰা এৰি কোনখন পৃথিৱীৰ সন্ধান মানুহে কৰিছে। উত্তৰটো তেনেই সহজ আৰু স্পষ্ট। আচলতে এই প্ৰাকৃতিক প্ৰাচুৰ্য্যৰ ভৰপুৰ পৃথিৱীৰ মাজতেই আন এখন পৃথিৱীৰ অস্তিত্ব চিৰকালৰ বাবে আছে। মানুহৰ মানসিকতা, সংস্কৃতি আদৰ্শ আদিৰ প্ৰভেদে সেইধৰণৰ বিকল্প পৃথিৱী এখন আৱিষ্কাৰ কৰি ল'ব পাৰে। পৃথিৱীখনৰ অলেখ জাতি-জনগোষ্ঠী, ভাষা-ভাষী মানুহৰ এখন উমৈহতীয়া পৃথিৱীয়েই বিকল্প পৃথিৱী। য'ত সকলোৱে এটা ধৰ্মই মানি চলে, সেয়া মানৱতাৰ ধৰ্ম। য'ত সকলোৱে এটা ভাষাৰে আঁকোৱালি লয়, সেয়া প্ৰেমৰ ভাষা। য'ত সকলোৱে আচৰণ মানৱতাৰ পক্ষত। য'ত জীয়াই থকাৰ আনন্দ আৰু মৃত্যুৰ স্বাভাৱিকতা চিৰকাল বিদ্যমান।

গুঞ্জন শৰ্মা
সম্পাদক

# নিৰ্ঘণ্ট


পৃষ্ঠা

**চিন্তন ঃ**

- ‘সন্দেশ ৰাসক’ৰ বিষয়বস্তু আৰু কাব্যিকতা ঃ এটি আলোচনা/ ড° নৰনাৰায়ণ শৰ্মা ১
- নলবাৰী মহাবিদ্যালয়ৰ শিক্ষক-জিৰণি কোঠাৰ কিছু মধুৰ স্মৃতি / ড° দীনমণি ভাগৱতী ৩
- কামৰূপী ভাষাৰ কবিতা / পংকজ গোবিন্দ মেধি ৫
- কোন নাৰৰীয়াই বাই নিয়ে নাও কবিতা ভৰাই/ অজিত মহন্ত ৯
- অসমীয়া নাটক আৰু এবছাৰ্দধৰ্মীতা/ প্ৰবাল ৰাজবংশী ১১
- অসমীয়া নাটক আৰু ভ্ৰাম্যমাণ মঞ্চ / দিপাংশু ভট্টাচাৰ্য্য ১৫
- অসমীয়া জাতি গঠনত ড° ভূপেন হাজৰিকাৰ অৱদান / দেৱজিৎ দাস ১৭
- প্ৰতিযোগিতা আৰু বৰ্তমান সময়ত আমাৰ সমাজ / ধ্ৰুৱজ্যোতি কলিতা ১৮
- Facebook, WhatsApp আৰু আমাৰ জীৱন / কৌশিক ঠাকুৰীয়া ১৯
- প্ৰেম আৰু কিছু কথা / সুনীল বেজবৰুৱা ২১
- ছাত্ৰ ৰাজনীতি / কপিল দেৱ তালুকদাৰ ২৩
- জুবিনৰ গানৰ আঁৰৰ সাধুকথাবোৰ / ধ্ৰুৱজ্যোতি বৰ্মন ২৫
- য়েচুদাসঃ হিন্দী চলচিত্ৰ সংগীতৰ এজন বিস্মৃত যাদুকৰ / পাপৰি দেৱী ২৭
- আত্মনিৰ্ভৰশীলতাৰ অন্য এক পথ ক্ষুদ্ৰ উদ্যোগ - উপযুক্ত প্ৰযুক্তি /ভূপালী ৰাজবংশী ২৯
- বিশিষ্ট সন্মান ‘নোবেল বঁটা’ / ৰুবুল কলিতা ৩১
- GOD / বিকাশ দাস ৩৩

**ভ্ৰমণ শিল্প ঃ**

- আমেৰিকা যুক্তৰাষ্ট্ৰত এপযেক / ড° পূৰৱী শৰ্মা ৩৪
- নলবাৰী মহাবিদ্যালয়ৰ পৰা শিৱসাগৰলৈ / পৰাগ কলিতা ৪০

**মুকলি আলাপ ঃ**

- কবি প্ৰণৱ কুমাৰ বৰ্মনৰ সৈতে ৪২
- ডাঃ হেমেন বৰ্মনৰ সৈতে ৪৫

**শব্দ শিল্প ঃ**

- প্ৰেমৰ স্বৰ্ণলিপি / বন্তি প্ৰভা শৰ্মা ৪৮
- আত্মজাহ /উদিত শৰ্মা ৪৮
- ফাগুণ / মৃদুল বৈশ্য ৪৯
- বৰষুণ / মাধুৰ্য্য ভৰালী ৪৯
- ছাত্ৰ- জীৱন / পুলকেশ দাস ৫০
- স্বাধীনতা / নাজমুল হুদা ৫০
- মা / মিছ্ মিনাক্ষী শৰ্মা ৫১

- অভিমান / মঃ ইমৰাণ হুছেইন ৫১
- তোৰ শ্যামলী বক্ষত আজিও আছেনে বিহু ? / বৰ্ণিতা বৰ্মন ৫২
- তোমাৰ পৰশত / কৌশিক ঠাকুৰীয়া ৫২
- এটি কবিতা তোমাৰ নামত / কাকলি ডেকা ৫৩
- প্ৰেমিক সপোন / তৃষ্ণামণি ভট্ট ৫৪
- উত্তৰবিহীন / ডেইজী কুইন দাস ৫৪
- মই তোমাৰ প্ৰদূষিত হৃদয়ৰ প্ৰেমিক / জংকি শৰ্মা ৫৫
- খহি পৰা ৰংবোৰ / প্ৰীতি কলিতা ৫৬
- পৰিচয় বিহীন তোমাৰ ঠিকনা / বনজিৎ ডেকা ৫৭
- আধাপোৰা সপোন / চিৰঞ্জীৱ বৰ্মন ৫৭
- ভিক্ষাৰী / দিক্ষীতা শৰ্মা ৫৮
- নিৰৱতা / জয়শ্ৰী শৰ্মা ৫৮
- বিষাদ / ৰূপম বৰুৱা ৫৯
- ভোক / সুনীল বেজবৰুৱা ৫৯
- তোমাৰ নামত / সৃজনী তালুকদাৰ ৬০
- এজাক এন্ধাৰ ৰাতিৰ বৰষুণ / অঞ্জন বৰ্মন ৬০
- বাৰ্তালাপ / মৃদুস্মিতা কাশ্যপ ৬১
- এক প্ৰশ্ন / সাগৰিকা দেৱী ৬১
- সৃষ্টিৰ অগ্নি-বীজ / জ্যোতি শিখা বৈশ্য ৬২
- অজান অনুভূতি / জয়শ্ৰী শৰ্মা ৬২


## গ্ৰন্থ অৱলোকন ঃ


- সুকবি নাৰায়ণদেৱৰ ‘পদ্মা-পুৰাণ’ / ভাস্কৰ ভট্ট ৬৩
- কাব্য আৰু দৰ্শন কেন্দ্ৰৰ প্ৰথম নিবেদন “নলনিত ডাউকীৰ মাত” / ভাস্কৰজ্যোতি তলুকদাৰ ৬৮
- চাহেব পুৰাৰ বৰষুণ / জংকি শৰ্মা ৬৯


## কথা শিল্প ঃ


- কিমতে ভকতি কৰিবো তোমাক / **পঙ্কজ দত্ত বৰুৱা** ৭২
- হত্যা / ড° নৱজ্যোতি ডেকা ৭৫
- নেদেখা সূতাৰ খেলা /কমল শৰ্মা ৭৭
- সপোন মূৰ্দাবাদ / মানস প্ৰতীম ৰাজবংশী ৮১
- মোৰ প্ৰেমৰ আধৰুৱা অধ্যায় /পল্লৱ শৰ্মা ৮৬
- দেৱালখন / প্ৰীতি কলিতা ৯০
- এটি কৃত্ৰিম হাঁহিৰে... / ঋষভ তালুকদাৰ ৯২
- মৰমৰ সাক্ষী / পিংকী শৰ্মা ৯৪
- কাঞ্চন / জিম্‌লী শৰ্মা ৯৬
- নতুন দিগন্তৰ সন্ধানত / ভাস্বতী দেৱী ৯৭
- ভগ্ন হৃদয় / অনিন্দিতা শৰ্মা ৯৯
- হেৰোৱা কলমটোৰ সন্ধানত... / মনস্বিতা শৰ্মা ১০১

## ক্ষণিক চিত্ৰ ঃ


■ অনু গল্প /চন্দন শৰ্মা শাস্ত্ৰী ১০৩
■ ঋতু / দীপশিখা বৰ্মন ১০৫


## অনুবাদ শিল্প ঃ


■ বাংলাদেশৰ কবিতা / বিপুল কুমাৰ দত্ত ১০৬—১০৭
■ ভাৰতীয় সংস্কৃতি / ড° ৰঞ্জনা ভট্টাচাৰ্য্য ১০৮


## অনুভৱৰ স্বৰ ঃ


■ স্মৃতিৰ অনুলেখা / বনশ্ৰী গোস্বামী ১১১


## জীৱনী ঃ


■ এইটো এটা গৰু / ছিমি ডেকা ১১৩
■ ভাৰতৰ অমূল্য ৰত্ন ড° এ. পি. জে. আব্দুল কালাম / সুমন বৈশ্য ১১৫


## ENGLISH SECTION :


■ "Wildlife Conservation in India: need of highway for wildlife" / Dr. Hemen Kakati ১১৭
■ Demonetisation: one year review of success and failure / Aditi Das ১১৯
■ Folklore Studies and the Hope of Possibilities / Samiran Deka ১২২
■ Strengthening of National Integration- An Adhesire to India's Nationalism / Nilotpal Goswami ১২৪
■ Taslima Nasrin : Woman with reckless courage / Pampi Sarma ১২৬
■ DREAM: A Game of Images and Symbols / Shibangi Nazir ১২৮
■ How Indian Classical Music is Different / Hrishikesh Sarma ১৩১
■ Bio-Diversity / Alindita Talukdar ১৩২
■ Sports and Health / Dibya Moni Haloi ১৩৩
■ To my Melody Queen, Shreya Ghosal / Diganta Deka ১৩৪
■ You / Mriganka Choudhury ১৩৪
■ Turning Point..../ Kaushik Kashyap ১৩৫
■ An untitled Poem / Bhaskar Jyoti Barman ১৩৫
■ The Half An Hour /Banjita Chakraborty ১৩৬
■ Dream / Pulakesh Das ১৩৬


## বিশেষ প্ৰতিবেদন ঃ


■ নলবাৰী মহাবিদ্যালয়ৰ প্ৰাচীৰে কথা কয় ১৩৭
■ নীলাখামৰ চিঠি ১৪০—১৪১
■ ছাত্ৰ প্ৰতিনিধিৰ প্ৰতিবেদন ১৪২—১৬৬


■ ■ ■

চিন্তন

# ‘সন্দেশ ৰাসক’ৰ বিষয়বস্তু আৰু কাব্যিকতা ঃ এটি আলোচনা

■ ড° নৰনাৰায়ণ শৰ্মা
*অতিথি অধ্যাপক, স্নাতকোত্তৰ শ্ৰেণী*

অপভ্ৰংশ সাহিত্যত ৰচিত আব্দুল ৰহমানৰ ‘সন্দেশ ৰাসক’ৰ বিষয়বস্তু বিজয় নগৰৰ এজনী নাৰীয়ে স্বামী বিচ্ছেদৰ দাবানলত অতিষ্ঠ হৈ উৎকণ্ঠাৰে বাটৰপিনে চাই থাকোতে তৎক্ষণাত এজন বাটৰুৱাক দেখা পাই তেওঁ পথিকজনক সুধি জানিব পাৰিলে যে তেওঁ সাম্বপুৰৰ পৰা আহি আছে আৰু তেওঁ খম্ভাতলৈ যাব। পথিকজন মুখত খম্ভাতৰ কথা শুনি নায়িকাৰ মনত অথন্তৰ মিলিল, কাৰণ তেওঁৰ স্বামী অৰ্থ উপাৰ্জনৰ বাবে খম্ভাতত বসবাস কৰি আছে। পথিকজনক স্বামীলৈ তেওঁৰ বিৰহমনৰ অৱস্থাৰ সন্দেশ বা বাতৰি লৈ যাবলৈ বিননি ধৰিলে। লগতে বিৰহত ডুব গৈ থকা নাৰীজনীয়ে কেনেকৈ সম্ভোগবিহীন সময় অতিক্ৰম কৰিছে, তাৰ ফলত তেওঁৰ স্বাস্থ্যৰ অৱনতি হৈছে, সেই কথাও বিতংকৈ ক’লে। নায়িকাৰ বিৰহৰ চকুৰ পানীয়ে পথিকজনৰো মনৰ পৰিৱৰ্তন কৰিলে আৰু নায়িকাৰ স্বামীৰ বিষয়ে সুধিলে।

পথিকজনৰ প্ৰশ্নৰ উত্তৰত নায়িকাই ক’লে যে- স্বামী যোৱাৰ সময়ত গ্ৰীষ্মকাল আছিল আৰু এতিয়া এবছৰে পাৰ হ’ল। অসহায়ভাৱে তেওঁ গ্ৰীষ্মকালক বিদায় দিলে, বিৰহ-বিষণ্ণভাৱে বৰ্ষাকো পাৰ কৰিলে, নায়িকাই শৰৎ-হেমন্ত শীতকালো অতি কষ্টেৰে পাৰ কৰিলে, এতিয়া বসন্তকালৰ আগমনৰ সময়ত নায়িকা অস্থিৰ হৈ পৰিছে। নৈসৰ্গিক জগতখনৰ সকলোৰে দুখ মনে বৈ আছে। কবিৰ দৃষ্টিত কিংশুক ফুলবোৰে নিজৰ স্বকীয়তা হেৰাই পেলাই ঘন ক’লা তেজলৈ পৰ্যবসিত হৈছে। বসন্ত ঋতুৰ আগমনে নায়িকাক আপোনজনৰ প্ৰতি আসক্ত কৰি তুলিছে। নায়িকাই তেওঁৰ সকলো বেদনাৰ কথা পথিকজনক নিৱেদন কৰি স্বামীৰ শান্তিভংগ নোহোৱাকৈ ভালদৰে সকলো কথা বুজাই কয়। এই সময়তে পথিকজনক বিদায় দি নায়িকাই ঘৰলৈ যাব খোজোতেই নভবাকৈ নিজৰ স্বামীক দেখা পালে। তেতিয়া নায়িকাৰ মন আনন্দত শিহৰিত হ’ল। এয়ে কাব্যখনৰ ইতি।

অপভ্ৰংশ ভাষাত ৰচিত ‘সন্দেশ ৰাসক’ কাব্যখনৰ২২৩ টা গাথা আৰু ২২ প্ৰকাৰৰ ভিন্ন ছন্দৰে পৰিপূৰ্ণ। কাব্যকাৰে নায়িকাৰ বিৰহপূৰ্ণ জীৱন বিস্তৃত অধ্যায়, সন্দেশ বা বাতৰি অৰ্পণ আৰু নৈসৰ্গিক বৰ্ণনা অতি মনোমোহা ৰূপত অংকিত কৰিছে। কবিয়ে নৈসৰ্গিক জগতৰ উপমাৰ দ্বাৰা নায়িকাৰ অন্তৰৰ কৰুণ ৰস আৰু শৃংগাৰ ৰসৰ ভাবো অতি সুন্দৰভাৱে বৰ্ণনা কৰিছে। ইয়াত নৈসৰ্গিক সকলো চিত্ৰই উদ্দীপনামূলক তথা অন্তৰৰ আৱেগ-অনুভূতিৰ দ্বাৰা ৰঞ্জিত হৈছে।

কাব্যখনৰ চৰিত্ৰ চিত্ৰণত কাব্যকাৰে নিজৰ মৌলিকতা প্ৰদৰ্শন কৰিবলৈ চেষ্টা কৰিছে। প্ৰধানকৈ চিত্ৰধৰ্মী বৰ্ণনাৰে তেওঁৰ কাব্য সমাদৃত হৈছে। কাব্যখনৰ দ্বিতীয় প্ৰক্ৰমৰ প্ৰথম দুটা গাথাত নায়িকাৰ বিৰহপূৰ্ণ অৱস্থা আৰু উৎকণ্ঠাৰ ছবি সুন্দৰভাৱে ফুটি উঠিছে-‘কান্দি-কাটি চকু উখহাই থকা নায়িকাৰ মুখমণ্ডলত চুলিবোৰ সিঁচৰতি হৈ পৰিছে, হুমুনিয়াহ কাঢ়ি কাঢ়ি হাতৰ আঙুলিবোৰ ফুটাই আছে, গা ভাঙি-ছিঙি আছে। এনে অৱস্থাতে হঠাতে কোবেৰে যোৱা বাটৰুৱাক দেখি উত্ৰাৱল হৈ যাওঁতে চঞ্চল নিতম্বৰ পৰা কৰধনি ছিগি পৰিল, মুকুতা-মণিৰ হাৰডাল ছিগি পৰি, মুকুতাবোৰ যেনি-তেনি সিঁচৰতি হৈ পৰিল। ........।” স্বামীৰ বাবে উৎকণ্ঠিতা এগৰাকী নাৰীৰ এনে বিব্ৰত অৱস্থা সঁচাই অতি বাস্তৱ। বাটৰুৱাৰ মুখত নিজৰ ৰূপৰ বৰ্ণনা শুনি ‘চৰমংগুট্ঠি ধবন্তি সলজ্জিৰ উল্লিহই’ নায়িকাই লাজ ভাবেৰে ভৰিৰ আঙুলিৰে মাটি খুঁচৰিবলৈ আৰম্ভ কৰিলে।

কাব্যখনত ঘৰুৱা শব্দৰ প্ৰয়োগ মন কৰিবলগীয়া বিষয়। ঘৰুৱা সৰু সৰু শব্দ প্ৰয়োগ কৰি বাক্যৰীতি গঠনৰ প্ৰক্ৰিয়াই কাব্যখনৰ নতুন মাত্ৰা প্ৰদান কৰিছে। যেনে- ‘ঠাহি ঠাহি নিমিসদধু সুথিৰু অৱস্থাৰি ৰ’ব, ৰ’ৰ- আধানিমেষ মাত্ৰ বৈ মোৰ কথাখিনি মন দি শুনক।’ কাব্যখন প্ৰথম প্ৰক্ৰমত কবিয়ে বিদ্বৎ সমাজক সোঁৱৰণ কৰি পূৰ্বৱৰ্তা কবিসকলে লালিত্যপূৰ্ণ ছন্দেৰে কাব্য ৰচনা কৰাৰ পিছতো কবিৰ নিচিনা নিঃকিনৰ দ্বাৰা ৰচিত পদলালিত্যহীন তথা কু-কবিতাবোৰ কাৰ দ্বাৰা উচ্চ প্ৰশংসিত হ’ব বুলি যিবোৰ উপমা-অলংকাৰেৰে সৰ্বসাধাৰণৰ প্ৰতি এই

কাব্যখন সম্পাদনা কৰিছে সেয়া অতি মনোমোহা। এই উপমা-ছন্দ প্ৰয়োগৰ মাজেদি কবিৰ অন্তৰ্দৃষ্টি তথা সূক্ষ্ম দৃষ্টি নতুন ৰূপত সাৱলীলভাৱে প্ৰকাশ পাইছে।

অপভ্ৰংশ (অৱহট্‌ঠ) ত ৰচিত এখন কাব্যৰ মাজেৰে উপযুক্ত উপমা ব্যৱহাৰ কৰি কাব্যৰস সৃষ্টিত অৰিহনা যোগোৱাটো কম প্ৰতিভাৰ পৰিচয় নহয়। কবিয়ে উপমা-অলংকাৰ ব্যৱহাৰ কৰিলেও সেইবোৰ নিজৰ মৌলিক সৃষ্টি যেন অনুভৱ হৈছে। যিসকলে জ্ঞানী আৰু মূৰ্খৰ পাৰ্থক্য বিচৰাতে ব্যস্ত থাকে, সেইসকলে যাতে এই কাব্যৰ ৰসাস্বাদন কৰে সেইটো কবিয়ে আশা ৰাখিছে। তদুপৰি জ্ঞানী-পণ্ডিতসকলৰ বাবে এই কাব্য উপযুক্ত নহয় বুলি কবিয়ে নম্ৰভাৱে কৈছে। ভাৰতীয় সাহিত্যও এনে নম্ৰতা প্ৰদৰ্শন কোনোৱে আগতে ব্যক্ত কৰা নাছিল। 'সন্দেশ ৰাসক' কাব্য গ্ৰন্থ সন্দৰ্ভত কবিৰ ভাষাৰে এনেদৰে ক'ব পাৰি-- 'অনুৰাগীসকলৰ বাবে ই ৰতি-গৃহ-স্বৰূপ, কবিসকলৰ বাবে মনহৰণকাৰী, মদনৰ মাহাত্ম্য প্ৰকাশকাৰী, বিৰহিনীৰ বাবে কামদেৱ সদৃশ আৰু ৰাসিজসকলৰ বাবে সুন্দৰ ৰস উদ্ৰেজজাৰী। ■

**সহায়ক গ্ৰন্থপঞ্জী-**

১। বন্দো পাধ্যায়, বিশ্বনাথ ঃ পালি আৰু প্ৰাকৃত সাহিত্যৰ ইতিহাস
২। সুৰেশ চন্দ্ৰ ঃ প্ৰাকৃত-অপভ্ৰংশ সাহিত্য বীথিকা
৩। শাস্ত্ৰী, বিধুশেখৰ ঃ পালি প্ৰকাশ
৪। বৰুৱা, ভীমকান্ত, দেৱ গোস্বামী, কেশৱানন্দ ঃ প্ৰাকৃত-পাঠ (পালি, প্ৰাকৃত আৰু অপভ্ৰংশ)
৫। ৰহমান, আব্দুৰ ঃ সদেশ ৰাসক
৬। ঠাকুৰ, নগেন ঃ পালি-প্ৰাকৃত -অপভ্ৰংশ ভাষা আৰু সাহিত্য

বৃহত্তৰ অসমীয়া জাতিৰ এটা প্ৰধান জনগোষ্ঠী হৈছে মিচিংসকল। অন্যান্য জনগোষ্ঠীসমূহৰ দৰে মিচিংসকলৰ সামাজিক-সাংস্কৃতিক জীৱন বৰ্ণময় আৰু বৈচিত্ৰ্যপূৰ্ণ। লোককলাৰ অন্যতম নিদৰ্শন হৈছে বস্ত্ৰ। মিচিংসকলৰ বয়ন শিল্প একক আৰু অনন্য। নৈসৰ্গিক জগতৰ সৈতে বনৰীয়া জীৱ-জন্তু, চৰাই-চিৰিকটি, গছ-লতিকা, ফলফুলৰ ঘনিষ্ঠতা মিচিং সাজপাৰত পৰিস্ফূট হৈ পৰে। তেওঁলোকে নিত্য নৈমিত্তিক ব্যৱহাৰ কৰা কাপোৰৰ ভিতৰত গাদু চাদৰ (জীম কাপোৰ), দুমীৰ (গামোচা), তাপুম গাচৰ (এৰী চাদৰ), চগন (মোনা), লুমাৰ বা য়ুমতাগ গায়িন (সৰু ৰুমাল) আদি।

# নলবাৰী মহাবিদ্যালয়ৰ শিক্ষক-জিৰণি কোঠাৰ কিছু মধুৰ স্মৃতি

■ ড° দীনমণি ভাগৱতী
*মুৰব্বী অধ্যাপক, ভূগোল বিজ্ঞান বিভাগ*

নলবাৰী মহাবিদ্যালয় অসমৰ উচ্চ শিক্ষাৰ ক্ষেত্ৰখনত এখন অতি গুৰুত্বপূৰ্ণ আৰু প্ৰতিষ্ঠিত অনুষ্ঠান। স্বাধীনতাৰ প্ৰাক্‌কালত ১৯৪৫ ইং চনতে কলিকতা বিশ্ববিদ্যালয়ৰ দ্বাৰা অনুমোদিত হৈ সেই সময়ত নলবাৰীৰ দৰে অৰ্থনৈতিকভাৱে অনগ্ৰসৰ গ্ৰাম্য পৰিৱেশত এখন মহাবিদ্যালয় প্ৰতিষ্ঠা কৰাটো কাজেই দূৰূহ কথা আছিল। তেনে অসাধ্য সাধন কৰিছিল নলবাৰীৰ কেইজনমান শিক্ষাপ্ৰেমী দূৰদৰ্শী ব্যক্তিয়ে। এইসকল ব্যক্তিৰ তৎপৰতাত নলবাৰী মহাবিদ্যালয়ৰ ঘৰদুৱাৰবোৰৰ কতো পৰা নাছিল সামান্যভাবেও অঞ্চলটোৰ আৰ্থিক দৈন্যতাৰ প্ৰভাব। আজিও নলবাৰী মহাবিদ্যালয়ৰ সেই সময়ত বন্ধা প্ৰতিটো ভৱন ১৬ ফুট উচ্চতাৰে সগৌৰৱে সেই লোকসকলৰ উচ্চ মানসিকতাৰ চানেকী বহন কৰি আছে। প্ৰতিডাল কাঠ আৰু প্ৰতিখন টিনপাতে আজিও ৰিঙিয়াই আছে নলবাৰী মহাবিদ্যালয় স্থাপনৰ সৎ আৰু পবিত্ৰ মানসিকতা।

আৰম্ভণিৰ পৰ্যায়ত কলা-শিক্ষাৰ প্ৰাণকেন্দ্ৰ হিচাপে গঢ় লৈ উঠা নলবাৰী কলেজ আজি বিজ্ঞান শিক্ষাৰ ক্ষেত্ৰখনতো সমানেই উজ্বল। এনে এখন ঐতিহ্যমণ্ডিত মহাবিদ্যালয়ৰ শিক্ষক হিচাপে সেৱা আগবঢ়োৱাৰ সুযোগ পোৱাতো আছিল আমাৰ জীৱনৰ এক মধুৰ বিষয়। প্ৰথিতযশা সাহিত্যিক ত্ৰৈলোক্য নাথ গোস্বামীদেৱৰ দৰে পণ্ডিত ব্যক্তিৰ অধ্যক্ষতাত নলবাৰী মহাবিদ্যালয় হৈ পৰিছিল জ্ঞান-তীৰ্থ। ভালে সংখ্যক স্বনামধন্য অধ্যাপকে নলবাৰী মহাবিদ্যালয় উজ্বলাই তুলিছিল। আমি মনত পেলাব বিচাৰিছোঁ সু-সান্নিধ্য লাভ কৰা কেইগৰাকীমান অধ্যাপকৰ শিক্ষক জিৰণি কোঠাত সৃষ্টি কৰা কিছু মধুৰ মুহূৰ্ত্তৰ কথা।

আজিৰদৰে নলবাৰী মহাবিদ্যালয়ৰ প্ৰতিটো বিভাগৰে শিক্ষকৰ বাবে সুকীয়া জিৰণি কোঠা নাছিল। বিজ্ঞানৰ বিভাগকেইটাৰ তেনে অলপ সুবিধা আছিল যদিও কলা-শাখাৰ বিভাগ কোনোটোৰে সুকীয়াকৈ শিক্ষক জিৰণি কোঠা নাছিল। ফলত সকলো শিক্ষকৰ বাবে এটাই জিৰণি কোঠা আছিল। শ্ৰেণীত পাঠদান কাৰ্য্য নোহোৱা সময়খিনি অধ্যাপকসকলে অতিবাহিত কৰিছিল এই সাধাৰণ জিৰণি কোঠাত। বিজ্ঞানৰ অধ্যাপক সকলো শ্ৰেণী নোহোৱা সময়খিনিত নিজ-বিভাগত অকলশৰীয়া অনুভৱ কৰি ঢাপলি মেলিছিল এই সাধাৰণ শিক্ষক জিৰণি কোঠাটোলৈ। কলা-বিজ্ঞানৰ শিক্ষকসকল একাষাৰ হৈ পৰিছিল বিভিন্ন আলোচনাত।

২০১৩ ইং চনলৈ শিক্ষক জিৰণি কোঠাটো আছিল বৰ্তমানৰ অধ্যক্ষৰ কোঠাৰ কিছু ঠাইত। অসম আৰ্হিৰ কোঠাটো শিক্ষকৰ তুলনাত যথেষ্ট সৰু আছিল। শিক্ষক জিৰণি কোঠাৰ পূৱফালৰ গাতে লাগি আছিল এটি সৰু কোঠা আৰু ই ব্যৱহাৰ হৈছিল পৰীক্ষা নিয়ন্ত্ৰণ কক্ষ হিচাপে। তাৰ পূৱত কোঠা নং ২ ($R_2$)। প্ৰভাত চন্দ্ৰ গোস্বামী প্ৰেক্ষাগৃহৰ পিছতে আটাইতকৈ বেছি সভা-সমিতি হৈছিল এই ২নং কোঠাত। ১৯৮৭ ইং চনত শিক্ষকসকলৰ দাবীত পৰীক্ষা নিয়ন্ত্ৰণ কক্ষটো শিক্ষক জিৰণি কোঠাৰ লগত সংলগ্ন কৰা হৈছিল অধ্যক্ষ জগন্নাথ চক্ৰৱৰ্ত্তীদেৱৰ দিনত। সময়ত সেয়াও সৰু হোৱাত জিৰণি কোঠাটোৰ পশ্চিম ফালত এখন বাৰান্দা দি আৰু অলপ ডাঙৰ কৰি লোৱা হৈছিল। পিছলৈ সেই বাৰান্দাখন ইংৰাজী বিভাগে জিৰণি কোঠা হিচাপে ব্যৱহাৰ কৰিছিল।

প্ৰথম অৱস্থাত শিক্ষক জিৰণি কোঠাত প্ৰস্ৰাৱগাৰ এটাও নাছিল। অধ্যাপক ভূপেন দাসদেৱৰ তৎপৰতাত কোঠাটোৰ দক্ষিণফালত এখন বাৰান্দা দি এটি প্ৰস্ৰাৱগাৰ সাজি লোৱা হৈছিল। বহুদিনলৈ পুৰুষ-মহিলাৰ বাবে এটাই প্ৰস্ৰাৱগাৰ আছিল। মহিলাৰ সংখ্যা কম আছিল বাবে দাবীও উঠা নাছিল। অধ্যাপিকা

সত্যভমা দাস, অধ্যাপিকা উষা গোস্বামী, ড° প্ৰতিভা দাস অধ্যাপিকা ৰায়বৰুৱা এই কেইগৰাকীয়ে অধ্যাপিকা আছিল। পিছলৈ অধ্যাপিকাৰ সংখ্যা বৃদ্ধি পোৱাত মহিলাৰ বাবে এটি সংলগ্নভাৱে প্ৰস্ৰাৱগাৰ নিৰ্মাণ কৰা হৈছিল।

শিক্ষক জিৰণি কোঠাত পণ্ডিত প্ৰৱৰ অধ্যাপক সকলৰ গভীৰ তাত্বিক আৰু আধ্যাত্মিক আলোচনাবোৰ আমি পিছফালে বহি একান্তমনে শুনি আছিলোঁ। আমি ১৯৮৪ চনৰ শেষৰ দিনটোত নলবাৰী মহাবিদ্যালয়ত যোগদান কৰিছিলো আৰু ১৯৮৬ চনৰ জানুৱাৰী মাহত অৱসৰ পাইছিল প্ৰয়াত অধ্যাপক কৰুণা কান্ত শৰ্মা ডাঙৰীয়াই। শৰ্মা ডাঙৰীয়া ৰাজনীতি বিজ্ঞান বিভাগৰ মূৰব্বী অধ্যাপক আছিল। ওখ-পাখ গলগলীয়া মাতেৰে এক বিশেষ ব্যক্তিত্বৰ অধিকাৰী আছিল শৰ্মাদেৱ। তেখেত ৰাষ্ট্ৰীয় শিক্ষাৰ্থী বাহিনীৰ (NCC) তত্বাৱধায়ক আছিল। আন্তঃৰাষ্ট্ৰীয় ৰাজনৈতিক প্ৰেক্ষাপট আৰু ৰাষ্ট্ৰীয় শিক্ষাৰ্থীবাহিনীৰ প্ৰশিক্ষণবোৰত লাভ কৰা অভিজ্ঞতাবোৰ জিৰণি কোঠাত তেখেতে সাৱলীলভাৱে বিশ্লেষণ কৰিছিল।

অধ্যাপক কুবেৰ ৰয়, ড° হৰিদত্ত শৰ্মা, অধ্যাপক মচলেম আলী বৰ ৰসিক আছিল। কুৱেৰ ৰয় অতি গুৰু-গম্ভীৰ ব্যক্তিত্বৰ আৰু পাণ্ডিত্বপূৰ্ণ মধুৰ কথাবোৰ শুনি থাকিলে কেতিয়া সময় বাগৰে গম পোৱা নগৈছিল। আমি বিদ্যাপুৰত ঘৰ বান্ধি থাকোতে ৰয় ছাৰে প্ৰায়েই খবৰ লৈছিল আৰু আমাৰ দুখ-ভাগৰ নাইকিয়া কৰিছিল। ড° হৰিদত্ত শৰ্মা ছাৰৰ কথা অকল জিৰণি কোঠাতে নহয় শ্ৰেণী কোঠাৰ কথাও তেখেতৰ গুণমুগ্ধ ছাত্ৰ-ছাত্ৰী সকলে শ্ৰদ্ধাৰে সোঁৱৰে।

১৯৮৬ চনৰ ফেব্ৰুৱাৰী মাহত গাড়োৱাল বিশ্ববিদ্যালয়ৰ পদাৰ্থ বিজ্ঞান বিভাগৰ অধ্যাপক তিনিজনে নলবাৰী মহাবিদ্যালয়ৰ শিক্ষক জিৰণি কোঠালৈ আহি অধ্যক্ষ জগন্নাথ চক্ৰৱৰ্ত্তীৰ অধ্যক্ষতাত এখন সভা পাতি 'অতিমানৱৰ ধাৰণা' সম্পৰ্কীয় এটি মধুৰ বক্তৃতা প্ৰদান কৰিছিল। আলোচনাত অধ্যাপক দীনেশ্বৰ ভট্টাচাৰ্য্যদেৱৰ দৰে জ্যেষ্ঠ অধ্যাপকসকলে পাণ্ডিত্বপূৰ্ণতাৰে অংশ গ্ৰহণ কৰিছিল।

১৯৮৮ চনৰ নবেম্বৰ, ডিচেম্বৰ মাহত শিক্ষক জিৰণি কোঠাত এটা ঘটনা বৰকৈ চৰ্চিত হৈছিল। আমাৰ ভূগোল বিভাগৰ মূৰব্বী অধ্যাপক প্ৰয়াত দীনেশ চন্দ্ৰ গোস্বামীদেৱৰ 'ইভানভো' নামৰ এগৰাকী পেন ফ্ৰেইণ্ড আছিল আমেৰিকা যুক্তৰাষ্ট্ৰৰ। তেওঁ পত্ৰকাৰ আছিল আৰু পৃথিৱীৰ বিভিন্ন দেশ ভ্ৰমি ফুৰিছিল। এদিনাখন ইভানভোই পত্ৰযোগে অধ্যাপক গোস্বামীক জনালে যে তেওঁ ভাৰতৰ দিল্লীলৈ আহিব গতিকে অসমৰ নলবাৰীত থকা গোস্বামীৰ ঘৰত এপাক সোমাই যাব। তাৰ বাবে তেখেতে অধ্যাপক গোস্বামীক অনুৰোধ জনালে যাতে তেখেতৰ যিকোনো এখন গাড়ী বৰঝাৰ বিমানবন্দৰলৈ পঠাই দিয়ে। চিঠিখন পাই গোস্বামীদেৱৰ মূৰত সৰগ ভাগিল। ক'ৰপৰা তেওঁ এখন গাড়ী পঠাব। সেই সময়ত নলবাৰী কলেজৰ কোনো এজন অধ্যাপকৰে মটৰ গাড়ী নাছিল। কেৱল মাত্ৰ প্ৰয়াত অধ্যাপক জহুৰুদ্দিন আহমেদ ডাঙৰীয়াৰ চেকেণ্ড হেণ্ড এম্‌বেচাদৰ গাড়ী এখন আছিল। সেইখনৰো অৱস্থা বেয়া। মাজে মাজে ষ্টাৰ্ট বন্ধ হৈ যায়। কথাটো কমন ৰুমত বিভিন্ন ধৰণে আলোচনা হ'ল আৰু শেষত অলপ মেৰামতি কৰি অধ্যাপক জহুৰুদ্দিনৰ গাড়ীখনকেই পঠোৱাৰ সিদ্ধান্ত হ'ল। সময়ত কিন্তু ইভানভোই দিল্লীৰ পৰা ৰেষ্ট্ৰিক্টেদ এৰিয়া পাৰ্মিচন নোপোৱা বাবে অসমলৈ আহিব নোৱাৰিলে। ইভানভোই গোস্বামীদেৱৰ ল'ৰা-ছোৱালী দুটাৰ বাবে বিভিন্ন দেশৰ পুতুলাবোৰ পঠাই দিছিল। সম্ভৱতঃ তেখেতৰ ঘৰত এতিয়াও সেইবোৰ সযতনে ৰাখি থোৱা আছে।

১৯৮৫ চনলৈ নলবাৰী মহাবিদ্যালয়ৰ বেছিভাগ শিক্ষকৰে মাহিলি দৰমহা ১৫০০.০০ টকাতকৈ কম আছিল। কেইজনমান জ্যেষ্ঠ শিক্ষকে মাহিলি দুই হাজাৰৰ ওচৰা-ওচৰিকৈ দৰ্মহা পাইছিল। কিন্তু দৰমহা সদায় মাহটোৰ ১ তাৰিখে হৈছিল। এবাৰ কিবা কাৰণত দৰমহা ৫ তাৰিখলৈ হোৱা নাছিল। ইয়াকে লৈ কমন ৰুমত সৰব আলোচনা হৈছিল। অধ্যাপক শ্ৰীযুত শশী শৰ্মাদেৱৰ ভাষ্য আছিল "হয়, আমি শিক্ষকসকলে যথেষ্ট কম দৰমহা পাওঁ। কিন্তু সমাজত আমাৰ যথেষ্ট মৰ্য্যদা আছে। পেপাৰ, গাখীৰ আদিৰ পইচা ১ তাৰিখে দৰমহা পাই দুই তাৰিখে তেওঁলোকক দিওঁ বুলি তেখেতসকলে জানে। তেনে ক্ষেত্ৰত ৫ তাৰিখলৈ দৰমহা নহ'লে সেই ব্যক্তিসকলৰ আমাৰ ওপৰত আস্থা নোহোৱা হ'ব।" এয়া আছিল সেই সময়ত কলেজ শিক্ষকসকলৰ সামাজিক মৰ্যদা। পিছলৈ কিন্তু একেৰাহে ৩/৫ মাহ পৰ্য্যন্ত কলেজ শিক্ষকসকলে দৰ্মহা নোপোৱা হৈছিল। অধ্যাপক ৰবি চন্দ্ৰ বৰ্মন, ড° কৈলাস শৰ্মা, অধ্যাপক যাদৱ দাস, অধ্যাপক যামিনী কান্ত শৰ্মা, অধ্যাপক বসন্ত কুমাৰ গোস্বামী আদিৰ দৰে কৃতবিদ্য শিক্ষকসকলৰ শৈক্ষিক আলোচনাৰ বাতাবৰণে নলবাৰী মহাবিদ্যালয়ৰ শিক্ষক জিৰণি কোঠাত সৃষ্টি কৰা সুমধুৰ পৰিবেশৰ মধুৰ স্মৃতি আজিও আমাৰ মনত সজীৱ হৈ আছে। ■

# কামৰূপী ভাষাৰ কবিতা

■ পংকজ গোবিন্দ মেধি
*প্ৰাক্তন ছাত্ৰ*

কামৰূপী কথিত ভাষাত কবিতা ৰচনাৰ ইতিহাস পুৰণি হ'লেও অসমীয়া ভাষাৰ উৎপত্তি হোৱা ভাষাৰ এই ৰূপটোত কাব্য-চৰ্চা সণ্চালনিকৈ হোৱা দেখা পোৱা নাযায়। খ্ৰীষ্টাব্দ ষষ্ঠ শতিকাৰ পৰা দ্বাদশ শতিকালৈ কামৰূপী কথন-চয়নত এক গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰিছিল। চৰ্যাপদ সমূহো ৰচনা হৈছিল সেই সময়তেই। চৰ্যাপদত প্ৰাচীন ভাষাৰ শব্দৰ ব্যৱহাৰ প্ৰাচুৰ্য দেখিবলৈ পোৱা যায়। স্থানান্তৰত আলোচনা কৰি অহা হৈছে যে প্ৰাচীন কামৰূপী ভাষাৰ পৰিৱৰ্ধিত আৰু পৰিমাৰ্জিত ৰূপ আজিৰ অসমীয়া ভাষা।

উনবিংশ শতিকাত অসমীয়া ভাষাত কবিতা ৰচনাৰ লগতে কামৰূপী কথিত ভাষাত কবিতা ৰচনাৰ এটা প্ৰক্ৰিয়া আৰম্ভ হৈছিল। অৱশ্যে এই প্ৰক্ৰিয়াৰ উত্থান বিভিন্ন কাৰণত সম্ভৱপৰ নহ'ল। বিংশ শতিকাতো দুই চাৰিটা এনে উদাহৰণ পোৱা যায়। দৰাচলতে বিংশ শতিকাত কথিত ভাষাত ৰচনা কৰা ন্যূনতম সংখ্যক কবিতাসমূহক কামৰূপীয়া ভাষাৰ কবিতা বুলি কোৱাতকৈ **নলবৰীয়া ভাষাৰ কবিতা** বুলি কোৱাহে যুগুত হ'ব। (সাদিন, ২০ জুলাই, ২০০১, পৃষ্ঠা ১৯ দ্ৰষ্টব্য)।

কামৰূপী কথিত ভাষাত ৰচিত প্ৰথমখন গ্ৰন্থ হিচাপে **গোপীনাথ চক্ৰৱৰ্তীৰ ৰাধাৰ কলংক ভঞ্জন**ৰ কথা উনুকিয়াব পাৰি। গ্ৰন্থখন সম্পৰ্কে আলোচক সত্যেন্দ্ৰনাথ শৰ্মাই লিখিছে— 'গোপীনাথ চক্ৰৱৰ্তীৰ ৰচনাত কামৰূপীয়া কথিত ভাষাৰ প্ৰভাৱ সুস্পষ্ট আৰু ৰুচিবোধো বৰ পৰিমাৰ্জিত নহয়। প্ৰাচীন ৰীতিত লিখা এই সুঁতিটো অতি ক্ষীণ, দুৰ্বল আৰু গতিহীন। ইয়াক এক প্ৰকাৰ বন্ধ পানীৰ লগত ৰিজাব পাৰি। (শৰ্মা সত্যেন্দ্ৰনাথ, অসমীয়া সাহিত্যৰ সমীক্ষাত্মক ইতিবৃত্ত; আগষ্ট, ২০০০; পৃষ্ঠা ২৬১) । গ্ৰন্থখন সম্পৰ্কে লক্ষ্মীনাথ বেজবৰুৱাৰ আলোচনা উনুকিয়ালে সত্যেন্দ্ৰনাথ শৰ্মাৰ এই বক্তব্য পক্ষপাতমূলক আৰু উপলুঙাসূচক বুলি ভাবিবৰ থল আছে। অন্যথা লক্ষ্মীনাথ বেজবৰুৱাৰ মন্তব্য তৈলমৰ্দক হিচাপে বিবেচিত হ'ব। গ্ৰন্থ খন সম্পৰ্কে বেজবৰুৱাই লিখিছে— 'উদাৰহৃদয় কালিৰাম বৰুৱাৰ দ্বাৰা প্ৰকাশিত **ৰাধিকাৰ কলঙ্ক ভঞ্জন** কিতাপখনি পঢ়ি আমি মুগ্ধ হওঁ। তেনেকুৱা ৰচনা মোহাৰি মাৰিবলৈ যোৱালৈ ভাল নে? (বেজবৰুৱা, লক্ষ্মীনাথ; বাঁহী, ২য় বছৰ ২য় সংখ্যা, পুহ ১৮৩২, পৃষ্ঠা ৮৩)।

কামৰূপৰ কথিত ভাষাটোক বেজবৰুৱাই 'কামৰূপী ভাষা' বুলি অভিহিত কৰিছে। কামৰূপী ভাষা লিখিত ৰূপৰ অসমীয়া ভাষাৰ মাজত পৰিৱৰ্তিত হৈ থকা দ্বন্দ বেছ পুৰণিকলীয়া। তাৰ মাজেৰেই অসমীয়া সাহিত্যত উজনী-নামনিৰ ভাষাৰ অঁৰিয়া-অৰিৰ এখন ছবি বাঁহীৰ পাতত দেখিবলৈ পোৱা যায়। **কামৰূপী কবিতা**ৰ আলোচনা কৰিবলৈ গ'লে সেই অঁৰিয়া-অঁৰিৰ বুৰঞ্জীখনৰ বকলা মেলাৰ প্ৰয়োজন আছে। লক্ষ্মীনাথ বেজবৰুৱাৰ ভাষাত— **বাঁহীৰ সাহিত্য-সম্বন্ধীয়া অৰিয়াঅৰি**। (**হেমকোষ**ৰ একাদশ সংস্কাৰ, ২০০০, পৃষ্ঠা, ৫০ ত 'অৰিয়াঅৰি' লিখাৰ বিপৰীতে চন্দ্ৰকান্ত অভিধানৰ চতুৰ্থ সংস্কৰণ; ২০১২ চন, পৃষ্ঠা ৪৪ ত ' অৰিয়া-অঁৰি' ব্যৱহাৰ কৰা হৈছে)। **বাঁহীৰ সাহিত্য-সম্বন্ধীয়া অৰিয়াঅৰি** শিৰোনামাৰে বেজবৰুৱাই বাঁহীত আবেদন জনাইছিল— 'আজিৰ পৰা এমাহৰ ভিতৰত যিসকলে আমালৈ কামৰূপীয়া ভাষাত লিখি গল্প পঠিয়াব, তেওঁলোকৰ ভাষাত যাৰ গল্পটো আটাইতকৈ ভাল হ'ব, তেওঁক আমি সংস্কৃত **শব্দকল্পদ্ৰম** নাইবা **হেমকোষ** অভিধান এখন বঁটা দিম। বিচাৰৰ ভাৰ আমাৰ হাতত থাকিল।' (বাঁহী, প্ৰথম বছৰ দশম সংখ্যা, পৃষ্ঠা ৩২৮) । বেজবৰুৱাৰ এই আবেদনে বিৰূপ প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিলে। বাঁহীৰ পাতত আৰম্ভ হ'ল পত্ৰযুদ্ধ, অনুভূতিসম্পন্ন মনোজাগতিক যুদ্ধ।

তেনে সময়তে বাঁহীত **ভোলানাথ দাসে** লিখিলে **অসমীয়া হুজুগ** শীৰ্ষক এক ৰচনা। অসমীয়া ভাষা আৰু কামৰূপী ভাষাৰ সমিল-মিল স্থাপনেই আছিল সেই লিখাৰ উদ্দেশ্য। লেখাটোত দাসে লক্ষ্মীনাথ বেজবৰুৱাক সমৰ্থন কৰি উনুকিয়াইছে- 'কিন্তু অসমীয়া ভাষাত ঘাইকৈ উজনিৰ মাত-কথা থকাত নামনিৰ মাত-কথাৰ বহুত শব্দ, অইন কি, সুন্দৰ শুৱলা বচন, যোজনা, ফকৰা, সাঁথৰ, বিয়া, আইনাম, ধাইনাম, বিয়াৰ নাম, সাধুকথা, ধেমেলীয়া কথা আদি লোপ পোৱাৰ খুব সম্ভৱ। কিয়নো যিবিলাক কথা ব্যৱহাৰ বা চৰ্চা কৰা নাযায় তাক সময়ত পাহৰা যায়। আসামত মাজতে বঙ্গালী ভাষা চলোৱাত আমাৰ বহুতে

নিজৰ বহুত কথা পাহৰা বা নজনাৰ প্ৰমাণ এতিয়াই পোৱা গৈছে। গতিকে সেই শুৱলা নামনিৰ মাত-কথাৰ বচনবিলাক পুথিৰ আকাৰে প্ৰকাশ কৰিলে যে আমাৰ সাহিত্য-ভঁৰাল চহকী হ'ব তাৰ কোনো ভুল নাই। সৰ্ব্বাংগসুন্দৰ ইংৰাজী ভাষাতো ওৱেলচ স্কচ ভাষাৰে (মাত-কথাৰে) লিখা পুথি আমি পঢ়িছোঁ। আৰু স্কচ কবি ৰবাৰ্ট বৰ্ণচৰ সাৰুৱা মধুৰ কবিতা পঢ়ি ইংৰাজী কবিতা পঢ়ি পোৱাৰ দৰে পৰম প্ৰীতি লভি আহিছোঁ। আমাৰ বোধেৰে দশম সংখ্যা 'বাঁহী'ত ওলোৱা বাঁহীৰ সাহিত্য সম্বন্ধীয় আঁৰিয়া-অঁৰি জাননীখনি দূৰদৰ্শী সম্পাদকে মহৎ উদ্দেশ্যেৰেহে দিছে। আৰু এনে মহৎ ভাৱ স্বদেশ স্বভাষীপ্ৰেমিকৰ মনতহে ঠাই পাব। যদি সম্পাদক ডাঙৰীয়া উজনীয়া নহৈ নামনিৰ মানুহ হ'লহেঁতেন তেওঁ আমাৰ আৰু শলাগৰ পাত্ৰ হ'লহেঁতেন।' আক্ষেপৰ সুৰত ভোলানাথ কাকতিয়ে লিখিছে- 'কিন্তু দুখৰ বিষয় কোনো কাকতৰ সম্পাদকে এই সজ উদ্দেশ্যত মাথোন ঠাট্টা বিদ্ৰূপৰ গোন্ধ পাইছে।'

উল্লেখযোগ্য যে বাঁহীৰ একেটা সংখ্যাতে কামৰূপীয়া ভাষাত এটা কবিতা প্ৰকাশ কৰা হয়। ছপা মাধ্যমত এইটোৱে প্ৰথম কামৰূপীয়া ভাষাৰ কবিতা। **হাঁ মোৰ কাপাল** শীৰ্ষক কবিতাটোৰ ৰচক **শ্ৰীউমেশ চন্দ্ৰ বৰুৱা**। পৰৱৰ্তী সময়ত এই কবিতাটো প্ৰকাশ কৰাকলৈও বিৰূপ প্ৰতিক্ৰিয়াৰ সৃষ্টি হয়।

কামৰূপীয়া ভাষাত ভাল গল্প লেখি সংস্কৃত **শব্দকল্পদ্ৰুম** নাইবা **হেমকোষ** অভিধান এখন বঁটা হিচাপে লাভ কৰাৰ বিপৰীতে এচাম লোকে বিজ্ঞানপনটোৰ ভাষাত সংকীৰ্ণতা দেখিবলৈ পালে। **কামৰূপীয়া নিভাঁজ 'ধেকেৰী'** বুলি উল্লেখ কৰি **শ্ৰীউত্তম চন্দ্ৰ বৰুৱাই** বাঁহীৰ দ্বিতীয় বছৰ দ্বিতীয় সংখ্যাত লিখিলে **এজন অসমীয়া ডাঙৰীয়াৰ চিঠি** শীৰ্ষক প্ৰবন্ধ। উত্তম চন্দ্ৰ বৰুৱাৰ প্ৰতিক্ৰিয়া ইমানেই উষ্মাসম্পন্ন আছিল যে তেওঁ বাঁহী আলোচনীখনক তিৎকাৰী মাৰি লিখিছিল— 'আশাকৰোঁ মোৰ এই কথাখিনি আপোনাৰ সুবিখ্যাত বাঁহীত লৰচৰ নকৰাকৈ ঠাই দিব।' কামৰূপীয়া ভাষাৰ সপক্ষে যুক্তি দাঙি ধৰা প্ৰবন্ধটোত বৰুৱাই লিখিছিল— "আপোনাক কোৱা বাহুল্য যে বৰ্ত্তমানৰ 'আসাম' নামটি আগৰ 'কামৰূপৰ' ঠাইত ব্যৱহাৰ কৰা হৈছে, সেই কাৰণে 'কামৰূপীয়া ভাষা' এতিয়া 'অসমীয়া ভাষা' নামে অভিহিত হৈছে। মহাপুৰুষ প্ৰয়াত শঙ্কৰদেৱ কিম্বা তৎপূৰ্বকালৰ কবিসকলৰ ৰচিত প্ৰাচীন গদ্যপদ্যময় গ্ৰন্থসকলৰ ভাষা 'কামৰূপীয়া' বুলিয়েই প্ৰখ্যাত আছিল। আৰু এতিয়াও আছে।' প্ৰবন্ধটোৰ শেষত সম্পাদকে এটা টোকা দি লিখিছিল- 'এই প্ৰবন্ধটো আমি অলপো লৰচৰ নকৰাকৈ ছপাইছোঁ। কোৱা বাহুল্য যে আমাৰ বিজ্ঞাপনৰ উদ্দেশ্য লিখকে ভুল বুজিছে।'

সম্পাদকীয় টোকাটোৰ উপৰিও আবেদনৰ সুৰত সম্পাদকে লিখিছিল— **আমাৰ নামনি আসামৰ বন্ধুসকলৰ প্ৰতি**। তাত তেওঁ লিখিছিল- 'আমি শুনি দুখিত হৈছোঁ যে বিগত সংখ্যা বাঁহীত ওলোৱা **হাঁ মোৰ কাপাল পদ্য**টো পঢ়ি আমাৰ নামনি- আসামৰ বন্ধুসকলে বেজাৰ পাইছে। তেওঁলোকৰ বা আন কাকো বেজাৰ দিবৰ মনেৰে বা ইতিকিং কৰিবৰ মনেৰে তাক ছপোৱা নাছিলোঁ, অথবা অসমীয়া আৰু কামৰূপীয়া যে দুটা ভাষা সেইটো দেখুৱাবলৈও চেষ্টা কৰা নাছিলো। আৰু কৰিমেই বা কিয় ? ভাষাতো দুটা নহয়, অসমীয়া ভাষা মানেই কামৰূপীয়া ভাষা কামৰূপীয়া ভাষা মানেই অসমীয়া ভাষা। আমি আমাৰ জাননীখনত ভুলকৈ কামৰূপীয়া ভাষা নেলেখি নামনি আসামৰ মাত বা কথা লেখাহেঁতেনেই বোধকৰো ইমানবোৰ জেঙা নালাগিলহেঁতেন। বিগত সংখ্যা বাঁহীত শ্ৰদ্ধাস্পদ ভোলানাথ কাকতিৰ প্ৰবন্ধটো মন দি পঢ়িছে তেৱেঁই আমাৰ অভিপ্ৰায় বুজিছে। ভাটীৰ অসমীয়া কথাৰে কেনে একোটি সুন্দৰ কবিতা ৰচনা কৰিব পাৰি এই বাৰৰ **হা মোৰ হৰি** পদ্যটো পঢ়িলেই বুজা যায়। Dialectical Peculiarities ৰাখি একোটি ৰচনা লেখিলেই যে সেই Dialect অক ইতিকিং কৰা হয় অথবা ঘাই ভাষাৰ প্ৰতিদ্বন্দ্বী কৰি তাক থিয় কৰাবলৈ চেষ্টা কৰা হয় এইটো আমি সমূলি মানিব নোৱাৰো। বৰ্ণচ্‌ৰ Burns কবিতাৰ উদ্দেশ্য ইংৰাজী ভাষাৰ বিপক্ষতাচাৰণ বুলি কোনেও বুজা কথা আমি নাজানো।' এইখিনিতে প্ৰণিধানযোগ্য যে লোকনিন্দাৰ আতিশয্যত বাঁহীৰ সম্পাদক লক্ষ্মীনাথ বেজবৰুৱাই হা মোৰ হৰি কবিতাটোক 'ভাটীৰ অসমীয়া কথাৰে' ৰচনা কৰা কবিতা বুলিলে।

কামৰূপীয়া ভাষাৰ কবিতাৰ বিষয়ে আলচ কৰিবলৈ লৈ বাঁহীৰ ওপৰোক্ত বাদ-বিবাদ উলাই কৰা নাযায়। এই বাদ-বিবাদৰ পৰা কেইবাটাও কথা স্পষ্ট হৈ পৰিছে। শ্ৰীউত্তম চন্দ্ৰ বৰুৱাই বাঁহীৰ দ্বিতীয় বছৰ দ্বিতীয় সংখ্যাত লিখা 'মহাপুৰুষ' শঙ্কৰদেৱ কিম্বা তাৎপূৰ্বকালৰ কবিসকলৰ ৰচিত প্ৰাচীন গদ্যপদ্যময় গ্ৰন্থসকলৰ ভাষা 'কামৰূপীয়া' বুলিয়েই প্ৰখ্যাত আছিল। আৰু এতিয়াও আছে।' কথা লানিক কোনেও অস্বীকাৰ কৰা নাই। সেই হেতুকে বৰ্তমানৰ প্ৰজন্মৰ আলোচকৰ বাবে শংকৰদেৱৰ সাহিত্যৰ ভাষাৰ বিষয়ে আলোচনা কৰোতে 'শঙ্কৰদেৱ সাহিত্যত কামৰূপীয়া ভাষা প্ৰভাৱ' এক উল্লেখযোগ্য বিচাৰ্যৰ দিশ হ'ব পাৰে।

**হাঁ মোৰ কাপাল** কবিতাটোৰ ৰচক **উমেশ চন্দ্ৰ বৰুৱা** ছদ্মনাম। তেওঁৰ প্ৰকৃত নাম ভুৱন চন্দ্ৰ বৰুৱা। পিতৃ-ফটিক চন্দ্ৰ বৰুৱা। সদাগৰ ভোলানাথ বৰুৱাই পোষ্যপুত্ৰ ৰূপে গ্ৰহণ কৰাৰ পিচত তেওঁৰ নাম হয় বিশ্বনাথ বৰুৱা। কবি উমেশ চন্দ্ৰ বৰুৱাৰ ১৯১৩ চনৰ ৭ নবেম্বৰৰ দিনাখন অকালতে মৃত্যু হয়।

শংকৰাচাৰ্যৰ **নিৰঞ্জনাষ্টক** প্ৰবন্ধবোৰ কাব্যৰূপেৰে তেওঁ **বাঁহী**ত প্ৰকাশ কৰিছিল। চন্দ্ৰ কুমাৰ আগৰৱালাই অনুদিত কাব্যৰূপৰ প্ৰবন্ধৰ ওপৰত মন্তব্য কৰি লিখিছিল- "এইবোৰ এনে সুন্দৰ যে মূল কবিতা যেনহে লাগে, অনুবাদ যেন নালাগে।"

**হাঁ মোৰ কাপাল** কবিতাত কবিয়ে কামৰূপী ভাষাটোক পূৰ্ণ ৰূপত উপস্থাপনত বিফল হৈছে। কামৰূপী ভাষা ব্যৱহাৰ কৰা লোকৰ বাবে কবিতাটোৰ ভাষা মিছনেৰীয়ে লিখা অসমীয়া ভাষাৰ লেখীয়া- 'তোহ্নাই কিনো কৰাঁহা, এই গ্ল্যান কিনো কহাহাঁ? / দেখ্বা শুন্বা নৰোঁ আৰু বধ লাগেই সাম্‌ৰি থৰাহাঁ।/ বোল্বা ন'ৰ্ছি ঢেক্ৰী আমাক হল নো কিনো তাত? /সেই বোলিয়েই নেদোঁ দ্যা আমি এনে গ্ল্যান কথাত কাণ।। / আবু আতাই হামৰাই আমাৰ মাতেই যিটো মাত। /সক্লো মাতৰ ভিতৰত হৈছি জান্বা সেঁটোৰেই ভাল জাত।" ভাষাৰ লালিত্য আৰু মাধুৰ্য কবিতাটোত অনুপস্থিত- 'যিমান লাগেই তিমান লিখিম দিম সেঁটো কিনো টান কাম। /মুঠেই ভাব্না ধৰেই ছাপ্বাৰ থচৰ্চা ক'তনো কেন্‌কৈ পাম। / তোহ্নাৰ ভাষাত যোনি যিহ্‌কে লিখেই বোলেই সক্লোৰে ভাল। /এনাহা গুণৱতী ভাষা তোহ্নাৰ আজি শুকেই হৈছি হাড় ছাল।" কবিতাটোৰ সম্পূৰ্ণ পাঠ এনে ধৰণৰ-

**হাঁ মোৰ কাপাল**

**উমেশ চন্দ্ৰ বৰুৱা**

For a' that and a' that
'Tis soul and heart and a' that
That makes the king a gentleman,
And not his crown and a' that.
And whether he be rich or poor
The best is he for a' that
Who stands erect in self- respect
And acts the man for that.
Charles Mackay

তোহ্নাই কিনো কৰাঁহা, এই গ্ল্যান কিনো বকাহাঁ?
দেখ্বা শুন্বা নৰোঁ আৰু বধ লাগেই সাম্‌ৰি থৰাহাঁ।
বোল্বা ন'ৰ্ছি ঢেক্ৰী আমাক হল নো কিনো তাত?
সেই বালিয়েই এৰি দিম্না আমি বাই পিতেইৰ মাত?
শিকোঁৰেই বাৰু নাউমান লিখা পঢ়া পালোঁৰো নহয় পদ মান।
সেই বোলিয়েই নেদোঁ দ্যা আমি এনে গ্ল্যান কথাত কাণ।।
আবু আতাই হামৰাই আমাৰ মাতেই যিটো মাত।
সক্লো মাতৰ ভিতৰত হৈছি জা্বা সেঁটোৰেই ভাল জাত।।
যি মাত মাতি বুকুৰ মাজত গোসাঁইক সৰাঁ কৰোঁ।
মৰ্বাৰ সময়তো যি মাত মাতি মনৰ সুখত মৰোঁ।
মান্‌হে হাঁইহ্‌বো বোলিয়েই এৰি দিম্না মাত্‌বা সেঁটো মাত?
নক্‌বা এনাই কথা আৰু খং উঠি আহেই আমাৰ গাত।।
জ্ঞাতি কুটুমুৰ লগত আমি যি মাতেইদি কওঁ কথা।
সেঁটো মাতেইহা কাণত আমাৰ লাগেই দিয়া বৰ মিঠা।
দুখৰ সুখৰ কথা গিলান যি মাতত ফুটি উঠৈই।
আচল মাত্‌হা সেঁটো তাত সন্দেহ নাই দিয়া মুঠেই।।
হ'ব পাৰেই 'শুদ্ধ' তোহ্নাৰ মাত আৰু চহকী তোহ্নাৰ ভাষা।
দিন্‌ক দিনে আৰু চহকী হক কৰোঁ আমিও আশা।
শক্তি আমাৰ যিমান আছেই তোহ্নাক সহায় কৰিম তাত।
সেই বোলিয়েই আমি নেদোঁ দিয়া এৰি আবু আতাইৰ মাত।।
লিখ্বা লাগে কিতাপ পুথি লিখিম দিয়া তোহ্নাৰ ভাষাত।
ভয় নাখ্বা নবঞ্চো দিয়া আমি তোহ্নাৰ এনাটো ডাঙাৰ আশাত।
যিমান লাগেই তিমান লিখিম দিয়া সেঁটো কিনো টান কাম।
মুঠেই ভাব্না ধৰেই ছাপ্বাৰ থচৰ্চা ক'ত নো কেন্‌কৈ পাম।
তোহ্নাৰ ভাষাত যোনি যিহ্‌কে লিখেই বোলেই সক্লোৰে ভাল।
এনাহা গুণৱতী ভাষা তোহ্নাৰ আজি শুকেই হৈছি হাড় ছাল।।
ম্যাকৰ মাতো পঢ়বাক লেগি এথান ভেটী লাগেই দিবা।
তত লবাহাঁ ছলিগিলান তোহ্নাৰ ডাক্‌বো চাবা জিভা।।
এই গ্ল্যানি দেখি শুনি আমাৰো মৰ বেজাৰ লাগেই দিয়।
লিখ্বা লাগেই লিখিম দিয়া আমিও ভয় নোখাওৰা কিয়া?
লিখিম পঢ়িম সক্লো কৰিব মুঠেই নাম্‌তো তোহ্নাৰ মাত।
বোলা নোল্লা ঢেক্ৰী আমাক আৰু বয়া পাওৰা তাত।।
মুৰ জকৰাছোঁ। কিনো কৰাহাঁ? নাম্‌তা সেঁটো মাত?
নাম্‌তিলা নাই তোহঁনাগিলাই আমাৰ হল নে কিনো তাত?
লিখা পঢ়া শিক্‌ছা তোহ্নাই কৰ্ছাও পাছ-ফাছ কিবা।
জানা তোহ্নাই কেন্‌কেই পাৰি উল্টেই ফেল্বা জিভা।।
গুণি ভাবি তত লৈ গাত তোহ্নাই মাতা 'শুদ্ধ' মাত।
কবা নোখ্জোঁ আকোই আমি তোহ্নাই সুখ যদি পাওৰা তাত।।
কিন্তু আবু আতাই আৰু আনগিলানে নৰে তো লৰবা জিভা।
কৰাছো বাৰু তাহ্নাৰ নো পাছেই হবো দশা কিবা?
দেখাক দেখি তাহ্নাই যদিহা 'শুদ্ধ' মাত মাত্‌বা ধৰেই।
হাঁইছ্‌হি এথান জীয়া মান্‌হে হাঁইহ্‌বো তেথান মৰাশৰেই।।
নিজৰ বাই পিতেইকো তেথান তোহ্নাই ৰাখ্বা লাগ্‌বো লুকেই।
তোহ্নাৰ মতিবুদ্ধি দেখি তাহ্নাই মৰ্বো বুকুত ভুকেই।
কবো বোলেই পঢ়ি শুনি ছলিগিলান ডাঙাৰ মানুহ হলাক।
আৰু নিজৰ আবু আটাইকো চিন্‌বাক লেগি লাজ পাৰাত পল্ল্যাক।।
ভাব্‌ছিল তাহ্নাই পঢ়ি শুনি তোহ্নাই জানা বুজা হবা।
হাওঅ / উল্টি দেখোঁ কিচোঁ হল আৰু কিনো বাৰু কবা।।

চহ্‌কী ভাষাত কথা ক'লেই যদিহা ডাঙাৰ মানুহ হুই।
কান্‌য়্যা ডাঙৰীয়াগিলান তেথান নাথকিলহেঁতেন শুই।।
চোৰ ডকাইতেও তেনা মাতত কথা পাৰেই কবা।
সেইবোলি কি ৰাজ্ ঘৰত তেহঁতোৰ আলাগ বিচাৰ পাৰেই হবা?
গৰুৰ বেব্‌নি ভাল লাগেই না গাধাৰ মাতটো মিঠা?
পঢ়ি-শুনি চৰ্চা কৰা তোহ্‌নাই এথান এনাগিলান কথা।
ভাব হোলিহা মাত্‌টি ফুটেই চাওৱাছোঁ ভাবি চাওৱা।
ভাবি লৈ হা ভাষা হুই তোহ্‌নাই কিনো উল্টেই গাঁওৱা।।
মনটো ডাঙাৰ হোলিহি তোহ্‌নাই ডাঙাৰ মানুহ হবা।
কল্ল্যা নকল্ল্যা পাছ-ফাছ তেওঁ যশমান তোহ্‌নাই পাবা।
ডাঙাৰ মানুহৰ ঘৰোত উপ্‌জি কুনিও ডাঙৰ হবা নৰেই।য
সমান যদি নেদ্‌খেই সক্লোকো আৰু মনটো সৰু থাকেই।।
অ্যাকথেৰ পৰাই আইহ্‌ছোঁ আমি অ্যাকেই থেক যাম।
দুদিন মুঠেই সংসাৰোত থাকিম লৈ সৰু ডাঙাৰ নাম।।
কিয়ানো তেন্তেই তোহ্‌নাই মিছাই চিয়াঁৰ-বাখাৰ কৰাহ্?
লাজ্-কাজ্ তোহ্‌নাই কাতি কৰি থৈ খপেই- জপেই মৰাহ্?
এই গ্লান দেখি শুনি কৰিয়ে বোলেই 'হাঁ মোৰ কাপাল আৰ দেশৰ কিনো বিলেই"।
'থাক্‌বা লাগ্‌ছিল নিগ্‌ণি ভাউৰীয়া তোহ্‌নাৰ আজি মজা দিলাক্ হয় উলেই।।"

কামৰূপী ভাষাত ৰচিত **তৰুণৰাম ফুকনৰ নিংনি ভাৰৰীয়াৰ গীত** এটি উল্লেখযোগ্য কবিতা। **মৰহা ফুলৰ কৰণি** নামৰ কাব্য সংকলনখনত সন্নিবিষ্ট হোৱা কবিতাটোৰ মাজেৰে কবিয়ে বিষয়বস্তুৰ উপস্থাপনৰ লগতে কামৰূপী ভাষাৰ কাব্যিক সৌন্দৰ্য উপস্থাপনত সফল হৈছে। ফুকনৰ কবিতাত কামৰূপী ভাষাৰ সাংগীতিক লয় অনুধাৱন কৰিব পাৰি- "থুপ্ৰি কল্লাক খোৱা বস্তু / লোহাৰ চুঙাত আনি / লোহাৰ বাটি লৰে পাতি / তাতে দেয় ঢালি। / ৰাঙা চাউলৰ ভাত দিলাক /আধা সিজা নাই/ গৰাহ মাৰ্‌লি কেৰাৎ কৰেয়/ শিলৰ গুৰা পাই। / মাহৰ ডালি সুদা পানী /নিহ্‌নি দেয় তাত/ আক্‌তা গন্ধত খাবা ন'ৰি /উক্‌তি আহে ভাত। /আঞ্জা বুলি কিবা দেয় /চিনি নাপে তাক, /ঢেকীতখুন্দি ৰান্ধি দেয় / নহয় কিন্তু শাক। /এক বুল্‌লি উঠবা লাগে/ দুই বুল্‌লি বহ,/ মুৰ চাপ্‌ৰে চালাম নেদ্‌লি /তাহনাৰ লাগে গহ।' কবি ফুকনৰ কবিতাটোত কামৰূপী ভাষা লালিত্য আৰু মাধুৰ্য স্ফূট আৰু কবিতাটোত ভাষাটো পূৰ্ণ ৰূপত প্ৰতিফলিত। কবি অম্বিকাগিৰি ৰায়চৌধুৰীৰ কবিতাত কামৰূপীয়া ভাষাৰ ব্যৱহাৰ দেখিবলৈ পোৱা যায়। 'অম্বিকাগিৰিয়ে কামৰূপী ভাষাৰ ব্যাপক ব্যৱহাৰেৰে অসমীয়াত এক নতুন জাগৰণ সৃষ্টি কৰিবলৈ সক্ষম হৈছিল।' (Indian Literature, Sahitya Academy, Volume 30, 1987)

কবি নৰকান্ত বৰুৱাৰ কবিতাৰ মাজতো কামৰূপী ভাষাৰ প্ৰয়োগ উল্লেখনীয়। কবিয়ে **ৰত্নাকৰ** শীৰ্ষক কবিতাৰ **ক্ষেত্ৰজ** অংশত লিখিছে— 'বাপা, তুমি অন্ধ কামাসিকৰ দৰে কথা কৈছা দে'। গামছাত আঁচু ফুল লাগ্‌বোই। নহলি মৰা ঢাকা কাপুৰহে হ'ব।' আকৌ— 'বাপা, তুমি বন্দুক লৈ চিকাৰ কৰি ফুৰ্‌বা খুজছা ফুৰা। আমাৰ কৰাক লাগি আকো নাই। আমি হ্‌লি খেতিখলা কৰি খোৱা মানুহ। বতৰ মান্‌বাই লাগ্‌বো।' তেনেদৰে **বল্মীক** কবিতাংশৰ শেষত লিখিছে- 'বাপা, কৈছা ঠিকেই। পাছে কুৰা খান্দা মাটিত শহ ভাল নহয়।' **পখিলাৰ জন্ম** কবিতাংশৰ মধ্য ভাগত লিখিছে- 'বাপা, কথাটু হ'ল বিধান ৰাখাৰ কথা। ধানৰ বিধান গিলা ভালকে' টোপাত শুখেই থবা লাগে, নহলি পচি যাবো।'

**সাদিন** কাকতৰ সম্পূৰ্ণ এটা পৃষ্ঠাত কামৰূপী ভাষাৰ কবিতা, এক অৰ্থাৎ নলবৰীয়া ভাষাৰ কবিতা প্ৰকাশ হৈছিল এই শতিকাৰ প্ৰথম বৰ্ষত (২০০১ চন)। সেই সংখ্যাত কবিতা প্ৰকাশ হৈছিল শান্তনু শৰ্মা, নৰজ্যোতি পাঠক, বিনয় কুমাৰ মজুমদাৰ, অজিত মহন্ত আৰু পংকজ গোবিন্দ মেধিৰ। লাচিত বৰ্মনে পাবলো নেৰুদাৰ কবিতাৰ অনুবাদ আগবঢ়াইছিল। **পাগ্‌লাদিয়া পাৰৰ কবিতা** শীৰ্ষকেৰে কাকতখনত লিখা হৈছিল - 'মানুহৰ প্ৰাণৰ কথা প্ৰথমেই প্ৰকাশ পায় মাতৃভাষাত। সেয়ে পাগ্‌লাদিয়া পাৰৰ কবিতাৰ স্বাদ হ'ব নতুন। অসমীয়া সাহিত্যত গল্প, উপন্যাস, নাটকত কথিত ভাষাৰ প্ৰয়োগ হৈছে। কিন্তু সম্পূৰ্ণ কবিতা ইয়াৰ আগতে কথিত ভাষাত প্ৰকাশ পোৱা সম্ভৱতঃ নাই। কথিত ভাষাৰ এই কবিতাত প্ৰাণ পাই উঠিছে জীৱনৰ আনন্দ-বিষাদ আৰু সময়ৰ বাস্তৱ চিত্ৰকল্প।'

**সাদিন**ৰ নিচিনাকৈ **সেউজী সেউজী** কাব্যালোচনীখনৰ 'ৰূপালী জয়ন্তী উৎসৱ উপ্‌যাপন বৰ্ষ, প্ৰথম সংখ্যা, মাৰ্চ, ২০০৩' সংখ্যাটো কামৰূপী ভাষাৰ কবিতাৰেই সজাইছিল। পূৰ্ণ ভট্টাচাৰ্য, উদয় কুমাৰ শৰ্মা, পংকজ গোবিন্দ মেধি, বিপুল কুমাৰ দত্ত, শান্তনু শৰ্মা, প্ৰণৱ শৰ্মা আদি কেইবাগৰাকী প্ৰতিষ্ঠিত কবিয়ে কামৰূপী ভাষাত কবিতা ৰচনা কৰিছিল। কবিসকলে কামৰূপী ভাষাৰ এটা ধাৰা নলবাৰী অঞ্চলৰ প্ৰচলিত ভাষা কবিতাসমূহত ব্যৱহাৰ কৰিছিল। আলোচক বসন্ত কুমাৰ ভট্টাচাৰ্য্যই 'নলবৰীয়া কথিত ভাষা ঃ এটি পৰিচয়' শীৰ্ষকেৰে নলবৰীয়া কথিত ভাষাৰ ওপৰত বিশদ আলোচনা আগবঢ়াইছে।

সাদিন কাকতে 'কথিত ভাষাত প্ৰকাশ পোৱা সম্ভৱতঃ নাই' বুলি বুজাব খোজা কামৰূপীয়া ভাষাৰ কবিতা চেগোচোৰোকাকৈ চৰ্চা যে অব্যাহত আছে এই আলোচনাৰ পৰা ঠাৱৰ কৰিব পাৰি। কামৰূপী ভাষাৰ কবিতাৰ সনিৰ্বন্ধ চৰ্চাই অসমীয়া ভাষাৰ কবিতাত স্বাদ আৰু কাব্যিক অনুৰ্বন্ধ প্ৰকাশ কৰিব যে পাৰিব, সি ধ্ৰুৰূপ। ■

# কোন নাৱৰীয়াই বাই নিয়ে নাও কবিতা ভৰাই

■ অজিত মহন্ত



কবিতা নৈপৰীয়া লেথা, কবিতা নাও বোৱা উজান ভাটি ব্যথা! ক'ত কবিতাৰ আত্মা আৰু কবিতাৰ কবিতা কবিতা তন্ময় তনু! কবিতা আশ্বৰ্য শিল্প, য'ত থুপ খাই থাকে বিশেষ ধৰণৰ ৰহস্যময়িতা। এই যে মই এইবোৰ লিখি আছো, এয়া যে কবিতা নহয় সেয়া সকলোৱে জানে, কিন্তু ওলোটাই সুধিলে- 'বোলো তেন্তে কবিতানো কি ডাঙৰীয়া?' সভাগৃহ নিটাল মাৰে আৰু বাঘা আলোচকবৃন্দ নানান অজুহাতত সভা এৰি ঘৰমুৱা হয়।

'কবিতা' হ'বলৈ কবিতাত 'কবিতা' থাকিব লাগিব। নহ'লে কবিতা 'কবিতা' নহয়গৈ। কিন্তু কবিতাত অতিৰিক্ত 'কবিতা'ও থাকিব নেলাগিব। অতিৰিক্ত 'কবিতা' থাকিলে কবিতাৰ স্বাভাৱিক সৌন্দৰ্য্যত প্ৰসাধনৰ প্ৰলেপ পৰিব। সৌন্দৰ্য্যৰ অনুভৱ অৱশ্যেই সময় সাপেক্ষ। সভ্যতাৰ ধাৰাটোৱে আহি আহি আজিৰ সময়ত আমি আনকি আণৱিক শক্তিকো স্বীকাৰ কৰো। সেই বুলি আমি আণৱিক বোমাক সমৰ্থন কৰিব নোৱাৰো, তাতোকৈ ডাঙৰ কথা আণৱিক বিস্ফোৰণক আমি ঘৃণাৰ চকুৰে চাও, কবিতাই কবিতাত সাম্প্ৰতিক সময়ৰ গ্ৰহণীয় কাব্যিকতা আৰোপ কৰিব লাগিব। যথা- "যোৱাহে বিপ্লৱী বীৰ, সৰগৰ দুৱাৰত টোকৰ মাৰাগৈ, যানোচা আমালৈ ঠাই আছেই!" কিন্তু, এনুৱা কাব্য উক্তি হয়তো আজিৰ কবিতাই আদৰি ল'ব নোৱাৰিব 'তোমাৰ টোকৰত খহি পৰক স্বৰ্গৰ দুৱাৰ, পলাই যাওক জেইলাৰ, মুক্ত হৈ উভতি আহক সমগ্ৰ মৃতক।'

আজিৰ মানুহে ব্ৰেকফাষ্ট কৰে সুলভ মূল্যৰ আণৱিক কণী, গানপাউদাৰৰ ৰুটি, ডিনামাইট লেণ্ড মাইন- গ্ৰেনেদৰ মিক্সভাজি আৰু জিলেথিনৰ আচাৰেৰে। কণীৰ খনি আজি-কালি হাহ-মুৰ্গীৰ পেটত নেথাকে ভায়া, থাকে বাপুকণ - নাচা, ইচৰোৰ গৱেষণাগাৰত।

কবি আৰু মানুহ একে নহয়। এজন মানুহ কবি হয়, কবিজন মানুহ হয়। প্ৰতিজন মানুহ কবি নহয়। সকলো মানুহ মানুহ নহয়। কিছুমান মানুহ মানুহ হয়। মানুহৰ কোনোজন মানুহ কবি হয়। অথচ, প্ৰতিজন মানুহৰ হৃদয়ে ৰচনা কৰি থাকে কবিতা অবিৰাম। নজ্‌ৰুলা খৰিৰ দৰে অপ্ৰকাশে সেই হৃদয়ৰ অধিকাৰীক কবি বোলাত প্ৰতিবন্ধক হয়। কবিতা জ্বলিব লাগিব জুইৰ দৰে- 'সেকিবলৈ, পুৰিবলৈ, দহিবলৈ, পোহৰাবলৈ আৰু আত্মজাহ যাবলৈ। যি ব্যক্তি কবিতাৰ জুইত আত্মজাহ গৈ বিলীন হয় শব্দভূমিত, দৰাচলতে আমি বিচৰা, আমি ভাল পোৱা, আমাৰ প্ৰত্যাশাৰ কবি মাথো তেওঁ।

কবিতাৰ কাম কি?

এনেকৈ সুধিলে উত্তৰ দিবলৈ থেৰোগেৰো লাগে। অথচ তাৰ উত্তৰ তেনেই সহজ- হাততে পোৱা, বাটতে পোৱা। মানুহক ভৰি লাগে খোজ কাঢ়িবলৈ, হাত লাগে কামত খটুৱাবলৈ, চকু, কাণ, নাক, দাঁত, জিভা, ডিঙি সকলো দৰকাৰী হৈ থাকে মানৱ শৰীৰত। তেন্তে কবিতা আৰু কিয় লাগে? হৃদয়ে প্ৰাণ ৰাখে, মগজুৱে দিকনিৰ্ণায়ক হৈ মানৱজনক পৰিচালনা কৰে..... ঠিক এইখিনিলৈকে সকলো ঠিকেই আছিল, তাৰ পিছতো যেন কিবা এটা বা কিবা-কিবি বৈ যায়।

প্ৰকৃতি জগতৰ সকলোবোৰ থকাৰ পিছতো যেন কিবা এটা বিচৰাৰ দৰে কবিতাক আমি উদ্ভত মানৱে এৰিব নোৱাৰা অংগৰ দৰে স্থাপন কৰো। সঁচৰাচৰ আমি প্ৰেয়সীক মাতিলে কল্যাণী, সুভাষিণী, কল্পনা, সুৰগা, কবিতা, সবিতা, বিজু, ৰিজু, বন, ভন আদি ধাৰক নামেৰে মাতো, অথচ দূৰত্বৰ ব্যৱধানত সকলো নাম সামৰি চেনাই বা চেনেহী বুলি বিলাপ কৰো। এইখিনিতে কবিতাই কবিৰ শৰীৰৰ পৰা দূৰত থাকি কবিক জোকাই থাকে, কবিক অস্থিৰ কৰে আৰু মগ্ন কৰে অথচ কবিতা কবিৰ চেটেলাইট অংগ নহয়।

কাব্যৰ দেহ আৰু আত্মাৰ সন্ধান দেওভূত বা ঈশ্বৰৰ সন্ধানৰ দৰে অসাৰ। পৃথিৱীত একমাত্ৰ বহিৰাগত পোহৰ। অথচ পোহৰেই পৃথিৱীৰ জীৱন। কবিত্ব মানবৰ অন্তৰ্নিৰ্হিত শক্তি নহয় বৰং বৰ্হিজগতীয় আৰু অতিৰিক্ত। ৰিক্ত নহয় প্ৰাচুৰ্যপূৰ্ণ।

ইউৰোপীয় কাব্যতত্ব জিজ্ঞাসুবৰ্গী কাব্যৰ সংজ্ঞা, কাব্যৰ শ্ৰেণী বিভাগ আৰু সমাজ জীৱনত কবিতাৰ ভূমিকা সম্পৰ্কে যিমান আগ্ৰহী, প্ৰাচীন আলংকাৰিক (সমালোচক) সকলৰ একে পৰিমাণৰ আগ্ৰহ ঘনীভূত হৈছে কাব্যৰ দেহ আৰু আত্মাৰ অনুসন্ধানত। কবিতাৰ দেহ কি? আত্মাইবা কি? যদিহে কবিতাৰ বৰ্হিৰূপটো দেহ হয়, তেন্তে, শব্দ হ'ল কাব্যদেহ নিৰ্মাণৰ উপাদান। কিন্তু এনে কোনো শব্দ কাব্যসাহিত্যত আছেনে যি অৰ্থহীন বা পাঠকক আকৰ্ষিত কৰিব নোৱাৰে গভীৰতৰ প্ৰকৃতিৰ জগতলৈ? একালত ইউৰোপীয় ৰূপবাদী সাহিত্য ৰসজ্ঞসকলে শব্দক Tenor আৰু Vehicle আখ্যা দিছিল শব্দৰ অৰ্থবহনকাৰী ক্ষমতাৰ প্ৰতি লক্ষ্য ৰাখি। আত্মা অনুসন্ধানকাৰী ভাৰতীয় আলংকাৰিক সকলে বিভিন্ন ধৰণেৰে কাব্যৰ আত্মাৰ সন্ধানত ব্ৰতী হৈছিল। ভৱভূতিৰ মতে কবি হ'ল শব্দব্ৰহ্মবিদ। সুন্দৰ উপমাৰ সৈতে 'শৰ্দাৰ্থৌ সহিতৌ কাব্যম্' এই পৰমসূত্ৰৰ প্ৰৱক্তা 'কাব্যলংকাৰ' প্ৰণেতা ভামহে ব্যাখ্যা কৰিছে-

"এতদ গ্ৰাহ্যং সুৰভি কুসুমং গ্ৰামামেতন্নি ধেয়ং। ধত্তে শোভা বিৰচিতমিদং সুনেমসৈতসদা। মালাকাৰো ৰচয়তি যথা সাধু বিজ্ঞায় মালাং। যোজং কাব্যষ্য বহিতধিয়া তদ্বদেবাভিধানম্" অৰ্থাৎ মালাকাৰে যেনেদৰে গ্ৰহণ আৰু বৰ্জনেৰে প্ৰয়োজনীয় শোভা বৃদ্ধিকাৰক ফুলেৰে মালা গুঠে, কবিয়েও তেনেদৰে বিভিন্ন দিশ বিচাৰ কৰে আৰু মননশীল শব্দ প্ৰয়োগেৰে কাব্য ৰচনা কৰে।

কাব্যমিমাংসা প্ৰণেতা ৰাজশেখৰৰ মতে ৰসাত্মক কাব্যপুৰুষৰ দেহ নিৰ্মাণ হয় শব্দ আৰু অৰ্থৰ সমন্বয়ত। শব্দ আৰু অৰ্থৰ এটিৰ বা আনটিৰ উৎকৰ্ষ বা অপকৰ্ম ঘটিলেও কাব্যশোভা হানি হয়। শব্দ আৰু অৰ্থৰ এই পৰস্পৰস্পৰ্ধিতক কোৱা হয় Maturity। সময়ৰ লগে লগে কবিতাই ৰং সলাই আজিৰ দিনলৈ আহিছে। কালিদাসৰ শকুন্তলাৰ চতুৰ্থ অংক বা মেঘদূতম্ কাব্যৰ উপমা সৌন্দৰ্য্য আজিও আস্বাদিত হ'লেও ওৱৰ্ডচৰ্থৰ 'My heart dances with the deffodils' শুনি আমাৰো অন্তৰত লহৰ উঠিলেও আজিৰ কবিতা হ'ব লাগিব আজিৰ বাস্তৱ আৰু আজিৰ বাস্তৱৰ ছাঁত কল্পলোকৰ অনুৰণন। জোনবাই দেখি কবি য়েটচৰ পংক্তি 'And the moon spun round like a top' মনলৈ আনিলেও, আজিৰ চন্দ্ৰই নিজৰ শীতল পোহৰ ঢালিছে এখন উত্তপ্ত পৃথিৱীত, যিখন পৃথিৱী তৃতীয় মহাযুদ্ধৰ প্ৰস্তুতি, সাম্ৰাজ্যবাদ আৰু অস্তিত্ববাদৰ কন্দল আৰু সৰ্বোপৰি বিশ্বপ্ৰকৃতিৰ অধোগতিত বিধ্বস্ত।

জোনটি এতিয়া ভোকাতুৰ মানুহৰ শুকান ৰুটি। সূৰ্য উত্তপ্ত কলঘৰ এটি, সেপচুকি জীউ বচাইছে বৃদ্ধাশ্ৰমৰ বাসিন্দা প্ৰকৃতি, কাহানিবাই উন্মাদ শক্তিৰ অধীন হৈছে নদী, চিৰন্তন ভাস্কৰ্য প্ৰস্তৰ পাহাৰ 4 লেন হাইৱেত পদপিষ্ট মৃতক মগুলী... কবিৰ হৃদয়ে হাহাকাৰ কৰি উঠিছে- কবিবোৰ উন্মাদ হৈছে- কবিবোৰৰ কাব্যত উম্মা-বিষাদ ক্ষোভ আৰু খং... কবিতাবোৰ হৈছে গালি, কবিতা এতিয়া দন্দুৰী নাৰী।

তথাপিও কবিতা কবিতা হৈ আছে। কবিতাই কেতিয়াবা আগতীয়াকৈ দেখিছে, বহু দূৰলৈ দেখিছে, অন্যৰূপে দেখিছে আৰু অপৰূপ দেখিছে। কাৰণ, বিজ্ঞান আৰু জ্ঞানী লোকৰ ধাৰণাই কবিতাৰ ধাৰণা নহয়। এটা সামান্য উদাহৰণ- চকুৰ দৃষ্টিৰ বাবে বিজ্ঞানে চশমা সাজিছে- বিজ্ঞই তত্ব পঢ়ে পিন্ধি, অথচ চশমাই নিজে একো নেদেখে। চশমা অন্ধ। কাৰোবাৰ অন্ধত্ব কাৰোবাৰ বাবে অন্ধত্ব নাশক। যদি ইমানলৈ ঠিকে আছে, তেন্তে, হেৰুওৱা চশমা বিচৰাৰ দৰে হাস্যস্পদ অভিযান কবিতাই সামৰি নলয় আৰু চশমাৰ দোকানত চাইনবোৰ্ড লগোৱা প্ৰথাকো উদগনি নোযোগায়। সকলোৱে জানে প্ৰেম অন্ধ। কবিয়ে কয় প্ৰেম অন্ধ নহয়, প্ৰেমে আনকহে অন্ধ জ্ঞান কৰে আৰু সেইবাবেই প্ৰেমৰ বোৱতী সূতি বৈ আছে চিৰকাল।

কবিতা কি? সেইকথা ক'বলৈ স্কুলৰ ব্লেকবোৰ্ড অথবা কাকত আলোচনীৰ পৃষ্ঠা নেলাগে। বুকু ফিন্দাই ক'ব পাৰি এইটো অংক, এয়া বুৰঞ্জী, এইখন ছবি অথবা গল্প- উপন্যাস, প্ৰবন্ধ। এনেকৈ কোৱা টান- এইটো কবিতা বা এইটো কবিতা নহয়। অৱশ্যে কবিতাৰ এটা শৰীৰ থাকে, শকত বা ক্ষীণ যিয়ে নহওক কবিতাৰ শৰীৰ আৰু গদ্যৰ শৰীৰ একে নহয়। গদ্য অথালি পথালি জাপানৰ চুমো, কবিতা দীৰ্ঘদেহী মেৰিলিন মনৰো। ভাৱনাৰ নদীত গদ্য জাহাজ, কবিতা- আমাৰ ঘাটৰ নাও। কিন্তু কাব্য দেহেই কবিতা নহয়। কবিতাৰ সংজ্ঞা অনুভৱৰ বিষয়, বিশ্লেষণৰ নহয়। প্ৰেমিকে ছাঁ দেখি চিনি পায় প্ৰেয়সীক। প্ৰেমত পৰিব লাগিব কবিতা প্ৰিয়াৰ। কেতিয়াবা হঠাৎ, কেতিয়াবা ওচৰ-চাপি, বহুদিন বা কিছুদিন সংগ দি, বাটে-পথে দেখি দেখি, দুই এষাৰ কথা পাতি। অলপ উত্তাপ লাগিব হৃদয়ত, কাষ চাপিব লাগিব নিজেই- জুইৰ কাষত ঘিউ থাকিলে নিশ্চয় গলিব, লাহে লাহে। তথাপিও ই নিশ্চিত যে কবিয়ে যি লিখে সেয়াই কবিতা। কবিতাক কবিতা হৈ থাকিবলৈ দিয়াহে সজ কথা। কবিতাক তত্বৰে ভাৰাক্ৰান্ত কৰা কাৰ্য অকবিতা। সেয়ে সংজ্ঞা নিৰ্দ্ধাৰণ কাৰ্য বৰ্জনীয়। জোনাকী পৰুৱাৰ পোহৰে এন্ধাৰ নিশা যি আমোদ যাচে, সেয়া সিমানতে থাকক। পৰুৱাটোৰ গাত অমুকটো ৰাসায়নিক পদাৰ্থ আছে আৰু সেই পদাৰ্থবিধহে জ্বলি উঠে - এনে উদণ্ড পৰ্যালোচনাই জোনাকী পৰুৱাৰ চিৰন্তন আবেদনক আক্ৰান্ত কৰিব। সংজ্ঞাই কবিতাক বনচাই কৰা উধ্যান কৰিলে সকলোৱে বেজাৰ লাগিব। কবিতা হাবিৰ মাজৰ আৰণ্য।

সংজ্ঞাবদ্ধ নোহোৱা সাহিত্য বিধেই- কবিতা। সংজ্ঞাৰে কবিতাক আক্ৰান্ত নকৰাই ভাল, তেহে আশ্বৰ্য সাহিত্যবিধৰ যাদুকৰি অনুভৱ চিৰন্তন হ'ব।■

# অসমীয়া নাটক আৰু এবছাৰ্ডধৰ্মীতা

■ প্ৰবাল ৰাজবংশী
*ষষ্ঠ যাণ্মাসিক, ৰাজনীতি বিজ্ঞান বিভাগ*

"ত্ৰৈগুণোদ্ৰৱলোকচৰিতং নানাৰসং দৃশ্যতে
নাট্যং ভিন্নৰুচের্জননস্য বহুধাহপ্যেকং সমাৰাধকম।।"

- 'মালৱিকাগ্নিমিত্ৰম্' নাটৰ প্ৰথম অংকত মহাকবি কালিদাসে নাট সম্পৰ্কে আগবঢ়োৱা উক্ত শ্লোকটিৰ অৰ্থ হ'ল- সত্ত্ব, ৰজ আৰু তমো গুণৰ পৰা উদ্ভৱ হোৱা লোক চৰিত্ৰৰ বিভিন্ন অভিব্যক্তি তথা হাস্য কৰুণ আদি ৰসৰ সমাবেশ নাটত পৰিলক্ষিত হয়। যাৰ ফলত এখন নাটকে বিভিন্ন ৰুচিৰ দৰ্শকৰ মনত আহ্লাদ জন্মাবলৈ সক্ষম হয়। আমাৰ দেশত প্ৰাচীন কালৰ পৰাই নাট্য সাহিত্যৰ চৰ্চাৰ জৰিয়তে ৰসত তথা নাট্যকাৰসকলে জনসাধাৰণৰ মনোৰঞ্জন আৰু শিক্ষাৰ ব্যৱস্থা কৰি আহিছে। অসমৰ সাংস্কৃতিক জীৱনত ইয়াৰ বিশেষ স্থান দেখা যায়।



অসমীয়া নাট্য-সাহিত্যৰ ইতিহাসলৈ চকু ফুৰালে দেখা যায় যে উৎকৃষ্ট মানৰ নাটকৰ সংখ্যা সৰহ নহ'লেও অসমৰ বিভিন্ন ৰংগমঞ্চ আৰু সাংস্কৃতিক জীৱনক প্ৰবাহিত কৰি ৰখাত সৰু-বৰ আটাইবোৰ নাটকৰেই অৱদান আছে। খ্ৰীষ্টীয় পঞ্চদশ শতিকাৰ পূৰ্বৰ অসমীয়া নাটৰ কোনো নিদৰ্শন পোৱা নাযায়। সেয়ে গুৰুজনাকে অসমীয়া নাটকৰ জনক বোলা হয়। তেওঁৰ দ্বাৰা ৰচিত 'চিহ্নযাত্ৰা'ক প্ৰথম অসমীয়া নাট বুলি সকলোৱে আখ্যা দিয়ে যদিও উল্লেখনীয় যে 'চিহ্নযাত্ৰা' সংলাপবিহীন আছিল। গতিকে ইয়াক নাটক বোলাটো বোধকৰো যুক্তিসংগত নহ'ব। যা নহওঁক অসমীয়া নাটকৰ সৃষ্টি যে গুৰুজনাৰ হাততেই হৈছে তাত কোনো সন্দেহ নাই। ধৰ্মীয় উদ্দেশ্য আগত ৰাখি ৰচনা কৰা এই লানি নাটকক বোলা হৈছিল 'অংকীয়া নাট'। নৱ বৈষ্ণৱ ধৰ্মৰ প্ৰচাৰৰ মাধ্যমস্বৰূপ এই নাটকত সংস্কৃত নাটকৰ উপাদানৰ লগত থলুৱা লোক নাট্যানুষ্ঠানৰ উপাদানৰ সংমিশ্ৰণ ঘটাইছিল গুৰুজনাই। গুৰুজনাৰ পদাংক অনুসৰণ কৰে তেওঁৰ প্ৰিয় শিষ্য মাধৱদেৱে। কিন্তু মন কৰিবলগীয়া যে আখ্যান পৰিসৰলৈ চাই মাধৱদেৱৰ নাট সমূহক 'ঝুমুৰ' বোলা হৈছে (অৰ্জুন ভঞ্জনৰ বাহিৰে)। মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ হাতত সৃষ্টি হোৱা অংকীয়া নাট্য সাহিত্যই পৰৱৰ্তী সময়ত মাধৱদেৱ আন আন নাট্যকাৰ আৰু সত্ৰৰ সত্ৰাধিকাৰ তথা মহন্তসকলৰ হাতত পৰিপুষ্টি লাভ কৰে। কিন্তু অষ্টাদশ শতিকাৰ শেষৰ পৰা ক্ৰমান্বয়ে অংকীয়া নাট ৰচনাৰ গতি শিথিল হৈ পৰে। ইয়াৰ কাৰণ হিচাপে উল্লেখ কৰিব পাৰি- প্ৰতিভাশালী বৈষ্ণৱ কবিৰ অভাৱ অথবা প্ৰতিভাৰ অভাৱ, ৰাজনৈতিক বিপৰ্যয় দেশৰ অস্থিৰ অৱস্থা, প্ৰতিকূল পৰিৱেশ আৰু প্ৰধানকৈ ধৰ্মপ্ৰচাৰৰ বাবে ৰচিত হোৱা বাবে সৰ্বজন সমাদৃত হৈ নুঠিল আৰু কম-বেছি পৰিমাণে সিবোৰৰ ঠাই সত্ৰৰ চাৰিবেৰৰ মাজতে আৱদ্ধ থাকিল। মানৰ আক্ৰমণৰ পিছত শিথিল হৈ যোৱা এই ধাৰাটোও ক্ৰমে শুকাই যাবলৈ ধৰে। ১৮২৬ চনৰ ইয়াণ্ডাবু সন্ধিৰ পিছত অসমখন সম্পূৰ্ণৰূপে ইংৰাজৰ অধীনলৈ যায়। ফলস্বৰূপে যি এটা ধাৰা অংকীয়া নাটৰ চলি আছিল সেইটো সম্পূৰ্ণ ৰূপেই নাইকিয়া হ'ল।

অসম অসমীয়াৰ জীৱনৰ প্ৰতিটো খোজতে ইংৰাজসকলৰ প্ৰভাৱ সুদূৰ প্ৰসাৰী। অসমীয়া নাট্যসাহিত্যও ইয়াৰ পৰা বাদ নপৰিল। কিন্তু অসমীয়া সাহিত্য কলাৰ ক্ষেত্ৰত ইংৰাজসকলৰ প্ৰভাৱ আছিল আওপকীয়া বা পৰোক্ষ। তদানীন্তন সময়ৰ অসমীয়া ডেকাসকল শিক্ষা গ্ৰহণৰ বাবে গৈছিল কলিকতালৈ। য'ত কলিকতাৰ ছেক্সপীয়েৰীয় পদ্ধতিৰে ৰচনা কৰা বঙলা নাটবোৰ দেখি তেওঁলোকে অনুপ্ৰাণিত হৈ সেই

পদ্ধতিৰে অসমীয়া নাট ৰচনা কৰিবলৈ আগ্রহী হৈ পৰে। তদুপৰি ভাষা সমস্যাৰ লগতে উদ্ভৱ হোৱা এশ-এবুৰি সমস্যাইও তেওঁলোকৰ দৃষ্টি আকৰ্ষণ কৰিছিল। তেওঁলোকে বুজিছিল যে সমাজখনৰ সংস্কাৰ কৰিবলৈ হ'লে মাতৃভাষা মাধ্যমেৰেই সাহিত্যৰ সৃষ্টি হ'ব লাগিব। এইদৰে স্বদেশ প্ৰীতি আৰু জাতিয়তাবোধৰ দ্বাৰা অনুপ্ৰাণিত হৈ অসমীয়া ডেকাসকলে ঊনবিংশ শতিকাৰ মাজভাগত পশ্চিমীয়া আৰ্হিত নাটক ৰচনা কৰিবলৈ লয়। ইয়ে সূচনা কৰে অসমীয়া আধুনিক নাটকৰ। বৃটিছে অসম অধিকাৰ কৰাৰ প্ৰায় ত্ৰিছ বছৰৰ পিছত আধুনিক নাট্য-সাহিত্যৰ সূত্ৰপাত হয়। ১৮৫৭ চনত গুণাভিৰাম বৰুৱাই 'ৰাম-নৱমী' নাট ৰচনা কৰি আধুনিক নাট্য সাহিত্যৰ পাতনি মেলে।

উল্লেখনীয় যে "অংকীয়া নাট বা প্ৰাচীন সংস্কৃত নাটকৰ লগত নতুন যুগৰ নাটক শ্ৰেণীৰ আকৃতিগত আৰু প্ৰকৃতিগত পাৰ্থক্য পৰিলক্ষিত হয়" - সত্যেন্দ্ৰ নাথ শৰ্মা। উদ্দেশ্য বিষয়বস্তু, কলা-কৌশল সকলোফালৰ পৰা নতুন নাটক ফালৰি কাটি আহিল। বাস্তৱ মুখিতা, চৰিত্ৰ সৃষ্টি, সংঘাত, সামাজিক সমস্যা চিত্ৰণ আদি আধুনিক যুগৰ নাটকৰ প্ৰধান লক্ষণ বুলিব পাৰি। ৰাজনৈতিক, ধাৰ্মিক, সামাজিক, পৌৰাণিক, ঐতিহাসিক, মনস্তাত্বিক, অৰ্থনৈতিক আদি যিকোনো বিষয়েই নাটকৰ উপজীব্য হৈ পৰিল। নাটকৰ শ্ৰেণীবিভাগো পৰিণতিৰ ফালে লক্ষ্য কৰি পাশ্চাত্য আৰ্হিত হ'ল- ট্ৰেজেডি, কমেডি, মেলোড্ৰামা, ফাৰ্চ আদি। বিষয়বস্তুৰ ফালৰ পৰা প্ৰহসন, পৌৰাণিক, বুৰঞ্জীমূলক বা ঐতিহাসিক আৰু সামাজিক নাটকে ঊনবিংশ শতিকাৰ পৰা অসমীয়া সাহিত্য জগতত দপ দপাবলৈ ধৰে।

আধুনিক অসমীয়া নাট্য সাহিত্যৰ ওপৰত আৰম্ভণিৰ পৰাই পাশ্চাত্য নাট্য সাহিত্যৰ প্ৰভাৱ দেখা যায়। নাটবোৰ বাস্তৱধৰ্মী হৈ পৰাত পৌৰাণিক নাটকৰ ধাৰাটো স্তব্ধ হৈ পৰিল। ইয়াৰ পৰিৱৰ্তে ঐতিহাসিক নাটকৰ ধাৰাটোহে প্ৰবাহমান হৈ থাকিল। কিন্তু পৰৱৰ্তী সময়ত এই জাতীয় নাট ৰচনাৰ প্ৰচেষ্টা কিছু স্তিমিত হোৱা পৰিলক্ষিত হয়। পঞ্চম দশকৰ পৰা আৰম্ভ হয় সামাজিক নাটৰ যুগ। কলা কৌশলৰ বাস্তৱবাদ আৰু সমসাময়িক সমস্যাৰ গভীৰ ৰূপায়ণ এই নাটৰ অন্যতম লক্ষণ। ইবচেন, গলছৱাৰ্থি আদি পাশ্চাত্য নাট্যকাৰৰ ৰীতিয়ে ইয়াত প্ৰভাৱ বিস্তাৰ কৰা দেখা যায়। চতুৰ্থ দশকত গীতিধৰ্মী নাটৰ অভ্যুত্থান ঘটে যদিও এই ৰূপ স্থায়ী নহ'ল।

সত্তৰৰ দশকত অসমীয়া নাট্যজগতত নতুন চিন্তা চৰ্চাৰ উন্মেষ ঘটিল। সামাজিক তথা সমাজবাদী চিন্তাৰ উপৰিও কিছুমান অন্য প্ৰকৃতিৰ কেইখনমান নাটক ৰচিত হয়। যাৰ ভিতৰত উল্লেখ কৰিব পাৰি পঞ্চাছৰ দশকত ইউৰোপীয় মঞ্চত চাঞ্চল্যৰ সৃষ্টি কৰা 'এবছাৰ্ড নাটক'। বিংশ শতিকাত বিস্তাৰ লাভ কৰা ই এক নতুন নাট্য আন্দোলন। যিকোনো শ্ৰেণীৰ নতুন সাহিত্যই জনপ্ৰিয়তা অৰ্জন কৰাৰ বাবে সময় লাগে। এবছাৰ্ড' বা 'উদ্ভট নাটকৰ ক্ষেত্ৰতো একেই কথা দেখা যায়। বিংশ শতিকাতে সৃষ্টি হোৱা এই শ্ৰেণীৰ নাটকে জনপ্ৰিয়তা লাভ কৰে ছেমুৱেল বেকেটে 'ওৱেটিং ফৰ গোদোৰ বাবে নবেল বঁটা পোৱাৰ পিছত।

যিকোনো সাহিত্যিক আন্দোলনেই সম্পূৰ্ণ স্বাধীন আৰু নতুনকৈ গা কৰি নুঠে। ইয়াৰ বাবে প্ৰয়োজন হয় পুৰণি কোনো মতবাদৰ। উদ্ভট নাটৰ বিষয়ে আলোচনা কৰিলে দেখা যায় ইয়াৰ মূলতে আছে জ্যাঁ পল ছাৰ্তৰ হাতত প্ৰসাৰ লাভ কৰা অৱস্থিতিবাদ দৰ্শন। যাৰ মূল কথা হ'ল প্ৰতিজন মানুহৰে একোটা সুকীয়া সত্তা নাইবা অস্তিত্ব আছে আৰু সেইফালৰ পৰা সকলোৰে অভিজ্ঞতা আৰু চিন্তাধাৰা সুকীয়া। ব্যক্তি বিশেষে সমস্যা সমাধানৰ পথো ভিন্ন হয়। উদ্ভট নাটকত ইয়াৰ প্ৰভাৱ দেখা যায়। ইয়াৰোপৰি দেখা যায় দ্বিতীয় বিশ্ব যুদ্ধৰ সময়ত দেখা দিয়া নিৰাশাবাদৰ প্ৰভাৱ। মানুহৰ সকলো যুক্তি আৰু বিশ্বাসৰ ওপৰত বজ্ৰসম আঘাত কৰে দ্বিতীয় বিশ্বযুদ্ধই। মানুহৰ আস্থা, ঈশ্বৰ সম্পৰ্কীয় ধাৰণা প্ৰায় লোপ পোৱাৰ উপক্ৰম হ'ল। বিশ্বৰ বিভিন্ন কাৰ্যত অৰ্থ, যুক্তি আৰু সংগতি বিচাৰি নাপাই সাহিত্যিক লেখকসকল যে কেৱল অবাকেই হ'ল, তেনে নহয় বৰং তেওঁলোক হতাশগ্ৰস্তও হ'ল। 'যি বিশ্বত যুক্তিৰ মাজেৰে অৰ্থপূৰ্ণভাৱে কামবোৰ সমাধা নহয় সেইখন বিশ্বৰ বিভিন্ন ক্ষেত্ৰত যুক্তি বিচাৰি চোৱাটো নিৰৰ্থক। তেনেদৰে সাহিত্যত যুক্তি তৰ্কৰ মাজেৰে গৈ সমস্যাৰ সমাধান কৰি এখনি সুস্থিৰ চিত্ৰ দাঙি ধৰাটোও অবাস্তৱ'- ড° শৈলেন ভৰালী। সেয়েহে পৰম্পৰাগতভাৱে চলি অহা নাটকীয় কলা-কৌশল উলংঘা কৰি অসংলগ্ন আৰু অযুক্তিকৰ সংলাপ, বিচ্ছিন্ন কাহিনী আৰু সাধাৰণ দৃষ্টি অবিশ্বাস্য যেন লগা চৰিত্ৰক লৈ পশ্চিমীয়া সাহিত্যত সৃষ্টি হ'ল এই শ্ৰেণী নাটকৰ।

এবছাৰ্ড নাটকত প্ৰচলিত অথবা সুগঠিত নাটকৰ সকলো ৰীতি-নীতিকেই উলংঘা কৰা হৈছে। পৰম্পৰাগত নাটকৰ সুসংহত কাহিনী ইয়াত নাই। প্ৰচলিত নাইবা সুগঠিত নাটকত অৰ্থপূৰ্ণ আৰু সংগতিপূৰ্ণ সংলাপৰ সহায়ত কোনো কাহিনী নাইবা কোনো সমস্যা ৰূপায়ণ কৰা হয়। তাত কাহিনীৰ আৰম্ভণি, বিকাশ আৰু পৰিণতি দেখুওৱা হয় আৰু ঘটনাৰ ঐক্য বজাই ৰখা হয়। কিন্তু উদ্ভট নাটকত কোনো কাহিনী বা সমস্যাৰ ওপৰত গুৰুত্ব আৰোপ কৰা নহয়। কাহিনী বুলিবলৈ বিশেষ একো নাথাকে আৰু থাকিলেও সি হয় বিচ্ছিন্ন, ঐক্যহীন আৰু

উদ্দেশ্যহীন। ইয়াৰ সংলাপ প্ৰায়েই অৰ্থহীন, সংগতি, শৃংখলা আৰু যুক্তি-তৰ্ক-বৰ্জিত হোৱা দেখা যায়। চৰিত্ৰসমূহ উৎকেন্দ্ৰিক। অৰ্থাৎ দৈনন্দিন জীৱনত লগ পোৱা পৰিচিত, প্ৰত্যয়শীল চৰিত্ৰ ইয়াত বিচাৰি পোৱা নাযায়। নাটকৰ গতিশীলতাও ইয়াত ৰক্ষা কৰা নহয়। প্ৰচলিত নাটকৰ সংগতি, সামঞ্জস্য আৰু অৰ্থময়তাৰ বিপৰীতে সংগতিহীনতা তথা সামঞ্জস্যহীনতাই আৰু ঠাই বিশেষ অৰ্থ শূন্যতাই হ'ল এই নাটৰ বৈশিষ্ট্য। জীৱনৰ এক অনুভূত সত্য নাট্যকাৰসকলে প্ৰকাশ কৰে সুসংহত কাহিনীৰ জৰিয়তে নহয়, একোটা কাব্যিক চিত্ৰকল্পৰ জৰিয়তেহে। যাৰ ফলত এই শ্ৰেণী নাটকৰ মাজেৰে অনুভূত হয় এটি কাব্যিক অনুভূতি। সেয়ে ক'ব পাৰি প্ৰত্যেক সুলিখিত উদ্ভট নাটকেই একোটি দীঘল কবিতা। আয় নেস্কোৰ 'এমিদি' নাটকত মৰালটো, 'ৰাইনোচেৰৰ্ছ'ত গড়বোৰ, 'দি চেয়াৰ্ছ'ত খালী চকীবোৰ ইয়াৰ সুন্দৰ দৃষ্টান্ত। পৃথিৱীত ঘটি থকা বহুতো ঘটনাৰে কাৰণ বিচাৰি পোৱা নাযায় আৰু মানুহৰ দৈনন্দিন জীৱনৰ বহু কথা-বতৰাই অসংগত তথা অৰ্থহীন। গতিকে নাটকে যদি মানুহৰ বাস্তৱ জীৱনক প্ৰতিফলিত কৰিব লাগে তেন্তে সেইয়া সম্ভৱ হয় কেৱল এই শ্ৰেণী নাটৰ জৰিয়তেহে। মুঠতে, এইবিধ নাটকত দেখা দিয়া স্পষ্ট লক্ষণ হ'ল- মানুহৰ বিভিন্ন কাৰ্য আৰু অভিজ্ঞতাৰ অসংলগ্নতা আৰু তৰ্কৰ জালত নোসোমাই নিৰ্বিকাৰ চিত্তে গ্ৰহণ কৰাত নিৰাশাবাদৰ সুৰ। অৱশ্যে সমালোচক মাৰ্টিন এচলিনৰ মতে এনে উপস্থাপন ৰীতি নিৰাশাবাদ নহয়। মানুহৰ অস্তিত্বৰ উদ্দেশ্যহীনতা আৰু অৰ্থহীনতাই সৃষ্টি কৰা মনৰ সংঘাতময় পৰিস্থিতিহে এই নাটকৰ মাজেৰে প্ৰকাশ হয়।

ভাৰতৰ মঞ্চত 'এৱছাৰ্দ' বা উদ্ভট নাটকে প্ৰৱেশ লাভ কৰে যাঠিৰ দশকত বংগদেশৰ বাদল সৰকাৰৰ 'এবং ইন্দ্ৰজিৎ' নাটকখনেৰে। অসমত অৰুণ শৰ্মাকে ইয়াৰ বাটকটীয়া বুলিব পৰা যায়। যিহেতু তেওঁ পূৰ্বতে কোনেও এই ধৰণৰ নাট ৰচনা কৰাৰ নিদৰ্শন আমাৰ হাতত নাই।

অৰুণ শৰ্মাৰ নাটকত কলা-কৌশলৰ ক্ষেত্ৰত নতুনত্ব সদায় দেখা যায়। 'জিনটি' (১৯৬২) 'উৰুথা পঁজা, পুৰুষ (১৯৬৮), নিবাৰণ ভট্টাচাৰ্য আৰু আহাৰ নাটকত তেওঁ গতানুগতিকতাৰ পৰা ভালেখিনি আঁতৰি আহিছে। পাহাৰী গাভৰু আৰু ভৈয়ামৰ ডেকাৰ প্ৰণয়ৰ শোকাৱহ পৰিস্থিতিৰ মাজেৰে নাট্যকাৰে ইয়াত নাৰী-পুৰুষৰ সম্বন্ধৰ এটা চকুত নপৰা দিশ উদ্‌ঘাটনৰ প্ৰয়াস কৰিছে। নাৰীয়ে পুৰুষক চাৰ্কাছৰ জন্তুৰ দৰে বশ কৰি ৰাখিব বিচৰা আৰু পুৰুষে যে নাৰীৰ কবলৰ পৰা মুক্ত হ'বৰ কাৰণে ভয়াবহ পন্থাও অৱলম্বন কৰিব পাৰে তাক নাটকখনৰ মাজেৰে প্ৰকাশ কৰা হৈছে অভিব্যক্তিবাদৰ প্ৰভাৱ ইয়াত সুস্পষ্ট।

এগৰাকী নাট্যশিল্পীৰ জীৱনৰ ব্যৰ্থতাৰ কাৰুণ্যৰে ভৰপূৰ 'শ্ৰীনিবাৰণ ভট্টাচাৰ্য'ও এখন নতুন কলাকৌশলেৰে সমৃদ্ধ নাটক। শিল্পী নিবাৰণ ভট্টাচাৰ্যই শূন্য প্ৰেক্ষাগৃহৰ সন্মুখত আদৰণি ভাষণ পাঠ কৰা কাৰ্যই তেওঁৰ পুতৌজনক অৱস্থাক প্ৰতিফলিত কৰে। তথাপি নাটকখনক উদ্ভট নাটকৰ শ্ৰেণীত ৰাখিব নোৱাৰি। কিয়নো ইয়াৰ সংগতি, সামঞ্জস্য আৰু অৰ্থময়তা ৰক্ষা কৰা হৈছে। অৰুণ শৰ্মাৰ 'আহাৰ' এই ফালৰ পৰা শ্ৰেষ্ঠ। য'ত 'absurd' নাটৰ কলা কৌশল ব্যৱহাৰ কৰা হৈছে। সেয়েহে ইয়াত সুসংহত কাহিনী এটি পোৱা নাযায়। ইয়াৰ মূল কথাখিনি এনে ধৰণৰঃ-

চাৰিজন ডেকা-কমল, নলিনী, ধীৰেণ আৰু নবীনে এটা শৱদেহ (নাৰীৰ) সমাধিস্থ কৰাৰ উদ্দেশ্যে মৰ্গৰ পৰা চুৰি কৰি আনি সন্ধিয়া হোৱালৈ অপেক্ষা কৰে। ভিন্ন ৰুচিৰ ডেকাকেইজনৰ কথা বতৰাত নাই সংলগ্নতা। ঠিক গধূলি হোৱাৰ আগে আগে নাৰী শৱটোই জীৱন্ত ৰূপ লৈ ডেকা চাৰিজনৰ সন্মুখত ভিন্ন ৰূপত দেখা দিয়ে। নিজৰ অতীতত বিচৰণ কৰি আত্মবিভোৰ হৈ ডেকা কেইজনে শটো সমাধিস্থ কৰিবলৈ যো-জা কৰোতেই পুলিচে সিহঁতক আহি ধৰিবলৈ চেষ্টা কৰে।

অভিজ্ঞতা আৰু পৰিস্থিতিৰ অবৌদ্ধিকতা তথা কাহিনী আৰু সংলাপৰ সংগতিহীনতাই উক্ত নাটকখনক এবছাৰ্দৰ যাত্ৰা প্ৰদান কৰিছে। নাটকখনত অংক আৰু দৃশ্য বিভাজন নাই। তদুপৰি যি পৰিৱেশ বা পৰিস্থিতি ইয়াত দেখুওৱা হৈছে সেইয়াও বাস্তৱ জীৱনৰ পৰা গ্ৰহণ কৰা যেন বোধ নহয়। কাহিনী আৰু চৰিত্ৰৰ পৰিৱৰ্তে একাধিক অৰ্থ প্ৰকাশৰ ক্ষমতাসম্পন্ন একো একোটা চিত্ৰকল্পই এনেধৰণৰ নাটকত প্ৰাধান্য লাভ কৰা দেখা যায়। 'আহাৰ'তো নাৰীগৰাকীৰ শৱদেহটোক লৈ এটি চিত্ৰকল্প নিৰ্মাণ কৰা হৈছে। সমাজৰ ভিন্ ভিন্ ক্ষেত্ৰত বিভিন্ন ভূমিকা গ্ৰহণ কৰা নাৰীগৰাকী প্ৰেমৰ প্ৰতীক, ত্যাগৰ প্ৰতীক, বৈষয়িক আসক্তিৰ প্ৰতীক দৈহিক কামনাৰে প্ৰতীক। যিয়ে শাৰীৰিক, মানসিক আৰু আবেগিক দাবী পূৰণ কৰে আৰু যিয়ে আমাৰ দাবী বা ক্ষুধা পূৰণ কৰে সিয়ে আহাৰ। এনেদৰে চিত্ৰকল্পটোৱে নানা অৰ্থ প্ৰকাশ কৰিব পাৰে। আকৌ শৱদেহটো হ'ব পাৰে অতীতৰ প্ৰতীক। অতীতক আমি আমাৰ জীৱনৰ পৰা মচি পেলাবলৈ যিমানেই যত্ন নকৰো কিয় সি কিন্তু আমাৰ পৰা আঁতৰি নাযায়। ডেকা চাৰিজনে ধূপ আৰু চন্দনেৰে শৱদেহটোৰ দুৰ্গন্ধ আঁতৰ কৰাৰ প্ৰয়াসে যেন ইয়াৰে ইংগিত বহন কৰে।

নাটকখনত আৰম্ভণিৰ পৰা শেষলৈ এক কাব্যিক প্ৰবাহ বিদ্যমান হৈ থকা পৰিলক্ষিত হয়। যিটো এৱছাৰ্দৰ এক বিশিষ্ট লক্ষণ। গীতি ধৰ্মিতা আৰু ব্যঞ্জনাময়তাই আহাৰক অভিনয়ৰ

উপযোগী শিল্পকৰ্মতকৈ সুখপাঠ্য সাহিত্যকৰ্ম হিচাপেহে অধিক মনোগ্ৰাহী কৰি তোলা পৰিলক্ষিত হয়। 'আহাৰ' নাটকখনৰ সৈতে বাদল সৰকাৰৰ 'পাগলা ঘোঁৰা' আৰু ছেমুৱেল বেকেটৰ বিখ্যাত নাটক 'ওৱেটিং ফৰ গোদো'ৰ ভালেখিনি সাদৃশ্য পৰিলক্ষিত হয়।

ইয়াৰ উপৰিও বসন্ত শইকীয়াৰ 'মানুহ' আৰু 'অসুৰ' এবছাৰ্ড পদ্ধতি অনুসৰণ কৰা আন দুখন নাট। 'মানুহ' নাটকখনত মানুহৰ পশুত্বৰ প্ৰকাশ কৰিব বিচৰা হৈছে। আয়নেস্কোৰ গঁড় নামৰ নাটকৰ প্ৰভাৱ ইয়াত সুস্পষ্ট। আয়'নেস্কোৰ নাটকখনত মানুহ যিদৰে গঁড়লৈ ৰূপান্তৰিত হৈছে 'মানুহতো অনুৰূপ ধৰণে মানুহে বাঘৰ ৰূপ গ্ৰহণ কৰা দেখা যায়।

আয়নেস্কোৰ প্ৰভাৱ পৰা তেওঁৰ আন এখন নাটক হ'ল 'অসুৰ'। বৈষয়িক অথবা দৈহিক সুখৰ পিছে পিছে লৰি মানুহে অনেক নিষ্ঠুৰ, অমানৱীয় কাম কৰিব পাৰে। কিন্তু মানসিক সংঘাত অথবা বিবেক দংশনৰ পৰা মানুহ মুক্ত হ'ব নোৱাৰে। 'অসুৰ'ত ইয়াৰে প্ৰতিফলন ঘটিছে। শইকীয়াৰ আন এখন এবছাৰ্ডধৰ্মী নাটক হ'ল 'মৃগতৃষ্ণা'। য'ত আয়নেস্কোৰ 'এমিভী' নাটকৰ প্ৰভাৱ বিদ্যমান। য'ত আদবয়সীয়া এহাল দম্পতীৰ সপোনৰ অৱস্থা এটি ৰূপায়ণ কৰাৰ দৰে 'মৃগতৃষ্ণা'তো দিগন্ত হাজৰিকা নামৰ হতাশাগ্ৰস্ত এজন কেৰানীৰ অৱস্থা এটিক নাট্যৰূপ দিয়া হৈছে। নাটকখনৰ বিষয় হ'ল দিগন্ত হাজৰিকাৰ অবচেতন খনৰ কামনা বাসনা।

অসমীয়া সাহিত্য জগতত উদ্ভট নাটকৰ সৃষ্টি হ'ল আৰু সাময়িকভাৱে প্ৰচলিত হ'ল যদিও ই ভালদৰে খোপনি পুতিব নোৱাৰিলে। হয়তো প্ৰাচ্য আৰু পাশ্চাত্য জীৱনবোধৰ পাৰ্থক্যই ইয়াৰ এটা অন্যতম কাৰণ। তথাপি পৰিৱৰ্তিত সমাজ ব্যৱস্থালৈ চাই অসমীয়া সাহিত্যত যে এই শ্ৰেণীৰ নাটকে এটা সময়ত আলোড়নৰ সৃষ্টি কৰিব তাত সন্দেহ নাই। ■

**নলবাৰী জিলাত প্ৰচলিত লোকগীত ঃ**

নামনি অসমৰ এখন অন্যতম জিলা হৈছে নলবাৰী জিলা। অসমৰ অন্যান্য অঞ্চলৰ লগতে নলবাৰী জিলাৰ গাঁৱে-ভূঞে, চুকে-কোণে অজস্ৰ লোকগীত ঠাহ খাই আছে। সেইবোৰৰ ভিতৰত কিছুমান তলত দিয়া হ'ল— মহখেদা গীত, বিয়া গীত, নিচুকনি গীত, জগন্নাথৰ গীত, আইলা বা আউলা পূজাৰ গীত, সুবচনীৰ গীত, আইনাম, অপেচৰাৰ নাম, ভঠেলী গীত ইত্যাদি।

# অসমীয়া নাটক আৰু ভ্ৰাম্যমাণ মঞ্চ

■ দিপাংশু ভট্টাচাৰ্য্য
*উচ্চতৰ মাধ্যমিক প্ৰথম বৰ্ষ, বিজ্ঞান শাখা*

অসমীয়া নাটকৰ ধাৰা আৰম্ভ হৈছিল মহাপুৰুষ শংকৰদেৱে বৈষ্ণৱ ধৰ্ম প্ৰচাৰৰ অৰ্থে ৰচনা কৰা অংকীয়া নাট সমূহৰ দ্বাৰা। মহাপুৰুষ জনাৰ হাতত জন্মলাভ কৰা অংকীয়া নাটসমূহ ইংৰাজৰ অসম দখলৰ সময়লৈকে চলি আছিল যদিও ইয়াৰ পিছৰে পৰা এইবোৰ নাটকৰ জনপ্ৰিয়তা ক্ৰমে হ্ৰাস পাবলৈ ধৰে। এইখিনি সময়তে ইংৰাজী শিক্ষা লাভ কৰি অসমীয়া ডেকা সকলে পাশ্চাত্য নাটকৰ আৰ্হিৰে অসমীয়া নাটক ৰচনাৰ এটা নতুন ধাৰা আৰম্ভ কৰিলে। ইয়াৰ দ্বাৰা অসমীয়া নাটকৰ আধুনিক যুগৰ সূচনা হয়। যিটো আজিও চলি আছে।

অসমীয়া নাটকৰ আধুনিক যুগৰ সূচনা হয় গুণাভিৰাম বৰুৱাৰ ৰাম নৱমী আৰু হেমচন্দ্ৰ বৰুৱাৰ কানীয়াৰ কীৰ্তন নাটকৰ জৰিয়তে। ইয়াৰ পিছতো কেইবাখনো নাটকৰ ৰচনা হৈছিল যদিও বিংশ শতিকাৰ প্ৰথমাৰ্ধৰ পৰা অসমীয়া নাটকৰ জনপ্ৰিয়তাই নাট্যকাৰ সমূহক নাটক ৰচনাৰ প্ৰেৰণা যোগাইছিল। কিন্তু ইয়াৰ মাজতে বংগদেশৰ লোককলা যাত্ৰাৰ প্ৰৱেশে অসমীয়া নাটকৰ জনপ্ৰিয়তা কিছু পৰিমাণে হ্ৰাস কৰিছিল। লাহে লাহে অসমীয়া লোকৰ মাজতো যাত্ৰাদলসমূহ জনপ্ৰিয় হৈ উঠিছিল আৰু ইয়াৰ আকৰ্ষণে থলুৱা লোকক যাত্ৰাদল গঠন কৰিবলৈ আগ্ৰহী কৰি তুলিছিল। যাত্ৰাদল সমূহে প্ৰথমতে বাংলা ভাষাতেই নাটক পৰিৱেশন কৰিছিল যদিও পিছলৈ অসমীয়া ভাষাত নাটক পৰিৱেশন কৰা আৰম্ভ কৰিছিল। অসমত যাত্ৰাদল পোন-প্ৰথমে গঠন কৰিছিল ব্ৰজ শৰ্মাই কহিনুৰ অপেৰা পাৰ্টীৰে। ব্ৰজ শৰ্মাৰ পিছত বহুতো লোকে থলুৱা ভাৱে যাত্ৰাদল গঠন কৰে যদিও পিছলৈ ভ্ৰাম্যমাণ থিয়েটাৰৰ আৱিৰ্ভাৱৰ সময়ৰে পৰা যাত্ৰাদল সমূহ কালৰ বুকুত নাইকিয়া হৈ যাবলৈ ধৰে।

যাত্ৰাদল সমূহৰ জনপ্ৰিয়তাৰ পিছত ইয়াৰ ক্ৰমবিকাশ হিচাপে ভ্ৰাম্যমাণ থিয়েটাৰৰ আৱিৰ্ভাৱ হয়। ১৯৬৩ চনত পাঠশালাত শ্ৰীঅচ্যুত লহকৰ ডাঙৰীয়াই নটৰাজ থিয়েটাৰ নামে অসমৰ প্ৰথমখন ভ্ৰাম্যমাণ থিয়েটাৰৰ জন্ম দিয়ে। নটৰাজ থিয়েটাৰৰ পাছত মূলতঃ নামনি অসমত বিভিন্ন ভ্ৰাম্যমাণ থিয়েটাৰৰ আৱিৰ্ভাৱ ঘটে। ইয়াৰ মাজতে কহিনুৰ থিয়েটাৰৰ মঞ্চত প্ৰয়োজক ৰতন লহকৰ ডাঙৰীয়াই মৌলিক চিন্তা ধাৰাৰে শৰাগুৰি চাপৰি, বিষ্ণুপ্ৰসাদ ৰাভা, ৰামায়ণ, ক্লিওপেট্ৰা, বেনহুৰ, হেমলেট, টাইটানিক আদি বিশ্বৰ বিভিন্ন মহাকাব্য, বিশ্ব শ্ৰেষ্ঠ নাট্য সাহিত্য কহিনুৰ মঞ্চত দাঙি ধৰিছে। আকৌ ফণি শৰ্মাৰ ছিৰাজ, ভৱেন্দ্ৰ নাথ শইকীয়াৰ ৰামধেনু, জ্যোতি প্ৰসাদৰ কাৰেঙৰ লিগিৰি, প্ৰফুল্ল বৰাৰ সাঁকো, মহেন্দ্ৰ বৰঠাকুৰৰ মুখ্যমন্ত্ৰী নাটকৰ পৰা আৰম্ভ কৰি মৃত্যুঞ্জয়, অসীমত যাৰ হেৰাল সীমা, মিৰি জীয়ৰী আদি উপন্যাসৰ নাট্যৰূপো বিভিন্ন ভ্ৰাম্যমাণ মঞ্চত দাঙি ধৰা হৈছে।

যদিওৱা ভ্ৰাম্যমাণ নাট্যদল সমূহ অসমৰ কলা-সংস্কৃতিৰ লগত জড়িত হৈ আছে তাৰ মাজতে বৰ্তমান ভ্ৰাম্যমাণ মঞ্চ সমূহত এক অঘোষিত প্ৰতিযোগিতা আৰম্ভ হৈছে। বৰ্তমান মঞ্চত নাটকৰ পৰিৱৰ্তে স্থান পাইছে কাৰিকৰী কৌশলে। মঞ্চত গাড়ী চলোৱা, এৰোপ্লেন উৰুওৱা, চলচিত্ৰৰ নামী-দামী অভিনেতা-অভিনেত্ৰীক মঞ্চাভিনয় বাবে অনা, অত্যাধিক গীত-মাতৰ সংযোগ আদিৰ দ্বাৰা এক অসুস্থ পৰিৱেশৰ সৃষ্টি হৈছে। হিন্দী চিনেমাৰ অনুকৰণেৰে প্ৰচুৰ টকা ঘটাৰ লক্ষ্য লৈ নাট্যদল সমূহে নতুন নাটকৰ সৃষ্টি কৰিছে। অপ্ৰিয় হ'লেও সত্য যে বৰ্তমান ভ্ৰাম্যমাণ নাট্যগোষ্ঠীৰ মূল উদ্দেশ্য হ'ল ব্যৱসায়। যদিওৱা ভ্ৰাম্যমাণ থিয়েটাৰ সমূহ এক ব্যয়বহুল অনুষ্ঠান, নিবনুৱা সংস্থাপনৰ স্থল আৰু ইয়াৰ লগতে বিভিন্ন কলা-কুশলী জড়িত হৈ থাকে গতিকে ব্যৱসায়িক দিশটোও দলসমূহে গুৰুত্ব সহকাৰে ল'ব লাগে তথাপি ইয়াৰ মাজতে যাতে তেওঁলোকৰ কলা মাধ্যমটোৰ মৰ্যাদা ধূলিসাৎ হৈ নাযায় তাৰ প্ৰতিও লক্ষ্য ৰখা উচিত।

অসমীয়া নাটকৰ আধুনিক যুগৰ সময়েৰে পৰা বৰ্তমানলৈ ভালেসংখ্যক নাটক ৰচনা হৈছে। ভ্ৰাম্যমানৰ মঞ্চতো প্ৰতিবছৰে শতাধিক নাটক পৰিৱেশন হৈ আছে। ইয়াৰ জৰিয়তে ভালেসংখ্যক নাট্যকাৰৰ লগতে অভিনেতা-অভিনেত্ৰীৰো জন্ম হৈছে। নিশ্চিতভাৱে এতিয়া ভ্ৰাম্যমাণ থিয়েটাৰে দৰ্শকক আকৰ্ষণ কৰা এক জনপ্ৰিয় মাধ্যম। বৰ্তমান যিহেতু ভ্ৰাম্যমাণ থিয়েটাৰে দৰ্শকক আকৰ্ষণ কৰিবলৈ মনোৰঞ্জন ধৰ্মী নাটকৰ আশ্ৰয় ল'বলগীয়া হৈছে গতিকে থলুৱা মাটিৰ গোন্ধ লৈ নাটক লিখা

নাট্যকাৰ ভ্ৰাম্যমাণৰ পৰা বাদ পৰিব লগা হৈছে. সেইবাবেই হয়তো বহুদিনলৈ দৰ্শকৰ মনত সাঁচ বহুওৱা নাট এতিয়া নোহোৱা হৈছে। আকৌ বৰ্তমান সময়ত নাট্যদলবোৰৰ আন এক সমস্যা হৈছে নাটকৰ দুষ্প্ৰাপ্যতা। কাৰণ ভ্ৰাম্যমাণ মঞ্চ অনুপাতে এতিয়া নাট্যকাৰৰ সংখ্যা কম। ফলত একোজন নাট্যকাৰে এটা নাট্যদলক দুই-তিনিখনকৈ নাটক দিব লগা হয়। আকৌ ইয়াৰে প্ৰায়ভাগ নাটকেই হ'ল বোলছবিৰ পৰা অনুবাদিত। মুঠৰ ওপৰত ভ্ৰাম্যমাণ নাট্যদলসমূহে ধন ঘটাৰ মানসিকতা এৰি এক শিল্প হিচাপে গঢ়ি উঠা উচিত। ইয়াৰ বিপৰীতে যদি তেওঁলোকে চলচিত্ৰক অনুকৰণ কৰিবলৈ বিচাৰে তেতিয়া থিয়েটাৰৰ অস্তিত্বই বিপদাপন্ন হ'ব। গতিকে নাট্যকাৰ, অভিনেতা-অভিনেত্ৰী, প্ৰয়োজকসকলেও এই দিশত মনোযোগ দিয়া উচিত। ■

**নলবাৰী জিলাত প্ৰচলিত প্ৰবাদ-প্ৰবচন ঃ**

* ধৰ্‌বা লাগে গাইৰ বাঁটত, ধোৰে হাউলাৰ বাঁটোত। (হক কথাত নালাগি অহক কথাত লগা)
* আপাচোলি মোইজাৰ মাটি আপিচোলি বেৰাৰ মাটি, লাত্‌থি মাইল্‌লি জাবো ফাটি। (ল'ৰা সন্তানৰ প্ৰতি আগ্ৰহ আৰু কন্যাৰ প্ৰতি অৱহেলা)
* গাতু জাই ছাঁইআতু নাজোই। (বেজীৰ জলা মনা কুঠাৰৰ জলা নমনা)
* ৰাজাই ভাল পাউএ জাক, হাতী ঘৰা নাঙ্গে তাক। (ৰাজ আদৰৰ মৰণ নাই)
* হাউচে বিদ্‌দা কিৰ্‌পিনোৰ ধন। (একাগ্ৰতাই আচল কথা)

# অসমীয়া জাতি গঠনত ড° ভূপেন হাজৰিকাৰ অৱদান

■ দেৱজিৎ দাস
*স্নাতক প্ৰথম ষাণ্মাসিক*



"চিৰ যুগমীয়া ঢৌ তুলি ঢৌ তুলি
চিৰ যুগমীয়া পানচৈ উটি যায়।
জিল মিলিয়া ঢৌ তুলিটো তুলি
পদুম সুৰৰ পানচৈ উটি যায়।"

অসমীয়া সমাজ সংস্কৃতিত জেউতি বৰ্ধন কৰা, পৃথিৱীত নতুন প্ৰভাত আনি নৱযুগৰ সূচনাৰে সংগীতৰ আকাশখনত যি জ্যোতিষ্মান নক্ষত্ৰই যি উত্তাপ-জ্যোতিৰে মানৱক পোহৰ বিলাইছিল আৰু তেওঁৰ অবৰ্তমানত সেই উত্তাপ জ্যোতিৰে পৃথিৱীৰ মানৱ জাতিক উদ্ভাসিত কৰি মহিয়ান কৰি তোলাৰ আকাংক্ষা আৰু হেঁপাহেৰে তথা সংগীতেৰে সমাজ সংস্কাৰ সাধন কৰাৰ প্ৰয়াস কৰিছিল সেইজনেই হ'ল অসম ৰত্ন, সংগীত সূৰ্য্য ড° ভূপেন হাজৰিকা।

ড° ভূপেন হাজৰিকাৰ জন্ম হৈছিল ১৯২৬ চনৰ ৪ ছেপ্তেম্বৰত শদিয়াৰ আদি গাঁৱত। নীলকান্ত হাজৰিকা পিতৃ আৰু মাতৃ শান্তিপ্ৰিয়া হাজৰিকাৰ সপোনৰ ফুলে অসমীয়া ভাষা আৰু সংগীত সাহিত্যৰ ভঁৰাল চহকী কৰি থৈ গৈছিল। ড° ভূপেন হাজৰিকাই জ্যোতিপ্ৰসাদৰ সহযোগত জয়মতী কথা ছবিৰ যোগেদি কথাছবি জগতত প্ৰৱেশ কৰিছিল।

এইজনা সাহিত্যিক, গায়ক, ৰাজনীতিবিদ, সাংবাদিক, গীতিকাৰ, সুৰকাৰ, নিবন্ধকাৰ সংস্কৃতিবিদ, কবি, নাট্যকাৰ, ড° ভূপেন হাজৰিকাই অসমীয়া জাতি গঠনত এক গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰি এক শান্তিপূৰ্ণ বাতাবৰণ সৃষ্টি কৰিছিল। আৰু তেওঁৰ প্ৰতিভাত সকলো মানৱ জাতি এক হৈ পৰিছিল। কৈশোৰ অৱস্থাতেই ড° হাজৰিকাই 'কুসুমৰৰ পুত্ৰ শ্ৰীশংকৰ গুৰুৱে' নামৰ গীততে ৰচনা কৰি গীতিকাৰ জীৱনৰ পাতনি মেলিছিল। তেওঁৰ প্ৰতিটো গানতেই লুকাই আছিল অসমীয়া জাতীয় জীৱনৰ দৰ্শন। কাব্যিক সৌন্দৰ্য্যৰে পৰিপূৰ্ণ গীতি কবিতা আৰু অভিনৱ গদ্যশৈলীৰে বিশ্লেষাণাত্মক গদ্য ৰচনা কৰি হাজৰিকাদেৱে অসমীয়া সাহিত্যৰ ভঁৰাল চহকী কৰিছে। তেওঁৰ সকলো ৰচনাতে উচ্চ আদৰ্শ সৌন্দৰ্যবোধ, দৰ্শন আৰু গণসংযোগ পৰিস্ফুট হৈছে। তেখেতৰ শব্দ চয়ন, চন্দ আৰু অলংকাৰ সুন্দৰ প্ৰয়োগে সাহিত্যৰ আকাশ উজ্বলাই ৰাখিব।

অসমীয়া সমাজ গঠনৰ উপাদান, কথাছবি জগততো এখেতৰ অৱদান নিতান্তই প্ৰয়োজনীয়। ১৯৩৫ চনত জয়মতী কথাছবিৰ যোগেদি কথাছবি জগতত প্ৰৱেশ কৰে যদিও ১৯৫৫ চনত পিয়লী ফুকন নামৰ কথাছবিৰ যোগেদিহে ভূপেন হাজৰিকাই এগৰাকী সংগীত পৰিচালকৰূপে প্ৰতিষ্ঠা লাভ কৰে। ১৯৫৬ চনত নিৰ্মাণ কৰা ভূপেন হাজৰিকাৰ প্ৰথমখন কথাছবি হ'ল- 'এৰাবাটৰ সুৰ'। এই কথাছবিখনত ভাৰতৰ বিখ্যাত গায়িকা লতা মাংগেশকাৰৰ হতুৱাই প্ৰথম অসমীয়া গীত গোৱাইছিল। ১৯৭৬ চনত তেওঁ শ্ৰেষ্ঠ সংগীত পৰিচালকৰূপে ভাৰত চৰকাৰৰ দ্বাৰা স্বীকৃতি লাভ কৰে। অসমীয়া কথাছবিৰ উপৰিও কেইবাখনো বঙালী আৰু হিন্দী কথাছবিতো ড° হাজৰিকাই সংগীত পৰিচালনা কৰিছিল। কথাছবি সমূহৰ মূল বিষয়বস্তু আছিল অসমীয়া সমাজ আৰু সংস্কৃতিৰ জীৱনৰ উ ৰণীয়া মৌ আৰু যাযাবৰ হৈ ফুৰা দূৰন্ত এই তৰুণ ব্যতিক্ৰমী শিল্পীজনৰ খোজত খোজ দি যাবলৈ আমি সকলোৱে চেষ্টা কৰিব লাগে। অসমীয়াৰ হিয়াৰ আমঠু হাজৰিকাই জনতাৰ বাবে গোটেই জীৱন পুত্ৰ পৰিয়ালৰ পৰা আঁতৰি থাকিছিল। অৱশ্যে হিন্দী চিনেমাৰ বিখ্যাত পৰিচালিকা কল্পনা লাজমীয়ে ভূপেন দাৰ মৃত্যু পৰ্যন্ত ছাঁৰ দৰে থাকি সহযোগিতা আগবঢ়াইছিল। ২০১১ চনৰ ৫ নৱেম্বৰ তাৰিখে শনিবাৰে তেওঁ শেষ নিঃশ্বাস ত্যাগ কৰিছিল। তেওঁৰ মৃত্যুত অসমীয়া জাতি আৰু সংগীত প্ৰেমী লাখ লাখ জনতা ম্ৰিয়মান হৈ পৰে আৰু অভূতপূৰ্ব ধৰণে তেওঁলৈ শ্ৰদ্ধাঞ্জলি আগবঢ়াই যায়। এই শ্ৰদ্ধা আমাৰ মনত আজিও অটুট আছে।

সেয়েহে অসমীয়া কৃষ্টি-সংস্কৃতি ৰক্ষাৰ স্বাৰ্থত তেখেতে গোৱা এফাঁকি গানেৰে প্ৰণিপাত জনালোঁ।

"সাগৰ সংগমত কতনা সাতুৰিলোঁ
তথাপিতো হোৱা নাই ক্লান্ত।
তথাপি মনৰ মোৰ প্ৰশান্ত সাগৰৰ
উৰ্মিমালা অশান্ত।।" ■

# প্ৰতিযোগিতা আৰু বৰ্তমান সময়ত আমাৰ সমাজ

■ ধ্ৰুৱজ্যোতি কলিতা
*স্নাতক তৃতীয় ষাণ্মাসিক, ৰাজনীতি বিভাগ*

গোলকীকৰণ আৰু বিশ্বায়নে বৰ্তমান সময়ত আমাৰ সকলোৰে মাজত প্ৰতিযোগিতাৰ ধাৰণা আনি দিছে, যাৰ ফলত আমাৰ মাজত থকা সহযোগিতাবোৰ নাইকিয়া হৈ পৰিছে। প্ৰতিযোগিতা সৰ্বস্ব এই পৃথিৱীত ধনৰ কাৰণে মানুহৰ মাজত যি ধৰণৰ প্ৰতিযোগিতা চলিছে ঠিক একেই প্ৰতিযোগিতা সন্মান বৈভৱ, প্ৰতিপত্তি, আদিৰ কাৰণেও চলিছে। মানুহৰ মানসিকতাত আজি কেৱল প্ৰতিযোগিতাৰ ভাৱ বিৰাজমান। বৰ্তমান সময়ৰ মুক্ত আৰু জটিলতাৰে পৰিপূৰ্ণ পৃথিৱীত মানুহে প্ৰতিযোগীৰ দৰে হৈ পৰিছে আৰু এজনে আনজনক চেৰ পেলাই যোৱাৰ বাবে হকে-বিহকে প্ৰতিযোগিতাত নামি পৰিছে। আমাৰ স্বাধীনতা আৰু মুক্ত মন আজি প্ৰতিযোগিতাৰ কৱলত। আমাৰ ইচ্ছাৰ বিপৰীতে বা অক্ষমতা স্বত্ত্বেও আমি আনজনৰ লগত প্ৰতিযোগিতাত নামিব লগা হৈছে। এই শতিকাটোত আমাৰ শিক্ষা ব্যৱস্থা আৰু বিজ্ঞান-প্ৰযুক্তিবিদ্যাৰ চৰম বিকাশে মানুহৰ জ্ঞান, বিদ্যা, বুদ্ধিৰ চৰম উন্নতি সাধন কৰিলে আৰু মানুহক ভয়ানক প্ৰতিযোগিতাৰ পিনে আগবঢ়াই দিলে। মানুহৰ চিন্তাধাৰা, মানসিকতাবোৰ কমি আহিছে, সহশীলতা, সহমৰ্মিতা গুণবোৰ নাইকিয়া হৈ পৰিছে। ব্যৱসায় আৰু বজাৰ ব্যৱস্থাৰ কৱলত এইবোৰ আজি লুপ্ত হৈ পৰিছে। প্ৰতিযোগিতা যদিহে অকল অৰ্থনীতি, পা-পইচাৰ মাজত সীমিত হৈ থাকিলহেঁতেন তেতিয়া তাক লৈ বৰ বেছি চিন্তিত হোৱাৰ কথা নাছিল, কিন্তু ই সমাজ জীৱনৰ প্ৰতিটো গুৰুত্বপূৰ্ণ খণ্ডতে প্ৰৱেশ কৰিছে যিটো আমাৰ কাৰণে খুৱেই চিন্তাৰ কথা।

**প্ৰতিযোগিতা আৰু আমাৰ সমাজ ঃ** আনহাতে আমাৰ গাঁৱলীয়া সমাজৰো আজি পৰিচয় নাইকিয়া হৈ পৰিছে। যিবোৰৰ কাৰণে আমাৰ গাঁও, আমাৰ সমাজৰ যি সুকীয়া পৰিচয় আছিল আজি সেয়া নাইকিয়া হৈ পৰিছে। এটা সময়ত সমাজৰ প্ৰতিটো অনুষ্ঠানত গাঁৱৰ লোকসকলৰ সক্ৰিয় সহযোগিতা দেখিবলৈ পোৱা গৈছিল কিন্তু আজি সেয়া দেখিবলৈ পোৱা নাযায় বিশ্বায়নে বা আধুনিকতাই অনা প্ৰতিযোগিতাৰ ধুমুহাত। বৰ্তমানৰ শিক্ষা ব্যৱস্থাই নতুন প্ৰজন্মক কিতাপ বা ইণ্টাৰনেটৰ মাজত অধিক সময় সক্ৰিয় কৰি ৰখা দেখা যায়। অধিক নম্বৰৰ বাবে আৰু নম্বৰ ভিত্তিক শিক্ষা ব্যৱস্থাত আনক চেৰ পেলাবলৈ সেয়াও বহু প্ৰয়োজনীয় হৈ পৰিছে। আনপিনে এই বিশ্বায়নে মানুহৰ মাজত আধুনিকতা আনি দিছে মানুহৰ খাদ্য-সম্ভাৰ, জীৱন-ধাৰণ পদ্ধতিত সেয়া স্পষ্ট হৈ পৰিছে। ইমান দিনে পিছপৰি থকা মানুহবোৰে জাক-জমকতাৰ সপোন দেখিবলৈ ল'লৈ যাক বাস্তৱত ৰূপায়ন কৰিবলৈ আশ্ৰয় ল'বলগীয়া হ'ল প্ৰতিযোগিতাৰ। গাঁৱৰ মহিলাই পৰম্পৰাগত আৰু মাৰ্জিত সাজ-পোছাকৰ ঠাইত আমদানি কৰিলে পশ্চিমীয়া সাজ-সজ্জা। সাতাম-পুৰুষীয়া সংস্কৃতিৰ ঠাইত আজি আহিল সংমিশ্ৰিত সংস্কৃতি। প্ৰতিযোগিতাৰ ধামখুমিয়াত পৰি এতিয়া বহুতে পাহৰি গ'ল সম্বন্ধ, শিষ্টাচাৰ, সন্মান। দেখাত একে লগা, সমাজত সমাজ পাতি বাস কৰা মানুহবোৰৰ পৰিৱৰ্তন হ'ল মনবোৰ।

আনহাতে বিকাশৰ প্ৰতিযোগিতাই নিঃশেষ কৰি পেলালে গাঁৱৰ পৰিৱেশ। প্ৰকৃতিৰ এই জাকজমক ৰূপটি দৰ্শন কৰিবলৈ আহে দেশ-বিদেশৰ পৰ্যটকসকল। এই অপৰূপ সৌন্দৰ্য্য কেৱল গাঁওবোৰৰ কাৰণেই দৰ্শনীয়। সেয়েহে কবি কবিতাত লিখিছিল 'শুৱনি আমাৰ গাঁওখনি অতি শুৱনি গছেৰে ভৰা।' কবি-সাহিত্যিকসকলে আশা কৰিছিল যে এই সৌন্দৰ্য্য সদায় চিৰন্তন হৈ থাকিব। কিন্তু এতিয়াৰ বিশ্বায়ন, বিজ্ঞান আৰু প্ৰযুক্তি তথা প্ৰতিযোগিতাই অনা বিকাশ নামৰ এই প্ৰতিযোগিতাত এইবোৰৰ একো প্ৰয়োজন নোহোৱা হৈ পৰিল।

মুঠৰ ওপৰত প্ৰতিযোগিতাই আমাৰ মূল্যবোধৰ গুৰুত্ব নাইকীয়া কৰি পেলালে। ইয়াৰ পৰা বাহিৰলৈ ওলোৱা আৰু ইয়াৰ পৰা হাত সৰা আমাৰ কাৰণেই ডাঙৰ কথা হৈ পৰিল।■

# Facebook, WhatsApp আৰু আমাৰ জীৱন

■ কৌশিক ঠাকুৰীয়া
*স্নাতক তৃতীয় যাণ্মাসিক, বিজ্ঞান শাখা*

পৃথিৱীৰ প্ৰথম সৃষ্টিৰে পৰা বিজ্ঞানৰ অৱদান আৰু ইয়াৰ ভূমিকা উল্লেখনীয়। বিজ্ঞানৰ বাবে এই বিশ্ব ব্ৰহ্মাণ্ডৰ বিষয়ে আমি মানৱে জ্ঞানৰ বন্তি গছি জ্বলাৱলৈ সক্ষম হৈছোঁ। বিভিন্ন গ্ৰহ-নক্ষত্ৰ, তৰা, জোন, বেলি আদিৰ বিষয়েৰে পৰা আদি কৰি আদিম কালৰ আদিম মানৱৰ জুইৰ আৱিস্কাৰ, বিভিন্ন খাদ্যাভ্যাস, নানা প্ৰকৃতিৰ গুপুত ৰহস্য-উৎঘাটন কৰিবলৈ বিজ্ঞানে আমাক নতুন নতুন দিশ মোকলাই দি আহিছে। যাৰ জৰিয়তে আমি মানৱে এই বিশ্বৰ সবাতোকৈ উন্নত তথা আগশাৰীৰ প্ৰাণী বা জীৱ হিচাপে পৰিচিত। কিয়নো আমাৰ প্ৰত্যেকৰে যিকোনো এটি বস্তু বা পৰিস্থিতি দেখি বুজি তৎকালীন ভাৱে সেই বস্তু বা পৰিস্থিতিটোক বিশ্লেষণ কৰি তাৰ পৰা জ্ঞান আহৰণ কৰিব পৰা বিশেষ ক্ষমতা আৰু দক্ষতা আছে।




বৰ্তমান আমাৰ বিজ্ঞান আৰু প্ৰযুক্তিৰ এই পৃথিৱীখন এনে এক অৱস্থাত স্থিতি গ্ৰহণ কৰিছে য'ত ৰাতিপুৱা শুই উঠাৰ পৰা ৰাতি শুৱালৈকে আমি বিজ্ঞানৰ নতুন নতুন বহুতো 'প্ৰযুক্তি' বা "Technology" ৰ ওপৰত নিৰ্ভৰশীল হৈ পৰিছো, যিয়ে হয়তো অদূৰ ভৱিষ্যতে আমাৰ জীৱনলৈ কাল-অমানিশা নমাই আনিব পাৰে।

বিজ্ঞানৰ বিভিন্ন অৱদান তথা প্ৰযুক্তিৰ কথা আলোচনাৰ প্ৰসংগত বৰ্তমান নৱ-প্ৰজন্মৰ মাজত খুব জনপ্ৰিয় আৰু বহুলভাৱে ব্যৱহৃত Facebook আৰু WhatsApp ৰ দিশটোৰ বিষয়ে আলোচনা তথা সজাগতাৰ প্ৰয়োজনীয়তা আহি পৰিছে। কিয়নো ইয়াৰ অত্যাধিক ব্যৱহাৰে আমাক নিষ্ক্ৰীয় কৰিবলৈ আৰম্ভ কৰিছে।

Facebook আৰু WhatsApp কে আদি কৰি বিভিন্ন Social Networking Site সমূহৰ সঠিক ব্যৱহাৰে আমাক এক কাৰ্য্যকৰী দিশ প্ৰদান কৰে।

আমি যিকোনো ভিতৰুৱা অঞ্চল একোটাত বাস কৰিও পলকতে বিশ্বৰ বিভিন্ন ঠাইৰ বিভিন্ন ব্যক্তিসকলৰ সৈতে এক যোগাযোগ স্থাপন কৰিব পাৰো, বিভিন্ন লাগতিয়াল তথ্যৰ লগতে বাৰ্তা পঠিয়াব পাৰো, নিজৰ কাৰ্যকৰী দক্ষতা বৃদ্ধি কৰিব পৰাৰ উপৰিও আমি আমাৰ এখন সুকীয়া সমাজ গঢ়ি তুলিব পাৰো এই Social Networking Site সমূহৰ যোগেদি।

এনেবোৰ Social Networking Site ৰ আৱিস্কাৰৰ প্ৰধান উদ্দেশ্যসমূহ জানো এয়াই নাছিল?

ককাহঁতে কোৱা মনত আছে ৰাতিপুৱা শুই উঠি মুখ-

হাত ধুই টেবুলত বহি যদিহে চাহটুপি খাই হাতত বাতৰি কাকতখন লৈ পঢ়িব নাপায় তেন্তে শৰীৰতো যেন চটফটাবলৈ ধৰে। কিন্তু বৰ্তমান নৱ-প্ৰজন্মৰ মাজত এনেকুৱা এক অভ্যাস গঢ় লৈ উঠিছে যে ৰাতিপুৱা শুই উঠি মুখ-হাতখন ধুই চাহ টুপি খোৱাৰ পিছতে নিজৰ স্মাৰ্ট ফোনটো উলিয়াই WhatsApp ৰ Massage,Facebook ৰ Notefications, Like-comment, Friend Request ইত্যাদি চোৱাত ব্যস্ত হৈ পৰে আৰু প্ৰায়ভাগৰে দিনটোৰ আৰম্ভণি ইয়াৰ মাজেৰেই হয়।

এই Social Networking Site সমূহে আমাক যিদৰে বহু ক্ষেত্ৰত আগুৱাই লৈ গৈছে, ঠিক একেদৰে ই আমাক ধ্বংসৰ মুখলৈয়ো ঠেলি দিছে।



ই এফালে আমাক দূৰৈৰ ব্যক্তিসমূহৰ লগত সংযোগ স্থাপন কৰাই দিয়ে, আনফালে আমাক আমাৰ নিজৰ মানুহ বা পৰিয়ালবৰ্গৰ মাজত এক ব্যৱধানৰ সৃষ্টি কৰিছে। ই এহাতে আমাক নানান দেশ-বিদেশৰ বিভিন্ন কৌতুহলৰ পৰিঘটনাবোৰ দেখুৱায়, আনহাতে ইয়াৰ অত্যাধিক ব্যৱহাৰৰ আমাৰ নিৰাশা-হতাশাত ভুগিবলৈ, আমাক অৱহেলা তথা আকোৰগোজ কৰি তোলে।

বহু ক্ষেত্ৰত দেখা যায় যে Social Networking Site সমূহ অধিক ব্যৱহাৰৰ ফলত আমি আমাৰ ব্যক্তিত্বক পাহৰি অন্যান্য ব্যক্তি বা উন্নত মানদণ্ডৰ জীৱন-যাপন কৰা Star বা Model সকলৰ লগত নিজৰ জীৱনতো তুলনা কৰিবলৈ লওঁ যাৰ বাবে আমি বিভিন্ন সময়ত বিভিন্ন ক্ষেত্ৰত নিৰাশা-হতাশাত ভুগিবলৈ বাধ্য হওঁ আৰু নিজৰ জীৱনটোৰ প্ৰতি নিৰুৎসাহী হৈ পৰোঁ। এতিয়া যেনিয়ে দেখিবলৈ পাওঁ তেনিয়েই Selfie আৰু মাথো কেৱল Selfie উঠাৰ জ্বৰ। কলেজ, বিশ্ববিদ্যালয়, বিভিন্ন চহৰ অঞ্চলক আদি কৰি বহু ভিতৰুৱা গ্ৰাম্যাঞ্চল সকলোতে আজি Selfie উঠাৰ প্ৰভাৱ লক্ষণীয়। দিনটোত এখন Selfie Upload কৰি কিমান Like পালো, কিমান Comment আহিল এইবোৰ গণনা কৰি আমি অবাবত কিমান ঘণ্টা সময় প্ৰতিটো দিনত পাৰ কৰি দিও অথচ সময়ৰ প্ৰতিটো ঘণ্টা, প্ৰতিটো মিনিট এটি সুন্দৰ জীৱন গঢ়াৰ বাবে কিমান মূল্যৱান সেয়া আমাৰ সকলোৰে জ্ঞাত। তেন্তে আমিবোৰে কিয় এনেবোৰ কিছুমান ভিত্তিহীন কাৰ্য্যত নিজৰ বহুমূলীয়া সময় নষ্ট কৰিব লাগিছোঁ?

সৰুতে একাষাৰ কথা শুনিছিলো "সকলো বস্তুৰে হেনো বেছিটো ক্ষতি কাৰক"- কথাষাৰৰ তাৎপৰ্য্য বুজিব পাৰিলে আমি নিশ্চয় আমাৰ সমস্যাবোৰ আঙুলিয়াই ল'ব পাৰিম।

সৌ তাহানিৰ বীৰ লাচিত, শ্বহীদ কনকলতা; কুশল কোঁৱৰ, বীৰ চিলাৰায় আদিৰ দৰে মহানবীৰ সকলৰ ত্যাগৰ বলিদানবোৰ আমিবোৰে পাহৰিলোহি নেকি? যাৰ বাবে আমি আজি স্বাধীনভাৱে চলিব পাৰিছোঁ, দুচকুত স্বপ্নৰ স্বাধীন শস্য ৰোপন কৰিবলৈ সক্ষম হৈছোঁ। সেই মহান ব্যক্তি সকলৰ মহৎ বাক্য-বাণী, তেওঁলোকৰ আদৰ্শ ৰক্ষা কৰিব পাৰিছোনে.... তেওঁলোকৰ সপোনৰ আমি এই নৱ-প্ৰজন্মই, তেওঁলোকৰ দৰে উপলব্ধি কৰি আমাৰ অসমীয়া জাতিটোক অসমী আইৰ বুকুত জাতিষ্কাৰ কৰি তুলিবলৈ আগবাঢ়িছোনে? নে পাশ্চাত্যৰ প্ৰভাৱে আমাক বিচাৰ বিবেচনাহীন কৰি একো একোটা যন্ত্ৰত পৰিণত কৰিছে?

মই আকৌ উল্লেখ কৰিছো যে Facebook আৰু WhatsApp আদিৰ দৰে Social Networking Site সমূহৰ বিভিন্ন প্ৰশংসনীয় দিশ আছে আৰু ইয়াৰ প্ৰয়োজনীতাও নথকা নহয়, মাথো ইয়াক আমি সঠিক ভাৱে ব্যৱহাৰ কৰিব পাৰিছোনে, সেইটোহে আমি বিশ্লেষণ কৰা উচিত। ■

# প্ৰেম আৰু কিছু কথা

■ সুনীল বেজবৰুৱা
*স্নাতকোত্তৰ প্ৰথম ষাণ্মাসিক, অসমীয়া বিভাগ*

প্ৰেম হৈছে দুটি বৰ্ণৰে গঠিত এক মধুৰ শব্দ, য'ত অহৰহ সাঙোৰ খাই থাকে নিজৰাৰ কুলু কুলু সুৰ, শৰতৰ শুভ্ৰ শেৱালিৰ মনোমোহা সুবাস, নিলাজ ফাগুণৰ মলয়া বতাহ আৰু কুলি কেতেকীৰ মৌ পৰশা কুউ কুউ মাত। প্ৰেম হৈছে ঈশ্বৰৰ সৰ্বশ্ৰেষ্ঠ মহত্তম দান।

বাস্তৱিকতে প্ৰত্যেক মানুহৰে জীৱনৰ এছোৱা পৰত হৃদয়ৰ নিজান কোঠাত প্ৰেম জাগ্ৰত হয়। ই হ'ল মানুহৰ মনৰ মাজত আপোনা আপুনি জাগ্ৰত হোৱা মানৱীয় সম্পৰ্কৰ এক এৰাব নোৱাৰা নিৰ্ভেজাল আস্থা। বাস্তৱ জীৱনৰ ঘাত-প্ৰতিঘাতবোৰ বিনিময় কৰি সুখে- দুখে জীয়াই থকাৰ এটা সমীকৰণ। দুচকুত ভাষাৰ বিনিময়ত জিলিকি উঠে একুৰি সতেজ ফুলৰ পাপৰি। আশাবোৰ পখিলা হৈ নীল আকাশ চুৰৈগৈ।

দৰাচলতে প্ৰেম কি তাক ভাষাৰে হুবহু বুজাব নোৱাৰি। মাথোঁ অনুভৱ কৰিব পাৰি হৃদয়ৰ অনুভূতিৰে। ই তেনেই ব্যাখ্যাহীন, চৰ্তহীন, সংজ্ঞাহীন অথচ সৰ্বজনবিদিত এক স্বৰ্গীয় সুখ, হৃদয়ৰ উমাল অনুভূতি। যদিও প্ৰেম সংজ্ঞাহীন তথাপি বিভিন্নজনে ইয়াৰ সংজ্ঞা দাঙি ধৰা দেখা যায়। তেনে দুটামান সংজ্ঞা হ'ল-

ছক্ৰেটিছে কৈছিল- "প্ৰেম মানৱতাৰ স্বৰ্গীয় সৌন্দৰ্য্যৰ প্ৰতি-জাগ্ৰত হোৱা এবিধ ক্ষুধা।"

হেলেন কিলাৰে কৈছিল- "প্ৰেম হৃদয়ৰ এক বুজা বুজি। প্ৰেমৰ আকৰ্ষণ সকলোতকৈ তীব্ৰ।"

কবি হীৰেন ভট্টাচাৰ্য্যই কৈছিল- "প্ৰেম নিশ্চয় এনেকুৱাই আৱৰণ খুলি হৃদয় জীপাল কৰি অনুৰাগৰ অংকুৰণ ঘটায়। গভীৰৰ গভীৰতালৈ মৰমৰ সেতু বান্ধে।'

ড° মামণি ৰয়ছম গোস্বামীৰ মতে- "প্ৰেমৰ কোনো সংজ্ঞা নাই। এয়া মানুহৰ মনৰ নিভৃততম্ কোণৰ ভিতৰত অনুভৱ হোৱা এক ধৰণৰ শক্তি।

'প্ৰেমৰ লক্ষ্য মোৰ বাবে কেৱল বিষাদেই নহয়........, ই এক অসীম সাগৰতহে বিলীন হয়। প্ৰেমেৰে উপচি থকা এই হৃদয়ৰ কোনো পাৰাপাৰ নাই।'

কিন্তু, প্ৰেম নামৰ শব্দটো জানো ইমানতেই আৱদ্ধ?

মোৰ সুখ অনুভৱেৰে ক'ব বিচাৰিছোঁ প্ৰেম মানে দুটি মনৰ মিলন, প্ৰেম মানে বিশ্বাস। এই বিশ্বাসেই কঢ়িয়াই আন প্ৰেমৰ পবিত্ৰতা। প্ৰেম নামৰ এটা স্বৰ্গীয় অনুভূতিয়ে মানৱ সমাজখনক এটি বান্ধোনেৰে বান্ধি ৰাখিছে। মনুষ্য জীৱনত প্ৰেম দীৰ্ঘদিনীয়াও হ'ব পাৰে আৰু খন্তেকীয়াও হ'ব পাৰে। প্ৰকৃত প্ৰেমত লাগে মাথোঁ দুখন পবিত্ৰ হৃদয়। য'ত থাকিব লাগে এজনৰ আনজনৰ প্ৰতি সঁচা ভালপোৱা, আবেগ অনুভূতি, শ্ৰদ্ধা, ত্যাগ আৰু বিশ্বাস। প্ৰকৃত প্ৰেমত যিটো আমেজ সেইটো মানুহে পাহৰিব খুজিলেও পাহৰা নাযায়। সঁচা সুখ, সঁচা প্ৰেম লুকাই থাকে কাৰোবাৰ সঁচা হৃদয়ৰ অন্তৰালতহে। প্ৰেমত যিমানে দুখপোৱা নাযাওক কিয় সেই সময়তে পলকতে মনলৈ শান্তি আনে। আচলতে যি প্ৰেমত বাধা নিষেধ, সেই প্ৰেমত কোনো তৃপ্তি নাই। বিৰহৰ অন্তত হোৱা মিলন জুইয়ে পোৰা সোণতকৈয়ো উজ্বল।

প্ৰেমত যে অকল সুখে সুখ এনে নহয়- বিচ্ছেদো আছে। প্ৰেমিক প্ৰেমিকাৰ মাজত হোৱা বিচ্ছেদ বৰ যন্ত্ৰনাদায়ক- অসহনীয়। বিচ্ছেদৰ সন্মুখীন হোৱা প্ৰেমিক প্ৰেমিকাইহে বুজিব পাৰে প্ৰেমৰ কি জ্বালা। হেৰাই যায় প্ৰেমৰ প্ৰতি আস্থা।

"কেতিয়াবা তুমি দিয়া জীয়াই
থকাৰ হেঁপাহ আৰু কেতিয়াবা
হেৰুৱাৰ বেদনা.......
তুমি ইমান দূৰলৈ আঁতৰি নাযাবা
মাথোঁ এবাৰ মোক
চুবলৈ দিয়া
মাথোঁ এবাৰ।"

প্ৰেমৰ বাবেই সৃষ্টি হৈছে বহু হৃদস্পৰ্শী কবিতাৰ। সেয়ে হয়তো শুনা যায়- 'যাৰ হৃদয়ত

প্ৰেম নাই তাৰ কলমত কবিতাৰ ভাষা নাই।" লক্ষ্মীনাথ বেজবৰুৱাইয়ো প্ৰেমৰ কবিতাৰ পৰা সাৰি যোৱা নাই-

"প্ৰেমত ঘূৰিছে ভূমণ্ডল
প্ৰেমত ফুলছে শতদল।"

প্ৰেমৰ হাতত স্বয়ং ভগৱান কৃষ্ণ তথা শিৱও হাৰ মানিছিল। যি ফালে প্ৰেম সেই ফালেই প্ৰেমৰ জয় সুনিশ্চিত। আচলতে পৃথিৱীৰ সকলোকে জয় কৰিব পৰা অস্ত্ৰ পাটেই হৈছে প্ৰেম। এজন অসৎ মানুহকো প্ৰেমৰ জৰিয়তে সৎ পথলৈ ঘূৰাই আনিব পাৰি। গতিকে হয়তো প্ৰেমক বেয়া দৃষ্টিৰে চোৱা উচিত নহয়।

সময় পৰিৱৰ্তনশীল। সময়ৰ পৰিৱৰ্তনেই হওক বা আন কোনো কাৰণতেই হওক প্ৰেম আজিকালি বিশ্বাসৰ চাবি-কাঠি হৈ থকা নাই। বৰ্তমানৰ প্ৰেমত 'ভাইৰাছ' লাগিছে। কিছুমান মানুহৰ জঘন্য মানসিকতাৰ কবলত পৰি প্ৰেম নামৰ পবিত্ৰ শব্দটো হৈ পৰিছে ভগাই খোৱা বজাৰৰ মিঠাই। যাৰ ফলত প্ৰকৃত প্ৰেম বিচাৰি পোৱা কঠিন হৈ পৰিছে। কিছু সংখ্যক লোক আৰু এখাপ চৰা প্ৰেমক কেৱল গ্লেমাৰ অৰ্জাৰ মাধ্যম ৰূপেহে ব্যৱহাৰ কৰিছে। প্ৰতিযোগিতা চলিছে, কোনে কিমান প্ৰেমিকা সলনি কৰিব পাৰে- তাৰে প্ৰতিযোগিতা। বহুতে বহুতক অনায়াসে কৈ দিব পাৰে। 'মোক তুমি পাহৰি যোৱা আৰু বহু কিবা কিবি......। নকৈয়ো নোৱাৰো ফটা মুখ কিছুমানৰ মুখত এটা আৰু উৎকৃষ্ট মানৱ শব্দ 'টাইম পাছ।'

এচাম তথাকথিত যুৱক-যুৱতীয়ে প্ৰেমক কাপোৰ ৰূপে ব্যৱহাৰ কৰিছে। প্ৰয়োজন সাপেক্ষে খুলিম আৰু মন গ'লে পিন্ধিব। প্ৰেমৰ পবিত্ৰতাৰ পৰা পংকিলতাৰ শাৰীলৈ অৱনমিত হোৱাৰ বাবে জগৰীয়া কোন? আধুনিকতাৰ প্ৰভাৱ নে আমাৰ মাজৰ যুৱক- যুৱতীসকল? এনে বহু ক্ষেত্ৰত যুৱ সমাজ অধিক সতৰ্কতা অৱলম্বনৰ প্ৰয়োজন আহি পৰিছে। প্ৰেম কোনোদিনে হোটেলৰ বন্ধ কোঠাত নাইবা কোনো পাৰ্কত আবদ্ধ নহয়। প্ৰেম সদায় প্ৰেমেই। কেতিয়াও কোনেও কোনো পৰিস্থিতিত ইয়াক সলনি কৰিব নোৱাৰে। প্ৰকৃত প্ৰেম আগেয়ো আছিল, এতিয়াও আছে আৰু ভৱিষ্যতেও থাকিব। ■

## চাওতালসকলৰ লোকগীতত খাদ্যাভ্যাস

আইসো কুটুম, বৗইসো কুটুম
হামাৰিত আঙ্গানো জো
ঔগুতো বৗসলাম ৰাইয়া হো ফালনা ৰাইয়া
তৗহি পাছু বৗইসলাম দেশে কুটুম
আনো সে গে বৗইনি একা লোটা পত্ৰী জো
আনো সে গে বৗইনি একা ছিলুম তামাখুৰ
হুকা তামাখুৰ বোড়োৰে বেওহাৰ।

**যাৰ অসমীয়া অৰ্থ ঃ**

আহাচোন আলহী, বহা
আমাৰ আগচোতালতেই বহা
প্ৰথমে বহালোঁ মাঝিক, অমুক মাঝিক
তাৰ পাছত বহালোঁ দেশ-কুটুমক
আনাচোন ভনী এক ঘটী পানী
আনাচোন ভনী আমাৰ এক চিলিম তামাখু
হোঁকা তামাখু বৰ ব্যৱহাৰ

# ছাত্ৰ ৰাজনীতি

■ কপিল দেৱ তালুকদাৰ
*স্নাতক তৃতীয় বৰ্ষ বি.পি.ই বিভাগ*

আজিৰ ছাত্ৰ কাইলৈ দেশৰ ভৱিষ্যত। দেশৰ ছাত্ৰ সমাজ যিমানে সব্যসাচী হয় দেশৰ ভৱিষ্যত সিমানেই উজ্বল হয়। ছাত্ৰ জীৱনত পোৱা জ্ঞান আৰু তিতা-মিঠা অভিজ্ঞতাই পিছলৈ জীৱন পথত ইন্ধন হিচাপে কাম কৰে সেয়েই ছাত্ৰ সময়ত অহা প্ৰত্যেক পৰিস্থিতিকেই ধনাত্মক ভাৱধাৰণাৰেই আঁদৰি ল'ব লাগে। ৰাজনীতিও ছাত্ৰ সময়ত অহা এনেকুৱা এক পৰিস্থিতি।

ৰজাৰ দ্বাৰা প্ৰজাৰ হকে চলোৱা নীতিক সহজ ভাষাত ৰাজনীতি বুলি ক'ব পাৰি কিন্তু আজিৰ সময়ত দুই এজন ব্যক্তিয়ে এনেদৰে ক'বলৈ বাধ্য হৈছে যে ৰজাৰ দ্বাৰা প্ৰজাৰ দমনৰ হকে চলোৱা নীতিক ৰাজনীতি বোলা হয়। যি কি নহওক ৰাজনীতিত ছাত্ৰ সমাজ জড়িত হোৱাতো অতিকৈ আৱশ্যক। দেশৰ বাস্তৱিক ৰূপ জনাটো প্ৰতিজন ছাত্ৰৰ বাবে অতি গুৰুত্বপূৰ্ণ, যেতিয়া ৰাজনীতিৰ লগত জড়িত হোৱা যায় তেতিয়াহে ভালদৰে দেশৰ ইতিহাস বা দেশৰ বৰ্তমানৰ গতিবিধি আৰু ভৱিষ্যত সম্ভাৱনাৰ বিষয়ে তুলনামূলকভাৱে বেছি জানিব পাৰি।



আমি সকলো জানো ভাৰতৰ প্ৰাক্ স্বাধীনতা আন্দোলনৰ সময়ত ছাত্ৰ সমাজে ভাৰতৰ ৰাষ্ট্ৰীয় নেতৃত্বৰ কান্ধত কান্ধ থৈ আগবাঢ়িছিল। ১৯৪২ চনৰ আন্দোলনত ভাৰতৰ ৰাষ্ট্ৰীয় নেতৃত্বৰ অধিকাংশই যেতিয়া জেলত বন্দী আছিল সেই সময়ত ভাৰতবৰ্ষৰ সমূহ মহাবিদ্যালয়তেই ছাত্ৰসকলে তীব্ৰ প্ৰতিবাদৰ সৃষ্টি কৰিছিল। পাটনা, বোম্বাই, বি. এইচ. ইউ, দিল্লী আৰু এলাহবাদ আদি মহাবিদ্যালয়ৰ ছাত্ৰই সেই সময়ৰ স্বাধীনতা আন্দোলনৰ মূল নেতৃত্ব লৈছিল যাক মহাত্মা গান্ধীও স্পষ্টভাৱে স্বীকাৰ কৰি থৈ গৈছে। অৰ্থাৎ ক'ব পাৰি যে ভাৰতৰ স্বাধীনতা আন্দোলনৰ ক্ষেত্ৰত ছাত্ৰ সমাজৰ ভূমিকা অপৰিসীম আছিল। এনেকুৱা ছাত্ৰ সমাজৰ সোণালী অধ্যায়ত অসম আন্দোলন, বিহাৰৰ ছাত্ৰ আন্দোলন, গুজৰাটৰ মেচ আন্দোলন ইত্যাদিক সামৰি ল'ব পাৰি।

যিবোৰ ব্যক্তিয়ে ৰাজনীতিত ছাত্ৰ সমাজক জড়িত হোৱাটো নিবিচাৰে তেওঁলোকে বিভিন্ন ধৰণে যুক্তি আগবঢ়ায়। ৰাজনীতি এখন লেতেৰা খেল, ইয়াৰ পৰা দল আৰু পাৰ্টিৰ সৃষ্টি হয়, যাৰ ফলত শত্ৰুতা আৰম্ভ হয়। কথাটো নুই কৰিব নোৱাৰি সঁচা, কিন্তু সংবিধানিকভাৱে ৰাজনীতি হ'ল আমাৰ ভৱিষ্যত নিৰূপক পথ আৰু যদি ভৱিষ্যৎ নিৰূপণ পথেই লেতেৰা হয় তেতিয়া আমাৰ ভৱিষ্যত প্ৰত্যক্ষভাৱে নহ'লেও পৰোক্ষভাৱে লেতেৰা হ'বই। সেয়েহে পথটো চাফা কৰি আমাৰ ভৱিষ্যত সুন্দৰ কৰা, অনুজ সকলক ৰাজনীতিৰ প্ৰতি নৱ ধাৰণা দিয়া আৰু নৱ ভাৰত নিৰ্মাণ দায়িত্ব আমি মূৰ-পাতি লোৱা

উচিত। এই দেশৰ নাগৰিক হিচাপে আমাৰ কৰ্তব্য আছে যে এই দেশৰ ৰাজনীতিত বাঢ়ি অহা অপৰাধসমূহ নিৰ্মূল কৰাৰ লগতে ৰাষ্ট্ৰখন সৰ্বোত্তম বুলি বিবেচনা কৰা। মহাবিদ্যালয়ত ৰাজনীতিৰ প্ৰৱেশৰ অৰ্থ হ'ল যে ছাত্ৰই লোকতন্ত্ৰৰ মূল অৰ্থ বুজি লোৱাটো আৰু প্ৰয়োজন হ'লে ৰাষ্ট্ৰৰ হিতৰ হকে ৰাজনীতিত যোগ দিয়া। ছাত্ৰ সময়ত এনেকুৱা ৰাজনীতিৰ গতি বিধিৰ পৰা দূৰত থাকিব লাগে যাৰ দ্বাৰা শিক্ষাত ব্যাঘাত নজন্মে। আজিৰ চতুৰ ৰাজনীতিবিদসকলে নিজৰ স্বাৰ্থৰ বাবে ছাত্ৰ সমাজক মোহৰ বনাই বিপথে পৰিচালনা কৰাৰ লগতে ছাত্ৰ জীৱনৰ অমূল্য সময় নষ্ট কৰে। ইয়াৰ পৰা দূৰত অৱস্থান কৰি সামূহিক ছাত্ৰ সমাজৰ লাভ হোৱা কামতহে আত্মনিয়োগ কৰিব লাগে। চাণক্যই কৈছিল-

অপাত্ৰঃ পাত্ৰতাং যাতি যত্ৰ পাত্ৰো ন বিদ্যতে।
নিৰস্তপাদপে দেশে এৰণ্ডোহপি দ্ৰুমায়তে।।

তেনেদৰে য'ত শুদ্ধ ৰাজনীতিৰ অভাৱ তাত অশুদ্ধ ৰাজনীতিকেই শুদ্ধ ৰাজনীতি বুলি বিবেচনা কৰা হয় যিটো আমি লক্ষ্য কৰি আহি আছো। সেয়েহে আমি নৱ নাগৰিক হিচাপে সমাজৰ পৰা এই ৰাজনীতিৰ প্ৰতি থকা ভুল ধাৰণা তথা ঘৃণাসমূহ আতৰ কৰিব লাগিব আৰু ৰাজনীতিৰ লগতে ছাত্ৰ ৰাজনীতিৰ প্ৰয়োজনীয়তা সমূহ সকলোৰে আগত উপস্থাপন কৰিব লাগিব। ছাত্ৰ ৰাজনীতি থাকিলেহে চৰকাৰী একনায়কত্ববাদ চলিব নোৱাৰিব যি একনায়কত্ববাদ দেশৰ বাবে ভয়ংকৰ।

শেষত ক'ব পাৰি যে, ছাত্ৰ সমাজ ৰাজনীতিত জড়িত নহ'লে দেশৰ ৰাজনীতি বঁঠা নোহোৱা নাওৰ দৰে হ'ব। ছাত্ৰ সমাজ ৰাজনীতিত জড়িত হ'লেহে এখন সুস্থ সমাজ পোৱাৰ লগতে আমিও তুলনামূলকভাৱে এটি ভাল ভৱিষ্যতৰ গৰাকী হ'ম। সেয়েহে দেশৰ ছাত্ৰ সমাজ ধনাত্মক ৰাজনীতিৰ লগত জড়িত হোৱাতো অতি প্ৰয়োজনীয়। ■

**নলবাৰী জিলাত প্ৰচলিত সাঁথৰ ঃ**

* আফ্লালি নাভাঙে টিপ্‌লি ভাঙে। (ভাত)
* তিন কোইনাৰ মাজত খাল, ঘাৰোত ধোৰি মাইৰ্‌বা ভাল। (জাকৈ)
* তিপ্ তিপ্ চৰে টিপা মাল্‌লি মৰে, বাছি ধুই উইলালি আক পৰে। (তুলা)
* দুই ভাই আছিল গাছোৰ ডালোত, আক ভাই আছিল পানীৰ তলোত, তিনো ভাই লগ লাগিল মৰাণ কালোত। (তামোল-পাণ-চূণ)
* সোৰু সোৰু চৰে লুআৰ গুৱা খাই, বৰ বৰ ভীমে হেতি যুদ্ধো কৰ্‌বা যায়। (কুঠাৰ)

# জুবিনৰ গানৰ আঁৰৰ সাধুকথাবোৰ

■ ধ্ৰুৱজ্যোতি বৰ্মন
*স্নাতক ষষ্ঠ যাণ্মাসিক, পদাৰ্থ বিজ্ঞান বিভাগ*

বহু সুৰ, বহু কথা, বহু গান.... জুবিন নিজেই এটি গান। সেই আমাৰ শুনি ভাল লগা গানবোৰৰ আঁৰৰ কিছু কথা ক'ব খুজিছো আজি-

(১)

জুবিন তেতিয়া নৱম নে দশম শ্ৰেণীৰ ছাত্ৰ। জুবিনহঁতৰ ঘৰলৈ মাজে মাজে উৎপল শৰ্মা আহে। জুবিনৰ ককায়েক। তেওঁ আহি জুবিনক নতুনকৈ কৰা গানৰ সুৰবোৰ শুনায়। এদিন জুবিনৰ নিজৰো মন গ'ল সুৰ কৰিবলৈ। কথা মতেই কাম, বজাৰলৈ গ'ল আৰু হীৰুদাৰ 'তোমাৰ গান' নামৰ কিতাপখন কিনি আনিলে আৰু এটা গান সুৰ কৰি পেলালে। কোনটো গান??? 'গানে কি আনে সুৰৰ সোপানে সোপানে'। এই গানটোকে আকৌ ইংৰাজীলৈ অনুবাদ কৰি গুৱাহাটী বিশ্ববিদ্যালয়ৰ যুৱ মহোৎসৱত পাশ্চাত্য সংগীতৰ শিতানত সোণৰ পদকো লাভ কৰিছিল।



(২)

গানে ভালকৈ ধৰিলে জুবিনক। এইবাৰ মুম্বাইলৈ গ'ল। তাত অশেষ কষ্ট স্বীকাৰ কৰি এটা এলবাম কৰিলে বলীউডৰ সেই সময়ৰ বিখ্যাত গায়ক-গায়িকা কেইজনমানক লৈ। নাম দিলে 'অনুৰাধা'। কিন্তু নিজে এটা গানো নাগালে। কিয়?? কাৰণ তেওঁৰ হেনো আত্মবিশ্বাসৰ অভাৱ হৈছিল গান গাবৰ কাৰণে।

(৩)

জুবিনৰ দেউতাক কপিল বৰঠাকুৰ আছিল এজন সুগীতিকাৰ। 'মায়া' এলবামটিৰ এটি অতি মনপৰশা গীত 'জোনাক গলা জাৰৰ নিশা...'ৰ গীতিকাৰ আছিল তেওঁ। এদিন কথা প্ৰসংগত দেউতাকে জুবিনক ক'লে যে ''ল'ৰাকালৰ বিষয়ে এটা গান লিখিলে কেনে হয়, যেনে- অ' সময় ল'ৰালি ঘূৰাই দে মোক?'' জুবিনে তেতিয়া একো নক'লে কিন্তু কথাটো তেওঁৰ মনত থাকিল। কিছু দিন পিছত মুক্তি লাভ কৰিলে- ''পাখি পাখি এই মন....'। এই গানটো অসমীয়াৰ বাবে যেন এটি গান নহয়, এক অনুভৱ, এক নষ্টালজিয়াহে।

(৪)

'কন্যাদান' ছবিৰ সংগীতৰ কাম চলি আছে। মুম্বাইৰ ঘৰত জুবিন আৰু মানস ৰবীনে সেই কাম কৰি আছে। জুবিনে ভাত বনাই আছিল। ভাত বনাই থাকোতে লাহে লাহে সুৰ কৰি গৈছিল আৰু সেই সুৰত ৰজিতা খুৱাই মানস ৰবীনে তাত কথা ভৰাই আছিল। এনেকৈয়ে সৃষ্টি হ'ল- ''তাই ভাত ৰান্ধিব জানেনে, তাই ঊল গুঠিব জানেনে'' গানটিৰ।

(৫)

জুবিনক ভাল নোপোৱা মানুহ হয়তো খুব কম ওলাব। ডেকাচামৰ কথাটো ক'বই নালাগে। গতিকে জুবিনে অসমৰ প্ৰায়বোৰ কলেজৰ হোষ্টেলত ৰাতি কটাব লগা হয়। তেতিয়া তেওঁ লক্ষ্য কৰিছিল যে ল'ৰাবোৰে ৰাতিলৈ সুৰামগ্ন হৈ পিছদিনা দুপৰীয়ালৈ শুই থাকে। পুৱাৰ প্ৰথম ৰ'দজাক কোনেও নাচায়। ইয়াকে লৈ তেওঁ লিখি উলিয়ালে 'ৰদ! ৰ'দ আজি কেনি পাওঁ......।"

(৬)

এবাৰ আকৌ জুবিনে "The Motorcycle Diaries" চিনেমাখন চাই আছিল। তেতিয়াই তেওঁৰ বন্ধু এজন আহিল আৰু জুবিনৰ আগত অসমৰ তেতিয়াৰ অৱস্থাটোৰ কথা কৈ দুখ প্ৰকাশ কৰিলে। সোণৰ অসমখনি যেন এতিয়া সম্পূৰ্ণৰূপে ধ্বংসৰ কৰাল গ্ৰাসত। ইয়াকে ভিত্তি কৰি জুবিনে লিখি উলিয়ালে সেই কালজয়ী গীত- 'সোণেৰে সজোৱা পঁজা ... জহি খহি যায়...।"

(৭)

বহুতৰ জনাৰ ইচ্ছা। জুবিনে পত্নী গৰিমাক লৈ গান লিখিছেনে নাই? হয়, লিখিছে। প্ৰেমিক জুবিনে লিখিছে নিজৰ প্ৰেমিকা-পত্নীক লৈ 'জ্বলি উঠা জুই হৈ জ্বলোৱা মোৰ কামনা।' সময় দিব নোৱাৰাৰ বাবে মাজতে সম্পৰ্কত ফাট মেলাৰ সময়ত বিষণ্ণ জুবিনে লিখিছে "ৰৈ ৰৈ বিনালে নিশায়ে বিনালে।" আকৌ সন্মুখত বহুৱাই লৈ লিখিছে- 'তুমি চোৱা যেতিয়া দুচকু তুলি....।"

(৮)

জুবিন গাৰ্গ বুলি ক'লৈই অসমৰ আন এজন স্বনামধন্য ব্যক্তিৰ নাম মনলৈ আহে, তেওঁ হ'ল মুনীন বৰুৱা। মুনীন বৰুৱাদেৱৰ আশীৰ্বাদ সদায় জুবিনৰ লগত থকা বাবেই তেওঁ আজি সকলো অসমীয়াৰ হিয়াৰ আমঠু। কিন্তু জুবিনৰ সময়জ্ঞান খুব কম আছিল। কালি দিম বুলি এমাহলৈ চিনেমাৰ গানৰ লগতে জুবিনৰো দেখা-সাক্ষাত নহয়। গতিকে এই কাৰণটোক লৈ বহুবাৰ জুবিনৰ পৰিচালক সকলৰ লগত মতানৈক্যৰ সৃষ্টিও নোহোৱা নহয়। এবাৰ 'দাগ'ৰ নিৰ্মাণৰ সময়ত মুনীন বৰুৱাদেৱৰ ল'ৰা মানসৰ লগত লাগিল কাজিয়া। কিছুদিন পিছত জুবিনে খঙতে আহি মানসৰ গাত দলিয়াই দিলে এটি গান। গানটো?? 'মায়াৱিনী ৰাতিৰ বুকুত....।"

(৯)

মুনীন বৰুৱাদেৱে 'দীনবন্ধু'ৰ কাম হাতত লৈছে। তেওঁ ভাবি আছিল যেন কাহিনীটোৰ লগত খাপ-খোৱাকৈ ইয়াৰ সংগীতৰ দায়িত্ব কোনোবা প্ৰবীণ সংগীত পৰিচালকক দিব। হঠাৎ জুবিন আহি ওলাল আৰু ক'লে- 'মিউজিক মই কৰিম।' সৃষ্টি হ'ল 'ক'ৰ এজাক সপোন যেন বৰষুণ...ৰ'। ড° ভবেন্দ্ৰ নাথ শইকীয়া ছাৰৰ প্ৰতি শ্ৰদ্ধা জনাই এটকাও পাৰিশ্ৰমিক নল'লে জুবিনে।

(১০)

বৰ্তমান সময়ৰ জনপ্ৰিয় কণ্ঠশিল্পী অংগৰাগ পাপন মহন্তয়ো জীৱনৰ প্ৰথমটো অসমীয়া গীত গাইছিল জুবিনৰ সৈতে 'স্নিগ্ধ জোনাক' এলবামটিত। গীতটি আছিল 'নুচুবা হাতেৰে....'। আকৌ এই এলবামটিতেই থকা 'মোৰ ইয়াতো ৰাতি হয়, মোৰ ইয়াতো বাকী ৰয় জ্বলাবলে পুৱাৰে পোহৰৰ চাকি...' গানটি হ'ল জুবিনে কণ্ঠদান কৰা দিগন্ত ভাৰতীৰ প্ৰথমটি গীত।

(১১)

বলীউডত 'জুবিন' নামটিক চিনি পাই 'য়া আলী' গীতটিৰ বাবে। ইয়াৰো আছে এটি ধুনীয়া কাহিনী। এই গানটি কেইবাজনো গায়কৰ দ্বাৰা গোৱা হৈছিল। কৈলাশ খেৰেও গাইছে। কিন্তু সংগীত পৰিচালক প্ৰীতমৰ কাৰো কণ্ঠতেই গানটো ভাল লগা নাই। শেষত একো উপায় নেদেখি নিজেই গাই চালে। তথাপি তেওঁ সুখী নহ'ল তেওঁ শেষবাৰৰ বাবে গৌতম চক্ৰৱৰ্ত্তীক সুধিলে যে "তুমি জনাত কোনোবা বেলেগ গায়ক আছে নেকি গীতটি মোতকৈও ভালকৈ গাব পৰা।' গৌতমদাৰ হঠাৎ মনত পৰিল জুবিনলৈ। ভাগ্যক্ৰমে জুবিন মুম্বাইতেই আছিল। পিছদিনা আহিল জুবিন আৰু গানটি শুনি ক'লে- 'এইটো মোৰ গান'। তাৰ পিছত জুবিন ভাৰতীয় সংগীত জগতৰ এটি জনপ্ৰিয় নাম।

এইয়াই জুবিন, গানৰ জুবিন।

শেষত জুবিনৰেই এটি কবিতাৰ দুটি শাৰীৰে লেখাটিৰ মোখনি মাৰিব খুজিছোঁ-

"শেষ বুলিলেইতো শেষ নহয়
আকৌ আৰম্ভ হয়
শেষ নহয়.......।"■

# য়েচুদাসঃ হিন্দী চলচিত্ৰ সংগীতৰ এজন বিস্মৃত যাদুকৰ

■ পাপৰি দেৱী
*স্নাতক তৃতীয় ষাণ্মাসিক, ইংৰাজী বিভাগ*

১৯৪০ চনৰ ১০ জানুৱাৰী। চৌদিশে নৱবৰ্ষক আদৰাৰ উৎসৱ। ঠিক সেইদিনাই বৰ্তমানৰ কেৰালা ৰাজ্য তথা সেই সময়ৰ কোচিন ৰাজ্যৰ এখন ব্যস্ততাপূৰ্ণ চহৰ কোচিৰ বাসিন্দা আগষ্টাইন জোচেফ আৰু এলিজাবেথ জোচেফৰ জীৱনলৈ আহিল তেওঁলোকৰ দাম্পত্য জীৱনৰ প্ৰথমটো স্বাক্ষৰ - কট্টাচেচেৰী জোচেফ য়েচুদাস (Kattassery Joseph Yesudas) অৰ্থাৎ কে.জে. য়েচুদাস।

পাঁচগৰাকী ভ্ৰাতৃ-ভগ্নীৰ মাজত জ্যেষ্ঠ য়েচুদাসে সৰুৰেপৰাই পাইছিল এক কলাত্মক পৰিৱেশ। তেওঁৰ পিতৃ আগষ্টাইন জোচেফ আছিল এজন মালায়ালম শাস্ত্ৰীয় সংগীতজ্ঞ আৰু মঞ্চাভিনেতা। পিতৃয়েই আছিল য়েচুদাসৰ সংগীত জীৱনৰ প্ৰথম গৰাকী গুৰু।



শ্ৰীনাৰায়ণ গুৰুৰ মহান বাণী - "সমগ্ৰ মানৱজাতিৰ এটাই ধৰ্ম আৰু এজনেই ভগৱান' ৰ দ্বাৰা শিশু য়েচুদাস যথেষ্ট প্ৰভাৱিত হৈছিল। সৰুৰে পৰাই য়েচুদাসৰ আদৰ্শ আছিল মহম্মদ ৰফী, চেম্বাই বৈদ্যনাথ ভাগৱতৰ আৰু বালামুৰুলীকৃষ্ণৰ দৰে বিখ্যাত সংগীতজ্ঞসকল। তেওঁ নিজৰ জন্মদিনৰ দিনা কোল্লুৰৰ মুকাম্বিকা মন্দিৰত সংগীত আৰু বিদ্যাৰ অধিষ্ঠাত্ৰী দেৱী সৰস্বতীৰ কীৰ্তন গাবলৈ গৈছিল। এতিয়াও তেওঁ সেই পৰম্পৰা অব্যাহত ৰাখিছে। সংগীতৰ আনুষ্ঠানিক শিক্ষা তেওঁ আৰম্ভ কৰে আৰ.এল.ভি মিউজিক একাডেমী, থ্ৰিপ্পুনিথুৰাৰ পৰা। পিছলৈ তেওঁ থিৰুৱনন্তপুৰমৰ 'স্বাতী থিৰুনেল কলেজ অৱ মিউজিক' ত কৰ্ণাটকী সংগীতৰ মহান গায়ক Semmagudi Srinivasa Iyenger ৰ পৰা সংগীত শিক্ষা লয়, যদিও বিত্তীয় অসুবিধাৰ বাবে শিক্ষা সম্পূৰ্ণ কৰিব নোৱাৰে। তেওঁ শ্ৰী ভি. হৰিহৰ সুব্ৰমণিয়ম আয়াৰ আৰু চেম্বাই বৈদ্যনাথ ভাগৱতৰৰ পৰাও সংগীত শিক্ষা লাভ কৰে।

য়েচুদাস ১৯৬১ চনৰ ১৪ নৱেম্বৰ তাৰিখে জীৱনৰ প্ৰথমটো গান ৰেকৰ্ড কৰে। গানটো হ'ল-'জাতি ভেদম মাতা দ্বেষম।' তেওঁৰ প্ৰথমটো জনপ্ৰিয় গীত হ'ল এখন মালায়ালম ছবিৰ বাবে গোৱা 'এটেন্‌ছন পেন্নে এটেন্‌ছন'। ইয়াৰ পিছৰ পৰাই তেওঁ চিনেমাৰ নেপথ্য গায়ক হিচাপে যাত্ৰা আৰম্ভ কৰে আৰু বহুকেইখন তামিল, তেলেগু, কানাড়া ছবিৰ গীতত কণ্ঠদান কৰে। কিন্তু তেওঁ জীৱনৰ প্ৰকৃত সফলতা লাভ কৰে জি. দেৱৰাজনৰ সংগীতেৰে সজোৱা ছবি "ভাৰ্য্য' (Bharya) ৰ বাবে। তাৰ পিছত পি.বেনুৰ 'উদ্যোগস্ত' (Udhyogastha) 'কোনঞ্জুম কুমাৰী' আদিৰ বাবে গোৱা গীত জনপ্ৰিয় হয়।

এটা দশক ধৰি দক্ষিণৰ ছবিত কণ্ঠদান কৰাৰ পিছত ১৯৭১ চনত 'জয় জৱান জয় কিষাণ' নামৰ হিন্দী ছবিখনত তেওঁ প্ৰথমবাৰৰ বাবে গীত গোৱাৰ সুযোগ পায়। কিন্তু দুৰ্ভাগ্যৱশতঃ ছবিখনে মুক্তি লাভ নকৰিলে। তাৰ পিছত তেওঁ সুযোগ পালে ৰাজশ্ৰী প্ৰডাকচনৰ বেনাৰত নিৰ্মিত 'চোতি চি বাত' নামৰ ছবিখনত নেপথ্য কণ্ঠদান কৰাৰ। ছবিখনৰ 'জানেমন জানেমন' গীতটিয়ে যথেষ্ট জনপ্ৰিয়তা অৰ্জন কৰিবলৈ সক্ষম হৈছিল। য়েচুদাসে অমিতাভ বচ্চন, আমোল পালেকাৰ, জিতেন্দ্ৰ আদিকে ধৰি সেই সময়ৰ প্ৰায়বোৰ নায়কৰ হৈ নেপথ্যত কণ্ঠদান কৰিছিল। তেওঁ বিশেষকৈ ৰবীন্দ্ৰ জৈন, বাপ্পি লাহিড়ী, খায়াম ৰাজকমল আৰু সলিল চৌধুৰীৰ সংগীত পৰিচালনাতেই বেছিভাগ চিৰসেউজ গীত গাইছে। ৰবীন্দ্ৰ জৈনৰ সংগীত পৰিচালনাত ১৯৭৬ চনত মুক্তি পোৱা 'চিতচোৰ' ছবিখনৰ গীতবোৰে য়েচুদাসক হিন্দী চলচিত্ৰ জগতত এক সুকীয়া স্থান প্ৰদান কৰে।

য়েচুদাসে যুগ্ম জীৱন আৰম্ভ কৰে প্ৰভাৰ সৈতে। বিনোদ, বিজয়, বিশাল-তেওঁলোকৰ তিনি পুত্ৰ। দ্বিতীয় পুত্ৰ বিজয় য়েচুদাসে পিতৃৰ পথ অনুসৰণ কৰি এজন সংগীতজ্ঞ হিচাপে খ্যাতি লাভ কৰিছে। বিজয়ে ২০০৭ আৰু ২০১৩ চনত 'কেৰালা ষ্টেট ফিল্ম এৱাৰ্ড ফৰ বেষ্ট মেল প্লেবেক ছিংগাৰ' বঁটা লাভ কৰে।

১৯৮০ চনত য়েচুদাসে ত্ৰিবান্দ্ৰমত ''তৰংগিনী ষ্টুডিঅ' নামৰ মিউজিক কোম্পানী এটা স্থাপন কৰে। ১৯৯২ চনত ষ্টুডিঅ''টো চেন্নাইলৈ স্থানান্তৰিত কৰা হয়। এই কোম্পানীটোৱে কেৰালাত পোন প্ৰথমবাৰৰ বাবে মালায়ালম ছবিৰ সংগীতৰ ষ্টিৰিঅ' কেছেট মুকলি কৰে।

য়েচুদাসে বৰ্তমানলৈ প্ৰায় ৭০,০০০ টা গান ৰেকৰ্ড কৰিছে। ১৯৭৫ চনত তেওঁ পদ্মশ্ৰী, ২০০২ চনত পদ্মভূষণ আৰু ২০১৭ চনত পদ্ম বিভূষণ সন্মান লাভ কৰে। তদুপৰি সাতটাকৈ শ্ৰেষ্ঠ নেপথ্য গায়কৰ ৰাষ্ট্ৰীয় পুৰস্কাৰো লাভ কৰিবলৈ সক্ষম হৈছে। কেৰালা চৰকাৰৰ 'আস্তানা গায়কন' অৰ্থাৎ Official Singer সন্মান লাভ কৰা তেওঁ এতিয়ালৈ একমাত্ৰ গায়ক।

য়েচুদাসে কণ্ঠদান কৰা কেইটিমান চিৰসেউজ গীত চিনেমাৰ নামৰ সৈতে তলত উল্লেখ কৰা হ'ল-

জব দীপ জ্বলে আনা, 'গ'ৰী তেৰা গাওঁ বড়া প্যাৰা', 'আজ চে পেহলে আজ চে জ্যাদা', 'তু জো মেৰে সুৰ মে' (চিতচোৰ-১৯৭৬)

'জানেমন জানেমন' (চোতি চি বাত-১৯৭৫)

'কোই গাতা মে চো জাতা' (আলাপ-১৯৭৭)

'মানা হো তুম বেহদ হসীন' (টুটে খিলোনে-১৯৭৮)

'মধুবন খুচবু দেতা হে' (সাজন বিনা সুহাগন-১৯৭৮)

'মোহব্বত বড়ি কাম কি চিজ হ্যে' (ত্ৰিশূল-১৯৭৮)

'চান্দ জেইচে মুখৰে পে' (শাৱন কো আনে দো-১৯৭৯)

'জিদ্ না কৰো' (লহু কে দো ৰংগ-১৯৭৯)

'কঁহা চে আয়ে বদৰা' (চচমে বদ্দুৰ-১৯৮১)

'সুৰময়ী আঁখিয়ো মে' (চদ্মা-১৯৮৩)

এক অপূৰ্ব সুন্দৰ কণ্ঠৰ অধিকাৰী তথা বহুতো ক্লাছিক গানত কণ্ঠদান কৰাৰ পিছতো যেন য়েচুদাসে জীৱনত নিজৰ পাবলগীয়া প্ৰসিদ্ধি লাভ নকৰিলে। মায়া নগৰীত চলি থকা পৰিয়ালকেন্দ্ৰিকতা তথা চুপৰি নীতিৰ বাবেই তেওঁ বহুক্ষেত্ৰতেই বঞ্চিত হ'ব লগা হ'ল। যাৰ বাবে তেওঁ বলীউডত মাত্ৰ পাঁচবছৰ মানহে সক্ৰিয় হৈ থাকিব পাৰিলে। তেওঁ প্ৰচাৰবিমুখ আছিল। কিন্তু নিজৰ কামবোৰ তেওঁ অতি নিষ্ঠাসহকাৰে পালন কৰিছিল। যথাযোগ্য স্বীকৃতি লাভৰ পৰা বঞ্চিত হ'লেও অনুৰাগীৰ মনত কে.জে. য়েচুদাস হিন্দী চলচিত্ৰ সংগীত তথা সমগ্ৰ ভাৰতীয় সংগীতৰে এক অন্যতম শ্ৰেষ্ঠ গায়ক হৈ ৰ'ব চিৰদিন। ■

# আত্মনির্ভৰশীলতাৰ অন্য এক পথ ক্ষুদ্ৰ উদ্যোগ - উপযুক্ত প্ৰযুক্তি

**ভূপালী ৰাজবংশী**
*স্নাতক চতুৰ্থ যাণ্মাসিক, ইংৰাজী বিভাগ*

বিকেন্দ্ৰীকৰণৰ পৃষ্ঠপোষক মহামানৱ মহাত্মা গান্ধীয়ে 'হিন্দুস্বৰাজ' নামৰ গ্ৰন্থখনত ভাৰতবৰ্ষত ক্ষুদ্ৰ উদ্যোগৰ মহত্বৰ কথা উল্লেখ কৰি গৈছে। স্বাধীন ভাৰতৰ ক্ষুদ্ৰ উদ্যোগ কেনে হোৱা উচিত সেই সম্পৰ্কে ১৯৪৫ চনৰ ৫ অক্টোবৰত মহাত্মা গান্ধীয়ে তেওঁৰ ৰাজনৈতিক উত্তৰাধিকাৰী নেহৰুলৈ এখন চিঠিত লিখিছিল 'মই দৃঢ়তাৰে বিশ্বাস কৰো যে যদি ভাৰতবৰ্ষই প্ৰকৃত স্বাধীনতা পাব লাগে তেনেহ'লে মানুহে গাঁৱত বাস কৰিব লাগিব, চহৰত নহয়, কুটীৰত কাম কৰিব লাগিব, অট্টালিকাত নহয়, অট্টালিকা আৰু চহৰ এই দুই ক্ষেত্ৰতেই কেতিয়াও কৌটি কৌটি মানুহ বসবাস কৰিব নোৱাৰে। হিংসা আৰু অসত্যৰ আশ্ৰয় লোৱাৰ বাহিৰে তেওঁলোকৰ অন্য গত্যন্তৰ নাথাকিব। মই যি ক'ব খুজিছো তাৰ মূল কথা হ'ল প্ৰকৃত দৰকাৰী বস্তু যিটো তাতে মানুহে সন্তুষ্ট থকা আৰু স্বাৱলম্বী হ'বলৈ শিকা। মুঠতে সাগৰখন যেনেকৈ পানীৰ কণিকাৰে গঠিত হৈছে, তেনেকৈ এই পৃথিৱীখন ব্যক্তিৰ দ্বাৰা গঠিত হৈছে। মই কোনো নতুন কথা কোৱা নাই। এইটো এটা জনাজাত সত্য।'



এই চিঠিৰ উত্তৰত জৱহৰলাল নেহৰুৱে লিখিছিল 'বৰ্তমান বহুত বেছি বাঢ়ি অহা চহৰবোৰত বেয়া অভ্যাস বাঢ়িছে। আগবাঢ়ি অহা চহৰবোৰক উৎসাহিত কৰা অনুচিত। কিন্তু লগে লগে গাঁৱৰ মানুহক চহৰৰ সাংস্কৃতিক সান্নিধ্যলৈ আনিব লাগে। ব্যক্তিগতভাৱে মই বিশ্বাস কৰো ডাঙৰ সৰু সকলো উদ্যোগ বিকেন্দ্ৰীভূত হ'ব লাগে।' এই চিঠিখন ১৯৪৫ চনৰ ৯ অক্টোবৰত গান্ধীজীলৈ লিখা।

১৯৪৭ চনৰ ১৫ আগষ্টত ভাৰত স্বাধীন হ'ল। স্বাধীন ভাৰতত নেহৰুৱে একেৰাহে ১৮ বছৰ ৰাজত্ব কৰিছিল। ১৯৬১ চনত প্ৰধানমন্ত্ৰী জৱহৰলাল নেহৰুৱে গ্ৰামীন ভাৰতবৰ্ষৰ উন্নতিৰ হকে পৰামৰ্শ আগবঢ়াবলৈ বৃটেইনৰ নেচনেল কোল বোৰ্ডৰ উপদেষ্টা আৰ্ণেষ্ট চুমেকাৰক আমন্ত্ৰণ জনাইছিল। এই সমীক্ষাৰ ফলশ্ৰুতি আছিল চুমেকাৰৰ বিখ্যাত কিতাপ 'স্মল ইজ বিউটিফুল' নামৰ কিতাপখনৰ প্ৰকাশ হোৱাৰ পিছত বিশ্বৰ পৰিকল্পনাকাৰী আৰু অৰ্থনীতিবিদসকলৰ প্ৰায় ধুমুহাৰ গতিৰে চিন্তাৰ উদ্ৰেক হয়। আৰ্ণেষ্ট চুমেকাৰে এই স্মল ইজ বিউটিফুল

কিতাপখনতেই জন্ম দিছিল এক প্ৰযুক্তিবিদ্যাৰ। এই প্ৰযুক্তিত্বৰ নাম তেওঁ নিজেই দিছিল ইনটাৰ মেডিয়েট টেকনল'জী বা মধ্যম ধৰণৰ প্ৰযুক্তি বিদ্যা।

তেওঁ প্ৰধানকৈ ক্ষুদ্ৰ উদ্যোগৰ ওপৰত জোৰ দিছিল, যিবোৰ কৃষি উদ্যোগৰ বহিৰ্ভূত অথচ নগৰমুখী নহয়। অৰ্থাৎ কৃষি বহিৰ্ভূত হ'লেও যিবিলাক উদ্যাগে বহুতো মানুহক কৰ্ম সংস্থাপন দি গাঁৱতে নগৰমুখী জনশ্ৰোতত হেৰাই যোৱাৰ পৰা বিৰত ৰাখিব পাৰে। ভাৰতবৰ্ষ যিহেতু গাঁৱৰ দেশ আৰু শতকৰা ৮০ জন মানুহে গাঁৱত বাস কৰে এনেধৰণৰ ক্ষুদ্ৰ উদ্যোগসমূহৰ দ্বাৰা সহজে কৰ্ম সংস্থাপন দিব পাৰি।

এই ইনটাৰ মেডিয়েট টেকনল'জীৰ পৰিমাৰ্জিত সংস্কৰণ এপ্ৰোপ্ৰিয়েট টেকনল'জী বা উপযুক্ত প্ৰযুক্তিবিদ্যাৰ অৰ্থ এনেধৰণে কৰিব পাৰি- উপযুক্ত প্ৰযুক্তিবিদ্যা এক বিশেষ প্ৰযুক্তি কৌশলৰ সমষ্টি, যাৰ দ্বাৰা কোনো নিৰ্দিষ্ট সামাজিক তথা প্ৰাকৃতিক পৰিৱেশত সহজে পোৱা যায়। তেনে সম্পদসমূহৰ সাৰ্থক ব্যৱহাৰৰ দ্বাৰা সেই সামাজিক পৰিৱেশৰ প্ৰযোজনৰ সৰ্বাধিক অংশ কাৰ্য্যকৰীভাৱে পূৰণ কৰিব পৰা যায়।

ভাৰতবৰ্ষৰ আৰ্থ সামাজিক পৰিস্থিতি পশ্চিমীয়া দেশৰ লগত সামঞ্জস্য নথকাৰ বাবে পশ্চিমীয়া প্ৰযুক্তি ভাৰতীয় পৰিস্থিতিত মুঠেও উপযোগী নহয়। কিন্তু সেই কথা ভবাৰ অৱকাশ বৰ্তমান বিদেশী প্ৰযুক্তিৰ আমদানিৰ নিচাত মত্ত প্ৰযুক্তিবিদ্যা আৰু পৰিকল্পনাবিদসকলৰ নাই। অথচ এইখন ভাৰত মহাত্মা গান্ধীৰ দেশ। মহাত্মা গান্ধীক ইতিমধ্যে বৰ্তমান যুগৰ এজন শ্ৰেষ্ঠ মানৱ বুলিও স্বীকৃতি প্ৰদান কৰা হৈছে। আৰ্ণেষ্ট চুমেকাৰে গান্ধীজীৰ কথাকে দোহাৰি কৈছে, 'Production by the masses not mass production' মানুহৰ দ্বাৰা উৎপাদন অধিক উৎপাদন নহয়।

বৰ্তমান গঠনমূলক অনুষ্ঠানসমূহে কি কৰিব পাৰে—

১। যন্ত্ৰৰ প্ৰয়োজনত মানুহক ব্যৱহাৰ কৰাৰ পৰিৱৰ্তে মানুহৰ প্ৰয়োজনত যন্ত্ৰক ব্যৱহাৰ কৰা।

২। বিত্তৱান সকলে ধনীৰ বাবে বিলাসৰ সামগ্ৰী উৎপাদন নকৰি বৃহত্তৰ জনসমষ্টিৰ বাবে দৈনন্দিন জীৱনৰ প্ৰয়োজনীয় সামগ্ৰী উৎপাদন কৰা।

৩। সম্পদ আৰু উৎপাদনৰ ব্যৱহাৰৰ ক্ষেত্ৰত প্ৰধানকৈ স্থানীয় উৎপাদন আৰু মানুহৰ দক্ষতাৰ ওপৰত নিৰ্ভৰশীল হোৱা।

৪। স্থানীয় সামাজিক, সাংস্কৃতিক আৰু প্ৰাকৃতিক পৰিৱেশৰ লগত আৰু স্থানীয় শিল্প ব্যৱহাৰৰ লগত সামঞ্জস্য ৰক্ষা কৰি এইবিলাকৰ ভাৰসাম্য বজাই ৰখা।

৫। ক্ষুদ্ৰ আয়তনৰ বিকেন্দ্ৰীভূত এককত উৎপাদন কৰা।

৬। ইন্ধন আৰু বিনিয়োগ কমোৱা আৰু আৰ্থিক কৰ্ম সংস্থাপন কৰাৰ বাবে সচেষ্ট হোৱা।

বৰ্তমানৰ নোবেল বঁটা বিজয়ী অমৰ্ত্য সেনে কৈছে যে বৃহৎ উদ্যোগ সমূহে সদায় পুঁজিবাদীকহে সহায় কৰি আহিছে। নিচেই তলত পৰি থকা মানুহৰ হিত সাধন হোৱা নাই।

অসম খাদী গ্ৰামোদ্যোগ বোৰ্ডৰ উদ্যোগত আৰু অন্যান্য অনুষ্ঠান-প্ৰতিষ্ঠানৰ যোগে মানুহৰ কৰ্ম সংস্থাপনৰ বাবে কিছু কাম কৰা হৈছে যদিও বৃহৎ উদ্যোগ সমূহৰ তুলনাত সি অতি নগণ্য। যিহেতু ভাৰতবৰ্ষ অধিক জনবহুল ঠাই ইয়াত ক্ষুদ্ৰ উদ্যোগ আৰু উপযুক্ত প্ৰযুক্তিৰ দ্বাৰাহে আত্মনিৰ্ভৰশীল হোৱাৰ থল আছে।

গুজৰাটৰ পাপৰ আৰু ধূপ উদ্যোগ, মহাৰাষ্ট্ৰত চামৰা উদ্যোগ, কেৰেলাৰ ৰছী উদ্যোগ, পুণেৰ হাত কাগজ উদ্যোগ, ত্ৰিপুৰাৰ বাঁহ-বেতৰ কাম, শুৱালকুছিৰ হস্তুতাঁত উদ্যোগ আদিয়ে নিশ্চয় বহুতো মানুহক কৰ্ম সংস্থাপন দিবলৈ সমৰ্থ হৈছে।

বৰ্তমান কম খৰছতে কৰিব পৰা উদ্যোগসমূহ হ'ল সৰু কৃষি পাম, গো সেৱা, হস্তুতাঁত উদ্যোগ, বাঁহ-বেতৰ কাম, কমাৰ, কুমাৰ, চূণশিল্প ইত্যাদি যিবোৰ লাহে লাহে মৃতপ্ৰায় অৱস্থালৈ যাব ধৰিছে। চেলুন, ধুবী আদিৰ কামো উদ্যোগ হিচাপে ল'ব পৰা যায়। ■

*বিঃদ্ৰঃ- প্ৰবন্ধটি যুগুতাওতে বিভিন্ন পুথিৰ সহায় লোৱা হৈছে।*

# এক বিশিষ্ট সন্মান -'নোবেল বঁটা'

■ ৰুবুল কলিতা
*স্নাতক চতুৰ্থ ষাণ্মাসিক, প্ৰাণীবিজ্ঞান বিভাগ*

"The merchant of death is dead. Dr. Alfred Nobel, who became rich by finding ways to kill more people faster than ever before, died yesterday." ১৯৮৮ চনত ফ্ৰান্সৰ এখন সংবাদপত্ৰই আলফ্ৰেড বাৰ্নহাৰ্ড নোবেলৰ মৃত্যু-সংবাদ প্ৰকাশ কৰি তেওঁলৈ এনেদৰে শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰিছিল।

দুৰ্ভাগ্যবশতঃ এই সংবাদ কিন্তু সত্য নাছিল; কিয়নো মৃত্যুহোৱা ব্যক্তিজন আলফ্ৰেড নোবেল নাছিল, আছিল লুড্‌ভিগ নোবেল- আলফ্ৰেড, নোবেলৰ ভাতৃ। সংবাদটি মিছা হ'লেও কিন্তু ইয়ে নোবেলৰ জীৱনত এক অন্যভাৱে ক্ৰিয়া কৰিলে। জনগণৰ মনত তেওঁৰ প্ৰতি কেনে এক মনোভাৱ সোমাই আছে সংবাদটিয়ে তেওঁক সেই কথা পৰোক্ষভাৱে হ'লেও জনালে। নিজৰ বহুদিনীয়া চিন্তা-চৰ্চাৰ ফল "ডিনামাইট"ৰ উদ্ভাৱনে মানুহৰ মাজত তেওঁক সন্মান নহয়, বৰঞ্চ 'মৃত্যুৰ সদাগৰ (merchant of death)' হিচাপেহে প্ৰতিষ্ঠা কৰালে সেয়া তেওঁ উপলব্ধি কৰিলে।

এই ঘটনাই নোবেলৰ মনত এক এক দুখভাৱ জন্মালে। কিবা প্ৰকাৰে এই অসন্তুষ্টি আঁতৰাব পৰা যায় নেকি তেওঁ তাৰে চিন্তাত মগ্ন হ'ল। সেয়ে মানৱ সমাজৰ উপকাৰৰ হেতু কিছু কাম কৰিবলৈ তেওঁ মনস্থ কৰিলে।

১৮৯৬ চনৰ ১০ ডিচেম্বৰ তাৰিখে মৃত্যুবৰণ কৰাৰ পূৰ্বে নিজৰ ইচ্ছাপত্ৰত নোবেলে তেওঁৰ গোটেই জীৱনৰ উপাৰ্জনৰ ৯৪ শতাংশ ধন মানৱৰ উপকাৰৰ অৰ্থে খৰচ কৰিবলৈ ঘোষণা কৰি থৈ যায়, আৰু তাৰ বাবে এক ধৰণৰ পুৰস্কাৰ প্ৰৱৰ্ত্তন কৰাৰ কথাও লিখি যায়। এই পুৰস্কাৰ চিকিৎসা বিজ্ঞান, পদাৰ্থ বিজ্ঞান, ৰসায়ন বিজ্ঞান, সাহিত্য আৰু শান্তি এই পাঁচটি ক্ষেত্ৰত অনবদ্য অৱদান আগবঢ়োৱা ব্যক্তিলৈ প্ৰতিবছৰে প্ৰদান কৰাৰ বাবে তেওঁ পৰামৰ্শ দি থৈ গৈছিল।

নোবেলৰ ইচ্ছাপত্ৰৰ ঘোষণাই পিছে প্ৰায়ভাগ লোকৰ মনতে অসন্তুষ্টি আনিছিল। আনকি নিজৰ আত্মীয়য়ো এই উইলৰ বিৰোধিতা কৰাৰ বিপৰীতে বিভিন্ন দেশৰ সংগঠনসমূহেও এই ক্ষেত্ৰত আপত্তি দৰ্শায়। এই আটাইবোৰ আপত্তি দূৰ কৰি এক সুস্থিৰ সিদ্ধান্তত উপনীত হোৱালৈ নোবেলৰ প্ৰতিনিধিসকলক সুদীৰ্ঘ চাৰিবছৰৰ প্ৰয়োজন হয়।

অৱশেষত আলফ্ৰেড নোবেলৰ ইচ্ছানুসৰিয়েই ১৯০১ চনৰ পৰা প্ৰৱৰ্তন কৰা হয় নোবেল বঁটাৰ (নোবেলৰ নামানুসাৰে) - যি বৰ্তমান বিশ্বৰ সবাতোকৈ সন্মানীয় আৰু বিশিষ্ট সন্মানৰূপে পৰিগণিত হৈছে। প্ৰথম বৰ্ষৰ পদাৰ্থবিজ্ঞান, ৰসায়ন বিজ্ঞান, চিকিৎসা বিজ্ঞান আৰু সাহিত্যবিষয়ৰ নোবেল বঁটাসমূহ ছুইডেনৰ কৈহোমত প্ৰদান কৰাৰ বিপৰীতে শান্তিৰ নোবেল বঁটা প্ৰদান কৰা হৈছিল নৰৱেৰ অচলোত।

চিকিৎসা বিজ্ঞান, পদাৰ্থবিজ্ঞান আদিৰ দৰে উচ্চখাপৰ বিষয়সমূহত নোবেল বঁটা প্ৰদান কৰা হয় যদিও আমোদজনকভাৱে গণিত বিষয়টোত কোনো নোবেল বঁটা প্ৰদান কৰা নহয়। গণিতৰ ক্ষেত্ৰত পাদৰ্শিতা দেখুওৱা ব্যক্তিৰ বাবে আন সংগঠনে এবেল বঁটা, ফিল্ডছ্ মেডেল আদি সন্মান প্ৰদান কৰে। ফিল্ডছ্ মেডেলক "গণিতৰ নোবেল বঁটা" বুলিও জনা যায়।

আনহাতে নোবেল বঁটাৰ ইতিহাসত প্ৰথম ৬৮ বছৰ ধৰি অৰ্থনীতি বিজ্ঞান অন্তৰ্ভূক্ত হৈ থকা নাছিল। ১৯৬৮ চনত ছুইডেনৰ ৰাষ্ট্ৰীয় বেংক sveriges Riks bank এ তেওঁলোকৰ ৩০০ বছৰ পূৰ্তিৰ সৈতে সংগতি ৰাখি অৰ্থনীতি বিজ্ঞানতো নোবেল স্মৃতি বঁটা প্ৰৱৰ্ত্তনৰ কথা ঘোষণা কৰে। ১৯৬৯ চনত প্ৰথমবাৰৰ বাবে এই বঁটা প্ৰদান কৰা হয় জন টিনবাৰ্গ আৰু ৰেগ্‌নাৰ ফ্ৰিশ্বক।

১৯০১ চনৰ পৰা ২০১৭ চনলৈকে সৰ্বমুঠ ৫৮৫ বাৰ নোবেল বিজয়ীক বঁটা প্ৰদান কৰা হৈছে। ইয়াৰে চাৰি গৰাকীয়ে দুবাৰকৈ নোবেল পাবলৈ সক্ষম হৈছে। এই পৰ্য্যন্ত ৮৯২ গৰাকীক ব্যক্তিগতভাৱে আৰু ২৪ টা বিভিন্ন সংগঠনক বঁটা প্ৰদান কৰা হৈছে।

মানৱ সমাজৰ উপকাৰৰ হকে নোবেলে প্ৰৱৰ্ত্তন কৰা এই বঁটাই বৰ্তমান সমগ্ৰ বিশ্বতে এক বিশিষ্ট স্বীকৃতি লাভ কৰাৰ লগতে উক্ত কৰ্মৰ বাবে আলফ্ৰেড নোবেলেও সকলোৰে মাজত চিৰপৰিচিত হৈ ৰ'ল।

সৰু সৰু তথ্য ঃ

* ১৯০৯ চনত নোবেল বঁটা লাভ কৰা চেল্‌মা লাগেৰলফেৰ আছিল সাহিত্যৰ নোবেল বিজয়ী প্ৰথম মহিলা।

* ১৯১৩ চনত 'গীতাঞ্জলি' কাব্যগ্ৰন্থৰ বাবে কবিগুৰু ৰবীন্দ্ৰনাথ ঠাকুৰে সাহিত্যৰ নোবেল বঁটা লাভ কৰে। নোবেল বঁটা বিজয়ী তেওঁ কেৱল ভাৰতৰে নহয়, সমগ্ৰ এছিয়াৰে প্ৰথমগৰাকী ব্যক্তি।

*১৯০৭ চনত নোবেল বঁটা লাভ কৰা 'জাংগল বুক' খ্যাত ৰুডয়াৰ্ড কিপলিঙেই হৈছে এতিয়ালৈ সৰ্বকনিষ্ঠ সাহিত্যৰ নোবেল জয়ী (৪১ বছৰ)।

আনহাতে সাহিত্যৰ নোবেল বঁটা লাভ কৰা বয়োজ্যেষ্ঠ ব্যক্তিগৰাকী হৈছে ডৰিছ লেছিং (৮৮ বছৰত)

জ্যা পল ছাত্ৰে আৰু বৰিছ পেষ্টাৰনক - এই দুগৰাকী ব্যক্তিয়ে নোবেল বঁটা প্ৰত্যাখ্যান কৰিছিল।

* ভাৰতত জন্মি নোবেল বঁটা লাভ কৰা প্ৰথমগৰাকী ব্যক্তি হৈছে ৰেণাল্ড ৰছ (Ronald Ross) । ১৯০২ চনত মেলেৰিয়াৰ সন্দৰ্ভত কৰা গৱেষণাৰ বাবে তেওঁলৈ চিকিৎসা বিজ্ঞানৰ নোবেল বঁটা আগবঢ়োৱা হৈছিল। তেওঁ নোবেল বিজয়ী প্ৰথমগৰাকী ব্ৰিটিছ ব্যক্তিও আছিল।

* নোবেল বঁটাৰ ইতিহাসত সৰ্বাধিক সংখ্যক নোবেল বঁটা লাভ কৰা বিষয়টো হৈছে বংশগতি বিজ্ঞান (Geneties) এই পৰ্য্যন্ত সৰ্বাধিক ৪৮ গৰাকী ব্যক্তি বিজ্ঞানীয়ে এই বিষয়ৰ গৱেষণাৰ বাবে নোবেল বঁটা লাভ কৰিছে।

* ৰুথ পাৱাৰ জাভালা-তেৱেঁই হৈছে একমাত্ৰ ব্যক্তি যিয়ে অস্কাৰ আৰু নোবেল দুইটা বঁটাই লাভ কৰিবলৈ সক্ষম হৈছে।

আনহাতে নাদিন গৰ্ডিমাৰ. ভি এছ নাইপল, জে এম কোৱেৎজী আৰু কাজিঅ' ইশ্বিগুৰু- এইকেইগৰাকীয়ে বুকাৰ বঁটা আৰু সাহিত্যৰ নোবেল দুয়োটা বঁটা লাভ কৰিছে।

* X-Ray ৰ আৱিস্কাৰক উইলিয়াম ৰুণ্টজেন আছিল পদাৰ্থবিজ্ঞানত নোবেল বিজয়ী প্ৰথম ব্যক্তি। সাহিত্যত নোবেলবিজয়ী প্ৰথম ব্যক্তি হৈছে ফ্ৰান্সৰ চুল্লী প্ৰুধ'ম্। আনহাতে ৰেডক্ৰছৰ প্ৰতিষ্ঠাতা হেন্‌ৰী ডুনাণ্ট শান্তিৰ নোবেলজয়ী প্ৰথমগৰাকী।

* লিণাছ পাউলিঙ, জন বাৰ্ডিন, ফ্ৰেডেৰিক ছিংগাৰ আৰু মেৰী কিউৰীয়ে দুবাৰকৈ নোবেল বঁটা লাভ কৰাৰ অনন্য কৃতিত্ব অৰ্জন কৰিছে।

* ৰবীন্দ্ৰ নাথ ঠাকুৰ, চন্দ্ৰশেখৰ ভেংকটৰমন, মাদাৰ টেৰেছা, ড° অমৰ্ত্য সেন আৰু কৈলাশ সত্যাৰ্থী এই কেইগৰাকী আছিল নোবেল বঁটা বিজয়ী ভাৰতীয়। ১৯৪৮ চনত মহামানৱ মহাত্মা গান্ধীলৈ সন্মান প্ৰদৰ্শন কৰি কাকোৱেই শান্তিৰ নোবেল দিয়া হোৱা নাছিল।

* ব্ৰিটিছ অধ্যুষিত ভাৰতত জন্ম গ্ৰহণ কৰা অথবা ভাৰতীয় মূলৰ ব্যক্তি হিচাপে কেইবাগৰাকীয়েও নোবেল বঁটা লাভ কৰিছে। তাৰ ভিতৰত হৈছে- হৰগোবিন্দ খোৰানা, ভি এছ নাই পল, সুব্ৰমন্যম চন্দ্ৰশেখৰ, ভেংকটাৰমন ৰামাকৃষ্ণণ আদিবোৰ। ■

# GOD

■ বিকাশ দাস

*উচ্চতৰ মাধ্যমিক প্ৰথম বৰ্ষ, বিজ্ঞান শাখা*

*"I think god is a peace of mind but now god become a dangerous disease for human society."*

ভগৱান....কিনো এই ভগৱান? বা কোন? ক'ত থাকে? কি কৰে? ইত্যাদি ইত্যাদি প্ৰশ্ন উদয় হৈছে মোৰ মনত। মোৰ বোধেৰে আন কিছুমান মানুহৰো এনেকুৱা। মোৰ মতে ভগৱান এটা মনৰ অনুভূতি, মনৰ এক শান্তি। আন একো নহয়। মানুহবোৰে ভগৱান মন্দিৰ, মছজিদ, গীৰ্জাঘৰ আদিত বেলেগে বেলেগে নাম বিচাৰি ফুৰে। কিন্তু বিচাৰি পায় জানো? ....ভগৱান সেইজন যিজনে আমাক বিপদৰ সময়ত ৰক্ষা কৰে। উদাহৰণস্বৰূপে এজন ডাক্তৰে চিকিৎসা কৰি এজন মানুহৰ প্ৰাণ বচালে তেখেতৰ কাৰণে সেই সময়ত ডাক্তৰজনেই ভগৱান। অন্য ভগৱানক প্ৰণাম কৰাৰ প্ৰয়োজন নাই।

কিন্তু আমাৰ সমাজখন 'ভগৱান' নাম লৈ চলা একে গভীৰ চক্ৰবেহুত গম নোপোৱাকৈ সোমাই পৰিছে। এই 'ভগৱান' শব্দটো এক বেমাৰত পৰিণত হৈছে। তাৰ উপৰিও আমাৰ সমাজত ভগৱানৰ নামত যি ভণ্ডামি চলি আছে সেইবোৰ...। মানুহবোৰ ভগৱানৰ নামত পাগল হৈছে। আনকি ঠেলাৱালা, ৰিক্সাৱালা আদিয়েও নিজৰ উপাৰ্জনৰ এটা ডাঙৰ অংশ ভগৱানৰ নামত অপচয় কৰে। যদি সেই অপচয় কৰা ধনখিনি নিজৰ পৰিয়ালৰ পোহ-পাল কৰা কাৰ্যত ব্যৱহাৰ কৰিলেহেঁতেন অলপ হ'লেও সকাহ পালেহেঁতেন। বহুতো লোকে শিৱমন্দিৰ আদিত গাখীৰ ঢালিবলৈ গাখীৰ লৈ যায়। কিন্তু গাখীৰ ঢলাৰ পিছত কি হয় কোনোবাই চাইছে জানোঁ? যদি সেই গাখীৰখিনি এজন ভোকাতুৰ ভিক্ষাৰীক খাবলৈ দিয়া হয়, তেতিয়া বেছি পূণ্য হ'ব। মছজিদত চাদৰ দিয়াতকৈ যদি কোনোবা কাপোৰ নোহোৱা মানুহক দিয়া হয় কিবা লোকচান হ'ব জানো? গীৰ্জাত মম, মন্দিৰত চাকি জ্বলোৱাতকৈ যদি কোনোবা পোহৰৰ অভাৱত থকা ঘৰত সেই মমডাল বা চাকিগছি দিয়া হয় সেই সময়ত যি অনাবিল আনন্দ পোৱা যায়, সেইবোৰে আমাক নিজকে ভগৱানৰ শাৰীত পঠায়।

শিলৰ মূৰ্ত্তি, গছ আদিত ভগৱান বিচাৰিলে কি হ'ব? যি শিল ভৰিৰে গছকি থাকো সেই শিলে কেতিয়াবা অলপ বেলেগ আকৃতি লৈছে, সেইদিনাৰ পৰা আৰম্ভ হৈ গ'ল ভগৱানৰ খেলা। সেই শিলটোত অলপ ৰঙা ফোঁট দি কৰবাত স্থাপন কৰিয়েই যি বেপাৰ আৰম্ভ হয় সেয়া চাবলগীয়া বিধৰ নহয় নে? শিলৰ দৰে গছৰ ক্ষেত্ৰটো। গছ এডালৰ যদি শিপাই নতুবা পাতে নাইবা গা-গছে বা অন্য অংশই বেলেগ আকৃতি লৈছে তেতিয়াৰ পৰা সেইডালক ভগৱান বুলি লৈ মানুহৰ পূজা আৰম্ভ হৈ যায়। আনকি বিভিন্ন ঠাইত সেই শিল বা গছক কেন্দ্ৰ কৰি মন্দিৰ স্থাপন হোৱাৰ উদাহৰণো আছে।

এইবোৰৰ উপৰিও দেৱালী পূজা পাৰ্বন আদিত ফটকা ফুটোৱা হয়, এইবোৰ কৰাৰ লাভ কি? আমি অকনো নাভাবো যে সেইবোৰে শব্দ আৰু বায়ু কিমান প্ৰদূষিত কৰে। দেৱালীত প্ৰতিযোগিতা হয় কোনে কিমান চাকি জ্বলাব পাৰে বা কোনে কিমান ফুটাব পাৰে। দেৱালীত ফটকা ফুটুৱাটো অৰ্থহীন কাম। চাকি জ্বলোৱাৰ ক্ষেত্ৰত নিয়মানুসাৰে জ্বলাওক কিন্তু শ শ চাকি জ্বলোৱাৰ কোনো অৰ্থ নাই। বিভিন্ন ভক্তিমূলক অনুষ্ঠানতো হাজাৰ হাজাৰ চাকি জ্বলোৱা হয়। আমি মানুহবোৰে এবাৰো নাভাবো গোলকীয় উত্তাপ বৃদ্ধিৰ কথা। আজি-কালি গাঁৱে-ভূঞে 'সেৱা' পাতে। 'সেৱা' মানুহৰ সংখ্যা মন্দিৰৰ কাষত কথা, কিন্তু বাৰীৰ তলত বা একাষৰীয়া ঠাইত মানুহৰ জুম বেছি হয়, কিয়? কি 'সেৱা' মানে 'জুৱা' খেল নেকি?

বহুতো সুস্থ সবল কাম কৰিবলৈ সামৰ্থ থকা মানুহেও মানুহৰ ঘৰে ঘৰে আহি কয় 'ভগৱান'ৰ নামত কিবা দিয়া; ভগৱানে তোমাৰ মংগল কৰিব। কিমান সহজ ভাবে লয় ভগৱান শব্দটো। যি কি নহওক। প্ৰত্যেক মানুহৰে মনৰ নিজা নিজা কথা। কিন্তু আমিবোৰৰ কোনোবাই এনে এখন দুৰ্ঘটনাগ্ৰস্থ যান-বাহনৰ উদাহৰণ দাঙি ধৰিব পাৰিম নে যিখনৰ ভিতৰত ভগৱানৰ ফটো নাইবা অন্য কিহবাৰ অস্তিত্ব নাই।

মোৰ মতে মন্দিৰ, মছজিদ, গীৰ্জা ঘৰ আদি সাহিত্য চৰ্চা, বৈজ্ঞানিক চিন্তা-চৰ্চা কৰাৰ বাবে নিৰ্মাণ কৰিব লাগে। যি চিন্তা চৰ্চাই সমাজখনক সকলো সাম্ভাব্য বিপদৰ পৰা মুক্ত কৰিব পাৰে। তেতিয়াহে ভগৱানৰ নামত সজা মন্দিৰ মছজিদ, গীৰ্জা আদিয়ে ভগৱানৰ প্ৰকৃত স্থানৰূপে পৰিগণিত হ'ব আৰু তেতিয়াহে ভগৱান নামৰ শব্দটো বেমাৰ নহৈ আশীৰ্বাদ হ'ব।■

ভ্ৰমণ শিল্প

# আমেৰিকা যুক্তৰাষ্ট্ৰত এপষেক

■ ড° পূৰৱী শৰ্মা

*সহকাৰী অধ্যাপিকা, ৰসায়ন বিজ্ঞান বিভাগ*



সৰুতে দেউতাই গ্ল'ৰ আৰু লেম্পৰ সহায়ত দিন ৰাতি কেনেকৈ হয় সুন্দৰকৈ বুজাই দিছিল। আমাৰ ইয়াত দিন হ'লে আমেৰিকাত ৰাতি হয়। এই কথাশাৰী বুজোৱা দিনৰে পৰাই মনৰ কোনোবা এটা নিভৃত কোণত আমেৰিকালৈ যোৱাৰ হেঁপাহ জাগিছিল। আচলতে আমেৰিকা বুলি নহয় বিদেশৰ যিকোনো স্থান ভ্ৰমণ কৰাৰ হাবিয়াস এটা মনত পুহি ৰাখিছিলো সৰুৰে পৰাই। অলপতে মোৰ সেই দুৰ্বাৰ ইচ্ছা তথা হাবিয়াস বাস্তৱায়িত কৰাৰ সুযোগ লাভ কৰিলোঁ। সুযোগটো আহিছিল ঈ-মেইল যোগে যোৱা ২০১৭ চনৰ মাৰ্চ মাহৰ শেষৰটো সপ্তাহত। আমেৰিকাৰ লছ ভেগাছত (Las Vegas) এখনি "Catalysis and Reaction Engineering" শীৰ্ষক কনফাৰেন্স অনুষ্ঠিত হোৱাৰ খবৰটো লাভ কৰিছিলোঁ। যিহেতু মোৰ পি এইচ ডিৰ গৱেষণাৰ বিষয়টো একে ধৰণৰ আছিল, সেয়েহে উক্ত কনফাৰেন্সখনত অংশগ্ৰহণ কৰিবলৈ মন মেলিলোঁ আৰু লগে লগে মোৰ গৱেষণাৰ কিছু অংশ জুকিয়াই লৈ থূলমূলকৈ এটা "Abstract" লিখি ঈ-মেইল যোগে পঠিয়াই দিলোঁ। এপ্ৰিল মাহৰ প্ৰথম সপ্তাহতে মোলৈ আৰু এটা মেইল আহিল আৰু তেওঁলোকে জনালে যে মোৰ "Abstract"টো কলফাৰেন্সখনিত পাঠ কৰিবৰ বাবে বাচনি কৰিছে। মই আনন্দত আত্মহাৰা হৈ পৰিলোঁ। এইখিনিতে পাঠকসকলক জনাই থওঁ যে মোৰ লগত মোৰ স্বামীয়েও উক্ত কনফাৰেন্সখনিত ভাগ লোৱাৰ উদ্দেশ্যে (যিহেতু তেওঁ একেটা বিভাগৰে) "Abstract" পঠিয়াইছিল আৰু মোৰ দৰে মেইলযোগে তেওঁলৈও "Acceptance Letter" পঠিয়াইছিল।

কিন্তু তেতিয়ালৈকে মোৰ পাচপৰ্ট খনেই নাছিল। লগে লগে পাচপ'ট আৱেদন প্ৰক্ৰিয়াৰ বাবে যো-জা চলালোঁ। আজিকালি পাচপ'ৰ্ট আৱেদনৰ গোটেই প্ৰক্ৰিয়াটো যথেষ্ট উজু। কোনো ধৰণৰ এজেণ্টৰ সহায় নোলোৱাকৈ বা অন্য বিশেষ অসুবিধা নোহোৱাকৈ নিজেই "On line"যোগে আবেদন পত্ৰ পূৰণ কৰিব পাৰি। গুৱাহাটীৰ খ্ৰীষ্টানবস্তিত থকা "Passport Seva Kendra ত ইণ্টাৰভিউৰ তাৰিখ নিজৰ সুবিধা অনুযায়ী"On line"যোগে ঠিক কৰি ল'ব লাগে। (অৱশ্যে "On line 1500 "ৰ পৰা ২০০০ টকাৰ ভিতৰত Passport fees payment কৰাৰ পাছতহে তাৰিখটো ল'ব পাৰি।) যথাসময়ত সকলো আৱশ্যকীয় নথিপত্ৰ সমূহৰ সৈতে Passport Seva Keddra ত সাক্ষাৎকাৰৰ কাৰণে উপস্থিত হ'ব লাগে। গোটেই প্ৰক্ৰিয়া অতি সুশৃংখলিত ভাৱে আগবঢ়াই লৈ যোৱা হয় আৰু "SMS"যোগে আবেদনকৰ্ত্তাক পৰ্য্যায়ক্ৰমে গোটেই প্ৰক্ৰিয়াটোৰ অগ্ৰগতিৰ বিষয়ে জনাই থাকে। মাত্ৰ বিশদিন মানৰ ভিতৰতেই মই মোৰ (আৰু লগতে মোৰ ল'ৰাৰ) পাছপ'ৰ্ট লাভ কৰিলো ডাকযোগে মোৰ ঘৰৰ ঠিকনাত।

তাৰপাছত আমি আমেৰিকাৰ ভিছা (Visa) আবেদন

কৰাৰ বাবে আগবাঢ়িলোঁ। পৃথিৱীৰ আটাইবোৰ দেশৰ ভিতৰত আমেৰিকাৰ ভিছা লাভ কৰাই আটাইতকৈ কঠিন। এইটো অৱিশ্বাস্য যদিও সত্য যে হায়দৰাবাদত ছিলকুট বালাজী মন্দিৰ (Chilkut Balaji) নামেৰে বিশেষ মন্দিৰ এটা আছে যিটো ভিছা মন্দিৰ ৰূপে খ্যাত। এই মন্দিৰটোত প্ৰতিসপ্তাহৰ শুক্ৰ আৰু শনিবাৰে অগণন ভক্তই ভিৰ কৰেহি আৰু তেওঁলোকৰ পাচপ'র্টসমূহ ভগৱানৰ শ্ৰীচৰণত স্পৰ্শ কৰেহি যাতে অতি সোনকালেই তাত US Visa ৰ ছীল মোহৰ লাগি যায় আৰু তেওঁলোকৰ মনৰ আশা পূৰণ হয়।

আমাৰ বাবেও ভিছা আবেদনৰ গোটেই প্ৰক্ৰিয়াটো খুবেই জটিল আৰু তিতা-কেঁহা অভিজ্ঞতাৰে ভৰপূৰ আছিল। আমি ভিছা আবেদন কৰিছিলোঁ যোৱা জুলাই মাহৰ শেষৰটো সপ্তাহত নিজেই On line যোগে। কোনো "Travel Agent" ৰ সহায় লোৱা নাছিলোঁ। ভিছা আবেদনৰ বাবে On line যোগে প্ৰপত্ৰ পূৰণ কৰিব লাগে আৰু মাননি (Visa Fees) হিচাপে প্ৰতিজনৰ ভাৰতীয় মূল্যত প্ৰায় 11000/- টকা পৰিশোধ কৰিব লাগে। তাৰ পাছত হে আমি Visa Interview ৰ তাৰিখ লাভ কৰিছিলোঁ। সাক্ষাৎকাৰটো দুদিনীয়া আছিল আৰু তাৰ বাবে আমি ক'লকতাত থকা "Us consulate Office" ত যাব লগা হৈছিল। আমাৰ সাক্ষাৎকাৰৰ তাৰিখ দুটা আছিল ২৭ আৰু ২৮ জুলাই, ২০১৭। প্ৰথমদিনাখন ক'লকতাৰ শ্বে'ক্সপীয়েৰ সৰণীত থকা Visa Application Centre চমুকৈ "VAC" অফিচত কোনো অসুবিধা নোহোৱাকৈ সকলোবোৰ ঠিকে-ঠাকে হৈ গৈছিল। দ্বিতীয়দিনাখন ক'লকতাৰ হ' ছি মিন (Ho chi Min) ৰোডত থকা US Consulate কাৰ্য্যালয়ত আমি তিনিওজন আমাৰ ব্যক্তিগত সাক্ষাৎকাৰৰ বাবে উপস্থিত হৈছিলোঁ। প্ৰায় ৯ মান বজাত। প্ৰয়োজনীয় নথিসমূহৰ বাহিৰে কোনো ধৰণৰ ইলেকট্ৰনিক গেজেট (যেনে- ম'বাইল, পেনড্ৰাইভ, লেপটপ, যিকোনো ধৰণৰ বেগ আদি) লৈ যাবলৈ দিয়া হোৱা নাছিল। সুশংখলিত আৰু কেইবাখলপীয়া সুৰক্ষা-নিৰীক্ষণৰ পাছত সঠিক সময়ত আমি তিনিও গৈ Visa Officer" ৰ সন্মুখত আমাৰ ব্যক্তিগত সাক্ষাৎকাৰৰ বাবে হাজিৰ হ'লোহি। সেইদিনাখন US consulate1 ৰ বাহিৰত ৰৈ থাকোতে এটি বৰ আমোদজনক ঘটনা ঘটিছিল। যিহেতু আমি যথাসময়তকৈ কিছু আগতে গৈ পাইছিলোঁ সেইবাবে আমি বাহিৰতে অলপ সময় ৰ'ব লগা হৈছিল। আমাৰ লগতে তেনেকৈ ৰৈ থকা আৰু বহুত মানুহ আছিল। দুই এজনৰ বাহিৰে বেছিভাগ মানুহ থিয় হৈয়ে আছিল। কিন্তু ৰাস্তাৰ ফুটপাথত কেইবাখনো খালী চকী এনেয়ে পাৰি থোৱা আমাৰ দৃষ্টিগোচৰ হৈছিল। মই বহুসময় থিয় হৈ থাকি আমনি লগাত ওচৰৰে এখন চকীত বহিব খোজাত এজন সত্তৰোৰ্ধৰ মানুহে আহি লগে লগে মোক জনালে যে তাত বহিলে ঘণ্টাত ২০ টকা দিব লাগিব। তেতিয়াহে মই খালী চকীৰ ৰহস্যটো বুজি পালোঁ। এনেকৈয়ে Consulate অ'ফিচৰ বাহিৰত দুই এটা সৰু-সুৰা ব্যৱসায় গঢ় লৈ উঠা আমি প্ৰত্যক্ষ কৰিছিলোঁ।

আমাক সাক্ষাৎকাৰ লোৱা Visa Officer গৰাকী আছিল এগৰাকী ধুনীয়া ছোৱালী। বয়স সাতাইশ আঠাইশমান হ'ব। তেওঁ আমাক কেইবালানিও প্ৰশ্ন কৰাৰ লগতে লগত লৈ যোৱা নথিপত্ৰসমূহ ভালদৰে নিৰীক্ষণ কৰিলে। তাৰ পাছত আমাক এখন বগা ৰঙৰ কাগজ (221 g form) দিলে আৰু তেওঁ জনালে যে তেওঁলোকে আমাৰ বিষয়ে আৰু কিছুমান তথ্য অতিৰিক্তভাৱে জানিব বিচাৰিছে। গোটেই কথাখিনি বিস্তৃত ভাৱে ফৰ্মখনত উল্লেখ আছে আৰু সেইমতে তাত দিয়া ঈ-মেইল ঠিকনাত পঠিয়াই দিব লাগিব বুলিও ক'লে। লগতে আমাৰ পাচপ'টকেইখন আমাক ঘূৰাই দিলে। তেওঁ আমাক ইয়াকো জনালে যে ইয়াৰ পিছত আমাৰ ফালৰ পৰা কোনোধৰণৰ যোগাযোগ কৰিব নালাগে। কিবা যোগাযোগ কৰিব লগা হ'লেই তেওঁলোকেই কৰিব। তাৰ বাবে প্ৰায় দুমাহ সময় (Maximum) আমি বাট চাব লাগিব বুলি ফৰ্মখনত উল্লেখ আছে। তাত উল্লেখ থকা "Website address ত আমি আমাৰ Visa statusটো চাই থাকিব পাৰিম বুলিও ক'লে। লগে লগে আমি অতি দুখমনেৰে তাৰ পৰা ওলাই আহিলোঁ। চূড়ান্ত অনিশ্চয়তাৰ মাজত এটা ক্ষীণ আশা বুকুত বান্ধি আমি ক'লকাতাৰ পৰা ঘৰলৈ ৰাওনা হ'লোঁ। তাৰ পাছত তেওঁলোকে বিচৰামতে সকলো তথ্য ঈ-মেইল যোগে দুদিনৰ ভিতৰতেই প্ৰেৰণ কৰিলোঁ। আশা-নিৰাশাৰ আলি দোমোজাত প্ৰায় এমাহ পাঁচ দিনৰ বিৰতিৰ অন্তত অৱশেষত চেপ্তেম্বৰ মাহৰ প্ৰথম সপ্তাহত আমালৈ এটা সুখবৰ আহিল। আমাৰ পাচপ'র্টকেইখন ক'লকাতাৰ VAC অফিচত জমা দিবলৈ ক'লে আৰু শেষত চেপ্তেম্বৰ মাহৰ ১৮ তাৰিখে বহুতো বাধা বিঘিনিৰ অন্ত পেলাই আমি আমাৰ বহু প্ৰত্যাশিত US Visa লাভ কৰিলোঁ। ইয়াৰ বাবে ভগৱান গণেশ বাবাক অন্তৰেৰে ধন্যবাদ আৰু সেৱা যাঁচিলোঁ।

১৭ অক্টোবৰ, ২০১৭ চন, জীৱনৰ এটা উল্লেখযোগ্য তথা চিৰস্মৰণীয় দিন। কাৰণ এই দিনটোতে আমি (মানে মই, মোৰ স্বামী আৰু লগতে আমাৰ একমাত্ৰ ল'ৰা আৰণাম) আমাৰ বিদেশ যাত্ৰা আৰম্ভ কৰিছিলোঁ। আমাৰ লগত যাত্ৰাৰ সঙ্গী আছিল

গুৱাহাটী বিশ্ববিদ্যালয়ৰ ৰসায়ন বিভাগৰ জ্যেষ্ঠ অধ্যাপক দিবাকৰ চন্দ্র ডেকা ছাৰ আৰু লগত দুখন কলেজৰ আৰু দুগৰাকী অধ্যাপক। এয়াৰ ইণ্ডিয়া বিমানযোগে আবেলি প্রায় ৪.৩০ বজাত গুৱাহাটীৰ পৰা নতুন দিল্লীলৈ আমাৰ যাত্রা আৰম্ভ হ'ল। তাৰপাছত নতুন দিল্লীৰ পৰা ৰাতি ১.৪৫ বজাৰ (১৮ তাৰিখে) ৰ পৰা একেৰাহে ১৪ ঘণ্টা আকাশমাৰ্গত কটোৰাৰ পাছত ৰাতিপুৱা প্রায় ৬.৩০ মান বজাত (তাৰ স্থানীয় সময় অনুসৰি) আমি নিউয়র্কৰ জন এফ্ কেনেডি আন্তঃৰাষ্ট্ৰীয় বিমানবন্দৰত (JFK Airport) অৱতৰণ কৰিলোঁ। আমাৰ বিমান অৱতৰণ কৰাৰ আগমুহূৰ্তত বিমানৰ খিৰিকীৰে উত্তৰ আটলাণ্টিক মহাসাগৰৰ পাৰে পাৰে থকা বিশাল বিমান বন্দৰৰ তথা সুবিশাল নিউয়র্ক মহানগৰীৰ মনোমোহা দৃশ্য উপভোগ কৰি মনটো এক বুজাব নোৱাৰা অনুভূতিৰে শিহঁৰিত তথা ৰোমাঞ্চিত হৈ উঠিছিল। বিদেশৰ মাটিত খোজ দিয়েই আমি আমাৰ ঘড়ীবোৰ তাৰ স্থানীয় সময়ৰ লগত মিলাই ল'লো। আমাৰ গন্তব্য স্থান লছ্ ভেগাছলৈ যাবলৈ আবেলি ৪.৩০ মান বজাত হে আমি আমেৰিকাৰ স্থানীয় Delta Airlineৰে প্রায় চাৰে পাঁচ ঘণ্টাৰ আকৌ যাত্রা কৰিব লাগিব। আমাৰ হাতত তেতিয়াও সাত-আঠ ঘণ্টা সময় আছিল। একেৰাহে ইমান দীঘলীয়া সময় যাত্রা কৰাৰ পাছতো আমি অকণো ভাগৰ অনুভৱ কৰা নাছিলোঁ। বিমানত থকা সময়ছোৱাত খোৱা-বোৱাৰ ক্ষেত্ৰতো কোনো অসুবিধা হোৱা নাছিল। কিছু সময়ৰ মূৰে মূৰে বিধে বিধে আমাক ভাৰতীয় খাদ্য পৰিৱেশন কৰা হৈছিল। আটক ধুনীয়া এয়াৰপ'ৰ্টত থকা অত্যাধুনিক তথা যথেষ্ট পৰিষ্কাৰ (একেবাৰে ফু মাৰি ভাত খাব পৰা) টয়লেটত আমি মুখ হাত ধুই আৰু আমাৰ প্রাতঃ কাৰ্য্য সমাপন কৰি আটায়ে কিছু সময়ৰ বাবে JFK এয়াৰপ'টৰ পৰা টাইম স্কোৱেৰলৈ (Time Square) যোৱাৰ সিদ্ধান্ত ল'লোঁ। টাইম স্কোৱেৰ হৈছে নিউয়র্ক মহানগৰীৰ পৰ্য্যটকৰ আকৰ্ষণৰ কেন্দ্ৰ স্থল, অত্যাধিক জনসমাগমেৰে পৰিৱেষ্টিত এটি অতি ব্যস্ত অঞ্চল। নিউয়র্ক মহানগৰী যথেষ্ট ব্যয়বহুল যদিও তাত বিভিন্ন ধৰণৰ উন্নত মানৰ ৰাজহুৱা পৰিবহন (Public transport) ৰ (Bus, train, car, subways etc.) ব্যৱস্থা আছে। আমি বাছেৰে গৈ টাইম স্কোৱেৰত উপস্থিত হৈছিলোঁ আৰু তাৰ বাবে অহা যোৱাৰ নামত প্রায় ২০০ ড'লাৰ ভৰিব লগা হৈছিল (প্রায় ১৫,০০০ টকা) তাত উপস্থিত হৈ আমি আশ্বৰ্য্যচকিত হৈ পৰিলোঁ। যিবোৰ দৃশ্য টিভিৰ পৰ্দাত সাধাৰণতে উপভোগ কৰিছিলোঁ সেইবোৰ স্বচক্ষে প্রত্যক্ষ কৰি আনন্দত বিভোৰ হৈ পৰিছিলোঁ। আমি তাত The Newyork Times ৰ সুবৃহৎ অট্টালিকাটোও প্রত্যক্ষ কৰিলোঁ। দুপৰীয়া খোৱাৰ কাৰণে আমি KFC বা Mc Donald জাতীয় ৰেষ্টুৰেণ্টৰ সন্ধানত নামি পৰিলোঁ। আমি এঠাইত দুপৰীয়াৰ আহাৰ গ্ৰহণ কৰিলোঁ আৰু তাত কটোৱা সময়খিনিৰ কেইটামান স্মৰণীয় মুহূৰ্ত আমাৰ কেমেৰাৰ লেন্সত বন্দী কৰিলোঁ। পুনৰ বাছেৰে আমি এয়াৰপ'ৰ্টলৈ ঘূৰি আহিলোঁ। এইখিনিতে এটা কথা উল্লেখ কৰিব পাৰি যে বাছেৰে যাওঁতে বাছচালকজনে তেওঁৰ ড্ৰাইভিং চিটৰ লগত সংলগ্ন মাইক্ৰ' ফ'নটোত আমাক গোটেই ঠাইবোৰৰ অতি সাৱলীল বৰ্ণনা দি গৈছিল আৰু মাজে মাজে দুই-এটা খুহুতীয়া কথাৰে আমাৰ মনোৰঞ্জনৰো ব্যৱস্থা কৰিছিল। এই গোটেইবোৰ স্মৃতি মোৰ মানস প'টত এতিয়াও সজীৱ হৈ আছে।

"লছভেগাছ" পাইছিলো ১৮ তাৰিখে সন্ধিয়া প্রায় ৭.৩০ বজাত। তাৰ স্থানীয় সময় নিউয়র্কৰ সময়তকৈ আকৌ ডেৰ-দুঘণ্টামান পিছপৰা। মুঠতে গুৱাহাটীৰ পৰা প্রায় ৩০ ঘণ্টাৰ সুদীৰ্ঘ যাত্ৰাৰ মূৰকত আমি আমাৰ গন্তব্য স্থানত উপস্থিত হৈছিলোহি। Las Vegas ৰ Mc carron International Airport ৰ পৰা আমাৰ হোটেলখনলৈ (Hampton Inn, Tropicana) মাত্র ২০ মিনিটৰ বাট। মায়াময়, ৰঙীন লছভেগাছ মহানগৰী পৰ্যটকৰ বাবে খুবেই আকৰ্ষণীয়। পৃথিৱীৰ বিভিন্ন কোণৰ পৰা অগণন পৰ্যটকে ইয়াত ভিৰ কৰেহি। তাত উপস্থিত হৈ আমি এখন বেলেগ পৃথিৱীত ভৰি দিয়া যেন অনুভৱ হ'ল। চৌদিশে বিভিন্ন ৰঙী লাইটৰ পয়োভৰ, কেৱল আনন্দত মতলীয়া সকলো। বহুত দূৰদূৰণিলৈ দুখৰ যেন কোনো চিন মোকাম নাই। ৰাতি ৰুমত ভালদৰে গা-পা ধুই অলপ পাতলীয়া আহাৰ গ্ৰহণ কৰি শুভ্ৰ কোমল বিচনাত গোটেই যাত্ৰাৰ অৱসাদ দূৰ কৰিবলৈ আমি অলপ সোনকালেই শুই পৰিলো কাৰণ পিছদিনাৰ পৰা অৰ্থাৎ ১৯ তাৰিখৰ পৰা ২১ তাৰিখলৈ আমাৰ তিনিদিনীয়া কনফাৰেন্সখন আৰম্ভ হ'ব। কিন্তু আশ্চৰ্য্যজনকভাৱে আমি ৰাতি প্রায় ২.৩০ বজা মানতে সাৰ পালো (Jet lag ৰ কাৰণে) আৰু বহুত চেষ্টা কৰিও টোপনি যাব নোৱাৰিলোঁ। আমাৰ শাৰীৰিক ঘড়ীটো (Biological Clock) চাগে তেতিয়াও নতুন পৰিৱেশৰ লগত অভ্যস্ত হৈ উঠা নাছিল।

Hampton Inn Event Centre ত আমাৰ কনফাৰেন্সখনি অনুষ্ঠিত কৰা হৈছিল। যিটো আমি থকা হোটেলখনৰ লগত সংলগ্ন হৈ আছিল। আমি হোটেলত ৰাতিপুৱাৰ আহাৰ (Breakfast) গ্ৰহণ কৰি যথাসময়ত কনফাৰেন্স ৰুমত উপস্থিত হৈছিলোঁ। Registration desk ত দুগৰাকী মহিলা বহি আছিল (তাৰ এগৰাকী South Indian

Origin)। আমি যোৱাৰ লগে লগে আমাক সম্ভাষণ জনালে আৰু আমাৰ প্ৰত্যেকৰে নাম লিখা একোখনকৈ নাম ফলক (Identity Card) দিলে ডিঙিত আঁৰি ল'বলৈ। আমাৰ প্ৰত্যেকৰে Registration kit সমূহ আমি বহা আসনত ধুনীয়াকৈ সজাই থোৱা দেখিবলৈ পালোঁ। অকণো সময় অপচয় নকৰাকৈ সকলোবোৰ কাম সুচাৰুৰূপে পৰিচালিত কৰা আমাৰ দৃষ্টিগোচৰ হৈছিল। কনফাৰেন্সখনিত ভাগ ল'বলৈ বিশ্বৰ বিভিন্ন প্ৰান্তৰ পৰা যেনে কানাডা, জাপান, ৰাছিয়া, জাৰ্মানী, ইটালী, ফ্ৰান্স, ছৌডী আৰবীয়া, আফ্ৰিকা আদি দেশৰ এশৰো অধিক লোকৰ সমাগম হৈছিল। বেলেগ দেশৰ পৰা অহা দুই এজন ভাৰতীয়কো আমি লগ পাইছিলো। বাঙ্গালুৰুৰ কলেজ এখনৰ অধ্যাপক মহিলা এগৰাকীও উক্ত আলোচনা চক্ৰখনিত অংশগ্ৰহণ কৰিছিল। তাত প্ৰত্যেকটো Session একেবাৰে সঠিক সময়ত অনুষ্ঠিত হৈছিল। আৰু অযথা সময়ৰ অপব্যৱহাৰ কৰা আমাৰ পৰিলক্ষিত হোৱা নাছিল। প্ৰথম দিনাখনেই আবেলি ৪.৩০ বজাত মই মোৰ গৱেষণা পত্ৰ পাঠ কৰিলোঁ। দেশবিদেশৰ বিভিন্ন ব্যক্তিৰ লগত মত বিনিময় কৰি বহু বহু ন-ন অভিজ্ঞতা সঞ্চিত কৰিবলৈ সক্ষম হ'লোঁ। মই পৰিধান কৰা মেখেলা চাদৰ যোৰে সকলোৰে দৃষ্টি আকৰ্ষণ কৰিছিল আৰু মই নিজেও মোৰ সাজযোৰ বিশ্ববাসীৰ আগত পৰিধান কৰি গৌৰৱান্বিত অনুভৱ কৰিছিলোঁ। পুৱা ৯ বজাৰ পৰা গধূলি ৬.৩০ মান বজালৈ আমি বিভিন্ন জনে বিভিন্ন বিষয়ত প্ৰদান কৰা আলোচনাত ভাগ লৈছিলোঁ। মাজে মাজে অৱসাদ আঁতৰাবলৈ চাহ বিৰতিৰ ব্যৱস্থা কৰা হৈছিল। চাহৰ লগতে বিভিন্ন ধৰণৰ ফলমূলৰ ৰস আৰু সুস্বাদু বিস্কুট, কেক, পেষ্ট্ৰী আদিৰ যোগান ধৰা হৈছিল। দুপৰীয়াৰ ভোজন বিৰতিত ভিন্ন ৰকমৰ সুস্বাদু ব্যঞ্জনেৰে (যদিও আমাৰ বাবে সেয়া সুস্বাদু নাছিল) আমাক আপ্যায়িত কৰিছিল। আমাৰ ল'ৰাটোৰ এইক্ষেত্ৰত যথেষ্ট কষ্ট হৈছিল। সি ব্ৰেড বাটাৰ খায়েই দিনটো পাৰ কৰিব লগা হৈছিল। তাৰ কাৰণে আমি ৰাতিৰ সাজ ভাত ইণ্ডিয়ান ৰেষ্টুৰেণ্টত খাব লগা হৈছিল। আমি বিচাৰি বিচাৰি এখন পঞ্জাৱী ৰেণ্টুৰেণ্টৰ সন্ধান পাইছিলোঁ। অলপ খৰচী যদিও তাত থকা কেইদিন আমি উদৰপূৰাই ৰাতিৰ ভাত সাজ তাতেই খাইছিলোঁ। আমাৰ ভতুৱা স্বভাৱটো বিদেশত গৈয়ো এৰিব পৰা নাছিলোঁ। এনেকৈয়ে লছভেগাছত চাৰি ৰাতি কটাই আৰু কেচিন'ৰে (জুৱাথলী) ভৰপূৰ মহানগৰীৰ ৰঙীন জীৱনৰ সোৱাদ লৈ আমি তাৰ পৰা San Diego লৈ বাছেৰে যাত্ৰা কৰিলোঁ। লছভেগাছ এৰাৰ সময়ত মনত এটা ভাৱ হৈছিল জীৱনত দুনাই হয়তো তালৈ অহাৰ সৌভাগ্য কাহানিও নঘটিব।

আমাৰ দুয়োৰে ভাল বন্ধু (গুৱাহাটী বিশ্ববিদ্যালয়ৰ স্নাতকোত্তৰ শ্ৰেণীৰ আমাতকৈ এবছৰ জুনিয়ৰ) ড° ক্ষীৰোদ গগৈৰ আমন্ত্ৰণ ক্ৰমে আমি প্ৰায় ৯ ঘণ্টা বাছেৰে যাত্ৰা কৰি লছ ভেগাছৰ পৰা San Diego ত উপস্থিত হৈছিলোগৈ। আমেৰিকা আহল-বহল আৰু মসৃণ পথেৰে কৰা বাছ যাত্ৰাটোও আছিল আমাৰ বাবে অতিকৈ আমোদজনক। আমেৰিকাৰ বাছ-আস্থানসমূহ একো-একোটা মিনি এয়াৰপ'ৰ্ট সদৃশ। ২২ তাৰিখে ৰাতি প্ৰায় ১০ বজাত আমি San Diego City পোৱাৰ আগেয়ে Escondido বুলি ঠাই এটুকুৰাত বাছৰ পৰা নামিছিলোঁ আৰু তাৰ পৰা আমাক ক্ষীৰোদে তেওঁৰ গাড়ীৰে তেওঁৰ ঘৰলৈ লৈ গৈছিল।

শিৱসাগৰৰ আমগুৰিৰ যুৱক ড° ক্ষীৰোদ গগৈ San Diego ত থকা A M Chemicals নামৰ কোম্পানী এটাত Chief chemist হিচাপে কৰ্মৰত। যোৱা প্ৰায় দহবছৰ ধৰি তেওঁ তাত বসবাস কৰি আছে। এজন দক্ষ আৰু যথেষ্ট মেধাসম্পন্ন ব্যক্তি ক্ষীৰোদে বৰ্তমান কৰ্কট ৰোগ প্ৰতিৰোধী ন-ন চিকিৎসা পদ্ধতিৰ উদ্ভাৱন তথা গৱেষণাৰ সৈতে জড়িত হৈ আছে আৰু আধুনিক স্বাস্থ্যসেৱাৰ অগ্ৰগতিত এক উল্লেখযোগ্য অৱদান আগবঢ়াই আছে।

তেওঁৰ ঘৰত সেই দিনাখন আমি নিশাৰ সাজ খুব ভালদৰে খালোঁ। ক্ষীৰোদে নিজ হাতেৰে বনোৱা কুকুৰাৰ মাংস, গৰম গৰম দালি, বেঙেনা ভাজি (আৰু বহুত কিবা কিবি) খাই একেবাৰে অসমত মানে ঘৰত থকা যেন অনুভৱ হৈছিল। তেওঁলোকৰ একমাত্ৰ ছোৱালী কণমানি পৰীয়ে আমাৰ বাবে ৰৈ ৰৈ শুই গৈছিল (যিহেতু আমাৰ ঘৰ গৈ পোৱাত অলপ পলম হৈছিল)। আচলতে আমাৰ ল'ৰা আৰণাম যাব বুলি গম পাই তাই খেলিবলৈ বাট চাই আছিল।

পিছদিনাখন পুৱা আমি পৰীক থ'বলৈ তাইৰ স্কুললৈ গ'লোঁ। স্কুলখন ওচৰতে হোৱা বাবে আমি খোজকাঢ়িয়ে গৈছিলোঁ। যাওঁতে চৌপাশৰ মনোমোহা সেউজীয়া পৰিৱেশ দেখি মনটো আপ্লুত হৈ পৰিছিল। তাত গোটেই বছৰটো বৰষুণ খুব কম হয় যদিও গছ-গছনিবোৰত কৃত্ৰিমভাৱে পানীৰ যোগান ধৰি গোটেই পৰিৱেশটো সেউজীয়া কৰি ৰখা হয়। তাৰ ঘৰবোৰ যথেষ্ট পৰিপাটীকৈ সজা আৰু মাজে মাজে পাৰ্ক সদৃশ বহুত খালী ঠাই আমাৰ চকুত পৰিছিল। তাত ল'ৰা-ছোৱালীয়ে খেলিবৰ বাবে ঘৰৰ ওচৰতে অপৰ্য্যাপ্ত খালী ঠাই আছিল যিটো আমাৰ ইয়াত আমি যথেষ্ট অভাৱ অনুভৱ কৰোঁ। যাওঁতে বাটত Middle School এখনৰ ল'ৰা-ছোৱালীয়ে বহল

খেলপথাৰখনত ৰাতিপুৱাতেই দৌৰি থকা আমি দেখিবলৈ পালোঁ। তাত পঢ়াৰ লগতে শাৰীৰিক তথা মানসিক উৎকৰ্ষ সাধনত যথেষ্ট গুৰুত্ব আৰোপ কৰা হয় বুলি ক্ষীৰোদৰ মুখত জানিব পাৰিলোঁ। দৌৰি দৌৰি গাল-মুখ ৰঙা হৈ পৰা ল'ৰা-ছোৱালীবোৰ দেখি খুব ভাল লাগিছিল।

তাত থকা কেইদিন ক্ষীৰোদেই তেওঁৰ নিজৰ গাড়ীৰে আমাক ওচৰ-পাঁজৰৰ গোটেই ঠাইবোৰ দেখুৱাইছিল। তাত ট্ৰেফিক আইন খুবেই কঠোৰ বুলি ক্ষীৰোদে আমাক জানিব দিছিল আৰু তেওঁ নিজেও বহুবাৰ কিছুমান সৰু সৰু কাৰণত জৰিমনা হিচাপে বহু ডলাৰ ভৰিব লগা হোৱাৰ তিক্ত অভিজ্ঞতাও আমাৰ আগত বৰ্ণনা কৰিছিল। তাৰ গাড়ীবোৰত আসন অনুযায়ী মানুহ বহিব লাগে। নিৰ্দিষ্ট আসনতকৈ এজনো অধিক বহিলে লগে লগে জৰিমনা ভৰিব লাগে। আমি সদা অভ্যস্ত গুৱাহাটী, নলবাৰী অহা যোৱা কৰা উইংগাৰৰ নিচিনা নহয় য'ত চাৰিজন যাত্ৰীৰ ঠাইত পাঁচজনকৈ বহি একেবাৰে অকণো লৰচৰ কৰিব নোৱাৰাকৈ নিকপ্‌কপীয়াকৈ যাত্ৰা কৰিব লাগে। গাড়ীত উঠিলেই চিটবেল্ট লগোৱাটোও বাধ্যতামূলক। মুঠতে সকলো ক্ষেত্ৰতে কঠোৰ নীতি নিয়ম আৰু সেইবাবেই দুৰ্ঘটনাৰ সংখ্যাও তেনেই তাকৰ। অসমীয়া গান শুনি শুনি গাড়ীত ক্ষীৰোদৰ লগত যাত্ৰা কৰা সময়ত আমি অসমৰ পৰা ইমান দূৰত থকাৰ কথা মাজে মাজে পাহৰিয়েই গৈছিলোঁ। তাৰ ছোৱালীজনীয়ে অসমীয়া ভালদৰে ক'ব নোৱাৰে যদিও অসমীয়া গান শুনি খুব ভাল পায়। "ফেচবুকত চাবাদেই অ' মালিনী....তাইৰ ভালপোৱা এটি গীত যিটো বাৰে বাৰে বজাই থাকিবলৈ তাই বাপেকক সজোৰে আহ্বান জনাইছিল। ক্ষীৰোদে বজোৱা গানসমূহৰ বাচনিৰ পৰা তেওঁৰ এটা খাটি আৰু নিভাঁজ অসমীয়া মনৰ উমান পোৱা যায়। বাহিৰৰ পৰা অলপ কঠোৰ যেন লাগিলেও ক্ষীৰোদ এজন কোমল হৃদয়ৰ সৰলমনৰ ব্যক্তি যিয়ে অসমৰ পৰা ইমান দূৰত থাকিও অসমৰ মাটিৰ সুগন্ধ পাহৰি যোৱা নাই।

এদিন আমি প্ৰশান্ত মহাসাগৰৰ পাৰে পাৰে থকা Coaster Trainত উঠি গোটেই দিনটো San Diego চহৰখনৰ বিভিন্ন স্থানসমূহ পৰিভ্ৰমণ কৰিলোঁ। প্ৰশান্ত মহাশাগৰৰ বিশাল জলৰাশি প্ৰত্যক্ষ কৰি আমাৰ মৰমৰ ভূপেনদাৰ বাৰুকৈয়ে মনত পৰিছিল।

এনেকৈয়ে ক্ষীৰোদৰ তাত ঘৰুৱা ভাৱে চাৰি-পাঁচদিন কটাই, তেওঁ আৰু তেওঁৰ পত্নী পল্লৱীয়ে (শিৱসাগৰৰ জীয়ৰী) বনোৱা বিভিন্ন খাদ্য-সম্ভাৰৰ জুটি লৈ আৰু তাত তেওঁ নিজে ক্ৰয় কৰা সুন্দৰ এপাৰ্টমেণ্টটোত ৰাজ আতিথ্য গ্ৰহণ কৰি আমি



পুনৰ বিমানেৰে নিউয়ৰ্কলৈ উভতি আহিলো। San Diego Airport ত আমাক বিদায় দিয়াৰ পৰত ক্ষীৰোদৰ দুচকু সেমেকি উঠিছিল আৰু মইও মোৰ চকুলো বাধা দিব পৰা নাছিলোঁ। এইখিনিতে জনাই থওঁ যে আহিবৰ সময়ত ক্ষীৰোদে নিজ হাতেৰে Chicken Biriyani বনাই আমাক বাটত খাবলৈ পেকিং কৰি দি পঠিয়াইছিল। ইমান মৰম আৰু আন্তৰিকতা আমি কাহানিও পাহৰিব নোৱাৰিম। এই চেগতে মই ক্ষীৰোদলৈ অশেষ মৰম আৰু কৃতজ্ঞতা যাঁচিছো।

San Diego ৰ পৰা আহি আমি নিউয়ৰ্কত আৰু দুৰাতি কটাইছিলো আৰু তাত আমি যথেষ্ট ঠাণ্ডা অনুভৱ কৰিছিলোঁ ($8^0$ C temperature)।

প্ৰথমদিনাখন আমি নিউয়ৰ্কৰ Liberty Island ত থকা পৰ্যটকৰ মুখ্য আকৰ্ষণ "Statue of Liberty" চাবলৈ গ'লো যিটো চোৱা হাৰিয়াস সকলোৰে মনত থাকে। আমি ফেৰীৰ টিকট আগতেই Online যোগে কৰি থোৱা কাৰণে টিকটৰ

দীঘলীয়া শাৰীত থিয় দিব লগা হোৱা নাছিল। কিন্তু তথাপিও সুৰক্ষা নিৰীক্ষণৰ বাবে আমি ফেৰীত উঠাৰ আগতে কিছুসময় লাইনত থিয় দিব লগা হৈছিল। ১৯৮৬ চনৰ জুলাই মাহত স্থাপন কৰা এই মূৰ্ত্তিটোৱে স্বাধীনতাৰ তাৎপৰ্য্যবহন কৰি আহিছে। Liberty Island ৰ পৰা গোটেই নিউয়ৰ্ক মহানগৰীৰ দৃশ্য সঁচাকৈয়ে যথেষ্ট মনোমোহা তথা আকৰ্ষণীয়। Liberty Island ৰ ওচৰতে থকা Ellis Island ও পৰ্যটকৰ বাবে আকৰ্ষণীয়কৈ সজাই তোলা হৈছে। ইয়াৰ নিচিনাকৈ আমাৰ ব্ৰহ্মপুত্ৰৰ মাজত থকা নদীদ্বীপ সমূহ যেনে উমানন্দ তথা ৰাক্ষসনী পাহাৰ আদিবোৰ ভালদৰে পৰ্যটকৰ আকৰ্ষণীয়কৈ সজাই পৰাই ল'লে অসমতো পৰ্য্যটন উদ্যোগটো ঠন ধৰি উঠিব। বৃহত্তম নদীদ্বীপ মাজুলীক লৈও এনেধৰণৰ সুপৰিকল্পিত চিন্তা-চৰ্চাৰ থল আছে। ইয়াৰ বাবে লাগে মাথোন আমাৰ শাসনযন্ত্ৰত থকা লোকসকলৰ অকণমান সদিচ্ছা।

নিউয়ৰ্কত ফুৰা সময়ছোৱাত আমি বহুতো ভাৰতীয় লোক তথা পৰিয়াল লগ পাইছিলো। বিশেষকৈ বঙালী আৰু পঞ্জাৱী মানুহ, দুই এজন দক্ষিণ ভাৰতীয়ও আছিল JFK এয়াৰপ'ৰ্টৰ পৰা নিউয়ৰ্কৰ হোটেললৈ যাওঁতে আমি পঞ্জাৱী ড্ৰাইভাৰ এজনৰ 'Cab' এখনতেই গৈছিলো। তেওঁ আনতকৈ আমাক ভাড়া অলপ কমকৈ বিচাৰিছিল। তেওঁৰ লগত গোটেই পথছোৱা আমি হিন্দীতেই কথা পাতি গৈছিলো। বিদেশত হিন্দী ক'বলৈ পাই মনটো বৰ ভাল লাগিছিল। ইয়াৰ আমেজেই সুকীয়া।

দ্বিতীয়দিনাখন আমি গোটেই দিনটোৰ কাৰণে 'Hop on Hop Off' বাছত উঠি নিউয়ৰ্ক চহৰখনৰ বিভিন্ন স্থান ভ্ৰমণ কৰিছিলো। তাৰ বাবদ আমি দিনটোৰ কাৰণে ভাৰতীয় মূল্যত প্ৰায় তেৰ হাজাৰমান ভৰিব লগা হৈছিল। খৰচী যদিও অতি ৰোমাঞ্চকৰ আছিল সেয়া অভিজ্ঞতা। দুখলপীয়া বাছখনৰ ওপৰ অংশটো একেবাৰে খালী হৈ থকা বাবে (মানে no roof) গোটেই চহৰখনৰ সুউচ্চ অট্টালিকাবোৰ ভালদৰে প্ৰত্যক্ষ কৰিবলৈ সুবিধা হৈছিল। বাছখনত থকা গাইডজনৰ পৰা গম পালো যে বেছি ভাগ অট্টালিকাই আমাৰ ভাৰত স্বাধীনতা লাভ কৰাৰ আগতেই বনোৱা। আমি সুউচ্চ Empire state Building ৰ আশী তলাৰ ওপৰলৈ গৈছিলো লিফ্‌টেৰে। যাওঁতে মাত্ৰ দুই মিনিটমানহে সময় লাগিছিল। সেই অট্টালিকাটোও ১৯৩১ চনতে সজা। তাৰ ওপৰৰ পৰা বাটপথত চলি থকা মানুহ আৰু গাড়ীবোৰ পৰুৱাসদৃশ দৃশ্যমান হৈছিল। তাৰ পাছত আমি নিউয়ৰ্কৰ Ground zero ত থকা World Trade Centre লৈ গৈছিলোঁ। য'ত এসময়ত আমেৰিকাৰ স্বাভিমানৰ প্ৰতীক Twin Tower দুটা সগৌৰৱে থিয় দি আছিল। ১৯৭৩ চনতে নিৰ্মাণ কৰা টাৱাৰ দুটা ২০০১ চনৰ চেপ্তেম্বৰ মাহৰ ১১ তাৰিখে লাডেনৰ ধ্বংসাত্মক কুকাৰ্য্যৰ দ্বাৰা এক ধ্বংসস্তূপত পৰিণত হৈছিল। সেইবাবে উক্ত স্থানখিনি বৰ্তমান Ground zero নামেৰে নকৈ অভিহিত কৰা হৈছে। উক্ত স্থানত বৰ্তমানে এটা আটকধুনীয়া ফোঁৰৰা (Fountain) নিৰ্মাণ কৰা হৈছে আৰু সেই ঘটনাটোত প্ৰাণ হেৰুওৱা প্ৰতিজন লোকৰে নাম তেওঁলোকৰ স্মৃতিস্বৰূপে চৌপাশৰ বেৰত খোদিত কৰা হৈছে। কাষতে এটা আধুনিক কাৰ্য্যশৈলীৰে আটকধুনীয়া স্মৃতিসৌধ সাজি উলিওৱা হৈছে। সেই স্থানতে "Freedom Tower" নামেৰে World Trade Centre ৰ অট্টালিকা এটা নতুনকৈ নিৰ্মাণ কৰি উলিয়াইছে। নিৰ্মাণকাৰ্য্য আৰম্ভ হৈছিল ২০০৬ চনত আৰু ইয়াক সম্পূৰ্ণ কৰা হৈছিল ২০১৪ চনত। ইমান কম সময়ৰ ভিতৰত সম্পূৰ্ণ কৰি উলিওৱা অট্টালিকাটোৰ নিৰ্মাণশৈলী সঁচাই শলাগ ল'বলগীয়া।

Ground zero অঞ্চলত থকা বিপণীসমূহৰ কেবাখনো বাংলাদেশীলোকৰ বুলি আমি গম পাইছিলোঁ। নিউয়ৰ্কত লগ পোৱা বাংলাদেশী মানুহবোৰক একেবাৰে আপোন যেন লাগিছিল (যদিও অসমত কথাটো অলপ সুকীয়া)। এনেদৰে গোটেই দিনটো নিউয়ৰ্কৰ বিভিন্ন অলি গলি পৰিভ্ৰমণ কৰি নিশা আমি আমাৰ হোটেলৰ কোঠালৈ উভতি গ'লোঁ।

২৯ অক্টোবৰ, ২০১৭। আমি আমাৰ স্বদেশ ভূমিলৈ উভতি অহাৰ দিন। ৰাতিপুৱাৰ পৰা কিনকিনীয়া বৰষুণ এজাক পৰি আছিল। ৰাতিপুৱা অলপ দেৰিকৈ শোৱাপাটী এৰিছিলোঁ। ঠাণ্ডাৰ কাৰণে উঠিব মন যোৱা নাছিল। খিৰিকীৰে বাহিৰলৈ চাই পঠিয়াইছিলোঁ। একেবাৰে শান্তিৰ পৰিৱেশ, নাই অকনো হাই উৰুমি। চৌপাশে একেবাৰে পৰিষ্কাৰ বাতাৱৰণ। বিশাল আকাশখনৈ চালে অকণো ভাৱ নহয় আমি যে বিদেশত আছোঁ। নানান অভিজ্ঞতা আৰু স্মৃতিৰ সুবাস আমাৰ হৃদয়ৰ মণিকোঠাত সযতনে সাঁচি আমি তাৰ পৰা বিদায় ল'লোঁ। ■



# নলবাৰী মহাবিদ্যালয়ৰ পৰা শিৱসাগৰলৈ

■ পৰাগ কলিতা
*স্নাতক পঞ্চম ষাণ্মাসিক, ইতিহাস বিভাগ*

বিদ্যালয় বা মহাবিদ্যালয়ত অধ্যয়নত ব্ৰতী থকা ছাত্ৰ-ছাত্ৰীৰ বাবে শিক্ষামূলক ভ্ৰমণৰ অতীব প্ৰয়োজন। শিক্ষামূলক ভ্ৰমণে ছাত্ৰ-ছাত্ৰীক আনন্দ দিয়াৰ উপৰিও কোনো এখন ঠাইৰ ভৌগোলিক অৱস্থা, ঐতিহাসিক গুৰুত্ব আৰু তাৰ বৰ্তমানৰ সমগ্ৰ দিশ সুন্দৰভাৱে বুজাত সহায় কৰে। ইয়াৰ ফলত ছাত্ৰ-ছাত্ৰীৰ পাঠ্যপুথিৰ বিষয় বস্তুয়ো সহজে বোধগম্য হয়। এনে উদ্দেশ্যৰেই আমাৰ নলবাৰী মহাবিদ্যালয়ৰ প্ৰায়বোৰ বিভাগৰ পৰা শিক্ষামূলক ভ্ৰমণলৈ যোৱা হয়। এই বৰ্ষত (২০১৭-১৮) আমাৰ মহাবিদ্যালয়লৈ এটি চৰকাৰী অনুদান অহাত আমি মহাবিদ্যালয়ৰ তৰফৰ পৰা এটি ভ্ৰমণৰ সুবিধা পালোঁ। নলবাৰী মহাবিদ্যালয়ক প্ৰতিনিধিত্ব কৰা আমাৰ দলটিত ১৩ টা বিভাগৰ নিৰ্বাচিত দুগৰাকীকৈ ছাত্ৰ-ছাত্ৰী আছিল। ইতিহাস প্ৰসিদ্ধ শিৱসাগৰৰ প্ৰাচীন কীৰ্তিচিহ্ন আৰু যোৰহাটৰ ঐতিহ্যমণ্ডিত কেইখনমান নিৰ্ধাৰিত ঠাই আছিল আমাৰ লক্ষ্য। ইতিহাসৰ ছাত্ৰ হিচাপে মই এই ভ্ৰমণটোৰ বাবে খুবেই আগ্ৰহী আছিলোঁ। ২৬ জনীয়া ছাত্ৰ-ছাত্ৰীৰ দলটোৰ লগত আছিল আমাৰ মহাবিদ্যালয়ৰ পদাৰ্থ বিজ্ঞান বিভাগৰ অধ্যাপক শ্ৰীযুত অনন্ত ৰাজবংশী ছাৰ, ৰসায়ন বিভাগৰ ড° ৰূপম শৰ্মা ছাৰ আৰু ড° ধঞ্জুমণি পাঠক বাইদেউ, ইংৰাজী বিভাগৰ শ্ৰীযুত ৰতন ডেকা ছাৰ আৰু ৰাজনীতি বিজ্ঞান বিভাগৰ শ্ৰীযুতা কাবেৰী দত্ত বাইদেউ।

২৩/১০/২০১৭ ইং তাৰিখ সোমবাৰে ৰাতিপুৱা আমাৰ দলটোৰ মহাবিদ্যালয় চৌহদৰ পৰা যাত্ৰা আৰম্ভ হৈছিল। ৩১ নং ৰাষ্ট্ৰীয় ঘাই পথেৰে আমাৰ বাছখন কিছুদূৰ গৈ থকাৰ পিছতেই আমাৰ মাজত আনন্দৰ ৰোল উঠিল। গোটেই যাত্ৰাকালত আমাৰ মাজত নানা ধেমালী হয় আৰু আবেলি আমি কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যান পালোগৈ। পথৰ পৰাই কাজিৰঙাখন চালো আৰু দূৰৰ পৰা গঁড়, ম'হকে আদি কৰি ভালেমান জীৱ-জন্তু দেখিলোঁ। সঁচাকৈয়ে গভীৰ অৰণ্যৰে ভৰা আমাৰ কাজিৰঙাখন অনন্য। তাৰ পৰা গৈ আমি কাজিৰঙা 'অৰ্কিড আৰু জৈৱ-বৈচিত্ৰ উদ্যান'ত সোমালো। নানান প্ৰকাৰৰ অৰ্কিডৰ স'তে চিনাকী হৈ ভাল লাগিল; কিন্তু সেইটো সময়ত অৰ্কিডবোৰ ফুলি থকা নাছিল। তাত এখন বনৌষধি বাগিছাও আছে। উদ্যানত পৰ্যটকৰ বাবে থকা মুকলি মঞ্চত বিহু নৃত্য আৰু মিছিং বিহু নৃত্য উপভোগ কৰি বৰ ভাল লাগিল। তাৰ পৰা আকৌ যাত্ৰা আৰম্ভ হ'ল আৰু এক দীঘলীয়া যাত্ৰাৰ অন্তত নিশা ৯ বজাত শিৱসাগৰ চহৰৰ নিৰ্দিষ্ট হোটেল বৃন্দাবন পালোঁ। হোটেলত হাত-মুখ ধুই অলপ জিৰণি ললোঁ। নৈশ আহাৰ গ্ৰহণৰ পিছত শুৱৰ সময়ত উজনিৰ গোটেই যাত্ৰাকালত এৰি থৈ অহা চাহ বাগিছাবোৰলৈ মনত পৰি থাকিল।

২৪/১০/২০১৭ ইং তাৰিখ মংগলবাৰে ৰাতিপুৱাৰ লঘু আহাৰ গ্ৰহণৰ পিছত আমাৰ দলটোৱে শিৱসাগৰৰ ঐতিহ্য ক্ষেত্ৰ চৰাইদেউ নগৰৰ অভিমুখে যাত্ৰা আৰম্ভ কৰিলোঁ। ১০.৩০ বজাত আহোম ৰাজবংশৰ প্ৰথম ৰাজধানী চহৰ চৰাইদেউত উপস্থিত হ'লোঁ। চৰাইদেউত আহোম শাসনৰ প্ৰতিষ্ঠাপক চাওলুং চুকাফাকে আদি কৰি ভালেমান আহোম স্বৰ্গদেউ আৰু ৰাজ পৰিয়ালৰ লোকৰ মৈদাম আছে। চৰাইদেউৰ মৈদামসমূহৰ সন্মুখত থিয় হ'ব পাই মই বৰ সুখী অনুভৱ কৰিছিলোঁ। কিয়নো ইতিহাসৰ ছাত্ৰ হিচাপে এই মৈদামবোৰ চোৱাৰ হাবিয়াস এটা বহুদিনৰে পৰা আছিল। সঁচাকৈয়ে আহোম সকলৰ বীৰত্ব প্ৰসংশনীয়। ইজিপ্তৰ পিৰামিড নিৰ্মাণৰ ক্ষেত্ৰত ৰজাৰ যি "মৃত্যুৰ পৰৱৰ্তী জীৱন'ৰ ধাৰণাৰ সৃষ্টি হৈছিল সেই একে ধাৰণাতে আহোম সকলেও ৰজাৰ শৰদেহ মৈদামত থৈছিল। চৰাইদেউত ছাৰ-বাইদেউ সহিতে আটায়ে ভালেকেইখন গ্ৰুপ ফটো উঠিলো আৰু সেই মুহূৰ্তবোৰ বৰ আনন্দদায়ক হৈ ৰ'ল। কিন্তু ইয়াৰ বিপৰীতে চৰাইদেউৰ বৰ্তমানৰ অৱস্থা দেখি মনলৈ দুটামান

প্ৰশ্ন আহিল। কিয়নো যি পৰ্যায়ত এই মৈদামবোৰ থাকিব লাগিছিল বা থকা বুলি ভাবিছিলো সেই অৱস্থাত নাই। মই মৈদামৰ ওপৰত উঠা বাধা থকা বুলি ভাবিছিলোঁ। যিহেতু এয়া ৰাজকীয় সমাধি। কিন্তু জোতা-চেণ্ডেলেৰে উঠি তাৰ ওপৰত নিদাৰুণভাৱে খোজ দিলেও চাওঁতা কোনো নাই। এটা বৃহৎকাৰৰ মৈদাম প্ৰায় সম্পূৰ্ণ ধংস হৈছে; তাৰ একো সংৰক্ষণৰ ব্যৱস্থা নাই। তাত কৰ্মৰত টিকট মাষ্টৰজনৰ লগত বন্ধু ৰাজীৱ আৰু মোৰ কিছু কথা পতাৰ সুযোগ হৈছিল। তেখেতৰ প্ৰশ্নোত্তৰত মোৰ ভাল লগা অনুভৱখিনিৰে স'তে বেয়া লগাখিনিও ব্যক্ত কৰিলোঁ। তেখেতেও বৰ দুখ প্ৰকাশ কৰি বহি ৰাজ্যৰ তুলনাত অসমৰ ঐতিহাসিক ক্ষেত্ৰৰ অৱস্থা নিম্নমানৰ হোৱাৰ বহুত কাৰণ ক'লে। শেষত মই অনুভৱ কৰিলো অসমীয়া জাতি হিচাপে আমাৰ কৰিবলগীয়া যথেষ্ট আছে, আমি এনেয়ে দল-সংগঠন, চৰকাৰ, বিভাগ গঠন কৰি থাকিলে নহ'ব। যি নহওঁক মানুহজনৰ লগত কথা পাতি বৰ ভাল লাগিল।

চৰাইদেউৰ পৰা ওভতি আমি আহোমৰ অন্যতম ৰাজধানী গড়গাঁওৰ কাৰেং ঘৰত সোমালোঁ। এই ৰাজপ্ৰসাদটিৰ স্থাপত্য-ভাস্কৰ্য অতি মনোমোহা। মধ্যযুগৰ অসমৰ স্থাপত্য-ভাস্কৰ্যৰ অন্যতম নিদৰ্শন গড়গাঁৱৰ কাৰেংঘৰটোৰ শিখৰত উঠি আমি আটায়ে ফটো উঠিলোঁ। কাৰেংঘৰৰ ভৱিষ্যৎ সম্পৰ্কেও মগজুত ভালেমান চিন্তা আহিছিল। দুপৰীয়া আহাৰৰ বাবে হোটেললৈ আহিলোঁ। আবেলি ৩.৩০ বজাত আকৌ যাত্ৰা আৰম্ভ কৰিছিলোঁ অসম বুৰঞ্জীৰ অন্যতম আকৰ্ষণ তলাতল ঘৰলৈ, যিটো-আহোমসকলৰ স্থাপত্যৰ উৎকৃষ্ট নিদৰ্শন। এই বিশাল আকৃতিৰ ঘৰটো স্বৰ্গদেউ ৰুদ্ৰ সিংহই ৰজা আৰু ৰাজপৰিয়ালৰ সুৰক্ষাৰ বাবে নিৰ্মাণ কৰাইছিল। তলাতল ঘৰৰ নিৰ্মাণ কাৰ্য অতি -আশ্চৰ্যজনক। তাৰ পৰা গৈ আমি জয়সাগৰ পুখুৰীৰ স'তে জয়দৌল চালোঁ। তাৰ প্ৰাকৃতিক পৰিৱেশ বৰভাল লাগিল আৰু তাৰ পাৰতে থকা শিৱসাগৰ মহাবিদ্যালয়খনো অতি উন্নতমানৰ আৰু দেখিবলৈ সুন্দৰ। তাৰ পৰা ওভতি শিৱসাগৰ চহৰৰ সমীপতে থকা ৰংঘৰ চালো। এই ৰং ঘৰৰ চ'ৰাতে বহি আহোম স্বৰ্গদেউসকলে বিহু আৰু ম'হ যুঁজ, কুকুৰা যুঁজ, শেন চৰাইৰ যুঁজ আদি খেল উপভোগ কৰিছিল। অতি মনোৰম এই ৰংঘৰটো সমগ্ৰ অসমীয়া জাতিৰ আপুৰুগীয়া সম্পদ। সন্ধিয়া সময়ত আমি শিৱসাগৰ বৰপুখুৰীৰ পাৰত অৱস্থিত শিৱদৌল, বিষ্ণুদৌল আৰু দেৱী দৌল দৰ্শন কৰিলোঁ। আহোম স্বৰ্গদেউ শিৱসিংহৰ দিনত ৰাণী অম্বিকাই শিৱসাগৰ বৰপুখুৰী খন্দাই আৰু বৃহৎ শিৱদৌল নিৰ্মাণ কৰাইছিল। এই মন্দিৰত বৰ্তমানো পূজা-অৰ্চনা কৰা হয়। অসমৰ আটাইতকৈ ওখ শিৱদৌল অসমৰ স্থাপত্য-ভাস্কৰ্যৰ গৌৰৱ। শিৱদৌলৰ পৰাই নিঃসন্দেহে, ৰজা যে শৈৱ পন্থাৰ আছিল তাৰ প্ৰমাণ পাওঁ। সেই মধুময় সন্ধিয়াটোত খোজকাঢ়ি কিছু সময় শিৱসাগৰ নগৰ ফুৰিলোঁ। সন্ধিয়া ৮ বজাত আমাৰ দলটোৰ মাজত হোটেলত সাংস্কৃতিক অনুষ্ঠান হ'ল। তাত আটায়ে নিজৰ নিজৰ প্ৰতিভা প্ৰদৰ্শন কৰি সকলোকে আনন্দ দিলে বৰ আনন্দময় অনুষ্ঠান হৈছিল আৰু আমাৰ স'তে ছাৰ-বাইদেউ সকলো একাকাৰ হৈ পৰিছিল।

২৫/১০/২০১৭ ইং তাৰিখে ৰাতিপুৱাৰ আহাৰ গ্ৰহণৰ কৰি হোটেল এৰিলোঁ। যোৰহাটৰ ঢেঁকীয়াখোৱা বৰ নাম ঘৰত উপস্থিত হোৱাৰ উদ্দেশ্যে দিখৌ নৈ আৰু তাৰ ওপৰত থকা ব্ৰিটিছৰ দিনৰ কপিকল দলং, নামদাংৰ শিলৰ সাঁকো সকলো এৰি আহিলোঁ। ঢেকীয়া খোৱা বৰনাম ঘৰৰ ভক্তি ৰস মিশ্ৰিত পৰিৱেশটো বৰ ভাল লাগিল। সঁচাকৈয়ে গুৰু শ্ৰীশ্ৰীমাধৱদেৱে তাত এখন সুন্দৰ সমাজ প্ৰতিষ্ঠা কৰি থৈ গৈছে। দুপৰীয়াৰ আহাৰ এখন সুন্দৰ ৰেষ্টুৰেণ্টত গ্ৰহণ কৰিলোঁ। আবেলিটো যোৰহাটৰ চুকাফা সমন্বয় ক্ষেত্ৰত পাৰ কৰিলোঁ। নৱ নিৰ্মিত চুকাফা সমন্বয় ক্ষেত্ৰৰ সংগ্ৰহালয়টো অতি বিতোপন আৰু উৎকৃষ্টমানৰ। আহোমৰ সময়ৰ অসমীয়া সকলো জাতি-জনগোষ্ঠী আৰু আহোমৰ বীৰত্ব প্ৰদৰ্শন কৰি নিৰ্মাণ কৰা মুৰ্ত্তি আৰু চিত্ৰবোৰে আমাক আত্ম বিভোৰ কৰিছিল। সংগ্ৰহালয়টোত আহোম যুগৰ বৰটোপ, কাপোৰ-কানিকে আদি কৰি ভালেমান বস্তু সংৰক্ষিত হৈ আছে। আবেলি ৪ বজাত সংগ্ৰহালয়টো বন্ধ হয় বাবে আমি খুব কম সময় পাইছিলো আৰু ভালেমান বস্তু চাবলৈ ৰৈ গৈছে।

চুকাফা সমন্বয় ক্ষেত্ৰৰ পৰা আমি ঘৰলৈ তথা নলবাৰীলৈ ওভতি আহিলো অৰ্থাৎ আমাৰ চাবলগীয়া ঠাইৰ সমাপ্তি ঘটিল। সন্ধিয়াটোৰ পৰা আৰম্ভ কৰি ওৰে ৰাতিটো আমি আটায়ে মিলি নানা গীত জুৰিছো, খেল খেলিছোঁ, নাচিছোঁ। সকলো বন্ধু-বান্ধৱীৰ স'তে মিলি এটি বৰ বিৰল নিশা কটালোঁ। এই স্মৃতিবোৰে জীৱনত সদায়ে সুখ দি যাব। আমি বোৱাৰী পুৱাই নলবাৰী পালো আৰু আমাৰ যাত্ৰাৰ অন্ত পৰিল। আমাৰ এই তিনিদিনীয়া ভ্ৰমণকালত আটাইগৰাকী ছাৰ-বাইদেউয়ে আমাক সুন্দৰভাৱে গাইড দিছে আৰু সম্পূৰ্ণৰূপে আমাৰ লগত সহযোগ কৰিছে। সেয়ে ছাৰ-বাইদেউ সকলোলৈ ধন্যবাদ আৰু কৃতজ্ঞতা জনাইছোঁ। মহাবিদ্যালয়ৰ অধ্যক্ষ মহোদয়ে আমাক এই সুবিধাকণ দিয়া বাবে তেখেতলৈ ধন্যবাদ আৰু কৃতজ্ঞতা থাকিল। লগতে আমাৰ বিভাগৰ মুৰব্বী অধ্যাপক ড° শৰ্মা ছাৰে মোক বাছনি কৰি এই সুযোগ দিয়া বাবে তেখেতৰ ওচৰত মই চিৰকৃতজ্ঞ। শেষত, আমাৰ যাত্ৰাৰ সতীৰ্থ সকলো বন্ধু-বান্ধৱীকে এই সীমাহীন আনন্দ দিয়া বাবে বহুত বহুত ধন্যবাদ। ■

মুকলি আলাপ

*যাৰ আঙুলিত ধৰি সেউজীয়া হয়*
*নৱপ্ৰজন্মৰ কবিতাৰ পথাৰ,*
*যাৰ চেতনাত পাগ্‌লাদিয়া,*
*কলমত কবিতাৰ ধাৰ।*

# কবিতাক জনমুখী কৰাৰ অতন্দ্ৰ প্ৰহৰী জনপ্ৰিয় কবি প্ৰণৱ কুমাৰ বৰ্মন।

— সম্পাদনা সমিতি

**১। সেইবোৰ কথা নতুবা ঘটনা কি আছিল, যিয়ে আপোনাক কবিতা লিখিবলৈ অনুপ্ৰাণিত কৰিছিল। আপোনাৰ প্ৰথমটো কবিতা? আপোনাৰ দৃষ্টিত আপোনাৰ শ্ৰেষ্ঠ কবিতাটো কি বুলি আপুনি ভাবে?**

**উত্তৰ ঃ** সেই নিৰ্জন দুপৰীয়াবোৰ য'ত মাৰ মুখৰ সাধুকথাবোৰে লৈ গৈছিল কল্পনাৰ অসীম জগতলৈ আৰু পঢ়ি পুলকিত হোৱা দেশ-বিদেশৰ সাধুকথাবোৰ আৰু গদ্যবোৰ এইবোৰে লৈ গৈছিল পদ্যৰ জগতলৈ - ছন্দ মিলাই লিখা সেই দিনবোৰ। সেয়াই আৰম্ভণি আৰু প্ৰেৰণা।

মোৰ নিজৰে ভাল লগা কবিতা- বিৰিয়া লৈ দেউতা যায় বজাৰলৈ।

**২। বৰ্তমানৰ যুৱসমাজক সাধাৰণতে কোৱা হয় যে, তেওঁলোকে কিতাপ নপঢ়ে, লিখা-মেলা নকৰে বা কৰিলেও তাৰ গুণগত মান নিম্নখাপৰ। এনেকুৱা হাজাৰ প্ৰশ্নৰ পাছতো নৱ-প্ৰজন্মৰ ভালেমান কবি-সাহিত্যিকে নিজকে প্ৰতিষ্ঠা কৰিবলৈ সক্ষম হৈছে, বা গ্ৰন্থমেলাসমূহতো কিতাপৰ বিক্ৰীৰ হাৰ দ্ৰুতহাৰত বৃদ্ধি পাই আহিছে। গতিকে নৱ-প্ৰজন্মৰ জনপ্ৰিয় কবি হিচাপে আপুনি কিতাপ পঢ়াৰ ক্ষেত্ৰত নাইবা লিখা-মেলাৰ ক্ষেত্ৰত যুৱ সমাজক কিধৰণে উৎসাহিত কৰিব বিচাৰে?**

**উত্তৰ ঃ** যুৱ প্ৰজন্মৰ এচামে গ্ৰন্থ অধ্যয়ন নকৰাৰ কাৰণ সামাজিক পৰিবেশ। বিশেষকৈ ঘৰুৱা পৰিবেশ- অভিভাৱকে ভাবে পাঠ্যপুথিৰ বাহিৰত অন্য গ্ৰন্থৰ সান্নিধ্যই সন্তানৰ কেৰিয়াৰ বৰবাদ কৰিব পাৰে। একেদৰে অন্য এচামে মনোৰঞ্জনৰ মাধ্যম হিচাপে অন্য প্ৰযুক্তিগত আহিলাৰ সুযোগ লৈ তাত মত্ত হৈছে। কিন্তু তাৰ




উল্লেখনীয়ভাবে 'তৰুণ প্ৰজন্মৰ এজাকে গ্ৰন্থ অধ্যয়নেৰে নিজৰ জীৱন

জীপাল কৰি ৰাখিছে। তেনেদৰে এচামে সাহিত্য চৰ্চা কেৱল গ্লেমাৰ অৰ্জনৰ মাধ্যম হিচাপে ভাবিছে- অধ্যয়ন আৰু সাধনা অবিহনে। অৱশ্যে ব্যতিক্ৰমী ভাৱে গভীৰ মনোযোগেৰে চৰ্চা অব্যাহত ৰাখিছে আৰু সকলো হৈছে উৎকৃষ্ট সৃষ্টিত। অধ্যয়নে যে কেৱল সাহিত্য চৰ্চাতে সহায় কৰে এনে নহয়- ই এক গভীৰ জীৱন দৰ্শন আহৰণ কৰাত সহায় কৰে। মানুহক আশাবাদৰ পথেৰে লৈ যায়- সকলো নৈৰাশ্য আৰু নৈৰাজ্যৰ অৱসান ঘটোৱাত সহায় কৰে। নিৰ্বাচিত মহৎগ্ৰন্থ অধ্যয়ন মানুহৰ মৌলিক কৰ্তব্য।

**৩। সাম্প্ৰতিক সময়ৰ পাঁচজন কবি, যাৰ লেখাই আপোনাক উদ্বুদ্ধ কৰে?**

**উত্তৰ ঃ** নাম কোৱাটো কঠিন। মই সৌৰভ শইকীয়া বা অজিৎ গগৈৰ কবিতা পঢ়ি ভালপাওঁ। চেনীৰাম গগৈৰ কবিতাও মোৰ প্ৰিয়। একেবাৰে তৰুণৰ নাম ক'বলৈ হ'লে- অলকেশ কলিতা, কৌশিক কিশলয়, জোনমণি দাস, ৰাহুল প্ৰিয়ম মহন্ত, দ্বিজেন কুমাৰ দাসৰ কবিতা সজাগ ভাবে পঢ়ি আছো।

**৪। ইতিহাস ফঁহিয়াই চালে দেখা যায়, অতীজৰে পৰা কবিতা সমাজ পৰিবৰ্তনৰ নাইবা বিপ্লৱৰ মাধ্যম হিচাপে ক্ৰিয়া কৰি আহিছে। আপুনিও দেখিছে অসমৰ বেয়া দিন, তাক দেখি আপুনি লিখা এটা কবিতাৰ নাম কওঁক, যিয়ে তেনেকুৱা বেয়াদিনবোৰৰ প্ৰত্যাহ্বান হিচাপে থিয় দিব সক্ষম হৈছে বুলি আপোনাৰ ভাৱ হয়?**

**উত্তৰ ঃ** কবিতাৰ প্ৰভাৱ তৎকালীন বা তাৎক্ষণিক নহয়। ই ধীৰে ধীৰে মানুহৰ মনোজগতক প্ৰভাৱিত কৰে। সেয়ে কবিতাৰে বিপ্লৱ বা সমাজ পৰিৱৰ্তন প্ৰত্যক্ষভাৱে সম্ভৱ নহয়। কিন্তু যেতিয়া জনজাগৰণ হয় অথবা বৈপ্লৱিক পৰিস্থিতিৰ উদ্ভৱ হয় তেতিয়া কবিতাই মানুহক প্ৰৱল ভাবে উদ্দীপনা জনায়। হিকমত, নেৰুদা আৰু বহু কবিৰ নাম ল'ব পাৰি। পৰিস্থিতি সাপেক্ষে কবিতা বিপ্লৱৰ সহযোগী সহোদৰ। আমি সেই পৰ্যায়লৈ উধাব পৰা নাই।

**৫। প্ৰতিগৰাকী সফল ব্যক্তিৰ আঁৰত এগৰাকী নাৰীৰ হাত থাকে। আপোনাৰ সফলতাৰ আঁৰৰ সেই নাৰীগৰাকী বুলি আপুনি কাক স্থান দিব বিচাৰে?**

**উত্তৰ ঃ** তেনে কোনো নাই।

**৬। আপোনাৰ প্ৰথম প্ৰেম? প্ৰেম, যৌৱন আৰু মৃত্যু বিষয়ত আপোনাৰ ধাৰণা কি? আপোনাৰ জীৱনৰ সাগৰিকা বৰদলৈজনী কোন?**

**উত্তৰ ঃ** প্ৰথম প্ৰেম সোঁৱৰণিৰ ছাঁ হৈ হৃদয় এৰি গহন এন্ধাৰৰলৈ গুছি গৈছে। প্ৰেম নিদ্ৰাহীন সভ্যতাৰ শ্লিপিং ইনজেকচন। যৌৱন মানে বিপ্লৱত বিশ্বাস আৰু অংশগ্ৰহণ। মৃত্যু চেতনাই আমাৰ সৃষ্টিক দিয়ে অনন্য গতিশীলতা।

**৭। আপোনাৰ মতে সুস্থ-সুখী আৰু সফল জীৱনৰ দৰ্শন কি? আপুনি নিজৰ জীৱনক লৈ সুখী নে?**

**উত্তৰ ঃ** জীয়াই থকাৰ মূলমন্ত্ৰ সহযোগিতা। আনক সুখী কৰি নিজে সুখী হোৱাৰ দৰ্শনত মই বিশ্বাসী।

**৮। বৰ্তমান সংঘটিত হৈ থকা সমাজৰ নানা অপৰাধজনিত ঘটনাবোৰ ৰোধ কৰাৰ বাবে কবিতাৰে মানুহক সজাগ কৰিব নোৱাৰে নে? যদি পাৰি তেন্তে এইক্ষেত্ৰত আপোনাৰ ভূমিকা সম্পৰ্কে আমাক জনাব নেকি?**

**উত্তৰ ঃ** মানুহৰ মানসিকতা সলনি কৰিব নোৱাৰিলে আইন বা ফাইনেৰে অপৰাধ নিৰ্মূল কৰিব নোৱাৰি। এক জ্ঞানৰ জাগৰণেহে এই কাম সম্ভৱ কৰিব পাৰে। তদুপৰি কবিতাৰ সলনি মাতৃজাতিক এই জাগৰণত সজাগ সহযোগী কৰি ল'ব লাগিব। আমি তেনে এক জ্ঞানৰ জাগৰণ আৰু দৰিদ্ৰতা নিৰ্মূলৰ বাবে অৰ্থনৈতিক কাৰ্যসূচী গ্ৰহণ কৰিছো। আৰ্থিক অৱস্থাও অপৰাধৰ অন্যতম কাৰণ।

**৯। সাহিত্যচৰ্চা কৰি অসমত এগৰাকী যুৱক-যুৱতীয়ে আত্মনিৰ্ভৰশীল হোৱাৰ সপোন দেখিব পাৰে নে নাই?**

**উত্তৰ ঃ** নোৱাৰে।

**১০। বলিউডৰ 'নায়ক' ছবিখনৰ দৰে যদি আপোনাক এদিনৰ বাবে দেশৰ মুৰব্বীৰ দায়িত্ব দিয়া হয়, আপোনাৰ প্ৰথম কৰণীয় কি হ'ব?**

**উত্তৰ ঃ** গাঁও চহৰৰ প্ৰতিগৰাকী নাৰীকে এক জ্ঞান অভিযানৰ অংশীদাৰ কৰি প্ৰতিগাঁৱতে পুথিভঁৰাল স্থাপন কৰি তালৈ প্ৰতিজন নাগৰিকৰ আগমন বাধ্যতামূলক কৰিম।

**১১। কংক্ৰিটৰ পৃথিৱী নতুবা প্ৰযুক্তিৰ হেঁচা-ঠেলাৰ পৰা আঁতৰি আপুনি আপোনাৰ পৃথিৱীত জীয়াই থাকি ভাল পায়। যাৰবাবে আপোনাৰ অনুৰাগীসকলে দূৰভাষত আপোনাক নাপাই সমস্যাত পৰিবলগা হয়। আচলতে আপুনি দূৰভাষ ব্যৱহাৰ নকৰাৰ আৰৰ কথাখিনি আমাক জনাব নেকি?**

**উত্তৰ ঃ** মই এক প্ৰাকৃতিক সৰল জীৱনৰ পক্ষপাতী। প্ৰয়োজন নহ'লে আধুনিক প্ৰযুক্তিৰ ব্যৱহাৰৰ পৰা দূৰৈত থাকো। প্ৰকৃতিৰ মাজত জীৱন কটাই ভালপাওঁ।

**১২। "ব্ৰহ্মপুত্ৰ অধ্যয়ন উৎসৱ"ৰ যোগেদি আপুনি সৰু ল'ৰা-ছোৱালীৰ মাজত কিতাপ পঢ়াৰ পৰিবেশ এটা গঢ় দিয়াৰ লগতে ভাল কিতাপ বাচনি কৰি পঢ়াৰ বাবে কিশোৰসকলক প্ৰত্যক্ষ নেতৃত্ব দিয়া আমি দেখিব পাইছো। আপোনাৰ এই পৰিকল্পনাৰ সবিশেষ আমাক জনাব নেকি?**

**উত্তৰ ঃ** এই ধাৰণাটো বিদেশৰ পৰা আনিছো। অধ্যয়ন

উৎসৱ ভাৰতবৰ্ষত নাই। পুথিভঁৰাল আছে যদিও তৰুণ প্ৰজন্ম লাইব্ৰেৰীৰ প্ৰতি আগ্ৰহ নাই। সেইবাবে আমি গ্ৰন্থ অধ্যয়নক উৎসৱ হিচাপে বিভিন্ন গ্ৰামাঞ্চলত ভ্ৰাম্যমাণ হিচাপে উদ্‌যাপন কৰিবলৈ লৈছো। ব্যাপক সঁহাৰিৰে এই অধ্যয়ন উৎসৱ বিভিন্ন প্ৰান্তত উদ্‌যাপিত হৈ আছে। খেলপথাৰ বা মুকলিত আমি গ্ৰন্থবোৰ তিনি-চাৰিদিনৰ বাবে উলিয়াই দিও। তাত ল'ৰা-ছোৱালীবোৰে আহি গ্ৰন্থৰ সুবাস লয়।

**১৩। এগৰাকী প্ৰখ্যাত অসমীয়া কবিয়ে 'কবিতাৰ স্কুল' নিৰ্মাণৰ পৰিকল্পনা কৰিছিল, আপুনি বাৰু এইক্ষেত্ৰত কি ক'ব বিচাৰে ?**

**উত্তৰ ঃ** তেওঁ পৰিকল্পনা কৰিছিল- আমি নলবাৰীত আৰম্ভ কৰিছো ২০১৮ চনৰ জুলাইৰ পৰা Assam school of poetry and creative writings.

**১৪। আপোনাৰ লিখা-মেলাৰ ক্ষেত্ৰত হোষ্টেল জীৱনৰ প্ৰভাৱ সম্পৰ্কে আমাক জনাব নেকি ?**

**উত্তৰ ঃ** দীঘলীয়া হোষ্টেলীয়া জীৱনে (৯ বছৰ) মোৰ কবিতাৰ বিস্তৰ ক্ষতি কৰিছে।

**১৫। আপুনি কবিতাৰে নানা সময়ত ৰাজনৈতিক ক্ষেত্ৰখনক সমালোচনা কৰা দেখা পাওঁ। নিজেই প্ৰত্যক্ষ ৰাজনীতিত অংশগ্ৰহণ কৰি প্ৰচলিত ব্যৱস্থা পৰিবৰ্তন কৰাৰ আপোনাৰ কিবা পৰিকল্পনা আছে নেকি ?**

**উত্তৰ ঃ** সাম্প্ৰতিক পৰিস্থিতিত সামগ্ৰিক ভাবে বাও বা সো দল সমূহে দেশৰ কিবা পৰিৱৰ্তন কৰিব পাৰিব বুলি কোনেও চাগৈ বিশ্বাস নকৰে। জনপ্ৰতিনিধিৰ আচৰণ কৰ্মকাণ্ড সম্প্ৰতি 'গাহৰিৰ গৰাল'ৰ গাহৰি সদৃশ হৈ পৰিছে। এক সামগ্ৰিক অভ্যুত্থান অবিহনে এই ব্যৱস্থা সলনি নহয়। আমি নিৰবে জ্ঞানৰ চৰ্চা-প্ৰসাৰেৰে সমাজৰ পৰিবৰ্তনৰ সপোন দেখিছো লগতে নাৰী সৱলীকৰণত গুৰুত্ব দিছো। ■

<u>অৰুণোদই</u> ঃ অসমৰ প্ৰথম অসমীয়া ভাষাৰ সংবাদ পত্ৰ। এই সংবাদ পত্ৰখন ১৮৪৬ চনৰ জানুৱাৰী মাহত শিৱসাগৰৰ মিছন প্ৰেছৰ পৰা প্ৰথম প্ৰকাশ পায়। এইখন সংবাদ পত্ৰক আধুনিক অসমীয়া ভাষাৰ বাটকটীয়া বুলি ক'ব পাৰি। কাৰণ এই আলোচনীৰ দ্বাৰা অসমীয়া সাহিত্যৰ ক্ষেত্ৰত এক নতুন যুগৰ সৃষ্টি কৰিছে। অৰুণোদইৰ পাততে আনন্দৰাম ঢেকীয়াল ফুকন, পণ্ডিত হেমচন্দ্ৰ বৰুৱা, গুণাভিৰাম বৰুৱা আদিৰ দৰে বিদগ্ধ পণ্ডিতে সাহিত্যিক ৰূপে ভুমুকি মাৰিছিল। মূলতঃ খ্ৰীষ্টান ধৰ্ম প্ৰচাৰৰ কাৰণে প্ৰকাশ কৰা হৈছিল যদিও পিছলৈ গদ্য, পদ্য, ভূগোল, ইতিহাস, নীতিকথা, দেশ-বিদেশৰ বতৰা, জীৱনী, কাহিনী আদি বিবিধ ৰচনা ইয়াত প্ৰকাশিত হৈছিল। ১৮৮৩ চনত মিছন প্ৰেছ বন্ধ হোৱাৰ লগে লগে আলোচনীখনৰ প্ৰকাশো স্তব্ধ হৈ পৰে। এই আলোচনীখনৰ প্ৰতিষ্ঠাপক সম্পাদক আছিল ডাঃ নাথান ব্ৰাউন।

১৮২৬ চনৰ ইয়াণ্ডাবু সন্ধি অনুসৰি অসম ইংৰাজৰ শাসনাধীস্থ হোৱাৰ পিছত অসমৰ সামাজিক, সাংস্কৃতিক আৰু ৰাজনৈতিক ক্ষেত্ৰত এক বিৰাট পৰিৱৰ্তনৰ সূচনা হৈছিল। সাহিত্যতো ইয়াৰ প্ৰভাৱ স্পষ্ট হৈ পৰে। ১৮৩৬ চনত ইংৰাজে প্ৰশাসনীয় সুবিধাৰ দোহাই দি অসমৰ শিক্ষানুষ্ঠানসমূহৰ লগতে চৰকাৰী অনুষ্ঠান-প্ৰতিষ্ঠানত অসমীয়া ভাষাৰ পৰিৱৰ্তে বাংলা ভাষা প্ৰচলন কৰে। ইয়াৰ কাৰণ আছিল- ইংৰাজৰ শাসনত সহায় কৰা, পশ্চিমবংগৰ পৰা অহা বঙালী কাৰ্য্যবাহীসকলৰ যাতে সুবিধা হয়। ইতিমধ্যে অসমৰ কমিছনাৰ কেপ্তেইন ফ্ৰেন্সিছ জনকিন্সৰ আমন্ত্ৰণ ক্ৰমে অসমৰ শদিয়াত এটা খ্ৰীষ্টান মিছন পতাৰ উদ্দেশ্যৰে আমেৰিকান বেপ্টিছ মিছনেৰীসকল অসমলৈ আহে আৰু তেওঁলোকৰ উদ্যোগতে 'অৰুণোদই' প্ৰকাশ পায়। এই অৰুণোদইৰ পাততে প্ৰথম 'দেওধাই অসম বুৰঞ্জী', 'কামৰূপ বুৰঞ্জী' গুণাভিৰাম বৰুৱাৰ আধুনিক নাট 'ৰাম-নৱমী' প্ৰকাশ পায়।

# ডাঃ হেমেন বৰ্মনৰ সৈতে

*নলবাৰী জিলাৰ কাজিপাৰাত হৰেশ্বৰ বৰ্মনৰ ঔৰষত আৰু সুশীলা বৰ্মনৰ গৰ্ভত জন্মগ্ৰহণ কৰা ডাঃ হেমেন বৰ্মন সাংস্কৃতিক জগতখনৰ লগতে চিকিৎসা বিজ্ঞানৰ ক্ষেত্ৰখনতো অদম্য সাহস, অসীম মনোবল, স্বকীয়তাৰে নক্ষত্ৰ হৈ উজলি থকা এটি পৰিচিত নাম। অৰ্ধশতিকাজুৰি নিজস্ব প্ৰতিভাৰে অভিনয় জগতখনত প্ৰতিষ্ঠিত অভিনেতা হিচাপে দক্ষতা প্ৰমাণ কৰাৰ লগতে চিকিৎসা বিজ্ঞানৰ ক্ষেত্ৰত সুচিকিৎসক ৰূপে প্ৰতিষ্ঠা লাভ কৰিছে। আমি গৌৰৱান্বিত তেওঁ নলবৰীয়া প্ৰাণ, পাগ্‌লাদিয়াৰ পলসভূমিত জড়িত তেওঁৰ শৈশৱ-কৈশোৰ যৌৱন বসন্ত। নলবাৰী মহাবিদ্যালয় তৰফৰ হৈ তেওঁৰ মূল্যৱান সাৰুৱা-মনস্তাত্বিক সাক্ষাৎকাৰ আমালৈ যুগুতাইছিল ভূপালী কলিতা আৰু দীক্ষা ৰাণী দাসে। অভিনয় চৰ্চা, সাম্প্ৰতিক সময়, ৰাজনীতি, সমাজনীতিৰ ওপৰত বিশিষ্ট অভিনেতা, সুচিকিৎসক গৰাকীয়ে আগবঢ়াইছিল গভীৰ বিশ্লেষণ।*

**সাক্ষাতকাৰ গ্ৰহণ - ভূপালী কলিতা, দিক্ষাৰাণী দাস**

নমস্কাৰ, পোনপ্ৰথমে আপোনাক জনাইছো দৌল উৎসৱৰ অলেখ শুভকামনা। ৰংবোৰে কঢ়িয়াই আনক সুখ। ভগৱানক জনালোঁ প্ৰাৰ্থনা।

**১। অভিনয় জগতত আপুনি কেনেদৰে প্ৰৱেশ কৰিছিল ?**

ঃ অভিনয় জগতত প্ৰৱেশ বুলি ক'বলৈ গ'লে এটা কথা ক'বই লাগিব, সেয়া আছিল মোৰ ৬/৫ বছৰৰ সময়ৰ



ঘটনা, সৰস্বতী পূজাৰ সময়ত মোৰ দেউতাই 'কুমাৰ ভাস্কৰ বৰ্মা' নামৰ নাটক এখন পৰিচালনা কৰাৰ লগতে অভিনয়ো কৰিছিল। নাটক চলি আছে, মঞ্চত দেখি আছো দেউতাক। এটা দৃশ্যত শত্ৰুপক্ষৰ লগত যুদ্ধ, তেওঁলোকৰ হাতত তৰোৱাল। মোৰ খুব ভয় লাগিছিল ইমানেই ভয় খালো যেন দেউতাক সিহঁতে তৰোৱালেৰে কাটি দুচেও কৰিব, আবেগিক হৈ কান্দি

মঞ্চৰ কাষৰ পৰা একেজাপে মঞ্চ পাইছিলো। মঞ্চত প্ৰথম খোজ আছিল সেয়া। দেউতাৰ স'তে চাইকেলত উঠি নলবাৰী নাট্যমন্দিৰলৈ নাটক চাবলৈ আহো। লাহে লাহে নাটকৰ প্ৰতি গভীৰভাৱে আকৰ্ষিত হ'লো। মোৰ বয়স ৬ কি ৭, নাটকত মোৰ অভিনয় পৰ্ব আৰম্ভ হ'বলৈ ধৰিলে। স্কুল, কলেজৰ লগতে অন্য ঠাইতো নাটকত অভিনয় কৰিবলৈ ল'লো।

**২। এজন সফল অভিনেতাৰূপে প্ৰতিপন্ন হোৱাৰ ক্ষেত্ৰত আপোনাৰ জীৱন সম্পৰ্কে জনাওঁক?**

ঃ দূৰন্ত গতিৰে সময় আগবাঢ়িছিল পাঠশালা স্কুলৰ ডেওনা পাৰ হৈ গৰ্ডন হাইস্কুলত নামভৰ্তি কৰিছিলো। দেউতা গৰ্ডন স্কুলৰ শিক্ষক লগতে নাট্য চৰ্চাৰ লগত জড়িত ব্যক্তি আছিল। মই প্ৰায়ে তেখেতৰ লগত চাইকেলত উঠি নলবাৰী নাট্য মন্দিৰত নাটক উপভোগ কৰিছিলো। তাতেই মই সান্নিধ্য লাভ কৰিছিলো। প্ৰয়াত নৰেন দত্ত, পীৰবক্স আলী, গোপী গোস্বামী শ্ৰদ্ধাৰ ৰমনী বৰ্মন, আতোৱাৰ ৰহমানৰ। এনেকৈয়ে নাটকৰ প্ৰতি শ্ৰদ্ধা ভালপোৱা ধাউতি বাঢ়ি আহিছিল। হাইস্কুলৰ কালছোৱাত বহু নাটক অভিনয় কৰিছিলো। পিছৰ পৰ্যায়ত যেতিয়া মই কটন মহাবিদ্যালয়ত বিজ্ঞানৰ ছাত্ৰ হিচাপে নামভৰ্তি কৰিলো, তেতিয়া নাট্য ক্ষেত্ৰখনতে নিজক প্ৰতিষ্ঠা কৰিবলৈ সুবিধা পালো। উচ্চতৰ মাধ্যমিক পৰীক্ষা দি মই পুনে ফিল্ম ইনষ্টিটিউটত প্ৰৱেশ পৰীক্ষা দিয়াৰ লগতে চিকিৎসা বিজ্ঞানৰ প্ৰৱেশ পৰীক্ষা দিলো। মেডিকেলতো ছিট পালো। মেডিকেল কলেজত শ্ৰেষ্ঠ অভিনেতা সন্মান পাওঁ, সেই সময়তে দিল্লীত অনুষ্ঠিত হোৱা All India Level Sarba Bharatiya Drama ত ফণী তালুকদাৰৰ ৰচিত নাটক 'অগ্নি পৰীক্ষাত মূল চৰিত্ৰত অভিনয় কৰিছিলো। মোৰেই সৌভাগ্য আছিল সিদিনা নাটক চাবলৈ আহিছিল ভাৰতৰ ৰাষ্ট্ৰপতি জেইল সিং। এনেকৈয়ে নাট্য ক্ষেত্ৰত নিজক জড়িত কৰাইছিলো। অভিনয় ক্ষেত্ৰখনত যেতিয়া মই শ্ৰদ্ধাৰ ড° ভবেন্দ্ৰ নাথ শইকীয়া ছাৰক লগ পালো মোৰ অভিনয় যাত্ৰাৰ গতিপথে এক নতুন বাট ল'লে, এই বাট মুকলি কৰি দিছিল শ্ৰদ্ধাৰ শইকীয়া ছাৰে। তেখেতৰ ৬ খন ছবিতে মই অভিনয় কৰিবলৈ সুযোগ পাইছিলো। ছাৰে নিৰ্মাণ কৰা প্ৰায় ৬০ খনৰো অধিক ধাৰাবাহিকত অভিনয় কৰিছো। গুৱাহাটী দূৰদৰ্শন কেন্দ্ৰৰ পৰা ১৯৯৭ চনত অমৃত সন্ধান ধাৰাবাহিকখনত Best Actor বঁটা পাইছো। ছাৰে নিৰ্মাণ কৰা ধাৰাবাহিকতো মই অভিনয় কৰিবলৈ সুযোগ পাইছিলো। চাকৰি জীৱনৰ প্ৰথম সময়ছোৱাতো সমান্তৰালভাৱে সাংস্কৃতিক ক্ষেত্ৰখনতো কাম কৰি গৈছিলো। নাটকৰ প্ৰতি থকা অন্তহীন শ্ৰদ্ধাই মোক প্ৰতি সময়তে আকৰ্ষিত কৰি থাকে। সংস্কৃতি ভালপাও, দেউতা সাংস্কৃতিৱান মোৰ তেজত সংস্কৃতিৰ প্ৰতি ভালপোৱা প্ৰত্যাহ্বান।

**৩। এজন অভিনেতা হিচাপে আগবাঢ়ি যোৱা সময়তে কোনে আপোনাক চিকিৎসা বিজ্ঞানৰ ফালে যাবলৈ পৰামৰ্শ বা উৎসাহ যোগাইছিল?**

ঃ আচলতে, মই গাঁৱৰ পৰা অহা ল'ৰা আছিলো। দেউতাৰ পেচা আছিল শিক্ষক, নিচা আছিল নাটক। মই বুজি উঠিছিলো কিবা এটা কৰিবলৈ কিবা এটা লাগিবই। যেতিয়া গাঁৱৰ পৰা গৈ কটন কলেজত নামভৰ্তি কৰিছিলো মোৰ মনত হাবিয়াস জন্ম হৈছিল কিবা এটা কৰিবই লাগিব। বীণা দাস পান্না বাইদেৱে মোক চিকিৎসা বিজ্ঞানৰ ছাত্ৰ হ'বলৈ পৰামৰ্শ দিছিল। যিহেতু মোৰ মনতো এক সপোন আছিল তেওঁৰ কথা সাৰোগত কৰিয়েই মই প্ৰৱেশ পৰীক্ষা দি চিকিৎসা বিজ্ঞানৰ ছাত্ৰ হৈছিলো। নাটক এৰা নাছিলো, নাটকৰ প্ৰতি আছিল অন্তহীন শ্ৰদ্ধা।

**৪। একেটা সময়তে আপুনি এজন অভিনেতা আৰু এজন চিকিৎসক হিচাপে নিজৰ দায়িত্ব পালন কৰোতে আপোনাৰ সমস্যা হৈছিল নে? যদি হৈছিল কেনেকুৱা আছিল?**

ঃ তেনেকুৱা কোনো সমস্যা হোৱা নাছিল। নিয়াৰিকৈ সকলো কাম চলাই নিবলৈ চেষ্টা কৰিছোঁ। সৰু-সুৰা সমস্যা দুই এটা থাকেই কিন্তু আমি কেনেকৈ তাক চম্ভালিব পাৰো সেইটো ডাঙৰ কথা।

**৫। এজন অভিনেতা হিচাপে অসমীয়া বোলছবি জগতত প্ৰতিস্থিত হোৱাৰ পিছতো আপুনি কিয় মেডিকেল কেৰিয়াৰ বাদ দিয়া নাছিল? মেডিকেল কেৰিয়াৰে আপোনাক অভিনয় জীৱনত সহায় কৰিছেনে?**

ঃ এক কথাত কবলৈ গ'লে 'মানৱপ্ৰেম'। শইকীয়া ছাৰক লগ পোৱাৰ পিছৰ পৰা মোৰ জীৱনত গভীৰ প্ৰভাৱ পৰিছিল। মনত সৰুৰ পৰাই হেঁপাহ আছিল মানুহৰ হকে কাম কৰিম। নাটক কৰিছিলো, বোলছবি কৰিছিলো, যিবোৰ আছিল মানুহৰ জীয়াই থকাৰ সংগ্ৰাম, সুখ-দুখ-হাঁহি ব্যথাৰ ছবি। ডাক্তৰ হ'লো। ডাক্তৰ হৈ গোৱালপাৰালৈ গ'লো, গাঁৱৰ চিকিৎসালয়। জীৱন দেখিছিলো তাত। ভাবিছিলো মানৱ সেৱা কৰি যাম। মই বাদ নিদিলো মেডিকেল কেৰিয়াৰ এইবোৰ কাৰণতেই। অভিনয় আৰু ডাক্তৰ বেলেগ বেলেগ ক্ষেত্ৰ। ব্যক্তিগতভাৱে মেডিকেল কেৰিয়াৰে মোক সহায় কৰিছে। অভিনয় কৰিবলৈ গ'লে কৰবাত

যদি ৰোগী পাইছো চিকিৎসা কৰিছো। গতিকে সহায় কৰিছে।

**৬। আমি সকলোয়ে জানো ড° ভবেন্দ্ৰ নাথ শইকীয়া ছাৰ এক অনন্য ব্যক্তিত্বৰ অধিকাৰী আছিল। তেখেতৰ সান্নিধ্যৰ সময়ছোৱাৰ কথা কিছু জনাবনে?**

ঃ মোৰ মনত ড° শইকীয়া ছাৰ এজন মহান মনীষী। তেখেতৰ সৃষ্টি তেখেতৰ কাৰ্মৰাজিয়ে আমাক দি গৈছে এক নতুন বাৰ্তা। ড° শইকীয়া ছাৰৰ অন্তহীন মানৱপ্ৰেমে তেওঁক মহীয়ান কৰিছে। শইকীয়া ছাৰৰ সান্নিধ্যখিনি মোৰ জীৱনৰ পৰম সম্পদ বুলি মই সদায় অনুভৱ কৰো। শইকীয়া ছাৰ এনে এজন মানুহ আছিল যেতিয়া বোলছবি নিৰ্মাণৰ কাম চলি থাকে ৰান্ধনীজনৰ লগত ঘৰৰ কথা আলোচনা কৰে। Unit ৰ প্ৰতিজন মানুহৰ খবৰ ৰাখে। শইকীয়া ছাৰ এক বিশাল ব্যক্তিত্বৰ অধিকাৰী আছিল। 'সাৰথি'ৰ Dubbing ৰ বাবে কলকাতাৰ NFDC Studio ত মোক লৈ গৈছিল। Studio ত উপস্থিত থকা প্ৰতিজন ব্যক্তিয়ে শইকীয়া ছাৰ উপস্থিত হোৱাৰ লগে লগে শাৰী পাতি ছাৰক দেখা কৰিছিল আৰু পদধূলা লৈছিল। এনে পৰিস্থিতি দেখি মই নিজেই অভিভূত হৈছিলো। ড° শইকীয়া ছাৰৰ দায়িত্ব জ্ঞান কামক সন্মান সকলো ভাবিবলগীয়া। আমাৰ দেশৰ শিশুৰ বাবে 'আৰোহণ'ৰ জন্ম দিয়ে শইকীয়া ছাৰে। জীৱনৰ সমস্ত সাঁচতীয়া ধন ঘৰৰ ভেটি-মাটি আৰোহণত দি দিয়ে। Trust Board ত এজন সদস্য হিচাপে মোকো অন্তৰ্ভুক্ত কৰে। মোৰ জীৱনৰ আদৰ্শ ব্যক্তিজন হ'ল শইকীয়া ছাৰ।

**৭। আপোনাৰ সফল জীৱনৰ আৰত পত্নীৰ ভূমিকা?**

ঃ ১৯৮১ চনত বিবাহপাশত আৱদ্ধ হৈছিলো। তেওঁৰ নাম কুইন বৰ্মন, পেছাত শিক্ষক। মোৰ জীৱনত তেওঁৰ ভূমিকা বুলি ক'লে মই যেনেদৰে বিচাৰো, যিদৰে কল্পনা কৰো, আদৰ্শগত বা গুণগতভাৱে মই তেওঁৰ পৰা সহায় বিশ্বাসৰে আমি জীয়াই আছো।

**৮। আপুনি অসমৰ বেলেগ ভাষাত অভিনয় কৰিছে নেকি?**

ঃ হিন্দী ভাষাত ড° ভবেন্দ্ৰ নাথ শইকীয়াৰ 'কালসন্ধ্যা'।

**৯। আপুনি কেনেধৰণৰ বোলছবি বা ধাৰাবাহিকত অভিনয় কৰি ভাল পায়?**

ঃ অভিনয় অন্তৰৰ বস্তু। আৱেগ থাকিব লাগিব। সহজ-সৰল চৰিত্ৰ ৰূপায়ণ কৰি ভাল পাওঁ। নিগেটিভ চৰিত্ৰ কৰিব নোৱাৰো। যিবোৰ ছবি বা চিৰিয়েল সমাজৰ প্ৰকৃত ছবি এখন দাঙি ধৰে তেনেকুৱা ছবি বা ছিৰিয়েল ভাল লাগে।

**১০। আপোনাৰ ভাল লগা বোলছবি কোনখন?**

ঃ ড° ভবেন্দ্ৰ নাথ শইকীয়া ছাৰৰ 'সাৰথি'।

**১১। আপোনাৰ প্ৰিয় অভিনেতা?**

ঃ বিজু ফুকন।

**১২। আপোনাৰ প্ৰিয় পৰিচালক?**

ঃ ড° ভবেন্দ্ৰ নাথ শইকীয়া।

**১৩। আপোনাৰ প্ৰিয় খাদ্য?**

ঃ ঔ-টেঙাৰে মাছৰ জোল, পোৱামাছ আৰু মাহৰ দাইল।

**১৪। জীৱনৰ এই সময়ছোৱাত আপুনি কেনেধৰণৰ কথাবোৰত মনোনিৱেশ কৰি ভাল পায়? আপুনি অনাগত দিনবোৰত জীৱন কেনেদৰে আগুৱাই নিব বিচাৰে? ভৱিষ্যৎ পৰিকল্পনা কি?**

ঃ সাম্প্ৰতিক সময়ত বহুকেইটা কথাই মোক স্পৰ্শ কৰে। বিশেষকৈ দুখীয়া অভাৱগ্ৰস্তসকলৰ কষ্টকৰ জীৱনে মোক কিছু কথা ভবাই তোলে। তেওঁলোকৰ সহায়ৰ বাবে মই কাম কৰি যোৱাৰ ইচ্ছা।

**১৫। আপুনি আপোনাৰ জীৱনৰ অভিজ্ঞতাৰ ফালৰ পৰা আজিৰ যুৱপ্ৰজন্মই অনুপ্ৰেৰণা লাভ কৰিব পৰাকৈ কি উপদেশ দিব? যাৰ দ্বাৰা আমিও আমাক নিজৰ নিজৰ যাত্ৰা পথত সফল হৈ নিজৰ লগতে সমাজৰ সফলতা আনিব পাৰিম?**

ঃ মোৰ পিতা ঁহৰেশ্বৰ বৰ্মন আৰু ড° ভবেন্দ্ৰ নাথ শইকীয়া ছাৰৰ আদৰ্শৰে মই জীয়াই আছো। আজিৰ যুৱ প্ৰজন্মই সময়ৰ মূল্য, কামক শ্ৰদ্ধা, গুৰুজনক সন্মান কৰি আনৰ উপকাৰ কৰি আগুৱাই গ'লে জীৱনত নিজকে প্ৰতিষ্ঠিত কৰিব পাৰিব বুলি ভাবো। ড° শইকীয়া ছাৰৰ বিশাল ব্যক্তিত্ব অধ্যয়ন কৰি আদৰ্শ মানিলে নিজকে লাভান্বিত কৰিব পাৰিব। ■

শব্দ শিল্প

# প্ৰেমৰ স্বৰ্ণলিপি

■ বন্তি প্ৰভা শৰ্মা
*সহকাৰী অধ্যাপিকা, অসমীয়া বিভাগ*

"You can live with miracules or without miracule"
-Albert Einstein

গোন্ধে আমোলমোলোৱা বাটেদি
তুমি আহিছিলা কেনি?
অ' মোৰ সোপোনৰ কঠিয়াতলীৰ মানুহজন!

মোৰ জীৱন যেতিয়া আছিল কেৱল মৰুভূমি
তুমি খান্দিছিলা এটি গভীৰ কুঁৱা
তলীবিহীন সেই কুঁৱাত
মই জুমি চাব খুজিছিলো মোক!
ক্ৰমাৎ পৰিৱৰ্তিত হৈছিল মোৰ
দিনবোৰ মাহলৈ
আৰু মাহবোৰ বছৰলৈ
খান্দি থকাৰ বাহিৰে তোমাৰ
কোনো উপায় নাছিল
অথচ জীৱন তেতিয়াও আছিল কেৱল মৰুভূমি

প্ৰেমৰ নামত উৎসৰ্গীকৃত কি ঋতু
আশীৰ্বাদৰ বৃষ্টিৰে ধন্য!
গলিত হৃদয়ৰ কি প্ৰাৰ্থনাত
মম গ'লাদি গ'লে পৰম কৰুণাময়!!
কৃতজ্ঞতাত উপচি পৰে মোৰ
মেঘনা-যমুনাৰ চাৰিকুল
মৰুভূমি জীৱনত মোৰ
মোৰ সপোনৰ কঠিয়াতলীৰ সেউজীয়া ধাননিত
প্ৰেমৰ স্বৰ্ণলিপি অংকিত হয়
ধীৰে ধীৰে অৱশেষত......

অনুপ্ৰেৰণা ঃ মুছা নামৰ এজন মৰুভূমিত কুঁৱাখন্দা ব্যক্তিৰ সত্য কাহিনী।



# আত্মজাহ

উদিত শৰ্মা
*স্নাতক ষষ্ঠ ষাণ্মাসিক, ৰসায়ন বিজ্ঞান বিভাগ*

হতাশাৰ মকৰাজালত এলান্ধু হৈ ওলমে
সফলতা
নগ্নতাৰ নিৰ্লজ্জতাত ক'লীয়া ডাৱৰৰ
অজান দ্বীপত বহি কান্দি ৰয় সততা।
নিস্তব্ধ নিশাৰ ধূসৰ ৰাজ পথত
দেও দি দি নাচে সুখনিদ্ৰা।
কায়িক প্ৰেমৰ জুইত আত্মজাহ দিয়া
আশাৰ দন্ধ দেহৰ ওপৰত বহি
মাতাল হয় বিফলতা।

# ফাগুণ

■ মৃদুল বৈশ্য
*স্নাতক চতুৰ্থ যাণ্মাসিক*

ফাগুণ,
দুবাহুৰ প্ৰাণৰ শক্তি লৈ
এঢলীয়া ৰ'দক জোকোৱা,
মোৰ প্ৰেয়সীৰ চুলি মোহাৰি
মুখত এটি ল'ৰালিৰ
শুৱলা গীত জুৰোৱা আহি।
তোমাৰ বুকুত উৰি ফুৰা
নানা ৰঙী চিলাবোৰত
গাঁঠি দিয়া মোৰ কলিজাৰ
উমাল প্ৰেমবোৰক
জিৰাবলৈ ক'ৰাবাত এখনি
হৃদয়ক বিচাৰি যোৱা।
ফাগুণৰ কবিতা
আজি আৰু নিলিখো।
ওঁঠৰ মিচিকিয়া হাঁহিক
তোমাৰ বুকুত জিৰাবলৈ
যিদিনা দিছিলো
সিদিনাই যেন হেঁৰাইছিল
মোৰ অন্তৰত থকা
কঁপাহী কোমল এটি
ফাগুণী সিহৰণ।



# বৰষুণ

■ মাধুৰ্য্য ভৰালী
*স্নাতক চতুৰ্থ যাণ্মাসিক, জীৱ বিজ্ঞান বিভাগ*

আজি যেন আকাশখনো তোমাৰ নিচিনা
অভিমানী হৈছে
চোৰা চোন কিদৰে নীলা বোৰক কলিয়া ডাৱৰে
ঢাকি ৰাখিছে।
যেন কাজলৰ আচলত লুকাই
থকা তোমাৰ নীলা দুচকু
মাতাল ফাগুণে আজি মোক
বাৰুকৈয়ে জোকাইছে জানা
দি যাব বিচাৰিছে যেন তোমাৰ মোৰ
ভাল পোৱাৰ শিৰ-শিৰণি
কৈ যাব বিচাৰিছে যেন
আজি তুমি সৰিৱা অভিমানৰ
পাহাৰ ভাঙি মোৰ বুকুত
যি বুকুত আজি গজালি মেলিব
তোমাৰ মোৰ  প্ৰেমৰ নতুন গজালি।।

# ছাত্ৰ- জীৱন

■ **পুলকেশ দাস**
*স্নাতক পঞ্চম যাণ্মাসিক, কলা শাখা*

ছাত্ৰ জীৱনৰ এই
সাৰুৱা ভূমি
মূল্য দি কিনিব নোৱাৰা সম্পদ।
জীৱনৰ লক্ষ্যত
উপনীত হোৱা
এয়াই সুগম পথ।
আছে যদি মন,
ভৱিষ্যতৰ পথ মুকলি কৰাৰ
তাৰ এয়াই উপযুক্ত সময়।
এই অমূল্য সময়
নাহে ঘূৰি দুনাই।
আজিৰ কাম আজিয়েই কৰা
কাইলৈ বা কি হয়?
এবাৰত নোৱাৰিলে এশবাৰ কৰা
হতাশ নহ'বা, চেষ্টা কৰি যোৱা
কৰা চেষ্টা যৎপৰোনাস্তি
নাথাকিবা এলেহুৱা হৈ
পিছত দেখিবা এই চেষ্টাই
উঠিছে সাৰুৱা মাটিৰ
জীপাল শস্য হৈ।



# স্বাধীনতা

■ **নাজমুল হুদা**
*স্নাতক চতুৰ্থ যাণ্মাসিক, বিজ্ঞান শাখা*

তোমাৰ হাঁহিৰ মধুৰতাত
স্থিৰতা হেৰাই উন্মনা আৱেগৰ
সেইবাবে তুমি নাহাঁহিবা
সেউজীয়া পদুলিৰ গোলাপৰ বুকুতে
কুৰুকি কুৰুকি কোঢ়াল সাজিছে পঘানত
পাৰিলে আতৰাই দিবা সেই কোঢ়াল
সামগ্ৰিকতাৰ উপহাসেৰে
তুমি লভিচা সান্তনা
ব্যথাবোৰে বগায় হিমালয়ৰ শিখৰত
সেইবাবে নিগৰিছে নয়নত লুণীয়া লোতক
কিন্তু তুমি হাঁহিবা চিৰদিন হাঁহিবা
সান্তনা দিবলৈ নহ'লে উপহাস কৰিবলৈ
তাৰ বাবে তোমাক কোনেও একো ক'ব
নোৱাৰে
সেয়া তোমাৰ স্বাধীনতা।

# মা

■ মিছ্ মিনাক্ষী শৰ্মা
*স্নাতক দ্বিতীয় ষাণ্মাসিক, ইংৰাজী বিভাগ*

সুবিশাল বসুন্ধৰাৰে জগৎপতিৰ অন্যতম
পৱিত্ৰ এক আশীৰ্বাদ 'মা'
সহনশীল, কষ্টসহিষ্ণুতাৰ অনন্য অধিকাৰিণী
'মা' সেই প্ৰতিগৰাকী নাৰী,
যিয়ে কৰি তোলে নাৰীজাতিক
পুৰুষতকৈ বহুগুণে শক্তিশালী।
শক্তিশালী বটবৃক্ষৰূপী যাৰ ছাঁত
নিৰ্বিঘ্নে পালিত হয় সন্তান প্ৰতিটো,
যাৰ দ্বাৰাই বৰ্তি আছে
সমগ্ৰ মানৱ জাতিৰ অস্তিত্ব।
অবিনাশী ধৰণী যদিও মাতৃৰূপে চিহ্নিত
ভৰা হয় আজিও তেওঁলোকেই হীন,
নিষিদ্ধ তেওঁলোক কিছুমান পৱিত্ৰ স্থানত
নহয় কাম্য তাত নাৰীৰ স্পৰ্শ।
পুৰুষ জাতিৰ প্ৰহাৰত য'ত নাৰী লাঞ্চিতা
নাৰীৰূপী সকলো দেৱী মাতৃৰূপে পূজিতা।
সমাজ এখন তেতিয়াহে যাব আগুৱাই
যেতিয়া নাৰী-পুৰুষে সমিলে কৰিব কাম,
যেতিয়া দিব মাতৃৰূপী নাৰীক সন্মান
থাকিব তেতিয়াহে অসমীয়াৰ অস্তিত্ব প্ৰাণ।



# অভিমান

■ মঃ ইমৰাণ হুছেইন
*উচ্চতৰ মাধ্যমিক প্ৰথম বৰ্ষ*

অপেক্ষাত পাৰ হ'ল
বহু উজাগৰী নিশা।
সপোন মৰহি গ'ল
নোমালে জীৱনৰ শিখা।
গুচি গ'ল এনেয়ে বহুদিন।
নেথাকিল একোকে তাৰ চিন।
দৌৰিলো পুনৰ কাচৰ জিক্ মিক্ দেখি
ঘূৰিলো দুখৰ চকুপানী টুকি।
প্ৰাণৰ উজ্জ্বলতাখিনি শেষ হৈ গ'ল,
দুখ দিবানো কাক?
নুবুজিলো মই তোমাৰ অভিমান
সেয়েহে এতিয়া আহি পালেহি পাষাণ।
হাঁহিছিলো ফুলবোৰ দেখি
ভাগৰিছো তোমাৰ জীৱনী লেখি।
তথাপিত ৰৈ থাকিম তোমাৰ অপেক্ষাত।

# তোৰ শ্যামলী বক্ষত আজিও আছেনে বিহু?

■ বৰ্ণিতা বৰ্মন
*উচ্চতৰ মাধ্যমিক দ্বিতীয় বৰ্ষ, বিজ্ঞান শাখা*

আঁহত জোপাৰ তলত আজি বিচাৰি নাপালে
গৰখীয়াই হেৰুওৱা সেই বাঁহী...
উচন হৈ যোৱা বাৰীখনত ....... মাখিয়তীৰ পাত
নেদেখিলে সি.........
সেই দেখি সি চিঞৰে.....
আই..... আই.... একো নাই....
নাই..... ম'হৰ শিঙা বজোৱা...
মোৰ দুৰন্ত হেপাহৰ বসন্ত....
এদিন সিক্ত চকুৰে সি
আক্ষেপ কৰিছিলঃ
মাহ-হালধিৰে মন নুজুৰা,
আঁহতৰ তলৰ বিহুৱাই...
বিহু নাপাতে...
ৰক্ত সংগ্ৰাম পাতিব...
পথাৰত নহয়... পথত
আৰু
এদিন হঠাৎ
বিহুৱতীৰ খোপাৰ ফুল...
সৰি পৰিছিল....
ভাগি যোৱা ঢোল-পেপাঁৰ মাত...
বুকুত সংগোপনে ৰাখিছিল আয়ে...
চিঞৰিছিল....
নাই.... নাই.... মোৰ বুকুত...
আঘোণৰ সোণোৱালী শইচ...
সৃষ্টিৰ ধুমুহাই প্ৰেম নকৰিলে...
শ্যামলী মোৰ বক্ষত..
আছেনে কোনোবা.. আজিও
বিহু.... পাগল... প্ৰেমিক......?





# তোমাৰ পৰশত

■ কৌশিক ঠাকুৰীয়া
*স্নাতক তৃতীয় যাণ্মাসিক, বিজ্ঞান শাখা*

প্ৰতিপলে নয়নে আজি মোৰ
মাথো তোমাকেই বিচাৰে
প্ৰতিক্ষণতে হৃদয়ে যে মোৰ
মাথো তোমাকে সোঁৱৰে,
নিবিচৰাকৈয়ো আহে মনত বাৰে বাৰে
তোমাৰেই কথা, তোমাৰেই ব্যথা।।
সুৰুযৰ প্ৰীতম পুৱা, নিয়ৰেৰে জিলিকা দুৰৰি
আৰু আছে শেৱালি ফুলেৰে
চোতালখনি ভৰি,
আইৰ সেই কোমল দুভৰিৰ স্পৰ্শ
য'ত বিচাৰি পাওঁ মই, মোৰ জীৱনৰ লক্ষ্য
যাওঁনো কেনেকৈ পাহৰি।।
আইৰ সেই আশাৰ পদুম চকুযুৰি
বেদনাৰে পৰিপূৰ্ণ, হিয়াত আছে
বহুতো গম্ভীৰ স্মৃতি।
জ্বলাব পাৰিব লাগিব মই আজি জয়ৰ চাকি
আই নহ'লেও, আইৰ বাবে পাৰিব লাগিব মই,
জয় যাত্ৰাৰ পথৰে আগুৱাব পাৰিব লাগিব মই।
অইন জীৱন গাঁথাৰ প্ৰেৰণাৰে,
আৰু বহুদূৰ আগুৱাব লাগিব
আৰু বহুদূৰ বাট বুলিব পাৰিবই লাগিব মই।।

# এটি কবিতা তোমাৰ নামত

■ কাকলি ডেকা
*স্নাতক তৃতীয় ষাণ্মাসিক*

পৰিধিবিহীন আকাশৰ বিশালতা
সাবটি মই বাট চাম তোমালৈ
চিৰনিদ্ৰাত পৰিব নিদিবা সপোনক
হেঁপাহৰ শলিতা জ্বলাই হ'লেও
জীয়াই ৰাখিবাদেই আমাৰ
কুহুমীয়া সপোনবোৰক
ইহঁতক ফুলিবও নিদিবা
এসময়ৰ অনাবিল সুখবোৰৰ দৰে
নহ'লে যে সুবাস বিয়পি
চুৰি হ'ব সপোনবোৰ আমাৰ পৰা।
এটা শতাব্দী পাৰ হ'লেও
ভাগৰি নপৰিবা কিয়নো
সুসময়বোৰ এনেকৈয়ে আহে
লাহে লাহে।
এই যে ব্যাকুলতা আছে
আমাৰ বুকুবোৰত
কেতিয়াবা চাবাচোন আমাতকৈ
ব্যগ্ৰ ইহঁত নোপোৱাবোৰ পাবলৈ
চিন্তাক্লিষ্ট নহয় কিন্তু
সময়ৰ হাতত।
দুখৰ অনুপস্থিতিত সুখৰ
অস্তিত্বই বা ক'ত
দুখে যাক চুই যোৱা নাই
যন্ত্ৰনাই কাহানিও
কাবু কৰা নাই যাৰ হৃদয়
তেওঁ কি বুজিব



অপেক্ষাৰ শেষত প্ৰাপ্তিৰ হৰ্ষ।
তুমি যিদৰে মৌনতাত ভুগিছা
মইও ভুগিছিলো এটা সময়ত
তথাপি হাৰ মনা নাছিলো
পৃথিৱীৰ ওচৰত,
আজি কান্দিছো
কাইলৈ নিশ্চয় হাঁহিম
চকুপানীতেই শেষ কৰিমনে জীৱন?
এয়া চোৱা
মই ভাগি পৰা নাই
যাতনাই চেপি ধৰিলেও
নিঃশেষ কৰা নাই নিজক।
মই জানো
গভীৰ ৰাতিৰ তমসা নেওচি
পুৱাবোৰ আহিবই
আমাক পোহৰ দিবলৈ আৰু
সেই পোহৰক সাক্ষী কৰি
কলিজাৰ শোণিতেৰে
মই লিখি আছো
এটি কবিতা তোমাৰ নামত।

# প্ৰেমিক সপোন

■ তৃষ্ণামণি ভট্ট
*স্নাতক তৃতীয় ষাণ্মাসিক, উদ্ভিদ বিজ্ঞান বিভাগ*

এক ৰহস্যময়ী ক্ষণ,
চিনাকি চিনাকি লগা বৰষুণ জাক
আৰু লগতে ফাগুন যেন নিৰিবিলি বতাহ....
আবেলি সাত বাজিছে।
তুমি আৰু মই।।
আৰু বৰষুণৰ নিলাজ টোপালবোৰ
যিবোৰে প্ৰেমিক শীতল স্পৰ্শৰে
নজনাকৈয়ে তোমাৰ কাষ চপাইছিল।।
আৰু মোৰ হৃদয় পৃথিৱীত সৃষ্টি হৈছিল
এক অদ্ভুত অন্তৰংগৰ।
পৃথিৱীয়েও যেন আমাৰ প্ৰেমৰ নিচাত আবদ্ধ আছিল।
হঠাৎ
যেন সকলো নোহোৰা হৈ গ'ল
নাছিলা কাষত তুমি আৰু নাছিল কোনো
বৰষুণৰ টোপাল।
আছিল মাত্ৰ এখন বাস্তৱ পৃথিৱী
আৰু সূৰ্যৰ চকু চাত মৰা চিকিমিকি পোহৰ।।
খন্তেকতে, কাষতে থকা ঘড়ীটোৰ
এলাৰ্ম বাজি উঠিল।
অহ, ৰাতিপুৱাৰ সাত বাজিলেই চোন।।



# উত্তৰবিহীন

■ ডেইজী কুইন দাস
*স্নাতক প্ৰথম ষাণ্মাসিক, ৰসায়ন বিজ্ঞান বিভাগ*

ভবা নাছিলো কেতিয়াও
অজানিতে যেন
খোল খাব হৃদয়ৰ বন্ধ দুৱাৰ,
হঠাৎ ভুমুকি মাৰিছিলহি
হৃদয়ৰ কোনোবা এটি চুকত,
প্ৰশ্ন কৰিছিল যেন হৃদয়ে হৃদয়ক....

কিন্তু, হয়তো বিপৰীত আছিল
সেই মুহূৰ্ত সময়,
হৈ পৰিছিল সৰ্ব নিশব্দ
উচুপি উঠিছিল মাথো হৃদয়ে।

মূৰ্চ্ছা গৈছিল আশাৰ কিৰণবোৰ,
বিচাৰিছিল মাথো প্ৰত্যুত্তৰ....
স্ব-মনেই যেন ভাবুক হৈ পৰিছিল
বিচাৰি সেই প্ৰশ্নৰ সমিধান...
উপায় যে আৰু নাই,
হয়তো সেয়া আছিল
জীৱন যাত্ৰাৰ এটি ক্ষণ।।

# মই তোমাৰ প্ৰদূষিত হৃদয়ৰ প্ৰেমিক

■ জংকি শৰ্মা
*স্নাতক তৃতীয় ষাণ্মাসিক, ভূগোল বিভাগ*

মই তোমাৰ প্ৰদূষিত হৃদয়ৰ প্ৰেমিক।
পুৱতি নিশাৰ সেমেকি উঠা মোৰ কলমত,
উশাহ এটি হ'ব পাৰিবা জানো?
তুমিটো এখনি নিৰ্লজ হৃদয়ৰ ছন্দ হেৰাই দিয়া,
প্ৰদূষিত কবিতা।
লাডাখৰ সাৰ পোৱা দিনবোৰৰ দৰে হালধীয়া।
কেতিয়াবা সীমান্তৰ আত্মিক চৰাইবোৰক সুধিছানে তুমি?
বাৰুদৰ ধোৱাই ৰুদ্ধ কৰিব বিচৰা কান্দোনবোৰে
নিবিচাৰে কিয় এন্তিজৰ কঠিন উচ্চতাত কবিতাৰ চকুপানী।
ৰেড্ লাইট্ এৰিয়াৰ সন্ধিয়াবোৰে নিবিচাৰে কিয়?
শ্বেলীৰ হেজাৰ ভল্টৰ অনুভূতিৰ নিৰৱ কম্পন।
তোমাৰ প্ৰদূষিত হৃদয়ৰ প্ৰেমিক মই।
পিকাছোৰ পেলেট্ নাইফে বোলাব নোৱাৰা হৃদয়খনিত
শুৱ বিছাৰে নেকি ভালপোৱাৰ খিন্নতা?
আমাজানৰ নিৰ্লজতাৰে ঢাকিব বিছৰা নেকি জুৰণীয়া বতাহজাক?
মমবাতিৰ ইতিহাসে লিখি থৈ যোৱা কবিতাক
সুধিছা জানো কেতিয়াবা?
সেউজীয়াৰ সংজ্ঞা?
বসন্তৰ সাধুকথাত বিলুপ্ত হোৱা জোনাক
মহানগৰীৰ অন্ধকাৰত ক্ৰূচবিদ্ধ গাভৰুৰ শৰীৰৰ দৰেই
তোমাৰ ডায়েৰীৰ ব্লু-প্ৰিণ্টত মোৰ বসন্তজাকেও হেৰাই,
স্বাভিমানৰ হেজাৰ যৌৱন।
মই তোমাৰ প্ৰদূষিত হৃদয়ৰ প্ৰেমিক।
মেণ্ডেলাৰ কণ্ঠই ঢুকি নোপোৱা,
অস্তমিত স্বাধীনতাৰ আকাশ,
ফুটপাথত শেলুৰৈৰ আকুল প্ৰতীক্ষাৰ পৃষ্ঠাবোৰ,
পাৰিবা জানো নিৰ্লজ হাঁহিটিৰে ঢাকিব?
জাতিঙ্গাৰ প্ৰবাসী ডেউকাত মামৰে ধৰা
বিষণ্ণতাৰ ঋতুবোৰে কৈছিল জানো তোমাক
প্ৰদূষণৰ ধোৱাৰে প্ৰেমৰ আখৰ লিখিবলৈ?
ডিচেম্বৰৰ কুঁৱলীৰ নিশব্দ কোলাহলত,
পাইছিলা জানো?
শাৰদীয় ইস্তাহাৰ?
জানোচা প্ৰেম তোমাৰ বাবে প্ৰাচীনতাৰ চৰম উপহাৰ,
তিনি প্ৰহৰৰ মজ্জাৰ মাজত চিঞৰা মোৰ চকুপানী,
তোমাৰ বেংক একাউণ্টৰ সমকামী নহয়।
শ্লীলতা মোৰ পৰা একান্ত নিৰ্বাসিত।
গানবোৰে উচুপে গান্ধীবাদী শ্লোগান বিচাৰি।
কোটৰত নিমজ্জিত বিমূৰ্ত দৃষ্টিবোৰেও বিচাৰে
হৃদয় আৰু কবিতা।
তোমাৰ প্ৰদূষিত হৃদয়ৰ প্ৰেমিক মই।
শোষণৰ দেউলীয়া উকিয়ে
জগোৱা দোকমোকালিবোৰে দিবহি নেকি বাৰু,
আকুলতাৰ দস্তাবেজ?
নিৰক্ষত হেনো ফাগুনৰ দাবীত
উন্মুক্ত হ'বহি শোমালিয়াৰ ভোকাৰ্ত আত্মাৰ চিঞৰ।
ডেউকাহীনতাত আক্ৰান্ত টোৰেইন কিম্বা জেক্ লণ্ডন।
তোমাৰ প্ৰদূষিত হৃদয়ে দিছেহি জানো বাৰ্তা?
হুইস্কিৰ গ্লাছে যেতিয়া সেমেকাইছিল আবেলি,
তোমাৰ ওঠত বিলাতী আইচ্‌ক্ৰীমে দিছিল,
জাৰকালিৰ সুবাস।
চিগাৰেটৰ কুণ্ডলীৰে যেতিয়া সপোন উৰুৱাইছিলো,
তোমাৰ ব্যক্তিগত প্ৰলোভনে নস্যাৎ কৰিছিল,
আধৰুৱা বৰদৈচিলাৰ হাঁহি।
নিদ্ৰাহীনতাত যেতিয়া হেৰুৱাইছিলা অপূৰ্ণতাৰ,
দিন-মাহ- বছৰ,
ট্ৰেজেডীৰ হালধীয়া খোজ বিছাৰি তুমি যোৱা নাছিলা
ৰাইল্ড ৰাল্ অথবা আন বেং বিচ্‌চ্‌লৈ।
তথাপিও সন্ধিয়াবোৰক ক'ব বিচাৰো,
মই তোমাৰ প্ৰদূষিত হৃদয়ৰ প্ৰেমিক।



# খহি পৰা ৰংবোৰ

■ প্ৰীতি কলিতা
*স্নাতক ষষ্ঠ ষাণ্মাসিক, গণিত বিভাগ*

ৰংবোৰ খহি পৰে
হালধীয়াৰ পৰা সেউজীয়া হৈ
নীলাৰ পৰা ৰঙালৈ
খহি পৰে জোনাকবোৰ, আকাশখন
বৈ পৰে ইতিহাসবোৰ
হৰাপ্পা মহেঞ্জোদাৰোৰ পৰা
ৰেড লাইট এৰিয়ালৈ।
হালধীয়াবোৰ যেতিয়া খহে
কলিজাটো উফৰি পৰে।
চাইছিলো 'হালধীয়া চৰায়ে বাওধান
খায়।'
হালধীয়া...।
হালধীয়া চৰায়ে দেহৰ ওপৰেৰে
ৰে'ল গাড়ী চলাই দিয়ে।
নমাই দিয়ে ইতিহাসবোৰৰ পৰা
এঢাপ তললৈ।
সেউজীয়াবোৰ খহে।
সেউজীয়া ...সেউজীয়া....।
পৃথিৱীখন...।
সেউজীয়াবোৰে জুৰুলা-জুৰুল কৰে
ভালপাওঁ সেউজীয়া।
সেউজীয়াই যুঁজ কৰে।
খহাই দিয়ে সকলো
প্ৰাচীন অলংকাৰ।
আকৌ নমাই দিয়া হয় মোক।
.....................
............আৰু.............
খহে নীলাবোৰ।
প্ৰিয় ৰং নীলা
ছবি আঁকিছিলোঁ
সাগৰ দেখা নাই।
তথাপি ৰং কৰিছিলোঁ



সাগৰ মানে নীলা
সেই নীলাবোৰে মোৰ
আঁচল খহাব বিচাৰে..।
আঁচল খহালে ....বাৰু...
মই মোৰ সন্তানক ক'ত
জিৰণি দিম।
মই পুনৰ নামিব লাগে।
......................
এতিয়া
ৰঙাবোৰ
ৰঙা ৰঙা...।
ৰঙাবোৰে মোলৈ চাই খিলখিয়াই হাঁহে।
মোক ফালি টুকুৰা-টুকুৰ
কৰে ৰঙাবোৰে।
নমাব নালাগে
নিজেই নামি যাওঁ
একেবাৰে তললৈ..।
হাতযোৰ কৰো...।
আৰু নমাই দিব
নালাগে.......মোক...।
অট্টহাস্য কৰি হাঁহে ৰংবোৰে....।
নমাই দিয়ে মোক
খহাই পেলাই মোৰ জোনাকবোৰ
আকাশখন...।
নামি যাওঁ মই
হৰাপ্পা-মহেঞ্জোদাৰো হৈ
ৰে'ড-লাইট এৰিয়ালৈ
ক্ৰমশঃ।

# পৰিচয় বিহীন তোমাৰ ঠিকনা

■ **বনজিৎ ডেকা**
*স্নাতকোত্তৰ তৃতীয় ষাণ্মাসিক, অসমীয়া বিভাগ*

পৰিচয় বিহীন তোমাৰ ঠিকনা
হয়তো ফুটপাথত তোমাৰ পৰিচয়
হয়তো কেতিয়াবা মন্দিৰৰ গেটত
সেই জোলোঙাখনত কিমান যে
স্বপ্নই বাট বিচাৰিছে
পূৰ্ণিমাৰ জোন চাগে তুমি
সদায়ে দেখা
আৰু ক'ত যে তৰাৰ খেলা
নিশব্দ ৰাজপথত কিমানে শুনে
তোৰ জীৱনৰ গান?
তোৰ সুৰ বিহীন মানৱতাৰ
গানে
কিমানৰ টোপনি ভাগে?
হায়! তোমাৰ বুকুত কোনে ৰুলে
বিষাদৰ ৰঙা গোলাপ
তোমাৰ প্ৰেম চাগে
এই ফুটপাথ, তাতে দেখা সপোন
জীৱনৰ.....
আজি ক'ত তোৰ ঠিকনা?
আৰু কালি?
তাতে লিখা জীৱনৰ ডায়েৰী
এয়াই তোমাৰ শৈশৱ যৌৱনৰ ইতিহাস
এয়াই তোমাৰ ঠিকনা
পৰিচয় বিহীন...।





# আধাপোৰা সপোন

■ **চিৰঞ্জীৱ বৰ্মন**
*স্নাতক দ্বিতীয় ষাণ্মাসিক, গণিত বিভাগ*

সময় সোঁতে আঁচুৰি নিয়া
স্মৃতিবোৰ উজাই আহে,
উভতিব খুজিও থমকি ৰয়,
গৰাখহনীয়াই উছন কৰা বুকুখনে আস্ফালন কৰে
মেঘৰ দৰে,
শব্দৰ অস্তিত্বহীনতাত ভাষা থমকি ৰয়।
অৰ্দ্ধদগ্ধ কলিজাৰ আৰ্তনাদত
এখিলা পাত সৰে।
নৈ খনে উচুপি উঠে,
মৰিশালিৰ নিৰৱতা ভাঙি ব'বলৈ ধৰে
আধাপোৰা সপোনৰ শ টো বুকুত সাৱটি.....

# ভিক্ষাৰী

■ দিক্ষীতা শৰ্মা
*স্নাতক প্ৰথম যাণ্মাসিক, অৰ্থনীতি বিভাগ*

জীৱন যুঁজৰ সৈনিক তেওঁ
প্ৰতি খোজতে ৰণৰ ধ্বনি
কুৰুক্ষেত্ৰ তেওঁৰ
মানুহৰ চোতাল পদূলি।

আশাত ডুব যোৱা ৰঙা চকুযুৰি
কোঁচ খোৱা গাল দুখনি
বেজীৰ সিয়নীৰে যোৰোৱা
দুৰ্ভিক্ষৰ চেক লগা
মলিয়ন চোলাটিত
বৈ যায় সৈনিকৰ অশ্ৰুধাৰী
মোনাখন অনুজ্জ্বল
সূৰুয নেদেখাত
মাথোঁ বিৰক্তিয়ে নিগৰাই
সততাৰ হীনমান্যতাবোৰ

জলঙাৰ ভৰ
তেওঁৰ মনে কয়, পাপৰে ফল
বিৰক্তি, পুতৌ, দয়া
আৰু এমুঠি চাউলেৰে
ভৰি পৰে তেওঁৰ জলঙা
নিতে সেই ভিক্ষাৰীৰ জলঙা।



# নিৰৱতা

■ জয়শ্ৰী শৰ্মা
*স্নাতক প্ৰথম যাণ্মাসিক*

কেতিয়াবা শুনিছানে নিৰৱতাৰ কথা
দেখিছানে,
নিৰৱতাও যে হাঁহে
দেখিবা, শুনিবা
অনুভৱো কৰিবা....।
নিৰৱতাইও কথা পাতে
গভীৰ নিশা তৰাৰ স'তে...
সৰা শেৱালিৰ পাপৰিৰ আৰত
উচুপি উঠে....
কি ফুল ফুলিলা তুমি...?
আৰু
নিয়ৰ সৰা দূবৰিৰ স'তে
হাঁহি হাঁহি কথা পাতে,
হায়! মুকুতা মণি...।
কেতিয়াবা ধনশিৰিৰ পাৰত বহিবাচোন
নিৰৱতাৰ স'তে...
হয়তো বিচাৰি পাবা জীৱনৰ সাৰ্থকতা
পোৱা নোপোৱাৰ উত্তৰ
আঁতৰি নাহিবা তোমাৰ ইতিহাসৰ পৰা
তেতিয়া অনুভৱ কৰিবা
সংগীবিহীন নিৰৱতাৰ মাদকতা......।।

# বিষাদ

■ ৰূপম বৰুৱা
*স্নাতকোত্তৰ চতুৰ্থ ষাণ্মাসিক, অসমীয়া বিভাগ*

হে, নৈ
তুমি যে বৈ
আহিছা, সৌ
পৰ্বতৰ শিখৰৰ পৰা
লগত আনিছা
চিত্তবিঘ্ন শিল-বালিৰ
টুকুৰাবোৰ।
তোমাৰ বিষাদ যন্ত্ৰণাবোৰ
বৰ গধুৰ,
বৰ্তমান, ভবিষ্যতৰ সুখ
বিচাৰি
তোমাৰ পৰাক্ৰমী বাহুয়ে
আঁকোৱালি লয়
দুই পাৰৰ
আঘোণৰ কুঁৱলী সনা
ধাননি পথাৰ।
তুমি যে আজি
নিৰহ ভাগৰুৱা বাটৰ পথিক
সময়ৰ গতিত
তুমি যে বিচ্ছিন্ন
বিশাল আকাশৰ
ক'লা মেঘৰ টুকুৰাবোৰ,
ঢৌ খেলি আহে
তোমাৰ বুকুত
পূৰ্ণিমাৰ জোনাকী
পৰুৱাৰ মৰীচিকা.......।





# ভোক

■ সুনীল বেজবৰুৱা
*স্নাতকোত্তৰ প্ৰথম ষাণ্মাসিক, অসমীয়া বিভাগ*

হোটেলৰ বন্ধ কোঠাত
দুটামান নৰ পিশাচ
মাজত মাত্ৰ
এটা কোমলীয়া দেহ
ভোক এসাঁজ ভাতৰ.....

যন্ত্ৰণাত আশাবোৰ
টুকুৰা টুকুৰ খহে
ৰুগীয়া শৰীৰত তেজৰ মখা বান্ধে
তথাপি ভোক এসাঁজ ভাতৰ

বেজাৰত চকুপানী টোকে
নিৰৱে অকলে
নিলাজ ৰাতি বেশ্যা শব্দটোৱে
কাণ তাল মাৰি ধৰে
তথাপি ভোক এসাঁজ ভাতৰ
এৰা ভোক এসাঁজ ভাতৰ।

# তোমাৰ নামত

■ সৃজনী তালুকদাৰ
*স্নাতক প্ৰথম ষাণ্মাসিক, ৰসায়ন বিজ্ঞান বিভাগ*

নিয়ৰ সৰাদি সৰে মোৰ চকুপানী
দুস্বপ্ন হৈ ৰয় তোমাৰ আশা,
ভৰা লুইতৰ বুকুৰেদি বৈ যায়
যেন নিবিড় শৰতৰ সন্ধিয়া
তোমাৰ পৰশত শেৰালিৰ নাচোন,
যেন... হেঙুলী আকাশত ভোমোৰাৰ গুঞ্জন।
কপিলীপৰীয়া কানন যেন,
নিস্তব্ধ হৈ ৰয় তোমাৰ ওঁঠত
মন পৰশা ৰাগিৰ সন্ধিয়াত
আছোহি বৈ তোমাৰ অপেক্ষাত।।
আহিবানে তুমি.... অনামিকা.....।



# এজাক এন্ধাৰ ৰাতিৰ বৰষুণ

■ অঞ্জন বৰ্মন
*স্নাতক পঞ্চম ষাণ্মাসিক, কলা শাখা*



এন্ধাৰ ৰাতিৰ এজাক বৰষুণে,
বাৰুকৈয়ে সোঁৱৰাইছে আজি
তাহানিৰ ৰঙীণ স্বপ্নৰ সেই দিনবোৰ
আজিও পৰে মনত, চুমি যাইহি মোৰ,
অন্তৰৰ দৰিয়ালৈ।।
সময়ৰ সোঁতত বৈ যোৱা সেই দিনবোৰ যেন
এতিয়াও জীপাল কৰি তোলে,
এন্ধাৰ ৰাতিৰ এজাক বৰষুণে।।
তাহানিৰ সেই ৰঙীণ স্বপ্নৰ দিনবোৰ
আজিও যেন সজীৱ হৈ আছে
অন্তৰৰ কোনোবা এটি স্তব্ধ কোঠালিতে....।

# বাৰ্তালাপ

■ মৃদুস্মিতা কাশ্যপ
*স্নাতক চতুৰ্থ যাণ্মাসিক ইংৰাজী বিভাগ*

দুপৰ নিশা ভাঁহি আহিছিল
কোনোবাই বজোৱা বাঁহীৰ কৰুণ সুৰ
বাঁহীৰ সুৰে মোক আপ্লুত কৰিছিল,
সুৰটিৰ মাজত মই যেন বিলীন হৈছিলোঁ।
সুৰটিয়ে যেন মোক সুধিছিল
সপোন ভঙাৰ বিষাদৰ কথা,
চকুৰ পচাৰতে বানে বুৰোৱা
মোৰ সপোনৰ পথাৰখনৰ কথা।
মই কৈছিলো
চকুৰ পচাৰতে সেউজীয়া পথাৰখন
বানে নষ্ট কৰাৰ কথা,
আঘোণৰ সোণালী পথাৰখনৰ
সপোনটি ভঙাৰ কথা...।



# এক প্ৰশ্ন

■ সাগৰিকা দেৱী
*স্নাতক চতুৰ্থ যাণ্মাসিক, ভূগোল বিভাগ*



কবিতাৰ মাজত মোৰ জীৱন
ক'লা চিয়াঁহীৰে লিখি যাম মোৰ জীৱন গাঁথা,
বন্ধ কোঠাৰ আঁৰত
বাহিৰত এক ৰঙীন পৃথিৱী
খুলি দেখুৱাব নোৱাৰো,
সেয়াও এক নুবুজা প্ৰশ্ন
হয়তো তোমাৰ বাবে
বুজাব নোৱাৰো মই
অলংকাৰ বিহীন শব্দবোৰ
উকা জীৱন শৈলীৰ
মোৰ নাটৰ অভিনয়।
হয়তো সংগীবিহীন নহয় মই
তথাপিও বন্ধ কোঠাৰ ভিতৰত
মই অকলশৰীয়া...।

# সৃষ্টিৰ অগ্নি-বীজ

■ জ্যোতি শিখা বৈশ্য
*স্নাতক তৃতীয় যাণ্মাসিক, দৰ্শন বিভাগ*

কাৰেংঘৰ কল্পনাৰ
কি যে বিতোপন
দূৰ দিগন্তত আৰু দূপৰ নিশা,
ফেঁচাৰ নিউ নিউ আৰাও
ভৰ দুপৰত
চক্রধাৰীৰ চক্রান্ত।
মাজ সাগৰত
টুলুং ভুটুং নাওঁ
কিন্তু ধুমুহা?
স্তব্ধ
কুৰুক্ষেত্ৰত শকুনি
প্ৰতিশোধ আৰু কিমান চাতুৰী
ঘৰৰ বৈৰী বিভীষণ
শান্তিপূৰ্ণ জীৱনৰ আবেলি পৰত
শলিতা জ্বলে পুৱতি নিশা
পূৱত বেলি ভুমুকি মাৰে
পথাৰ ভৰা শস্য
ভঁৰাল খুন্দ খুন্দাই
সৃষ্টিৰ অগ্নি-বীজ চৌদিশে উৰে
পৃথিৱীখন উজ্বলি উঠিছে দূৰে দূৰে...।



# অজান অনুভূতি

■ জয়শ্ৰী শৰ্মা
*স্নাতক প্ৰথম যাণ্মাসিক*

এটি দুটি খোজ দি
মই আগবাঢ়ি আহি
পাৰ কৰিলোঁ
জীৱনৰ প্ৰথম দুৱাৰ দলি...
এয়া,
মই ভৰি দিলো
এক অজান পৃথিৱীত...।
ইয়াতে আছে,
জনা-নজনা, পোৱা- নোপোৱা
আৰু
কিছু আনমনা কথা
মোৰ হৃদয়ে উচপ খাই উঠে
থমকি ৰয়, প্ৰতিখোজে... প্ৰতিখোজে
মাজে মাজে
অস্থিৰ হৈ উঠে মোৰ মন
সঁচাকৈ....
জীৱনৰ পাণ্ডুলিপিত আগবাঢ়ি যোৱাৰ
অনুভূতিও যেন অজান....
এয়া এক
শিহৰণকাৰী আলোকময় যাত্ৰা
য'ত আছে বিচাৰি চোৱা
কোনো আশাৰ বতৰা....।

গ্ৰন্থ অৱলোকন

# সুকবি নাৰায়ণদেৱৰ 'পদ্মা-পুৰাণ'

■ ভাস্কৰ ভট্ট
*অতিথি অধ্যাপক, অসমীয়া বিভাগ*

অসমীয়া মনসা কবিসকলৰ ভিতৰত সুকবি নাৰায়ণদেৱ সৰ্বশ্ৰেষ্ঠ। অকল মনসা কবিসকলৰ ভিতৰতে নহয়, পুৰণি অসমীয়া সাহিত্যৰ শ্ৰেষ্ঠ কবিসকলৰ ভিতৰত অন্যতম। তেওঁ 'পদ্মা-পুৰাণ'ত আত্মপৰিচয় দিছে এইদৰে ঃ

ক) তুমি প্ৰভু পৰম সুন্দৰ মহাযোগী যোগেশ্বৰ
হেৰ মোৰে কৰুণা নয়নে।
তুমি প্ৰভু কৃপাময় আমি নৰসিংহ তনয়
ৰাখে কৃপা সেৱক জনে।।

খ) আমি ব্ৰাহ্মণ জাতি মুখ হন্তে উতপতি
ক্ষেত্ৰি জন্মিলা বাহু হন্তে।
বৈশ্য হৈল উৰুস্থলে শূদ্ৰ হৈল চৰণে
চাৰি জাতি জন্মিলে এহিমতে।।

গ) নাৰায়ণদেৱে কয় সুকবি বল্লভ হয়
নিলক্ষৰ পাকে দিলা দৰিশন।
মনসাৰ চৰণে সুকবি নাৰায়ণে
শিৰে কৰি যায় বন্দন।।

ঘ) নৰসিংহ সুত কবি দেৱ নাৰায়ণ।
ৰচিলা পাঞ্চালি গীত পদ্মাৰ চৰণ।।

ঙ) নৰসিংহ সুত কবি নাম নাৰায়ণে।
ৰচিল পুৰাণ গীত পদ্মাৰ চৰণে।।

উল্লিখিত পদ কেইফাঁকিৰ পৰা জনা যায় যে নাৰায়ণদেৱৰ পিতৃৰ নাম নৰসিংহ। জাতিত তেওঁ ব্ৰাহ্মণ; মনসাৰ একান্ত ভক্ত। তেওঁ মনসাৰ চৰণ চিন্তি কাব্যখন ৰচনা কৰিছে আৰু কাব্যখনক 'পুৰাণ' বুলিছে। নাৰায়ণদেৱৰ জন্মস্থান আৰু কাল সম্পৰ্কে



ভিন্নজনে ভিন্ন মত প্ৰকাশ কৰিছে। ভাৰতচন্দ্ৰ দাসৰ মতে নাৰায়ণদেৱ দ্বাদশ শতিকাৰ শেষভাগৰ কবি। তেওঁ গোঁসাই নগৰ হাজোৰ ওচৰৰ মানুহ আৰু শুৱালকুছিৰ বাসস্তৰীয়া ব্ৰাহ্মণ বংশৰ লোক।[১] প্ৰচলিত কিম্বদন্তীৰ ওপৰত ভিত্তি কৰি ডিম্বেশ্বৰ নেওগে কৈছে- "পদ্মা-পুৰাণৰ গীতৰ নায়ক লখিন্দৰৰ বিখ্যাত মেৰঘৰ থকা ছয়গাওঁ অঞ্চলৰ দাঁতিকাষৰীয়া পচৰীয়া গাঁৱতে নাৰায়ণদেৱৰ জন্ম। ......মনকৰ আৰু দুৰ্গাবৰ এই দুজনা মনসা কবিৰ ভাষাতকৈ নাৰায়ণদেৱৰ গীতৰ ভাষা অধিক প্ৰাচীন যেন

নালাগে। দুৰ্গাবৰৰ ভণিতাৰ পৰা তেওঁক বিশ্বসিংহৰ সমসাময়িক আৰু এইবাবেই ষোড়শ শতিকাৰ আদিভাগ বা পঞ্চদশ শতিকাৰ শেষভাগৰ বুলি ঠাৱৰোৱা হৈছে, এতেকে নাৰায়ণদেৱৰ কাল তাৰ আগত নহয় বুলি ধৰিব পাৰি।"[২] দীনেশ্বৰ শৰ্মাৰ মতে নাৰায়ণদেৱ দৰঙী ৰজা ধৰ্মনাৰায়ণৰ সভাকবি বা সভাপণ্ডিত আছিল আৰু নাৰায়ণদেৱ বিৰচিত গীতৰ ৰসত আপ্লুত হৈ ধৰ্মনাৰায়ণে তেওঁক 'সুকবি' আখ্যা দিছিল। দৈৱচন্দ্ৰ তালুকদাৰৰ মতে নাৰায়ণদেৱে ব্যাসপাৰাত জন্মগ্ৰহণ কৰিছিল আৰু তেওঁ দৰঙী ৰজা ধৰ্মনাৰায়ণৰ সভাকবি আছিল।[৩] সত্যেন্দ্ৰনাথ শৰ্মাৰ মতে নাৰায়ণদেৱ সপ্তদশ শতিকাৰ আদি ভাগৰ কবি। তেওঁ কৈছে — "সুকবি নাৰায়ণদেৱক কালিৰাম মেধি, ভাৰতচন্দ্ৰ দাস আদি আগৰ চামৰ লোকসকলে প্ৰাক্-শঙ্কৰী যুগত স্থাপন কৰিছে যদিও প্ৰকৃততে তেওঁ সপ্তদশ শতিকাৰ প্ৰথমভাগৰ কবি বুলিহে তেওঁৰ কাব্যই সাক্ষ্য দাঙি ধৰে। কোঁচ হাজোৰ সপ্তদশ শতিকাৰ কোঁচ ৰজা বলীনাৰায়ণ বা ধৰ্মনাৰায়ণৰ (১৬১৫-১৬৩৭) ৰাজত্বত এই কবিজনাৰ উদ্ভৱ হৈছিল বুলি লোক-পৰম্পৰা আৰু দৰঙী ৰজাৰ ঘৰত সংৰক্ষিত তেওঁৰ কাব্যৰ একাধিক পাণ্ডুলিপি আৰু দৰং-পাতিদৰঙত তেওঁৰ ৰচনাৰ সৰ্বাধিক জনপ্ৰিয়তাই উক্ত মত দৃঢ় কৰাত সহায় কৰে।" [৪] নাৰায়ণদেৱক মহেশ্বৰ নেওগেও ধৰ্মনাৰায়ণৰ দিনৰ কবি বুলিছে।[৫] উল্লিখিত মতসমূহ চালি-জাৰি চালে এটা সিদ্ধান্তত উপনীত হ'ব পৰা যায় যে নাৰায়ণদেৱ ধৰ্মনাৰায়ণৰ ৰাজত্বকালৰ (১৬১৫-১৬৩৭) কবি। সেইহেতু নাৰায়ণদেৱৰ কাব্য ৰচনাৰ কাল সপ্তদশ শতিকাৰ আদি ভাগ বুলি ঠাৱৰ কৰিব পাৰি। তদুপৰি কাব্যখনৰ ভাষায়ো এই মত দৃঢ় কৰাত সহায় কৰে।

বঙালী পণ্ডিতসকলে নাৰায়ণদেৱক বঙালী কবি বুলি দাবী কৰে। সুকুমাৰ সেনৰ মতে নাৰায়ণদেৱ ষোড়শ শতিকাৰ কবি আৰু পূৰ্ববঙ্গৰ অধিবাসী আছিল। তেওঁৰ ভাষাত — "মনসা - মঙ্গল অৰ্থাৎ মনসাৰ কাহিনী বিষয়ক ৰচনাৰ মধ্যে ষোড়শ শতাব্দীতে একজনেৰ নাম উল্লেখযোগ্য। ইনি হলেন নাৰায়ণদেব। নাৰায়ণদেব উত্তৰ পূৰ্ববঙ্গেৰ (ময়মনসিংহ-কাছাড়েৰ) অধিবাসী ছিলেন। তাঁৰ প্ৰপিতামহ পশ্চিম-বঙ্গেৰ (ৰাঢ় অঞ্চলেৰ) অধিবাসী ছিলেন, তিনি দেশ ছেড়ে এসে ব্ৰহ্মপুত্ৰ নদেৰ তীৰে বসবাস কৰেছিলেন। হয়ত এঁৰাই উত্তৰ-পূৰ্ববঙ্গে মনসা-মঙ্গল গান সৰ্ব প্ৰথম প্ৰচাৰ কৰেণ।"[৬] দীনেশ চন্দ্ৰ সেনে নাৰায়ণদেৱৰ জন্মস্থান আৰু পৰিচয় সম্পৰ্কত এইদৰে কৈছে — "নাৰায়ণদেবেৰ পিতামহেৰ নাম নৰহৰি, পিতাৰ নাম নৰসিংহ। ইহাঁদেৰ আদি বাসস্থান মগধ ছিল। ইহাঁৰা মধুকুল্য গোত্ৰ এবং গুণাকৰ গাঁই। নাৰায়ণদেবেৰ মাতাৰ নাম ৰুক্মিনী বা ৰত্নাবতী, মাতামহেৰ নাম প্ৰভাকৰ। নাৰায়ণদেবেৰ কনিষ্ঠ ভ্ৰাতাৰ নাম বল্লভ, ইনি নাৰায়ণদেব অপেক্ষা বয়সে চৌদ্দ বৎসৰেৰ ছোট। .......... নাৰায়াদেব বলিয়া যাইতে লাগিলেন ও বল্লভ লিখিতে লাগিলেন, এইভাবে তাহাঁৰ সুপ্ৰসিদ্ধ মনসাৰ ভাসান ৰচিত হয়। ........... নাৰায়ণদেব অনুমান ১২৪৬ খৃঃ তাহাৰ মনসা-মঙ্গল ৰচনা কৰেণ। ময়মনসিংহৰ বুঢ়গ্ৰামে নাৰায়ণদেবেৰ বংশধৰগণ বাস কৰিতেছেন। তাহাৰা নাৰায়ণদেব হইতে অধস্তন বিংশ পৰ্যায়ে অবস্থিত।"[৭] দীনেশ চন্দ্ৰ সেনে আকৌ তেওঁৰ 'বঙ্গভাষা ও সাহিত্য' শীৰ্ষক গ্ৰন্থত নাৰায়ণদেৱক পঞ্চদশ শতিকাৰ কবি বুলি কৈছে।[৮] তমোনাশ চন্দ্ৰ দাশগুপ্তৰ মতে নাৰায়ণদেৱক অসমীয়া কবি বুলি ক'লেও নাৰায়ণদেৱ মূলতঃ বঙালী কবি। তেওঁৰ ভাষাত— "আসামবাসিগণ নাৰায়ণদেব আসামেৰ অধিবাসী ছিলেন বলিয়া মনে কৰেণ। ব্ৰহ্মপুত্ৰ উপত্যকায় নাৰায়ণদেবেৰ পদ্মা-পুৰাণেৰ অসমিয়া সংস্কৰণেৰ প্ৰচলনেই ইহাৰ কাৰণ। ময়মনসিংহেৰ কবিৰ ইহাতে গৌৰবই বৰ্দ্ধিত হইয়াছে, অসমীয়া ভাষা বাঙ্গালা ভাষাৰ প্ৰাদেশিক ৰূপ মাত্ৰ। ইহা ছাড়া আসাম সীমান্তবাসী বাঙালী কবিৰ খাস আসামে গতিবিধি থাকাও অসম্ভব নহে। আমৰা একাধিক নাৰায়ণদেবেৰ কল্পনাও কৰিতে পাৰি না। যাহা হউক আমৰা বাঙ্গালী কবি নাৰায়ণদেবকে আসামেৰ কবি বলিয়া ধৰিয়া লইতে একেবাৰেই প্ৰস্তুত নহি।"[৯] দাশগুপ্তৰ মতে নাৰায়ণদেৱ ত্ৰয়োদশ শতিকাৰ মধ্য কি শেষভাগৰ কবি। আশুতোষ ভট্টাচাৰ্যই উল্লেখ কৰা মতে নাৰায়ণদেৱে পূৰ্ববঙ্গৰ ময়মনসিং জিলাৰ বোৰগ্ৰামত বসতি কৰিবলৈ লয় আৰু বঙ্গ বিভাজনৰ পূৰ্বলৈকে নাৰায়ণদেৱৰ বংশধৰসকলে এই গাঁৱতে বাস কৰিছিল। তেওঁৰ মতে নাৰায়ণদেৱ পঞ্চদশ শতিকাৰ কবি। নাৰায়ণদেৱৰ পিতামহ আৰু মাতামহৰ নাম যথাক্ৰমে উদ্ধৱ আৰু প্ৰভাকৰ; পিতৃ আৰু মাতৃৰ নাম যথাক্ৰমে নৰসিংহ আৰু ৰুক্মিণী ঃ[১০]

পিতামহ উদ্ধৱ নৰসিংহ পিতা।
মাতামহ প্ৰভাকৰ ৰুক্মিণী মোৰ মাতা।।

শশিভূষণ দাশগুপ্তই কৈছে যে নাৰায়ণদেৱ ময়মনসিং বাসী বঙালী কবি হ'লেও তেওঁৰ মনসা কাব্য অসমৰ বহুতো স্থানত প্ৰচলিত আৰু তেওঁ এজন অসমীয়া কবি বুলিহে অসমত প্ৰসিদ্ধ।[১১]

নাৰায়ণদেৱক বঙালী পণ্ডিতসকলে বিভিন্ন উপায়েৰে বঙালী কবি বুলি প্ৰতিপন্ন কৰিব বিচাৰিলেও, নাৰায়ণদেৱ অসমীয়া কবি।[১২] নাৰায়ণদেৱৰ কাব্যৰ ভাষা, কাব্যত উল্লেখ কৰা বিভিন্ন স্থানৰ বৰ্ণনা, কাব্যত প্ৰতিফলিত তদানীন্তন সমাজৰ চিত্ৰ, ৰীতি-নীতি, বিভিন্ন খাদ্যৰ উল্লেখ (মাছ, শাক-পাচলি, পৰমান্ন, বিভিন্ন পিঠা, লাড়ু, সান্দহ ইত্যাদি), কাব্যত উল্লেখ কৰা জীৱ-জন্তু তথা ফল-ফুলৰ নাম, কাব্যৰ জনপ্ৰিয়তা,

জনশ্ৰুতি ইত্যাদি আটাইবোৰে স্পষ্টকৈ প্ৰমাণিত কৰে যে নাৰায়ণদেৱ অসমৰ লোক। নাৰায়ণদেৱ পুৰণি কামৰূপ ৰাজ্যৰ পশ্চিমাঞ্চলৰ (বৰ্তমান কামৰূপ) কবি আছিল, আৰু তেওঁ কাব্য ৰচনা কৰিছিল তেওঁৰ মাতৃভাষা অসমীয়াত। নাৰায়ণদেৱৰ কাব্য সকলো দিশৰ পৰা কামৰূপ অঞ্চলত ইমান জনপ্ৰিয় হৈ উঠিছিল যে, ই ক্ষিপ্ৰগতিত পূৰ্ব-বঙ্গলৈ আৰু তাৰ পৰা পশ্চিম বঙ্গলৈ প্ৰচলিত হয়। সম্ভৱতঃ তাত এই কাব্যৰ পাঠৰ ওপৰত বাংলা ভাষাৰ ৰহণ পৰে। ফলত বঙালী পণ্ডিতসকলে নাৰায়ণদেৱক বঙালী কবিৰূপে প্ৰচাৰ কৰাৰ সুবিধা পাইছে।[১৩]

সুকবি নাৰায়ণদেৱৰ 'পদ্মা-পুৰাণ' অসমীয়া সমাজত 'সুকনান্নী' বুলি পৰিচিত। 'সুকনান্নী' শব্দটো সুকবি নাৰায়ণীৰ চমু ৰূপ। 'সু' কবিৰ 'ক' আৰু নাৰায়ণীৰ 'নান্নী - আটাইখিনিয়েই — 'সুকনান্নী'। কামৰূপত নৰণিৰ ঠাইত 'নন্নী' কৰণিৰ ঠাইত 'কন্নি', মাৰাণাৰ ঠাইত 'মান্না' উচ্চাৰণ হয়। সেইদৰে নাৰায়ণীৰ ঠাইত 'নান্নী' ব্যৱহাৰ হৈছে।[১৪] নবীন চন্দ্ৰ শৰ্মাৰ মতে 'সুকনান্নী' পদটো 'সু কবি নাৰায়ণদেৱ নিগদতি' বাক্যটোৰ প্ৰতিটো পদৰ আদ্য অক্ষৰৰ সংযোগত সিদ্ধ হৈছে। যেনে সু (সু) + ক (কবি) + না (নাৰায়ণদেৱ) + নি (নিগদতি) = সুকনানি, আৰু আদ্য অক্ষৰৰ শ্বাসাঘাত হেতু মধ্যস্বৰ 'অ' লোপ পোৱা বাবে পদটো 'সুকনান্নি' বা 'সুকনান্নী' ৰূপে উচ্চাৰিত হ'বলৈ ধৰিলে।[১৫]

নাৰায়ণদেৱৰ বৃহৎ মনসা কাব্য দুই ভাগত বিভক্ত — পদ্মা-পুৰাণ আৰু ভাটীয়ালী (ভাইঠেলী)। ভাটীয়ালী খণ্ডৰ কিছুমান পদ সৰ্পৰ ওজাই মন্ত্ৰৰূপে ব্যৱহাৰ কৰি সৰ্পৰ বিষ ভটীয়াই আনে কাৰণে এই খণ্ডৰ নাম ভাটীয়ালী। কোনোৱে আকৌ কাব্যখনৰ কাহিনী ভাগৰ অগ্ৰগতি আৰু পৰিণতিৰ প্ৰতি লক্ষ্য ৰাখিহে উজনি আৰু ভাটীয়ালী খণ্ড বোলা হৈছে বুলি কৈছে।[১৬] 'পদ্মা-পুৰাণ'ত সৃষ্টি-পাতন, পুষ্পধাৰী, নেতা আৰু পদ্মাৰ জন্ম, চণ্ডিকাই খাৰুৰে পদ্মাৰ চকুত আঘাত কৰাত পদ্মাৰ কাণত্ব প্ৰাপ্তি, পদ্মাৰ বিবাহ, আস্তিক মুনিৰ জন্ম, চান্দোৰ জন্ম, চান্দোৰ ছয় পুত্ৰৰ জন্ম, পৰীক্ষিত বধ, ধন্বন্তৰী বধ, হাছান-হুছানৰ লগত মনসাৰ সংঘৰ্ষ, মনসাৰ লগত প্ৰতিদ্বন্দ্বিতা কৰিবলৈ চান্দোক চণ্ডীৰ হেমতাল প্ৰদান, হেমতালৰ কোবত সোনেকাৰ মনসা পূজাৰ ঘট চূৰ্ণাকৃতি, ঊষা-অনিৰুদ্ধৰ প্ৰতি ইন্দ্ৰৰ অভিশাপ, ঊষা হৰণ, যম নগৰৰ বৰ্ণনা, চান্দোৰ ছয় পুত্ৰৰ মৃত্যু, বেউলা লখিন্দৰৰ জন্ম, বাণিজ্যৰ পৰা চান্দোৰ প্ৰত্যাৱৰ্তন, নানা সম্পদপূৰ্ণ চান্দোৰ চৈধ্যখন ডিঙা কালিদা সাগৰত নিমজ্জন, নেতাৰ সহায়ত পদ্মাৰ চান্দোৰ ওপৰত নানা অত্যাচাৰ, বেউলা-লখিন্দৰৰ বিবাহৰ যো-জা, বিবাহৰ পিছদিনা বিধবা হ'ব বুলি বেউলাৰ প্ৰতি মনসাৰ অভিশাপ, মেৰঘৰ নিৰ্মাণ, বেউলা-লখিন্দৰৰ বিবাহ, কালিনাগৰ দংশনত লখিন্দৰৰ মৃত্যু, মৃত স্বামীক ভূৰত লৈ বেউলাৰ দেৱ পুৰীলৈ গমন, বেউলাৰ নৃত্য, চান্দোৰ পৰা পূজা প্ৰাপ্তিৰ চৰ্তত লখিন্দৰৰ আৰু তেওঁৰ ছয় ভাতৃৰ মনসাৰ দ্বাৰা জীৱন দান, তেওঁলোক সহিতে মনসাই হৰণ কৰা চান্দোৰ সকলোবোৰ সম্পদ লৈ চম্পক নগৰলৈ বেউলাৰ প্ৰত্যাৱৰ্তন আৰু শেষত মনসাৰ প্ৰতি চান্দোৰ বাওঁহাতেৰে পুষ্প প্ৰদান— ইত্যাদি বিষয় বৰ্ণিত হৈছে।

'পদ্মা-পুৰাণ'ৰ চৰিত্ৰসমূহৰ ভিতৰত মহাদেৱ, পদ্মা, নেতা, চণ্ডী, নাৰদ, চান্দো, সোনেকা, লখিন্দৰ আৰু বেউলা উল্লেখযোগ্য। পৌৰাণিক শিৱই নাৰায়ণদেৱৰ কাব্যত লোকদেৱতাৰূপে আত্মপ্ৰকাশ কৰিছে। পৌৰাণিক শিৱৰ মাহাত্ম্য আৰু গাম্ভীৰ্যৰ পৰিৱৰ্তে কাব্যখনত শিৱৰ ভাঙুৰা, ভিক্ষাৰী আৰু কামপৰৱশ চিত্ৰহে প্ৰতিফলিত হৈছে। জন্ম মৰ্যাদাত পদ্মা দেৱী হ'লেও কাব্যখনত কবিয়ে পদ্মাক এগৰাকী কুটিল, নিৰ্মম, প্ৰতিশোধ পৰায়ণা তথা হৃদয়হীনা নাৰীৰূপে অঙ্কন কৰিছে। পদ্মাই নিজৰ স্বাৰ্থ সিদ্ধিৰ কাৰণে একেবাৰে নিকৃষ্ট কাম কৰিবলৈ কুণ্ঠবোধ কৰা নাই। সম্বন্ধত পদ্মাৰ ভনী নেতা দেৱসমাজৰ ধুবুনী আৰু পদ্মাৰ মন্ত্ৰণাদাত্ৰী। নেতাৰ মন্ত্ৰণাতেই পদ্মাই ধন্বন্তৰী বধ, চান্দোৰ ছয় পুত্ৰ নিধন, চান্দোৰ ডিঙা নিমজ্জন ইত্যাদি নিকৃষ্ট কাম কৰিছে। চণ্ডী পদ্মাৰ মাহীমাক তথা শত্ৰু। তেওঁ পদ্মাৰ সৈতে যুঁজিবলৈ চান্দোক হেমতাল দিছে। সংস্কৃত পুৰাণাদিত বৰ্ণিত ব্ৰহ্মাৰ মানস পুত্ৰ নাৰদ নাৰায়ণদেৱৰ কাব্যত টুটকীয়া আৰু কলহপ্ৰিয় ৰূপত ৰূপায়িত হৈছে।[১৭] চান্দো 'পদ্মা-পুৰাণৰ' ট্ৰেজিক নায়ক। তেওঁ ঐশ্বৰ্য-বিভূতি, শক্তি-সামৰ্থ্য আৰু পৰিজনৰে পৰিপূৰ্ণ চম্পক নগৰৰ শ্ৰেষ্ঠ সদাগৰ। পদ্মাৰ ক্ষেত্ৰত দৃঢ়তা আৰু অবিচলতা শিৱ-ভক্ত চান্দোৰ চৰিত্ৰৰ অন্যতম বৈশিষ্ট্য। অৱশ্যে কোনো কোনো ক্ষেত্ৰত চান্দোৰ চৰিত্ৰত মানৱীয় দুৰ্বলতা আৰু দোষ-ত্ৰুটী দেখা যায়। সোনেকা চান্দো সদাগৰৰ পত্নী; পদ্মাৰ ভক্তা। তেওঁ চিৰন্তন মাতৃ হৃদয়ৰ প্ৰতিমূৰ্তি। লখিন্দৰ চান্দোৰ সপ্তম পুত্ৰ; বেউলাৰ স্বামী। কাব্যখনত এই চৰিত্ৰটিৰ বিশেষ বৰঙণি নাই বাবে কোনো কোনোৱে চৰিত্ৰটিক নিষ্ক্ৰিয় চৰিত্ৰ বুলি ক'ব খোজে। 'পদ্মা-পুৰাণ'ৰ কাহিনী ভাগৰ অগ্ৰগতিত লখিন্দৰ চৰিত্ৰটিৰ নিজস্ব বৰঙণি নহ'লেও, লখিন্দৰ চৰিত্ৰটিয়ে অন্তৰ প্ৰৱাহিত পাতালী গঙ্গাৰ দৰে কাব্যখনৰ পৰিপূৰ্ণতা অথবা বিকাশত কাম নকৰা বুলি ক'ব নোৱাৰি। সেয়েহে সাধাৰণ পাঠকৰ মনত এই চৰিত্ৰটি নিষ্ক্ৰিয় চৰিত্ৰ যেন লাগিলেও, আচলতে চৰিত্ৰটিৰ নিষ্ক্ৰিয়তাখিনিয়েই এক বিশেষ বৈশিষ্ট্য হিচাপে ধৰা দিছে; কাৰণ লখিন্দৰ চৰিত্ৰটিক কেন্দ্ৰ কৰিয়েই কাব্যখনে পৰিপূৰ্ণতা লাভ

কৰিছে। 'পদ্মা-পুৰাণ'ৰ আটাইতকৈ উল্লেখযোগ্য চৰিত্ৰ হ'ল বেউলা। বেউলাৰ চৰিত্ৰ নাৰায়ণদেৱে যত্ন আৰু সহানুভূতিৰে অঙ্কন কৰিছে। বেউলাৰ চৰিত্ৰত কোমলতা আৰু কঠোৰতাই এক অপূৰ্ব শ্ৰী ধাৰণ কৰিছে। তেজস্বিতা আৰু মৃদুতাৰ একত্ৰ সমাৱেশে বেউলা চৰিত্ৰটিক গৰিমামণ্ডিত কৰি তুলিছে। এই চৰিত্ৰটিৰ যথাৰ্থ সৃষ্টিয়ে নাৰায়ণদেৱৰ কৃতিত্ব প্ৰদৰ্শন কৰিছে।

'পদ্মা-পুৰাণ' কৰুণ ৰসৰ আঁকৰ। কৰুণ ৰসৰ স্বাভাৱিক বৰ্ণনাত নাৰায়ণদেৱৰ সমকক্ষ কবি পাবলৈ বিৰল। কৰুণ ৰসৰ পৰিপুষ্টিৰ কাৰণে নাৰায়ণদেৱে কাব্যখনত শৃঙ্গাৰ, বীৰ, হাস্য আদি ৰসৰ সমাৱেশ ঘটাইছে। কালীনাগৰ দংশনত লখিন্দৰৰ মৃত্যু হোৱাত লখিন্দৰৰ মৰাশ আগত লৈ বেউলাই যেনেধৰণে ক্ৰন্দন কৰিছে, তাৰ এক কৰুণ, মৰ্মস্পৰ্শী চিত্ৰ নাৰায়ণদেৱে কাব্যখনত দাঙি ধৰিছে —

দিহা ঃ দাৰুণ বিধি কি লেখিলো আমাৰ কপালে।
দাৰুণ বিধি কি লেখিলা মোৰে।।

পদ ঃ প্ৰভু প্ৰভু বুলি বেফুলা ডাক চাৰি বোলে।
ডাক দিলা দেৱসবে মেৰৰ উপৰে।।
নাকান্দা নাকান্দা তুমি বেফুলা সুন্দৰী।
অৱশ্যে পাইবা লখাইক গৈলে দেৱ পুৰী।।
দেৱগণ বচন বেফুলা নুশুনিল কাণে।
হা প্ৰভু হা প্ৰভু বুলি বেফুলাই কান্দে।।
না ইল মাস পক্ষ দিন অষ্ট চাৰি।
কাল ৰাত্ৰিত পদ্মাৱতী মোক কৈল বাঁৰী।।
বিষাদ ভাবিয়া বেফুলা কৰয় ক্ৰন্দন।
বেফুলাৰ ক্ৰন্দনে কান্দে যত সখীগণ।।
নিহালি নিহালি কান্দে বেফুলা চাই লখিন্দাৰ।
আমা ছাৰি কোথা গৈল মোৰ প্ৰাণেশ্বৰ।।
কোকিলৰ ধ্বনি যেন বেফুলাৰ ক্ৰন্দন।
শুনিতে উপজে দুখ শুনে যিবা জন।।
কোন দোষে প্ৰভু মোৰ হৈল দৰিশন।
তুমি অবিহনে মই জীম কিবা কাৰণ।।
হা হা প্ৰভু আমাক এৰি গৈলা তুমি কোথা।
কোন দোষে মোৰ কৈল এমন অৱস্থা।।
অকালতে বাঁৰী হৈলোঁ বেফুলা ৰূপৱতী।
মদন সমান প্ৰভু তোমাৰ যৌৱনৰ কান্তি।।
অমৃত সমান প্ৰভু তোমাৰ মুখৰ বাণী।
পুনৰপি মই অভাগিনী নুশুনিলোঁ বাণী।।
মোৰ হাতৰ অন্ন তোমাৰ খাইতে গৈল মন।
বিস্তৰ যত্ন কৰিলা প্ৰভু কৰিতে ৰন্ধন।।
আলস্যে ফলাহাৰ প্ৰভু কৰাইলোঁ তোমাৰে।
সেহিসে দাৰুণ দুখ প্ৰভু লাগি আছে মোৰে।।
মদনে পীড়িত হৈয়া চাহিলা আলিঙ্গন।
লজ্জাৰ কাৰণে তোমাৰ নাতুষিলোঁ মন।।
সেহিসে দাৰুণ দুখ লাগি আছে মোৰ।
তেকাৰণে বোলা তেবে নাদিও উত্তৰ।।
মুখে মুখে চক্ষে চক্ষে এক এক কৰি।
বিষাদ ভাবিয়া কান্দে বেফুলা সুন্দৰী।। ইত্যাদি

নাৰায়ণদেৱৰ কাব্যত মধ্যযুগীয়া অসমীয়া সমাজৰ এক মনোমোহা চিত্ৰ প্ৰতিফলিত হৈছে। কাব্যখনে তদানীন্তন অসমীয়া সমাজৰ আচাৰ-ব্যৱহাৰ, বেহা-বেপাৰ, শিল্পকৰ্ম, সাজ-পোছাক, অলঙ্কাৰ, কু-সংস্কাৰ, অন্ধবিশ্বাস, লোকবিশ্বাস ইত্যাদি বিভিন্ন দিশৰ আভাস দিছে। ব্ৰাহ্মণ, কায়স্থ, দৈবজ্ঞ, কেওঁট, কোঁচ, হাৰী, কৈৱৰ্ত, নাপিত আদি মানুহ সেই সময়ত অসমত বাস কৰাৰ প্ৰমাণ কাব্যখনত পোৱা যায়। কোনো শুভকৰ্ম বা যাত্ৰা কৰাৰ পূৰ্বে মঙ্গলামঙ্গল চোৱাটো অসমীয়া সমাজৰ এটা প্ৰচলিত ৰীতি। নাৰায়ণদেৱৰ কাব্যত বণিজলৈ যাবলৈ ওলাই চান্দোই পণ্ডিতৰ হতুৱাই শুভলগ্ন উলিয়াইছে —

জগাই পণ্ডিত আনি শুভলগ্ন দিলা গণি
যাত্ৰাকালে মঙ্গল আচাৰ।
কঙ্খ বাইক ডাক দিয়া বোলে চম্পকৰ দায়া
তোমাক ৰাজ্যত দিলো অধিকাৰ।।

অসমীয়া সমাজ-সংস্কৃতিত তামোল-পাণে এক বিশেষ স্থান অধিকাৰ কৰি আহিছে। অসমীয়া সমাজৰ প্ৰায়বোৰ উৎসৱ-অনুষ্ঠানতে তামোল-পাণৰ ব্যৱহাৰ অপৰিহাৰ্য। চান্দো সদাগৰে বণিজলৈ যাওঁতে লগত তামোল-পাণ লৈ যোৱাৰ কথা কাব্যখনত উল্লেখ আছে ঃ

এত শুনি বাটা ভৰি লৈয়া গুৱা-পাণ।
আপুনি উঠিয়া সাধু দিল ৰাজাৰ সদন।।

✶ ✶ ✶ ✶

গুৱা-পাণ যাকে বোলে সামান্যে নাপায়।
মহা মহা নৃপতিয়ে ভাগ্যে পুণ্যে পায়।।

অসমীয়া সমাজত বেজ-কবিৰাজ তথা তন্ত্ৰ-মন্ত্ৰৰ প্ৰভাৱ মাত্ৰাধিক। প্ৰাচীন কালত অসম (কামৰূপ) তন্ত্ৰ-মন্ত্ৰৰ দেশ বুলিয়ে প্ৰখ্যাত আছিল। কালীনাগৰ দংশনৰ বিষৰ জ্বালা সহ্য কৰিব নোৱাৰি লখিন্দৰে তাৰ পৰা পৰিত্ৰাণ পোৱাৰ কাৰণে বেউলাক বেজ ধন্বন্তৰীক মাতিবলৈ কৈছে —

দাৰুণ বিষৰ জালে প্ৰাণ কৰে বিয়াকুলে

উঠা প্ৰিয়া দেহ সমিধান।
বিষে মোৰ প্ৰাণ যায় তোৰ সমিধান নাই
বেজ ধন্বন্তৰীক আনহ এখন।।

'পদ্মা-পুৰাণ'ত তদানীন্তন সমাজত প্ৰচলিত ৰন্ধন-প্ৰণালীৰো আভাস পোৱা যায় —

কাটা বাঙ্গানা খাৰ জালি কোমোৰা।
বহু বাচ দিয়া ৰান্ধে ব্যঞ্জন আয়েৰা।।
জিৰা মৰিচ দিলা আৰু লৱঙ্গ বাটি।
হিঙ্গ দিয়া ৰান্ধিলেক মোৰা আলু কাটি।।
কলাৰ বৰি ৰান্ধে তাত দিয়া জাতি কল।
আন কলাই ৰান্ধে বৰা কৰি অম্বল।।
শ'ল মাছ আনি তাকে চাক চাক কৰি।
খৰিকাত ভাজিয়া তোলে তাৰকা সুন্দৰী।।
মটৰ ঠকাত ৰান্ধে মাছৰ যে জোল।
মাছ দিয়া ৰান্ধিলেক থৈকাৰা আম্বল।। ইত্যাদি

নাৰায়ণদেৱৰ কাব্যত অসমীয়া সমাজত প্ৰচলিত গালি-শপনিৰো উল্লেখ পোৱা যায় ঃ

ছয় পুত্ৰ খাইলো তাৰ সৰ্প ৰূপ ধৰি।
মোকে গালি পাৰে চান্দো ধেমেনা ভতাৰি।।

ইয়াৰ উপৰিও নাৰায়ণদেৱৰ 'পদ্মা-পুৰাণ'ত অসমীয়া সমাজৰ বিভিন্ন ফুল-ফল (কদম, চম্পা, পাৰিজাত, নাগেশ্বৰ, অপৰাজিতা, পদুম, গন্ধৰাজ, আম, জাম, পনিয়ল, গুৱা, নাৰিকল, ডালিম, শ্ৰীফল, ঔ, নেমু, বকুল, আমলখি, থেকেৰা, বগৰী, ৰৰতমণি কল ইত্যাদি), শাক-পাচলি (পালেং, কচু, মৰিচা, বেতগাজ, বেঙেনা, জালি কোমোৰা, মিঠা আলু ইত্যাদি), মাছ (ৰৌ, চিতল, শ'ল) বিভিন্ন পিঠা আদিৰ উল্লেখ আছে। মুঠতে সুকবি নাৰায়ণদেৱৰ 'পদ্মা-পুৰাণ' মধ্যযুগীয় অসমীয়া সমাজৰ প্ৰামাণ্য দলিলস্বৰূপ। ■

**পাদটীকা ঃ**

১। ভাৰতচন্দ্ৰ দাস ঃ অসমীয়া সাহিত্য-বুৰঞ্জী (মনসা শাখা), নিউবুক ষ্টল, গুৱাহাটী, তৃতীয় প্ৰকাশ-১৯৮৯, পৃঃ ৭৪-৭৫

২। ডিম্বেশ্বৰ নেওগ ঃ অসমীয়া সাহিত্যৰ বুৰঞ্জী, চতুৰ্থ পৰিৱৰ্তিত আৰু পৰিবৰ্দ্ধিত সংস্কৰণ - ১৯৫৭, পৃঃ ২২৮-২৩২

৩। দৈৱচন্দ্ৰ তালুকদাৰ (সম্পাঃ) ঃ সুকনানী ঃ পদ্মাৱতী, লয়াৰ্চ বুক ষ্টল, গুৱাহাটী, প্ৰথম প্ৰকাশ- ব'হাগ, ১৩৭২, পৃঃ পাতনি-০৫

৪। সত্যেন্দ্ৰনাথ শৰ্মা ঃ পুৰণি সাহিত্য অধ্যয়ন, গুৱাহাটী, ১৯৮৮, পৃঃ ৫২

৫। মহেশ্বৰ নেওগ ঃ অসমীয়া সাহিত্যৰ ৰূপৰেখা, চন্দ্ৰ প্ৰকাশ, গুৱাহাটী, সপ্তম তাঙৰণ- ১৯৮৭, পৃঃ ১৯৮

৬। সুকুমাৰ সেন ঃ বাংলাৰ সাহিত্য ইতিহাস, সাহিত্য অকাডেমী, নতুন দিল্লী, চতুৰ্থ মুদ্ৰণ-১৯৯৩, পৃঃ ১১৭

৭। তমোনাশ চন্দ্ৰ দাশগুপ্ত (সম্পাঃ) পদ্মা-পুৰাণ, কলকাতা, দ্বিতীয় সংস্কৰণ- ১৯৪৭, ভূমিকা

৮। দীনেশ চন্দ্ৰ সেন ঃ বঙ্গভাষা ও সাহিত্য, প্ৰথম খণ্ড, পশ্চিমবঙ্গ ৰাজ্য পুস্তক পৰ্ষৎ কলকতা, তৃতীয় মুদ্ৰণ-২০০২, পৃঃ ১৯৭

৯। তমোনাশ চন্দ্ৰ দাশগুপ্ত (সম্পাঃ) ঃ পূৰ্বোল্লিখিত গ্ৰন্থ, ভূমিকা

১০। আশুতোষ ভট্টাচাৰ্য ঃ বাংলা মঙ্গল কাব্যেৰ ইতিহাস, মুখাৰ্জী আণ্ড কোঃ প্ৰাইভেট লিমিটেড, কলকতা, পৃঃ ২২৭-২২৮

১১। শশিভূষণ দাশগুপ্ত ঃ ভাৰতৰ শক্তি-সাধনা ও শাক্ত সাহিত্য, সাহিত্য সংসদ, কলকতা, সপ্তম মুদ্ৰণ- ১৪০৯, পৃঃ ৩৭১-৩৭২

১২। এই সম্পৰ্কে ভাৰতচন্দ্ৰ দাসে তেওঁৰ 'অসমীয়া সাহিত্য-বুৰঞ্জী (মনসাশাখা)' আৰু দৈৱচন্দ্ৰ তালুকদাৰে 'সুকনানী ঃ পদ্মাৱতী'ৰ পাতনিত বহলাই আলোচনা কৰিছে।

১৩। হৰিনাথ শৰ্মাদলৈ ঃ অসমীয়া সাহিত্যৰ পূৰ্ণ-ইতিহাস, পদ্মপ্ৰিয়া লাইব্ৰেৰী, নলবাৰী, প্ৰথম প্ৰকাশ-২০০০, পৃঃ ১৩৩

১৪। দৈৱচন্দ্ৰ তালুকদাৰ (সম্পাঃ) ঃ পূৰ্বোল্লিখিত গ্ৰন্থ, পৃঃ পাতনি-০৮

১৫। নবীনচন্দ্ৰ শৰ্মা (সম্পাঃ) ঃ নাৰায়ণদেৱ বিৰচিত পদ্মা-পুৰাণ (ভাটীয়ালী খণ্ড), বাণী প্ৰকাশ, গুৱাহাটী-প্ৰথম প্ৰকাশ-১৯৯৩, পৃঃ ৩৯৯-৪০০

১৬। উল্লিখিত গ্ৰন্থ ঃ পৃঃ ৪১৪

১৭। উল্লেখনীয় কথা এই যে দেৱৰ্ষি নাৰদৰ টুটকীয়া আৰু কলহপ্ৰিয় ছবি পোন প্ৰথমে দেখা যায় শঙ্কৰদেৱৰ 'পাৰিজাত হৰণ' নাটকত। তাৰ পৰৱৰ্তী কালত দেৱৰ্ষি নাৰদৰ ছবিটো অসমীয়া জনসাধাৰণৰ মানসপটৰ পৰা নোহোৱা হয় আৰু তাৰ ঠাইত টুটকীয়া, কলহপ্ৰিয় নাৰদে থিতাপি লয়। বৰ্তমান সময়ত টুটকীয়া, কলহপ্ৰিয় নাৰদৰ ছবিহে অসমীয়া সমাজত প্ৰচলিত হৈ আছে।




## কাব্য আৰু দৰ্শন কেন্দ্ৰৰ প্ৰথম নিবেদন

# "নলনিত ডাউকীৰ মাত"

■ ভাস্কৰজ্যোতি তলুকদাৰ
*পঞ্চম ষাণ্মাসিক, গণিত বিভাগ*

কবি ভ্ৰাভিয়ানছৰ মতে- "কবিতা অকল আবেগৰ সহজ প্ৰকাশ নহয়, ই হ'ল এক পৰিশ্ৰমী নিৰ্মাণ।" নলবাৰী গোটেই অসমৰ ভিতৰতে জ্ঞান চৰ্চাৰ অন্যতম কেন্দ্ৰ স্থল। নলবাৰীত কবিতাৰ ঐতিহ্যও সুদীৰ্ঘ কালৰ। সত্তৰৰ দশকৰ পৰাই আৰম্ভ কৰি বৰ্তমানলৈ জিলাখনত কাব্য চৰ্চাই অতিক্ৰম কৰিছে সুদীৰ্ঘ বিস্তীৰ্ণ এক যাত্ৰা পথ। এই বৰ্ণিল যাত্ৰাটোৰে অন্যতম অংশ চলিত বৰ্ষৰ মধ্যভাগত প্ৰকাশ পোৱা, নলবাৰী মহাবিদ্যালয়ৰ কাব্য আৰু দৰ্শন কেন্দ্ৰ তথা আলোচনী বিভাগৰ যৌথ উদ্যোগত আয়োজিত কাব্য দিৱসত (২০১৭ চনৰ ৬ মাৰ্চ) পঠিত আৰু একাংশ পাপ্লা পাৰৰ কবিৰ দ্বাৰা ৰচিত কবিতাৰ সংকলন "নলনিত ডাউকীৰ মাত।" প্ৰায় পাঁচ কুৰি কবিতা সংযোজিত গ্ৰন্থখনি নলবাৰীৰ পৰা গোটেই অসমকে প্ৰতিনিধিত্ব কৰা স্বনামধন্য কবিসকলৰ পৰা আৰম্ভ কৰি নতুন জীৱনমুখী কবিৰ কবিতাৰে সমৃদ্ধ। ভিন ভিন ৰুচিসম্পন্ন তিনিটা প্ৰজন্মৰ কবিতা সংযোজন হোৱা সংকলনখনি কাব্য জগতৰ এক আপুৰুগীয়া সম্পদ, দুৰ্লভ। নলবাৰী কলেজ অসমৰ প্ৰথমখন গ্ৰাম্য কলেজ। নামনি অসমৰ জ্ঞান সাধনা আৰু চৰ্চাৰ অন্যতম কেন্দ্ৰ। মহাবিদ্যালয়খনে বৰ্তমানো সেই পৰম্পৰাক অক্ষুন্ন ৰাখি পঢ়ুৱৈ সমাজ উপকৃত কৰাৰ লক্ষ্যৰো আৰু ভাষা সাহিত্য প্ৰসাৰ আৰু সংস্কাৰৰ উদ্দেশ্যে, লগতে সাহিত্যৰ বিভিন্ন দিশত আলোকপাত কৰাৰ মনোভাৱেৰে ২০১৬ বৰ্ষৰ ৩০ নৱেম্বৰ মুকলি কৰিছিল "কাব্যআৰু দৰ্শন কেন্দ্ৰৰ।"

এই কেন্দ্ৰটোৰ উদ্যোগতে আৰু মহাবিদ্যালয়ৰ অধ্যক্ষ ড° দীপক গোস্বামীৰ দ্বাৰা প্ৰকাশিত আৰু এম. আৰ পাব্লিকেশ্যনৰ দ্বাৰা পৰিৱেশিত প্ৰথমখন কাব্য গ্ৰন্থ হ'ল নলনিত ডাউকীৰ মাত। গ্ৰন্থখনিৰ দৃষ্টিনন্দন বেটুপাতটো অংকন কৰিছে নায়ক অমৃতানন্দে। কবিতাচিন্তনে অনুভূতি তাৰ মনস্তাত্বিক ব্যাখ্যা গলাই থৈও ক'ব পাৰি যে কবিতা অনুভূতিৰ ওচৰ শব্দৰ নান্দনিক নিৰ্মাণ। ই প্ৰথমে চুব আমাৰ আবেগক তাৰ পিছত হয়তো জোকাৰিব আমাৰ চিন্তাক- "সংকলনখনিৰ সম্পাদক তথা বিশিষ্ট কবি প্ৰণৱ কুমাৰ বৰ্মনে সম্পাদকীয়ত এই দৰেই আগবঢ়াইছে কবিতাৰ সংজ্ঞা ব্যাখ্যা। নলবাৰী মহাবিদ্যালয়ৰ প্ৰতিষ্ঠা দিৱসৰ (৪ জুলাই) দিনা কবি অনুভৱ তুলসীৰ দ্বাৰা উন্মোচিত হয় কাব্যগ্ৰন্থখনি। ৰোমাণ্টিক অসমীয়া কবিতাৰ উচ্চাসপূৰ্ণ সোণালী সময়ত নলবৰীয়া ৰঘুনাথ চৌধাৰীৰ আৱিৰ্ভাৱ অসমীয়া কবিতাৰ উল্লেখনীয় সংযোগ। এই জনা পুৰোধাকবিৰ "ৰাজ ৰাজেশ্বৰী চম্পা।" শীৰ্ষক কবিতাৰে প্ৰথমটো কবিতা আৰম্ভ হোৱা সংকলনখনিত অন্তৰ্ভুক্ত হৈছে ভৱানন্দ দত্ত, অজিৎ বৰুৱা, দীনেশ গোস্বামী, ড° বসন্ত কুমাৰ ভট্টচাৰ্য, কৈলাশ নাথ শৰ্মাৰ দৰে বহুকেইজন প্ৰাতঃ স্মৰণীয় কবিৰ কবিতা। "কাৰ জীৱনৰ অশ্ৰু সজলৰ ৰূপ কথা অভিশপ্ত/হ'ল হায় অৱলুপ্ত-'এইদৰেই কাব্যিকতা প্ৰকাশ পাইছে সমালোচকৰ দৃষ্টিত প্ৰায়ে হেঁৰাই থকা জ্যেষ্ঠ নলবাৰীৰ কবি চৈয়দ জমিৰুদ্দিন আহমেদৰ "গীত" শীৰ্ষক কবিতাটোত। সাহিত্য অকাডেমীৰ যুৱ বঁটা প্ৰাপ্ত বিশিষ্ট কবি মৃদুল হালৈৰ "শিশুহঁত ভালে থাকক" শিৰোনামৰ কবিতাটো সংকলনখনিৰ অন্যতম আকৰ্ষণীয় সংযোজন। "সুখী মানুহবোৰ নগৰত থাকে/নাগৰিক/ দুখীমানুহবোৰ গাঁৱত থাকে/ জনগন"- এইদৰেই কবিতাৰ মাজেৰে শ্ৰেণী সংগ্ৰামৰ কথা প্ৰকাশ কৰিছে কবি বিপুল কুমাৰ দত্তই। কবি কমল কুমাৰ জৈন, মেগনকছাৰী, বিনয়কুমাৰ মজুমদাৰ, দীপক বৰগয়াৰী, জয়জিৎ ডেকাৰ পৰা আৰম্ভ কৰি নতুন প্ৰজন্মৰ প্ৰগতিশীল কবি মানৱজ্যোতি কলিতা, ভাস্কৰ দত্ত, ৰিয়াজুদ্দিন আহমেদ, মৃণালজ্যোতি তুলকাদৰৰ কবিতা সংযোজন গ্ৰন্থখনিৰ অন্য এক সফলতা। কবিতা সম্ভৱত সাহিত্য আদিমতম শাখা। কবিতা হ'ল ধ্বনি সুষমাৰে লগত ভাৱৰ সমন্বিত প্ৰকাশ। প্ৰায় এক- চতুৰ্থাংশ নতুন কবিৰ কবিতাৰে সমৃদ্ধসংকলন খনি পঢ়িলে সহজে ধাৰণা কৰি ল'ব পাৰি কবিতাৰ গঠন নিৰ্মাণ কেন্দ্ৰ কৰি নবীন কবিসকলৰ লেখাত চলিছে নানা ধৰণৰ পৰীক্ষা-নিৰীক্ষা। পৃথিৱীৰ যিকোনো উন্নত ভাষাৰ সাম্প্ৰতিক কালৰ কবিতাৰ সতে অতি সহজেই স্থান লাভ কৰিব পাৰে এইসকলৰ কবিৰ কবিতাই। সংকলনখনিৰ কোনোৱাখিনিত যদি ৰচক সকলে প্ৰকাশ কৰিছে সাধাৰণ মানুহৰ সুখ-দুখ হাঁহি কান্দোন, কোনোবাখিনিতি আকৌ সমাজত গা কৰি উঠা অন্যায় অবিচাৰৰ বিপক্ষে গৰজি উঠিছে কবিৰ কলম। প্ৰায় ১৫০ পৃষ্ঠা সংলগ্ন গ্ৰন্থখনিয়ে ইতিমধ্যে গোটেই অসমৰ কাব্যিক জগতত সমাদৰ লাভ কৰিবলৈ সক্ষম হৈছে। জনপ্ৰিয়তাৰ মাজেৰে এইদৰেই প্ৰকাশ হওঁক গ্ৰন্থখনিৰ কেবাটাও সংস্কৰণ আৰু নতুন নতুন গ্ৰন্থৰ সৃষ্টি হওঁক নলবাৰী মহাবিদ্যালয়ৰ কাব্য আৰু দৰ্শন কেন্দ্ৰৰ পৰা। ■

# চাহেব পুৰাৰ বৰষুণ

গ্ৰন্থৰ নাম ঃ চাহেব পুৰাৰ বৰষুণ
লেখিকা ঃ অনুৰাধা শৰ্মাপূজাৰী
প্ৰকাশকঃ বনলতা প্ৰকাশন, পাণবজাৰ, গুৱাহাটী

■ জংকি শৰ্মা
*স্নাতক তৃতীয় ষাণ্মাসিক, ভূগোল বিজ্ঞান বিভাগ*

**বিৱৰণ ঃ**

বিহাৰৰ খৰাংপিড়ীত অঞ্চলত কাম কৰা এটি স্বেচ্ছাসেৱী অনুষ্ঠানৰ সামাজিক কৰ্মৰাজী, মানুহৰ জীৱনৰ আঁৰত লুকাই থকা অক্লান্ত ঘাত-প্ৰতিঘাত আৰু বিভেদকামী মনোভাৱৰ পৰিপ্ৰেক্ষিতত সৃষ্টি হোৱা সামাজিক কপতটাৰ দ্বাৰা অনুপ্ৰাণিত হৈ গঢ় লৈ উঠিছে 'চাহেবপুৰাৰ বৰষুণ' নামৰ সামাজিক উপন্যাসখনি। সমাজৰ কলুষতাসমূহ আঁতৰোৱাৰ হকে প্ৰকৃত সত্তাৰে কাম কৰা জনতাৰ আত্মাভিমানৰ পক্ষত লেখিকা অনুৰাধা শৰ্মা পূজাৰীৰ কলম সততে সক্ৰিয় হৈ উঠে। উপন্যাসখনিৰ আৰম্ভণিতে লেখিকাই প্ৰকাশ কৰিছে - ‘‘হিংসা, বিভেদ, সাম্প্ৰদায়িকতাই মানুহক মানুহৰ পৰা আঁতৰাই নিয়া ক্ষণত, এমুঠি মানুহে হৃদয়ৰ তাড়নাৰে ভৌগোলিক সীমা, শ্ৰেণী, জাত-পাত সকলোকে সমন্বয় কৰিবলৈ অহৰহ চেষ্টা কৰি থকা মই দেখিছোঁ। তেওঁলোক দেশ নেতা নহয়, অথচ তেওঁলোক বিভিন্ন অঞ্চলত হৈ পৰিছে মানুহৰ হৃদয়ৰ নেতা।” লেখিকাৰ এনেধৰণৰ স্বীকাৰোক্তিয়ে উপন্যাসখনিত বিস্তৃত পৰিমাণে সামাজিকতাৰ ৰহন সানি দিয়া দেখিবলৈ পোৱা যায়।




উপন্যাসখনিৰ কেন্দ্ৰীয় চৰিত্ৰ বৰ্ষা এগৰাকী বাইছ-তেইছ বছৰ বয়সীয়া গাভৰু। বৰ্ষা উচ্চশিক্ষিতা আৰু সামাজিকভাৱে দায়বদ্ধ। চৰিত্ৰটোৰ মাজেৰে জীৱন দৰ্শন আৰু পৰিপক্কতা পৰিস্ফুট হৈছে। এজন উচ্চশিক্ষিত অভিজ্ঞ যুৱক প্ৰান্তিকৰ সৈতে বৰ্ষাৰ বিয়াৰ কথাবতৰা চলে। প্ৰান্তিক ব'ষ্টনত দুবছৰ ধৰি কম্পিউটাৰ ইঞ্জিনিয়াৰ হিচাপে চাকৰি কৰে আৰু বিবাহ সম্পৰ্কত স্বদেশলৈ আহে। বিদেশত থাকি সম্পূৰ্ণ পাচ্ছাত্য সংস্কৃতি আৰু আমেৰিকান সামাজিকতাত গঢ় লৈ উঠে প্ৰান্তিকৰ ব্যক্তিত্ব, যিটো বৰ্ষাৰ বাবে এটা সময়ত অসহনীয় হৈ উঠে। জীৱন ধাৰণাক মানি ল'ব নোখোজে। দুয়োৰে মাজত বৈবাহিক জীৱন সম্পৰ্কে যথেষ্ট মতবিৰোধ উপন্যাসখনিৰ মাজেৰে দেখিবলৈ পোৱা যায়। উপন্যাসখন আৰম্ভ হয় এটি দৃশ্যৰে, য'ত বৰ্ষা আৰু প্ৰান্তিক ৰে'লগাড়ীৰে এ.চি কম্পাৰ্টমেণ্টত দোভাগ নিশা ঘৰ অভিমুখে ৰাওনা হয়। বৰ্ষাই জীৱনক বিচাৰি আত্মবিভোৰ হৈ যোৱা কথাটোৰে প্ৰান্তিকৰ মনটোক বাৰে বাৰে অশান্তি দিব ধৰে। প্ৰান্তিকে বৰ্ষাৰ মঙ্গল কামনা কৰে আৰু প্ৰান্তিকৰ প্ৰতি বৰ্ষাৰ

সম্পূর্ণ সমৰ্পণ বিচাৰে। যিমানে নিশাৰ অন্ধকাৰে পৃথিৱীখন ঘন ৰহস্যময়ীকতাৰে আৱৰি ধৰে, প্ৰান্তিকৰ কামনাৰ জুইকুৰা জ্বলি উঠে অধিক উত্তেজনাৰে। প্ৰান্তিকে বিচাৰে বৰ্ষাও জুই হৈ জ্বলি উঠক অন্ধকাৰৰ মাজত। কিন্তু বৰ্ষাই প্ৰান্তিকৰ প্ৰেম স্বৰূপক সমৰ্থন নকৰে। বৰ্ষাই প্ৰান্তিকক বুজাবলৈ চেষ্টা কৰে যে প্ৰেমক বাহ্যিক আকৰ্ষণে প্ৰকাশ কৰিব নোৱাৰে। জীৱনক এটা আত্মিক গভীৰতাৰে চাব খোজা বৰ্ষাৰ কথাবোৰ প্ৰান্তিকৰ মানসিকতাত নোজোৰে। বিদেশী ৰেহ-ৰূপত চৰিত্ৰ ধাৰণ কৰা প্ৰান্তিকে বৰ্ষাৰ পৰা স্থূলকামী প্ৰেম দাবী কৰিবলৈ চেষ্টা কৰে। কিন্তু বৰ্ষাই প্ৰান্তিকৰ এনে মনোভাৱনাক প্ৰশ্ৰয় নিদিয়ে। প্ৰান্তিকে বৰ্ষাক হাস্যৰসিকতাৰে ফেমিনিষ্ট্ আখ্যা দিয়ে যিটোৱে বৰ্ষাৰ মনত অশান্তি দিব ধৰে।

এটি মৃদু জোকাৰণিত বৰ্ষাৰ টোপনি ভাগে। সহযাত্ৰী এগৰাকীৰ পৰা বৰ্ষাই জানিব পাৰে যে মালগাড়ী এখনৰ সৈতে এটা সৰু দুৰ্ঘটনাৰ বাবে কিছুসময়ৰ কাৰণে লাইন আৱদ্ধ হ'ব লগা হয়। বিহাৰৰ সেৰেঙা পথাৰ আৰু গাঁওবোৰৰ মাজত আৱদ্ধ হৈ ৰয় ৰে'লগাড়ীখন। জুইত পোৰা মাটিৰে নিৰ্মিত সৰু সৰু ঘৰবোৰেৰে বিস্তৃত পথাৰৰ দুয়োকাষ। তাতেই ঘটনাৰ পাকচক্ৰত বৰ্ষাৰ সংযোগ ঘটে শেখৰ হুছেইন নামৰ মানুহজনৰ লগত, যিয়ে দুবছৰ ধৰি সেই চাহেবপুৰা নামৰ বিহাৰৰ সৰু গাঁওখনত এন্. জি. অ' এটা চলাই আছে। আমেৰিকাত প্ৰায় দহবছৰ ধৰি ছবিও ইক'ন'মিষ্ট হিচাপে কাম কৰাৰ পাছতো সকলো এৰি স্বদেশৰ দৰিদ্ৰতাত আক্ৰান্ত গাঁওবোৰত এন্.জি.অ'ৰ কেইবাটাও শাখা খুলি কাম কৰা হুছেইন নামৰ মানুহজনে। মানুহৰ হকে প্ৰকৃতাৰ্থত কাম কৰা হুছেইনৰ জীৱনৰ দ্বাৰা বৰ্ষা যথেষ্ট প্ৰভাৱিত হৈ উঠে। প্ৰথম সাক্ষাততে হুছেইনৰ জীৱন সংগ্ৰাম আৰু মানৱীয় দৃষ্টিভংগীবোৰ দেখি বৰ্ষা যথেষ্ট আপ্লুত হৈ পৰে আৰু প্ৰান্তিকৰ সৈতে চিনাকী কৰি দিয়াৰ উদ্দেশ্যে বাথলৈ লৈ যায়। কিন্তু প্ৰান্তিকে হুছেইনৰ প্ৰতি বিশেষ আগ্ৰহ প্ৰকাশ নকৰে আৰু বৰ্ষাৰ প্ৰতিও হীন মনোভাৱ এটি পোষণ কৰে। উপন্যাসখনিৰ মাজেৰে প্ৰান্তিকৰ নিৰ্দয় আৰু অগভীৰ চৰিত্ৰটোৰ বিপৰীতে হুছেইনৰ সংগ্ৰামী আৰু মানৱীয় প্ৰমূল্যবোধৰ ব্যক্তিত্বৰ প্ৰতিফলন ঘটিছে।

ঘটনা প্ৰসংগত বৰ্ষা হুছেইনৰ এন্.জি.অ' কেম্পলৈ যায় আৰু তেওঁলোকৰ সামাজিক কৰ্মৰাজিত যথেষ্ট আনন্দ প্ৰকাশ কৰে। হুছেইনে বৰ্ষাৰ আগত ব্যক্ত কৰে চাহেবপুৰা নামৰ বিহাৰৰ বঞ্চিত আৰু শোষিত ঠাইখনৰ দৰিদ্ৰতা আৰু মানুহৰ জীৱনাবৃত্ত দুৰ্গতিসমূহৰ কথা। মৰাপাট আৰু ঘেঁহুৰ খেতিৰেই কিদৰে চাহেবপুৰাৰ সৰল জনতাই পেট পুহি আছে তাকো জনালে। হুছেইনে নিজৰ জীৱন সম্পৰ্কেও ভালেখিনি কথা বৰ্ষাৰ আগত প্ৰকাশ কৰে। কিদৰে নিজৰ প্ৰেমিকাৰ কেন্সাৰত মৃত্যু হোৱাৰ পিছত ভাৰতলৈ ঘূৰি আহে, কিদৰে নিজৰ প্ৰেমৰ স্মৃতিৰ অনুপ্ৰেৰণাত এন্. জি. অ' খুলি ভাৰতৰ গাঁওবোৰত প্ৰকৃত চিত্তে মানুহৰ হকে কাম কৰি যাব ধৰিলে। কিদৰে উদাৰতাৰ প্ৰতি সন্মান দিব জনা ৰাজীৱ, বিদ্যা, সঞ্জীৱৰ দৰে মানুহ এন্.জি.অ'ৰ সদস্য হ'লহি আৰু নিস্বাৰ্থভাৱে হুছেইনৰ জীৱন বাটৰ সহযাত্ৰী হৈ যাব ধৰিলে। "সপোন দেখাৰ স্বাধীনতা তাইৰ আছে, কাৰোবাক ভাল পোৱাৰ স্বাধীনতা তাইৰ আছে; প্ৰেম মানে বন্দিত্ব নহয়।" এনেধৰণৰ শব্দই উপন্যাসখনিত গভীৰতাৰ সোৱাদ আনি দিয়ে।

কেম্পৰ পৰা বৰ্ষা নিজৰ বাৰ্থলৈ উভতি আহে আৰু প্ৰান্তিকক সকলো কথা ক'বলৈ যত্ন কৰে। কিন্তু প্ৰান্তিকে বৰ্ষাৰ কথাৰ প্ৰতি গুৰুত্ব নিদি তীব্ৰ উত্তেজনাৰে চিৎকাৰ কৰে আৰু কটু বাক্যবানেৰে বৰ্ষাৰ হৃদয়ত আঘাত কৰিবলৈ চেষ্টা কৰে। সম্ভৱতঃ বৰ্ষাই প্ৰান্তিকৰ এনে লজ্জাহীন আৰু অশ্লীল চৰিত্ৰৰ স্বৰূপ আগতে কাহানিও দেখা নাছিল। প্ৰান্তিকে বৰ্ষাক চৰিত্ৰহীনা বুলি চিৎকাৰ কৰে যিটো বৰ্ষাৰ হৃদয়ে সহজভাৱে ল'ব নোৱাৰে আৰু প্ৰান্তিকক আচৰিত কৰি বৰ্ষাই এনে এটা স্বতঃস্ফুট সিদ্ধান্ত গ্ৰহণ কৰে যিটোৱে বৰ্ষাৰ জীৱত এটা বেলেগ দিশত প্ৰভাৱান্বিত কৰে। বৰ্ষাৰ জীৱনৰ গতি সলনি হয় সেইটো ক্ষণত। বৰ্ষাই প্ৰান্তিকৰ লগত উভতি নাযাই চাহেবপুৰাৰ দৰিদ্ৰতাৰ মাজত আশ্ৰয় বিচৰাৰ সিদ্ধান্ত গ্ৰহণ কৰে। প্ৰান্তিক উভতি যায় ঘৰ অভিমুখে আৰু সন্ধিয়াৰ বেলিয়ে ৰঙাকৈ বোলাই পেলোৱা চাহেবপুৰাৰ বিস্তৃৰ্ণ পথাৰৰ মাজত অকলশৰে ৰৈ যায় বৰ্ষা।

এনেকৈয়ে বৰ্ষাৰ জীৱনৰ দ্বিতীয়জাক বৰষুণ আৰম্ভ হয়। শেখৰ হুছেইনৰ এন্.জি.অ.'ত যোগদান কৰি বৰ্ষাই আৰম্ভ কৰে মানুহৰ মাজৰ এই যাত্ৰা। মানুহৰ মাজত নিজকে বিচাৰি পোৱা এই জীৱনৰ সহযাত্ৰী হৈ পৰে ৰাজীৱ, বিদ্যা, ৰাখী, সঞ্জীৱ আদিবোৰ। নিজৰ এই আকস্মিক সিদ্ধান্তত বৰ্ষা প্ৰথমতে নিজেই কিছুসময় স্তম্ভিত হৈ ৰৈছিল। দুচকুৰে বৈছিল ভিন্ন আৱেগমিহলি চকুপানীবোৰ। কিন্তু সকলোৱে বৰ্ষাক সান্ত্বনাৰ নিচুকনি দিয়ে আৰু মানুহৰূপী সংগ্ৰামৰ আত্মিক সদস্যৰূপে বৰ্ষাক আদৰি লয়। ক্ষন্তেকৰ চিনাকী কিন্তু জীৱনক প্ৰমূল্যবোধৰ দৃষ্টিৰে চাব জনা এইজাক মানুহৰ লগত কথাবতৰা হয় টেলিফোনযোগে। মাক-দেউতাকে বৰ্ষাক এই কামৰ বাবে তীব্ৰ গৰিহনা দিয়ে। পৰিয়ালৰ মান-সন্মান লাঘৱ কৰি বৰ্ষাই লোৱা এই সিদ্ধান্তক কোনেও সমৰ্থন নকৰে। কথা প্ৰসংগত বৰ্ষাই মাকৰ পৰা এই কথাও জানিব পাৰে যে প্ৰান্তিকৰ বিয়া বৰ্ষাৰে কানসমনীয়া ভনীয়েক বন্যাৰ লগত ঠিক কৰা হয় একেই তাৰিখতে। এইযাৰ কথাত বৰ্ষাৰ মূৰত সৰগ ভাগি পৰে আৰু লগতে আকৌ এবাৰ সময়ে প্ৰান্তিকৰপ্ৰকৃত স্বৰূপ বৰ্ষাৰ আগত উদঙাই দিয়ে। যিজন

প্ৰান্তিকে তিনিবছৰ আগত বৰ্ষাৰ বাবে প্ৰেম নামৰ সাগৰখনত সাঁতুৰিব বিচাৰিছিল সেইজন প্ৰান্তিকে কেনেকৈ বৰ্ষাৰ একমাত্ৰ ভনীয়েকজনীক আদৰি ল'ব পাৰিলে নিজৰ জীৱনত, সেই কথা বৰ্ষাই এটা সময়ত বুজি উঠিলে।

এটা সময়ত চাহেবপুৰাৰ জীৱন আৰু সংগ্ৰামকে বৰ্ষাই জীৱনৰ অৰ্থ হিচাপে আদৰি ল'লে; কাম কৰি গ'ল দৰিদ্ৰতাৰ হকে; সৰল গাঁৱলীয়া জীৱনৰ নিস্বাৰ্থ সেৱাৰ অৰ্থে। হুছেইনৰ পৰা বৰ্ষাই জানিব পাৰে যে চাহেবপুৰাৰ আবাসিক অঞ্চলৰ কৰ-কাটল তুলিবলৈ যিজন চাহাবৰ 'ব্লেক কালেক্টৰ'অৰ্থাৎ ভাৰতীয় ভৃত্য নিয়োগ কৰা হৈছিল তেওঁক সেই অঞ্চলটোতে স্থানীয় মানুহে হত্যা কৰিছিল। ইয়াৰ পোটক তুলিবলৈ ইংৰাজ চৰকাৰে সেই অঞ্চলত কৰ বঢ়াই গাঁওবাসীক অত্যাচাৰত জুৰুলা কৰে। তেতিয়াৰ পৰা সদাবঞ্চিত আৰু নিৰ্যাতিত হৈ ৰয় চাহেবপুৰাৰ গাঁওবাসী।

'ইনছাইট' নামৰ স্বেচ্ছাসেৱী অনুষ্ঠানটোত বৰ্ষাই বহুদিন ধৰি কাম কৰি গ'ল। বহু পৰিস্থিতি আৰু বহু তিতা, মিঠা অভিজ্ঞতাৰ সন্মুখীন হ'ল বৰ্ষা। সহজ, সৰল গাঁওবাসীৰ শিশুসুলভ স্বভাৱ, চৰিত্ৰই বান্ধি পেলালে বৰ্ষাৰ মন, মগজ। লগতে গাঁওবাসীৰ মাজতে উত্থান ঘটে কিছুমান বিকৃত মানসিকতাৰ কুটাঘাতকাৰীৰ, যিয়ে বৰ্ষাহঁতৰ সাংগ্ৰামত যথেষ্ট প্ৰভাৱ পেলাব ধৰে সময়ে সময়ে।

ইয়াৰ মাজতে সঞ্জীৱ নামৰ কৰ্মদক্ষ যুৱকজনৰ লগত বৰ্ষাৰ মন মিলি উঠে। হৃদয়ৰ প্ৰেমিক বৰযুণজাকে আকৌ এবাৰ জীপাল কৰি তোলে বৰ্ষাৰ জীৱন। "No, life is a dream, merrily merrily raw, life is but a dream..." কবিতাৰ নিচুকনি মনলৈ আহে বৰ্ষাৰ। সঞ্জীৱেও হয়তো বুজি উঠে কবিতাই কি ক'ব বিচাৰিছে। ভালেসংখ্যক অসমীয়া কবিতাৰ পংক্তি উপন্যাসখনিৰ পাতত দেখিবলৈ পোৱা যায়।

"আকাশলৈ যিদিনাখন চাইছিলো
মোৰ ভৰিৰ তলত নাছিল মাটি
সেই আকাশ নাছিল আকাশৰ দৰে
তৰাবোৰে পিন্ধা নাছিল কোনো ৰহস্যময় সাজ।"
(উদ্ধৃত)

প্ৰসংগক্ৰমে হুছেইনে কয় যে বিশেষ প্ৰজেক্ট এটাৰ বাবে তেওঁলোক ব্ৰহ্মপুত্ৰ উপত্যকালৈ যাব আৰু অসমীয়া ভাষা, সংস্কৃতি আৰু জাতি-জনজাতিৰ বিষয়ে গৱেষণা কৰিব। এই মুহুৰ্ততে বৰ্ষাৰ অসমীয়া সাহিত্যৰ কিছু চৰ্চা, অধ্যয়ন প্ৰকাশ হোৱা দেখিবলৈ পোৱা যায়। হুছেইনে লগতে ইয়াকো প্ৰকাশ কৰে যে বৰ্ষাৰ পৰা অসমীয়া ভাষা শিকিবলৈ তেওঁলোক যথেষ্ট আগ্ৰহী।

ইনছাইট অনুষ্ঠানটোৱে দাঁতিকাষৰীয়া গাঁৱত এন.জি.অ'ৰ প্ৰজেক্ট আৰম্ভ কৰে। বৰ্ষাৰ লগতে সকলো সদস্যই নিস্বাৰ্থভাৱে কষ্ট কৰি যায় শেখৰ হুছেইনৰ সপোনবোৰক বাস্তৱায়িত কৰিবলৈ। হুছেইনৰ দহবছৰৰ সপোনৰ প্ৰজেক্টটোৰ মূল্য বুজি পাই বৰ্ষাৰ লগতে বিদ্যা, সঞ্জীৱহঁতেও। গাঁৱৰ মানুহৰ হাঁহিমুখীয়া সহযোগেও তেওঁলোকক উৎসাহ যোগায় প্ৰত্যেক দিনাই। ইয়াৰ মাজতে গাঁৱৰ মুখীয়াকে ধৰি কেতবোৰ বিকৃত মানসিকতা-ধাৰীয়ে সংগঠনৰ কাৰ্যত বাধা দিবলৈ চেষ্টা কৰে। বিপদ নামি আহে সংগঠনলৈ, লগতে হুছেইনৰ পুৰণশীল সপোনবোৰলৈও।

এটা সময়ত ক'লা দিনৰ অন্ধকাৰবোৰ নামি আহে বৰ্ষাহতৰ জীৱনলৈ। আলফুলকৈ সজোৱা সপোনবোৰত খেলি-মেলি লগাব চেষ্টা কৰে মুখাধাৰী মানুহবোৰে। দিশহাৰা হৈ পৰে সংগঠনৰ সদস্যসকল। আৰু আচম্বিতে এদিন দিগভ্ৰান্ত পখীৰ দৰে সঞ্জীৱ নামৰ উদাত্ত ডেকাজন হেঁৰাই যায় সংগঠনৰ পৰা। বিবেকহীন মানুহজাকৰ বলি হয় তেওঁ আৰু নিৰ্মমভাৱে হত্যা কৰা হয় সঞ্জীৱ নামৰ ডেকাজনক। বৰ্ষাৰ চোতালৰ জোনাককনো হেঁৰাই যায়। সঞ্জীৱৰ প্ৰেমৰ বৰযুণজাকত আকৌ এবাৰ তিতিবলৈ মন যায় বৰ্ষাৰ। কিন্তু সঞ্জীৱ চিৰদিনৰ বাবে আঁতৰি যায় বৰ্ষাৰ হৃদয় উদং কৰি। কিন্তু তাৰপিছতো বৰ্ষাই সংকল্প লয় সংগ্ৰামৰ। সংগ্ৰামৰ মাজেৰেই সঞ্জীৱৰ প্ৰেমক জীয়াই ৰাখিব বুলি আগুৱাই গৈ থাকে বৰ্ষা।

এনেদৰেই অতি আৱেগপূৰ্ণ আৰু বাস্তৱধৰ্মী ৰূপ উপন্যাসখনিৰ মাজেৰে দৰিদ্ৰতা আৰু গাঁৱলীয়া জীৱনৰ নিৰ্যাতন আৰু প্ৰকৃত অৰ্থত মানুহৰ বাবে কাম কৰি যোৱাসকলে লাভ কৰা সংগ্ৰাম সাহিত্যিক ভাৱধাৰাৰে বৰ্ণিত হৈছে। সামাজিকতা আৰু জীৱনৰ দাৰ্শনিক ভাৱধাৰাসমূহ সামৰি লোৱা উপন্যাসখনিত অন্য সাহিত্যৰ পৰা এটি ব্যতিক্ৰমী চিন্তাধাৰাৰ উত্থান ঘটিছে। লেখিকা অনুৰাধা শৰ্মা পূজাৰী বাইদেউৰ সাহিত্যসুলভ প্ৰতিভা আৰু দাৰ্শনিক জ্ঞান আৰু চিন্তা সঁচাকৈয়ে প্ৰশংসনীয়। নিঃসন্দেহে 'চাহেবপুৰাৰ বৰযুণ' উপন্যাসখনি অসমীয়া সাহিত্য জগতত অন্যতম শ্ৰেষ্ঠ সংযোজন।■

কথা শিল্প



# কিমতে ভকতি কৰিবো তোমাক

■ পঙ্কজ দত্ত বৰুৱা
*মুৰব্বী অধ্যাপক, অসমীয়া বিভাগ*

পুৰা পশ্চিমাকৈ বৰনামঘৰটোৰ মণিকূটৰ থাপনাত বৰ শৰাইৰ ওপৰত ভমকাফুলীয়া গামোচাৰে আটোমটোকাৰিকৈ সজাই থোৱা আছে ভাগৱতখন। মণিকূটৰ দুকাষে দুটা ডবা। ডবাৰ কাষত দুযোৰকৈ ভোৰতাল। বৰগীত শেষ কৰি গুৰুজনাই থাপনাত মুৰ দোৱাই হাতত ভোৰতাল এজোৰ তুলি ল'লে। ছোট আতাই ডবা কোৱালে। ডবা-তালৰ শব্দত যেন গোটেই নামঘৰটোৱে কঁপি উঠিল।

প্ৰাতঃপ্ৰসঙ্গ সামৰি গুৰুজনাই নামঘৰৰ পশ্চিমে থকা শিলিখাজোপাৰ ছাঁত বহি কাপ মৈলাম লৈ সাঁচিপাত মেলি ল'লে। মূল ভগৱতৰ পৰা পদ ভাঙিবলৈ লৈ শ্ৰীধৰ স্বামীৰ টীকাভাষ্যখনো খুলি ল'লে-

গোপীৰ চৰণ ৰেণু যিটো তৃণবনে পাৰে
এহে মহা বৃন্দাবন স্থানে।
তাহাৰ মধ্যত মই এক তৃণ হও যেবে
তেৱে মোৰ হোৱে মহাভাগ
পৰম ভকত ইটো....।

পদটো সম্পূৰ্ণ কৰিবলৈ গৈ ক্ষন্তেকৰ বাবে কাপ হাতত লৈ মুৰ তুলি চালে। দূৰৈৰ নীল আকাশ। মাজে মাজে শুকুলা মেঘবোৰে যেন পালতৰা নাৱৰ দৰে পশ্চিমৰ পৰা পূবলৈ গতি কৰিছে। নামঘৰৰ পশ্চিম দিশত থকা সাঁচি গছৰ পাতবোৰত ক্ৰমে পুৰঠ হৈ অহা ৰ'দচেৰেঙা পৰি বৰ্ণময় হৈ উঠিছে। তাৰ আশে-পাশে জাতিস্কাৰ হৈ ফুলি থকা ৰং বিৰঙৰ ফুলবোৰে সমগ্ৰ পৰিৱেশটো ভাষাময় কৰি তুলিছে। গুৰুজনাৰ চকুত পৰিল- সাঁচি গছজোপাৰ ফেৰেঙণিত থকা কপৌ চৰাইৰ বাহখন। যোৱা ৰাতিৰ বতাহ-বৰষুণত সিঁচৰিত হৈ ভাঙি যোৱা বাহখন চৰাইহালে এডাল-দুডালকৈ খেৰ-কূটা লগ-লগাই পুনৰ নিৰ্মাণ কৰি আছে। এক মুহূৰ্তৰ বাবে গুৰুজনাৰ মনত নিৰ্দিষ্ট ভাব ৰাশিয়ে যেন ওৰা পাতিলে। একান্ত মনে চৰাইহালৰ কাৰ্যলৈ লক্ষ্য কৰি মুহূৰ্তৰ বাবে সেই ভাবৰ কুহেলিকাৰ মাজত বুৰ গ'ল।

লোভ মোহ দুহো বাঘ সততে নছাৰে লাগ
ৰাখু ৰাখু এ সদাশিৱ
পলাইতে নেদেখো সন্ধি দিনে দিনে দৃঢ়বন্দি
ভৈলো মন্দ মনৰে যুগুতি।
তুৰা হৰি লাগু গোড় মোৰ মায়াপাশ ছোড়
শঙ্কৰ কৰয় কাকুতি।।

বৰগীতৰ প্ৰতিটো শব্দৰ ধ্বনি প্ৰতিধ্বনিত নামঘৰ ৰজনজনাই উঠিছে। বৰ আসনত উপবিষ্ট হৈ গুৰুজনাই একান্তমনে বৰগীত গাই গৈছে। এজন এজনকৈ কাষ চাপি নামঘৰ ভৰি যোৱা লোকসকলে ভকতসবৰ সৈতে নিস্তব্ধ হৈ অমৃত অমিয়া পান কৰিছে। ওচৰতে কঠ আসনত বহি থকা ছোট আতাৰ, হৃদয় ভেদি যোৱা শব্দবোৰে দেহ মন পৰিপ্লাৱিত কৰাত দুচকুৰে লোটকৰ ৰূপেৰে ধাৰাসাৰ নিগৰিছে। ভক্তি ৰসৰ অমিয়া মাধুৰি পান কৰি ভকতি সাগৰত যেন সকলোৱে বিলীন হৈ গৈছে। ক্ষন্তেকৰ বাবে এই ভব সাগৰৰ মায়া মোহ ছন্ন কৰি কেৱল ভক্তি, কেৱল ভক্তিত আত্ম নিমজ্জিত হৈ পৰিছে। সমবেত সকলোৱে তৃষ্ণাৰ্ত্ত হৰিণীৰ দৰে ভক্তি ৰস পান কৰি আত্ম বিগলিত হৈ পৰিছে। কতো অকণো সাৰ সুৰ নাই। মাথোন চৌদিশ ৰজনজনাই আছে শ্ৰীৰাগত গোৱা গুৰুজনাৰ বৰগীতৰ উদাত্ত কণ্ঠধ্বনি।

'বাপ সেৱাহে।' ছোট আঁতাৰ মাতত গুৰুজনা ভাব ৰাজ্যৰ পৰা উভতি আহিল।

'বৰাৰ পো। তোম্রাৰ মিতাৰ শাস্ত্র দেখো গুচে। তুমি ধৰা আগত, মঞি ধৰো গোৰত।'

'বাপ সপ্তকাণ্ডৰ কথা কোৱা হৈছে?'

'সঠিক।'

'বাপৰ যি বাঞ্চা। শাস্ত্ৰখানি অনা হৌক?'

'উত্তম।'

সেৱা জনাই ছোট আতা বহালৈ খোজ ললে। গুৰুজনাই সমাপ্ত হোৱা সাঁচিপাতখন নিলগাই থৈ নতুন এখন মেলি ল'লে...

ফাগুণী বা' লাগি লইতৰ পাৰৰ কঁহুৱা বনবোৰ জকমকাই ফুলি উঠিছে। ঠায়ে ঠায়ে ফুলি উঠা কৃষ্ণচূড়াৰ আৰে আৰে মদাৰ ফুলবোৰ তেজ ৰঙা হৈ উঠিছে। এচাটি দুচাটিকৈ এৰ খাই উৰি ফুৰা শিমলুতুলাবোৰ অ'ত-ত'ত সিঁচৰিত হৈ পৰিছে। ধীৰ গতিৰে প্ৰবাহিত হৈ আছে শান্ত লুইতখনি। তাৰ মাজে মাজে নাৱৰীয়াজনে অস্ফুট স্বৰেৰে গুণ গুণাই বঠা মাৰি আছে। তাকে শুনি গুৰুজনাই ছোট আতাক ক'লে-

'বৰাৰ পো আমাৰো এফেৰি গোৱা।'

ছোট আঁতাই মুৰ দোৱাই আৰম্ভ কৰিলে-

বুঢ়া ভাই হৰি গুণ গাই নাচা। কোন দিনা ঢলি
শৰীৰ পৰয়, আৰ কি বাট চাই আছা।।

আয়ু দিলা ভাঠি হাতে লৈলা লাঠি
হাষ্ঠিতে নচলে পাৰ।
ভাঙ্গিল মাগুলি আগ গৈলা ঢলি
ধনু ফাগু ভৈলা গাৰ।।....

গছ-বন, কঁহুৱাবোৰক পিছলৈ দৌৰাই নাও আগবাঢ়িছে। অদূৰত শিহু এটাই মুৰটো উলিয়াই জপংকৈ বুৰ মাৰিলে। ঝাওবনৰ চাপৰিটো পাৰ হৈ নাও গৈ আছে। পশ্চিম আকাশত ৰক্ত ৰঙা হৈ পৰা বেলিটো লুইতৰ পানীত এবাটি সেন্দুৰৰ দৰে উদ্ভাষিত হৈ পৰিছে। চাওঁতে চাওঁতে সেন্দুৰখিনি বিয়লি যাব ধৰিলে। তাৰ পিছত হঠাৎ এচপৰা আৰতবীয়া কলীয়া ডাৱৰে বেলিটো ঢাকি ধৰিলে। এনেকৈয়ে গুৰুজনাৰ নাও গাজিয়া ঘাট পাওঁতে প্ৰায় বেলি পৰো পৰো হৈছিল।

নৈৰ চাপৰিত জাতি বংশই এটা মৰাশ খৰি দি আছে। ওচৰত বহি ঘৈণীয়েকে ইনাই-বিনাই কান্দি আছে। তাকে দেখি গুৰুজনাই ছোট আতাক সুধিলে-

'বৰাৰ, পো, মৰা মৈলে। কিয় কান্দিছে?'

'বাপ, যি মৰিছে সি জীয়াৰ পৰা মৰা, এই যে কান্দিছে, ইও প্ৰায় মৰাহে। অজ্ঞান তুসত পৰি মৰাক লাগি মৰাই কান্দিছে।'

'বৰাৰ পো, আমাৰো কান্দা এফেৰি।'

ধীৰ গতিৰে নাওখন চলি আছিল। নাৱৰীয়াজনেও দৃশ্যটো চাই চাই বঠা মাৰিবলৈ পাহৰি গৈছিল। ছোট আঁতাই গুৰুজনাৰ ফালে মুৰ দোৱাই কাকুতিকৈ কান্দিবলৈ ধৰিলে-

কিমতে ভকতি কৰিবো তোমাত হৰি ও
মঞি মূঢ়মতি নজানো তাৰ উপায় ৰাম এ....

উদাত্ত কণ্ঠেৰে অন্তৰ বিগলিত স্বৰে গোৱা ঘোষা শুনি গুৰুজনাৰ শৰীৰ ৰোমাঞ্চিত হৈ উঠিল। একন্ত মনে দুই হাতেৰে তাল ধৰি ধৰি গুৰুজনা নামৰ মাজত যেন বিলীন হৈ গ'ল। বিশাল লুইতৰ বুকুৰ মাজেৰে ধীৰে ধীৰে বোৱা ফাগুণী বতাহৰ ছন্দতে মিলাই নাওখন আগবাঢ়ি আছিল। ইতিমধ্যে সন্ধিয়া নামি আহিল আৰু নাৱৰীয়াই গাজিয়া ঘটৰ চকচলা খুটিত নাও বান্ধিলে। ছোট আঁতাই ঘোষা সামৰি গুৰুজনাৰ শ্ৰীচৰণত প্ৰণাম জনালে।

'বৰাৰ পো, কি মোক অমৃত পিয়াই সন্তোষ কৰালা।'

'বাপ কৃপাহে।'

গুৰুদুজনাক আগবঢ়াই নিবলৈ, ঘাটত অনেক ভকতৰ আগমন ঘটিছিল। ভকতসব পৰিবেষ্টিত হৈ যেতিয়া গাঁৱৰ ফাললৈ খোজ লৈছিল, তেতিয়া ভালকৈয়ে আন্ধাৰ হৈছিল। কিন্তু আন্ধাৰৰ মাজত শুধ বগা সাজেৰে মনি-কাঞ্চনৰ দৰে জাজল্যমান হৈ পৰিছিল গুৰু দুজনা। বৰকুছিয়া গাঁৱৰ নামঘৰৰ বাকৰিত ভকতসব পৰিবেষ্টিত হৈ গুৰু দুজনা উপস্থিত হোৱাত বহুতো লোক গোট খাইছে। বিশেষকৈ গুৰুজনাই এজন মুছলমান দৰ্জীক আজি নাম ধৰ্মত শৰণ দিব বুলি শুনি মানুহৰ লানি লাগিছে।

'মুছলমান লোকক?'

'এৰা।'

গুৰুজনাৰ উদাত্ত কণ্ঠত সমবেত জনতা যেন কাঁহ পৰি জীণ গ'ল। গুৰুজনাই ভাগৱতৰ পদ ব্যাখ্যাৰে মানুহৰ মনত ধৰ্মীয় তত্বৰ মাজেৰে সাৰ্ব-মানৱীক চেতনাক জগাই তুলিলে। উপস্থিত সকলোৱে কেৱল গুৰুজনাৰ শ্ৰীমুখলৈ চাই তেৰাৰ কণ্ঠ-অমৃত পান কৰি ৰ'ল।

ভাগৱতৰ ব্যাখ্যা সমৰি ছোট আতালৈ চাই ক'লে-

'বৰাৰ পো, অলপ সুৰ-অমৃত পান কৰোৱা।'

'বাপ যি বাঞ্চা।'

গুৰুজনালৈ সেৱা জনাই ছোট আঁতাই আৰম্ভ কৰিলে গুৰুজনাৰে ৰচনা-

মন মেৰি ৰাম চৰণহি লাগু।
তই দেখোনা অন্তেকে আগু।।
মন আয়ু ক্ষেণে টুটে।
দেখো প্ৰাণ কোনো দিনে চুটে।।....

গীতৰ শেষত ছোট আতাই পুনৰ শ্ৰীচৰণত প্ৰণাম জনালে। লগে লগে নতুনকৈ দীক্ষা লোৱা ৰহমান দৰ্জীয়েও গুৰুজনাক সেৱা জনালে। গুৰুজনাই নিজ হাতে তুলি দি ক'লে-

'তুমি আজিৰ পৰা বৈষ্ণৱ হ'লা'..

এদিন প্ৰাতঃপ্ৰসঙ্গ শেষ কৰি উঠাৰ পিছত হঠাৎ যেতিয়া বজ্ৰনিনাদৰ দৰে সেই বতৰাটো পালে ছোট আঁতাৰ দুভৰিৰ তলৰ মাটিখিনি যেন নৈৰ গৰা খহাদি সুলকি পৰিল। একমুহূৰ্তৰ বাবে দুচকুৰে ধোৱা-কোৱা দেখিলে। তাৰ পিছত যৰে বস্তু ত'তে এৰি থৈ উধাতু খাই গণককুছিলৈ ৰাওৱা হ'ল। গোটেই বাটছোৱা কিমান বেগাই আহিল ক'ব নোৱাৰিলে। কেৱল ঘামত সৰ্ব শৰীৰ তিতি গ'ল। গণককুছিৰ গুৰুজনাৰ বহাত ৰামানন্দক প্ৰায়ে বিহ্বল হৈ সুধিলে-

'মোৰ গুৰুজনা?'

'বাপ, সুধিব নালাগে আৰু, পৰাধামলৈ গ'ল।

ছোট আঁতাৰ অন্তৰ বিদাৰি গ'ল। উৰি থকা চৰাইটোৰ হঠাৎ ডেউকা ভাঙিলে যি অৱস্থা হয়, তেওঁৰো একেই অৱস্থা হ'ল। অন্তৰ ভেদি ওলাই আহিব খোজা আৰ্তনাদটোৱে যেন গোটেই ডিঙিটো হেঁচা মাৰি ধৰিলে। সৰগ পৰা মানুহৰ দৰে কিমান সময় তেনেকৈয়ে থিয় হৈ থাকিল ক'ব নোৱাৰিলে। কেৱল দুচকুৰে ধাৰাসাৰে নিগৰি আছে তপত চকুলোঁ। তাৰ পিছত থৰক-বৰককৈ ধুমুহাত ভঙি পৰা ধৰৰ দৰে ঠাইতে বহি পৰিল। সেই মুহূৰ্তত মনৰ পৰ্দাৰ মাজেৰে অলেখ স্মৃতিৰ ছবি দোলা দি দ্ৰুত গতিৰে পাৰ হৈ গ'ল। সেই সময়ত তেওঁ যেন গুৰুজনাৰ মূৰ্তিৰ মাজত নিজেই বিলীন হৈ গ'ল। তেনে এক অৱচেতন অৱস্থাত ছোট আঁতাৰ মুখেৰে বিননিৰ ৰূপত নিৰ্গত হ'ল।

আলো মঞি কি কহ'ব দুখ
পৰাণ নিগৰে নদেখিয়া ছান্দ মুখ।।
কত পূণ্যে লভিলো গুণৰ নিধি শ্যাম।
বঞ্চিয়া নিলেক নিকৰুণ বিধি বাম।।..

কৰবাৰ পৰা ভাহি অহা গীতটোৰ শেষত দূৰৈত প্ৰতিভাত হ'ল। এখন চিতা আৰু চকুৰ লোটক নিগৰাই উচুপি থকা অনেক ভকত আৰু অসংখ্য জনতা। সকোল নিমাত- নিস্তব্ধ। লাহে লাহে চিতা-জুইকুৰা যেন ওচৰ চাপি আহিল। চৰাই-চিৰিকটিৰ কলৰববোৰো যেম কৰুণ সংগীতৰ ধ্বনিৰ দৰে চৌদিশে বিস্তাৰিত হৈ পৰিল। চাওঁতে চাওঁতে চিতাখন এক পোহৰ সূৰ্যলৈ ৰূপান্তৰিত হ'ল।

তাৰ পিছত পোহৰৰ চাটি এটা পৰিব্যপ্ত হ'ল দূৰলৈ... বহু দূৰলৈ......

হঠাৎ সাৰ পাই উঠি হৰিভকতে ৱাল ঘড়ীটোলৈ চালে, পুৱা চাৰি বাজি গৈছে। ৰাতি পুৱাবৰে হ'ল। ভিতৰখন আন্ধাৰ হৈয়ে আছিল যদিও বাহিৰত প্ৰভাতি পখীৰ গান শুনা গৈছিল। বহাৰ পৰা উঠি গাটো পোনাওতে দূৰৰ পৰা ভাহি আহিল-

তেজৰে কমলাপতি পৰভাতে নিন্দ.....।■

# হত্যা

■ ড° নৰজ্যোতি ডেকা
*সহকাৰী অধ্যাপক, ৰসায়ন বিভাগ*

পিছদিনা ৰাতিপুৱা যথেষ্ট সোনকালে মীনা আমাৰ ঘৰ ওলালহি। মোক লগ পোৱাৰ উদ্দেশ্যেই আচলতে তাই সোনকালে আহিছে। সাধাৰণতে মই ওলাই যোৱাৰ পাছতহে তাই আহি পায়। মনৰ হাবিয়াস আৰু বাস্তৱৰ ৰূঢ়তাৰ মাজত আজি তাইৰ মন দোদুল্যমান। কোনো প্ৰশ্নৰ অৱতাড়না নকৰাকৈ তাইক পাঁচ হাজাৰ টকা দি দিলো। টকা পাঁচ হাজাৰ আৰু এওঁৰ পৰা উপহাৰ হিচাপে এযোৰ পুৰণি কাপোৰ লৈ তাই বেগা-বেগিকৈ গ'লগৈ।

সম্পূৰ্ণ পাঁচ দিনৰ অন্তত মুখত এমোকোৰা হাঁহি লৈ মীনা আকৌ আমাৰ ঘৰত সোমাল। বন্ধৰ দিন বাবে ঘৰতে আৰাম কৰি আছিলো। আহিয়েই তাই সকামটোৰ বিস্তৃত বিৱৰণ এওঁৰ আগত দি যাবলৈ ধৰিলে। সাধাৰণতে তাই কম কথা কয়। কিন্তু আজি তাইৰ মুখত আখৈ ফুটিছে। সকামটো সগৌৰৱে সম্পন্ন কৰি তাই নথৈ আনন্দিত। কথা প্ৰসংগত তাই কেবাবাৰো মোৰ শলাগ ল'বলৈ নাপাহৰিলে। ছাৰৰ পৰা সহায় নাপালে তাই কেতিয়াও এইখিনি কৰিব নোৱাৰিলেহেঁতেন। আমাৰ দৰে সৰু মানুহক টকা ধাৰলৈ দিবলৈ বিশ্বাস কৰিব নোখোজে।' এৰা, মীনাহঁতে নিজৰ মনৰ হাবিয়াস পূৰণ কৰিব পৰা নোৱাৰোটো আমাৰ দৰে মানুহৰ আস্থাৰ ওপৰতো নিৰ্ভৰ কৰে।

মাহ দিন বাগৰি গৈ আছে। নাই, মীনাই মোৰ পৰা লোৱা টকাখিনি ঘূৰাই শেষ কৰিব পৰা নাই। সহজতে নোৱাৰাটোয়েই স্বাভাৱিক। কিন্তু প্ৰতিমাহেই তাই দুশ, তিনিশ আদি ধৰণে টকা ঘূৰাই দি আছে। মই একো আপত্তি কৰা নাই। আচলতে মই তাইৰ এক পৰিবৰ্তন দেখা পাইছো। তাই যেন আগতকৈ অধিক নিয়াৰিকৈ কামবোৰ কৰিবলৈ লৈছে।

কিঃ জলন্ধৰত। উচপ খাই উঠিলো। সম্পূৰ্ণ উদাসীন ভাবেই এদিন তাইক তাইৰ মানুহজনৰ ঘৰ সুধিছিলো। মোৰ মনৰ উৎসুকতা দেখি তাই এক ফালৰ গোটেই ঘটনাবোৰ বিৰৰি যাবলৈ ধৰিলে। সেই শিখ নিধন মঙত সি কিদৰে নিজৰ দাড়ি-চুলি কাটি ঘৰ এৰি পলাই আহিল, ক'ত ক'ত কিদৰে থাকিল আৰু শেষত আমাৰ এই অসম মূলুকত থিতাপি ললেহি। মৰ্মান্তিক। এক হৃদয় বিদাৰক কাহিনী। তাৰ মাক, দেউতাক, ককায়েক, ভায়েকহঁত এতিয়াও জলন্ধৰতে আছে। ইহঁতে বছৰ দুবছৰৰ মুৰে মুৰে জলন্ধৰ

গেটখন খুলিয়েই দেখিলো পিছ চোতালত মীনা আৰু এওঁ কথা পাতি আছে। কথা পাতি আছে মানে মীনাই এওঁক ফুচ ফুচাই কিবা কৈ আছে। কথা পতাৰ ধৰণ দেখিয়েই মোৰ ভাল নালাগিল। মানে তাইক কিবা লাগে। মনৰ উচ্চ আকাংক্ষা আৰু সেই অনুপাতে সীমিত দৰমহা- এই দুটাৰ মাজত সামঞ্জস্য বজাই ৰখা যথেষ্ট কঠিন। লগতে আছে পদমৰ্য্যদা অনুযায়ী বজাই ৰাখিবলগীয়া হোৱা সামাজিক ষ্টেণ্ডাৰ্চ। বাজেট মিলি নাহে। নিমিলা অংক।

শ্ৰীমতীৰ ঘৰুৱা কাম-কাজত মীনাই হাত ধৰে। দিনটোৰ দুঘণ্টামান আমাৰ ঘৰত কাম কৰে। মাহেকত এহেজাৰ টকাৰ বন্দৱস্ত। মাথো যোৱা মাহৰ পৰাহে তাই আমাৰ ঘৰত কাম কৰা আৰম্ভ কৰিছে। কিন্তু এই কেইদিনতেই তাই আমাৰ ঘৰৰ এগৰাকী অবিচ্ছেদ্য সদস্য হৈ পৰিছে। আনকি কণমানি মোৰ ল'ৰাটোৰেও স্কুলৰ পৰা আহি তাইক নেদেখিলে মাকক সোধে "মা, আজি মীনা জেঠী কিয় গুছি গ'ল।' তেজ-মঙহৰ সম্পৰ্ক নাথাকিলেও আচলতে মানুহেই মানুহৰ আপোন।

দুপৰীয়া মীনাইনো এওঁক কি কথা কৈছিল জানিবলৈ আচলতে মোৰ মনটো উদগ্ৰীৱ হৈ আছে। আচলতে মনেৰে কিবা এটা পূৰ্বানুমান কৰিলে আৰু পাছত সেইটো শুদ্ধ প্ৰমাণিত হ'লে ভাল লাগে। নিজৰ মনতে নিজক জহোৱা যায়। তথাপিও কিন্তু মই এওঁক একো সোধা নাই। যেন কিবা এটা চাচপেন্স ৰাখি থৈছো। অনুমান কৰিছো এওঁও কথাটো উলিয়াব পৰা নাই।

চাহ কাপ শেষ কৰি লেপটপটো অন কৰি ল'লো। আজি কেইদিনমান থেছিচখন এটা পৃষ্ঠাও লিখা হোৱা নাই। ঘৰ সংসাৰ আৰু গৱেষণা দুয়োটা একেলগে আগুৱাই নিয়াটো যথেষ্ট কষ্টকৰ। মোৰ দৰে সকলো গৱেষকৰ চাগে একেই উপলব্ধি। চকীখন টানি আনি এওঁ কাষতে আহি বহিল। মীনাৰ ছোৱালীজনী গাভৰু হ'ল। কাইলৈ আহি তাই আৰু দুদিনমান আমাৰ ইয়ালৈ নাহে। তাই টকা পাঁচ হাজাৰ খুজিছে।' একে উশাহতে কথাখিনি কৈ মোৰ ফালে চালে। মই তাইৰ ফালে ৰ লাগি চাই আছো। পাঁচ হাজাৰ টকা ধেমালি নেকি? এওঁ মীনাৰ ভাল গুণবোৰ কৈ যাবলৈ ধৰিলে। মোৰ মনত কিন্তু একো প্ৰতিক্ৰিয়া সৃষ্টি নহ'ল।

গৈ থাকে।

মোৰ গাৱেষণাৰ কাম শেষ পৰ্য্যায় পাইছেহি। এই কেইদিন মই ভীষণ ব্যস্ত। থেছিচ লিখা, বিভিন্ন গণনা, সঘনাই গাইডৰ লগত যোগাযোগ কৰা আদিবোৰৰ মাজত সোমাই পৰি এক কথাত মই নিজকে সম্পূৰ্ণ অকলশৰীয়া কৰি পেলাইছো। শ্ৰীমতীৰ মতে এইকেইদিন মই অলপ খিং খিঙীয়া স্বভাৱৰো হৈ পৰিছো। দুপৰীয়া ভাত-পানী খাই উঠাৰ পাছৰ কেইঘণ্টামান মোৰ কাৰণে সম্পূৰ্ণ একান্ত। জটিল গণনা এটা কৰি থকাৰ মাজতে মীনাই মাত লগালে 'ছাৰ'। অসময়ত মীনাৰ উপস্থিতিয়ে মোক যথেষ্ট বিৰক্ত কৰি তুলিলে। কিন্তু সম্পূৰ্ণ ভাৱলোপহীন ভাৱে তন্দ্ৰালু পত্নীক জগালো। 'হেৰা, মীনা আহিছে। কথা পাতাচোন।

কথাটো শুনি এওঁৰো খং উঠিল। কি কথা কবলৈ আহিছে। এই কণমানি ছোৱালীজনীৰ বিয়াৰ কথা চিন্তা কৰিছে। কিমাননো বয়স হৈছে তাইৰ। খুউব বেছি পোন্ধৰ বা যোল্ল। সংসাৰৰ দায়িত্ব তাই কেনেকৈ চম্ভালিব। আমাৰ কোনো কথাই মীনাৰ কাণত সোমোৱা নাই। জীয়েকৰ সুখৰ সংসাৰৰ সপোনত তাইৰ চকু তিৰবিৰাই আছে। তাই অনৰ্গল কথা কৈ গ'ল। 'ল'ৰাটো ভাল। বয়সো বেছি নহয়। নিজাকৈ চাহ দোকান আছে। স্বভাৱ পাতিও ভাল। তাইৰ জীয়েকো সৰু হৈ থকা নাই। অহা মাঘত ওঠৰ ভৰিব।' বুজিলো মাঘত বিয়া পাতিব। ইহঁতৰ কোনো বাৰ্থ চাৰ্টিফিকেট নাই। গতিকে ওঠৰ বছৰৰ হবৰ হৈছে বুলি প্ৰচাৰ কৰিছে। তাইক আমি আকৌ বুজাবলৈ যত্ন কৰিলো। কিন্তু তাই নাছোৰ বান্দা। এটা সময়ত যথেষ্ট উষ্মাৰে কলো- 'আমাৰ কথা যদি নুশুনাই তেন্তে আমাক কি সুধিব আহিছিলা। ওলাই যোৱা। নাহিবা আজিৰ পৰা।

ছেঃ, গোটেই আবেলিটো বৰবাদ হৈ গ'ল। মনে মনে প্ৰমাদ গণিলো। সঁচাকৈয়ে যদি কাইলৈৰ পৰা তাই নাহে। খঙৰ ভমকত কি যে কৈ পেলালো। এওঁৰো মুখখন গোমোঠা। পিছদিনা ৰাতিপুৱাৰ পৰাই এওঁ অলপ চলপকৈ কামবোৰ আগবঢ়াই নিছে। মইও অলপ অচৰপ হাত ধৰি দিছো। মনে মনে চিন্তা কৰি আছো তাই আহিবনে? ঠিক সময়তে তাই আহিল। সম্পূৰ্ণ স্বাভাৱিক ধৰণে তাই কামবোৰ কৰি যাবলৈ ধৰিলে। মাজে মাজে এওঁক দুই এটা কথা কৈ থাকিল।

সম্পূৰ্ণ নিয়মীয়াকৈ তাই আমাৰ ঘৰলৈ আহি থাকিল। প্ৰথমতে বুজিব পৰা নাছিলো। লাহে লাহে বুজি পালো আমাৰ হকা-বাধাৰ কোনো প্ৰভাৱ তাইৰ ওপৰত পৰা নাই। জীয়েকৰ বিয়াৰ প্ৰস্তুতি সন্তৰ্পণে কৰি আছে। থিক কৰিলো আৰু একো নকওঁ। টকা-পইচা বিচাৰিলে দি দিম। কিন্তু বিয়ালৈ নাযাওঁ। এদিন আবেলি গিৰীয়েকৰ সৈতে আমাক বিয়ালৈ নিমন্ত্ৰণ কৰি থৈ গ'ল। এওঁ পাচশ টকা এটা উপহাৰ হিচাপে পঠাই দিলে। কিন্তু এইবাৰ তাই মোৰ পৰা টকা ধাৰলৈ নিবিচাৰিলে। বোধহয় এয়া তাইৰ স্বাভিমান।

যথা সময়ত মীনা এটি নাতি ল'ৰাৰ আইতা হ'ল। এই কেইদিন মীনাৰ মনত বিৰাট ফূৰ্ত্তি। আমাৰ ল'ৰা ছোৱালী সৰু কালৰ কাপোৰবোৰ তাই এটা দুটাকৈ লৈ যাব ধৰিলে। কেছুৱাটোৰ সকলোবোৰ কথাই এওঁৰ আগত বিৰৰি কয়। আমাক জ্বলা বঁটাও খুৱালে। জ্বলাবঁটাখিনি বেছ সোৱাদ হৈছিল। আইতাকহঁতৰ মৰম-চেনেহৰ মাজত কেচুৱাটো ডাঙৰ-দীঘল হ'বলৈ ধৰিলে।

কেইদিনমানৰ পৰা মীনাৰ মনটো গোমোঠা হৈ আছে। কাম পাতি তাই থিকেই কৰি আছে। তথাপিও এনেকুৱা লাগে যেন তাই নিজকে স্বাভাৱিক দেখুৱাবলৈ যত্ন কৰি আছে। কিবা এটা কথাই যেন তাইক হেচা মাৰি ধৰি আছে। অলপমান মনটো ভাল লাগক বুলি এনেয়ে সুধি দিলো- "টিকুৰ খবৰ কি? তাৰ মাত ফুটিছে নে? কথাষাৰ সোধাৰ লগে লগেই তাইৰ দুচকু উপচি পৰিল। আমি সকলো হতবাক। কি হ'ল তাইৰ। তাই নিজকে চম্ভালি সকলোবোৰ কথা বিৰৰি যাবলৈ ধৰিলে। আমি মাথো নীৰৱ শ্ৰোতা। সান্ত্বনা দিবলৈ আমাৰ মুখত তেতিয়া ভাষা নাই। কিছুমান ভুলৰ শুধৰণি নাই। বিয়াৰ আগতেই যদি ল'ৰাটোৰ বিষয়ে অলপমান জানিবলৈ যত্ন কৰিলেহেঁতেন। হয়তো আজি মৃত্যু শয্যাৰ বিভীষিকাই খেদি নুফুৰিলেহেঁতেন। আমি মাথো নিয়তিক ধিয়াও। কিছুদিন পাছত তাই এদিন জোৱায়েকৰ মৃত্যুৰ খবৰটো দিলে। সিদিনা তাইৰ চকুত চকুলো নাছিল। বেচেৰা টিকু, দেউতা শব্দটো তাৰ মুখত নুফুটিল।

টিকু এতিয়া অলপ ডাঙৰ হৈছে। তাক স্কুলত নাম লগাই দিছে। মীনাই তাক স্কুললৈ লৈ আহে। তাক স্কুলত থৈ তাই আমাৰ ঘৰলৈ আহে আৰু স্কুল শেষ হোৱাৰ আগে আগে আমাৰ ঘৰৰ পৰা যায়। মাজে মাজে মীনাই তাক আমাৰ ঘৰলৈ লৈ আহে। ল'ৰাটো দেখিবলৈ মৰম লগা। তাক দেখিলে মনটোত দুখ লাগে। ভগৱানে বাৰু তাৰ কি পৰীক্ষা লৈছে। মোৰ পি. এইচ. ডি. ডিগ্ৰী হ'ল। এতিয়া মই এটা গৃহ নিৰ্মাণ পৰিকল্পনা কৰিছো। শ্ৰীমতীৰ লগত এই বিষয়ে দুই এটা আলোচনা কৰি আছো। স্বাভাৱিকতে মোৰ মনটোত মৃদু আনন্দ। আমাৰ সপোনৰ ঘৰটোৰ বাস্তৱ ৰূপ দিবলৈ প্ৰয়াস কৰিছো। পৰিস্থিতিৰ সুযোগ লৈ মীনাই জীয়েকৰ কথা উলিয়ালে। জীয়েকৰ কাৰণে খুড়াকহঁতে এজন দৰা চাইছে। দেউতাকে অহা মাহত তাইক জলন্ধৰলৈ লৈ যাব। কথাটো শুনিয়েই ভাল লাগি গ'ল। এটা ভাল সিদ্ধান্ত লোৱা বুলি ভাব হ'ল। মীনাই আৰু বহু কথা কৈ গ'ল। বহুদিনৰ মূৰত তাইৰ মুখত আজি আকৌ আখৈ ফুটিছে। তাই অনৰ্গল কথা কৈ গ'ল। কিন্তু এটা কথাত মোৰ মূৰটো থমকি ৰ'ল। টিকুক এওঁলোকেই পঢ়াই শুনাই ডাঙৰ কৰিব। মোৰ কাণত আৰু একো কথাই নোসোমাল। বাৰে বাৰে মোৰ মনত টিকুৰ মুখখন ভাহি আহিবলৈ ধৰিলে। এৰা, ল'ৰাটো ঘাতমাউৰা হ'ল। ■

# নেদেখা সূতাৰ খেলা

■ কমল শৰ্মা
*প্ৰাক্তন ছাত্ৰ*

আখলৰ জুইকুৰা নুমাই থৈ শান্তিয়ে মুধাচালিৰ তলৰ পানীপোতাত থিয় হৈ ৰ'ল। আধাপোৰা খৰি এটুকুৰাৰ ধোঁৱাই তাইৰ চকুযুৰিত যেন জলকীয়া সানিছিল। সৰ্‌সৰকৈ বৈ অহা চকুপানীখিনি মচি শান্তিয়ে সেপ ঢুকিলে। ডিঙিটোত যেন কিহবাই সোপা মাৰি ধৰিছে।

"ভনী, পানী এটুপি দেচোন!" সমদ্বিখণ্ডিত কৰিব লগা ত্ৰিভূজটোৰ বাহু এডাল আধা টনাকৈ এৰি মাটি কলহটোৰ পৰা কাচৰ গিলাচটোত পানী ভৰাই ভনীয়ে বৌয়েকৰ হাতত তুলি দিলে।

"বৌ, দাদাক কবাচোন! ত্ৰৈলোক্যচাৰৰ ওচৰত এমাহ মোক অংক শিকিব দিয়াৰ কথা। কেইটামান অংক আৰু জ্যামিতিয়ে মোক বৰ কষ্ট দিছে। বুজিবলৈ বৰ টান।"

ঘোট্ ঘোটকৈ পি থকা পানীখিনি খাব এৰি শান্তিয়ে ভনীৰ আশাভৰা দুচকুলৈ চালে। শান্তিৰ ডিঙিত যেন আৰু এটা সোপা লাগিল।

কোনোমতে মূৰটো জোকাৰি এইবাৰ তাই অনুচ্চাৰিত কণ্ঠে মনৰ ভিতৰতে চিঞৰি চিঞৰি প্ৰফুল্লক ক'লে,-

" ঐ' ভনীয়েৰই তোৰ টিউচন দিয়াৰ কথা কৈছে, পাৰিবিনে?"

উদাস চাৱনিৰে শান্তিয়ে কাঁচিজোনে ভূমুকি মৰা সাঁজৰ আকাশখনলৈ চকু পেলালে। কি স'তে তাই বিশ্বাস কৰিব জোনক? তাণ্ডব দেখিলেই যে জোনে লুকাই পৰে মেঘৰ আঁচলত।



পিছে শান্তিৰ মনৰ জোৰ বহুত বেছি। প্ৰফুল্ল দুৰ্বল হ'লেও শান্তিয়ে মনৰ জোৰত যিকোনো কাম সমাধা কৰিব পাৰে।

শান্তিয়ে সিদ্ধান্ত ল'লে, ভনীক তাই ত্ৰৈলোক্য মাষ্টৰৰ তাত টিউচন দিব। ককায়েকৰ প্ৰতি ভনীয়ে ভুল ধাৰণা নোলোৱাৰ কাৰণে নিজৰ স্বাৰ্থও যদি ত্যাগ কৰিব লগীয়া হয়, শান্তি সদায় প্ৰস্তুত। গিৰীয়েকক তাই লোকচক্ষুত সৰু হ'ব নিদিয়ে। ভনীক তাই ত্ৰৈলোক্য মাষ্টৰৰ তাতেই টিউচন দিব।

ভনীয়ে টান পোৱা জ্যামিতিৰ উপপাদ্যকেইটা শিকি অংকত বেছি ভাল নম্বৰ পোৱাটো শান্তিয়ে বিচাৰে। প্ৰয়োজনত তাই আৰু এঘন্টা তাঁতত সময় বঢ়াব।

শান্তিয়ে স্কুলীয়া জীৱনত অংক কৰি বৰ ভাল পাইছিল। স্কুলৰ অংক শিকোৱা ঠাকুৰীয়া চাৰে তাইক বৰ আগ্ৰহেৰে অংক শিকাইছিল। তাই অংকত চোকা আছিল।

সমাজ অধ্যয়ন পঢ়োৱা ৰমা বৰুৱা চাৰেহে তাইক হতাশগ্ৰস্তভাৱে কৈছিল, "সংবিধানৰ প্ৰস্তাৱনা মুখস্থ কৰা সহজ, দেশৰ সমস্যাৰ অংক মিলোৱাটো কঠিন।

প্ৰশ্নকাকতৰ উত্তৰ কৰিবলৈ অংক শিকা সহজ, জীৱনৰ অংক মিলোৱাটো বৰ কঠিন।”

বৰুৱা চাৰৰ কথাষাৰ মনত পৰিলে শান্তিৰ বুকুখন গধুৰ হৈ পৰে। চিন্তাক্লিষ্ট মগজুৰে তাই এটি গভীৰ হুমুনিয়াহ কাঢ়ে।

জীৱনৰ আদিতেই চোন শান্তিৰ অংকত খেলি মেলি লাগি গৈছিল। শান্তিয়ে কল্পনা কৰা নতুন সপোনটোক সাকাৰ ৰূপ দিব খোজোতেই অকস্মাৎ ঘটি গৈছিল নঘটিব লগীয়া ঘটনা।

তাই ফাঁকি দিছিল। মাক দেউতাকৰ সৰল বিশ্বাসৰ আশাত তাই চেঁচা পানী ঢালিছিল।

সংগোপনে বাঢ়ি অহা প্ৰেমৰ আলফুলীয়া বীজটোৱে পোখা মেলিছিল। প্ৰফুল্লৰ প্ৰসাৰিত দুহাতৰ মাজত থকা বুকুৰ ভিতৰৰ বিশ্বাসৰ কলিজাটো তাই অনুপম আঙুলিৰে স্পৰ্শ কৰিব খুজিছিল।

কলেজৰ পৰা উভতি পোনে পোনে প্ৰফুল্লৰ ঘৰৰ নঙলামুখৰ শলখা খুলিছিল। চাঁচি-চুৰুকি মসৃণ কৰা শলখাকেইডাল আঁতৰাবলৈ তাই অকণো কষ্ট কৰিব লগা হোৱা নাছিল। তাইৰ মনটো ভাল লাগি গৈছিল।

মাছ ধৰিবলৈ একধ্যানে ৰৈ থকা মাছৰোকা চৰাইটোৰ দৰে প্ৰফুল্লৰ মাকে শান্তিৰ মুখলৈ থৰ লাগি চাইছিল।

“তই অম্বু মাষ্টৰৰ ছোৱালী? তই আকৌ কিয় আহিলি? ব’ল তোক ঘৰত থৈ আহোঁগৈ।”

খন্তেক নীৰৱতা ভংগ কৰি ওলোৱা প্ৰফুল্লৰ মাকৰ অনুনয় সুৰটোৱে শান্তিক বিচলিত কৰিব নোৱাৰিলে।

“মই একেবাৰে ওলাই আহিছোঁ, প্ৰফুল্লই যেনেকৈ ৰাখে, মই তেনেকৈয়ে থাকিম।”

বহুসময় পিতাকৰ লগত আখৰাগৃহত পুতলা নচুৱাত ব্যস্ত থাকি প্ৰফুল্ল অলপ বিৰক্ত হৈছিল। মমতাৰ সাগৰ মথি তালৈ যতনেৰে ৰখা মাকৰ হাতৰ পানী এগিলাছ খাবলৈ, স্নেহময়ী মাতৃৰ ওচৰলৈ সি দৌৰি গ’ল।

“আজি কিমান খাবি, আজি কিমান খাবি....” বৰপুতলাৰ মুখৰ নাটিকাৰ গীতটি প্ৰফুল্লৰ কণ্ঠত উচ্চাৰিত হৈ থাকিল। প্ৰফুল্লৰ কণ্ঠৰুদ্ধ হৈছিল। চকুযুৰিয়ে তিৰবিৰাইছিল।

মাকৰ লগত একাত্মতাৰে কথাপাতি থকা শান্তিক দেখি সি উৎফুল্লিত হৈ উঠিল। তাৰ মনাকাশ ফৰকাল হৈ পৰিছিল। অপেক্ষাৰত যাত্ৰীবাহী বাছখন যেন অনিশ্চয়তা আঁতৰাই সময়তকৈ আগয়ে উপস্থিত হৈছে।

এক প্ৰশান্তিৰ হাঁহিৰে প্ৰফুল্লই শান্তিক সুধিলে-

“তই আহিলি? ৰ’ পিতাইক আখৰা বন্ধ কৰিব কওঁ!”

কণমানি দামুৰিটোৰ দৰে জপিয়াই উলাহতে প্ৰফুল্লই আখৰা গৃহলৈ দৌৰ মাৰিলে।

“পিতাই, তই জানো শান্তিক আমাৰ ঘৰত ঠাই অকণ নিদিবি?”

লাহে লাহে পুত্তলাৰ ৰচীকেইডাল ঢিলাই পুতলাকেইটাক এটা এটাকৈ বাঁহৰ কোমল খাটিৰে সজোৱা ডাঙৰ বাকচ কেইটাত শুৱাই দি প্ৰফুল্লৰ পিতাকে ইফালে-সিফালে চালে।

“ৰ’ বেউলা, মোৰ আইজনী অ, তই দুখ নকৰিবি? মোৰ ঘৰলৈ লখিমী আহিছে। তই নাচিবি ৰ’। তোৰ লখাইক জীয়াই তুলিব লাগিব। অলপ ৰ’।”

ক্ৰমাৎ অস্পষ্ট হৈ পৰিছিল নিম্নস্বৰত উচ্চাৰিত প্ৰফুল্লৰ পিতাকৰ পুতলাৰ লগত কৰা আলাপ সংগীত।

আবেগৰ ঢলত উটি অহা শান্তিয়ে উপলব্ধি কৰিব পৰা নাছিল প্ৰফুল্লৰ মাক-পিতাকৰ মনৰ কথা। ফুচফুচাই দুয়ো ভিতৰ ঘৰত কথা পাতিছিল। প্ৰফুল্লক মাক-পিতেক দুয়োৱে প্ৰশ্ন কৰিছিল।

শান্তিয়ে প্ৰফুল্লৰ চকুত চকু থৈছিল। তাই অনুমান কৰিব পৰা নাছিল শীতৰ ঠেঁটুৱৈ লগা জাৰত কঁপাৰ দৰে প্ৰফুল্লই কিয় কঁপিছিল।

শান্তিয়ে অলপো ভয় কৰা নাছিল। তাই নিৰ্ভয়ে মনৰ কথা ব্যক্ত কৰিছিল।

“মই একো ভুল কৰা নাই। আই-পিতায়ে মোক নুবুজিলে। মই প্ৰফুল্লৰ মনৰ কথা বুজি পাওঁ। সি ভালপোৱা পুত্তলাকেইটাক ময়ো মৰম কৰিব বিচাৰোঁ।”

সঁচা অৰ্থতেই প্ৰফুল্লক তাই হৃদয়ৰ নিভৃত কোণৰ পৰাই ভাল পাইছিল। নিজ প্ৰাণতকৈয়ো আপোন ভবা বাবে বিশ্বাসৰ কণমানি গছপুলিটো বটবৃক্ষ হৈ থিয় হৈছিল। অব্যক্ত বেদনাবোৰ তাই আকুলতাৰে ব্যক্ত কৰিছিল। একান্ত বাধ্যৰ দৰে নীৰৱে মুগ্ধ হৈ প্ৰফুল্লৰ পিতাক-মাকে শুনিছিল শান্তিৰ কথা। কিয় জানো প্ৰফুল্লৰ মাকৰ মুখখন এক অনামী বেদনাই আগুৰি ধৰিছিল। চকুকোণৰ বিন্দু বিন্দু অশ্ৰুটোপালকেইটা সোঁহাতৰ তৰ্জনী আঙুলিটোৰে মচি প্ৰফুল্লৰ মাকে শান্তিক ভিতৰ ঘৰলৈ আগ বঢ়াই নিছিল-“আহ, আই আহ। ভিতৰলৈ আহ।”

স্মৃতিয়ে হয়তো প্ৰফুল্লৰ মাকৰ হৃদয়তো বিৰহ যন্ত্ৰণাৰ ঘা অকণ বহলাই দিছিল। কেইবা যুগ আগেয়ে এৰি অহা মাক-পিতেকৰ মুখৰ ছায়াছবিবোৰে হয়তো ধোঁৱাখুলীয়াহৈ ভাহি আহি দুচকুত ধৰা দিছিল।

মাক-পিতেকক এৰি অহা দিনটোৰ পৰা যোৱা আঠোটা বছৰে শান্তিয়ে জন্মৰ ঘৰখনলৈ উভতি চোৱা নাই। সন্তানৰ প্ৰতি থকা অপত্যস্নেহে সৰল পিতৃ-মাতৃৰ প্ৰতিজ্ঞা ভংগ কৰাইছিল। তাইহে ৰূপ সলাব পৰা নাই। শান্তিয়ে ভাবিছিল নাৰী জীৱনক পূৰ্ণতা দিয়া পোনা এটি কোঁচত লৈ তাই মাক-পিতেকৰ ওচৰত

থিয় হ'ব। তাইৰ অভিমানী মনটোক বুজনি দিবলৈ সেইদিনটো আজিও নাহিল।

জীৱনৰ অংকবোৰ সঁচাকৈয়ে খেলি-মেলি হৈছিল। কাৰ দোষ তাই নাজানে। প্ৰফুল্লই তাইক বৰকৈ মৰম কৰে। আজি অতদিনে কৰি অহা মৰমে তাইক কন্দুৱাই আহিছে।

তাই প্ৰফুল্লক বাধা দিব নোৱাৰে। আঙুলিৰ পাবত গণি তাই খাটাংকৈ ক'ব নোৱাৰে, পুতলা নচুৱাই আহি কিমান ৰাতি পাটীত পৰি একেটা প্ৰশ্ন কিমানবাৰ প্ৰফুল্লই তাইক সুধিছে।

"তই বৰ কষ্ট পাইছ ন'?"

নীৰৱে বৈ অহা অশ্ৰুৰ তটিনী মচি শান্তি নিৰুত্তৰ হৈ ৰয়। দুখবোৰে গোট মাৰি বৰফ হয়। তাই এটা শব্দও উচ্চাৰণ কৰিব নোৱাৰে, বধিৰ হৈ পৰে।

"প্ৰফুল্লয়ো জানো কষ্ট নোপোৱাকৈ আছে?"

সিকাতি হৈ থকা তাইৰ আলসুৱা শৰীৰটো আদৰেৰে প্ৰফুল্লই সুঠাম বুকুখনৰ মাজলৈ কাষ চপাই আনে। পুতলা নচুওৱা দুহাতেৰে শান্তিক সি মৰমেৰে উপচাই দিয়ে। মৰমৰ পুতলাকেইটাৰ দৰে শান্তিয়েও এটি পুতলাহে প্ৰফুল্লৰ মৰমত লেতু-সেতু হৈ পৰে।

শান্তিয়ে প্ৰফুল্লক অভিমান কৰিব নোৱাৰে। শান্তিয়ে জানে প্ৰফুল্লৰ স্বভাৱৰ কথা।

"তোক কৈ থ'লো-বেউলা, লখাই, ৰামচন্দ্ৰ, বৰপুতলাহঁতক যিমান মৰম কৰোঁ, তোকো কম নকৰোঁ। তই ভুল নুবুজিবি!"

প্ৰফুল্লৰ আৱেগক সাৰটি শান্তিয়ে প্ৰত্যুত্তৰ দিছিল।

"মই তোক বুজি পাওঁ।"

শান্তিয়ে সকলো বুজে। ঘৰখনৰ অভাৱেহে মাজে সময়ে তাইক বৰকৈ জুৰুলা কৰে।

তাই অহাৰ তিনিবছৰ পিছতেই শহুৰ-শাহুৰেকে এজন এজনকৈ ইহসংসাৰৰ পৰা বিদায় লৈছিল। ঘৰখনৰ সমস্ত দায়িত্ব শান্তিৰ ওপৰতে ন্যস্ত হৈছিল। সৰু ননদ ভনীজনীৰো যত্ন তায়ে ল'ব লগা হৈছিল। পুতলা নচুৱাৰ নিচাত প্ৰফুল্লই জীৱনৰ বহু কথাই এৰাই চলিছিল। কোনো সমস্যায়ে প্ৰফুল্লক স্পৰ্শ কৰিব নোৱাৰে। আৰ্থিক দুৰাৱস্থাৰ প্ৰতিও প্ৰফুল্লৰ কাণসাৰ নাই। কষ্টৰ বোজা কঢ়িয়াব নোৱাৰিব বুলি ভয় খাই শান্তিয়ে কেতিয়াবা কান্দে। অতি সংগোপনে উচুপে। কাৰো আগত তাই ধৰা নিদিয়ে।

ভনীয়ে অংক শিকিবলৈ টিউচন ল'ব খোজাৰ কথা ককায়েকক ক'বলৈ কোৱাত শান্তিৰ মনে হাহাকাৰ কৰি উঠিছে। পাৰিব জানো প্ৰফুল্লই পুতলা নচুৱাই ভনীৰ টিউচনৰ ফিজ যোগাৰ কৰিব? নোৱাৰে।

পৰিবৰ্তনৰ বা বলিছে। আগৰ কথা বেলেগ আছিল। মাক-দেউতাকৰ দিনত পুতলা নচুওৱা দলক নিমন্ত্ৰণ দিবলৈ বিভিন্ন অনুষ্ঠান আছিল। সভা-ভঠেলীৰ মনোৰম সন্ধিয়াবোৰত পুতলাই মৰকুঁচীয়া ভাঁজ দি জিৰণি নোপোৱা হৈছিল। উপাৰ্জনো ভাল আছিল। আধুনিক প্ৰতিযোগিতাৰ ধুমধুপালনিত সৰলতাৰ বিন্দুত খামুচি থকা পুতলাবোৰ ক্ৰমাৎ এলাগী হৈ পৰিছে। সভা-সমিতি, অনুষ্ঠান আদিৰ লগত যোগাযোগ লাহে লাহে কমিবলৈ ধৰাত প্ৰফুল্লৰ ব্যস্ততা কমিছিল। উপাৰ্জনো কমিছিল। অনুষ্ঠানৰ লগত অতিবাহিত কৰা সময়তকৈ বেছি সময় এতিয়া প্ৰফুল্লই নভবাকৈ পাৰ কৰে, ঘৰৰ ভিতৰতে পুতলাৰ লগত কথা পাতি। পুতলাৰ লগত কথা পাতি পাতি কেতিয়াবা কান্দে। স্মৃতি ৰোমন্থন কৰি কেতিয়াবা হাঁহে। প্ৰফুল্লৰ সৰল মুখখন দেখিলে শান্তিৰ বৰ দুখ লাগে।

জানি বুজিও শান্তিয়ে প্ৰফুল্লক একো ক'ব নোৱাৰে। তাই তাক একতিলমানো দুখ দিব নোৱাৰে। নিজৰ প্ৰাণতকৈয়ো যে বেছি তাই প্ৰফুল্লক ভালপায়।

ভনীৰ টিউচনৰ ফিজৰ কথাও তায়ে চিন্তা কৰিব লাগিব। তাই জানে, প্ৰফুল্লই একো কৰিব নোৱাৰে।

হঠাৎ তাইৰ মনত পৰিছিল হৰেক মাল বিক্ৰী কৰা ফেৰিৱালাটোৰ পৰা কিনা টেকেলিটোৰ কথা।

"ল'ব হৰেকমাল-কাপ-প্লেট, সঞ্চয়ৰ টেকেলি..." বুলি চিঞৰি চিঞৰি অহা ফেৰিৱালা এটাৰ পৰা দুবছৰমান আগতে খুঁচুৰা পইচা জমা কৰা টেকেলি এটা কিনিছিল শান্তিয়ে। সুবিধা পালেই হাতলৈ অহা দু-এপইচা উদ্দেশ্যবিহীনভাবে তাই টেকেলিটোত জমা কৰিছিল। হাড়ে হাড়ে তাই উপলব্ধি কৰে ঘৰখনৰ আকালৰ কথা। আকালত মাত দিয়া টেকেলিটোলৈ তাইৰ বৰ হেঁপাহ।

প্ৰফুল্লৰ পিতাকে চকুমুদা দিনটোৰ কথা তাই কোনোকালে পাহৰিব নোৱাৰে। ভলুকাবাঁহৰ পাব এটিত বিন্ধা কৰি সাঁচি ৰখা খুঁচুৰা টকাকেইটাই শ-ঢকা কাপোৰৰ পৰা খৰি কিনালৈকে আৰ্থিক সকাহ দিছিল।

ভনীৰ এমাহৰ টিউচনৰ টকাকেইটা যদি শান্তিৰ মাটিৰ টেকেলিটোত জমা হৈ আছে, তেনেহ'লে হয়তো শান্তিয়ে বৰ বেছি কষ্ট কৰিব নালাগে।

কথাটো ভবাৰ লগে লগে শান্তিৰ মূৰৰ ওপৰৰ দুশ্চিন্তাৰ বোজাটোৰ ওজন কিছু কমি গ'ল।

অলপো দেৰি নকৰি তাই পানীপোতাৰ পৰা মুহূৰ্ততে শোৱনি কোঠাৰ একোণত অৱস্থান কৰি থকা কাঠৰ পেৰাটোৰ ওচৰ পালে। পেৰাৰ ঢাকনি খুলি বিচৰা বস্তুটো আঙুলিৰে তুলি

লৈ তাই আশ্চৰ্যত চমকি উঠিল।

কি হ'ব পাৰে টেকেলিটোত থোৱা টকাকেইটা? কোনে নিব পাৰে?

উজাৰ খোৱা বৰলৰ দৰে খঙাল হৈ ৰঙা-চিঙা পৰিছিল শান্তি। খঙৰ ভমকত তীব্ৰবেগে শান্তিয়ে পুতলানাচৰ আখৰা গৃহত প্ৰৱেশ কৰিলে।

দুভৰিৰ চেণ্ডেলৰ চেটেপ্ চেটেপ্ শব্দয়ো প্ৰফুল্লৰ দৃষ্টি ঘূৰাব পৰা নাই। শান্তিয়ে মুখেৰে এটা শব্দও উচ্চাৰণ কৰিব পৰা নাই। টিঙিৰি তুলাৰ দৰে জ্বলি উঠা শান্তিৰ ক্ষোভৰ জুইকুৰা প্ৰফুল্লৰ সৰলতাত ক্ৰমাৎ নিষ্প্ৰভ হৈ পৰিল। তাই মাথোঁ বোবা দৃষ্টিৰে চাই ৰ'ল, প্ৰফুল্লৰ আপোনভোলা কথা-কৰ্মলৈ।

"ঐ' ধুন মইনা, তই অভিমান কৰিছ? তোৰ লগত কথা নপতা বাবে। ৰঙা ঘাগ্ৰাটোৰে তই কিন্তু বৰ ধুনীয়াজনী হৈ পৰিছ? মই মিছা কোৱা নাই। তোৰ বেয়া লগা নাই? বুজিছো, বুজিছো।"

পুতলাৰ লগত গভীৰ আত্মীয়তাৰে নিমগ্ন হৈ থকা প্ৰফুল্লক কিজানি বৰভূঁইকঁপেও কঁপাব নোৱাৰে।

"মোৰ কি হৈছে জানো, তহঁতক পূজাত নতুন সাজ পিন্ধাব নোৱাৰিলে মই উশাহ ল'ব নোৱাৰোঁ। শান্তিৰ জমা টকা চুৰি কৰি মই তহঁতক পূজাৰ কাপোৰ দিছোঁ। তাইক ফটাকানি এচিলাও দিব পৰা নাই। তাই বুজে, মোৰ সামৰ্থৰ কথা। তহঁতে যে নিজে একো নকৰ'? সেইটোতে বৰ দুখ!"

খঙেই কৰিব নে দুখেই কৰিব? ঢোঁৰাসাপৰ ফোঁপনিৰ দৰে শান্তিৰ খঙৰ ফোঁচ্ ফোঁচনি লাহে লাহে নাইকিয়া হৈছিল। একেথিৰে তাই লক্ষ্য কৰিছিল প্ৰফুল্লৰ দেহ-মনৰ প্ৰফুল্লতাক। সৰলতাক।

"হেৰ লক্ষ্মণ, তই খং কৰিছ? শান্তিৰ টকাৰে কাপোৰ কিনা কথা শুনি। তহঁতে নাভাবিবি, শান্তিয়ে মোক কম মৰম কৰে বুলি। তাই মোৰ স্বভাৱৰ কথা জানে।"

কি আবেগিক সংলাপহে প্ৰফুল্লৰ মুখত।

শান্তিয়ে আৰু ৰ'ব নোৱাৰিলে। ধৈৰ্য্য হেৰুৱাই তাই একেকোবে গৈ প্ৰফুল্লৰ বুকুত মূৰ গুঁজি দিলে। তাই ভাবিবলৈ ধৰিলে।

প্ৰফুল্লৰ দৰে তায়ো পুতলাকেইটাক কিয় সন্তানৰ দৰে লালন-পালন কৰিব নোৱাৰে? তাই পাৰিব। তাই সিদ্ধান্ত ল'লে। তায়ো পুতলাক নচুৱাব শিকাব। পুতলাকেইটাই তাইক মা বুলি মাতিব! তায়ো মা হ'ব।

দুহাতৰ সমস্তজোৰেৰে প্ৰফুল্লক সাৱটি শান্তি উচুপি উঠিল।

পুতলা কেইটাই বুজিলে কি নুবুজিলে প্ৰফুল্লই কিন্তু শুভ-ইঙ্গিত এটিৰ অনুমান কৰিলে। শান্তিক সাৱটি ধৰি সিও মিচিকিয়াই পুতলাকেইটালৈ পৰম বিশ্বাসেৰে চাই থাকিল।■



# সপোন মূৰ্দাবাদ

■ মানস প্ৰতীম ৰাজবংশী
*স্নাতক ষষ্ঠ ষাণ্মাসিক, জীৱ বিজ্ঞান বিভাগ*

আপুনি সপোন দেখি ভাল পায়। ময়ো সপোন দেখি ভাল পাওঁ। সপোনবোৰে পূৰ্ণতা নাপালে আপুনি কষ্ট পায়। ময়ো কষ্ট পাওঁ। হয়তো সপোন দেখাৰ বাবেই মানুহ সুখী হ'ব নোৱাৰে। মোৰ সপোনৰ আলিবাটৰ দুয়োফালে সোণাৰু ফুলে। আঘোণৰ পূৰ্ণিমাৰ জোনটিয়ে পোহৰ কৰে মোৰ সপোনৰ আলিবাটতো। মোৰ সপোনৰ আলিবাটেৰে গৰখীয়া উভতে ঘৰলৈ, গধূলিপৰত। চৰাই উভতে বাহলৈ।

'মাইনা বিচনাখনৰ পৰা উঠচোন। কিমান আৰু বাগৰ সলাই থাকা।' মাকৰ চিঞৰত সাৰ পায় কুলিৰ পোৱালীৰ নিচিনাকৈ কোনোমতে বিচনাতে তাই বহিল। এইবাৰ তাই উচ্চতৰ মাধ্যমিক চূড়ান্ত বৰ্ষৰ পৰীক্ষা দিছে। বিজ্ঞানৰ ছাত্ৰী তাই। পঢ়াত সৰুৰ পৰাই খুব চোকা। দেউতাক মাকৰ একেবাৰে আলাসৰ লাডু। মাইনাই দেউতাকক খুব ভাল পায়, কাৰণ দেউতাকে তাইক সৰুৰ পৰা একো এটা অভাৱ পাবলৈ দিয়া নাই। তাই যি বিচাৰে দেউতাকে তাইক দিয়ে। তাইৰ দেউতাক হলধৰ চলিহা। চলিহাই ব্যৱসায় কৰে। তেখেতৰ পৰিয়াল বৃদ্ধিৰ সমান্তৰালভাৱে ব্যৱসায়ো বৃদ্ধি পাইছে। এতিয়া সুখৰ সংসাৰ য'ত মাইনা চকুৰ মণি।

আজি H.S. ৰ ৰিজাল্ট দিব। ঘৰত ৰাতিপুৱাৰ পৰাই সকলোৰে উৎকণ্ঠা কাৰণ পৰিয়ালৰ লগতে আত্মীয় সকলোৰে এটাই আশা মাইনাই এটা স্থান পাব। মাকে ৰাতিপুৱাই উঠি ভগৱানৰ ওচৰত এভাগ প্ৰসাদ আগবঢ়াই এগছি চাকি জ্বলাই থৈছে। মাইনা কিন্তু এতিয়াও বিচনাতেই। মাকে দুবাৰ-তিনিবাৰ মাতিলে তথাপি তাইক উঠাব পৰা নাই।

আজি এটা বিশেষ দিন সেইবাবে চলিহা আজি কামলৈ নগ'ল। ঠিক ১১ টা মান বজাত কলেজৰ অধ্যক্ষৰ পৰা এটা ফোন আহিল। মাকে ফোনটো ৰিচিভ কৰিলে। অধ্যক্ষই ফোন কৰা শুনি মাইনাও বিচনাৰ পৰা জাপ মাৰি নামিল। মাকে ফোনত কি শুনিলে তাই ধৰিবই নোৱাৰিলে। তেওঁ হুকুহুকাই কান্দি উঠিল আৰু ফোনটো বিচনালৈ দলিয়াই দি মাইনাক সাৱতি ধৰিলে। তাই মাকক কি হ'ল সুধিলে। কিন্তু মাকে বহুসময় একোকে ক'ব নোৱাৰিলে। মাকৰ কান্দোন শুনি দেউতাকো দৌৰি আহিল। অলপ সুস্থিৰ হৈ মাকে ক'লে, 'আমাৰ মাইনাই বিজ্ঞান শাখাত অসমৰ ভিতৰতে দ্বিতীয় স্থান পাইছে।' সকলো সুখত আত্মহাৰা হৈ পৰিল। হলধৰ চলিহাৰ ঘৰখনত যেন আবতৰীয়া দীপাৱলী হ'ল।

'ৰংমিলি কিমান আৰু অকলে ৰুমটোতেই সুমাই থাকা। অলপ ওলাই আহাচোন।' হৰ্ষিতাই, ৰংমিলিক মানে মাইনাক মাতি মাতি ভাগৰি পৰিল। হৰ্ষিতা আৰু মাইনা একেইখন হোষ্টেলৰে আৱাসী। দুবছৰ ধৰি সিহঁত একেলগেই আছে। হৰ্ষিতা সহজ-সৰল গাঁৱলীয়া ছোৱালী। তাই এই দুবছৰত তিনিবাৰ মাইনাৰ ঘৰলৈ গৈছে। গতিকে মাইনাৰ ঘৰখনৰ লগত তাইৰ এক নিবিড় সম্পৰ্ক গঢ়ি উঠিছে। মাইনা ওলাই নহা বাবে তাই নিজেই তাইৰ ৰুমলৈ গ'ল। গৈ দেখে যে তাই ফোনত কাৰোবাৰ লগত কথা পাতি আছে। তথাপি তাইক মাতিলে, 'মিলি, কিমান আৰু ফোনত কথা পাতা, আজি দীপাৱলী একেলগে অলপ স্ফূৰ্তি কৰো আহা।' হৰ্ষিতাৰ কথা পেলাব নোৱাৰি অৱশেষত

তাই ওলাই আহিল।

'কি হে চলিহা, আজিচোন আপোনাৰ বহুতেই পলম হ'ল। নামৰ মাজতে নিজৰ দেহটোৰ অলপ নজৰ ৰাখিব।' হৰেশ্বৰৰ কথা শুনি চলিহাই মিচিকিয়া হাঁহি মাৰি উত্তৰ দিলে, 'নক'ব খুজিছে, কেইদিনমানৰ পৰা ব্যৱসায় সিমান ভাল হোৱা নাই। মোৰ গোটেই পৰিয়ালটো মোৰ এই সৰু ব্যৱসায়টোৰ ওপৰতে নিৰ্ভৰশীল। সময়ত ঘৰলৈ পইচা পঠিয়াবই লাগিব।' হৰেশ্বৰে চলিহাৰ সৈতে একেলগে খোজকাঢ়ি আগবাঢ়িল।

হৰেশ্বৰ ঃ চলিহা, আপুনি যে পৰিয়াল বুলি ক'লে, আপোনাৰ ঘৰত কোন কোন আছে?

চলিহা ঃ মোৰ মা, এজন ভাইটি তাৰ পৰিয়াল আৰু মোৰ সহধৰ্মিনী।

হৰেশ্বৰ ঃ আপোনাৰ ল'ৰা-ছোৱালী?

চলিহা ঃ নাই দিয়ক, এতিয়ালৈকে ল'ৰা-ছোৱালীৰ মুখ দেখাৰ সৌভাগ্য হোৱা নাই।

দুয়ো কিছুদূৰ আগবাঢ়ি যোৱাৰ পিছত এটা জাৱৰৰ দ'মৰ পৰা কেঁচুৱাৰ মাত শুনিলে। দুয়ো দৌৰি গৈ দেখে, এটা ধুনীয়া ল'ৰা-কেঁচুৱা। চলিহাই কিবা এটা কোৱাৰ আগতেই হৰেশ্বৰে ক'বলৈ ধৰিলে- 'চলিহা ভগৱানে যি কৰে ভালৰ বাবেই কৰে আপুনি এই কেঁচুৱাটোকেই নিজৰ বুলি ডাঙৰ-দীঘল কৰক। কাৰণ জন্ম দিয়া পিতৃ-মাতৃতকৈ পালন কৰা পিতৃ-মাতৃ বেছি শ্ৰেষ্ঠ।' কেঁচুৱাটো আথে-বেথে কোলাত লৈ তেওঁ পোনে পোনে গাঁৱৰ ঘৰলৈ যাবলৈ ওলাল। হৰেশ্বৰৰ পৰা অলপ পইচা লৈ তেওঁ গাঁৱৰ ঘৰ ওলালগৈ।

'হেৰি উঠিলেনে, আজি কামলৈ নাযায় নেকি?' চলিহা উচপ খাই বিচনাৰ পৰা উঠিল। আৰু থতমত খাই ঘৈণীয়েকৰ মুখলৈ চাই ৰ'ল। ঘৈণীয়েকে কি হ'ল বুলি সোধাত তেওঁ ক'বলৈ ধৰিলে, 'আজি বহু দিনৰ মূৰত সেই পাহৰিব খোজা জীয়া সপোনটোৱে আহি মোক ধৰা দিছে। বাবাক ফুটপাথৰ পৰা তুলি লোৱা সেই নিশাটিয়ে মোক আকৌ মনত পেলাবলৈ বাধ্য কৰিছে যে বাবা আমাৰ নিজৰ সন্তান নহয়। মাইনাৰ মাক প্ৰণিতা চলিহা, তেওঁ ওচৰৰ অংগনবাড়ীখন চোৱা-চিতা কৰে। চলিহাৰ কথাবোৰ শুনি তেওঁৰ চকু চলচলীয়া হৈ পৰিল আৰু ক'বলৈ ধৰিলে- 'আপুনি সেইদিনা ৰাতি প্ৰায় ১ টা বজাত এটা কেঁচুৱা লৈ ঘৰ পাইছিল। ঘৰৰ সকলো অবাক হৈ পৰিছিল। ময়ো আচৰিত হৈছিলো। আমাৰ ল'ৰা-ছোৱালী নাছিল বাবে তাক আমি তুলি ল'ব খুজিছিলো। কিন্তু জাত-পাতৰ বিচাৰ নোহোৱা কেঁচুৱাটোক মায়ে তুলি ল'ব মানা কৰিছিল। মাৰ কথা নুশুনা বাবে আমাক ঘৰৰ পৰা উলিয়াই দিছিল। হয়তো বাবা আমাৰ বাবে ভগৱানৰ আশীৰ্বাদ আছিল কিয়নো গাঁৱৰ পৰা আহি চহৰত ভাড়াঘৰত থকাৰ প্ৰায় পাঁচ বছৰ পিছত মাইনাৰ জন্ম হৈছিল।' তেওঁলোক প্ৰতিজ্ঞাৱদ্ধ হৈছিল যে এইবোৰ কথা বাবা আৰু মাইনাই যাতে কেতিয়াও গম নাপায়।

'দাদা তই কেতিয়া আহিলি? অহাৰ আগততো এবাৰ ফোন এটা কৰিব পাৰা।' মাইনাৰ কথা শুনি দদায়েকে হাঁহি হাঁহি ক'বলৈ ধৰিলে- 'ফোন কৰিলে তই কি ভাত বনাই ৰাখিলিহেঁতেন? আচলতে তোৰ হাতত কম পইচা থকা বুলি কোৱা বাবে দেউতাই মোৰ হাতত অলপ পইচা দি পঠালে।' এইখিনি ল বুলি পইচাখিনি মাইনাৰ ফালে আগুৱাই দিলে। হিচাপতকৈ অলপ পইচা কম হোৱা বাবে তাই খং কৰিলে আৰু একো নোকোৱাকৈয়ে তাই গুচি গ'ল। মাইনাৰ লগত অহা হৰ্ষিতা অবাক হৈ থিয় হৈ ৰ'ল। মনো কিছুপৰ মনে মনে থাকিল আৰু ওচৰত থকা চকী এখনত বহি পৰিল। কিছুসময় পিছত হৰ্ষিতা মনৰ কাষত বহিল আৰু ক'বলৈ ধৰিলে- 'আপুনি তাইক ভুল নুবুজিব। আচলতে তাই বহুখিনি সলনি হৈছে। প্ৰথমতে প্ৰতিদিনে তাই ঘৰৰ লগত কথা পাতিছিল। কিন্তু লাহে লাহে তাই সকলোৰে পৰা পৃথক হৈ গৈছে। এজন নিৰ্দিষ্ট মানুহৰ বাহিৰে তাই এতিয়া কাকোৰে চিনি নাপায়। তাৰ অহা মাহত জন্মদিন আৰু জন্মদিনত কিবা উপহাৰ দিবলৈকে তাই ঘৰৰ পৰা পইচা বিচাৰিছে।' কথাখিনি শুনি মনৰ খঙে মূৰৰ চুলিৰ আগ পালে। সি যেন এতিয়াই তাইক চোঁচৰাই ঘৰলৈকে লৈ যাব। কিন্তু হৰ্ষিতাই তাক এইবোৰ কৰিব মানা কৰিলে। হৰ্ষিতাক মনে ভাল পায়। সিহঁতৰ ঘৰলৈ তাই আহোতেই সি তাইৰ প্ৰেমত পৰিছিল। কিন্তু তাই মেডিকেল পঢ়ি থকা বাবে প্ৰেমৰ প্ৰস্তাৱ দিয়া নাছিল। মনো পঢ়াত সিমান বেয়া নাছিল। সি ওচৰৰে কলেজ এখনৰ পৰা বি.এছ.চি পাছ কৰিছিল। আৰু মাইনাক মেডিকেল পঢ়োৱাৰ খাতিৰতেই সি পঢ়া বাদ দি টিউচন কৰা আৰম্ভ কৰিছিল। এতিয়া সি অলপ দূৰত থকা হাইস্কুল এখনৰ শিক্ষক। মন অন্তৰৰ পৰা বহু ভাল ল'ৰা। পৰিয়ালৰ কথা বুজে। ডাঙৰক সন্মান কৰিব জানে। এনেবোৰ গুণৰ বাবে হৰ্ষিতাই নিজেই তাক প্ৰেমৰ প্ৰস্তাৱ দিছিল। হৰ্ষিতাৰ কথা ৰাখি মনে ঘৰত একো নোকোৱাৰ প্ৰতিশ্ৰুতি দি বিষন্ন মনেৰে হোষ্টেলৰ পৰা উভতি আহিল।

চাৰিওফালে উদুলি-মুদুলি পৰিৱেশ। কিয়নো আজি হলধৰ চলিহাৰ ভাতৃ বিপিন চলিহাৰ সৰু ছোৱালীজনীৰ পুষ্পিতা হোৱাৰ পৰ্ব। সকলো আত্মীয় আহিছে। গাঁওৰো প্ৰায়ভাগ মানুহেই

আহিছে। কিছুমানে হাতে-কামে লাগিও দিছে। চলিহাৰ মাতৃ জীয়াই থকালৈ তেওঁলোক গাঁৱৰ ঘৰলৈ অহাৰ অনুমতি নাছিল। মাক ঢুকোৱাৰ আজি প্ৰায় দুবছৰ হ'ল। সকামৰ সময়ত হলধৰ চলিহা অকলে গাঁৱৰ ঘৰলৈ গৈ পুত্ৰ ধৰ্ম পালন কৰিছিল। হলধৰ স্বভাৱত যেনেকুৱা তেওঁৰ ভাতৃ বিপিনো প্ৰায় একেই। একেবাৰে সহজ-সৰল প্ৰকৃতিৰ মানুহ। কিন্তু তেওঁৰ পত্নী নিৰলা বহুত পৃথক। তেওঁ নিজৰ বাহিৰে কাকোৰেই চিনি নাপায়। সম্পত্তিৰ লোভ, আনৰ ভাল হোৱাটো দেখিব নোৱাৰা আটাইখিনি গুণেই যেন ভগৱানৰ কৃপাত তেওঁৰ লগত আছে। মনক তুলি লোৱা ক্ষেত্ৰত মাকে বাধা দিয়াৰ কাৰ্যত আগভাগ লোৱাত নিৰলাৰ অৰিহণা উল্লেখযোগ্য অৰিহণা আছিল। তেওঁ বাধা দিয়াৰ কাৰণ এটাই আছিল। হলধৰ চলিহাৰ ল'ৰা-ছোৱালী নাই, যদি তেওঁলোকে কোনো সন্তান তুলি নলয়, গোটেইখিনি সম্পত্তি তেওঁলোকে নিজৰ নাম কৰিব পাৰে। তথাপি ছোৱালীৰ পৰ্বত ৰৰদেউতাকহঁতক নামাতিলে, সমাজে বেয়া পোৱাৰ ভয়ত সপৰিয়ালে তেওঁলোকক নিমন্ত্ৰণ কৰিছে। মাইনাৰ পৰীক্ষাৰ সময় সেইবাবে তাই আহিব নোৱাৰিলে। হলধৰ চলিহা আৰু তেওঁৰ পত্নী প্ৰণীতা ৰাতিপুৱাই আহিলে। মনে গাঁৱৰ ঘৰলৈ গৈয়ে পোৱা নাই। সৰুৰে পৰাই সি গাঁৱৰ ঘৰলৈ যাবলৈ খুজিলে মাক-দেউতাকে কিবা নহয় কিবা এটা অসুবিধা দেখুৱায়। কাৰণ মনে নাজানিছিল যে তেওঁলোকৰ গাঁৱৰ ঘৰলৈ যোৱাটো একেবাৰেই বন্ধ। আনকি আইতাক ঢুকোৱাৰ সময়তো সি যাবলৈ খুব মন কৰিছিল। তথাপি তাক যাবলৈ নিদিলে। সি যেতিয়াই গাঁৱলৈ যাবলৈ মন কৰিছিল, হলধৰে তেতিয়াই তাক তেওঁলোকৰ গাঁৱৰ এমূৰে এঠাইলৈ লৈ গৈছিল। জনশূন্য এটি আলিপথ য'ত দুয়োফালে সুবিশাল পথাৰ। ৰাস্তাৰ দুয়োফালে সোণাৰু গছ। তাত তেওঁলোকৰ অলপ খেতি-মাটি আছে। মনে গাঁৱৰ পৰিৱেশ খুব ভাল পায়। গতিকে তাৰ মনত আজি খুব ৰং যে সি আজি গাঁৱৰ ঘৰলৈ যাব। মাক-দেউতাক যিহেতু ৰাতিপুৱাই গ'ল সি ঘৰৰ সৰু-সুৰা কামখিনি কৰি যাবলৈ ওলাল। মনে দুপৰীয়া প্ৰায় ১ টা বজাত ঘৰ গৈ পালে। তাক দেখি সকলো প্ৰায় আচৰিত কাৰণ তাক আগতে কোনেও দেখা নাই। অলপ সংকোচ মনেৰে সি আগবাঢ়িল। তেনেতে খুৰাক বিপিনে তাক দেখি দৌৰি আহিল- "আৰে মন, তই এতিয়াহে আহিলি, তই আহিবি আহিবি বুলি চাই থাকোতে মোৰ চকু বিষাইয়ে গ'ল।' মনে খুৰাকৰ ফালে অবাক হৈ চায় ৰ'ল কাৰণ সি খুৰাকক ভালকৈ আগতে লগেই পোৱা নাই। আইতাক ঢুকোৱাৰ সময়ত এবাৰ সিহঁতৰ ঘৰত যাওঁতে সি দেখিছিল। যিয়েই নহওক সি যেন অলপ সকাহ পালে। কোনোবা চিনাকী মানুহ এজনটো সি পালে। খুৰাকে তাক কান্ধত ধৰি ঘৰৰ ভিতৰলৈকে লৈ গ'ল আৰু সকলোৰে লগত চিনাকী কৰাই দিলে। খুৰীয়েকক যেতিয়া চিনাকী কৰাই দিলে, সি যেন এক অস্বাভাৱিক চাওনি এটা পালে যিটো সি হয়তো কল্পনা কৰা নাছিল। তথাপি এই আনন্দৰ দিনটোত সকলো পাহৰি গাঁৱৰ মানুহখিনিৰ লগত সি মিলিবলৈ চেষ্টা কৰিলে। আবেলি অলপ ব্যস্ততা কমি অহাত সি সোণাৰু গুড়িৰ তাৰ ভাল লগা ঠাইখিনিলৈ যাবলৈ মন কৰিলে। খুৰাকৰ ল'ৰা মণ্টুৱে তাক চাইকেলত বহাই লৈ গাঁৱৰ মাজেৰে সোণাৰু গুৰিলৈ গ'ল আৰু ৰাস্তাৰ এটা মূৰে বহি ল'লে।

মণ্টু ঃ মন দা, তুমি ইমান দিনে আমাৰ ঘৰলৈ কিয় অহা নাছিলা?

মন ঃ কামৰ বাবেও। বহুত ব্যস্ত থাকো যে।

মণ্টু ঃ এতিয়া কিন্তু কেইদিনমান থাকিব লাগিব। আৰু মাইনা বাই এতিয়া কি পঢ়ি আছে?

মন ঃ মাইনা এতিয়া ডাক্তৰী পঢ়ি আছে। তাইৰ পৰীক্ষাৰ বাবে আহিব নোৱাৰিলে।

পশ্চিম আকাশত বেলি পৰো পৰো হ'ল। লাহে লাহে পথাৰখন আন্ধাৰে আৱৰি ধৰিলে। গৰখীয়াবোৰে গৰু লৈ ঘৰলৈ উভতিব ধৰিলে আৰু দুয়ো চাইকেলত উঠি ঘৰমুৱা হ'ল।

পৰ্বৰ পিছদিনা। একেবাৰে নিমাওমাও পৰিৱেশ। বেছিখিনি আত্মীয় পৰ্বৰ দিনাই উভতি গৈছিল। বাকী যি কেইজন আছিল এজন এজনকৈ প্ৰায় সকলো যোৱা শেষ হ'ল। বহুদিনৰ মূৰত যেন গোটেই পৰিয়ালটো এখন চোতালত লগ হ'ল। মনৰ খুৰাকে মনক কাষত বহাই লৈ তাৰ কামৰ বুজ ল'লে। খুৰাকে সকলোকে কৈয়ে দিলে- 'মন এতিয়া স্বাৱলম্বী হৈছে। উপযুক্ত বয়স, গতিকে পলম নকৰি বিয়াখনকে পাতিব লাগে।' ইয়াকে শুনি মনৰ মাকে কৈ উঠিল- 'আমি ছোৱালী নোচোৱা নহয়, কিন্তু আজিকালিৰ দিনত ভাল ছোৱালী পোৱাটোৱেই টান হৈছে।' ৰৰমাকৰ কথা শেষ হ'ব নৌপাওতেই মণ্টুৱে মাত লগালে, 'দাদাই কিজানি কোনোবা ভাল ছোৱালী চাই থৈছেই।' কথাখিনি কৈ সি আৰু ৰৈ নাথাকিল। সকলো সুখত আছিল। খুৰাকে কৈ উঠিল- 'যিয়েই নহওক মনৰ বিয়া কিন্তু গাঁৱৰ ঘৰত পাতিব লাগিব। আমিও...।' খুৰাকৰ কথাখিনি শেষ হ'বলৈ নাপালেই ৰণচণ্ডী মূৰ্তি ধৰি খুৰীয়েক একপ্ৰকাৰ গৰজি উঠিল-

'এইখন চোতালত কোনো বাহিৰা মানুহৰ বিয়া মই হ'বলৈ নিদিও। কোনো মূল্যৰ বিনিময়ত জাত-পাতৰ বিচাৰ নোহোৱা ল'ৰা এটাৰ এইখন চোতালত বিয়া পাতি মই ঘৰখনৰ অমংগল হ'ব দিব নোৱাৰো।' কথাখিনি শুনাৰ লগে লগে সকলো থিয় হৈ পৰিল। মনৰ ভৰিৰ তলৰ পৰা মাটি নোহোৱা হৈ যোৱা যেন পালে। মনৰ মাক-দেউতাক শিল পৰা কপৌটিৰ দৰে থিয় হৈ ৰ'ল। মনৰ দুচকুৰে বাগৰি আহিব খোজা চকুপানীখিনি কোনোমতে বন্ধ কৰি মাক-দেউতাকৰ ওচৰলৈ গৈ ক'বলৈ ধৰিলে, 'এয়া মই কি শুনিছো মা? জাত পাত নাই মানে? মই কি তোমালোকৰ সন্তান নহয়, দেউতা?' কোৱা মা, কোৱা, মোক উত্তৰ দিয়া। মই তোমালোকৰ সন্তান নহয়? ...মই জানো খুৰীয়ে ধেমালি কৰিছে। খুৰীয়ে কোৱা কথাবোৰ মিছা বুলি কৈ দিয়া মা।' মনে নিজক যেন নিয়ন্ত্ৰণ কৰিব নোৱাৰা হৈ পৰিল আৰু সি কান্দি কান্দি বহি পৰিল। খুৰীয়েকে আকৌ ক'বলৈ ধৰিলে, 'কেনেকৈ ক'ব? তুমি তেওঁলোকৰ সন্তান নহয় বুলি? তোমাক কোনোবাই জাৰৰৰ মাজত দলিয়াই গৈছিল।' ইমানখিনি শুনাৰ পিছত খুৰাকৰ ধৈৰ্য্যৰ সীমা পাৰ হ'ল আৰু ঘৈণীয়েকৰ গালত এটা পুৰ্ণহতীয়া চৰ সোধাই ক'বলৈ ধৰিলে, 'মনে মনে থাকা আৰু এটা শব্দও মই শুনিব নোখোজো। অ মন দাদা-বৌৰ নিজৰ সন্তান নহয়। কিন্তু তেওঁলোকে তাক নিজৰ সন্তানৰ দৰে ডাঙৰ-দীঘল কৰিছে। জন্ম দিয়া পিতৃ-মাতৃয়ে তাক দলিয়াই দিছিল। কিন্তু দাদা-বৌৱে তাক তুলি লৈ এটা জীৱন দিছে। এতিয়া তাক সেই জীৱনটোৰ পৰা আঁতৰাই অনাৰ কাৰো অধিকাৰ নাই। শ্ৰীকৃষ্ণক আই দৈৱকীয়ে জন্ম দিছিল সঁচা কিন্তু তুলি-তালি ডাঙৰ দীঘল কৰা আই যশোদাৰ পৰাহে কৃষ্ণৰ মাতৃৰ মৰম পাইছিল। নাইবা সমাজে যশোদাকহে শ্ৰীকৃষ্ণৰ মা বুলি স্বীকৃতি প্ৰদান কৰে।' হলধৰ চলিহা আৰু প্ৰণীতা চলিহাৰ ওপৰত যেন বিনা মেঘে বজ্ৰপাত পৰিল। দুয়ো অবাক হৈ পৰিল। সময়বোৰ যেন ইমান কঠিন হৈ পৰিব তেওঁলোকেই কল্পনাই কৰিব পৰা নাছিল। বিপিনে বহু চেষ্টা কৰিলে কিন্তু চলিহাক ৰখাব নোৱাৰিলে। যোৱাৰ সময়ত কেৱল ক'লে- 'যদি সম্ভৱ হয় গাঁৱৰ ঘৰলৈ উভতি আহিম।' হলধৰ আৰু প্ৰণিতাই মনক একো এটা ক'বলৈ সাহস কৰিব নোৱাৰিলে আৰু দুয়ো চহৰৰ ঘৰলৈ যাত্ৰা কৰিলে। মন চোতালতে বহি থাকিল। সপোনবোৰ যেন তাৰ চকুৰ সন্মুখতে ভাগিব ধৰিলে। খুৰাকে তাক বুজাও বুলিও একোকে বুজাব নোৱাৰিলে। আৰু সি গাঁৱৰ মাজে মাজে খোজকাঢ়ি তাৰ আপোন ঠাই সোণাৰুগুড়িত উপস্থিত হ'ল। কিছুসময় সি অকলে বহি থাকিল। হঠাৎ তাৰ ফোনটো বাজি উঠিল। তাৰ দেউতাকৰ ফোন। সি ফোনটো গ্ৰহণ কৰিবলৈ একেবাৰেই অপ্ৰস্তুত আছিল। তথাপি অলপ সাহস গোটাই ফোনটো ৰিচিভ কৰিলে। ফোনৰ আনটো মূৰৰ পৰা এটা অচিনাকী মাত ভাহি আহিল আৰু মাতটোৱে ক'লে- 'হেল্ল', মই চলিহাৰ পৰিয়ালৰ সদস্যৰ লগত কথা পাতিব পাৰিমনে?' মনে কোনো মতে উত্তৰ দিলে- 'হয়, মই তেখেতক ভালকৈয়ে চিনি পাওঁ, তেখেতৰ ছোৱালীজনীয়ে MBBS পঢ়ি আছে।' তেতিয়া অচিনাকী মাতটোৱে ক'লে- 'আপুনি তেনেহ'লে চলিহাৰ পৰিয়ালৰ কাৰোবাক খবৰ দিয়ক যে তেওঁলোক আহি থকা গাড়ীখন দুৰ্ঘটনাত পতিত হৈছে। দুয়োজনেৰে অৱস্থা সংকটজনক আৰু আমি তেওঁলোকক হস্পিতাললৈ লৈ গৈ আছো।' মন যেন নিজৰ মাজতে হেৰাই গ'ল। সি তাৰ সপোনৰ ঠাইডোখৰত পাগলৰ নিচিনা হৈ পৰিলে। আৰু ফোনত ক'লে- 'মোৰ... মোৰ তেওঁলোক মা-দেউতা, প্লিজ তেওঁলোকক বচাওক খুৱা প্লিজ...।' মন চিঞৰি থাকিল কিন্তু তাৰ কথা শুনিবলৈ যেন তাত কোনো নাই। মনে হস্পিতালৰ ভিতৰত সোমাল। এটা ঠাইত দেখিলে বহু মানুহে ভিৰ কৰিছে। সি আগুৱাই গ'ল আৰু মানুহৰ ফাঁকেৰে ভিতৰৰ ফালে চাই দেখিলে যে এখন কাপোৰেৰে ঢাকি থোৱা, তেজেৰে লুতুৰি পুতুৰি হৈ পৰি থকা এটা মৃতদেহ চকুত পৰিল। হাতখন তাৰ মাকৰ, কাৰণ, সি মাকক উপহাৰ হিচাপে দিয়া ঘড়ীটো মাকৰ হাততে আছে। সি চিঞৰি চিঞৰি কান্দিবলৈ ধৰিলে। তেতিয়া ডাক্তৰে আহি তাক কোন হয় সুধিলে। সি কান্দি কান্দি উত্তৰ দিলে, 'মোৰ মা-দেউতাৰ দুৰ্ঘটনা হোৱা বুলি কোনোবাই মোক ফোন কৰিছিল। এয়া মোৰ মা। আৰু দেউতা ক'ত আছে? দেউতা... দেউতা...।' তেতিয়া ডাক্তৰে উত্তৰ দিলে- 'তেতিয়াহ'লে অলপ আগত অহা Accident ৰ case টো আপোনাৰ, আপোনাৰ মা মৃত অৱস্থাত হস্পিতাল আহি পাইছে। কিন্তু দেউতাৰো অৱস্থা সিমান ভাল নহয়। তেখেতক ICU ত ৰখা হৈছে। কিন্তু আপুনি এতিয়া Formalities খিনি Complete কৰক তেতিয়াহে আমি আপোনাৰ দেউতাক চিকিৎসা কৰিব পাৰিম।' মনে ডক্তৰৰ ভৰিত ধৰিলে আৰু কান্দি কান্দি ক'লে- 'ছাৰ দেউতাক প্লিজ বচাই দিয়ক, তেওঁলোকৰ বাহিৰে মোৰ কোনোৱেই নাই... প্লিজ ছাৰ প্লিজ।' ডাক্তৰে তাক শান্তনা দি ক'লে- 'অহা ২৪ ঘণ্টাতো বহু গুৰুত্বপূৰ্ণ, যদি এই সময়খিনি পাৰ হয় তেতিয়াহ'লে আমি তেখেতক বচাব পাৰিম। বাকী নেদেখাজনৰ ওপৰত।' এইবুলি কৈ ডাক্তৰ গুচি গ'ল। মন সম্পূৰ্ণৰূপে ভাগি পৰিল। অলপ সময়ৰ ভিতৰতেই যেন তাৰ সকলো সপোন শেষ হৈ গ'ল। সি

মাইনালৈ ফোন কৰিলে কিন্তু ফোনটো বন্ধ পালে। তেতিয়া হৰ্ষিতালৈ ফোন লগালে। হৰ্ষিতাই ফোনটো ৰিচিভ কৰিলে। তেতিয়া মনে মাইনাৰ কথা সুধিলে। তাই ক'লে যে সিহঁত একেলগে আছে আৰু আজি Jack ৰ জন্মদিন বাবে পাৰ্তি কৰি আছে। মনে ফোনটো মাইনাক দিবলৈ ক'লে। মনে মাইনাক ক'লে যে মা-দেউতাৰ accident হৈছে গতিকে তাই যিমান সোনকালে পাৰে আহিব লাগে। তাই উত্তৰ দিলে- 'মই আজি যাব নোৱাৰিম দাদা, আজি Jack ৰ Birthday. মই আজি ইয়াত নাথাকিলে কেনেকৈ হ'ব। তই যিহেতু আছ, গতিকে মই আৰু কিহৰ চিন্তা কৰিব লাগে। এনেওতো মোৰ তাত একো কাম নাই।' মনৰ খং উঠিল আৰু ক'লে- 'তোৰ মা-দেউতাতকৈ Jack বেছি Important হ'ল নে? এনেতে এজনী নাৰ্চ আহি মাত লগালে, 'হেল্ল' ছাৰ, আপোনাৰ দেউতাই আপোনাক বিচাৰিছে, কিন্তু এটা কথা মন কৰিব তেখেতৰ অৱস্থা খুবেই সংকটজনক, বেচি হুলস্থুল নকৰিব।' মনে অলপো পলম নকৰি ICU ত থকা মাক-দেউতাকৰ কাষ পালে। চাৰিওফালে বগা বেণ্ডেজ কাপোৰেৰে মেৰিয়াই ৰখা দেউতাকৰ কেৱল চকুপানীৰে ভৰি থকা চকু দুটা ওলাই আছে। সি দেউতাকৰ কাষত বহিলে। দেউতাকে কিবা ক'ব খুজিছে। কিন্তু ক'ব পৰা নাই। তেতিয়া ওচৰত থকা ডাক্তৰে অক্সিজেন দি ৰখা পাইপডাল খুলি দিলে। দেউতাকে থোকা থোকা মাতেৰে ক'লে- 'বাবা, আমাক ক্ষমা কৰি দিবি। আচলতে, তই এইবোৰ কথা জনাতো আমি বিচৰা নাছিলো। তোক নিজৰ সন্তান বুলিয়েই ভাবিছিলো। মই জানো মোৰ আৰু বেছি সময় নাই। ঘৰৰ পৰা ওলাই আহি থাকোতে গাড়ীখনে কেনেকৈ দলঙৰ মূৰত খুন্দিয়ালে গমকে নাপালো।' মনে দেউতাকক অলপ মনে মনে থাকিব ক'লে কিন্তু তেওঁ নুশুনিলে আৰু কৈ গ'ল- 'মাইনাক হয়তো আৰু চাবলৈ নাপাম। তই তাইক চোৱা-চিতা কৰি এখন ভাল ঘৰলৈ উলিয়াই দিবি।' তোক লৈও বহুত সপোন আছিল ও বোপাই কিন্তু সময়ে নিদিলে। মোক মাফ...।' মূৰটো এফালে হালি গ'ল। মনে মাতি থাকিল দেউতাকক কিন্তু দেউতাকে আৰু কেতিয়াও নামাতিলে। অলপ সময় পিছত ডাক্তৰে এখন কাপোৰেৰে দেউতাকক ঢাকি দি তাক ICU ৰ বাহিৰলৈ উলিয়াই আনিলে। মনে বাহিৰত মন্ত আৰু খুৰাকক দেখিলে। সিহঁতৰ হিয়া ভগা কান্দোনে গোটেই হস্পিতালখনেই জোকাৰি গ'ল।

দেউতা, মাক, সোণাৰু গুড়িত থকা আমাৰ মাটিখিনিত গাঁৱৰ মানুহখিনিৰ সহযোগত সৎকাৰ কৰা হৈছিল। মাইনাক খবৰ দিয়া হৈছিল যদিও তাই আৰু উভতি নাহিল। দেউতাৰ শেষ ইচ্ছা, তাইক এখন ভাল ঘৰত বিয়া দিয়া। মই পূৰাব নোৱাৰিলো। হৰ্ষিতা আৰু মোৰ চহৰত এতিয়া এখন সুখৰ সংসাৰ আছে। আমাৰ পাঁচবছৰীয়া এটি কন্যা আছে। ময়ো মাজে সময়ে তাইক সোণাৰু গুড়িৰ সেই ঠাইখিনিলৈ লৈ যাওঁ। য'ত সোণাৰু ফুলে ৰাস্তাৰ দুয়োফালে। যি বাটেৰে গৰখীয়া উভতে ঘৰলৈ আৰু চৰাই উভতে বাহলৈ আবেলি পৰত। এতিয়া তাত দুটা সমাধি আছে। হয়তো সেইবাবেই, সপোন দেখাৰ বাবে মানুহ সুখী হ'ব নোৱাৰে। ■



# মোৰ প্ৰেমৰ আধৰুৱা অধ্যায়

■ পল্লৱ শৰ্মা
*স্নাতক তৃতীয় ষাণ্মাসিক, পদাৰ্থ বিজ্ঞান বিভাগ*

হৃদয়, হৃদয়...“বাহিৰত কোনো ইমান চিঞৰ-বাখৰ কৰি আছে? অকণমান মনে-মনে থাকিবলৈ কচোন। মোৰ Patient চোৱাত অসুবিধা হৈছে। কিবা Problem হ'লে বাহিৰলৈ যাবলৈ ক। মানুহ কেইজনক ক' এইখন বজাৰ নহয়। এইবুলি হৃদয়ক এধমক দি পুনৰ Prescription লিখা কামত লাগিলে।

Precription লিখা শেষ কৰি ৰোগী গৰাকীক বিদায় দিবলৈ লওঁতেই হৃদয়ে উধাতু খাই অহাৰ দৰে Chamber ৰ ৰোগী চোৱাৰ ৰুমটোলৈ সোমাই আহিল। ‘ছাৰ, ছাৰ Serious ৰোগী এগৰাকী আছে। কোনোমতে contr. কৰিব পৰা নাই, খুব Hyper হৈ উঠিছে, খালি বাহিৰলৈ পলাই যাবলৈ চেষ্টা কৰি আছে, মাক-দেউতাকে বহু চেষ্টা, কৰিও আপোনাৰ ওচৰলৈ আনিব পৰা নাই।” হৃদয়ৰ কথাখিনি শুনি ময়ো অলপ উদ্‌গ্ৰীৱ হৈ বাহিৰলৈ ওলাই আহিলো পৰিস্থিতিৰ বুজ ল'বলৈ।

বাহিৰৰ আচম্বিত পৰিৱেশটোৱে মোক বেছি আচৰিত কৰিব পৰা নাছিল যদিও ৰোগী গৰাকীক লক্ষ্য কৰাৰ পাছত যাক এনে পৰিস্থিতিত দেখিলো, সেই ঘটনাটোৰ প্ৰতি পিছে, মই মুঠেই প্ৰস্তুত নাছিলোঁ।

মোৰ সন্মুখত সেই মুহূৰ্তত ৰোগীৰূপে থিয় দিছিল মোৰ জীৱনৰ আটাইতকৈ কঠিন বাস্তৱটোৱে। সেই বাস্তৱ আছিল মোৰ একালৰ প্ৰেয়সী নিশিতা। আচলতে সেই মুহূৰ্তত এনেদৰে নিশিতাক এই অৱস্থাত পাই মই বৰ ভয় খাইছিলোঁ। ভয়তে মই তাইৰ এই অৱস্থা দেখিও কি কৰিম কি নকৰিম একো ঠিক কৰিব পৰা নাছিলোঁ। মই মোৰ হিতাহিত জ্ঞানো হেঁৰাই পেলাইছিলোঁ। মই কেৱল অবাক ভাৱে নিশিতাৰ চকুদুটিৰ ফালে চাই আছিলোঁ। তেনেতে পিছফালৰ পৰা আহি হৃদয়ে মোৰ কান্ধত জোৰকৈ থপৰিয়াই দিয়াতহে মোৰ সম্বিত ঘূৰি আহিছিল।

হৃদয়, এওঁক ততাতৈয়াকে মোৰ চেম্বাৰলৈ লৈ ব'ল।' এইবুলি কৈ মই ততাতৈয়াকৈ ভিতৰলৈ গ'লোঁ। হৃদয়ে লগে লগে মাক-দেউতাক সঁহিত নিশিতাক টানি আজুৰি ভিতৰলৈ লৈ আহিল। মই ততাতৈয়াকৈ মোৰ ষ্টেথিস্কোপযোৰ উলিয়াই লৈ নিশিতাৰ চিকিৎসা কৰিবলৈ ধৰিলোঁ। মোক দেখি নিশিতাই প্ৰথম বাৰ জোৰকৈ চিঞৰিবলৈ ধৰিলে, ময়ো কিছু মৰ্মাহত হলো যদিও কেনেবাকৈ তাইক ক্ষান্ত কৰি কিছু সময় তাইক নিৰীক্ষণ কৰিলো আৰু বুজি পালো যে তাই মোৰ তাহানিৰ চিনাকি নিশিতা জনী নহয়, এয়া কোনো আন হে..। মাক-দেউতাকৰ কথাৰ পৰা গম পালো যে তাই প্ৰায় ছমাহ ধৰি এই অৱস্থাতেই আছে। কেতিয়াবা বিকট জোৰে চিঞৰ, কেতিয়াবা বিকট হাঁহি, আৰু কেতিয়াবা কান্দোন এয়াই বৰ্তমানৰ নিশিতাৰ চিৰাচৰিত ব্যৱহাৰ।

কি বুলি উত্তৰ দিলে ভাল হ'ব মই ভাবি পোৱা নাছিলো সেই মুহূৰ্তত। তথাপি মাক-দেউতাক হালক শান্ত্বনা দি দুটামান ঔষধ লিখি তেওঁলোকক ঘৰলৈ যাবলৈ দি মই ক'লো যে এই সম্পৰ্কে মই আপোনালোকসকলৰ লগত আলোচনা কৰিবলৈ আপোনালোকৰ ঘৰলৈ যাব লাগিব আৰু মই অতি শীঘ্ৰে আপোনালোকৰ তালৈকে যাম, এতিয়া আপোনালোক যাব

পাৰে। তদুপৰি ৰোগীগৰাকীৰ অৱস্থাত ভাল নহয়। মোৰ কথাযাৰ শুনি অতি দুখমনেৰে তেওঁলোক মোৰ চেম্বাৰৰ পৰা ওলাই গ'ল। ওলাই যাওঁতে নিশিতাই মোৰ ফালে যি দৃষ্টিৰে চাই ওলাই গ'ল, সেই দৃষ্টিয়ে যেন মোৰ মূৰৰ ওপৰত সময়ৰ টোপালাৰ এটা গধুৰ ভাৰ পেলাই থৈ গ'ল।

Class -VII পোনপ্ৰথমবাৰৰ বাবে ছেইণ্ট মেৰীজ স্কুলত নাম ভৰ্তি কৰাৰ প্ৰথম দিনটোতেই মই লগ পাইছিলো নিশিতাক। এই বিদ্যালয়খনৰ মোৰ প্ৰথমগৰাকী বান্ধৱী আছিল তাই। প্ৰথমটো দিনৰ প্ৰথমটো ক্লাছত তাইৰ কাষত বহাৰ পৰাই মোৰ হয়তো প্ৰেম হৈছিল আৰু শেষবাৰৰ বাবে। এক অজান অনুভূতিৰ মাজত মই সদায় দুলি আছিলোঁ। H.S. 2nd year লৈকে মই তাইৰ সকলোতকৈ ভাল বন্ধু আছিলোঁ। বা আন কোনো মই নাজানো, কিন্তু মোৰ বাবে তাই আছিল মোৰ গোপন হৃদয়ৰ প্ৰেম যাক মই কেতিয়াও প্ৰকাশ কৰিব নোৱাৰিলোঁ। মই সদায় সপোন দেখিছিলো এজন Psychiatrist Doctor হোৱাৰ Dr. Arunav Sarma আৰু নিশিতাই এজনী সুলেখিকা হোৱাৰ। নিশিতা এজনী খুব শান্ত সমাহিত দেখাই-শুনাই ভাল, খুব অমায়িক ছোৱালী আছিল। কিন্তু সেই নিশিতাৰ আজি এই দশা। H.S. 2nd year ৰ পাছত Medical entrance examination pass কৰি মই সাতবছৰৰ বাবে বাংগালোৰলৈ পঢ়িবলৈ গৈছিলো আৰু নিশিতাৰ পৰা বিচ্ছিন্ন হৈ পৰিছিলোঁ। মোৰ প্ৰেমক মই কেতিয়াও প্ৰকাশ কৰিবলৈ সাহসেই কৰিব পৰা নাছিলো তাইৰ আগত..। 'ছাৰ, ছাৰ, চাহ আনিছোঁ' হৃদয়ৰ মাতত মই অতীতৰ পৰা উভতি পুনৰ বৰ্তমান পালোঁ। চাহকাপ খাই বেগখন লৈ ঘৰলৈ বুলি ওলাই আহিলো, হৃদয়ক কলো- 'আজি আৰু Patient নেচাও, মোৰ গাটো ভাল নহয়, ঘৰলৈ যাওঁ।'

ঘৰলৈ বুলি ওলাই আহিলো যদিও নিশিতাৰ মুখখনে বাৰে বাৰে মোক আমনি কৰি আছে। সময়ৰ চকৰিত ম্লান পৰি যোৱা নিশিতাৰ মুখখনে আজি যেন মোক বিপৰ্যস্ত কৰি তুলিছে আৰু চেম্বাৰৰ পৰা ওলায় যোৱাৰ সময়ৰ তাইৰ চকুৰ চাৱনিত যেন মই কিবা এটা বেদনা অনুভৱ কৰিছিলোঁ। তাই যেন মোক চিনি পাইছিল আৰু মোক কিবা ক'ব বিচাৰিছিল। কিন্তু ক'ব পৰা নাছিল।

নাই, নহ'ব মই এতিয়াই নিশিতাৰ ওচৰলৈ যাব লাগিব, মই জানিবলৈ লাগিব কেনেদৰে এজনী সুস্থ্য-সবল, অমায়িক ছোৱালীৰ এই অৱস্থা হ'ল- এই বুলি ভাবিয়ে মই ঘৰলৈ যোৱাৰ পথ সলনি কৰি নিশিতাৰ ঘৰলৈ বুলি ওলালোঁ।

ঘৰৰ সন্মুখ পোৱাৰ লগে লগে মোক দেখি নিশিতাৰ দেউতাকে আগবাঢ়ি আহি মোক ভিতৰলৈ লৈ গ'ল। তেওঁৰ মুখতে গম পালো যে নিশিতাই মোৰ চেম্বাৰৰ পৰা আহি মাকৰ বহু বুজনিৰ মূৰত টোপনি গৈছে। ময়ো ভাবিলো যি হ'ব ভালেই হ'ল। এতিয়া কথাবোৰ ভালদৰে আলোচনা কৰিব পৰা যাব। তাকে ভাবিলো।

তাৰপাছত আৰম্ভ হ'ল নিশিতাৰ জীৱনৰ আধালেখা দস্তাবেজ। মাক-দেউতাকৰ মুখত শুনা এক অদ্ভূত সত্যই মোক যেন জুমুঠি মাৰি ধৰিলে।

H.S. 2nd year ৰ পৰীক্ষাত উত্তীৰ্ণ হোৱাৰ পাছত নিশিতাই নিজৰ জীৱনৰ লক্ষ্য পূৰণৰ উদ্দেশ্যেৰে সুশিক্ষা গ্ৰহণ কৰিবলৈ নলবাৰী জিলাৰ পৰা গৈ সূদুৰ দিল্লীৰ এখন উচ্চ মান দণ্ডৰ কলেজত অসমীয়া Major বিষয়ত নাম ভৰ্তি কৰিছিল। তাই বিচাৰিছিল নিজকলমৰ যাদুত এই সমাজত নিজকে প্ৰতিষ্ঠা কৰিবলৈ। সেইবাবে লিখিবলৈ লৈছিল। সমাজৰ দূৰ্নীতি, অন্যায় অবিচাৰৰ বিৰুদ্ধে। তাই অতি সাহসেৰে তাৰবাবে লাগতিয়াল তথ্যবোৰ সংগ্ৰহ কৰিছিল। তাই ভাবিছিল তাইৰ হাতৰ পৰশত হয়তো এদিন সমাজৰ সকলোবোৰ মানুহে একগোট হ'বলৈ সাহস পাব আৰু অন্যায়ৰ বিৰুদ্ধে থিয় দিবলৈ সাহস পাব। অধ্যয়নৰত অৱস্থাতে নিশিতাই এখন দৈনিক বাতৰি কাকতত নিয়মিত লেখিকা হিচাপে যোগদান কৰিছিল। বাতৰি কাকতত প্ৰৱেশ কৰাৰ পাছৰে পৰা তাইৰ বাবে অতি সহজ হৈ পৰিছিল সমাজত ঘটি থকা নানা দুৰ্নীতি, কলা ব্যৱসায়, কলাবজাৰ, নাৰীদেহ বিক্ৰীৰ চক্ৰ আদিবোৰৰ খবৰ সংগ্ৰহ কৰাটো। আচলতে সৰুৰে পৰা স্বাধীনচেতীয়া, বেয়াৰ বিৰুদ্ধে মাত মতা, অমায়িক ছোৱালী নিশিতাই এইবোৰ খবৰ পোৱাৰে পৰা তাৰ বিৰুদ্ধে অহৰহ মাত মাতিবলৈ ল'লে। এইদৰেদিনবোৰ আগবাঢ়িছিল। চাওতে চাওতেই ৫ টা বছৰ পাৰ হৈ গৈছিল। এই পাঁচটা বছৰত নিশিতাই M.A. পৰীক্ষাত সুখ্যাতিৰে উত্তীৰ্ণ হৈ Phd. কৰিবলৈ আৰম্ভ কৰিছিল। তাৰ মাজে মাজে বাতৰিকাকতত প্ৰকাশিত দুই এটা লিখিনিয়ে যেন গোটেই ভাৰতবৰ্ষকে জোকাৰি গৈছিল। চৰকাৰে সংঘটিত কৰা দুৰ্নীতি, কলাব্যৱসায়ৰ সাম্ৰাজ্য, অন্ধকাৰ জগতৰ ব্যৱসায়ৰ বিৰুদ্ধে লিখিত দুই এটা টোকাই সেই সময়ত হয়তো বহুলোকৰ ক্ষতি সাধনো কৰিছিল। তাৰ বাবে আনকি তাই বহুবাৰ মৃত্যুৰ ভাবুকিও পাইছিল, কিন্তু তালৈকে তাই ভয় কৰা নাছিল। আমি ভয় কৰিছিলো যদিও তাইক কেতিয়াও বাধা দিয়া নাছিলোঁ। থিক তেনেতে তাইৰ মুখত জানিব পাৰিছিলোঁ যে তাই লিখিবলৈ লৈছিল তাইৰ জীৱনৰ প্ৰথমখন উপন্যাস 'ৰাজনীতি'।....হঠাৎ নিশিতাৰ মাত শুনি থত্‌মতকৈ ৰৈ গ'ল নিশিতাৰ দেউতাক যিয়ে মোক ইমান সময় নিশিতাৰ

জীৱনৰ অতীতৰ বিষয়ে কৈ আছিল।

নিশিতাই হঠাৎ সেই সময়ত টোপনিৰ পৰা সাৰ পাই মাকক চিএঞৰি চিএঞৰি মাতিবলৈ ধৰিলে। মাকে বহাৰ পৰা উঠি দৌৰা-দৌৰিকৈ নিশিতাৰ কোঠালৈ গ'ল। ময়ো বহাৰ পৰা উঠি আহি কোনোমতে তাইক ক্ষান্ত কৰিবলৈ চেষ্টা কৰিলোঁ, মোক দেখি যেন তাই আৰু অধিকহে ভয় খালে। বহু সময় চেষ্টা কৰিলো যদিও তাই কোনোমতে ক্ষান্ত নহয়। কেৱল চিএঞৰিছে আৰু চিএঞৰিছে। 'মোক নামাৰিবা, মোক জীয়াই থাকিবলৈ দিয়া।' শেষত উপায় বিহীন হৈ এটি টোপনি অহা বেজী দি তাইক শুৱাই থলোঁ। কিন্তু তাইৰ মুখত এই ভয়ৰ ভাৱটো দেখি মই অলপ ভয়ো খালোঁ। কেনেবাকৈ তাইক শুৱাই থৈ বাহিৰলৈ উলাই আহিলোঁ। এজনী সৎ, সাহসী ছোৱালীৰ আজি এনে ভয়ৰ নমুনা দেখি মই আজি কিছুসময়ৰ বাবে হ'লেও বিচলিত হৈছিলোঁ যদিও কেনেবাকৈ নিজক চম্ভালি লৈ পুনৰ ভিতৰলৈ সোমাই গ'লোঁ। পানী এগিলাচ খাই নিশিতাৰ দেউতাকে আকৌ ক'বলৈ ধৰিলে তাইৰ আধৰুৱা অধ্যায়বোৰ।

"ৰাজনীতি" আছিল নিশিতাৰ জীৱনৰ সকলোতকৈ ডাঙৰ প্ৰত্যাহ্বান। তদুপৰি ই আছিল তাইৰ জীৱনৰ লক্ষ্যত উপনীত হোৱা প্ৰথমডাল জখলা। "ৰাজনীতি"ত তাই ৰাজনীতিৰ সৈতে জড়িত প্ৰায়ভাগ পালিনেতাৰ ৰাজনৈতিক ষড়যন্ত্ৰ, কলা ব্যৱসায়ৰ সৈতে সম্পৰ্ক, গুপ্ত হত্যা, এন্ধাৰ জগতৰ সৈতে সম্পৰ্কে, নাৰীদেহ বিক্ৰীৰ সৈতে সম্পৰ্ক আদি বিভিন্ন দিশ সামৰি বহু ভদ্ৰলোকৰ মুখ খুলিবলৈ থিৰাং কৰি লৈছিল। সেই মৰ্মে তাই বহুদূৰ আগবাঢ়িও গৈছিল। কিন্তু হঠাৎ আমালৈ এদিন ফোন আহিল যে নিশিতা প্ৰায় এসপ্তাহ ধৰি সন্ধানহীন হৈ আছে, তেওঁ কলৈ গ'ল কোনোৱে একো সুংসূত্ৰ পোৱা নাই। কথাযাৰ শুনাৰ লগে লগে আমি তৎকালে দিল্লীত নিশিতাই বাস কৰা ফ্লেটটোত উপস্থিত হ'লো। বহু বিচাৰখোচাৰ কৰিও একো খবৰ নোপোৱাত দিল্লী আৰক্ষীৰ তাত এখন এজাহাৰ দিছিলোঁ।

প্ৰায় এমাহ পিছত মহাৰাষ্ট্ৰৰ কোনো এখন অখ্যাত গাঁৱত তাইক মুমূৰ্ষু অৱস্থাত উদ্ধাৰ কৰিলোঁ। আৰু তেতিয়াৰ পৰা তাইৰ এনে অৱস্থা 'কেৱল ভয়, কান্দোন আৰু চিএঞৰ।' আনকি তাই আমাকো পাহৰি গৈছে। কথাযাৰ কৈ দেউতাকে নিজকে চম্ভালিব নোৱাৰি হুক-হুকাই কান্দিবলৈ ধৰিলে। থোকা থুকি মাতেৰে। আকৌ ক'বলৈ ধৰিলে- আমি আমাৰ ছোৱালীক হেৰুৱাই পেলালোঁ। মাথো এটি অজান ছোৱালীকহে উভতাই পালোঁ।"

কোনোমতে বুজনি দি মই সেই স্থানৰ পৰা ওলাই আহিলো। জীৱন বাটৰ লগৰী কৰিব বিচৰা মোৰ সংগীৰ আজিৰ এই বিননি শুনি মই কি কৰিলে ভাল হ'ব ভাবি পোৱা নাছিলো, ঘৰলৈ উভতি অহাৰ গোটেই বাটত মই কেৱল নিশিতাৰ কথাই ভাবি আছিলো আৰু কেতিয়া ঘৰ পালো গমেই নাপালোঁ।

চাকৰি কৰাৰে পৰা মই আগবঢ়াই অহা চিকিৎসা সেৱাৰ প্ৰত্যাহ্বান ৰূপে থিয় দিছিল সেইদিনাখন নিশিতাই মোৰ মন বিবেকত।

এইদৰে কিছুদিন আৰু পাৰ হৈ গ'ল তাইৰ চিন্তাত উত্তৰ বিচাৰিও কোনো প্ৰকাৰে মই উত্তৰ বিচাৰি পোৱা নাছিলো মোৰ প্ৰশ্নৰ। আচলতে নিশিতাৰ কি হৈছিল, কিয় এনেদৰে তাই সন্ধানহীন হৈ পৰিছিল আচলতে ক'লৈ গৈছিল তাই? এনেদৰে এদিন গুণাগথা কৰি থাকোতে হঠাৎ মোলৈ এদিন নিশিতাৰ দেউতাকৰ ফোন আহিল। 'অৰুণাভ কলিতাই আজি আমাক মা-দেউতা বুলি মাতিছে।' পাছতে মই একেথিৰে থাকিব নোৱাৰিলো আৰু তৎকালে গৈ নিশিতাৰ ঘৰ উঠিলোঁ। ঘৰৰ সন্মুখ পায়ে গম পালো যে নিশিতাই আজি তাইৰ সম্বিত ঘূৰাই পাইছে, তাই আনকি মাক-দেউতাককো চিনি পাইছে। কথাযাৰ শুনাৰ পাছতে মই বেগাই গৈ নিশিতাৰ ৰুম পালোঁ। মই তেনেদৰে সোমাই যাওঁতে তাই অলপ অপ্ৰস্তুত হৈ আছিল সেইবাবে পোনতে তাই বৰ ভয় খালে যদিও কিছু সময় পিছত তাই স্বাভাৱিক হ'ল। আচলতে বহুদিনৰ মূৰত নিশিতাক সেইদৰে সুস্থ অৱস্থা দেখি মই কি কৰিম কি নকৰিম ভাবি পোৱা নাছিলোঁ। তথাপি যেনে-তেনে নিজক চম্ভালি মই নিশিতা শুই থকা বিচনাখনৰ এটা কাষত বহিলো আৰু লাহেকৈ তাইক সুধিলো, -'নিশিতা, মোক চিনি পাইছানে?' নিশিতাই এক অজানভাৱনাৰে মোৰ ফালে চালে, হয়তো তাই মোক চিনি পোৱা নাছিল, সম্পূৰ্ণ ৯ বছৰৰ মূৰত তাই মোক দেখা পাইছিল। তাতে তাই সম্পূৰ্ণৰূপে সুস্থ হোৱা নাছিল, সেইবাবে কিছুসময়ৰ পাছত তাই মোৰ পৰা তাইৰ দৃষ্টি আতৰাই নিছিল।

কিছুসময় মনে মনে থকাৰ পাছত এপাকত তাইৰ মাকে নিৰৱতাৰ বেৰ ভেদি তাইৰ মূৰত হাত থৈ তাইক সুধিলে, 'মাজনী তোৰ আচলতে কি হৈছিল, তই কিয় এনেদৰে ভয় খাই আছিলি?'

মাকৰ কথাযাৰ শুনাৰ পাছত পোনতে তাই উচ্‌প খাই উঠিছিল আৰু কান্দিছিল। কিছু সময় তেনেদৰে থকাৰ পাছত তাই থোকাথুকি মাতেৰে ক'বলৈ আৰম্ভ কৰিছিল, 'ৰাজনীতি, মোৰ বাবে সপোন আছিল। মই জানিছিলো ই যেন মোৰ বাবে এক প্ৰত্যাহ্বান। তথাপি মই তাক স্বীকাৰ কৰিছিলোঁ। মই লিখিব লোৱা উপন্যাস খনত মই লিখিব লোৱা প্ৰথম অধ্যায় আছিল শিক্ষামন্ত্ৰী সুধীৰ ঘোষৰ ওপৰত।

সুধীৰ ঘোষ এজন বৰ ডাঙৰ কলা ব্যৎসায়ী আছিল।

তেওঁ অন্ধকাৰ জগতৰ গোপন ব্যৱসায়ৰ সৈতে জড়িত আছিল। তেওঁ আনকি নাৰীৰ দেহ ব্যৱসায়ৰ সৈতে জড়িত আছিল। এই কথা হয়তো কম মানুহে গম পাইছিল। তেওঁ নিজৰ ব্যৱসায়ৰ পৰা আহৰণ কৰা ধনৰ সহায়তহে শিক্ষা মন্ত্ৰী হৈছিল। মই বাতৰি কাকতত লিখা-পঢ়া কৰি থাকোতে এই সকলোবোৰ খবৰ গম পাইছিলো আৰু তেওঁৰ বিৰুদ্ধে লিখিম বুলি ঠিক কৰিছিলোঁ। বহু ঠাইৰ পৰা আনকি মই কিছুমান তথ্য প্ৰমাণ গোপনীয় ভাৱে সংগ্ৰহ কৰিছিলোঁ। এইক্ষেত্ৰত মোক সহায় কৰিছিল মোৰ সৈতে একেলগে পঢ়া অভিনৱ শৰ্মা নামৰ এজন লৰাই যি মোৰ সৈতে একেলগে কলেজীয়া দিনৰ পৰা পঢ়ি আহিছিল। অভিনৱ আছিল দিল্লীৰ উপপৰিদৰ্শক পিতাম্বৰ শৰ্মাৰ একমাত্ৰ পুত্ৰ। তাৰ লগত একেলগে পঢ়াৰ দিনৰ পৰা সি মোক সহায় কৰি আহিছিল মোৰ প্ৰতি কামতে। সেইবাবে হয়তো মোৰ তাৰ ওপৰত যথেষ্ট বিশ্বাস আছিল, কিন্তু সেই বিশ্বাস এদিন সম্পূৰ্ণৰূপে থান-বান কৰি পেলাইছিল।

এদিনাখন মোক সি ফোন কৰি শিক্ষামন্ত্ৰীৰ বিৰুদ্ধে কিবা গোপন প্ৰমাণ আছে বুলি এক নিৰ্জন ঠাইলৈ মাতি পঠিয়াইছিল। ময়ো একো চিন্তা নকৰি কিছু সময় পিছতে সেই ঠাইত উপস্থিত হৈছিলোঁ যদিও ..........কোনো মানুহ ঠাইডোখৰত দেখা পোৱা নাছিলোঁ। কিছু সময় থকাৰ পাছত হঠাৎ তালৈ এখন গাড়ী আহিলে আৰু মোক অপহৰণ কৰি অজান ঠাইলৈ লৈ গ'ল। প্ৰায় ৫ ঘণ্টামান সময় পাছত মোক অচেতন অৱস্থাত এটা পুৰণা গুডাম ঘৰত গাড়ীৰ পৰা নমাই দিলে, প্ৰায় এঘণ্টা মান সময়ত পাছত মই জ্ঞান ঘূৰাই পালো আৰু দেখা পালো অভিনৱে মোৰ সন্মুখত অট্টহাস কৰি থিয় দি আছে।

মই তেনেদৰে অভিনৱক দেখাৰ পাছত গম পালো যে মোক তেনেদৰে অপহৰণ কৰি অনা আন কোনো নহয়, অভিনৱে হয়। মই তাৰ পৰা কোনো চেষ্টা কৰিও ওলাই আহিব নোৱাৰিলোঁ আৰু প্ৰায় ৭ টাদিন ধৰি সি মোক ধৰ্ষণ কৰিলে আৰু এদিন মোক মুমূৰ্ষু অৱস্থাত কোনোবা এখন অচিন গাঁৱত পেলাই থৈ গ'ল। কথাষাৰ কৈ কৈ নিশিতাই নিজৰ চকুপানী ৰখাব নোৱাৰিলে।

ইমান পৰে নিশিতাৰ কাষতে বহি মই শুনি আছিলো তাইৰ সমস্ত কথা। কথাবোৰ শুনাৰ পাছত মোৰ শৰীৰৰ সমস্ত তেজ পানী হৈ পৰিল। এক অজান ভাৱনাত মোৰ সমস্ত শৰীৰ কঁপিবলৈ ধৰিলে। যেনে-তেনে নিজক চম্ভালি লৈ নিশিতাৰ আৰু ওচৰলৈ আগবাঢ়ি গ'লো আৰু তাইৰ এখন হাতৰ ওপৰত মোৰ হাতখন থৈ মোৰ বুকুৰ কাষলৈ তাইৰ হাতখন টানি নিলো, ক'লো - 'মোৰ আধৰুৱা হৃদয়ৰ এটা টুকুৰাত তুমি সদায় সোন হৈ আছা, মই অৰুণাভ, তোমাৰ অৰুণাভ, মোৰ ভালপোৱাৰ ৰংবোৰ এতিয়াও সজীৱ হৈ আছে। মই তোমাক সৰুৰে পৰা ভাল পাঁও নিশিতা। সময়ে যি খেল তোমাৰ লগত খেলিলে সেয়া পাহৰি যোৱা। মই তোমাৰ এই আধৰুৱা সপোনৰ ভঙা পঁজাটোক কাৰেং ঘৰলৈ ৰূপান্তৰিত কৰিম।' ■



# দেৱালখন

■ প্ৰীতি কলিতা
*ষষ্ঠ ষাণ্মাসিক, গণিত বিভাগ*

নীতাই বাৰাণ্ডাত বহি আছিল। হাত এখনেৰে চকীখনত ভেজা দি মূৰটো ওপৰমুৱাকৈ তাই আকাশ-পাতাল কিবা ভাবিছিল। যোৱা নিশা বৰষুণ দিছিল। বৰষুণজাকে সিহঁতৰ গোটেই ঘৰটোৰ ভিতৰখনত পানীবোৰ জমা কৰিছিল। মাকে জমা হোৱা পানীবোৰ চৰিয়া এটাৰে সিঁচিব ধৰিছিল আৰু তাই এনেদৰেই কিবা ভাবি আছিল।

বৰষুণৰ পিছত ৰ'দ ওলাইছে। দেউতাক ঢুকুৱাৰ পৰা তাই ৰ'দ সহ্য কৰিব নোৱাৰে। দেউতাকে কৈছিল, 'তই ৰাজকুমাৰীৰ দৰে থাকিবি, মই তোক সদায়েই ৰাজকুমাৰীৰ দৰে ৰাখিম।' সেই দেউতাক, দেউতাক এদিন আঁতৰি গৈছিল। দুৰাৰোগ্য ৰোগত ভুগি চিকিৎসাৰ অভাৱত। তাইও ৰাজকুমাৰী হ'ব পৰা নাছিল। সেই তেতিয়াৰ পৰা ৰ'দ তাই সহ্য কৰিব নোৱাৰে। দিনৰ পোহৰ তাইৰ বাবে অসহ্য। দিনৰ পোহৰ আঁতৰি যোৱাৰ লগে লগে অন্ধকাৰ নিশাবোৰত তাই সপোন দেখিছিল। যোৱা নিশাৰ দৰে নিশাবোৰত যেতিয়া বৰষুণ দিছিল, তেতিয়াই তাই টোপনি খতি কৰিবলগা হৈছিল মাকৰ লগত। সেই সময়ত টোপনি খতি কৰিও তাই অনুভৱ কৰিছিল তাই ৰাজকুমাৰী আৰু সিহঁতৰ ঘৰটো ৰাজমহল। এনেকুৱা এটা নিশা পাৰ কৰাৰ পাছত এয়া তাই এতিয়া লাগ-বান্ধ নোহোৱাকৈ কিবা এসোপা ভাবিছে আৰু ওপৰলৈ মূৰ কৰি বহিয়েই আছে। ভায়েক ভনীয়েক হাল স্কুললৈ যাব নোৱাৰিব আজি। বৰষুণজাকে সিহঁতৰ কিতাপ-বহীবোৰ অলপ-আচৰপকৈ তিতাই পেলাইছে। মাকে সিহঁতক স্কুললৈ যাবলৈ জোৰ কৰিছিল। স্কুললৈ নগ'লে দুপৰীয়াৰ ভাতসাঁজ ঘৰত খাবলৈ সিহঁতৰ অসুবিধা হয় প্ৰায়েই।

'আজি যাবিনে?' মাকে ৰিঙিয়াইছিল। তাই একোৱে নক'লে। একো যেন শুনায়ে নাই। এনেভাৱে মাথো বহি থাকিল।

পাঁচবছৰ আগতে এনেকুৱাই এটা কল্পনাৰ নিশা পাৰ কৰিছিল তাই। ঠিক একেদৰে ৰাতিপুৱা ৰ'দ ওলাইছিল। সেই ৰ'দ সেই পোহৰ তাইৰ বাবে অসহনীয়া আছিল তেতিয়াও। হঠাৎ ক'ৰবাৰ পৰা মনেশ্বৰ খুৰাক আহিছিল। কৈছিল- 'মানুহ এঘৰৰ ঘৰত কাম কৰা ছোৱালী এজনী লাগে।' এষাৰো কথা আৰু ক'বলৈ নিদি মনেশ্বৰক তাই কৈছিল 'বলক খুৰা'।

মানুহ ঘৰৰ বিষয়ে একো নজনাকৈ তাই গৈছিল। মনেশ্বৰৰ পিছে পিছে। ৰাজকুমাৰীৰ দৰে খোজ লৈছিল তেতিয়াও। মনেশ্বৰ হৈ পৰিছিল তাইৰ মনত ৰাজসেৱক।

আজি পাঁচবছৰে একেদৰেই খোজ লৈছে তাই, তাইৰ ঘৰৰ পৰা। কাম কৰিছে উচ্চপদস্থ চৰকাৰী বিষয়া দম্পত্তি মনোজ বৰুৱা আৰু আৰধনা বৰুৱাৰ ঘৰত। কাম শেষ কৰি গধূলি উভতিছে। আকৌ পিছদিনা একেদৰেই গৈ আছে।

সলনি হৈ গৈছে চববোৰ। সলনি হৈ গৈছে তাই খোজকাঢ়ি থকা পথটো, পথটোৰ কাষত থকা ঘৰবোৰ, গছবোৰ। তথাপি তাইৰ মনটোৱে তাইক ৰাজকুমাৰী কৰিয়েই ধৰি ৰাখিছে এতিয়াও।

বৰুৱা দম্পত্তীহঁতৰ ঘৰত কাম কৰিয়েই তাই ঘৰখনক অলপ সকাহ দিছে। তেওঁলোকেও মাজে-সময়ে টকা-পইচা লাগিলে দি সহায় কৰিছে। তথাপি এখন দেৱালৰ অস্তিত্বক

যেন কোনোৱে নুই কৰিব নোৱাৰে। সেই দেৱালখনৰ ইটো পাৰে বৰুৱা দম্পত্তীহঁতৰ দৰে মানুহবোৰ থাকে আৰু আনটো পাৰে থাকে তাই, তাইৰ মাক, সিহঁতৰ ঘৰখন ইত্যাদিবোৰ। কিন্তু দেৱালখনৰ দুয়োটা পাৰ কেতিয়াও লগ নালাগে। দুয়োটা পাৰৰ মাজত অৱশ্যে দেনা-পাওনা চলি থাকে। প্ৰায়েই। দেৱালখনে এই দেনা-পাওনাবোৰৰ জোখ লৈ লৈ সদম্ভে থিয় হৈ থাকে।

নীতাই চুৰি কৰিছিল। বৰুৱা দম্পত্তীৰ ঘৰত। তাই চুৰি কৰিছিল প্ৰায়ে দুখন বিস্কুট অথবা অকণমান পাওৰুটি। তাইক চাহ খাবলৈ দিয়াখিনিৰ অলপ খাই অলপ তাই পেণ্টৰ খোচনিত বান্ধি লৈছিল ভায়েক-ভনীয়েক হালৰ বাবে। তথাপি সেয়া চুৰিয়েই আছিল তাই জানিছিল চোৰ কৰা পাপ। মহাপাপ কিন্তু সেই সময়ত তাই যোৱালৈ বৈ থকা ভায়েক-ভনীয়েক হালৰ তাইৰ হাত দুখনলৈ উজ্বল হৈ চাই থকা সেই চকুদুযুৰিৰ বাবে তাইৰ বিবেক মনৰ ওচৰত হাৰি গৈছিল।

সেই সময়ত নীতাই যুদ্ধ কৰিছিল সদায়েই। আৱেগে চেঁচা কৰি পেলাইছিল তাইৰ মন-মগজুক। সিহঁত হালৰ বাবে নীতাৰ হৃদয়ত কৰাল মাৰি গোট খাইছিল সেই আৱেগে।

সেই আৱেগ কেতিয়াবা ডাঠ হৈ বৰফ হৈ গৈছিল। চেঁচা হৈ যায় তাইৰ দেহ, একেবাৰে চেঁচা।

তথাপি তাই চুৰ কৰিছিল। যেতিয়া ভায়েকৰ সমনীয়া মালিকৰ ল'ৰাটোৱে তালৈ অনা দামী দামী খেলনা গাড়ীবোৰ সদায় সলনি কৰিছিল। দলিয়াই পেলাইছিল সি সেই খেলনা গাড়ীবোৰ কেতিয়াবা এনেই। তাই অনুভৱ কৰিব বিচাৰিছিল সেইবোৰ দেহৰ ওপৰেৰে পাৰ হৈ গৈছে তাইৰ। তাই পেণ্টৰ খোচনিৰ বস্তুখিনি ভালকৈ ধৰিছিল যাতে সেই গাড়ীয়ে মহটিয়াই পেলাব নোৱাৰে ভায়েক-ভনীয়েক হাললৈ তাইৰ মৰমবোৰ।

মাকে যেতিয়া সোত-মোছ খোৱা কাপোৰসাজ পিন্ধিছিল তেতিয়াই তাই মালিকনীৰ পোন্ধৰ-বিছ হেজাৰটকীয়া শাৰীখনত লগোৱা দামী পাৰফিউমৰ সুগন্ধি বিচাৰিছিল। মাকৰ হাড়-ছাল লগোৱা শৰীৰটোৱে যেতিয়া ঘৰখনৰ কামবোৰ কৰিছিল মালিকনীৰ মসৃণ হাতৰ নেইল পলিচ লগোৱা নখবোৰ, চকুৰ আগত বিচাৰিব খুজিছিল।

কেতিয়াবা তাই নিজক বুজিব নোৱাৰা হৈ যায়। কিয় ৰিজাব বিচাৰে তাই মালিকৰ পৰিয়ালৰ লগত নিজক। কিয় তাই অনুভৱ কৰিও মানি নলয় সেই দেৱালখনৰ অস্তিত্বক। বুজি কিয় নাপায় তাই এজনী সাধাৰণ বন কৰা ছোৱালী। নিজৰ ওপৰতে খং উঠে তাইৰ। পাহৰি যায় সেই সময়ত তাইৰ মনটোৱে চববোৰ। যি মনে ৰাজকুমাৰী কৰি তোলে তাইক।

সজোৱা হয় কিয় সেই দেৱালখন। টুকুৰা টুকুৰ কৰি ভাঙি পেলোৱা নহয় কিয় সেইখন। কিয় পাৰ্থক্য বিচাৰি হাবাথুৰি খাবলগীয়া হয় মালিকৰ ঘৰখন আৰু তাইৰ ঘৰখনৰ মাজত। এই কথাবোৰ শিল হৈ গৈছে তাইৰ মনত আজি পাঁচবছৰে। এই শিলবোৰ লৈ তাই গৈছে কাম কৰিছে, উভতিছে আৰু নিশাবোৰত সপোন দেখিছে।

'নীতা... ঐ নীতা... তোক কিমান চিঞৰিব লাগে। আজি যাবিনে?' মাকৰ মাতত তাইৰ সম্বিত ঘূৰি আহিল। গালখন টন্‌টনাই গৈছে ইমান সময়ে হাতখনেৰে ভেজা দি আছিল বাবে।

আজি মালিক-মালিকনী ঘৰত নাথাকে বুলি তাইক কৈছিল। মাকক তাই ক'ব পাহৰিছে।

'নাই আজি নাযাওঁ' বুলি মাকক ক'ব নৌপাওতেই মনেশ্বৰে ক'ৰবাৰ পৰা বৌ বৌ কৈ চিঞৰি উধাতু খাই একপ্ৰকাৰ দৌৰি আহিল।

'কি হ'ল অ মনেশ্বৰ।' মাকে সুধিলে।

'কি হ'ল নক'ব। কি হোৱা নাই সেইটোহে সোধক। নিউজত দি আছে। চাব খুজিছে যদি আহক।' অহাৰ দৰেই ধূমকেতুৰ দৰেই মনেশ্বৰ গ'ল।

নীতাও একপ্ৰকাৰ দৌৰিয়েই গ'ল, মনেশ্বৰৰ পিছে পিছে, তাৰ ঘৰলৈ।

মনেশ্বৰৰ ঘৰত ডাঙৰ ভলিউমত টি.ভি. লগাইছে। অসমীয়া নিউজ চেনেল এটাত বাতৰি পৰিৱেশন কৰি আছে 'এই মুহূৰ্তৰ বিগ ব্ৰেকিং নিউজ। চৰকাৰী বিষয়া দম্পত্তীৰ হেজাৰ কোটি টকা আত্মসাৎ আৰু নিশাৰ ভিতৰতে পলায়ন কৰিবলৈ যো-জা কৰোতেই গ্ৰেপ্তাৰ। থৰ হৈ গ'ল নীতাৰ চকু। টি.ভি.ৰ স্ক্ৰীণত তাইৰ মালিক-মালিকনী। তেওঁলোকে কাপোৰেৰে মুখ ঢাকিব খুজিছে। একো একোটা গভাইত চোৰৰ দৰে।

মুহূৰ্তৰ বাবে সন্মুখৰ পৃথিৱীখন সলনি হৈ গৈছে তাইৰ। একে হৈ গৈছে তাই... মালিক-মালিকনীহঁত চোৰ। য'ত কোনো পাৰ্থক্যই নাই। ইমান দিনৰ পৰা দেখি অহা শক্তিশালী দেৱালখন ভাঙি চুৰমাৰ হৈ গৈছে তাইৰ চকুৰ পচাৰতে। আৰু তাই হৈ পৰিছে এজনী ৰাজকুমাৰী, এক সম্পূৰ্ণ নতুন অনুভৱেৰে।■



# এটি কৃত্রিম হাঁহিৰে...

■ ঋষভ তালুকদাৰ
*স্নাতকোত্তৰ চতুৰ্থ ষাণ্মাসিক, অসমীয়া বিভাগ*

বাজনাত আকাশ কপি উঠিছে। আজি অনিন্দিতাৰ বিয়া। এটা নতুন জীৱনৰ আৰম্ভণি বুলি অনিন্দিতাকো কিছু পৰিমাণে আনন্দিত যেন দেখা গ'ল। দিনটো সুকলমে পাৰ হ'ল। ৰাতি যথা সময়ত দৰা আহিল। মুঠতে বিয়া সুকলমে পাৰ হৈ গ'ল। এনেকুৱা বিয়া সেইখিনি ঠাইত আৰু এতিয়ালৈকে হোৱা নাছিল। অনিন্দিতা ধনী ঘৰৰ জীয়ৰী। সেই অঞ্চলত দেউতাকৰ নাম জনাজাত। টকা পইচা থকা মানুহ গতিকে তেনেকুৱা নহ'বৰ কথাই নহয়।

অনিন্দিতাৰ সাংসাৰিক জীৱন ঠিকেই চলি আছে। তাই মাক হ'বলৈ ওলাইছে। গতিকে ঘৰলৈ নতুন মানুহ অহাৰ অপেক্ষাত এতিয়া অনিন্দিতাৰ ঘৰখন। অনিন্দিতাৰ মাকৰ ঘৰখনেও বেছ স্ফূতি কৰি আছে। একমাত্ৰ জীয়ৰীৰ নাতি হ'ব কোনে মাতে আৰু...।

সেইদিনা দুপৰীয়া ঠিক তিনিটা মান বাজিছে। সকলোৱে খাই বৈ উঠিছে দুপৰীয়াৰ সাজ। ৰ'দটো অলপ কমিছে, ভাদ মহীয়া ৰ'দ, পিঠি পুৰি যাও পুৰি যাও কৰে। এনেকুৱা ৰ'দত ছাটি টানি কলেজলৈ যোৱা; কিমান যে মধুৰ আছিল সেই দিনবোৰ, অনিন্দিতাৰ এতিয়াও মনত পৰে কেন্টিনৰ কথাবোৰ। চ'চ ঢালি চিঙৰা খোৱা দিনবোৰ। অফ টাইমত কিমান ধেমালি কৰিছিল। এবাৰ ধেমালিতেটো আৰোহীৰ লগত বেয়ায়েই হৈছিল। পিছত অৱশ্যে ঠিক হ'ল।

বোৱাৰী ফোন আহিছে-চক খাই উঠিল অনিন্দিতা ইমান পৰে তাই যেন এখন বেলেগ পৃথিৱীত আছিল।

গৈছো মা- অনিন্দিতাই কৈ উঠিল।

হেল্ল'; অ' কোৱা। খালো। তুমি খালানে? -সি ফালৰ পৰা অহা প্ৰশ্নৰ উত্তৰ দি আছে অনিন্দিতাই। অ'ৰবাচোন আজি

তুমি মোক কিয় ইমান ভালপোৱা? -কথাৰ মাজতে অলপ লাজ দেখুৱাই সুধি পেলালে অনিন্দিতাই।

নাজানো তোমাক দেখিলেই মোৰ এনেকুৱা লাগে যেন; যেন মই অন্য এখন পৃথিৱীত আছো! তোমাৰ লগত কথা পাতি থাকিব পাৰিলে মোৰ অনুভৱ; যেন মই পৃথিৱীৰ সকলোখিনি সুখেই পাইছো। বিবেকে তেতিয়া B.Sc. 6th sem. ৰ পৰীক্ষা দিছে। অনিন্দিতাইও। ৰিজাল্ট দিয়া নাই। বিবেকৰ ঘৰৰ অৱস্থা সিমান এটা ভাল নহয়, গতিকে এনেয়ে থকাতকৈ এখন প্ৰাইভেট স্কুলতে শিক্ষকতা কৰি আছে। আজি বিবেকৰ জন্মদিন, সেয়ে বিবেক আৰু অনিন্দিতা ৰেষ্টুৰেণ্ট এখনত বহি আজিৰ দিনটোত অলপ সময় কটাইছে।

বহুত দেৰিয়েই হ'ল, যাওঁ ব'লা- অনিন্দিতাই ক'লে।

কিয় তোমাৰ আমনি লাগিল নেকি? অলপ অভিমানৰ সুৰত বিবেকে সুধিছে।

নহয় মানে বেছি দেৰি হ'লে ঘৰত চিন্তা কৰিবতো, সেই কাৰণে।

মোৰ লগত আছো বুলি কবা....অনিন্দিতাৰ কথা শেষ নোহোওতেই বিবেকে ধেমালি সুৰেৰে ক'লে।

অনিন্দিতাৰ ঘৰত আজি উখল-মাখল পৰিৱেশ। বেণ্ডপাৰ্টিৰ

অলপ সোন কালেই আহিবা দেই। মায়ে দুয়োকে বৰমাহঁতৰ ঘৰলৈ ফুৰিবলৈ যাব কৈছে। ও হ'ব দিয়া।

বৰ মা মানে অনিন্দিতাৰ ডাঙৰ শাহুৰেক। গাওঁখনৰ সিটো মূৰে ঘৰ। এনেয়ে থকাতকৈ অলপ ফুৰি আহক ইটো সময়ত অলপ খোজ কঢ়াতো ভাল। মনটোও ভালে থাকিব; সেই ভাবিহে শাহুৰেকে যাবলৈ কৈছে। শাহুৰেকজনী অৰশ্যে মৰমিয়াল। ঘৰত শহুৰ, শাহু আৰু তায়েই। ভনীয়েকে অৰ্থাৎ ননদ আছিল এজনী; বিয়া দিছে গতিকে এজনীয়ে বোৱাৰী, মৰম কৰে।

সন্ধিয়া প্ৰায় আঠমান বাজিল। হাৰে...। আজি সোনকালেই আহিব দিয়া কাৰণে বেছিহে দেৰি কৰিলে, অনিন্দিতাৰ অলপ খং উঠিছে যদিও চিন্তাও হৈছে যথেষ্ট। অইন দিনা ইমান দেৰি নালাগে।

কিয় ইমান দেৰি কৰিছা আজি- অনিন্দিতাই ফোনটো ধৰিয়েই গালি আৰম্ভ কৰিলে।

'মেডাম এই নম্বৰটোৰ মানুহজন কোন হয় আপোনাৰ' - সিফালৰ পৰা উত্তৰ আহিল।

কোন আপুনি অলপ ভয়েৰে অনিন্দিতাই সুধিলে-

মানে মেডাম এই মানুহ জনৰ একচিডেণ্ট হৈছে।

কি ......? অনিন্দিতা ঢলি পৰিল।

ততাতৈয়াকৈ সকলোৰে হস্পিতাললৈ গতি কৰিলে সকলোৰে মূৰত যেন আকাশখন খহি পৰিছে।

'ডক্টৰ ডক্টৰ ক'ত মোৰ ল'ৰাটো কেনে আছে'-

মাকে এক প্ৰকাৰ হুলুস্থুল লগাই দিলে

'ক'ত আছে ডক্টৰ এওঁক এবাৰ মই চাব পাৰিমানে?

এক উত্তেজনা পূৰ্ণ আবেগ ভৰা কণ্ঠ।

'ৰব ৰব আপোনালোকে হাল্লা নকৰিব, আমি আমাৰ কাম কৰি আছো; বাকী ভগৱানৰ ইচ্ছা। তথাপিও আপোলোকে বেছি চিন্তা কৰিব নালাগে। আমি স্পেচিয়েলিষ্ট মাতি দিছো; আহি পাব এতিয়াই। সকলো ঠিক হৈ যাব।

স্পেচিয়েলিষ্ট আহি পালে। ট্ৰিট্‌মেণ্ট আৰম্ভ হ'ল। পেচেণ্টক চিকিৎসা কৰাতেই নহয়, সুশ্ৰুষা কৰাতো ড° চৌধুৰীৰ নাম আছে। তেওঁ খুব আপোন ভাবে চিকিৎসা কৰে যেন মাকৰ হাতত কেচুৱা।

"চাৰে ঔষধখিনি তৎক্ষণাত আনিবলৈ কৈছে।

অনিন্দিতা প্ৰায় দৌৰি গ'ল ঔষধ আনিবলৈ। ঔষধ আনি নাৰ্চ গৰাকীৰ হাতত তুলি দিলে। তেতিয়ালৈকে অনিন্দিতাৰ লগত বুঢ়া শহুৰ-শাহুৰ বাদে আন কোনো নাই। অপাৰেচনৰ অন্তত ডাক্টৰ ওলাই আহিল।

'ডক্টৰ এওঁৰ এতিয়া কেনে- যেন বহুত দিনৰ মুৰত কি হ'ল কৈছে অনিন্দিতাই

'আউট আফ ডেনৰাৰছ্ বুলি কৈ চকুৰ ফালে চাওঁতেই ডাঃ চৌধুৰী আৰু অনিন্দিতা দুয়ো দুয়োফালে পিছুৱাই গ'ল যেন দুটা বিপৰীত মুখী চুম্বকে ক্ৰিয়া কৰিছে, অনিন্দিতা বহি পৰিল। কোনেও একো ক'ব নোৱাৰিলে মাথো মূৰ্তি হৈ পৰিল।

'এতিয়াতো আৰু তোমাৰ ভালেনে বুলিও সুধিব নোৱাৰে। তথাপিও আশা কৰিছো সংসাৰিক জীৱন নিশ্চয় সুখকৰ।" অতীতলৈ ঘূৰি যাওঁ বুলিও যাব নোৱাৰিলে বিবেকে। অনিন্দিতাইও একো ক'ব নোৱাৰিলে। একচিডেণ্টটো। ক'ত কেনেকৈ হ'ল সকলো জানিব বিচাৰিলে বিবেকে। অনিন্দিতাই কথাবোৰ বৰ্ণনা কৰিলে এফালৰ পৰা। এনেতে অনিন্দিতাৰে ফোনটো বাজি উঠিল..।

'অ' মা কোৱা- থোকা থুকি মাত অনিন্দিতাৰ। বৰ্তমান কিছু ভাল পাইছে মা, ডাক্টৰে কৈছে অতি সোনকালেই সুস্থ হৈ উঠিব। কথা পাতিবও পাৰিছে। নাই মা দেউতাহঁতক ঘৰত পঠাই দিলে। তোমালোক আহিবা? আহা; ভালেই হ'ব, মই অকলেই আছোঁ।

কিয়? মোৰ লগত আছো বুলি কোৱা... এটা আবেগ ভৰা কৃত্ৰিম হাঁহিৰে কথাখিনি কৈ ডাক্টৰ চৌধুৰী কোঠালিটোৰ পৰা ওলাই গ'ল। ■



# মৰমৰ সাক্ষী

■ পিংকী শৰ্মা
*উচ্চতৰ মাধ্যমিক প্ৰথম বৰ্ষ, বিজ্ঞান শাখা*

"মা, মোক চাহ একাপ দিয়াচোন লগতে কালি তুমি বনোৱা নাৰিকলৰ লাৰু দুটাও দিবা।" মাকক কথাষাৰ কৈ নয়নে টিভিটো অন কৰি চোফাখনতে বহি ল'লে। ১০ মিনিট পিছত মাকে চাহকাপ তাৰ হাতত দিলে আৰু একাপ নিজে লৈ বাৰাণ্ডাখনলৈ ওলাই আহিল। আজি পূৰ্ণিমা, কিন্তু আকাশত থকা মেঘে চন্দ্ৰটোক ঢাকি ধৰিছে। সেইকাৰণে, পূৰ্ণিমাৰ পোহৰো ম্লান হৈ পৰিছে। চাহকাপ হাতত লৈ প্ৰীতি মানে নয়নৰ মাকে জোনটোলৈ চাব ধৰিলে। হঠাতে প্ৰীতিৰ ২৫ বছৰৰ আগৰ কথাবিলাক মনত পৰি গ'ল। তেওঁৰ জীৱনটোও এটা পূৰ্ণিমাৰ ৰাতিৰ দৰে পোহৰ আছিল কিন্তু সেই দুৰ্ঘটনাটোৱে তেওঁৰ জীৱনটোলৈ অমাৱস্যা নমাই আনিলে।

আজিৰ পৰা প্ৰায় ২৫ বছৰ আগতে প্ৰীতি শইকীয়া নামৰ ছোৱালীজনী অৱিনাশ দুৱৰা নামৰ ল'ৰাটোৰ লগত বিবাহ পাশত আৱদ্ধ হৈছিল। প্ৰীতিৰ ঘৰখনত প্ৰীতিৰ মাক-দেউতাক আৰু এজনী ভনীয়েক আছিল। বি. এ. পাছ কৰাৰ এবছৰ পিছত সেইখন চহৰৰে এজন ডাঙৰ ব্যৱসায়ী অৱিনাশ দুৱৰাৰ লগত প্ৰীতিৰ বিয়া হৈছিল। অৱিনাশৰ মাক-দেউতাক আৰু এজন ভায়েকৰ লগত এখন সুখৰ সংসাৰ আছিল। "তোমালোকৰ সংসাৰ সুখৰ হওঁক", "তোমাৰ শিৰৰ সেন্দৰ চিৰদিন জিলিকি থাকক"- এনেদৰে বহুজনৰ আশীৰ্বাদ মূৰত লৈ তাই সেই ঘৰখনত প্ৰৱেশ কৰিছিল আৰু অতি কম সময়ৰ ভিতৰতে সকলোৰে আপোন হৈ পৰিছিল। বিয়াৰ দুবছৰ পিছতে সকলোৰে মুখত হাঁহি বিৰিঙাই তেওঁলোকৰ এটা ল'ৰা-সন্তানৰ জন্ম হৈছিল। যিহেতু, ল'ৰাটো সকলোৰে চকুৰ মণি আছিল সেইকাৰণে প্ৰীতিয়ে তাৰ নামটো ৰাখিলে নয়ন। সকলোৰে মৰম-চেনেহৰ মাজত নয়ন লাহে লাহে ডাঙৰ হ'বলৈ ধৰিলে। লাহে লাহে সি মা- পাপা, ককা- আইতা, খুড়া বুলি মাতিব পৰা হ'ল। এদিন অৱিনাশে প্ৰীতিক ক'লে- "নয়নক কিন্তু আমি ডাঙৰ মানুহ কৰিব লাগিব দেই।" লাহে লাহে নয়নে এখোজ দুখোজ দিব পৰাও হ'ল।

অৱিনাশে ব্যৱসায়ৰ কাম এটাৰ বাবে এসপ্তাহৰ কাৰণে দিল্লীলৈ যাব লগা হ'ল। যাবৰ সময়ত প্ৰীতিয়ে তেওঁক ক'লে- ল'ৰাৰ নাম বাৰু ময়ে ৰাখিলোঁ, এতিয়া তাক কি স্কুলত পঢ়োৱা সেই কথা ভবা দায়িত্ব তোমাৰ। তেতিয়া অৱিনাশে এটা হাঁহি মাৰি ক'লে- "মই দিল্লীৰ পৰা উভতি অহাৰ পিছত দুয়ো লগ লাগি এই বিষয়ে আলোচনা কৰিম বাৰু। আমাৰ দুয়োৰে মৰমৰ সাক্ষী নয়নক আমি দুয়ো লগ লাগি সমাজত ভাল মানুহ হিচাপে প্ৰতিষ্ঠা কৰিব লাগিব।"

কিন্তু অৱিনাশ আৰু প্ৰীতিৰ এইবিষয়ে আৰু কোনোদিনে আলোচনা কৰা নহ'ল। প্ৰীতিক বগা সাঁজ পিন্ধাই অবিনাশ চিৰদিনৰ বাবে গুচি গ'ল এখন অজান ঠাইলৈ। দিল্লীৰ পৰা উভতি আহোঁতে অৱিনাশহঁত অহা প্লেনখন এটা দুৰ্ঘটনাত পতিত হৈছিল আৰু অৱিনাশৰ লগতে আন ১০ জন মানুহৰ মৃত্যু হৈছিল। অৱিনাশৰ মৃত্যুৰ পিছত গোটেই ঘৰখন যেন থান-বান হৈ গৈছিল। নয়ন আৰু ঘৰখনৰ ভৱিষ্যতৰ কথা ভাবি প্ৰীতি বলিয়াৰ নিচিনা হৈ পৰিছিল। এটা ফুলৰ কলি যেন ফুলাৰ আগতে মৰহি গ'ল। যিখন ঘৰে প্ৰীতিক বোৱাৰীৰ দৰে ভবাৰ পৰিৱৰ্তে নিজৰ জীয়াৰীৰ দৰে ভাবিছিল অৱিনাশৰ মৃত্যুৰ পিছত

সেইখন ঘৰে প্ৰীতিক 'কুলক্ষণী' আখ্যা দিবলৈ কিন্তু অলপো কুণ্ঠাবোধ নকৰিলে। প্ৰীতিৰ জীপাল পৃথিৱীখন যেন মৰুভূমি সদৃশ হৈ পৰিল। গোটেই মানুহবোৰে প্ৰীতি আৰু নয়নক অৱহেলা কৰিবলৈ ধৰিলে। অৱশেষত শহুৰেক- শাহুৰেকৰ মানসিক নিৰ্যাতন সহ্য কৰিব নোৱাৰি প্ৰীতি ঘৰ এৰি গুচি গ'ল। ওচৰৰে এখন চহৰত প্ৰীতিয়ে এটা ভাড়াঘৰ বিচাৰি ল'লে আৰু তাতে থাকিবলৈ ল'লে।

এখন প্ৰাথমিক বিদ্যালয়ত প্ৰীতিয়ে শিক্ষয়িত্ৰী হিচাপে এটা চাকৰি যোগাৰ কৰি ল'লে আৰু নয়নকো সেইখন স্কুলতে নাম লগাই দিলে। এতিয়া প্ৰীতিৰ মাত্ৰ এটাই উদ্দেশ্যে নয়নক ভালদৰে লিখা-পঢ়া শিকাই এজন ভাল মানুহ হিচাপে গঢ়ি তোলা। অতি দুখ- কষ্টৰ মাজেৰে প্ৰীতিয়ে ঘৰখন চলাই নিলে। নয়ন কিন্তু সৰুৰে পৰাই মেধাৱী আছিল। সি প্ৰতিটো পৰীক্ষাতে সুখ্যাতিৰে উত্তীৰ্ণ হৈছিল। এনেদৰে চাওঁতে চাওঁতে নয়নে ২২ বছৰত ভৰি দিলে। নয়নে কিন্তু কোনোদিনে মাকে আঘাত পাব লগা কাম কৰা নাছিল। এতিয়া নয়নে দেউতাকৰ নামত এখন অনাথ-আশ্ৰম আৰু এখন বৃদ্ধাশ্ৰম খুলিছে। নয়নকলৈ এতিয়া প্ৰীতিয়ে গৌৰৱ কৰে। নয়নে এতিয়া দিনে-ৰাতি জনকল্যাণৰ কামতে ঘূৰি থাকে। নয়নে সদায় ৰাতিপুৱা ঘৰৰ পৰা ওলাই যাওঁতে দেউতাকৰ ফটোখনত চাকি আৰু ধূপ জ্বলাই সেৱা কৰে। এতিয়া আৰু নয়নৰ মাকৰ অলপো দুখ নাই, নিজৰ পুত্ৰৰ কামৰ কাৰণে মাকে গৌৰৱ কৰিব পৰা হৈছে। মুঠতে এতিয়া আৰু প্ৰীতিয়ে অতীতৰ কথা ভাবি দুখ নকৰে কাৰণ তাইৰ মৰুভূমি সদৃশ পৃথিৱীখন আকৌ জীপাল হৈ পৰিছে।

"মা, আজি ভাত ৰান্ধিব যোৱাই নাই নেকি? ন-বাজিলে দেখোন"- নয়নৰ কথাত প্ৰীতি বাস্তৱলৈ ঘূৰি আহিল। প্ৰীতিয়ে লক্ষ্য কৰিলে যে তাইৰ যুগালেদি ধুদাৰি চকুলো বৈ আহিছে। ও, তাৰমানে তাই ইমান সময় অতীতৰ কথাবোৰহে ভাবি আছিল। তাই আকাশলৈ আকৌ এবাৰ চালে। প্ৰীতিয়ে দেখিলে যে, এতিয়া মেঘবোৰ আঁতৰি গৈছে আৰু জোনৰ পোহৰে ঠাইখন পোহৰাই তুলিছে। প্ৰীতিয়ে হাঁহি এটা মাৰি ভিতৰলৈ সোমাই গ'ল। ■



খগেন মহন্ত (১৯৪২ -২০১৪)ঃ
অসমীয়া লোক সংগীতৰ একান্ত সাধক গণশিল্পী খগেন মহন্তদেৱে ১৯৯২ চনত সংগীত নাটক একাডেমী বঁটা লাভ কৰে। বিহু সম্ৰাট হিচাপে খ্যাত মহন্ত দেৱৰ প্ৰতিটো গানে শ্ৰোতাৰ মাজত সদায়ে সজীৱ হৈ থাকিব। পত্নী অৰ্চনা মহন্ত আৰু পুত্ৰ অঙ্গৰাগ মহন্ত অসমীয়া সংগীত জগতৰ চিনাকি নাম।



# কাঞ্চন

■ জিম্‌লী শৰ্মা
*স্নাতক প্ৰথম ষাণ্মাসিক, জীৱ বিজ্ঞান বিভাগ*

দুডাল বেণীৰে, এটা লেতেৰা-পেটেৰা ফ্ৰক পিন্ধি এজনী অকণমানী ছোৱালী ঘূৰি ফুৰিছে অকলে অকলে গুৱাহাটী চহৰত। নাম তাইৰ কাঞ্চন, কিন্তু কিয় তাই ঘূৰি ফুৰিছে। এনেকৈ অকলে অকলে? তাতেই আকৌ গুৱাহাটীহেন ইমান ডাঙৰ চহৰখনত।

কেইবছৰমান আগৰ কথা । কাঞ্চনৰ এখন সুখৰ ঘৰ আছিল। তাইৰো নিজৰ মাক-দেউতাক আৰু এজনী ভনীয়েক আছিল। কাঞ্চন দেখিবলৈ খুব ধুনীয়া। তাই এখন সু-কোমল অন্তৰৰ অধিকাৰী। তাইৰ মনত যেন পৃথিৱীৰ সকলো মানুহেই ভাল। কিন্তু তাইৰ সেই সু-কোমল মনটোৱে যে কেতিয়াও ভাবিব পৰা নাছিল। তাইৰ সেই সুখৰ ঘৰখন এদিন থান-বান হৈ যাব। কোনে জানিছিল যে ইমান কম-বয়সতে নিয়তিয়ে অতি নিষ্ঠুৰ ভাৱে তাইক তাইৰ ওচৰৰ পৰা তাইৰ অতিকে আপোন মাক-দেউতাকৰ লগতে তাইৰ কোমল-বয়সীয়া ভনীয়েক জনীকো আতৰাই লৈ যাব। ঘটনাটোৰ পিছত কাঞ্চনৰ মূৰত যেন সৰগ ভাগি পৰিছিল। তাই এতিয়া কি কৰিব একো ভাবি পোৱা নাছিল। কাঞ্চন অতি দৰিদ্ৰ ঘৰৰ ছোৱালী। তাইৰ আপোন বুলিবলৈ আন কোনো নাছিল। গতিকে তাই এতিয়া ক'ত যাব, কি কৰিব অৱস্থা।

কাঞ্চন মাক-দেউতাকৰ আলাসৰ লাড়ু আছিল। দুখীয়া হ'লেও মাক-দেউতাকে তাইক সামৰ্থ্য অনুযায়ী যি লাগে-দিছিল। তাইৰ বয়স মাত্ৰ ১০ বছৰ। তাই অতি দুখীয়া ঘৰৰ হ'লেও তাইৰ মাক-দেউতাক নীতি-পৰায়ণ, নিৰহংকাৰ স্বভাৱৰ আছিল। দেউতাকে পাচলি-বিক্ৰেতা আৰু মাকে ঘৰৰ কাম চম্ভালিছিল। আৰু তাইৰ ৮ বছৰীয়া ভনীয়েক জনী পঢ়াৰ লগতে খেলা-ধূলাতো চোকা আছিল। কাঞ্চনো পঢ়াত চোকা ছোৱালী। কথাতে কয় নহয় বোলে, "বোকাত হে পদুম ফুলে"। পাচলি বিক্ৰি কৰিয়েই দেউতাকে অতি কষ্টৰে ঘৰখন চলাইছিল। এনেদৰে কাঞ্চনৰ ঘৰখন পেটে-ভাতে খাই জীয়াই আছিল। কিন্তু তাতো নিয়তিৰ কু-দৃষ্টি পৰিল। কাঞ্চনৰ দেউতাকৰ গণেশগুৰিৰ ওচৰতে পাচলিৰ দোকান আছিল। তেওঁ ৰাতিপুৱা ৭ বজাত ঘৰৰ পৰা ওলাই যায় আৰু ৰাতি প্ৰায় ৯ মান বজাত ওভটি আহে। দেউতাক ওলাই যোৱাৰ পিছতে কাঞ্চন আৰু তাইৰ ভনীয়েক ওচৰৰে অসমীয়া মাধ্যমৰ চৰকাৰী বিদ্যালয়খনলৈ বুলি ওলাই যায়। তাৰ পিছত মাকে অকলে সমস্ত ঘৰৰ দায়িত্ব পালন কৰিছিল। এনেদৰে কাঞ্চনৰ ঘৰৰ দিনবোৰ আৰম্ভ আৰু শেষ হৈছিল।

কিন্তু ৩০ অক্টোবৰৰ সেই অভিশপ্ত দিনটোৰ পিছত কাঞ্চনৰ দিনবোৰ সম্পূৰ্ণ বেলেগ হৈ গ'ল। আন দিনাৰ দৰে সিদিনাও তাইৰ দেউতাকে পাচলি বিক্ৰি কৰি আছিল। আৰু তাইৰ মাক আৰু ভনীয়েক বজাৰলৈ বুলি ওলাই গৈছিল। কাঞ্চনকো মাকে লগত নিবলৈ লগ ধৰিছিল যদিও তাইৰ গা-বেয়া আছিল বাবে তাই যাবলৈ অমান্তি হৈছিল। কিন্তু কোনে জানিছিল যে সেইদিনা হঠাতে সিহঁতৰ চাৰিজনীয়া পৰিয়ালতোলৈ অমানিশা নামি আহিব। ৩০অক্টোবৰৰ বোমা-বিস্ফোৰণে চাৰিজনীয়া পৰিয়ালটোৰ তিনিজনৰ প্ৰাণ কাঢ়ি নিলে।

ঘটনাটোৰ পিছত তাই যে আৰু মাক-দেউতাকক আৰু তাইৰ কণমাণি ভনীয়েকজনীক আৰু লগ নাপালে।

তাৰ পিছৰ পৰাই তাই যেন পাগলী হৈ পৰিল। তাইৰ অবুজ মনটোৱে এতিয়াও বিশ্বাসেই কৰিব পৰা নাছিল যে তাইৰ পিতৃ-মাতৃ আৰু ভনীয়েক এই পৃথিৱীৰ পৰা এক সুন্দৰ পৱিত্ৰ ঠাইলৈ গুচি গ'ল য'ৰ পৰা আৰু কেতিয়াও ঘূৰি আহিব নোৱাৰে।

গতিকে তাই নিজৰ মাক-দেউতাকক বিচাৰি ঘূৰি ফুৰিছে সমস্ত গুৱাহাটী চহৰখনত। নাজানে তাই ক'লৈ গৈ আছে মাত্ৰ ইজনৰ পিছত সিজনক তাইৰ মাক-দেউতাক আৰু ভনীয়েকৰ কথা সুধি গৈছে। খাবলৈকো আজি তাইৰ হাতত একো নাই - নাই এটকাও বা নাই কোনো খোৱা বস্তু। কি অটো আস্থান, কি বাছ- আস্থান, কি ঘৰ, কি পাৰ্ক---- বছৰ বছৰ ধৰি তাই মাথো সুধি গৈছে--"মোৰ মা-দেউতা আৰু ভনীজনীক দেখিছে নে কি ?" কোনোৱাই যদি " নাই দেখা" বুলি কৈছে, কোনোৱাই আকৌ লেতেৰা- পেতেৰা দেখি গতিয়াই দিছে। এতিয়া কাঞ্চনক এনেকৈয়ে দেখা যায় গুৱাহাটী আলিবাটত।

"হায়ৰে নিয়তি, হায়ৰে কাঞ্চনৰ ভাগ্য"। ■



# নতুন দিগন্তৰ সন্ধানত

■ ভাস্বতী দেৰী
*চতুৰ্থ যাণ্মাসিক, ইংৰাজী বিভাগ*

ৰশ্মিয়ে চাহকাপ হাতত লৈ খিৰিকীখনেৰে সিহঁতৰ ঘৰৰ সন্মুখৰ আলিবাটটোলৈ একেথৰে চাই ৰ'ল! চহৰৰ হাই-উৰুমিৰ পৰা এমাইলমান দূৰত্বত সিহঁতৰ এই গাঁওখন বুলি ক'লেও হয়তো ভুল কোৰা নহ'ব। সন্ধিয়া নামঘৰত কোবোৱা ডবা, শংখ, কাঁহৰ শব্দেৰে গোটেই গাঁওখন জীপাল হৈ উঠে। এইবোৰৰ উপৰিও তাইৰ জন্মদিনটো; আহ! কি যে ভাল লাগে। মাক-দেউতাকৰ পৰা আৰম্ভ কৰি আইতাক, খুৰাক-খুৰীয়েক, পাপু, ৰিমি সকলোৰে তাইক লৈ যি ব্যস্ততা, চাই কিমান যে ভাল লাগে। কিন্তু দেউতাকৰ ব্যস্ততা সকলোৰে পৰা অকণমান পৃথক। দেউতাকে তাইৰ সেই বিশেষ দিনটোত তাইক আশীৰ্বাদ দিয়াৰ উপৰিও উপহাৰস্বৰূপে এখন কিতাপ দিয়ে। তাতে ৰশ্মি এনেয়ে কিতাপৰ পোক। গতিকে দেউতাকে তাইক প্ৰত্যেকবাৰেই কিতাপেই উপহাৰ হিচাপে দি আহিছে। দেউতাকে তাইক দিয়া কিতাপবোৰৰ ভিতৰত মহৎলোকৰ বাণীখনত তাই সদায়ে এবাৰ হ'লেও চকু পোনায়। দেউতাকে তাইক কয় যে মহৎলোকৰ বাণীবোৰ জীৱনত অন্তৰ্নিহিত হৈ থকা চৰম উপলব্ধি। এই বাণীবোৰক নিজৰ মাজত সাৰোগত কৰি তাৰ প্ৰেৰণাৰে আমি আমাৰ নিজৰ লক্ষ্যত আগুৱাই গ'লে ভৱিষ্যত জীৱনত সফলতা অৰ্জন কৰিব পাৰিম। তাই দেউতাকৰ এইবোৰ কথা খুব মন দি শুনে। খুব সৰল মনৰ ছোৱালী এজনী ৰশ্মি। ঘৰৰ প্ৰত্যেকজন সদস্যলৈ তাইৰ মৰম-ভালপোৱা পাপু আৰু ৰিমিতকৈও অলপ বেছি। কিন্তু সিদিনাখন কি হ'ল জানো হঠাৎ মাকলৈ ফোন আহিল। ফোনত ভাঁহি উঠা খুৰাকৰ কথাখিনিত ৰশ্মিয়ে স্পষ্টভাৱে বুজি পালে মানৱতাৰ চূড়ান্ত স্খলনখিনি। ইতিমধ্যে খুৰাকৰ কথা শুনি মাকে সম্বিৎ হেৰাই পেলাইছিল। পিছত মাকে জ্ঞান ঘূৰাই পোৱাত আটায়ে হস্পিতাললৈ গৈ দেখা পালে বগা কাপোৰখনৰে ঢকা দেউতাকৰ নিঠৰ দেহাটি। গাঁওৰে কেইজনমান স্থানীয় ব্যক্তি আহি মাকহঁতক জনালে যে চহৰৰ কাষতে সংলগ্ন কাপোৰৰ দোকানখনৰ দাঁতিত হোৱা বোমা বিস্ফোৰণটিত ৰশ্মিৰ দেউতাকে প্ৰাণ হেৰুৱালে। তেওঁলোকে দেউতাকৰ মোনাখন মাকৰ হাতত দিলে। ৰশ্মিয়ে দেউতাকৰ মোনাখন খুলি চাই দেখা পালে যে তাত এখন কিতাপ আছে। কিয়নো তাইৰ সেইদিনা জন্মদিন আছিল। তাই হুক্‌হুকাই কান্দি পেলালে। তাইৰ যেন চিঞৰি চিঞৰি ক'বৰ মন গ'ল পৃথিৱীবাসীক, বিপ্লৱ এয়াই জানো? কাৰোবাক হত্যা কৰা, কাৰোবাক চিৰদিনলৈ পংগু কৰি পেলোৱা, কোনোবা পৰিয়ালৰ ৰং-ধেমালিবোৰ নিমিষতে দুখৰ ডাৱৰেৰে আৱৰি পেলোৱা। নাই.....তাই আৰু সহ্য নকৰে, তাই মানৱতাৰ স্খলন হ'ব দিব নোৱাৰে। এই পাপীষ্ঠবোৰক সমাজৰ পৰা আঁতৰ কৰাবই লাগিব। তাই মনতে এক দৃঢ় সংকল্প ল'লে আৰু অনাগত দিনত তায়ে এই বিষাক্ত সন্ত্ৰাসবাদী নামৰ জীৱটোৰ বিৰোধী শক্তি হিচাপে থিয় দিব বুলি মনতে পণ কৰিলে।

মাকৰ মাততহে তাই সম্বিৎ ঘূৰাই পালে। মাকে ক'লে, তাইক লগ ধৰিবলৈ এজন মানুহ আহিছে। তায়ো মাকৰ সৈতে বাহিৰলৈ গ'ল আৰু মানুহজনে তাইক ক'লে যে আগন্তুক গণতন্ত্ৰ দিৱসৰ দিনা তাইক মানে বৰ্তমানৰ আৰক্ষী বিষয়া ৰশ্মি শইকীয়াক এগৰাকী আদৰ্শ আৰক্ষী বিষয়াৰ বঁটা প্ৰদান কৰা হ'ব। তাইৰ মনটো চালে ক্ষণিকতে এক ৰঙীণ স্বপ্নত অৱতীৰ্ণ হ'ল আৰু সেই বিশেষ দিনটোত সকলো গণ্য-মান্য ব্যক্তিৰ উপস্থিতিত তাইলৈ উক্ত বঁটাটি আগবঢ়োৱা হ'ল। ইতিমধ্যে

সময়ৰ অন্তত ৰশ্মিয়ে ঘৰলৈ সকলোৰে পৰা বিদায় লৈ ঘূৰি আহিল আৰু বঁটাটি হাতত লৈ পোনচাটেই মন্দিৰলৈ গ'ল আৰু ভগৱানক প্ৰাৰ্থনা জনাই ক'লে যে আজি তাইৰ সপোন বাস্তৱত ৰূপায়িত হ'ল। তাই দেউতাকক স্মৰণ কৰি ক'লে যে- দেউতা, মহৎ কামে এদিন নহয় এদিন সফলতাৰ শিখৰত উপনীত হ'বই। যদিও তোমাৰ মৃত্যু হৈছে কিন্তু তোমাৰ আদৰ্শই, তোমাৰ ব্যক্তিত্বই মোক যি অনুপ্ৰেৰণা যোগালে, আজি তাৰ পূৰ্ণ প্ৰতিচ্ছবি এখন মই মোৰ মাজত পাইছো দেউতা! আজি যদিও মোৰ জন্মদিন নহয় তথাপিও আজি মই তোমাৰ পৰাহে প্ৰকৃতাৰ্থত এই ডাঙৰ উপহাৰটি পালো দেউতা। ইতিমধ্যে মাকেও তাইৰ ওচৰ পালেহি আৰু তাই মাকৰ ওচৰলৈ গৈ ক'লে যি দুষ্কৃতিকাৰীয়ে দেউতাৰ নিচিনা হয়তো আৰু আন বহুতকো হত্যা কৰিলে, সিহঁতক মই মুক্ত আকাশৰ তলত বিচৰণ কৰিব দিব নোৱাৰো। সিহঁতক মই সিহঁতৰ উচিত শাস্তি প্ৰদান কৰিম। কণ-কণ শিশুৰ হাঁহি কাঢ়ি নিয়া, কোনোবা মাতৃৰ বুকু উদং কৰি নিয়া, কাৰোবালৈ অকালতে বৈধব্য জীৱন মাতি অনা সেইসকল বিষাক্ত পোকক ময়ে শেষ কৰিম। এয়াই মোৰ জীৱনৰ চূড়ান্ত লক্ষ্য। তাই মাকৰ কাযেৰে পাৰ হৈ ৰাস্তাটোলৈ বুলি ওলাই গ'ল। মাকে তাইলৈ দৃষ্টি নিৱদ্ধ কৰি একেথৰে তাই যোৱালৈ চাই ৰ'ল আৰু মনতে ভাবিলে যে এসময়ৰ ফুলকুমলীয়া ৰশ্মিজনী যেন বৰ্তমান এক প্ৰবাল সোঁতৰ বোৱতী নৈ, যাৰ সোঁতে সমাজৰ সকলো অসূয়া-দুৰ্নীতি জাঁজী জাঁবৰবোৰ উটুৱাই লৈ যাব আৰু সূচনা কৰিব এক নতুন দিগন্ত। ■

**নলবাৰী মহাবিদ্যালয়ৰ সংক্ষিপ্ত ইতিহাস ঃ** ভাৰতে স্বাধীনতা লাভৰ দুবছৰ আগেয়ে ১৯৪৫ চনৰ ৪ জুলাইত নলবাৰী মহবাবিদ্যালয় প্ৰতিষ্ঠা হৈছিল। সেই সময়ত মঙ্গলদৈৰ পৰা বঙাইগাঁৱলৈ এইখনে আছিল একমাত্ৰ উচ্চ শিক্ষাৰ প্ৰতিষ্ঠান। প্ৰথমতে ই কলিকতা বিশ্ববিদ্যালয়ৰ অন্তৰ্গত আছিল যদিও ১৯৪৮ চনত গুৱাহাটী বিশ্ববিদ্যালয় স্থাপন হোৱাৰ পিছত এইখনো ইয়াৰে অন্তৰ্ভূক্ত হয়। ১৯৫৮ চনত এই মহাবিদ্যালয়ত বিজ্ঞান শাখা মুকলি হোৱাত ইয়াৰ ইতিহাসত এক নতুন পৃষ্ঠা সংযোজিত হয়। মাত্ৰ ২৮ জন শিক্ষাথীৰে আৰম্ভ হোৱা এই মহাবিদ্যালয় বৰ্তমান এক বৃহৎ শিক্ষানুষ্ঠান।

# ভগ্ন হৃদয়

■ অনিন্দিতা শৰ্মা
*স্নাতক প্ৰথম ষাণ্মাসিক*

আজি ১৪ নবেম্বৰ, শিশু দিৱস। আনদিনাৰ দৰে আজিও অঞ্জলি অফিচৰ পৰা আহি অলপ বিচনাত বাগৰ দিছে, যদিও তাইৰ টোপনি অহা নাই। বাৰে বাৰে তাইৰ ১১ বছৰ আগত হোৱা দুৰ্ঘটনাটো মনত পৰি আছে। ১১ বছৰ আগত, আজিৰ দিনটো অৰ্থাৎ ১৪ নবেম্বৰৰ দিনাখনেই তাই তাইৰ মাক-দেউতাক, ভনীয়েকক হেৰুৱাইছিল। আজি তাইৰ সেই সেউজীয়া গাঁওখনৰ কথা মনত পৰি আছে।

গাঁওখনৰ নাম আছিল সোণাপুৰ। তাই সেই গাঁওৰে এজনী ছোৱালী। অঞ্জলি তেতিয়া উচ্চতৰ মাধ্যমিকৰ প্ৰথম বৰ্ষৰ ছাত্ৰী আছিল। তাইৰ দেউতাক সেই গাঁওৰে স্কুল এখনৰ শিক্ষক। অঞ্জলি আৰু তাইৰ ভনীয়েক স্মিতা পঢ়াত বৰ চোকা আছিল। অঞ্জলিৰ ভৱিষ্যতে ডাক্তৰ হোৱাৰ ইচ্ছা আছিল। কাৰণ, সিহঁতৰ গাঁওত ডাক্তৰ নাই। গতিকে এজন ডাক্তৰৰ বৰ আৱশ্যক। কিয়নো, গাঁওৰ কোনো মানুহৰ অসুখ হ'লে চহৰলৈ যাব লাগে। তাৰোপৰি গাঁওৰ মানুহবোৰ অতি দৰিদ্ৰ। অঞ্জলিহঁতৰ পঢ়া-শুনাত যাতে কোনো কষ্ট নহয়, তাৰ বাবে মাক-দেউতাকে বহু কষ্ট কৰে। ভনীয়েক স্মিতাই ৰাতিপুৱা অলপ পঢ়ি ইটো-সিটো কাম কৰি ভাত খাই স্কুললৈ যায়। এইবাৰ তাই অষ্টমমানৰ ছাত্ৰী। ঘৰ পাওঁতে প্ৰায় তিনি চাৰে তিনি বাজে। সিহঁতৰ গাঁওখনত কাৰো দণ্ড কাজিয়া নাছিল, সকলো মানুহে বৰ মিলাপ্ৰীতিৰে আছিল।

লাহে লাহে অঞ্জলিহঁতৰ ঘৰখনলৈ নামি আহিল দুখৰ দিনবোৰ। অঞ্জলিহঁতৰ এবিঘা মাটি আছে। দেউতাকে তাঁত ধান খেতি কৰিছিল, যাতে সিহঁতে চাউল কিনিব নালাগে আৰু যিখিনি চাউল বাকী ৰয় সেইখিনি বজাৰত বিক্ৰী কৰে। এনেকৈয়ে সিহঁতৰ চাৰিজনীয়া পৰিয়ালটো চলি আছিল। এদিন এজন ডাঙৰ ফেৰী কৰা লোক সিহঁতৰ গাঁওলৈ আহিছিল। মানুহজনৰ নাম আছিল বিজন ৰায়। তেওঁ গাঁওখনলৈ অহাৰ পৰাই অঞ্জলিহঁতৰ মাটিখিনিৰ ওপৰত চকু দি আছিল। বিজয় ৰায়ে সিহঁতৰ গাঁৱৰে কমল নামৰ দোকানীজনৰ পৰা সকলোবোৰ কথা গম পাইছিল। কেইদিনমান পিছত বিজন ৰায় অঞ্জলিহঁতৰ ঘৰলৈ আহিছিল। তাৰ পিছত মানুহজনে অঞ্জলিৰ দেউতাকৰ আগত ক'লে, 'আপোনাৰ মাটিখিনি মোৰ বৰকৈ পছন্দ হৈছে।" তেতিয়া দেউতাকে ক'লে যে, 'এইখিনিয়ে মোৰ সম্পত্তি, এই মাটিখিনিতে মই বছৰি ধানৰ খেতি কৰো যাৰ ফলত মই চাউলখিনি অন্ততঃ নিকিনাকৈ খাই আছোঁ।' তেতিয়া মানুহজনে ক'লে, 'মই এইবোৰক একো নাজানো, আপুনি মাটিখিনি সোনকালে মোৰ নামত কৰি দিয়ক, নহ'লে মই আপোনাৰ মাটিখিনি হাত কৰি নিয়াৰ বাহিৰে অন্য একো উপায় নাথাকিব। আৰু শুনক আপুনি এই মাটিখিনিৰ বিনিময়ত যি বিচাৰে মই তাকেই দিম। আকৌ এটা কথা মনত ৰাখিব মই আপোনাক ১৪ নৱেম্বৰলৈ সময় দিলো।' এনেকৈ মানুহজন ওলাই গ'ল।

দিন বাগৰি গ'ল, সম্পূৰ্ণ দুমাহ পাৰ হৈ গ'ল। অঞ্জলিৰ দেউতাকে এই কথাবোৰ আন কাৰো আগত কোৱা নাছিল। দিন যোৱাৰ লগে লগে তেওঁ চিন্তিত হৈ আহিল। কি কৰো, কি নকৰো তেখেতে ভাৱি পাৰ নোপোৱা হ'ল। তেখেতে নিজকে নিজে ক'লে, 'ছোৱালী দুজনীৰ ভৱিষ্যত কি হ'ব?' এনেকৈয়ে দুমাহ হৈ গ'ল। আজি ১৪ নৱেম্বৰ সিদিনা মাক-দেউতাক, অঞ্জলি আৰু স্মিতা একেলগে চাহ খাব বহিলে। মাকে বিস্কুটৰ টেমাটো খুলি দেখিলে যে, এখনো বিস্কুট নাই। মাকে অঞ্জলিক ওচৰেৰে কমলৰ দোকানৰ পৰা বিস্কুট আনিব পঠিয়ালে। অঞ্জলি বিস্কুট আনিব গ'ল। তাই ওলাই যোৱাৰ অলপ পিছতে বিজন ৰায় তেওঁৰ মানুহবোৰ লগতলৈ আহিল। মাক হতভম্বঃ হ'ল, এইবোৰ কি? কিয়নো দেউতাকে এইবোৰ কথা কাৰো আগতে কোৱা নাছিল। বিজনে ৰায় লগত অহা মানুহবোৰৰ এজনে স্মিতাক ধৰিলে। তাৰ পিছত, বিজন ৰায় অঞ্জলিৰ দেউতাকক মাটিখিনি সোনকালে তেখেতৰ নামত কৰি দিবৰ বাবে ধমকি দিলে। প্ৰথমে, দেউতাকে দিব খোজা নাছিল। যদিও পিছত দিবলৈ বাধ্য হ'ল। কাৰোবাৰ কিবা হ'ব বুলি মাটিখিনি বিজনৰায়ৰ নামত লিখি দিলে। লিখি দিয়াৰ লগে লগে স্মিতাক ডিঙিত চুৰি লগাই মাৰি পেলালে।

এনেদৰে মাক-দেউতাককো ডিঙিত চুৰি লগাই মাৰি পেলালে। তাৰ পিছত বিজন ৰায় আৰু মানুহবোৰ ওলাই গ'ল। ওলাই যোৱাৰ অলপ সময় পিছতে অঞ্জলি আহি পালে। তাই বাহিৰৰ পৰাই মানুহৰ জুম দেখিলে, আচৰিত হ'ল তাই। অঞ্জলি ঘৰৰ ভিতৰ সোমাই যিবোৰ দেখিলে তাই পাগলৰ দৰে হৈ পৰিল। ওচৰ চুবুৰীয়াৰ সহায়-সহযোগিতাত তাই মাক-দেউতাকৰ সকলো কৰ্ম শেষ কৰিলে। তাৰ কেইদিনমান পিছত গাঁৱৰ মানুহবোৰ মিলি তাইক চহৰত থৈ আহিলে; কিবা কাৰণত, বিজন ৰায় আহি তাইকো মাৰি পেলাব পাৰে বুলি। অঞ্জলিয়ে চহৰত বহু কষ্ট কৰি পঢ়িলে।

এনেতে, ঘড়ীটোৱে ৭ বজাত সংকেত দিলে। ফলত তাই বাস্তৱলৈ ঘূৰি আহিল। তাই চকুৰে নিগৰা পানীখিনি মচি ল'লে। এতিয়া তাই কোৱাটাৰত থাকে। তাই তাইৰ নিজৰ লক্ষ্যত উপনীত হ'ব নোৱাৰিলে; একমাত্ৰ বিজন ৰায়ৰ বাবে। এতিয়া তাই প্ৰাইভেট কোম্পানী এটাত কাম কৰে।■

<u>**ফণী শৰ্মা ঃ**</u> ফণী শৰ্মা আছিল অসমৰ নাট তথা চলচ্চিত্ৰ জগতৰ এগৰাকী সুদক্ষ অভিনেতা, নাট্যকাৰ আৰু পৰিচালক। মঞ্চ অভিনেতা হিচাপে আত্মপ্ৰকাশ কৰি তেখেতে পাছলৈ প্ৰথম অসমীয়া চলচ্চিত্ৰ 'জয়মতী' (১৯৩৫)ত অভিনয় কৰে। তেখেতে ১৯৪৮ চনত 'চিৰাজ' আৰু ১৯৫৫ চনত 'পিয়লি ফুকন' বোলছবি পৰিচালনা কৰাৰ লগতে তাত অভিনয় কৰে। অসমীয়া নাট্যসমাজৰ প্ৰতি ফণী শৰ্মাৰ অৱদানক সন্মান জনাই তেখেতক 'নটসূৰ্য্য' উপাধিৰে বিভূষিত কৰা হয়।

তেজপুৰৰ ঐতিহাসিক বান ৰঙ্গমঞ্চৰ দ্বাৰৰক্ষী হিচাপে ফণী শৰ্মাৰ নাট্যশালা আৰম্ভ হয়। তেখেতৰ দেউতাক মোলান শৰ্মাও আছিল এজন নাট বিশেষজ্ঞ। বান ৰঙ্গমঞ্চৰ সু-অভিনেতা। দেউতাকৰ লগত নিয়মিত নাট্যশালালৈ গৈ ফণী শৰ্মাই ইন্দ্ৰেশ্বৰ বৰঠাকুৰ, ড° ললিত মোহন চৌধুৰী, প্ৰফুল্ল বৰুৱা আদিৰ দৰে প্ৰবীণ অভিনেতাসকলৰ পৰিৱেশনা কৰিছিল। এইবোৰৰ পৰা তেওঁ ক্ৰমাৎ নাট্যজগতৰ প্ৰতি আকৃষ্ট হয়। ১৯২৮ চনত তেখেতে বান ৰঙ্গমঞ্চৰ 'ৰাণা প্ৰতাপ' নাটকত আকবৰৰ চৰিত্ৰত অভিনয় কৰাৰ সুযোগ লাভ কৰে। ১৯৩০ চনত ফণী শৰ্মাই পৰিভ্ৰমী নাট্যদল কহিনুৰ অপেৰাত যোগদান কৰে। ইয়াৰ প্ৰতিষ্ঠাপক আছিল ব্ৰজনাথ শৰ্মা। শদিয়াৰ পৰা ধুবুৰীলৈ লুইতৰ দুয়োপাৰে কহিনুৰ অপেৰাই নাট পৰিৱেশন কৰি যায় আৰু ইয়াত অন্যতম আকৰ্ষণ আছিল ফণী শৰ্মা। এটা নাট্য আন্দোলন আৰম্ভ কৰাৰ উপৰিও ১৯৩১ চনত কহিনুৰ অপেৰাই অসমৰ মঞ্চত পোন প্ৰথমবাৰৰ বাবে সহ-অভিনয়ৰ পাতনি মেলে। কৰুণাকান্ত মজুমদাৰৰ প্ৰযোজনাত আৰম্ভ হোৱা পূৰ্বজ্যোতি ভ্ৰাম্যমাণ থিয়েটাৰৰ প্ৰথম বৰ্ষৰ পৰাই ফণী শৰ্মাই কেইবাখনো নাটক পৰিচালনা কৰিছিল আৰু তেখেতে পাছলৈ অন্যান্য ভ্ৰাম্যমাণ থিয়েটাৰতো অভিনয় কৰিছিল।



# হেৰোৱা কলমটোৰ সন্ধানত...

■ মনস্বিতা শৰ্মা
*স্নাতক দ্বিতীয় ষাণ্মাসিক, প্ৰাণীবিজ্ঞান বিভাগ*

কলেজৰ বাৰ্ষিক আলোচনীখনৰ কাম পূৰ্ণগতিত চলিছে। মনটোৱে বাৰুকৈয়ে কৈ আছে চুটিকৈ হ'লেও কিবা এটা লিখিব লাগে। কোনো আলোচনী নতুবা কাগজে-পত্ৰই ছপা আখৰত নিজৰ নামটো দেখিবলৈ পোৱাৰ আমেজেই সুকীয়া। তদুপৰি নিজৰ কোনো উল্লেখযোগ্য সৃষ্টি নাই যদিও সাহিত্য জগতখনৰ প্ৰতি আছে দুৰ্বাৰ আকৰ্ষণ। তেনে পৰিপ্ৰেক্ষিতত সাহিত্য অনুৰাগী হিচাপেই পঠনযোগ্য নহ'লেও কিবা এটা লিখিবলৈ চেষ্টা কৰাটোৱেই সমীচীন হ'ব বুলি বিবেকে প্ৰতিমুহূৰ্তত মগজুলৈ সংকেত প্ৰেৰণ কৰি আছে। এসময়ত দুই-এটা পেন্‌পেনীয়া কবিতা, অপৰিপক্ক গল্প লিখিবলৈ চেষ্টা কৰিছিলো বাবেই হয়তো দুই-এজন অন্তৰংগ বন্ধু-বান্ধৱীৰ তীব্ৰ হেঁচা - যেনে তেনে কিবা এটা লিখিব লাগে আলোচনীৰ বাবে। তেওঁলোকৰ আগ্ৰহ দেখি ক'বলৈ বেয়া লাগে যে কিবা এটা লিখি পেলোৱাতো এতিয়া আৰু একেবাৰেই সহজসাধ্য হৈ থকা নাই মোৰ পক্ষে; বিষয়বস্তুৰ অভাৱ আৰু মগজুৰ অপৰিপক্কতাই তাক কেৱল জটিলেই নহয়, একপ্ৰকাৰ অসম্ভৱ কৰি তোলা বুলি ক'লেও হয়তো অত্যুক্তি কৰা নহ'ব।

কি লিখিম? ভ্ৰষ্টাচাৰ, দুৰ্নীতি, দৰিদ্ৰতা, বিৰহ-বেদনা, প্ৰতাৰণা, পংগুত্ব নে প্ৰকৃতিৰ সুন্দৰতা অথবা প্ৰেম? কোনোটোৱেই যে মোৰ মনোগ্ৰাহী নহয় - যাক লৈ পূৰাই যাব পাৰিম ইখনৰ পিছত সিখনকৈ বগা উকা পৃষ্ঠা (হয়তো নিজৰ অপাৰগতাক ঢকাৰ এয়া এক অজুহাতহে মাথোন!)। ক্ষন্তেক সময়ৰ বাবে খুব হাঁহি উঠে নিজৰ মানসিক অৱস্থা দেখি, পিছমুহূৰ্তত পুনৌ ওপজে এই অসমৰ্থতাত আৰু তেনে মুহূৰ্তবোৰতেই বৰকৈ অনুভৱ কৰো দেউতাৰ অনুপস্থিতিৰ কথা, যাৰ অনুপ্ৰেৰণাতেই পেঞ্চিল-কলমেৰে আঁক-বাক কৰিব জনা হোৱা অৱস্থাৰ পৰাই লিখি গৈছিলো কবিতা, গল্প; আঁকি গৈছিলো ৰঙ-বিৰঙী চিত্ৰৰ সমাহাৰ। সেইবোৰে প্ৰাণ পাই উঠিছিল শিশু আলোচনী কিম্বা বাতৰি কাকতৰ পৃষ্ঠাত। অকণিৰ পৃষ্ঠাত প্ৰকাশ পোৱা লিখনিবোৰ দেউতাক আনি দিছিল আত্মপ্ৰত্যয় তথা সন্তুষ্টিৰ অফুৰন্ত তৃপ্তি আৰু মই যেন বিচৰণ কৰিছিলো সৃষ্টিৰ মাদকতাৰ সপোনপুৰীত। বিভিন্নজনৰ শুভবাৰ্তাই মোক আলোড়িত কৰি প্ৰাণপণে লিখি যোৱাৰ হেঁপাহৰ সাতৰঙীণ সূঁতাৰ এনাজৰী সৃষ্টি কৰিছিল। কিন্তু হঠাৎ মোৰ কিশোৰ মনটোৱে বুজি উঠিছিল যে উদীয়মান সংবাদসেৱী, ক্ৰীড়ানুৰাগী, গল্প-নিবন্ধ চৰ্চা কৰা মোৰ দেউতাৰ মগজুত আৰম্ভ হৈছিল মাৰাত্মক কেঞ্চাৰৰ আক্ৰমণ - যিয়ে নিমিষতে দেউতাৰ কলমৰ ছন্দ কাঢ়ি লৈছিল। মৰমৰ দেউতাজনক নিয়তিয়ে কাঢ়ি লৈ গ'ল আৰু মোক দি গ'ল অশেষ বেদনাভৰা স্মৃতিৰ সঁফুৰা। কোনোদিনে বেমাৰৰ ওচৰত হাৰ মানিব নিবিচৰা দেউতাৰ নিঠৰ দেহটোৱে মোক অন্য এখন পৃথিৱীলৈ লৈ গ'ল। মৃত্যুৰ আগলৈ কাগজ-কলমৰ সৈতে যুঁজি থকা সদাহাস্যময় দেউতাৰ যন্ত্ৰণাকাতৰ দিনবোৰ নিজৰ চকুৰ আগত দেখি যেন মোৰ সত্তাটোকে হেৰুৱাই পেলালো। মাজে মাজে দেউতাৰ কাগজ-পত্ৰবোৰ লিৰিকি-বিদাৰি বহু সিদ্ধান্তই ল'ব বিচাৰো। কিন্তু মই বাৰে বাৰে উজুটি খাই থমকি ৰওঁ।

'সময়' নামৰ এই তিনি বৰ্ণযুক্ত শব্দটোৱে পৰিস্থিতি, মানুহৰ শাৰীৰিক-মানসিক অৱস্থাৰ কিদৰে সঘন পৰিৱৰ্তন আনে, সেয়া আজি পৰ্যন্ত এক আশ্চৰ্যৰ বিষয়। বিজ্ঞানৰ জয়যাত্ৰাত সময়ক অন্তৰ্ভুক্ত কৰিব পৰা যাব নে নাই, অৰ্থাৎ সময়ক বিজ্ঞানে জয় কৰিব পাৰিব নে নাই আজিৰ তাৰিখত সেয়া লাখটকীয়া প্ৰশ্ন।

যি সময়ৰ সোঁতে লগৰীয়াৰ সৈতে বালিঘৰ সজাৰ চিন্তাক ক্ৰমান্বয়ে চাহজাহানৰ তাজমহলৰ চিন্তালৈ ৰূপান্তৰিত কৰিছিল, সেই সময়ৰ সোঁততেই এদিন উটি গ'ল মোৰ কলমৰ ছন্দৰ জোৱাৰ। বহু সময়ত তাক বিচাৰি উলিওৱাৰ আপ্ৰাণ চেষ্টা কৰিও বিফল হৈছো।

শৈশৱৰ ৰজা-ৰাণী, আকাশ, ফুল, তৰা, সাতোৰঙী ৰামধেনু, পৰী, জীৱ-জন্তুৰ মনে সজা কাহিনীবোৰ লিখি যাওঁতে কোনো কালে হয়তো ক্লান্তি অনুভৱ কৰা নাছিল সেই মুহূৰ্তত সন্ধানহীন সেই কলমটোৱে। কিন্তু আজিৰ এই প্ৰতিযোগিতাৰ দৌৰত ধাৱমান সমাজৰ কলুষিত কাহিনীবোৰ লিপিৱদ্ধ কৰাৰ দ্বিধাতেই হয়তো কলমৰো এয়া আত্মগোপন!

ঘড়ীটোলৈ চাই দেখিলো নিশা বাৰ বাজিছে। লিখনি জমা দিয়াৰ কাইলৈ অন্তিম দিন। অৱশেষত পৰাজয় স্বীকাৰ কৰিবলৈ বাধ্য হৈ পৰিছো যে আপ্ৰাণ চেষ্টাৰ পিছতো আলোচনীখনৰ লিখনি এটাৰ বাবে কোনো ধৰণৰ বিষয়বস্তুৰ সন্ধান কৰাটো মোৰ পক্ষে সম্ভৱপৰ হৈ নুঠিল। তথাপি মোৰ দৃঢ় মনটোক পতিয়ন নিয়াবলৈ চেষ্টা কৰিলো - আজি নহ'লেও পৰৱৰ্তী আলোচনীখনৰ বাবে মই কলমটোৰ সন্ধান বিচাৰি উলিয়ামেই। মোৰ গতিশীল জীৱনটোলৈ হঠাৎ নামি অহা এই স্তব্ধতাক আঁতৰাবলৈ যৎপৰোনাস্তি চেষ্টা কৰিম। ■

**অসম আন্দোলন ঃ** অসম আন্দোলন হৈছে ১৯৭৯ চনৰ পৰা ১৯৮৫ চনলৈ অবৈধ অনুপ্ৰৱেশকাৰীসকলৰ বিৰুদ্ধে কৰা অসমীয়া মানুহৰ আন্দোলন। ইয়াক স্বাধীন ভাৰতৰ অন্যতম শক্তিশালী আন্দোলন হিচাপে গণ্য কৰা হয়। সদৌ অসম ছাত্ৰ সন্থা আৰু সদৌ অসম গণসংগ্ৰাম পৰিষদে এই আন্দোলনৰ নেতৃত্ব বহন কৰিছিল। ১৯৮৫ চনত আন্দোলনৰ নেতাসমূহ আৰু ভাৰত চৰকাৰৰ মাজত হোৱা অসম চুক্তি মতে অসম আন্দোলনৰ অন্ত পৰে। এই আন্দোলনৰ প্ৰথম শ্বহীদ আছিল ভৱানীপুৰৰ খৰ্গেশ্বৰ তালুকদাৰ।

ক্ষণিক চিত্ৰ

# অনু গল্প

■ চন্দন শৰ্মা শাস্ত্ৰী
*প্ৰাক্তন ছাত্ৰ*

**প্ৰথম**

ডিচেম্বৰ মাহত সুবিধা পাই পুৰীৰ জগন্নাথ মন্দিৰ দৰ্শন কৰিবলৈ গ'লোঁ। আমাৰ দলটোত সহযাত্ৰী আছিল ৩২ জন। অসম যাত্ৰী নিবাসৰ গাতে লাগি থকা অট্টালিকাটোৰ এটা ৰূম ৫ দিনৰ বাবে ভাড়াত লৈছিলোঁ। সদায় ৰাতিপুৱা গা-ধুই মোৰ দেশৰ বাবে মোৰ ৰাজ্যখনৰ বাবে মোৰ গাওঁখনৰ বাবে শেষত মোৰ পৰিয়ালৰ বাবে চাকি ধূপ লগাই প্ৰাৰ্থনা কৰোঁ। ৰূমৰ পৰা মন্দিৰলৈ আহোতে-যাওঁতে হৰিচৰণ নামৰ চাহ দোকানীজনক দুৱাৰ চাৰিবাৰ সদায় দেখোঁ। মাতো চাহ খাওঁ। ঘনিষ্ঠতা বাঢ়িল। শেষৰ দিনা মোক ক'লে আপোনালোকৰ অসমীয়াসকল কি ৰকমৰহে এখন হাতেৰে ৰসগোল্লাটো চোৰাই থাকিব আৰু মোক ক'ব মোৰ চাহকাপত চেনী নিদিব। তেওঁৰ কথাই মোৰ বুকুখনত শেলে বিন্ধাদি বিন্ধিলে। পুৰীৰ পৰা উভতি আহি প্ৰথমতে মহাবিষ্ণুৰ চৰণত এই লেখাটিৰেই প্ৰাৰ্থনা জনাইছোঁ- তোমাৰ অপাৰ মহিমাৰ দ্বাৰাই মানৱ জাতিৰ পৰা মধুমেহ ৰোগটো চিৰকাললৈ নোহোৱা কৰি দিয়া।

**দ্বিতীয়**

ডাঃ ৰমেশ গোস্বামী বোলা মানুহজনৰ বৰ শান্ত। গুৱাহাটী খানাপাৰাত থাকে। দুটি ল'ৰা ডাঙৰজনে ব্যৱসায় কৰে হায়দৰাবাদত, সৰুজন, অসমত টেট শিক্ষক। শিক্ষকজনৰেই বিয়াখনত যোৱাৰ সৌভাগ্যকণ ঘটিল মোৰ। ৰাতিপুৱাৰ পৰাই বিয়াত উখল-মাখল পৰিৱেশ বহু মানুহ মাতিছে মুঠতে ক'বলৈ আজি দৰাঘৰত ব্যস্ততাৰ অন্ত নাই। হঠাৎ আবেলি ৪ মান বজাত মোৰ কাষলৈ এগৰাকী মহিলা আহি মোক ক'লে- তুমি আহিবা বুলি দৰাৰ দেউতাকে মোক দুমাহ আগৰ পৰাই কৈ আছে। ৬০ বছৰীয়া এই সম্ভ্ৰান্ত ঘৰৰ মহিলা গৰাকীয়ে মোৰ ককাৰ নাম, দেউতাৰ নাম, মাৰ নাম সলসলীয়াকৈ কোৱাত কম সময়ৰ ভিতৰতে মোৰ আপোন হৈ পৰিল। আচলতে পৃথিৱীখনৰ ধামখুমীয়াত ব্যস্ততাৰ বাবে বহু আপোন মানুহো আমাৰ মনৰ পৰা বহু যোজন দূৰৈত অৱস্থান গ্ৰহণ কৰিছে। মহিলা গৰাকীয়ে ক'লে মোৰ নাম চাৰুপ্ৰভা তুমি মোক চানো আবা বুলিয়ে মাতিবা। চানো আবাই তেওঁলোকৰ ঘৰলৈ যোৱাৰ প্ৰস্তাৱ দিয়াত মই মুহূৰ্ততে সন্মতি দিলো যাম বুলি। সন্ধিয়া ৭ বজাত চানো আবাৰ ঘৰ পাই অতিথি আপ্যায়নৰ পিছত চানো আবাই ক'লে আজি তিনিমাহ আগতে কি হ'ল জানা-মোৰছোৱালীজনী ওচৰতে বিয়া দিছো, খোজকাঢ়ি ১৫/২০ মিনিটৰ বাট। নাতি ল'ৰাটোৰ সিদিনা জন্মদিন। সি নাৰিকল খাই ভাল পাই বাবে গোটা নাৰিকল এটা প্লাষ্টিকৰ ঠোঙাত ভৰাই লৈ খোজকাঢ়িয়েই গৈ আছোঁ। সিহঁতৰ ঘৰ পাবলৈ অলপ বাকী থাকোতেই দুজন অচিনাকী ডেকাই কাষতে বাইকখন ৰখাই মোক সুধিলে-বাইদেউ আপুনি ধীৰেশ্বৰ দাসৰ ঘৰটো চিনি পায় নেকি? মই ক'লো ইয়াততো ধীৰেশ্বৰ দাস নামৰ কোনো মানুহ নাই। পিছত উঠি আহাজনে মোৰ গলত হাত দি সোনৰ চেইনদাল টানি চিঙি নিয়াত মই খুব জোৰেৰে চিঞৰি 'ঐ কি কৰ কি কৰ তহঁতে?' এনেকৈ চিঞৰাত আগৰজনে বাইকখনৰ গতিবেগ কিছু বঢ়াই দিলে। ময়ো খঙৰ ভমকত হাতত থকা গোটা নাৰিকলটোকেই সিহঁতৰ পিঠিত পৰাকৈ দলি মাৰি দিলোঁ। মোৰ দিন ইমানেই বেয়া আছিল যে চেইনদালতো নিলেই পিঠিত পৰা নাৰিকলটো গাড়ীখন ৰখাই চোৰে মোৰ গালৈ ইমান জোৰেৰে দলিয়ালে মোৰ মুখত পৰি চাৰিটা দাঁত সৰি মুখৰ পৰা হলাহলে তেজ ওলাবলৈ ধৰিলে। কি কৰো কি নকৰো উৰাদিহ হেৰুৱালোঁ। মোৰ বগা চাদৰ মেখেলা তেজেৰে ৰাঙলী হ'ল। তাৰ পিছত 'মোক বচোৱা মোক ৰক্ষা কৰা' বুলি চিঞৰাত এজন দুজনকৈ মানুহ আহি কাষত উপস্থিত হৈ ঘটনাৰ বুজ ল'লে। কোনোবাই ক'লে ডাক্তৰৰ ওচৰলৈ লৈ যাওঁক, কোনোৱে আকৌ ক'লে- জোৱায়েকক মাতি চমজাই দিয়ক। মই সম্পূৰ্ণ মুৰ্চা গৈ তিনিদিন পিছত সাৰ পাই চকু মেলাত হস্পিতালত মোৰ কাষত বহি

থকা মানুহবিলাকে কোৰাকুই কৰি থকা শুনিলো-সন্ধিয়া সময়ত জন্মদিন খাবলৈ অকলে আহিব লাগেনে? এজনীয়ে ক'লে এই ৰাস্তাতো আজিকালি বেয়া হ'ল আগতেও দুৱাৰ তিনিবাৰ মহিলাৰ গলত হাত দি চেইন টনা ঘটনা ঘটিছে। আন এজনে ক'লে 'বাইদেউৰ কিবা গ্ৰহৰেই দোষ হৈছে, অলপ ভাল পালে নে পালি মন্দিৰৰ কাষত থকা কিৰো ইয়ংঙক লগ ধৰি ভাগ্যটো পৰীক্ষা কৰি ল'ব আৰু যে খবৰ ল'বলৈ অহা মানুহে কিমান যে কি ক'লে। ঘটনাতো মনত পৰিলে এতিয়াও গাৰ নোমবিলাক ডাল ডালকৈ শিয়ৰি উঠে। চানো আবাই শেষত মোক এটা প্ৰশ্ন সুধিলে-জানানে চন্দন মহিলা বিলাকৰ গলত তিৰবিৰাই থকা সোনৰ চেইন বিলাকেই কেতিয়াবা কালৰূপ হৈ দেখা দিয়ে নেকি? মই ক'লো- প্ৰাক্তন স্বাস্থ্যমন্ত্ৰী তথা শিক্ষামন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ মাকৰেই চেইন চোৰে কাঢ়ি নিয়ে, আপুনি মইতো সমাজখনৰ সৰু সৰু মানুহ। এই বুলি কৈ সমুখৰ বাটত থকা তামোলখন মুখত সোমাই তেওঁৰ পৰা বিদায় ল'লোঁ।

## তৃতীয়

মালিগাওঁৰ অতুল শৰ্মাৰ ঘৈণীয়েক জনী অকালতে ঢুকাল। ৫১ বছৰ হৈছিল কিন্তু দৈহিক সৌন্দৰ্য্যই দেহৰ পৰা যৌৱনক বিদায় দিয়া নাছিল। ল'ৰা-ছোৱালীহালৰ ফালে চালে বেয়া লাগে-আজিৰ পৰা কাক মা বুলি মাতিব। সেই নিৰুপমাৰেই আজি মৎস্যস্পৰ্শ। আলহীখিনি মাতিছে, ওচৰ চুবুৰীয়াখিনি মাতিছে, শ্মশানত যোৱাখিনি মাতিছে। ভাগৱত পাঠ অনুস্থানত মাতিছে ৭ জন অভিজ্ঞ পুৰোহিত। ভাগৱত পাঠ অনুস্থান শেষ হোৱাৰ পিছত পৰিয়ালটোৰ লগতে মহন্ত উপাধীৰ বয়সস্থ লোক এজনেও সেৱা কৰি আমাক বিনয় ভাবে ক'লে- ইয়াত খোৱা লোৱাৰ জাগা ঠেক বাবে মোৰ ঘৰতেই আপোনালোকৰ বাবে ৰন্ধা-বঢ়া কৰিছে, অনুগ্ৰহ কৰি অন্নমুঠা গ্ৰহণ কৰি আমাক কৃতাৰ্থ কৰক। মহন্তৰ ঘৰলৈ গৈয়েই হাত ভৰি ধোৱাৰ চলেৰে ঘৰৰ চাৰিওফালৰ পৰিৱেশটো চালোঁ, ভাল লাগিল খুব চাফ চিকুনকৈ ৰাখিছে সন্মুখতেই মনসা মন্দিৰ। ক'ৰবালৈ ওলাই গ'লেই মন্দিৰত মূৰ দোৱাই যাব পাৰি। যথানিয়মে ৭ জনৰ ভাত খোৱা পৰ্ব শেষ হ'ল। তামোল মুখত ভৰাই মহন্তক মাত দি অতুল শৰ্মাৰ ঘৰলৈ আহিবলৈ ওলোৱাত মহন্তই মোক লাহেকৈ ক'লে বাকী কেইজন যাওঁক আপুনি অলপ সময় থাকক। আপোনাৰ কাম-কাজখিনি দেখি মই অতি সন্তুষ্ট হৈছো। আপোনাক মই অলপমান দক্ষিনা দি সেৱা কৰোঁ। মই কলো দক্ষিণা দিব নালাগে- এনেয়ে এটা সেৱা কৰক। তেওঁলোকৰ ঘৰত কৰ্ম কৰিছো ঠাইৰ অভাৱৰ কাৰণেহে আপোনালোকৰ ঘৰত ভাতসাজ খাইছোঁ। মই কৈ থাকোতেই মহন্তই ঘপহকৈ উঠি গৈ ঘৰৰ ভিতৰৰৰ পৰা খমখমীয়া এশ টকীয়া নোট এখন জাপি জুপি আনি মোৰ হাতত দি সেৱা কৰিলে। ময়ো আপোনাক ভগৱানে মঙ্গল কৰক সৌভাগ্যৱান কৰক বুলি কৈ অতুল শৰ্মাৰ ঘৰলৈ আহিলোঁ। আমি পৰিয়ালৰ সকলোকে মাত দি বাছত উঠিলোঁষ বাছত ভাড়া দিয়াৰ সময়তে মহন্তই দিয়া নোটখন খুলি চাই দেখো যে মহাত্মা গান্ধীয়ে মোৰ ফালে চাই হাঁহি আছে। চেঃ নোটখনৰ সম্পূৰ্ণ এক ফালা নাই। মোৰ মনটো বেয়া লাগিল। মইতো মোৰ ধৰ্ম ঠিকমতেই পালন কৰিছোঁ। মোক বিখ্যাত পণ্ডিত গঙ্গানাথ শাস্ত্ৰী আৰু ড° শ্ৰীকান্ত শৰ্মা খুৰাদেৱে মৰমেৰে শিকোৱা কথাষাৰ মনত পৰিল। যজমানৰ আগত কোনোদিন দক্ষিনা খুলি চাব নাপায়। মহন্তৰ চিৰা এশটকীয়া নোটখনৰ কথা কাষত বহি অহাজনক কৈ কৈ আহি থাকোতে কেতিয়া নলবাৰী পালো গমেই নাপালোঁ। সন্ধিয়া সময়ত ভগৱানক প্ৰাৰ্থনা কৰোঁতে কলো-ভাগ্যত থকাখিনিহে পাইছো-তুমি এশ টকাও বেছিঁকৈ নিদিয়া নহয়নে? ■

# ঋতু

■ দীপশিখা বৰ্মন
*স্নাতক প্ৰথম যাণ্মাসিক, ৰসায়ন বিভাগ*

**সময়** ঃ সিদিনা কলেজলৈ দেৰি হৈছিল। পুৱাৰ পৰা লৰা-ঢপৰা কৰি কোনোমতে কলেজলৈ বুলি ৰাওনা হ'লো। ফুটপাথৰ ওপৰত কেইটামান কুকুৰ শুই আছিল। ভয়ে ভয়ে কাষেৰে পাৰ হ'লো। কেনো ধৰণৰ প্ৰতিক্ৰিয়া অবিহনে ব্যস্ত থাকিল সিহঁত। তেনেতে কাষত থিয় হৈ থকা ল'ৰাবোৰৰ জুমটোৰ পৰা কেইটামান বাক্য ওফৰি আহিল। "ভণ্টি আমাকো লগত লৈ যোৱা। লাগিলে বাইকতে থৈ আহো। বলা অলপ..... " দুই ছেকেণ্ডমান বৈ সিহতৰ ফালে চালো, এবাৰ কুকুৰকেইটালৈ। একেই প্ৰতিক্ৰিয়াহীনভাৱে ব্যস্ত সিহঁত। ঘড়ীটোলৈ চালো। ন বাজি গৈছে। সঁচাকৈয়ে বৰ দেৰি হৈছে।

**ল'ৰালি** ঃ কাপোৰৰ দোকানত সিদিনা বৰ ভিৰ। পছন্দৰ কাপোৰ নাপায় এনেই লিৰিকি-বিদাৰি আছিলোঁ। কাষত পাছ-ছয় বছৰীয়া ল'ৰা এটাই ইফাল-সিফাল কৰি দৌৰি আছিল। এনেতে মোৰ কাষত বহি পৰিল। হয়তো ভাগৰ লাগিছিল। কাষতে মহিলা এগৰাকীক কথা পাতি থকা শুনিলো, "জানে, আমাৰ ৰিপুৱে যে ইমান ধুনীয়াকৈ English Conversation কৰিব জানে। খুব স্মাৰ্ট হৈছে সি।" মনতে ভাবিলো আমিও হাইস্কুলত থাকোতে ইমান স্মাৰ্ট হোৱা হ'লে! তেনেতে ল'ৰাটোক এক প্ৰকাৰ টানি লৈ গ'ল মহিলা গৰাকীয়ে। "বাবা Aunti ক Hii কোৱা, অমুকটো Rhymes গাই শুনোৱা.....। হুমুনিয়াহ কাঢ়ি ভাবিলোঁ অলং-দলং আৰু লুকা-ভাকুৰেই ভাল আছিল।

**পৰিৱৰ্তন** ঃ জন্মদিন বুলি মনটো ভাল লাগি আছিল। বৰ বিশেষ আয়োজন নাথাকিলেও এটা বিশেষ দিন। আপোন কেইজনৰ পৰা পোৱা শুভ-বাৰ্তাই কিছু সময়ৰ বাবে হ'লেও ক্ষণবোৰ পৃথক কৰি তোলে। গা-পা ধুই মাৰ লগত মন্দিৰলৈ গৈ প্ৰসাদ এভাগ দিয়াটো সিদিনাৰ নিয়ম। ব্যতিক্ৰমৰ প্ৰশ্ন নাই। পুৱাৰ পৰা মামা, জেঠাইহঁতে জন্মদিনৰ শুভেচ্ছা দি আছে। তদুপৰি কিতাপকেইখন উপহাৰ হিচাপে পোৱাত কিছু ভালেই লাগিছে। কিন্তু অইনবাৰৰ দৰে বন্ধুকেইজনৰ কোনেও ঘৰলৈ নহাত বা ফোন এটাকো নকৰাত কিছু আচৰিত। ৰাতি ভাত খোৱাৰ আগমূহূৰ্ত্তত ফোনটো বাজি উঠিল। "Notification from facebook" লৰা-লৰিকৈ facebook টো খুলিলোঁ। (47 wrote on your timeline) তাৰে মাজতে দেখিলো মোৰ সেই প্ৰিয় বন্ধুকেইজনৰ নাম। সময়বোৰ বেছ সোনকালেই সলনি হ'ল।

**ব্যতিক্ৰম** ঃ সিদিনা মানুহ বিহু। গা-মন উৎসৱৰ আনন্দত মতলীয়া। গা-পা ধুই আহি বিহুৱান পিন্ধি আইতাহঁতৰ তাত গ'লো আশীৰ্বাদ ল'বলৈ। তাৰ পৰা আহি মামাই দিয়া কিতাপখন লৈ ৰুমত বহিছোহে মাত্ৰ। এনেতে গেট খোলাৰ শব্দ হ'ল। পৰ্দাৰ ফাঁকেৰে বাহিৰলৈ চালোঁ। কেইজনমান ডেকা ল'ৰা ভিতৰত সোমাইছিল। কোন ঠিক ধৰিব নোৱাৰিলোঁ। মনতে ভাবিলো নিশ্চয় বিহুৰ চান্দা তুলিব আহিছে। আকৌ কিতাপত মূৰ গুজিলো। ৰবীন, পুলক, অঞ্জলি আৰু গৌৰীহঁত একেবাৰে বিহুৰ সাজত। "কি ঐ বিহু মাৰিবলৈ নেযাৱ হ'বলা। ওলা আকৌ।" কিয় জানো সেই ব্যতিক্ৰমে ডাঙৰ কিবা এটা আনন্দ দি গ'ল। আনন্দতে ডাঙৰকৈ চিঞৰি দিলোঁ।

**গতানুগতিক** ঃ অইনদিনাৰ দৰে স্মিতা আৰু মই বাছষ্টপত থিয় হৈ আছোঁ। তেতিয়ালৈ বাছ আহি পোৱা নাই। তেনেতে এজন ল'ৰা আহি বেঞ্চত বহিল। মুখখনত কিবা এটা সৰলতা দেখিলোঁ। প্ৰথম দেখাতেই যেন কিবা আকৰ্ষণ। সিও ছাগে আমাৰ ফালেই চাই আছিল। কোনোবাখিনিত এটা অনুভূতি অংকুৰিত হ'ল। সপোন দেখিবলৈ ল'লোঁ।

সিদিনা স্মিতা অহা নাই। অকলেই বাছলৈ বৈ আছোঁ। তাকো দেখা নাই সিদিনা। তেনেতে বাইক এখন সন্মুখত ৰ'ল। সন্মুখৰ দৃশ্য দেখি স্তম্ভিত হ'লো; নিজৰ ওপৰত হাঁহিও উঠিল। সি বাইকত আহিছে তাকো পিছফালে স্মিতাক লগত লৈ। মই তধা লাগি চাই থাকোতেই তাই মাত লগালে। "ঐ, মই ইয়াৰ লগতে যাওঁ। বেয়া নাপাবি,তই অকলেই যা।" এইবুলি কৈ হাঁহি এটা মাৰি দুয়ো গুচি গ'ল। গতানুগতিকভাৱেই বাছলৈ অপেক্ষা কৰিলোঁ বুকুত বিষ লৈ। ■

অনুবাদ শিল্প

# ৰাজনীতিবিদ

মূল ঃ মাহমুদ কামাল
অনুবাদ ঃ ■ বিপুল কুমাৰ দত্ত



কলগছত তেঁতেলী লাগিছে,
এই খবৰটোৱে প্ৰতিখন কাকতত
বিশেষ ঠাই দখল কৰিছে
কৌতুহলী ভিৰৰ মাজত জিলিকিছে বিস্ফোৰিত সহস্ৰ চকু,
বিভিন্ন প্ৰশ্ন, বু-বা,মন্তব্যৰ ফৰ্মুটি,
জিজ্ঞাসু দৃষ্টিৰে শিশুবোৰেও মুগ্ধ হৈ চাইছে
কলগছত কলৰ পৰিৱৰ্ত তেঁতেলী লাগিছে
ওচৰে-পাঁজৰে ক'তো এজোপা তেঁতেলী গছ নাই
তথাপি কলগছডালৰ তেনেই ওচৰতে আছে
এজন ৰাজনীতিবিদৰ ঘৰ।।

# ঠেলাৱালা

মূল ঃ চালেম চুলেৰী
অনুবাদ ঃ ■ বিপুল কুমাৰ দত্ত



ক্ষণিক জিৰোৱা দুৰ্ভাগ্যৰ চকা
বঙালী জলপান কৰি উঠি আকৌ গাম গান
আকৌ ঠেলিম বাৰুদৰ বাকচ, গধুৰ সংবিধান
ঠেলাত তুলিব লাগিব বিগত পহিলা মে'ৰ মঞ্চৰ ট্ৰিপাল
আৰু গুদামলৈ নিব লাগিব যাৱতীয় বেনাৰ, ফেষ্টুন,
বোবা চকী-মেজ।
ক্ষণিক জিৰাই লোৱা অ' মোৰ বাঁহৰ চাং
বুকু-বন্ধা ৰছীৰ বান্ধবোৰ অলপ শিথিল হওঁক দিয়া
কিছু সময়ৰ পাছতেই, পুনৰ তুলি লৈ যাম ঘৰ-
গেৰস্থলী বদলিৰ নামত
আলনা, তোচকস লাম-লাকটু অথবা
হঠাৎ গোপন ৰাতি ঘাঁহত মুখ গুঁজি শুই থকা মোৰ ভাইটিৰ শৰদেহ
গোপনে হেঁৰাই যায় যাৰ শোক আৰু শেষ সংবাদ।

# বতাহত মৰাশৰ গোন্ধ

মূল ঃ ৰুদ্ৰ মহম্মদ ছহিদুল্লাহ
অনুবাদ ঃ ■ বিপুল কুমাৰ দত্ত

আজিও বতাঁহত মই মৰাশৰ গোন্ধ পাওঁ
মাটিত মৃত্যুৰ নগ্ন নৃত্য আজিও দেখা পাওঁ
ধৰ্ষিতাৰ কাতৰ চিৎকাৰ শুনি আজিও মই তন্দ্ৰাৰ ভিতৰত
এইখন দেশে জানো পাহৰিলে সেই দুঃস্বপ্নৰ ৰাতিবোৰক, ৰক্তাক্ত সময়ক?
বতাহত মৰাশৰ গোন্ধ ভাহে মাটিত তেজৰ চেঁকুৰা।
তেজে তিতা এই মাটিৰ কপাল চুই এদিন যিসকলে বুকু বান্ধিছিল,
জীৰ্ণ জীৱনৰ তেজ-পূঁজত তেওঁলোকে বিচাৰি লয় নিষিদ্ধ এন্ধাৰ।
আজি তেওঁলোকে পোহৰহীন সজাৰ প্ৰেমত সাৰে থাকে ৰাতিৰ গুহাত।
ই যেন নষ্ট জন্মৰ লাজত ম্ৰিয়মান কুমাৰী মাতৃ,
স্বাধীনতা— এয়া জানো, নষ্ট জন্ম?
এয়া তেনেহ'লে পিতৃহীন জননীৰ লজ্জাৰ ফচল নেকি?
বতাহত মৰাশৰ গোন্ধ
নিয়ন লাইটৰ পোহৰত তথাপি নৰ্তকীৰ দেহত বৈছে মাংসৰ ধুমুহা।
মাটিত তেজৰ চেঁকুৰা-
চাউলৰ গুদামত তথাপি জমা হ, অনাহাৰী মানুহৰ হাড়।
এই চকুযুৰিত টোপনি নাই, গোটেই ৰাতিমোৰ টোপনি নাহে
তন্দ্ৰাৰ ভিতৰত শুনো মই ধৰ্ষিতাৰ কৰুণ চিৎকাৰ
নদীত মেটেকাৰ দৰে ভাহি থাকে মানুহৰ মৰাশ
মুণ্ডহীন বালিকাৰ কুকুৰে খোৱা বিভৎস শৰীৰ
ভাহি উঠে চকুৰ ভিতৰত -মই শুব নোৱাৰো, নোৱাৰো শুব।
তেজৰ চাদৰে ঢাকি থোৱা শ — কুকুৰে খাইছে যাক, শগুণে খাইছে যাক
তেওঁ মোৰ ভাইটি, তেওঁ মোৰ মা, মোৰ প্ৰিয়তম পিতাই।
স্বাধীনতা— তেওঁ মোৰ স্বজন হেৰুৱাই পোৱা একমাত্ৰ স্বজন,
স্বাধীনতা— তেওঁ মোৰ প্ৰিয় মানুহৰ তেজৰ মূল্যৰে কিনা অমূল্য ফচল
ধৰ্ষিতা ভনীজনীৰ শাড়ী সেয়া মোৰ ৰক্তাক্ত জাতিৰ পতাকা।



# ভাৰতীয় সংস্কৃতি

মূল ঃ ঋষি অৰবিন্দ
ভাবানুবাদ ঃ ■ ড° ৰঞ্জনা ভট্টাচাৰ্য্য

ভাৰতীয় সংস্কৃতি কেবল মাত্ৰ জীৱন বৈৰাগী, জগত বিদ্বেষী, আধ্যাত্মিক উৎকৰ্ষ সাধনৰ লক্ষ্য নহয়, এই সংস্কৃতিয়ে সমগ্ৰ বিশ্বক জীৱনৰ যুদ্ধক্ষেত্ৰ বুলি গ্ৰহণ কৰে য'ত মানৱ জাতিয়ে জীৱনৰ চৰম প্ৰাপ্তিৰ সুখ ভোগ নকৰা পৰ্য্যন্ত প্ৰতি নিয়ত সংগ্ৰামত ৰত হৈ থাকিবলগা হয়। মানুহে এই কামটো নকৰাকৈ থাকিব নোৱাৰে। এই অনুপ্ৰেৰণা আৰু পুষ্টি অবিহনে ভাৰতীয় সংস্কৃতি অস্তিত্ববিহীন, ক্ষণস্থায়ী এটা ধাৰণাত পৰিণত হ'ব। সংস্কৃতি মানে শিল্পকৰ্ম, সাহিত্য চৰ্চা, স্থাপত্য , বিজ্ঞান আৰু দৰ্শন আদি বিষয়ত সৰ্বশ্ৰেষ্ঠ পৰাকাষ্ঠা অৰ্জন নহয়। ইয়াৰ এক চালিকা শক্তি অৰ্থাৎ ক্ৰম বৰ্ধমান জীৱনী শক্তি থাকে। নিৰ্বাক, পৰিনিবৃত্তি বা যাক সাধাৰণ মানুহে 'নিৰ্বাণ' বুলি কয়, এয়ে ভাৰতীয় সংস্কৃতিৰ মূল লক্ষ্য নহয়। ভাৰতীয় সংস্কৃতি এক জীৱন্ত সংস্কৃতি। 'সমগ্ৰ বিশ্ব এক মহান শক্তিমান প্ৰাণ চৈতন্যৰ পৰা উদ্ভুত' কথাষাৰৰ বাস্তৱতাক ভাৰতীয় সংস্কৃতিয়ে স্বীকাৰ কৰে। চৰম প্ৰাপ্তিত উপনীত হোৱাৰ পথত এক মধ্যৱৰ্তী বাস্তৱিকতাৰ ধাৰণাক ভাৰতীয় সংস্কৃতিয়ে মান্যতা দি আহিছে।

ভাৰতীয় সংস্কৃতিৰ সমালোচকসকলে সদায় ভাৰতীয়সকলে বাস্তৱৰ বিশ্বখনৰ লগত সমানে খোজ মিলোৱাৰ অসমৰ্থতাৰ কথা উল্লেখ কৰে। তেওঁলোকৰ মতে, বিভিন্ন ক্ষেত্ৰত ইমান কৃতকাৰ্যতা আহৰণ কৰা স্বত্বেও ভাৰতীয় সংস্কৃতিত জীৱন বাস্তৱতাৰ লগত আকোৰ গোজ মানসিকতাৰ প্ৰত্যক্ষ সম্পৰ্ক নাই। ব্ৰিটিছ সাংবাদিক উইলিয়াম আৰ্চাৰৰ (William Archer) আলোচনা এক কথাত কবলৈ গলে অজ্ঞতাৰে আচ্ছন্ন আৰু ভাৰতৰ উজ্বলতৰ সাফল্যবোৰক ইচ্ছাকৃতভাবে বিকৃত কৰাৰ এক প্ৰচেষ্টা। কিন্তু এজন ইউৰোপীয়ানৰ বাবে এনে ধাৰণা কৰা মুঠেই অস্বাভাৱিক নহয়। পাশচাত্যৰ মনোভাৱেৰে ভাৰতৰ দৰে বিশাল সংস্কৃতিৰ দেশ এখনৰ বিপৰীত ধৰ্মী আদৰ্শ আৰু মূল্যবোধক অনুধাবন কৰা কঠিন।

বৃটিছ শাসনকালছোৱাত আমি পাশচাত্য সংস্কৃতিৰ কিছুমান বাহ্যিক বৈশিষ্ট্য আহৰণ কৰিছিলো। আমি আমাৰ ৰাজনৈতিক, অৰ্থনৈতিক সংগঠন আৰু বাহ্যিক আচৰণসমূহক পাশ্চাত্যৰ আদৰ্শেৰে গঢ় দিয়াৰ চেষ্টা কৰিছিলো। পশ্চিমীয়া ধাৰণামতে, বিশ্বব্ৰহ্মাণ্ড এটা প্ৰৱল শক্তিৰ ক্ৰিয়াৰ ফল মাথোন, যাৰ শিখৰত আছে মানুহ। বিশ্ব সম্পৰ্কত এই মানৱকেন্দ্ৰিক ধাৰণাটো বিজ্ঞানৰ দ্বাৰা প্ৰমাণিত সত্য নহয়। বিজ্ঞানে প্ৰতিপন্ন কৰিব বিচাৰিছে যে যান্ত্ৰিক প্ৰকৃতিৰ বিশাল শূণ্যতাহে সত্য। ইউৰোপীয় আদৰ্শত গুৰুত্ব দিয়া হয় ব্যক্তি সত্বা আৰু সুসংগঠিত যৌথ সত্বাৰ ওপৰত। ইউৰোপীয় সকলৰ বৈষয়িক উত্তৰণ আৰু সাহিত্য-শিল্পৰ পাৰদৰ্শিতাৰ প্ৰেৰণা হৈছে এই দুই সত্বা। এই দুই শক্তিক আপদাল কৰিছে যুক্তি, বিজ্ঞান, নীতি আৰু কলাৰ দ্বাৰা উদ্দীপিত এক উজ্জ্বল চেতনাই। খ্ৰীষ্টান ধৰ্মবোধৰ আতিশয্যইও ইয়াক সংগঠিত আৰু প্ৰভাৱিত কৰি তুলিছে। পশ্চিমীয়া সংস্কৃতি ঘাইকৈ শুভ-অশুভ ফল ব্যতিৰেকে সু-সংঘৱদ্ধ সামগ্ৰিক জীৱন আৰু বৌদ্ধিক আৰু বৈষয়িক অগ্ৰগতিৰ দ্বাৰা জাতীয় মৰ্যাদা বৃদ্ধি কৰাৰ আদৰ্শৰ ওপৰত প্ৰতিষ্ঠিত হৈছে। একে সময়তে কিন্তু যন্ত্ৰৰ আধিপত্যৰ পৰা মুক্তি লাভৰ এক মহৎ প্ৰচেষ্টাও ইয়াত সংযুক্ত হৈ আছে।

আনহাতে, ভাৰতীয় সংস্কৃতিৰ ধাৰণা হৈছে প্ৰতিটো বস্তু নাইবা জীৱেই স্বতন্ত্ৰ সত্বাৰ অধিকাৰী। এই স্বতন্ত্ৰ চেতনাৰ অন্বেষণ কৰিব লাগিব। এই চেতনাৰ সত্যৰে জীৱন-যাপন কৰাই ভাৰতীয় জীৱনৰ মূল উদ্দেশ্য। ভাৰতীয় দৃষ্টিত সমগ্ৰ বিশ্ব হ'ল এক মহা চৈতন্যৰ দ্বাৰা ধৃত আৰু নিয়ন্ত্ৰিত। প্ৰকৃতি হ'ল এই চৈতন্যৰ কাৰ্য্যকৰী ক্ষমতাৰ এটা যন্ত্ৰ মাথোন। অকল পদাৰ্থৰ পৰা উদ্ভুত প্ৰাণ আৰু মন নহয়। সি হ'ল এক চৈতন্য, যিয়ে প্ৰাণ আৰু মনক ব্যৱহাৰ কৰে। মানুহে প্ৰকৃতিৰ অঙ্গ হিচাপে হ'ল এক চৈতন্য যিয়ে প্ৰাণ আৰু মনক ব্যৱহাৰহে কৰে।

প্ৰাণ আৰু পদাৰ্থৰ দাসত্বৰ পৰা মনক মুকলি কৰা আৰু মহত্বৰ আধ্যাত্মিক চৈতন্য প্ৰাপ্ত হোৱাৰ প্ৰয়াসেই হৈছে মানৱ জীৱন পৰিক্ৰমা। ইয়াৰ অৰ্থ এইটো নহয় যে প্ৰাণৰ চাহিদা আৰু তৃপ্তিক বৰ্জন বা অৱহেলা কৰিব লাগে। ভাৰতীয় সংস্কৃতিত বস্তু, প্ৰাণ, মন আৰু বিবেক সকলোৱে সমান গুৰুত্বপূৰ্ণ। ই

প্ৰত্যেকেই চেতনাযুক্ত। প্ৰাণ হৈছে মানুহৰ উপলব্ধি বা জানিব পৰা শ্ৰেষ্ঠ বস্তু। মন, হৃদয় আৰু প্ৰাণ অবিহনে চেতনাই নিজকে আৱিষ্কাৰ কৰিব নোৱাৰে।

ভাৰতীয় সংস্কৃতিয়ে পাশ্চাত্য সংস্কৃতিতকৈ মানুহক অধিক গুৰুত্ব দিয়ে। পশ্চিমীয়াসকলে মানুহক অসহায় আৰু তুচ্ছ বুলি ভাবে। অধিকাংশৰ পৰিণতি মুক্তি নহয়, নৰক লাভ বুলি ভাবে। কিন্তু ভাৰতীয় পৰম্পৰামতে মানুহে ঈশ্বৰৰ সৈতে সংস্পৰ্শ লাভ কৰিব পাৰে যদিহে নিজৰ আভ্যন্তৰীণ শক্তিবোৰক ব্যৱহাৰ আৰু উন্মুক্তভাৱে প্ৰকাশ কৰিব পাৰে। মানুহৰ মন আৰু বুদ্ধি আলোকপ্ৰাপ্ত হ'ব পাৰে, বিশ্বপ্ৰেমত নিজকে নিয়োগ কৰিব পাৰে, নিজৰ প্ৰচণ্ড ইচ্ছাশক্তিৰ আধিপত্য প্ৰয়োগ কৰিব পাৰে, নীতিনিষ্ঠ জীৱন যাপন কৰিব পাৰে, নান্দনিক চেতনাৰে উদ্বুদ্ধ হব পাৰে, সৌন্দৰ্য্যৰ পূজাৰী হ'ব পাৰে আৰু সৰ্বোপৰি নিজৰ আন্তৰাত্মা পৰম শান্তি, ব্যাপ্তি আৰু আনন্দেৰে পূৰ্ণ কৰিব পাৰে। ইয়েই আধ্যাত্মিক মুক্তি আৰু ভাৰতীয় চিন্তাধাৰাত এই আধ্যাত্মিক মুক্তিক এক বাস্তৱ আৰু স্বাভাৱিক লক্ষ্য বুলি বিবেচনা কৰা হৈছে।

পাশ্চাত্য মন, যিয়ে অকল বহিৰ্জগতৰ অভিজ্ঞতালব্ধ তথ্যকে বোধগম্য বুলি বিশ্বাস কৰে, তেওঁলোকে অন্তৰাত্মাৰ ধাৰণাটো এটা অদ্ভুত কল্পনা বুলি ভাবে আৰু এক আচৰণ বিৰোধী, প্ৰহেলিকা মাথো বুলি পতিয়ন গৈ থাকে। ফলত মানৱজীৱন এক হীন আৰু অসহায় জীৱন বুলি বিভ্ৰান্ত হৈ থাকে। কিন্তু ভাৰতীয় চিন্তাত, মানুহে নিজৰ শক্তিসমূহ প্ৰয়োগ কৰি ঈশ্বৰত্ব প্ৰাপ্তিৰ (capable of Godhead) দিশত অগ্ৰসৰ হ'ব পাৰে। প্ৰাচীন ইউৰোপত Stoic, Platonist আৰু Pythagorean সকলে অৱশ্যে এনেধৰণৰ এটা লক্ষ্যৰে কথা ভাবিছিল। ঊনবিংশ শতাব্দীত Theosophy বা ভগবদ্‌জ্ঞান তত্বই ভাৰতীয় চিন্তা ধাৰাৰে উদ্বুদ্ধ হৈ এনে লক্ষ্য আৰু উদ্দেশ্যেৰে গঢ় লৈ উঠিছিল। অথচ বিজ্ঞান আৰু ধৰ্মৰ দ্বান্দিক অৱস্থিতিত উন্নতৰ এক অস্তিত্ব (supra-existence) ৰ ধাৰণা বিবেকচেতনা ৰহিত বুলিয়েই ভাবি আছিল। কিন্তু ভাৰতীয় সংস্কৃতি 'যথাকৰ্ম তথা শ্ৰুতম' অৰ্থাৎ 'কৰ্ম অনুসৰি পৰিত্ৰতম জ্ঞান কৰিব পাৰি'- এই অটল বিশ্বাসৰ ওপৰত প্ৰতিষ্ঠা লাভ কৰিছে। গতিকে এই জগতখন জীৱন্ত আৰু মানুহৰ আচৰণযোগ্য আৰু অন্তৰাত্মাৰ সুখ-শান্তি এই জীৱনৰ মূল লক্ষ্য বুলি অভিহিত কৰিছে।

স্বাভাৱিক আৰু দৈনন্দিন জীৱন যাত্ৰাৰ পৰা একে ঢাপে আধ্যাত্মিক পৰাকাষ্ঠা লাভ কৰিব নোৱাৰি। এই উত্তৰণ বা পৰাকাষ্ঠৰ পথত কেইটামান স্তৰ আছে। এই স্তৰবোৰ অতিক্ৰম নকৰি একেকোবে সাফল্যৰ শিখৰত উপস্থিত হোৱাটো সম্ভৱ নহয়। পৰৱৰ্তীকালত এই স্তৰবোৰ অতিক্ৰম নকৰি, জাগতিক বিষয় ভোগ সম্পৰ্কত অনীহা বা উদাসীন হৈ একমাত্ৰ তপশ্চৰ্যাৰ সহায় লৈ আধ্যাত্মিক সাফল্য নাইবা অন্তৰাত্মাৰ পৰম সুখ পোৱা যায় বুলি ভাবি লোৱা হৈছিল। এই বিচ্যুতিপূৰ্ণ ধাৰণাটোকে ভাৰতীয় সংস্কৃতিৰ প্ৰধান লক্ষণ বুলি ইউৰোপীয়ান সকলে ধৰি লৈছিল। কিন্তু ভাৰতীয় সংস্কৃতিৰ গুঢ়াৰ্থ অনুধাৱন কৰিবলৈ ইয়াৰ সামগ্ৰিকতাক যথোচিত ভিত্তি হিচাপে ধৰি ল'ব লাগিব। ভাৰতীয় সংস্কৃতিত বিভিন্ন ধাৰা আছে— কোনোবাই কৈছে যে জগৎ হ'ল মায়া, আকৌ কোনো মণীষীয়ে কৈছে জগৎ হ'ল বিশ্বসত্তাৰ লীলা, আন কোনো কোনোৰ মতে জগতখন অৰ্ধবাস্তৱ। ভাৰতীয় সংস্কৃতিয়ে দৃঢ়তাৰে ঘোষণা কৰে যে মানুহে স্বাভাৱিক জীৱন-যাপন কৰিব লাগে, জীৱসত্বাৰ শক্তি আৰু উদ্দেশ্যক পৰিমাপ কৰিব লাগে। বহু কৃচ্ছ সাধনাৰ পিছত মানুহে আধ্যাত্মিক সাফল্য লাভ কৰিব পাৰে, হেজাৰ বছৰত এবাৰ মানৱাত্মাই হেজাৰ জীৱনৰ মাজেৰে গতি কৰি বহু আকাংক্ষিত জীৱন বীক্ষা লাভ কৰিব পাৰে। এই বীক্ষা লাভৰ প্ৰক্ৰিয়াৰ পথত ভালেমান স্খলন হ'ব পাৰে, আনকি পশ্চাদগমনো হ'ব পাৰে। শেষত কৰ্মৰ জৰিয়তে এই অভিজ্ঞতাবোৰৰ দ্বাৰা জ্ঞান লাভ কৰা যায়।

ভাৰতীয় দৃষ্টিভঙ্গীত, মানৱ জীৱন অন্তৰাত্মাৰ চৰম আধ্যাত্মিক বিৱৰ্তনৰ এটা সুযোগ। এই দৃষ্টিকোণত জীৱন হেয় নহয়। জীৱন কোনো কালে নিন্দনীয় নহয়। জীৱনৰ এটা সমন্বিত আৰু সংযমৰ নীতি অনুসৰণ কৰি জীৱনৰ ৰম্য উদঘাটন কৰি ৰং আৰু ৰূপত পৰিপূৰ্ণ কৰি তুলিব লাগিব। জীৱনক উপভোগ কৰিব লাগিব। পাশ্চাত্য সমালোচনাবোৰ ভাৰতীয় মূলৰ মহাকাব্য, নাট সমূহৰ সম্যক জ্ঞান নথকাৰ বাবে পূৰ্ববৰ্তী কেইটামান মন্তব্যৰ ওপৰত প্ৰতিষ্ঠিত হয়। সংস্কৃতিয়ে কেৱল মাত্ৰ জীৱন আৰু তাৰ আনন্দকহে প্ৰোৎসাহিত নকৰে, গুৰুত্বপূৰ্ণ কথাটো হ'ল সংস্কৃতিয়ে জীৱনক এটা নিয়ন্ত্ৰণৰ নীতি দি থাকিব আৰু তাক আধ্যাত্মিক সাফল্যৰ দিশত পৰিচালিত কৰিব। অতিশয় বিজ্ঞতাৰে সৈতে বহু শতাব্দী ধৰি ভাৰতীয় সংস্কৃতিয়ে এই দুই কথা সমন্বিত কৰি আহিছে।

আমাৰ সত্তা পৰ্য্যায়ক্ৰমে উন্নীত হয়, ইয়ে অগ্ৰগতি বা উত্তৰণ। জীৱনত জটিলতা আৰু বিশৃংখলাৰ মাজত এটা শৃংখলা আনিব লাগিব। ভাৰতীয় সংস্কৃতিয়ে ইয়াকে সোঁৱৰায়। মানুহৰ প্ৰাথমিক চাহিদা যেনে– সুখভোগ আৰু নিজস্বতা (selfhood) ক ভাৰতীয় সংস্কৃতিয়ে গুৰুত্ব দিয়ে। কিন্তু অকল সুখ আৰু নিজা স্বাৰ্থৰ বাবে উন্মাদ হোৱাটো, যি পাশ্চাত্যৰ সৰহভাগ মানুহেই কৰাত অভ্যস্ত, এই ধাৰণা যে অনুচিত তাকো প্ৰতিপন্ন কৰাৰ চেষ্টা কৰে। কাৰণ আত্মশাসন আৰু সংহতিৰ প্ৰয়োজন আছে। সুখভোগৰ বাবে উগ্ৰবাসনা ভাৰতীয় সকলৰ চাৰ্বাকৰ

দৰ্শনত লক্ষ্য কৰিছোঁ, কিন্তু আত্মকেন্দ্ৰিক সুখানুভৱক ভাৰতীয় সকলে অসুখ আৰু ৰাক্ষসৰ স্বভাৱ বুলি বৰ্ণনা কৰিছে। ভাৰতীয় দৰ্শনে কামনা-বাসনা, স্বেচ্ছাচাৰ, স্বাৰ্থবোধতকৈ ধৰ্মকহে অধিক গুৰুত্ব দিছে।

ভাৰতীয় সংস্কৃতিত ধৰ্ম কোনো ধৰ্মীয় বিশ্বাস বা ধৰ্মীয় আচাৰ নহয় বা কোনো নৈতিক বা সামাজিক ৰীতি-নীতিও নহয়। ধৰ্ম হ'ল এটা স্ব-আৰোপিত নিয়ন্ত্ৰণ। গতিকে ই কঠোৰভাৱে নিৰ্দ্দিষ্ট নহয়। ব্যক্তিৰ স্বতন্ত্ৰ স্বভাৱে ইয়াক নিয়ন্ত্ৰণ কৰে। যেনেদৰে বিভিন্ন বৃত্তি বা পেচাৰ বাবে একেধৰণৰ শিক্ষা পদ্ধতি নহয়, তেনেদৰে বিভিন্ন প্ৰকৃতিৰ মানুহৰ বাবে এটাই নিৰ্দ্দিষ্ট ধৰ্ম নহয়। ধৰ্মৰ স্থান এই বিভিন্নতাৰ ভিতৰত থাকিব লাগে। পৰিস্থিতি সাপেক্ষে বহু চিন্তা-ভাৱনাৰে এখন জ্ঞান সমৃদ্ধ আৰু বোধগম্য নিয়ম আৰু আচৰণবিধি প্ৰস্তুত কৰি ল'ব লাগে। এনেধৰণে ভাৰতবৰ্ষত ধৰ্ম মানুহৰ সমগ্ৰ প্ৰকৃতিৰ পৰাকাষ্ঠাৰ বাবে এটা পালনীয় নিয়ম আছিল। প্ৰত্যেক স্বতন্ত্ৰ ব্যক্তিসত্তাৰ বাবে বিশেষ বিশেষ নিয়ম যি নিয়মে উন্নতিৰ মন্ত্ৰ শিকায়। মহৎ আৰু ভাল মানুহৰ বাবে, আৰ্য্যৰ বাবে আছিল ধৰ্ম। ধৰ্ম কেৱল মাত্ৰ নৈতিক আচৰণ নহয়, এইটো বৌদ্ধিক, ধৰ্মীয়, সামাজিক, নান্দনিক ইত্যাদি সকলো সামৰি সমগ্ৰ প্ৰকৃতিৰ পৰাকাষ্ঠাৰ বাবে এটা পালনীয় নিয়ম মাত্ৰ। আৰ্য্যসকলক হৃদয়েৰে জ্ঞানশীল, কৰুণাপৰায়ণ, ধৈৰ্য্যশীল, উদাৰ আৰু দয়াশীল; চৰিত্ৰত সাহসী, বীৰ, উদ্যমশীল, সত্যবাদী আৰু শক্তিশালী, বিনয়ী, কঠোৰ আৰু স্বাধীন হোৱাৰ পথ দেখুৱাইছিল। মনৰ ফালৰ পৰা বিজ্ঞ, বুদ্ধিমান, বিদ্যোৎসাহী, কবিতা-শিল্প-সৌন্দৰ্য্য সম্পৰ্কত সংবেদনশীল আৰু হিতকাৰ্য্যত নিপুণ আৰু অন্তৰাত্মাত ঈশ্বৰ প্ৰেমিক, ধৰ্মাচাৰী, সৰ্বোত্তম লাভৰ বাবে প্ৰয়াসশীল, সামাজিক সম্পৰ্কত পৰিয়াল-জাতি-গোষ্ঠী আৰু দেশৰ প্ৰতি কৰ্তব্যপৰায়ণ হোৱাৰ কথা কৈছিল। এই সকলো গুণ সম্পন্ন মহৎ আৰু ভাল মানুহ ভাৰতীয় সভ্যতা-সংস্কৃতিৰ ভিত্তি বা বুনিয়াদ স্বৰূপ।

কিন্তু এইটোৱেই শেষ কথা নহয়। আধ্যাত্মিক উৎকৰ্ষ সাধন আৰু ঐশিক গুণসম্পন্ন হৈ এই 'ভাল' মানুহবোৰে মুক্তি বা পৰাকাষ্ঠাৰ পিনে গতি কৰে বুলি এটা ধাৰণা পোষণ কৰে ভাৰতীয় দৰ্শনে। সুশৃংখল সমাজ গঢ়াৰ স্বাৰ্থত স্বতন্ত্ৰ ব্যক্তিসত্বাই স্বাভাৱিক প্ৰয়োজন আৰু জাগতিক চাহিদাবোৰ পূৰণ কৰাৰ বাবে অত্যাৱশ্যকীয় জ্ঞান আৰু কৰ্মৰ সংগতিপূৰ্ণ ক্ৰিয়াকলাপৰ কথা ভাৰতীয় সংস্কৃতিয়ে মানি লৈছে। এই সকলো কাম ধৰ্মৰ দ্বাৰা নিয়ন্ত্ৰিত হয়। উন্নতিৰ চেতনা লাভৰ উদ্দেশ্যটো দৃষ্টিত সদায় থাকিব লাগিব। ভাৰতীয় দৰ্শনে মানুহৰ স্বভাৱৰ স্ফূৰ্তি আৰু সংযমৰ সমন্বয়ৰ কথা উল্লেখ কৰিছে। ভাৰতীয় সংস্কৃতিয়ে যি আদৰ্শৰ কথা উল্লেখ কৰে সি অধৰা, অস্পৰ্শী লক্ষ্যবস্তু নহয়, মানসিক অনুশাসনৰ দ্বাৰা ইয়াক লাভ কৰিব পাৰি। প্ৰত্যেক ব্যক্তিৰ নিজস্ব স্বভাৱ আৰু শক্তি অনুযায়ী বাস্তৱ, আচৰণযোগ্য এক আদৰ্শই যুগে যুগে ভাৰতীয় সংস্কৃতিক আলোকিত কৰি আহিছে। ■

অনুভৱৰ স্বৰ

# স্মৃতিৰ অনুলেখা

■ বনশ্ৰী গোস্বামী
স্নাতক পঞ্চম ষাণ্মাসিক, ইংৰাজী বিভাগ

'বিদ্যয়া বিন্দতে অমৃতম্' নলবাৰী মহাবিদ্যালয়। নলবাৰী মহাবিদ্যালয়খনৰ আনুষ্ঠানিকভাৱে জন্ম হৈছিল ১৯৪৫ চনৰ ৪ জুলাইত। এই মহাবিদ্যালয়খনৰ বিভিন্ন ছাত্ৰ-ছাত্ৰীবোৰৰ ভিতৰত ময়ো এগৰাকী হ'বলৈ পাই গৌৰৱ অনুভৱ কৰো।

এইখন মহাবিদ্যালয়ত মই ২০১৫ চনত ইংৰাজী বিষয়ত অনাৰ্চ লৈ নামভৰ্ত্তি কৰিছিলো। নামভৰ্ত্তি কৰা সময়ত মই একেবাৰে সুখী নাছিলো, কাৰণ মোৰ প্ৰাণীবিজ্ঞান বিষয়টোৰ প্ৰতিহে বেছি ৰাপ আছিল। মোৰ উচ্চতৰ মাধ্যমিক পৰীক্ষাৰ ফলাফলত কিছু বিসংগতি অহা বাবে মই মোৰ ইচ্ছাৰ বিৰুদ্ধে বিষয় নিৰ্বাচন কৰিবলগা হৈছিল। প্ৰথম যান্মাসিক আৰু দ্বিতীয় যান্মাসিকৰ সময়খিনিত মোৰ একেবাৰেই মন বহা নাছিল। এই ফালে মনৰ বিপৰীত বিষয়, সেই ফালে নতুন বন্ধু-বান্ধৱীসকল, দুই এজনৰ বাহিৰে তেনেকুৱা চিনাকি কোনো বন্ধু বা বান্ধৱী নাছিল। ক'ব গ'লে সেইকেইটা দিন মোৰ কাৰণে মহাবিদ্যালয়খনত নৰক যেন লাগিছিল। তাৰ পিছত লাহে লাহে তৃতীয় যান্মাসিকৰ পৰা কিছু কিছু বন্ধু-বান্ধৱীৰ সংখ্যা বাঢ়িল মোৰ, লাহে লাহে ইংৰাজী বিষয়টোৰ প্ৰতিও ৰাপ সোমাল, পঢ়ি ভাল লগা হ'ল। নম্বৰবিলাকৰো কিছু পৰিমাণে উন্নতি হ'ল।

Results confirmed that both suicidal and violent patients have more death content and destructive violence in their dreams, but also that this was a function of the severity of depression and certain character traits such as impulsivity, rather than being specific to the behavior itself.

If a person had a dream where they were dreaming during their dream is called lucid dream. Research has shown that lucid dreaming is accompanied by an increased activation of parts of the brain that are normally suppressed during sleep. Lucid dreaming represents a brain state between REM sleep and being awake.

A study investigating anxiety dreams in children aged 9-11 years observed:

* Girls reported a higher frequency of anxiety dreams than boys, although they could not remember their dreams more often.

* Girls dreamt more often than boys about the loss of another person, of falling, of socially disturbing situations and small animals, of animals as aggressors, of family members (mainly siblings) and other female persons of known identity.

A study of older children and adolescents aged 10-17 years, comparing those with neurotic disorders with healthy subjects, found in left - handers:

* Subjects expressed less novelty factor and frequent appearance of rare phenomena, such as "mixed" (over lapped) dreams, prolonged dreams in repeat sleep, frequent changes of personages and scenes of action.

* Dream peculiarities detected only in neurotic patients but not in healthy subjects emerged as lucid phenomena deficit, "dream in dreams" and "dream reminiscence in dream" syndrome, only found in left-handers.

Right and left hemispheres of brain seem to contribute in different ways to a dream formation. Authors from the study believe that the left hemisphere seems to provide dream origin while the right hemisphere provides dream vividness, figurativeness and affective activation level.

Studies have shown that blind participants have fewer visual dream impressions compared with sighted participants. Congenitally blind participants reported more auditory, tactile, gustatory and olfactory dream components compared with sighted participants. Blind and slighted participants did not differ with respect to emotional and thematic dream content.

Some dreams may seem to predict future events. Experts suggest that when this happens, it is usually due to coincidence, a false memory or the unconscious connecting together known information. Dreams may help people to learn more about their feelings, beliefs and values. Images and symbols that appear in dreams will have meanings and connections that are specific to each person. People looking to make sense of their dreams should think about what each part of the dreams mean to them. Books or guides that give specific, universal meanings to image and symbols may not be useful.■

# How Indian Classical Music is Different

■ **Hrishikesh Sarma**
*H.S. 2nd year*

The Indian music basically includes the Hindustani music and the Carnatic music. These two forms have major differences between them. But while considering them as one and referring to them as Indian classical music, the major difference between Indian classical and western music are:-

Indian classical music focuses more on melody created using a sequence of notes. Different melodies are constructed using the rules of different ragas. In Western classical music apart from melody, there is stress on harmony too. By harmony I mean different notes are played together instead of in a sequence. Both harmony and melody are important in western classical music.

Western classical music is composed and written beforehand on a staff (a paper with musical symbols writen on it.) Then, when it is being played it is played according to whatever is writen on the staff. Indian classical music is not writen, has a lot of scope for improvisation. Singer/musician can change improvise the sequence of ontes while singing playing the music. No such improvisation is allowed in western music, where everything should be according to the staff notations.

Indian classical music has root in spirituality and has a close association with nature. Ragas have specific times of day or season associated with them. Western classical music has no such connection. It is more based on individual experiences, occasions with dance celebrations, entertainment etc.

Rhythm:

There are 4 beat (Keherwa/Adtalam), 6 beat (Dadra/Rupakam), 7 beat (Rupak/Mishra Chapu), 16 beat (Teen) in western as well. Western bas a mathcore style which employs changes in beat cycle and uses mathematical patterns in the rhythm progression. I came to know recently Indian classical also flaunts a very complex tala system. Ustaad Alla Rakha and Ustad Zakir Hussain immortalized Hindustani tala system across the world. I still can't believe how they did percussion-only-solo concerts.

Unbelievably awesome! ■

*(Source : Internet)*

# Bio-Diversity

■ **Alindita Talukdar**
*3rd Semester, Geography Detpt.*

Biodiversity is the shortened form of two words "Biological" and "Diversity". It refers to all the variety of life that can be found on earth like plants, animals, fungi and micro-organisms as well as to habitats in which they live. "Biological diversity means the variability among living organisms from all sources including, interalia, terrestrial, marine and other aquatic ecosystems and the ecological complexes of which they are part : this includes diversity within species, between species and of ecosystems.

Biodiversity is not only the sum of all ecosystems, species and genetic material. Rather, it represents the variability within and among them. It can be distinguished from the expression, Biological resources, which refer to the tangible components of ecosystem. Biological resources are real entities like a particular species of bird, a wheat variety growing in a field, oak wood etc. while Biological diversity is rather an attribute of life, the variety of bird species, the genetic variability of wheat around the world, forest types etc.

Biological Diversity is often understood at three levels-

1. Species diversity refers to the variety of different species like plants, animals, fungi and micro-organisms such as trees, elephants or bacteria.

2. Genetic diversity corresponds to the variety of genes contained in plants, animal etc. It occurs within a species as well as between species.

3. Ecosystem diversity refers to all the different habitats or places that exist like tropical or temperate forests, hot and cold deserts, hut lards, rivers, mountains, coral reefs etc.

Each ecosystem corresponds to a series of complex relationships between biotic living components such as plants and animals and abiotic non-living components which include sunlight air, water, minerals and nutrients. ■

# Sports and Health

■ **Dibya Moni Haloi**
*6th Semester, Botany Deptt.*

Whether it's a pickup game of Basketball or an organized Water Polo league, playing sports can make you healthier and happier because of the physical activity involved. Playing sports contributes to muscle development, coordination, cardiovascular health and numerous other benefits associated with disease prevention Physical activity can help chronic diseases including cardiovascular disease, diabetes, cancer, hypertension, obesity, depression and osteoporosis, according to Sports and Development, Organization.

Different sports, different benefits : Some sports are associated with particular health advantages. For example, bowling can help achieve greater bone density because of the frequent heavy lifting. Fencing might help ward off cognitive decline, given the complex thinking associated with this sport. People who play volleyball benefit from increased hand-eye coordination and flexibility. Ping-pong also helps players increase hand-eye coordination, while also promoting better brain health because of the fast thinking involved.

In the body, in the mind : It's not just your body that benefits from sports. Playing sports contributes to mental health. helping to prevent depression and increase self-esteem and body image, according to sport and development. org. Individuals who participate in sports might also benefit from the social aspect, developing friendships with teammates and feeling part of a group. Children can learn positive mental health skills including accountability leadership and dedication. According to the University of Missouri Children's Hospital playing sports is a key strategy for reducing stress, because your body releases feel-good endorphins while exercising.

Getting Physical : Playing sports can help people achieve fitness goals related to weight loss, muscle development and fat reduction because of the physical activity involved. Children who play sports are less likely to experience childhood obesity. Physical activity is associated with hormone regulation and strengthening the immune system; it reduces risk factors of life-killing diseases and prolongs optimal health of human beings.■

# To my Melody Queen, Shreya Ghosal

■ **Diganta Deka**
*B.A. 4th Sem., Dept. of English*

When thou sing
I get lost in thy melody,
I feel the deep passions
That come from thy heart
Worm like, the seen
On the beach of midday.
When I listen closely, there is a song
Some are love and some are sad;
I can listen to the all day long
It's my love for thee
Or whatever it can be
Thy melody, is the life
That is inside me.



# You

■ **Mriganka Choudhury**
*B.Sc. 1st Sem., Zoology Dept.*

In my dream is you
Holding my hands beside your arms,
Resting on my shoulders.
Talking to me like a child
With a sense of childhood innocence
Walking on a moonlight night
Like an angel fallen from heaven
Never leave my side
Dying to take you for a ride.
Do blossom in my garden as flowers
Like the sky bowers, the showers!

# Turning Point....

■ **Kaushik Kashyap**
*B.Sc 1st Semester, Physics dept.*

Life is full of uncertainties
Accepting it unquestioningly
Is what we should do
Everything we run away from
Everything we deny
Serves to defeat us at the end of the day
So where is the point of hiding from the reality
Moving away from the problems
Will only give us the tag of coward
What seems nasty and painful
Can turn into a source of joy, happiness and strength
If uncertainties are accepted and faced with an open mind.
Going with the flow
Will not bring happiness to our life
Rather accepting the bitter truth
And facing the problems
Can bring the Turning Point in our life.

# An Untitled Poem

■ **Bhaskar Jyoti Barman**
*Dept. of English 2nd Semester*

When your heart drowns deep
When every little star sleeps
Neve feel lonely, O dear,
For I shall always be there!

Destiny may play its part
Distance may pull us apart
Be happy always, O dear,
For I shall aways be there!

Neither sorrow makes your happiness fly
Nor bain makes your eyes cry
Walk ahead with a smile, My dear,
For I shall always be there!

Shine like the full moon, O dear,
As I shall be your sky, for ever!

# The Half An Hour

■ **Banjita Chakraborty**
*Dept. of English, B.A. 2nd Semester*

I am thinking about the half an hour
Spending with you
Without any hesitation talking, laughing
playing with you
I am thinking about the half an hour
spending with you
Without any hesitation coming
closer to you
I am thinking about the half an hour
spending with you
Without any hesitation knowing
all about you,
But, unfortunately I have not got
Your Name and
Hoping for another half an hour
With you to know you more.




# Dream

■ **Pulakesh Das**
*B.A. 5th Semester*

I saw a dream
The dream was
Full of cream.
I saw there
Goffy and Mickey,
I saw there
Minnie and Dickey,
I also saw there
Tom and Jerry.
The twin celebrate,
Their flower fairy.
When the alarms call
Tink, tank, trunk,
From my bed
I have a greatball.

বিশেষ প্ৰতিবেদন

# নলবাৰী মহাবিদ্যালয়ৰ প্ৰাচীৰে কথা কয়

*ছাত্ৰ-ছাত্ৰীৰ সৃষ্টিশীল মানসিকতাৰ পৰিচয় বহন কৰে প্ৰাচীৰ পত্ৰিকাই। ২০১৬-১৭ বৰ্ষত প্ৰায় প্ৰতিটো বিভাগে নিজস্ব বিষয় বস্তুৰে প্ৰস্তুত কৰি উলিয়াইছে বিভাগীয় প্ৰাচীৰসমূহ। নলবাৰী মহাবিদ্যালয়ৰ আলোচনীৰ পৃষ্ঠাত তাৰেই এক চমু অৱলোকন।*

**— জিমনী দেৱী, বনশ্ৰী বৈশ্য**



১। BONSAI (**উদ্ভিদ বিজ্ঞান বিভাগ**) ঃ

সম্পাদক ঃ ত্ৰিদীপ তালুকদাৰ আৰু ভাৰ্গৱ কলিতা

চিত্ৰসজ্জা ঃ বনশ্ৰী বৈশ্য, তৃষ্ণা ভট্ট, নিতু দেৱী।

সদস্য ঃ তৃতীয় ষাণ্মাসিকৰ সমূহ ছাত্ৰ-ছাত্ৰী

সেউজ পৃথিৱীখনক এগৰাকী নাৰীৰ ৰূপত অলংকৃত কৰি 'Save Mother Earth' শ্লোগানেৰে প্ৰাকৃতিক পৰিৱেশৰ বিষয়বস্তুৰে এখন আটকধুনীয়া প্ৰাচীৰ পত্ৰিকা প্ৰস্তুত কৰি উলিয়ায় এই বিভাগে। চিত্ৰসজ্জা আৰু অলংকৰণ অগতানুগতিক আৰু উৎকৃষ্ট। "BONSAI" ত সন্নিবিষ্ট লিখাসমূহৰ ভিতৰত ঃ

* Mother Earth : Banashree Baishya & Bhargab Kalita
* Rhino Poaching in Assam : Tridip Talukdar
* Rice field cultivation in Indonesia : Niharika Dutta & Bhabarnab Tamuli
* Importance of tropical rainforest : Bishal Jyoti Samra

**কবিতা ঃ**

* মোৰ গান ঃ ড° নমিতা ডেকা (অধ্যাপিকা)

বিভাগটো জেষ্ঠ্য অধ্যাপক ড° প্ৰবোধ শৰ্মাই প্ৰাচীৰ পত্ৰিকাখন উন্মোচন কৰে নৱাগত আদৰণি সভাৰ দিনাখন। 'BONSAI'ৰ সংকল্পনা-প্ৰযোজনা উন্নত মানদণ্ডৰ। অনাগত দিনতো উদ্ভিদ বিজ্ঞান বিভাগে এনে উপহাৰ মহাবিদ্যালয়খনক দিব বুলি আমি আশাবাদী। বিভাগটোৰ তৃতীয় ষাণ্মাসিকৰ সমূহ ছাত্ৰ-ছাত্ৰীৰ সহযোগত এখন অতীৱ সুন্দৰ প্ৰাচীৰ পত্ৰিকা প্ৰস্তুত হৈ উঠিছে।

প্ৰাচীৰ পত্ৰিকাখনিত অন্তৰ্ভুক্ত লেখাসমূহ এনেধৰণৰ ঃ

* Metalie hydrogen - a future of technology : Samiran Talukdar
* Is this food awesome?:
* Interesting facts about argon : Barasha Sarma
* Tobacco- Powered aeroplane :

বহুতো নজনা কথা প্ৰাচীৰ পত্ৰিকাখনৰ যোগে ছাত্ৰ-ছাত্ৰী সকলে উপস্থাপন কৰিছে।

২। **ৰ'দালি (অসমীয়া বিভাগ)** ঃ

অসমীয়া বিভাগৰ মুৰব্বী অধ্যাপক পংকজ দত্ত বৰুৱাদেৱে 'ৰ'দালি' শীৰ্ষক প্ৰাচীৰ পত্ৰিকাখন উন্মোচন কৰে।

চিত্ৰ ঃ ধনজিৎ বৈশ্য, মানৱ শৰ্মা, পংকজ দাস, চিন্ময় বৰ্মন। বিভাগীয় ছাত্ৰ-ছাত্ৰীৰ প্ৰতিভা বিকাশ ঘটোৱা প্ৰাচীৰ পত্ৰিকাখনত সৰহ সংখ্যক কবিতা প্ৰকাশ হোৱা দেখা গৈছে।

গভীৰ বিষয়বস্তু বা ভাৱ গধুৰ কবিতা কেইটামানৰ লিখক সহ শিৰোনাম উল্লেখ কৰা হ'ল-

* তিলোত্তমা ঃ ভাস্কৰ ভট্ট
* দৰিদ্ৰ লোকৰ সপোন ঃ পংকজ দাস
* মোৰ ফাগুণ ঃ মৃদুল বৈশ্য
* শব্দ ঃ হিৰকজ্যোতি বৈশ্য
* কবিতাৰ বৰণ ঃ পংকজ দত্ত বৰুৱা

অসমীয়া বিভাগৰ প্ৰাচীৰ পত্ৰিকা হিচাপে তত্ত্বগধুৰ লেখাৰ অভাৱ অনুভৱ হ'ল। আশাকৰো, অনাগত সময়ত বিভাগটোৱে এই বিষয়ৰ ওপৰত নজৰ ৰাখি এখন মনোৰম প্ৰাচীৰ পত্ৰিকা উন্মোচন কৰি সকলোকে কৃতাৰ্থ কৰিব।

৩। AUREOLA **(ৰসায়ন বিজ্ঞান বিভাগ)** ঃ

সম্পাদক ঃ আস্ফাকুৰ ৰহমান

সহঃসম্পাদক ঃ সমীৰণ তালুকদাৰ, জুলিয়াচ বড়ো

উপদেষ্টা ঃ মদন চন্দ্ৰ মেধি, ড° নৰজ্যোতি ডেকা, ড° ধঞ্জুমনি পাঠক, ড° ৰূপম শৰ্মা, ড° ধীৰাজ তালুকদাৰ, ড° পূৰৱী শৰ্মা

৪) **'ৰামধেনু' (অৰ্থনীতি)** ঃ

নবাগত আদৰণি সভাত উন্মোচন কৰা অৰ্থনীতি বিভাগৰ প্ৰাচীৰ প্ৰত্ৰিকাখন খুবেই শোভনীয় হৈছে। 'ৰামধেনু শীৰ্ষক প্ৰাচীৰ পত্ৰিকাখনৰ চিত্ৰকলাও যথেষ্ট উন্নত। "ৰামধেনু"ত- সন্নিবিষ্ট লিখাসমূহ ৰাজ্য তথা দেশৰ অৰ্থনৈতিক ঘটনা পৰিঘটনাৰ ওপৰত আধাৰিত। তাৰ ভিতৰত ঃ

* GST in India : Papari Kalita
* Pocket money of India kids : Bidisha Deka
* Tax heaven and Black money : Pampi Sarma

**কবিতাৰ ভিতৰত** ঃ

* The rainbow : Simi Kalita
* মৌপিয়া মই ঃ জয়শ্ৰী দাস

৫) RIPPLE **(ইংৰাজী বিভাগ)** ঃ

সম্পাদক ঃ সৌৰভ কুমাৰ বড়ো

সহঃ সম্পাদক ঃ সাগৰিকা, মানস, নীলাঞ্জনা, বনশ্ৰী, জেউতী, বন্দিতা

সদস্য ঃ ৰিমা, চাহিল, মানসী, বিজিতা, নীলাক্ষী, কৃষ্ণ, অমৰ, লক্ষ্য, দিপাংকৰ।

বিভাগীয় ছাত্ৰ-ছাত্ৰীৰ প্ৰতিভাক বিকাশ ঘটোৱা প্ৰাচীৰ পত্ৰিকাখন নৱাগত আদৰণি সভাৰ দিনাখন উন্মোচন কৰে। সমাজ ব্যৱস্থা তথা সামাজিক চিন্তা-ধাৰাৰ ওপৰত ভিত্তি কৰি ভালেমান লেখত ল'বলগীয়া প্ৰবন্ধ প্ৰাচীৰ পত্ৰিকাখনত অন্তৰ্ভুক্ত হৈছে। তাৰ ভিতৰৰ কেইটামান ঃ-

* Feminism : Himashree Sarma
* English as global language : Rima Rani Baishya
* Bravo : Nilanjana Sarma
* How we can get success : Rima Barman

**কবিতা** ঃ

* Weeping tree : Bhupali Rajbongshi
* Dear maa : Sagarika Kalita

৬। **নিজৰা (ভূগোল বিভাগ)** ঃ

চিত্ৰসজ্জা ঃ ভাৰ্গৱ, পৰিস্মিতা, ৰোজলিম, শিখা, জ্যোতিৰ্ময়, বৰষা, দ্বিপজ্যোতি।

বোৱঁতী নিজৰাৰ দৃশ্যপটেৰে অলংকৃত এখনি বিনন্দীয়া 'নিজৰা' শীৰ্ষক প্ৰাচীৰ পত্ৰিকা নিৰ্মাণ কৰি উলিয়াইছে।

'নিজৰা'ত অন্তৰ্ভুক্ত লিখাসমূহৰ ভিতৰত ঃ

* Mairine Pollution : Bhargab Sarma
* Earth our home : Parismita Goswami
* Global warming : Chandrasmita Rajbongshi
* সমুদ্ৰ মন্থন ঃ হিমাংশু দাস

**কবিতা** ঃ

* নিজৰা ঃ মল্লিকা শৰ্মা
* প্ৰকৃতি ঃ ৰোজলিন আহমেদ

বিভাগীয় ছাত্ৰ-ছাত্ৰীৰ সম্পাদনাত খুবেই নিয়মানুগত হৈ উঠে প্ৰাচীৰ পত্ৰিকাখন। আশাকৰো, আগন্তুক বৰ্ষতো এই নিয়মানুৱৰ্তিতা বজাই ৰাখিব।

৭। **অৱলোকন (বুৰঞ্জী বিভাগ)** ঃ

নলবাৰী মহাবিদ্যালয়ৰ অধ্যক্ষ মাননীয় ড° দীপক গোস্বামীদেৱে নৱাগত আদৰণি সভাৰ দিনাখন 'অৱলোকন' শীৰ্ষক প্ৰাচীৰ পত্ৰিকাখন উন্মোচন কৰে। অসম তথা ভাৰতবৰ্ষৰ ইতিহাস প্ৰসিদ্ধ ঘটনাৱলীৰ বিৱৰণ থকা লিখনি কেইটামান উল্লেখনীয়।

'অৱলোকন'ৰ অন্তৰ্গত লিখাসমূহৰ ঃ

* আহোম স্বৰ্গদেউৰ অৱদান ঃ ৰিংকি শৰ্মা
* চৰাইদেউৰ মৈদাম ঃ পৰাগ কলিতা

* পাইক প্ৰথা ঃ জুমি বৈশ্য

**কৱিতা ঃ**

* আহোম ঃ মৃদুল ডেকা

৮। MATRISE **(গণিত বিভাগ) ঃ**

চিত্ৰ ঃ সীমান্ত বৰ্মন, হৃদয়মনি হাজৰিকা

সদস্য ঃ অঞ্জলিকা, মধুস্মিতা, সোণালী, সাগৰিকা, ধৃতিস্মিতা, অমৰ, অভিনৱ, সৌৰৱ ইত্যাদি। 'Matrix' শীৰ্ষক গণিত বিভাগৰ প্ৰাচীৰ পত্ৰিকাখন খুবেই শোভনীয়। লেখাসমূহ উন্নত, তাৰ ভিতৰত ঃ

* King of mathematics : Manash Pratim

* Mathematics in development of science & technology : Kaushik Kumar Deka

* Paradox : Neelabh Deka

* Sri Lakkoju Sanjeevaraya Sharma : Abhinava Barman

গণিতৰ বিভিন্ন আলোকচিত্ৰ সম্বলিত প্ৰাচীৰ পত্ৰিকাখনে গণিত বিভাগৰ ছাত্ৰ-ছাত্ৰীৰ কলাসুলভ মানসিকতাক প্ৰমাণ কৰিছে।

৯। STATESMAN **(ৰাজনীতি বিজ্ঞান) ঃ**

'বিশ্বশান্তি'ৰ ওপৰত আধাৰিত ৰাজনীতি বিজ্ঞান বিভাগৰ প্ৰাচীৰ পত্ৰিকাখন। 'Statesman' শীৰ্ষক এই প্ৰাচীৰ পত্ৰিকাখন নৱাগত আদৰণি সভাৰ দিনাখন উন্মোচন কৰে।

লেখাসমূহৰ ভিতৰত ঃ

* সাম্প্ৰতিক বিশ্বত বিশ্বশান্তি ঃ এক ক্ষুদ্ৰ অৱলোকন- নৱজিত ডেকা

**কৱিতা ঃ**

* শান্তি বিচাৰি ঃ অমৰজ্যোতি ৰাজবংশী

* শান্তিৰ সুৱাস ঃ চন্দন নাথ

* মানুহ ঃ বিশাল বিক্ৰম চৌধুৰী

১০। SPECTRUM **(পদাৰ্থ বিজ্ঞান বিভাগ) ঃ**

পদাৰ্থ বিজ্ঞান বিভাগে প্ৰতিবছৰে দুখনকৈ প্ৰাচীৰ পত্ৰিকা প্ৰকাশ কৰি আহিছে, এই বেলিও ব্যতিক্ৰম নহয়।

সম্পাদিকা ঃ চুস্মিতা দেৱী

সদস্য ঃ দেৱাশিষ, নয়নমণি, মুন্না, হিমাশ্ৰী, কংকন, মৃগেন, ভূপালী, কৰিস্মা, বিশ্ব আৰু বহুতো।

লিখাসমূহৰ ভিতৰত ঃ

* Stephen Hawking : Biddyut Sarma

* Spiral galaxy : Bikash Barman

**কৱিতা ঃ**

* নিৰ্যাতিত ঃ অংকুমণি দাস

* এজাক পছোৱা বতাহ ঃ পল্লৱি শৰ্মা

* The thwghts : Rana Pratim Sarma

* জীৱন পথ ঃ কৰিস্মা লেইলা

তিনিটা ষাণ্মাসিকৰ ছাত্ৰ-ছাত্ৰীৰ লগতে বিভাগীয় শিক্ষক শিক্ষয়িত্ৰীৰ বৰঙণিত 'Spectrun' য়ে এটা সুন্দৰ স্থিতি পাবলৈ সক্ষম হৈছে।

১১। Statista **(পৰিসংখ্যা বিভাগ) ঃ**

অলংকৰণ ঃ মৃন্ময় ডেকা, ৰাহুল কাশ্যপ

সদস্য ঃ দৰ্শনা, ইভাশ্ৰী, নমিতা, তুলিকা, ডেইজী, কিশোৰ, মাধুৰ্য্যা

পৰিসংখ্যা বিভাগৰ প্ৰাচীৰ পত্ৰিকাখন 'Astro-statistics' ৰ ওপৰত আধাৰিত।

'Statista' ৰ অলংকৰণ চিত্ৰকলা যথেষ্ট উন্নত।

* History of statistics : Tulika Das

* Astro statistics : Darshana Talukdar

* World with out statistics : Madhurya Patowary

* Global warming : Sima Barman

১২। ORANG **(প্ৰাণী বিজ্ঞান বিভাগ) ঃ**

'গোলকীয় উত্তাপ বৃদ্ধি আৰু ধৰণী বচাওঁক' বিষয়বস্তুৰে সম্বলিত প্ৰাণী বিজ্ঞান বিভাগৰ "ORANG" এইখন সুন্দৰ পত্ৰিকা।

সম্পাদনা ঃ মৃগাংক, অৰ্ণৱ, নিকুমনি, চায়াস্মিতা, হৰ্ষিতা, তন্ময়ী, মনস্বিতা

সদস্য ঃ জুস্মিতা, নিপু, দিক্ষিতা, নৱ

লিখনিসমূহৰ ভিতৰত ঃ

* Importance of zoology in our life : Manash jyoti Barman

* Measures to control global warming : Harshita & Mriganka

* বিলুপ্তিৰ পথত অসমৰ এশিঙীয়া গড় ঃ মনস্বিতা শৰ্মা

প্ৰকৃতি ৰক্ষা, পৰিৱেশ সুৰক্ষাত মানুহৰ কৰণীয়, ইত্যাদি বিষয়ৰ ওপৰত প্ৰাধান্য ৰাখি প্ৰাণী বিজ্ঞান বিভাগে এখন সুন্দৰ প্ৰাচীৰ পত্ৰিকা উন্মোচন কৰে। অলংকৰণ যথেষ্ট উন্নত নহ'ল।■

# স্মৃতি বৰ্মনৰ নীলাখামৰ চিঠি

কিমান ক'ম আৰু তোমাক
আকাশ বিয়পি থকা নিমাত বৃষ্টি
তোমাৰ চকুৰ আৱেগত
মোৰ দিন.......
মোৰ ৰাতি......

মৰমৰ,

বহুদিন ধৰি তোমালৈ বাৰ্তা পঠিওৱা নাই। চিঠি লিখো বুলি কলমটো হাতত তুলি লওঁ, কিন্তু নিথৰ হৈ যাওঁ। ভাব হয় চিঠিখন পাই যদি তুমি আমনি পোৱা? কেনে আছা তুমি? নিশ্চয় ভালেই। মোক তুমি পাহৰিবলৈ শিকাই গ'লা। তুমি অবিহনে মই শৰৎ, শেৱালি, নিয়ৰ পাহৰি গৈছো। মনত আছে সেইবোৰ কথা যিবোৰ অভিজ্ঞতা তোমাৰ আনন্দৰ। শেৱালি ফুলৰ সুৱাসত মতলীয়া হ'বলৈ কাহানিবাই পাহৰি গৈছো, সিদিনা তুমি মোৰ হৃদয় ভাঙি আনৰ হৃদয়ৰ মণি হৈছিলা। তুমি এতিয়া ক্ৰংকিটৰ অৰণ্যৰ এটা যান্ত্ৰিক মানৱ। তুমি মোৰ জীৱনলৈ আহিছিলা জোনাকৰ দৰে জোনাকী হৈ, কিমান যে সপোন দেখিছিলো তোমাক লৈ কিন্তু সকলো সপোন যে এতিয়া চকুপানী হ'ল। তুমি যে কৈছিলা দোভাগ ৰাতি বুকুৰ তেজেৰে মোলৈ চিঠি লিখিম বুলি? তুমিয়েই জানো কোৱা নাছিলা এদিন নিশা মোৰ লগত কটাম বুলি? সৌ পাহাৰৰ শিখৰত উদিত হোৱা সূৰযৰ আভাসত তোমাৰ জিলিকা মুখখন চাই মই ক্ষণ গণিছো।

তোমাৰ মনত আছেনে? তুমি যে মোক খং উঠাই, জোকোৱাই বৰ ভাল পাইছিলা...তুমি হয়তো এতিয়া আন নাৰীৰ পৰশ পাই পাহৰি গৈছা ন? তোমাৰ মনত আছেনে এদিন যে শৰতৰ সন্ধিয়া আমি বহুতো মনৰ কথা পাতিছিলো। এতিয়া মই প্ৰতিটো শৰতৰ সন্ধিয়া কটাইছো তুমি অবিহনে।

আজি চিঠি লিখি বৰ আমনি
দিলো নহয় তোমাক??
শেষত মোৰ হৃদয়ৰ গোটেই
আৱেগ আৰু মৰম যাঁচিলো মোৰ
উকা হাত আৰু উকা হৃদয়েৰে...
তোমাৰ এসময়ৰ লগৰী

পুনঃ

যদি কেতিয়াবা শৰতৰ সন্ধিয়া মোক বিচৰা তেনেহ'লে আহিবা মোৰ ঘৰলৈ। প্ৰেমময়তাৰে সময়ৰ সৰ্বাংগত সানিম সুৱৰ্ণ পুৱাৰ হেঙুলীয়া ৰং।

*(মহাবিদ্যালয় সপ্তাহৰ নীলা খামৰ চিঠি প্ৰতিযোগিতাৰ প্ৰথম পুৰস্কাৰ প্ৰাপ্ত চিঠি।)*

# হিমাংশু তালুকদাৰৰ নীলাখামৰ চিঠি

মৰমৰ,

বৰষা

আশা কৰো ভালে আছা। নেদেখাজনে নিশ্চয় মোৰ নিতৌৰ প্ৰাৰ্থনা গ্ৰহণ কৰিছে। কোনো দিনে মুখেৰে ব্যক্ত নকৰা মোৰ হিয়াৰ কোমল অনুভৱখিনি আজি কলমৰ চিয়াহীৰ মাজেদি তোমালৈ পঠিয়ালো। নেজানো শব্দৰে মায়াজাল গাঁঠিবলে। সসীম শব্দৰে ব্যক্ত নহয় মোৰ সীমাহীন ভালপোৱা। তথাপিও চেষ্টা কৰিছোঁ। কিজানি তুমি চিঠিখনৰ আখৰকেইটাক চিয়াহীৰ বুলি নধৰি মোৰ হিয়াৰ পৰা নিগৰিত মৰমৰ চিন বুলি গ্ৰহণ কৰা। নেজানো তোমাৰ কি ভাৱ মোলে। হয়তো মোৰ মৰমৰ কেছটো তোমাৰ হিয়াৰ আদালতত পাছ নহয়েই, তথাপিও অশান্ত মনে নুবুজে। ভাৱ হয় কিজানি মোৰ মৰমৰ টোপোলা আকোৱালি লোৱায়ে তুমি। কি কৰিবা, বহুত বুজাইয়ো ৰখাব নোৱাৰিলোঁ মোৰ মনটোক। যৌৱনৰ দলিছাত ভৰি থৈয়ো তোমাৰ পদচিহ্ন পালো হিয়াৰ বালিচৰাত। বহুত মানা কৰাৰ পিছতো মনে তোমাকে বাছিলে। আজি সেয়েহে বুকুত সাহস গোটাই তোমালৈ লিখিছো। আশা কৰো আকোৱালি ল'বা মোৰ মৰমক।

জীৱন নামৰ নদীখনত নাওঁ মেলি দিলো কোনোৱা দিনাই। ইমান দিনে প্ৰয়োজনবোধ কৰা নাছিলো অইন এজন সাৰথিৰ। তোমাক দেখাৰ পৰা যেন অকলে নোৱাৰা হৈছো পাৰ পাবলে। তোমাক সাৰথি কৰি পাৰ হ'ব খুজিছো এই সংসাৰৰ নদীখন। মিছা প্ৰত্যাশা নিদিও; আকাশৰ তৰা, সৰগৰ জোন দিব নোৱাৰো। কিন্তু সুখ-দুখত সদায় একেলগে থাকিম।

তাৰেই প্ৰতিশ্ৰুতিৰে আজিলে এৰিলোঁ। আশা ৰাখিলো ফাগুনী মোৰ পথাৰত তোমাৰ মৰমৰ ঢল নমাই আনিবা।

ইতি
তোমাৰ মৰমপ্ৰাৰ্থী
হিমাংশু

*(মহাবিদ্যালয় সপ্তাহৰ নীলা খামৰ চিঠি প্ৰতিযোগিতাৰ দ্বিতীয় পুৰস্কাৰ প্ৰাপ্ত চিঠি।)*

# প্ৰতিবেদন



**কমল কুমাৰ তালুকদাৰ**
সভাপতি
নলবাৰী মহাবিদ্যালয় ছাত্ৰ একতা সভা
২০১৬-১৭ বৰ্ষ

'শ্বহীদ প্ৰণামো তোমাক' শ্বহীদক সুঁৱৰি আৰম্ভ কৰিছো কিছু কথা...। শিক্ষাৰ প্ৰাচীন প্ৰাণকেন্দ্ৰ নলবাৰী মহাবিদ্যালয়ৰ ছাত্ৰ-একতা সভাৰ সভাপতি হিচাপে কাম কৰিবলৈ পায় মই অভিভূত। মহাবিদ্যালয়খনৰ ছাত্ৰ-ছাত্ৰীয়ে মোক সভাপতি হিচাপে নিৰ্বাচন কৰি তেওঁলোকৰ সেৱা কৰাৰ যি সুবিধা কৰি দিলে তাৰ বাবে মই তেওঁলোকৰ ওচৰত কৃতজ্ঞ। ছাত্ৰ একতা সভাৰ পদটো আছিল ২০১৬-১৭ বৰ্ষত। সেয়ে কিছু কাম সুচাৰুৰূপে কৰিবলৈ প্ৰয়াস কৰিছিলোঁ।

সভাপতি হিচাপে মোৰ প্ৰথম আৰু একমাত্ৰ কাৰ্যসূচী আছিল ৪ ফেব্ৰুৱাৰী, ২০১৭ ৰ পৰা আৰম্ভ হোৱা মহাবিদ্যালয় সপ্তাহৰ সাংস্কৃতিক শোভাযাত্ৰা পৰিচালনা কৰা। এই মহাবিদ্যালয়ৰ বিভিন্ন বিভাগৰ মাজত অনুষ্ঠিত প্ৰতিযোগিতামূলক সেই শোভাযাত্ৰাত বিভিন্ন ছাত্ৰ-ছাত্ৰীয়ে অংশগ্ৰহণ কৰি আমাক নতুন বাট দেখুৱাইছিল। মহাবিদ্যালয় সপ্তাহৰ সেই সাংস্কৃতিক শোভাযাত্ৰা উদ্বোধন কৰিছিল অসমৰ বিখ্যাত কবি প্ৰণৱ কুমাৰ বৰ্মন ছাৰে। মহাবিদ্যালয় ছাত্ৰ একতা সভাই আয়োজন কৰা প্ৰতিটো কাৰ্যসূচীতে সতীৰ্থ হিচাপে সহযোগ কৰিছিলোঁ। ২০১৬-১৭ বৰ্ষৰ ছাত্ৰ একতা সভাৰ প্ৰতিগৰাকী সম্পাদকে গ্ৰহণ কৰা নতুন নতুন কাৰ্যসূচীবোৰ ছাত্ৰ-ছাত্ৰী আৰু শিক্ষকবৃন্দৰ দ্বাৰা সমাদৃত হোৱাৰ খবৰে আমাক আজিয়ো উল্লসিত কৰে। ২০১৬-১৭ বৰ্ষৰ মহাবিদ্যালয় সপ্তাহত নলবাৰী মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ পতাকা উত্তোলন কৰিব পাই মই ছাত্ৰ একতা সভাক আৰু মহাবিদ্যালয় কৰ্তৃপক্ষক কৃতজ্ঞতা যাচিছোঁ।

কাৰ্যকালৰ সময়বোৰত সহযোগিতাৰে পথ পদৰ্শকৰ ভূমিকা পালন কৰা মহাবিদ্যালয়ৰ সন্মানীয় অধ্যক্ষ ড° দীপক গোস্বামী আৰু ছাত্ৰ একতা সভাৰ তত্ত্বাৱধায়ক সুব্ৰত বৰ্মন ছাৰৰ ওচৰত বিশেষভাৱে কৃতজ্ঞ হৈ ৰ'ম। কৃতজ্ঞ হৈ ৰ'ম কাৰ্যকালৰ সময়ছোৱাৰ ভূগোল বিজ্ঞান বিভাগৰ ফটিক চন্দ্ৰ বৰ্মন ছাৰৰ ওচৰত, তেখেতৰ আশীৰ্বাদ স্বৰূপ দিহা-পৰামৰ্শ আৰু সহায় সহযোগিতাৰ বাবে। কৃতজ্ঞ হৈ ৰ'ম ২০১৬-১৭ বৰ্ষৰ ছাত্ৰ একতা সভাৰ বিভিন্ন বিভাগৰ তত্ত্বাৱধায়ক, ছাৰ-বাইদেউসকলৰ ওচৰত। কৃতজ্ঞ হৈ ৰ'ম প্ৰদ্যুম্ন শৰ্মা, অনন্ত ৰাজবংশী ছাৰ প্ৰমূখ্যে নলবাৰী মহাবিদ্যালয়ৰ সমূহ শিক্ষাগুৰু, কৰ্মচাৰী সন্থা, NSS গোট, NCC গোটৰ ওচৰত।

ছাত্ৰ একতা সভাৰ প্ৰতিটো কাৰ্যসূচীতে সক্ৰিয়ভাৱে অংশ গ্ৰহণ কৰি কাৰ্যসূচীবোৰ সাফল্যমণ্ডিত কৰি তোলাত বিভিন্ন ধৰণে সহায় সহযোগিতা কৰা নলবাৰী মহাবিদ্যালয়ৰ প্ৰতিজন ছাত্ৰ-ছাত্ৰীক মোৰ তৰফৰ পৰা ধন্যবাদ জ্ঞাপন কৰিলোঁ। ছাত্ৰ একতা সভাৰ প্ৰতিজন বিষয়ববীয়া, ভূগোল বিজ্ঞান বিভাগ, নলবাৰী মহাবিদ্যালয়ৰ সমূহ পৰিয়ালবৰ্গক আন্তৰিক ধন্যবাদ জ্ঞাপন কৰিলোঁ। ধন্যবাদ জ্ঞাপন কৰিলো নলবাৰী মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ উপ-সভাপতি লগতে বিভিন্ন সম্পাদক বন্ধুসকলক। বিশেষ ধন্যবাদ জ্ঞাপন কৰিলো নলবাৰী মহাবিদ্যালয়ৰ আছু গোট, নলবাৰী আঞ্চলিক ছাত্ৰ সন্থা আৰু সদৌ নলবাৰী জিলাৰ ছাত্ৰ সন্থাৰ সমূহ বিষয়ববীয়া আৰু ছাত্ৰ বন্ধুসকলক তেওঁলোকৰ দিহা-পৰামৰ্শ আৰু সহায় সহযোগিতাৰ বাবে।

জয়তু নলবাৰী মহাবিদ্যালয়
জয়তু নলবাৰী মহাবিদ্যালয় ছাত্ৰ একতা সভা
জয় আই অসম।

# প্ৰতিবেদন



**ৰূপম ডেকা**
উপ-সভাপতি
নলবাৰী মহাবিদ্যালয় ছাত্ৰ একতা সভা
২০১৬-১৭ ইং বৰ্ষ

পোন-প্ৰথমে সেইসকল মহান ব্যক্তিক সুঁৱৰিছো, যাৰ অশেষ কষ্ট আৰু ত্যাগৰ বিনিময়ত অসমৰ গ্ৰাম্যাঞ্চলত স্থাপিত প্ৰথমখন মহাবিদ্যালয় হিচাপে নলবাৰী মহাবিদ্যালয়ক প্ৰতিষ্ঠা কৰি সাহিত্য, ৰাজনীতি আৰু সংস্কৃতিৰ এক পৱিত্ৰ অনুষ্ঠান গঢ়ি থৈ গ'ল।

২০১৬-১৭ বৰ্ষৰ ছাত্ৰ একতা সভাৰ সাধাৰণ নিৰ্বাচনত উপ-সভাপতি পদত বিজয়ী কৰাৰ বাবে মোৰ মৰমৰ বন্ধু-বান্ধৱী, শুভাকাংক্ষী তথা সমূহ শিক্ষাৰ্থীৰ ওচৰত চিৰকৃতজ্ঞ হৈ ৰ'ম।

আমাৰ কাৰ্য্যকালৰ প্ৰথমটো কাৰ্যসূচী হিচাপে অনুষ্ঠিত হৈছিল 'মহাবিদ্যালয় সপ্তাহ'। মহাবিদ্যালয় সপ্তাহত মোৰ বিভাগত বিশেষ কাৰ্যসূচী নাছিল যদিও প্ৰতিজন সম্পাদকৰ লগত লগ লাগি প্ৰতিটো কাৰ্যসূচী সুচাৰুৰূপে সম্পন্ন কৰাত অৰিহণা যোগাইছিলোঁ। মোৰ কাৰ্যকালত ছাত্ৰ একতা সভাৰ একমাত্ৰ কাৰ্যসূচী হিচাপে আছিল উপ-সভাপতিৰ বিশেষ অনুষ্ঠান। ২৩ মাৰ্চ ২০১৭ ইং তাৰিখে আয়োজন কৰা 'আমাৰ দৃষ্টিয়েও লক্ষ্য জানে' শীৰ্ষক এক ব্যতিক্ৰমধৰ্মী অনুষ্ঠান। এই অনুষ্ঠানটি উদ্বোধন কৰে অসমৰ জনপ্ৰিয় কণ্ঠশিল্পী বিদ্যাসাগৰ ডাঙৰীয়াই। উক্ত অনুষ্ঠানত উপস্থিত থাকি অনুষ্ঠানটিৰ সৌষ্ঠৱ বৃদ্ধি কৰে বিশিষ্ট সাহিত্যিক ড° বসন্ত কুমাৰ ভট্টাচাৰ্য ছাৰ, বিশিষ্ট চকু চিকিৎসক ড° শুভ্ৰকিংকৰ গোস্বামীয়ে। নলবাৰী মহাবিদ্যালয়ত পোন প্ৰথমবাৰৰ বাবে আয়োজিত এই ব্যতিক্ৰমধৰ্মী অনুষ্ঠানটিত নলবাৰী জিলাৰ দহ গৰাকী দৃষ্টিহীন শিল্পীক আনুষ্ঠানিকভাৱে সম্বৰ্ধনা জ্ঞাপন কৰা হয়। অনুষ্ঠানত এই শিল্পীসকলৰ লগতে কণ্ঠশিল্পী বিদ্যাসাগৰে গীতেৰে মোহাচ্ছন্ন কৰে। উপস্থিত শিক্ষাগুৰুসকল তথা মহাবিদ্যালয়ৰ শিক্ষাৰ্থীসকলৰো লগতে শ্ৰদ্ধাৰ অধ্যক্ষ মহোদয়, প্ৰদ্যুম্ন শৰ্মা ছাৰ, তত্ত্বাৱধায়ক ড° সুব্ৰত বৰ্মন ছাৰ, দাদা অৰ্ণৱ জ্যোতি আৰ্য, নয়ন দা, বন্ধু বিশাল, প্ৰবাল তথা কপিল, কমলকে প্ৰমুখ্য কৰি ছাত্ৰ একতা সভাৰ প্ৰতিজন বিষয়ববীয়াই সহায়ৰ হাত আগবঢ়াই। এই সুযোগতে আটাইলৈ কৃতজ্ঞতা যাঁচিছোঁ।

শেষত মোৰ কাৰ্যকালত ৰৈ যোৱা ভুল ত্ৰুটিৰ বাবে মাৰ্জনা বিচাৰিলোঁ, লগতে নলবাৰী মহাবিদ্যালয়ৰ উজ্বল ভৱিষ্যত কামনা কৰি প্ৰতিবেদনৰ সামৰণি মাৰিলোঁ।

'জয়তু নলবাৰী মহাবিদ্যালয়'
'জয়তু নলবাৰী মহাবিদ্যালয় ছাত্ৰ একতা সভা'
'জয় আই অসম'

# প্ৰতিবেদন



**কপিলদেৱ তালুকদাৰ**
সাধাৰণ সম্পাদক
নলবাৰী মহাবিদ্যালয় ছাত্ৰ একতা সভা
২০১৬-১৭ ইং বৰ্ষ

হে বিপ্লৱী বীৰ অধিনায়ক হে
দিয়া অগ্নিবাণী বিপ্লৱৰ
ভাঙা বন্দিশাল কৌটি কালৰ
মুক্তি হওঁক নিৰ্যাতিতৰ......
— বিষ্ণুপ্ৰসাদ ৰাভা

সমগ্ৰ দেশৰ লগতে অসমতো জ্বলি উঠিছিল ইংৰাজ বিৰোধী ভাৰত ত্যাগ আন্দোলন। অসমৰ গাঁৱে-ভূঞে বিয়পি পৰিছিল ইংৰাজৰ বিৰুদ্ধে ক্ৰোধৰ অগণি। সেই সময়ত পাগলাপাৰৰ কেইজনমান গাঁওৰ ল'ৰাই জ্বলাববৈলে চেষ্টা কৰিছিল সমগ্ৰ নামনি অসমতে শিক্ষাৰ বন্তি। সেই চেষ্টাৰ বিনিময়তে ১৯৪৫ চনৰ ৪ জুলাই তাৰিখে কলিকতা বিশ্ববিদ্যালয়ৰ অধীনত স্থাপন কৰিববৈলে সক্ষম হৈছিল নলবাৰী মহাবিদ্যালয় আৰু ১৯৪৮ চনত গুৱাহাটী বিশ্ববিদ্যালয়ৰ অন্তৰ্গত হয় আমাৰ সপোনৰ নলবাৰী মহাবিদ্যালয়খন। প্ৰতিবেদনৰ প্ৰাক্‌ক্ষণত নলবাৰী মহাবিদ্যালয়ৰ প্ৰতিষ্ঠাৰ জৰিয়তে নলবাৰীৰ লগতে সমগ্ৰ অসমক শিক্ষাৰ পোহৰেৰে আলোকিত কৰা সেই সমূহ প্ৰাতঃস্মৰণীয় মনিষীলৈ নিবেদন কৰিছো শ্ৰদ্ধাৰ অঞ্জলি।

অসমৰ গ্ৰাম্য অঞ্চলত স্থাপিত প্ৰথমখন মহাবিদ্যালয়ৰ দৰে মহাবিদ্যালয় এখনৰ ছাত্ৰ হোৱাতোৱে গৌৰৱৰ বিষয়, তাতে যদি আকৌ ঐতিহ্যমণ্ডিত মহাবিদ্যালয়খনৰ হকে তথা এই মহাবিদ্যালয়খনৰ অধ্যয়নৰত ছাত্ৰ ছাত্ৰীৰ হৈ কাম কৰাৰ সুযোগ পোৱা যায়, সেই সুযোগ আমাৰ কাৰণে অতি সৌভাগ্যৰ বিষয়। অতীতৰ গৌৰৱ উজ্বল ইতিহাস আৰু বৰ্তমানৰ জলজল পট্‌পট্ সফলতাৰ ছবিয়ে আমাক গৌৰান্বিত কৰে এই মহাবিদ্যালয়ৰ ছাত্ৰ ছাত্ৰী বুলি নিজকে পৰিচয় দিববৈলে। ছাত্ৰ-ছাত্ৰীয়ে মোৰ দৰে সাধাৰণ ছাত্ৰ এজনক মহাবিদ্যালয়খনৰ ছাত্ৰ প্ৰতিনিধি তথা মহাবিদ্যালয়খনৰ হকে কাম কৰাৰ সুযোগ দিয়া বাবে মই সমূহ ছাত্ৰ-ছাত্ৰীৰ লগতে নলবাৰী মহাবিদ্যালয়ৰ কৰ্তৃপক্ষৰ ওচৰত চিৰকৃতজ্ঞ লগতে চিৰকৃতজ্ঞ হৈ ৰ'ম লগতে অখিল ভাৰতীয় বিদ্যাৰ্থী পৰিষদৰ ওচৰত যাৰ আদৰ্শৰে অনুপ্ৰাণিত হৈ মই নিৰ্বাচনত প্ৰতিদ্বন্দ্বিত আগবঢ়াইছিলো। মই প্ৰতিদ্বন্দ্বিতা আগবঢ়াইছিলো নিৰ্বাচনত জয়ী হৈ মহাবিদ্যালয়খনৰ ছাত্ৰ-ছাত্ৰীৰ নেতৃত্ব লববৈলে নহয়, মই মাথো প্ৰতিদ্বন্দ্বিতা আগবঢ়াইছিলো মহাবিদ্যালয়খনৰ ছাত্ৰ-ছাত্ৰীৰ একনিষ্ঠ সেৱক হববৈলেহে।

নিৰ্বাচনৰ পূৰ্বে বহুত সপোন আৰু বহুত আশা আছিল মহাবিদ্যালয়খনৰ ছাত্ৰ-ছাত্ৰী আৰু সমাজৰ হকে কিবা কৰিববৈলে। কিন্তু এবছৰীয়া কাৰ্য্য কালত দেখিলো, বহুখিনি অভিজ্ঞতাও হ'ল যে সেইখিনি সময় যথেষ্ট নহয় মহাবিদ্যালয়ৰ সৰ্বাংগীন উন্নয়নৰ সকলোবোৰ কাম সম্পন্ন কৰাৰ বাবে। এটা কথা মই স্পষ্ট কৰি দিব বিচাৰিছো যে মই দেখা সপোনৰ লগতে মই দিয়া প্ৰতিশ্ৰুতি এশ শতাংশই সম্পূৰ্ণ কৰিব পৰা নগ'ল। তাৰ কাৰণে নলবাৰী মহাবিদ্যালয়ৰ শুভাকাংক্ষীৰ ওচৰত ক্ষমা মাগিছো। কিন্তু এটা কথা দৃঢ়তাৰে কওঁ যে মই যিখিনি সপোন লৈ নিৰ্বাচনত প্ৰতিদ্বন্দ্বিতা আগবঢ়াইছিলো আৰু নিৰ্বাচনত জয়ী হৈ এজন সাধাৰণ সম্পাদক হিচাপে সেই আশা, সপোন আৰু প্ৰতিশ্ৰুতিসমূহ পূৰণ কৰাৰ কাৰণে মোৰ ফালৰ পৰা অহোপুৰুষাৰ্থ চেষ্টা কৰিছিলো।

২০১৬ বৰ্ষৰ ২৭ অক্টোবৰ তাৰিখে ছাত্ৰ একতা সভাৰ দায়িত্ব ভাৰ গ্ৰহণ কৰাৰ পিছতে আমি ছাত্ৰ-ছাত্ৰীৰ

বৌদ্ধিক, মানসিক আৰু সামাজিক উৎকৰ্ষ সাধনৰ লক্ষ্যৰে তথা মহাবিদ্যালয়ৰ বিদ্যায়তনিক দিশৰ সৰ্বাংগীন বিকাশৰ কাৰণে বিভিন্ন কাৰ্যসূচী হাতত লৈছিলো।

ক'লা দিৱস (৩০ অক্টোবৰ, ২০১৬) ঃ ২০০৮ চনৰ ৩০ অক্টোবৰৰ বোমা বিস্ফোৰণত প্ৰাণ হেৰুওৱা নিৰীহ সকলৰ আত্মাৰ চিৰশান্তিৰ হকে অশ্ৰুসিক্ত শ্ৰদ্ধাঞ্জলি আয়োজন কৰিছিলো। শ্ৰদ্ধাঞ্জলি অনুষ্ঠানটো সাফল্যমণ্ডিত কৰাৰ বাবে মহাবিদ্যালয়ৰ ছোৱালী আৱাসৰ সমূহ ছাত্ৰীৰ লগতে হিমাংশু বৰ্মন, কিশোৰ কলিতা, সুস্মিতা মহন্ত, হীৰকজ্যোতি কলিতা, মাধুৰ্য্য ভৰালীক বিশেষভাৱে ধন্যবাদ জ্ঞাপন কৰিছো।

উদ্বোধনী অনুষ্ঠান (৩ নৱেম্বৰ, ২০১৬) ঃ নৱনিৰ্মিত ছাত্ৰ জিৰণী কোঠাৰ লগতে ছাত্ৰ একতা সভাৰ নৱনিৰ্মিত কাৰ্য্যালয়তোৰ শুভ উদ্বোধন কৰা হয়। সেই উদ্বোধনী অনুষ্ঠানত ছাত্ৰ একতা সভাৰ উদ্যোগত মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীৰ দ্বাৰা নাম কীৰ্তন অনুষ্ঠানৰ আয়োজন কৰা হয়। অনুষ্ঠানটো সাফল্যমণ্ডিত কৰাত বিশেষ ভাৱে অৰিহণা যোগায় বিশাল বিক্ৰম চৌধুৰী, কৰণ হালৈ, কৌশিক কলিতা, মনজিত মজুমদাৰ, আফতাব হুছেইন, ধীমান শৰ্মা, ৰক্তিম ভূএগক ধন্যবাদ জনাইছো।

একতা দিৱস (৪ নৱেম্বৰ, ২০১৬) ঃ চৰ্দাৰ বল্লভভাই পেটেলৰ জন্ম বাৰ্ষিকী উদ্‌যাপন হিচাপে তিনিদিনীয়া কাৰ্য্যসূচীৰে নলবাৰী মহাবিদ্যালয়ত চাফাই কাৰ্য্যাসূচী হাতত লোৱা হয়। এই অনুষ্ঠানটো সাফল্যমণ্ডিত কৰাৰ বাবে আশ্ৰাফুল, ধ্ৰুৱজ্যোতি বৰ্মন, প্ৰীতম মালাকৰ, উজ্বল পাটোৱাৰী, মণিকঙ্কনা গোস্বামী, নয়ন পৰাশৰ, ৰথীনক ধন্যবাদ জনাইছো।

শ্ৰদ্ধাঞ্জলি অনুষ্ঠান (৫ নৱেম্বৰ, ২০১৬) ঃ ড° ভুপেন হাজৰিকাৰ পঞ্চম মৃত্যু বাৰ্ষিকী হিচাপে নলবাৰী মহাবিদ্যালয় প্ৰাংগনত এক শ্ৰদ্ধাঞ্জলি অনুষ্ঠান আয়োজন কৰা হয় য'ত সুধাকণ্ঠৰ প্ৰতিচ্ছৱিত মাল্যৰ্পণ তথা শ্ৰদ্ধাঞ্জলি জনোৱা হয়। মহাবিদ্যালয় শিক্ষক-শিক্ষয়িত্ৰীৰ লগতে ছাত্ৰ-ছাত্ৰীৰ দ্বাৰা তেখেতৰ স্মৃতি সোঁৱৰাই গীত মাতৰ এক গাম্ভীৰ্যপূৰ্ণ অনুষ্ঠান কৰা হয়। এই অনুষ্ঠানটো সাফল্যমণ্ডিত কৰাত কাৰ্ত্তিক ডেকা, অভিলাষ শৰ্মা, ত্ৰিদীব ডেকা, হিমাংশু তালুকদাৰ, জ্যোতিৰ্ময় কাশ্যপ, চানী হাজৰিকা, কপিল মেধি, হৃষিকেশ দত্ত, ৰাহুল কাশ্যপক, দিবানী, হিৰণ্যক ধন্যবাদ জনাইছোঁ।

সাংস্কৃতিক অনুষ্ঠান (২৩ নৱেম্বৰ,২০১৬) ঃ নলবাৰী ৰাস মহোৎসৱৰ গ্ৰন্থমেলাৰ বাকৰিত নলবাৰী মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ উদ্যোগত ছাত্ৰ-ছাত্ৰীৰ দ্বাৰা এক সাংস্কৃতিক অনুষ্ঠান পৰিৱেশন কৰা হয়।

উদ্বোধন (৩০ নৱেম্বৰ, ২০১৬) ঃ মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীৰ কলা, সাহিত্য, আৰু কাব্য চৰ্চাৰ বাবে পি পি চি, এল এল চি, আৰু চি টি পি কেন্দ্ৰ তিনিটা শুভ উদ্বোধন কৰা হয়।

শিল্পী দিৱস (১৭ জানুৱাৰী, ২০১৭) ঃ নলবাৰী মহাবিদ্যালয় প্ৰাঙ্গনত বহু বছৰ বিৰতিৰ অন্তত অসমীয়া জাতিৰ গুৰি ধৰোতা জ্যোতিপ্ৰসাদ আগৰৱালাদেৱৰ সোঁৱৰণত শিল্পী দিৱসৰ লগত সংগতি ৰাখি জ্যোতি সঙ্গীত প্ৰতিযোগিতাৰ আয়োজন কৰিবলৈ প্ৰয়াস কৰিছিলো। মধুস্মিতা শৰ্মা, ভাস্কৰ জ্যোতি দাস, অনুস্মিতা ভৰালী, পূজা শৰ্মা, জানজুৰি কাশ্যপ, বনশ্ৰী গোস্বামী, মেঘালী শৰ্মা, নয়না দত্ত, হৃষিকেশ শৰ্মা, মৃদুল হালৈ, শ্ৰেয়শী ডেকা, নৱদীপ কলিতা, হৃদয়জিত শৰ্মা, অনন্যা চক্ৰৱৰ্তীহঁতে গোটেই অনুষ্ঠানটো সফল কৰাৰ বাবে চেষ্টা আগবঢ়াইছিল ।

সৰস্বতী পূজা (১ ফেব্ৰুৱাৰী, ২০১৭) ঃ সৰস্বতী পূজাৰ লগত সংগতি ৰাখি মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীৰ দ্বাৰা নাম প্ৰসংগৰ আয়োজন কৰা হৈছিল ।

মহাবিদ্যালয় সপ্তাহ (৪ ৰ পৰা ১০ ফেব্ৰুৱাৰী, ২০১৭) ঃ অধ্যক্ষ মহোদয়ে মহাবিদ্যালয়ৰ পতাকা উত্তোলন কৰি মহাবিদ্যালয় সপ্তাহৰ শুভ আৰম্ভণি কৰে । এইবেলি মহাবিদ্যালয়ৰ অন্যান্য খেল ধেমালীৰ লগতে নতুন সংযোজন আছিল ছোৱালীৰ ক্ৰিকেট খেল প্ৰতিযোগিতা। য'ত ছাত্ৰী সকলৰ অভূতপূৰ্ব সহাৰি পোৱা গৈছিল। সৰ্বমুঠ ছোৱালীৰ দহটা দলে এই প্ৰতিযোগিতাত অংশ গ্ৰহণ কৰিছিল। 'বিস্কুট খোৱা' প্ৰতিযোগিতাৰ লগতে নাটকত উন্নত প্ৰযুক্তিৰ লাইট ব্যৱহাৰ পোন প্ৰথমবাৰৰ বাবে কৰা হয় । এনেদৰে বিভিন্ন বাৰেৰহনীয়া সাংস্কৃতিক অনুষ্ঠানেৰে মহাবিদ্যালয় সপ্তাহৰ সামৰণি পৰে । সামৰণি অনুষ্ঠানৰ লগত সংগতি ৰাখি এক মুকলি সভা আৰু বঁটা বিতৰণী অনুষ্ঠান আয়োজন কৰা হয় । সভাত সভাপতিত্ব কৰে ড° দীপক গোস্বামী (অধ্যক্ষ, নলবাৰী মহাবিদ্যালয়) মুখ্য অতিথি হিচাপে উপস্থিত থাকে মনালিছা শইকীয়া (গল্পকাৰ, উপন্যাসিক), নিৰ্দিষ্ট বক্তা হিচাবে উপস্থিত থাকে শ্ৰীযুত মুৰাৰী মোহন দত্ত (প্ৰাক্তন অধ্যক্ষ, এম এন চি বালিকা মহাবিদ্যালয়, নলবাৰী) , আমন্ত্ৰিত অতিথি শ্ৰীযুত অশোক শৰ্মা ( বিধায়ক, ৫৯নং নলবাৰী বিধান সভা সমষ্টি) , মুখ্য বক্তা ড° ধৰণীধৰ গোস্বামী (সচিব অসম উচ্চতৰ মাধ্যমিক শিক্ষা সংসদ)

আৰু অনুষ্ঠানৰ শেষত নলবাৰী মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ সংবিধানখন নলবাৰী মহাবিদ্যালয়ৰ অধ্যক্ষ ড০ দীপক গোস্বামী আৰু ছাত্ৰ একতা সভাৰ ২০১৬-১৭ বৰ্ষৰ তত্বাৱধায়ক ড° সুব্ৰত বৰ্মন ছাৰে উন্মোচন কৰে।

বিধান সভাত নলবাৰী মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী (২৬ ৰ পৰা ২৯ ফেব্ৰুৱাৰীলৈ)ঃ অসম চৰকাৰৰ প্ৰচেষ্টাত ড° বন্দনা দাস বাইদেউ আৰু ৰতন ডেকা ছাৰৰ নেতৃত্বত নলবাৰী মহাবিদ্যালয়ৰ ১৫ জনীয়া ছাত্ৰ-ছাত্ৰীৰ দল এটি বিধান সভাত উপস্থিত হ'বলৈ সক্ষম হৈছিল।

কাব্য দিৱস (৬ মাৰ্চ, ২০১৭) ঃ ফাগুনৰ সন্ধিয়া নলবাৰী মহাবিদ্যালয়ৰ বাকৰিত কাব্যৰসৰ মধুৰতাত জীপাল হৈ উঠিব লগা এক নান্দনিক অনুষ্ঠান 'কাব্য সন্ধিয়া'ৰ আয়োজন কৰা হয়। এই অনুষ্ঠানটিত শতাধীক ছাত্ৰ-ছাত্ৰীৰ উপস্থিতিত প্ৰায় পঞ্চাশ গৰাকী নিমন্ত্ৰিত কবি-সাহিত্যিকে কবিতা পাঠ কৰি সকলোকে আপ্লুত কৰে। অনুষ্ঠানটো সাফল্যমণ্ডিত কৰাত বিশেষ অৰিহণা আগবঢ়াই জনপ্ৰিয় কবি প্ৰণৱ কুমাৰ বৰ্মন, ভাস্কৰ দত্ত, গৌতম হালৈ, নন্দকিশোৰ ভূএগ্ৰা, প্ৰণৱ খাৰজাৰা, অৰ্ণৱ জ্যোতি আৰ্য, মৃণাল জ্যোতি তালুকদাৰ, প্ৰবাল ৰাজবংশী, জিন্তুমণি কলিতা, ইণ্ডুকেশ যোগী, যুমন কলিতা, সোণতৰা মালাকৰ আদিয়ে ।

মুখ্যমন্ত্ৰীৰ পদাৰ্পন (২১ মাৰ্চ, ২০১৭) ঃ এয়া আমাৰ বাবে অতি সৌভাগ্যৰ বিষয় যে আমাৰ বহু চেষ্টা আৰু কষ্টৰ ফলত অসমৰ মাননীয় মুখ্যমন্ত্ৰী শ্ৰীযুত সৰ্বানন্দ সোনোৱাল ডাঙৰীয়া মহাবিদ্যালয়ত উপস্থিত হৈছিল। উপস্থিত হৈ তেখেতে নৱনিৰ্মিত ডিজিটেল লাইব্ৰেৰী উদ্বোধন কৰে। অতি সৌভাগ্যৰ কথা যে মুখ্যমন্ত্ৰী ডাঙৰীয়াই Science Block এটা নিৰ্মাণৰ প্ৰতিশ্ৰুতি দিয়ে। এয়া কেতিয়াও সম্ভৱ নহলহেঁতেন যদিহে আমাৰ স্থানীয় বিধায়ক শ্ৰীযুত অশোক শৰ্মাদেৱে সহায় নকৰিলেহেঁতেন। উক্ত অনুষ্ঠানত নলবাৰী মহাবিদ্যালয়ৰ প্ৰাক্তন ছাত্ৰ তথা উদ্যোগ মন্ত্ৰী শ্ৰীযুত চন্দ্ৰমোহন পাটোৱাৰীদেৱ, মঙ্গলদৈ সমষ্টিৰ সাংসদ ৰমেন ডেকাদেৱ, অসম চৰকাৰৰ গড় কাপ্তানি বিভাগৰ দায়িত্বত থকা পৰিমল শুক্লাবৈদ্যদেৱ আদিকে ধৰি বিশিষ্ট ব্যক্তিসকল উপস্থিত থাকি অনুষ্ঠানৰ শোভাবৰ্ধন কৰে।

উপ-সভাপতিৰ বিশেষ অনুষ্ঠান (২৩ মাৰ্চ ২০১৭) ঃ উপসভাপতিৰ বিশেষ অনুষ্ঠান হিচাবে "আমাৰ দৃষ্টিয়ে লক্ষ্য জানে" শীৰ্ষক অনুষ্ঠান এটিৰ আয়োজন কৰা হয়। য'ত অনুষ্ঠান পৰিৱেশন কৰে দহজন নিমন্ত্ৰিত বিশেষভাৱে সক্ষম শিল্পীয়ে আৰু তাত উপস্থিত আছিল অসমৰ জনপ্ৰিয় কণ্ঠশিল্পী বিদ্যা সাগৰ। লগতে উপস্থিত আছিল নলবাৰী ৰত্ন ড° বসন্ত কুমাৰ ভট্টাচাৰ্য্য আৰু বিশিষ্ট চকু চিকিৎসক ডাঃ শুভ্ৰকিংকৰ গোস্বামী। এই অনুষ্ঠানটো সাফল্যমণ্ডিত কৰাৰ বাবে নীলিম নয়ন, অৰূপ বৰ্মন, প্ৰাঞ্জল কলিতা, বিদ্যুৎ ভট্ট, নীতামণি ডেকা, অলকা বৰ্মন, জাহ্নৱী কাশ্যপ, অপ্ৰতীম দত্ত, দিব্যাশ্ৰী বৰ্মন, ডিম্পী বৈশ্য, দিপু নাথ, বিদিশা কাশ্যপ, পৰিস্মিতা কলিতা, কংকন চৌধুৰী, প্ৰণৱ ৰাজবংশী, হৃষিকেশ শৰ্মা, আকাশ ভৰদ্বাজক ধন্যবাদ জনাইছো।

টীকাকৰণ (৩০ মে, ২০১৭) ঃ ছাত্ৰ একতা সভাৰ উদ্যোগত মহামাৰী 'জাপানীজ এনকেফেলাইটিচ'ৰ এক বিনামূলীয়া টীকা কৰণ অনুষ্ঠান কৰা হৈছিল। অনুষ্ঠানটি প্ৰচাৰ কৰাত বিশেষভাৱে সহায় কৰিছে নয়ন শৰ্মা, কৰবী আৰু ৰিংকু দাসে।

কুইজ টাইম (২৪ জুন, ২০১৭) ঃ ষষ্ঠ ষাণ্মাসিকৰ ছাত্ৰ-ছাত্ৰীসকলক আনুষ্ঠানিকভাৱে বিদায় জনোৱাৰ লগতে এখন জিলা ভিত্তিত কুইজ প্ৰতিযোগিতা আয়োজন কৰা হৈছিল, য'ত উপস্থিত আছিল কুইজ মাষ্টাৰ দীপাংকৰ কৌশিক।

মহাবিদ্যালয় প্ৰতিষ্ঠা দিৱস (৪ জুলাই, ২০১৭) ঃ মহাবিদ্যালয় প্ৰতিষ্ঠা দিৱসৰ লগত সংগতি ৰাখি কাব্য সন্ধিয়াত পাঠ কৰা কবিসকলৰ স্ব-ৰচিত কবিতাৰে "নলনীত ডাউকীৰ মাত" শীৰ্ষক এক কাব্য সংকলন উন্মোচন কৰা হয়।

স্বাধীনতা দিৱস (১৫ আগষ্ট, ২০১৭) ঃ ছাত্ৰ একতা সভাৰ উদ্যোগত মহাবিদ্যালয় প্ৰাঙ্গণত স্বাধীনতা দিৱস উদ্‌যাপন কৰা হয়।

কুচ-কাৱাজ প্ৰতিযোগিতা (২১ আগষ্ট, ২০১৭) ঃ এন চি চি ৰ উদ্যোগত নলবাৰী মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ সহযোগত নামনি অসম ভিত্তিত এক বিশাল আয়োজনেৰে কুচ-কাৱাজ প্ৰতিযোগিতা আয়োজন কৰা হৈছিল ।

মিচ্‌ন চাইনা (১ চেপ্তেম্বৰ, ২০১৭) ঃ 'মিচ্‌ন চাইনা' ৰ প্ৰচাৰৰ বাবে নলবাৰীৰ আৰ্ৱত ভৱনত জুবিন গাৰ্গক নিমন্ত্ৰণ জনাইছিলো । সেই নিমন্ত্ৰণ মৰ্মে ১ চেপ্তেম্বৰৰ দিনা অসমীয়া ব্যয় বহুল ফিল্ম মিচ্‌ন চাইনাৰ কলা-কুশলীৰ লগতে জুবিন গাৰ্গ, গৰিমা গাৰ্গ, পবিত্ৰ ৰাভা, ত্ৰিদিব লাহন, দীপলিনা আদিৰ দৰে বিশিষ্ট শিল্পীসকল উপস্থিত হয়। সেই দিনটো নলবাৰী মহাবিদ্যালয়ৰ পৰিয়াল বৰ্গৰ বাবে চিৰস্মৰণীয় হৈ ৰব; যত কেবা হাজাৰ ছাত্ৰ-ছাত্ৰীয়ে শান্তিপূৰ্ণভাৱে জুবিন গাৰ্গক আদৰণি জনাইছিল। উক্ত অনুষ্ঠানটোত বিশেষভাৱে সহায় কৰিছে- ভাৰ্গৱ চক্ৰৱৰ্তী, অধীৰ দাস, কন্দৰ্পেশ্বৰ মালাকৰ, ভাস্কৰ তালুকদাৰ, সঞ্জয় ঠাকুৰ, সঞ্জয়

ৰাজবংশী লগতে সমূহ ছাত্ৰ-ছাত্ৰীয়ে সহায়-সহযোগ আগবঢ়োৱা বাবে ধন্যবাদ জনাইছো ।

আন্তঃ মহাবিদ্যালয় যুৱ মহোৎসৱ, মাণ্ডলিক পৰ্যায় (৮ চেপ্তেম্বৰ, ২০১৭) ঃ ২০১৭ বৰ্ষৰ আন্তঃ মহাবিদ্যালয় যুৱ মহোৎসৱ মাণ্ডলিক পৰ্যায় অনুস্থিত হয় টিহু কলেজত । উক্ত প্ৰতিযোগিতাত নলবাৰী মহাবিদ্যালয় শ্ৰেষ্ঠ মহাবিদ্যালয় দলৰ খিতাপ অৰ্জন কৰে, ইয়াক লৈ মহাবিদ্যালয়ৰ পৰিয়ালবৰ্গ অতীকৈ গৌৰাৱান্বিত। সেয়েহে সমূহ প্ৰতিযোগীক আমাৰ তৰফৰ পৰা যাচিছো আন্তৰিক অভিনন্দন।

হেলথ চেণ্টাৰ মুকলি (১২ চেপ্তেম্বৰ, ২০১৭) ঃ ছাত্ৰ-ছাত্ৰীৰ প্ৰাথমিক চিকিৎসাৰ বাবে মহাবিদ্যালয় প্ৰাঙ্গণত হেলথ্ চেণ্টাৰ মুকলি কৰা হয়। আমাৰ এইটো অনুৰোধ ৰক্ষা কৰা বাবে অধ্যক্ষ মহোদয়ক সমূহ ছাত্ৰ-ছাত্ৰীৰ হৈ জনাইছো আন্তৰিক ধন্যবাদ।

নৱাগত আদৰণি সভা (১৪ চেপ্তেম্বৰ, ২০১৭) ঃ নলবাৰী মহাবিদ্যালয়ৰ পতাকা উত্তোলন কৰে অধ্যক্ষ ড° দীপক গোস্বামীদেৱে লগতে নৱাগত আদৰণি সভাৰ সভাপতিত্ব কৰি সভাখন সুন্দৰকৈ পৰিচালনা কৰাত অধ্যক্ষ মহোদয়ে প্ৰত্যক্ষ সহযোগিতা আগবঢ়ায়। সভাখনৰ মুখ্য অতিথি আৰু নিৰ্দিষ্ট বক্তা হিচাবে উপস্থিত আছিল ক্ৰমে ড° হৃষিকেশ গোস্বামী (মুখ্যমন্ত্ৰী প্ৰেছ উপদেষ্টা, অসম চৰকাৰ), শ্ৰীযুত মুকেশ আগৰৱাল (আই. পি. এছ. অতিৰিক্ত সঞ্চালক প্ৰধান (আইন শৃংখল, অসম আৰক্ষী), শ্ৰীযুত হেমন্ত কুমাৰ ভট্টাচাৰ্য্য (আৰক্ষী অধীক্ষক, নলবাৰী জিলা)। লগতে সাংস্কৃতিক সন্ধিয়াৰ প্ৰাক্ক্ষণত বিশেষ আকৰ্ষণ আছিল অসমৰ জনপ্ৰিয় কণ্ঠশিল্পী তৰালী শৰ্মা, জনপ্ৰিয় অভিনেত্ৰী বৰষা ৰাণী বিষয়া, জনপ্ৰিয় অভিনেতা ৰবী শৰ্মা, লগতে অসমীয়া বোলছবি "তুমি আহিবানে" ৰ সমূহ শিল্পীসকল। শেষত শব্দ ছন্দ আৰু সঙ্গীতৰ জিঞ্জিৰিৰে অনুষ্ঠানটি শুভ সমাপ্ত হয়।

যুৱ মহোৎসৱ (১৬ ৰ পৰা ১৯ চেপ্তেম্বৰ, ২০১৭) ঃ গুৱাহাটী বিশ্ববিদ্যালয়ত অনুষ্ঠিত হোৱা যুৱ মহোৎসৱত নলবাৰী মহাবিদ্যালয়ে অংশগ্ৰহণ কৰি পোন প্ৰথমবাৰৰ বাবে দহটাকৈ পুৰস্কাৰ অৰ্জন কৰি মহাবিদ্যালয় লৈ গৌৰৱ কঢ়িয়াই আনে। এই ছেগতে সমূহ প্ৰতিযোগীক মহাবিদ্যালয়ৰ পৰিয়ালৰ হৈ জনাইছো উষ্ম অভিনন্দন।

পি. এন. চি. তৰ্ক প্ৰতিযোগিতা (১২ অক্টোবৰ, ২০১৭) ঃ অতীতৰ পৰা চলি অহাৰ দৰে এইবেলিও নলবাৰী মহাবিদ্যালয়ত 'প্ৰসন্ন নাৰায়ণ চৌধুৰী' শীৰ্ষক অসমভিত্তিত তৰ্ক প্ৰতিযোগিতাৰ আয়োজন কৰা হৈছিল ।

ইয়াৰ উপৰিও বিভিন্ন কাৰ্য্যসূচী আৰু দাবী আমাৰ কাৰ্য্যকালত উপস্থাপন কৰিছিলো। ইয়াৰ ভিতৰত কেইটামান দাবী আমি তলত উল্লেখ কৰিছো ।-

১) প্ৰত্যেক ছাত্ৰ-ছাত্ৰীৰ পৰা মেডিকেল এইড ফাণ্ডৰ বাবদ ১০.০০ টকাকৈ লোৱাৰ ফলত ইয়াৰ আনুমানিক হিচাপ ১০,০০০ টকা হয়। এই টকাখিনিৰ ব্যৱহাৰৰ বিষয়ে আমি জানিব বিচৰাত অধ্যক্ষ মহোদয়ে এই বিষয়ত গুৰুত্ব প্ৰদান কৰি তৎকালীনভাৱে 'হেলথ চেণ্টাৰ' নামেৰে মেডিকেল ৰুমটো উদ্বোধন কৰে আৰু এগৰাকী নাৰ্চৰ ব্যৱস্থা কৰি দিয়ে। লগতে আশা কৰো যে সাপ্তাহিকভাৱে এগৰাকী ডাক্তৰৰ ব্যৱস্থা কৰি ছাত্ৰ-ছাত্ৰী সকলক আৰু অধিক উপকৃত কৰে যেন ।

২) চকিদাৰৰ ৰুম নথকা হেতুকে বিভিন্ন বেমেজালিৰ লগতে অসুবিধাৰ সৃষ্টি হৈছিল । সেই কথাৰ প্ৰতি লক্ষ্য ৰাখিয়ে আমি অধ্যক্ষ মহোদয়ক তেওঁলোকক সুব্যৱস্থা কৰি দিয়াৰ বাবে অনুৰোধ জনাইছিলো। সেই মৰ্মে অধ্যক্ষ মহোদয়ে চকিদাৰৰ দুটাকৈ ৰুম বনোৱাৰ কাম আৰম্ভ কৰিছে । উক্ত কাৰ্য অতিশীঘ্ৰে শেষ কৰিলে আমি নথৈ আনন্দিত হম।

৩) মহাবিদ্যালয়ৰ বাইক পাৰ্কিং আৰু পৰ্যাপ্ত পৰিমাণৰ চাইকেল পাৰ্কিংৰ ঠাই নোহোৱা হেতুকে ছাত্ৰ-ছাত্ৰীসকল সমস্যাৰ সন্মুখীন হৈ আহিছে । আমি মহোদয়ক বাইক পাৰ্কিংৰ ব্যৱস্থা কৰি দিবলৈ দাবী উত্থাপন কৰিছিলো। সেই মৰ্মে মহোদয়ে কাম আৰম্ভ কৰিছে, কিন্তু সেই কাম অতি লেহেমীয়া হোৱা পৰিলক্ষিত হৈছে । সেয়েহে আগন্তুক বাৰিষাৰ প্ৰতি লক্ষ্য ৰাখি নিৰ্মীয়মান অৱস্থাত থকা বাইক পাৰ্কিংৰ কামটো সম্পূৰ্ণ কৰিবলৈ অধ্যক্ষ মহোদয়ৰ ওচৰত আকৌ এবাৰ অনুৰোধ জনালো।

৪) মহাবিদ্যালয়খনৰ এখন বৃহৎ আকাৰ খেলপথাৰ আছে, কিন্তু ইয়াৰ অৱস্থা অতিকৈ শোচনীয় । প্ৰত্যেকজন ছাত্ৰ-ছাত্ৰীৰ পৰা মহাবিদ্যালয় খেলপথাৰ উন্নয়নৰ বাবে নামভৰ্ত্তিৰ সময়ত ৫০ (পঞ্চাচ) টকাকৈ লোৱা হয়। অৰ্থাৎ আনুমানিক হিচাব বছৰি ৫০,০০০ (পঞ্চাশ) টকা। কিন্তু ইয়াৰ সৎ ব্যৱহাৰ হোৱা আজিলৈকে পৰিলক্ষিত হোৱা নাই। সেয়েহে ছাত্ৰ-ছাত্ৰীৰ হৈ খেল পথাৰৰ উন্নয়নৰ বাবে অধ্যক্ষ মহোদয়ৰ ওচৰত অনুৰোধ কৰিলো ।

৫) 'ষ্টুডেণ্ট মিউচিয়েল এইড ফাণ্ড'ৰ অধীনত প্ৰত্যেক ছাত্ৰ-ছাত্ৰীৰ পৰা ৩০(ত্ৰিশ) টকাকৈ নামভৰ্ত্তিৰ সময়ত লোৱা হয়। ইয়াৰ আনুমানিক হিচাব বছৰি ৩০ (ত্ৰিশ) হাজাৰ টকা । প্ৰচপেক্টাচত স্পষ্টভাৱে লিখা আছে যে সেই ফাণ্ডটো দুখীয়া ছাত্ৰ-ছাত্ৰীক

সহায়ৰ বাবে লোৱা হয় । কিন্তু বহুবাৰ চেষ্টা কৰিও এই সহায় কোনো ছাত্ৰ-ছাত্ৰীকে আমি কৰিব পৰা নাই। আৰু এই ফাণ্ডৰ পৰা হোৱা সহায় আজিলৈকে আমাৰ দৃষ্টিত পৰা নাই । যিহেতু এতিয়া উচ্চশিক্ষাও দৰিদ্ৰ সীমা ৰেখাৰ তলত থকা ছাত্ৰ-ছাত্ৰীৰ বাবে চৰকাৰীভাৱে বিনামূলীয়া কৰিছে, গতিকে এইটো ফাণ্ড কোনো ধৰণৰ সহায়ৰ বাবে প্ৰযোজ্য নহয়। সেয়েহে এইটো ফাণ্ড বন্ধ কৰি দিয়ক, নহলে দৰিদ্ৰ সীমাৰেখাৰ তলত বাস কৰা ছাত্ৰ-ছাত্ৰীৰ দুৰ্ঘটনামূলক পৰিস্থিতিত ব্যৱহাৰ কৰক । এইয়ে অধ্যক্ষ মহোদয়ৰ ওচৰত সৰল মিনতি ।

৬) মহাবিদ্যালয়ৰ হৰ্ডিং সমূহ নতুন কৰাৰ লগতে ইলেকট্ৰনিক হৰ্ডিং ব্যৱহাৰৰ বাবে অধ্যক্ষ মহোদয়ক অনুৰোধ জনাইছিলোঁ। সেই মৰ্মে নলবাৰী মহাবিদ্যালয়ৰ মূল হৰ্ডিংখন ইলেকট্ৰনিকভাৱে বনোৱা হৈছে। লগতে ইউনিয়ন ৰুম, বাইক পাৰ্কিং, বি. পি. ই., ইত্যাদিৰো হৰ্ডিং সমূহ নতুনকৈ বনোৱা হয়। বাকী থকা প্ৰয়োজনীয় বিভাগসমূহৰ হৰ্ডিং সমূহো নতুনকৈ বনোৱাৰ বাবে অনুৰোধ জনালো।

৭) মহাবিদ্যালয়ত ডাঙৰ পুখুৰী এটি আছে, কিন্তু সুপৰিকল্পিত নোহোৱা বাবে ব্যৱহাৰৰ অনুপযোগী হৈ আছে। সেয়েহে সেই পুখুৰীটো বৈজ্ঞানীক পদ্ধতিৰে চিকুনাই পুখুৰীটো ব্যৱহাৰৰ উপযোগী কৰি দিয়ে যেন ।

৮) লৰা-ছোৱালীৰ প্ৰস্ৰাৱগাৰৰ সু-ব্যৱস্থা কৰিবলৈ অধ্যক্ষ মহোদয়ক অনুৰোধ জনাইছিলো সেই অনুৰোধক সহাৰি জনায় কাম আৰম্ভ কৰিছে যদিও এশ শতাংশই সম্পূৰ্ণ হৈ উঠা নাই। সেয়েহে অধ্যক্ষ মহোদয়ে কামটো সোনকালে সমাধা কৰি ব্যৱহাৰৰ উপযোগী কৰি দিয়ে যেন ।

৯) প্ৰত্যেক বিভাগে বিভাগে খোৱাপানীৰ ব্যৱস্থা কৰিব লাগে বুলি অধ্যক্ষ মহোদয়ৰ ওচৰত অনুৰোধ কৰি আহিছিলো সেই অনুৰোধক সঁহাৰি জনায় বি. এচ. চি. আই. টি. সংস্কৃত বিভাগ, ছোৱালীৰ জিৰণী কোঠা, কেণ্টিনৰ সন্মুখত খোৱা পানীৰ ব্যৱস্থা কৰিছে যদিও বাকী অন্য বিভাগবোৰতো সু-পানীৰ ব্যৱস্থা কৰে যেন ।

১০) মহাবিদ্যালয়খনৰ বাবে এখন ডাঙৰ জাননী বোৰ্ডৰ লগতে পতাকা উত্তোলনৰ বাবে স্থায়ী পকী বেদীৰ প্ৰয়োজন।

১১) ছাত্ৰাবাস আৰু এটি ডিজিটেল প্ৰেক্ষাগৃহ নলবাৰী মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলৰ অতিকৈ প্ৰয়োজনীয়।

১২) ছাত্ৰীবাস পৰা মূল ৰাস্তালৈ অহাযোৱা কৰা পথটো অতিকৈ শোচনীয়। এজাক বৰষুণতে পানীৰে উপচি পৰি ছাত্ৰী সকলক অহাযোৱাত অসুবিধাৰ সৃষ্টি কৰি আহিছে । এই কথা অধ্যক্ষ মহোদয়ক বহুবাৰ অৱগত কৰাৰ পিছতো আজিলৈ একো ব্যৱস্থা কৰা হোৱা নাই । সেযেহে অধ্যক্ষ মহোদয়ৰ ওচৰত বিনম্ৰ অনুৰোধ এয়াই যে ৰাস্তাটো পকী কৰাৰ লগতে নিৰাপত্তাৰ স্বাৰ্থত ষ্ট্ৰীট লাইটৰ ব্যৱস্থা কৰি দিয়ে যেন।

১৩) ছাত্ৰ একতা সভাৰ সংবিধান নোহোৱা হেতুকে ছাত্ৰ একতা সভাৰ লগতে ছাত্ৰ-ছাত্ৰীসকলৰ মাজত এক বেমেজালিৰ সৃষ্টি হৈ আহিছে। সেই কথাক গুৰুত্ব দি আমি এখন লিখিত সংবিধান প্ৰণয়ন কৰিছিলো অমৰ নায়ক (ইংৰাজী বিভাগ) ছাৰ, ড০ সুব্ৰত বৰ্মন (অৰ্থনীতি বিভাগ) ছাৰৰ নেতৃত্বত, আৰু নৰ কলিতা (এডভোকেত)ৰ সহযোগত। বহু কষ্ট আৰু চেষ্টাৰ ফলত মহাবিদ্যালয় সপ্তাহত সংবিধানখন উন্মোচন হয় যদিও আজিলৈ গ্ৰাহ্য হোৱা নাই। সেয়েহে সংবিধানখন গৃহীত কৰি ব্যৱহাৰ কৰে যেন। এইয়ে মহোদয়ৰ ওচৰত সৰল মিনতি।

১৪) অধ্যক্ষ মহোদয়ক অৱগত কৰি ছাত্ৰ একতা সভাৰ বিষয়ববীয়া সকলৰ নাম আৰু মহাবিদ্যালয়ৰ নাম উল্লেখ থকা এযোৰ পোছাক আমি ছাত্ৰ একতা সভাই ব্যৱহাৰ কৰিছো কাৰণ বিভিন্ন অনুষ্ঠানত এনেকুৱা পোছাক বহুত সুবিধাজনক আৰু যুৱ মহোৎসৱৰ দৰে অনুষ্ঠান সমূহত মহাবিদ্যালয়ৰ পৰা প্ৰতিনিধিত্ব কৰা প্ৰতিযোগী সমূহকো সুবিধাৰ স্বাৰ্থত এনে ধৰণৰ পোছাকৰ ব্যৱস্থা কৰিবলৈ অধ্যক্ষ মহোদয়ক অনুৰোধ জনালো।

১৫) বৰ্তমান দৰিদ্ৰ সীমাৰেখাৰ তলত থকা ছাত্ৰ-ছাত্ৰীসকলৰ অধ্যয়নৰ সমূহ খৰচ চৰকাৰে বহন কৰে। সেয়েহে ছাত্ৰ একতা সভাৰ উদ্যোগত ছাত্ৰ-ছাত্ৰীসমূহৰ পৰা কোনো ধৰণৰ অতিৰিক্ত টকা সংগ্ৰহ কৰিব নালাগে। এই প্ৰথা নলবাৰী মহাবিদ্যালয়ত বন্ধ হ'ব ধৰিছে ইয়াক আমিও সমৰ্থন জনাইছো আৰু আগন্তুক ছাত্ৰ একতা সভাইও এই ক্ষুদ্ৰ স্বাৰ্থ পৰিহাৰ কৰি এক মহান আদৰ্শ অটুত ৰাখিব বুলি আমি আশাবাদী।

ধৰ্মপৰায়ণ হিচাপে মহামতি ভীষ্মৰ খ্যাতি জগত বিখ্যাত, কিন্তু অসৎ সঙ্গত থাকি তেওঁ পাপ কাৰ্য্যত লিপ্ত হৈছিল। দুৰ্জ্জন ব্যক্তিয়ে দুষ্কৰ্ম কৰে আৰু তাৰ ফল ভোগ কৰে সাধু ব্যক্তিসকলে, ৰাৱণে সীতাক হৰণ কৰিছিল কিন্তু সমুদ্ৰত বাধা পালে ৰাম,

লক্ষ্মণ সহ বান্দৰবোৰে। উক্ত কথাষাৰক সাৰোগত কৰি মহাবিদ্যালয় কৰ্তৃপক্ষই গণবেশ পৰিধান নকৰাৰ লগতে নিয়ম-কানুন ভঙ্গ কৰা ছাত্ৰ-ছাত্ৰীৰ বিৰুদ্ধে কঠোৰ হ'ব লাগিব কাৰণ সেই মুষ্টিমেয় ছাত্ৰ-ছাত্ৰীসকলৰ ফলত সচেতন ছাত্ৰ-ছাত্ৰীয়েও বদনামৰ অংশীদাৰ হোৱাৰ লগতে তাৰ বেয়া ফলসমূহ ভোগ কৰিবলগা হয়।

অতীজৰে পৰা চলি অহা কিছুমান সৰু ডাঙৰ সমস্যাৰ বাবে অধ্যক্ষ মহোদয়ৰ লগতে মহাবিদ্যালয়ৰ কৰ্তৃপক্ষই ইচ্ছা থকাৰ পিছতো হয়তো মহাবিদ্যালয়ৰ আন্তঃগাঠনিৰ লগতে সমস্যাসমূহৰ সমাধান সময়ৰ অনুপাতত তুলনামূলকভাৱে কম হোৱা দেখা গৈছে। ইয়াক আমি মহাবিদ্যালয়ৰ পৰিয়ালৰ সদস্য হিচাপে লক্ষ্য কৰি আহিছো। সেয়েহে অধ্যক্ষ মহোদয়ক দোষাৰোপ নকৰি আমি সকলোৱে সহায় সহযোগ কৰিলে সমস্যাসমূহ অতি সোনকালে সমাধান হ'ব বুলি আমি আশাবাদী।

নলবাৰী মহাবিদ্যালয়খন আমাৰ বাবে মাথো এখন শিক্ষানুষ্ঠানে নহয়, ই আমাৰ বাবে আৱেগ আৰু ই আমাৰ বাবে স্বাভিমান। সেয়েহে ইয়াৰ গুণ গৰিমা অটুট ৰখাটো আমি সকলোৱে বিচাৰো। মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাই বা ছাত্ৰ-ছাত্ৰীসকলে শৈক্ষিক অভাৱৰ বাবে মাথো কলেজ কৰ্তৃপক্ষকে দোষাৰোপ কৰি নাথাকি মহাবিদ্যালয়ৰ প্ৰাক্তন ছাত্ৰ-ছাত্ৰী সকলোৰ লগতে আমি প্ৰত্যক্ষভাৱে সহযোগিতা আগবঢ়াই মহাবিদ্যালয়খনৰ সৰ্বাংগীন উন্নতিৰ বাবে চিন্তা কৰা উচিত।

কৃতজ্ঞতা জ্ঞাপন ঃ মহাবিদ্যালয়ৰ বিভিন্ন অনুষ্ঠানত বিশেষভাৱে সহায় কৰাৰ কাৰণে নলবাৰী মহাবিদ্যালয়ৰ অধ্যক্ষ ড° দীপক গোস্বামী মহোদয়ৰ লগতে ড° সুব্ৰত বৰ্মন, ড° প্ৰদ্যুম্ন শৰ্মা, ড° ৰঞ্জনা ভট্টাচাৰ্য্য, ড° মণি শৰ্মা শাস্ত্ৰী, ৰতন ডেকা, নিপন মজুমদাৰ, অনন্ত ৰাজবংশী, ড° বন্দনা দাস, ড° হংসধৰ ৰাজবংশী, সুৰজিৎ শৰ্মা, কুমুদ ৰাভা, ড° গৌতম সন্দিকৈ, বিদ্যুৎ কুমাৰ দাস, ৰিণ্টু ডেকা ছাৰৰ লগতে সমূহ অধ্যাপক-অধ্যাপিকাকে ধৰি মিতুপন দাদা, ৰঞ্জন দাদা, তহবিলদাৰ খুৰা, ৰাভা খুৰা, বিতু দাদা, মণ্টু দাদাৰ লগতে সমূহ কলেজ কৰ্মচাৰীক কৃতজ্ঞতা জনাইছো। ইয়াৰ লগতে নলবাৰী মহাবিদ্যালয়ৰ NCC গোট, NSS গোট, লগতে কেন্টিনৰ সুভাষ দাদাক বিশেষভাৱে ধন্যবাদ জনাইছো।

মহাবিদ্যালয় সপ্তাহৰ সাংস্কৃতিক শোভাযাত্ৰাৰ সময়ত ছাত্ৰ-ছাত্ৰীক খোৱা পানী বিতৰণ কৰাৰ বাবে নলবাৰী জিলা বিজেপি আৰু নলবাৰী জিলা অগপ ৰ কৰ্মীসকলৰ ওচৰত চিৰকৃতজ্ঞ হৈ ৰ'ম ।

নলবাৰী জিলাৰ স্থানীয় বিধায়ক তথা আমাৰ সকলোৱে শ্ৰদ্ধাৰ শ্ৰীযুত অশোক শৰ্মা ডাঙৰীয়া প্ৰমুখ্যে জিলা সভাপতি বনদ্বীপ ডেকা, ধ্ৰুৱজ্যোতি দত্ত, বিষ্ণুজ্যোতি কলিতা, হেমন্ত বৰ্মন, অনুপম হাজৰিকা, হেমন্ত বৰ্মন (বুলু), চৈত্যেন তালুকদাৰ, দীপক বৰুৱা, মানৱজ্যোতি কলিতা, কৌশিক দাস, প্ৰলয় কুমাৰ বড়ো, ৰিদীপ দত্ত আদিকে ধৰি কাৰ্যকালত সকলো সময়তে দিহা পৰামৰ্শ আগবঢ়োৱা ২০১৬-১৭ বৰ্ষৰ ছাত্ৰ একতা সভাৰ সমূহ বিষয়ববীয়াৰ ওচৰত মই চিৰঋণী থাকিলো।

এই চেগতে সমূহ ছাত্ৰ-ছাত্ৰীৰ হৈ আন্তৰিক ধন্যবাদ জ্ঞাপন কৰিছো অসম চৰকাৰক, যাৰ ফলত আজি দৰিদ্ৰ সীমা ৰেখাৰ তলত বাস কৰা ছাত্ৰ-ছাত্ৰীসকলে বিনা খৰচত অধ্যয়ন কৰিব পাৰিছে।

এই কথাখিনি উত্থাপন কৰাৰ সুযোগ দিয়া বাবে আৰু প্ৰত্যেকটো অনুষ্ঠান সাফল্যমণ্ডিত কৰাৰ লগতে সকলো সময়তে সহায়-সহযোগ আগবঢ়োৱাৰ বাবে মহাবিদ্যালয়ৰ সমূহ ছাত্ৰ-ছাত্ৰীৰ ওচৰত মই চিৰঋণী ।

শেষত জ্যোতিপ্ৰসাদ আগৰৱালাৰ কেইশাৰীমান কথাৰে মোৰ প্ৰতিবেদনখন সমাপ্ত কৰিলোঁ।

তই কৰিব লাগিব অগ্নিস্নান
সাজু হ' সাজু হ' নৱ-জোৱান
জয় শঙ্খ বজা পৃথিৱী কপাই
অত্যাচাৰকো কৰি বৰণ........
বজ্ৰ কণ্ঠে বিশ্বক শুনা সত্য জয় গান।
সাজু হ' সাজু হ' নৱ-জোৱান

জয়তু নলবাৰী মহাবিদ্যালয় ছাত্ৰ একতা সভা
জয়তু নলবাৰী মহাবিদ্যালয়
জয় আই অসম
জয় হিন্দ

# প্ৰতিবেদন



**হেমেন কলিতা**
সহঃ সাধাৰণ সম্পাদক (দিবাঃ)
নলবাৰী মহাবিদ্যালয় ছাত্ৰ একতা সভা
২০১৬-১৭ ইং বৰ্ষ

*অযুত তৰাৰ ঘুমটি ভাঙি*
*যেন সূৰ্য আহিছে নামি।।*
*দেশ বুলি ক'লে আদেশ নেলাগে,*
*মোৰ তুমৰলি তেজত টগবগাই উঠে*
*এহেজাৰ এটা ৰণুৱা ঘোঁৰা*

.............হীৰু দা।

## প্ৰতিবেদনৰ আৰম্ভণিতে ঃ

মোৰ দেশ, মোৰ মাটি, মোৰ অধিকাৰক প্ৰতিপন্ন কৰি নিজৰ দেশক নিজৰ বুলি কবলৈ যাওঁতে নিজৰ জন্মভূমি মাতৃক শোষণৰ পৰা মুক্তি দিয়াৰ সপোন বাস্তৱিত কৰিবলৈ যাওঁতে কলিজাৰ কেঁচা তেজেৰে ত্যাগৰ শলিতা জ্বলাই যি সকলে নিজৰ জীৱনক দেশ পূজাৰ ফুল, চন্দন, ধূপ-দ্বীপ হিচাপে আহুতি দিলে, সেই বীৰ শ্বহীদ সকলৰ আত্মাক শ্ৰদ্ধাৰে সোঁৱৰিলো আৰু যিসকলে অত্যাচাৰৰ বলি হৈ পঙ্গুত্বক সাৰটি কঠোৰ জীৱন সংগ্ৰামত ব্ৰতী হব লগা হ'ল সেই সকলকো মই মোৰ শ্ৰদ্ধা আৰু প্ৰণিপাত যাঁচিলো।

শিক্ষা-সাহিত্য-সংস্কৃতিৰ ৰত্নদ্বীপ নলবাৰীতে জ্ঞানৰ বৰমেলা বহিছিল। তাৰ পোহৰতে বিভিন্ন জাতি-জনজাতিৰ মিলন তীৰ্থৰ অসম যেনিবা বৰ অসমলৈ ৰূপান্তৰিত হৈছিল। এইখন অসম গঢ়াত নলবাৰীৰ যি বিশিষ্ট অৱদান তাক বুৰঞ্জীয়ে এতিয়াও প্ৰতিপন্ন কৰে। এনে ঐতিহ্যৰ আঁত ধৰি আহোতে যেন নলবাৰীৰ বুকুত কেইজনমান শিক্ষা-সাহিত্য-সংস্কৃতিৰ প্ৰেমীৰ আশাশুধীয়া প্ৰচেষ্টা আৰু জ্ঞানী-মনিষী, সুধী সমাজৰ সাধনালব্ধ ত্যাগৰ ফলশ্ৰুতিত গঢ়ি উঠিছিল জ্ঞান সাধনাৰ মহান তীৰ্থ "নলবাৰী মহাবিদ্যালয়"।

স্বাধীনত্তোৰ কালতে স্থাপিত এই জ্ঞান সাধনাৰ মহান তীৰ্থ নলবাৰী মহাবিদ্যালয়ত ছাত্ৰ-একতা সভাৰ সহকাৰী সাধাৰণ সম্পাদকৰ দৰে এনেহেন গুৰুত্ব পূৰ্ণ পদ এটিত নিৰ্বাচিত হৈ নিজকে ধন্য মানিছো আৰু ইয়াক সম্ভৱ কৰোৱা নলবাৰী মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী সমন্বিতে এন.চি.চি কেডেট, অসম জাতীয়তাবাদী যুৱ-ছাত্ৰ-পৰিষদৰ দৰে জাতীয় সংগঠন আৰু মোৰ জ্ঞাত-অজ্ঞাত সকলো শ্ৰদ্ধাৰ ব্যক্তিক অন্তৰৰ পৰা কৃতজ্ঞতা জ্ঞাপন কৰিলো।

## নিৰ্বাচন ঃ-

সম্পূৰ্ণ গণতান্ত্ৰিক ব্যৱস্থাৰে অনুষ্ঠিত নলবাৰী মহাবিদ্যালয় নিৰ্বাচন প্ৰক্ৰিয়া যথেষ্ঠ উন্নত মানৰ। নিৰ্বাচনত উক্ত সময়ছোৱাত মহাবিদ্যালয়খনত এক উৎসৱ মুখৰ পৰিৱেশৰ সৃষ্টি হয়। নিৰ্বাচনত প্ৰতিজন প্ৰাৰ্থীয়ে নিৰ্বাচনত প্ৰকাশ কৰে নিজৰ সুপ্ত প্ৰতিভা। উপযুক্ত প্ৰাৰ্থীজনে বিজয়ী হয় ছাত্ৰ-ছাত্ৰীৰ গৰিষ্ঠ সংখ্যক ভোটৰ দ্বাৰা। মহাবিদ্যালয়ৰ নিৰ্বাচনত বহু ছাত্ৰ সংগঠনে পৰোক্ষভাৱে নিজৰ প্ৰাৰ্থীক ঠিয় কৰোৱাই; কিন্তু দুভাৰ্গজনকভাৱে কেতিয়াবা সংবাদ মাধমত নিৰ্বাচনকেন্দ্ৰীক ভূৱা খবৰ কিছু প্ৰকাশ পোৱা পৰিলক্ষিত হয়। যাৰফলত মাজে সময়ে অপ্ৰীতিকৰ পৰিস্থিতিৰো

উদ্ভৱ হয়। সেয়েহে সংবাদ মাধ্যমৰ লগতে মহাবিদ্যালয়খনত ছাত্র সমাজকো সুস্থ নির্বাচন কেন্দ্রীক বাতাবৰণ বর্তাই ৰাখিবলৈ এই ছেগতে আমি অনুৰোধ জনালো। এনে সৰু-বৰ অভিজ্ঞতাৰে ময়ো ৫ অক্টোবৰ, ২০১৬ চনত ছাত্র-একতা সভাৰ নির্বাচনত সহকাৰী সাধাৰণ সম্পাদকৰ পদত মহাবিদ্যালয়ৰ সেৱাৰ অর্থে সম্পূর্ণ সুস্থ মানসিকতা আৰু আত্ম বিশ্বাসেৰে নির্বাচনত অৱতীর্ণ হৈছিলো। উক্ত নির্বাচনত মহাবিদ্যালয় ছাত্র-ছাত্রী, কৃর্তপক্ষৰ মৰম আৰু বিশ্বাসৰ বাবে তীব্র প্রতিদ্বন্দ্বিতাৰ অন্তত বিজয়ীৰ সোৱাদ লাভ কৰিছিলো। ছাত্র-একতা সভা গঠন হয় নির্বাচনত প্রতিদ্বন্দ্বিতা কৰা বিজয়ী প্রার্থীসকলৰ দ্বাৰা। মহাবিদ্যালয়ৰ উন্নয়ন বিচাৰিবলৈ প্রার্থীৰ স্বৰূপ চিনিবলৈ চেষ্টা কৰা উচিত। কাৰণ কোনোবা ছাত্র প্রতিনিধিৰ অমনোযোগিতা, দায়িত্বহীনতা আৰু জ্ঞান শূণ্যতাৰ বাবে বহু উন্নয়ণশীল কামত বাধাৰ সৃষ্টি হয় লগতে মহাবিদ্যালয়খনৰ সামগ্রীক উন্নয়নো স্থবিৰ হৈ পৰে।

**অনুষ্ঠান উদ্‌যাপন ঃ**

আমি কার্য্যভাৰ গ্রহণ কৰাৰ পাছতে ৪ ৰ পৰা ১০ ফেব্রুৱাৰী, ২০১৭ ইং চন তাৰিখলৈ বর্ণাঢ্য কার্য্যসূচীৰে মহাবিদ্যালয় সপ্তাহ অনুষ্ঠিত কৰা হৈছিল। বিভিন্ন প্রতিযোগিতা তথা শান্তিপূর্ণ পৰিৱেশৰ মাজত মহাবিদ্যালয় সপ্তাহ আকৰ্ষণীয় হৈ পৰিছিল। মোৰ দায়িত্বত থকা তর্ক প্রতিযোগিতা আৰু প্রদর্শনী প্রতিযোগিতা মহাবিদ্যালয় সপ্তাহত আটকধুনীয়া তথা আকৰ্ষণীয়ভাৱে অনুষ্ঠিত কৰাত চেষ্টাৰ ত্রুটি কৰা নাছিলো। তর্ক প্রতিযোগিতাৰ জৰিয়তে ছাত্র-ছাত্রীৰ জ্ঞানৰ পৰিসৰ আৰু শ্রোতাৰ অনুসন্ধিৎসু মনৰ উৎকর্ষ সাধন হয়। সপ্তাহযোৰা কার্য্যসূচীৰ অন্তত ১০ ফেব্রুৱাৰী তাৰিখৰ দিনা মুকলি অধিৱেশন আৰু বঁটা বিতৰণী সভাৰে আমাৰ মহাবিদ্যালয় সপ্তাহৰ সামৰণি পৰে।

উক্ত প্রতিযোগিতাৰ ফলাফল সমূহ এনে ধৰণৰ ঃ

তর্কপ্রতিযোগিতা ঃ প্রথম নিলোৎপল গোস্বামী, দ্বিতীয় জিণ্টুমণি কলিতা, তৃতীয় সাগৰিকা কলিতা

প্রদর্শনী প্রতিযোগিতা ঃ প্রথম পাপৰি দেৱী, দ্বিতীয় নিলোৎপল গোস্বামী, তৃতীয় অলকেশ ডেকা

সহকাৰী সাধাৰণ সম্পাদক হিচাপে পৰিচালনা কৰিবলগীয়া হোৱা ছাত্র-একতা সভাৰ অন্যতম কার্য্যসূচী আছিল সদৌ অসম ভিত্তিক 'প্রসন্ন নাৰায়ণ চৌধুৰী' স্মাৰক তর্ক প্রতিযোগিতা। আমাৰ কার্য্যকালত ১২ চেপ্তেম্বৰত মহাবিদ্যালয়ৰ প্রভাত চন্দ্র গোস্বামী প্রেক্ষাগৃহত অনুস্থিত হোৱা এই তর্ক প্রতিযোগিতাৰ বিষয় আছিল "খিলঞ্জীয়া অসমীয়া আর্থ-সামাজিক আৰু ৰাজনৈতিক সুৰক্ষাৰ একমাত্র কৱছ জাতীয়তাবাদ" "Nationalisim is the only armour for the socio-economic and political security of the indejeneous assamese people" ।প্রসন্ন নাৰায়ণ চৌধুৰী স্মাৰক তর্ক প্রতিযোগিতাখনত অসমৰ ভিন্ন প্রান্তৰ ছাত্র-ছাত্রীৰ অংশ গ্রহণে ছাত্র-একতা সভাৰ কষ্টক সার্থক কৰি তুলিছিল। এই প্রতিযোগিতাখনত শ্রেষ্ঠ দল হিচাপে নির্বাচিত হৈছিল কটন বিশ্ববিদ্যালয়, দ্বিতীয় শ্রেষ্ঠ দল হৈছিল গুৱাহাটী বিশ্ববিদ্যালয়। গুৱাহাটী বিশ্ববিদ্যালয়ৰ সুব্রত দত্ত শ্রেষ্ঠ তার্কিক আৰু গুৱাহাটী বিশ্ববিদ্যালয়ৰ জেৰুমিনা হাফিজে দ্বিতীয় শ্রেষ্ঠ তার্কিকৰ সন্মান লাভ কৰিছিল। সেইদিনা এই অনুষ্ঠানৰ অতিথি হিচাপে উপস্থিত আছিল অসমৰ জ্যেষ্ঠ সাংবাদিক তথা চিন্তাবিদ অদীপ কুমাৰ ফুকন ডাঙৰীয়া। লগতে উপস্থিত থাকে অসম জাতীয়তাবাদী যুৱ-ছাত্র পৰিষদ নলবাৰী জিলা সমিতিৰ সভাপতি মৃণাল কুমাৰ বর্মন দেৱ আৰু সদৌ নলবাৰী জিলা ছাত্র সন্থাৰ সভাপতি গুণজিৎ পাঠক দেৱ।

মোৰ কার্য্যকালৰ উক্ত সময়ছোৱাত মই নলবাৰী মহাবিদ্যালয়ৰ এন.চি.চি. গোটৰ যৌথ দায়িত্বত থকা হেতুকে মহাবিদ্যালয়ৰ অধ্যক্ষ মহোদয়ে তাৎক্ষণিকভাৱে অন্য এটা অনুষ্ঠান অনুস্থিত কৰাৰ বাবে মোক দায়িত্ব অর্পণ কৰিছিল। এই দায়িত্ব স্বীকাৰ কৰি নলবাৰী মহাবিদ্যালয়ৰ এন.চি.চি গোটৰ উদ্যোগত আৰু ছাত্র-একতাৰ সহযোগত দ্বিতীয় বর্ষৰ বাবে সদৌ অসম ভিত্তিত কুছকাৱাজ প্রতিযোগিতা নলবাৰী মহাব্যিদালয়ৰ খেল পথাৰত অনুষ্ঠিত হয়। মহাবিদ্যালয়ৰ তিনিয়োখন সর্বোচ্চ ধ্বজা উত্তোলনেৰে প্রতিযোগিতাখনৰ কার্য্যসূচীৰ শুভাৰম্ভ হয়। ক্রমে মহাবিদ্যালয়ৰ ধ্বজা উত্তোলন কৰে মহাবিদ্যালয়ৰ অধ্যক্ষ ড° দীপক কুমাৰ গোস্বামীদেৱে, এন.চি.চি.ৰ ধ্বজা উত্তোলন কৰে তত্বাৱধায়ক ড° নিপন মজুমদাৰদেৱে আৰু ছাত্র একতা সভাৰ ধ্বজা উত্তোলন কৰে উপ-সভাপতি ৰূপম ডেকাই। ইয়াৰ পিছতে এন.চি.চিৰ বেদীত বন্তি প্রজ্বোলন আৰু মাল্যার্পণ কৰে ক্রমে মহাবিদ্যালয়

উপাধ্যক্ষা শ্ৰীযুতা মঞ্জুলা দত্ত ৰায়বৰুৱা আৰু প্ৰৱক্তা কুমুদ ৰাভাদেৱে। প্ৰতিযোগিতাখন উদ্বোধন কৰে ছাত্ৰ-একতা সভাৰ তত্বাবধায়ক ড° সুব্ৰত বৰ্মন দেৱে। উক্ত প্ৰতিযোগিতাত ৰঙিয়া মহাবিদ্যালয় এন.চি.চি গোটে শ্ৰেষ্ঠ দলৰ সন্মান লাভ কৰিছিল। দ্বিতীয় শ্ৰেষ্ঠ দল নলবাৰী মহাবিদ্যালয় এন.চি.চি. গোট, তৃতীয় শ্ৰেষ্ঠ দল মহেন্দ্ৰ নাৰায়ণ চৌধুৰী বালিকা বিদ্যাপীঠ, নলবাৰী। তদুপৰি শ্ৰেষ্ঠ কেডেট হিচাপে নিৰ্বাচিত হয় নলবাৰী মহাবিদ্যালয় এন.চি.চি কেডেট অনামিকা তালুকদাৰ আৰু দ্বিতীয় শ্ৰেষ্ঠ কেডেট টিহু মহাবিদ্যালয়ৰ কামাণ্ডাৰ কৌশিক তালুকদাৰ আৰু তৃতীয় শ্ৰেষ্ঠ হিচাপে নিৰ্বাচিত হয় মহেন্দ্ৰ নাৰায়ণ চৌধুৰী বালিকা বিদ্যাপীঠৰ ছাত্ৰী ফাৰাহ্ আহমেদ। ইয়াৰোপৰি প্ৰতিযোগতাখনত শ্ৰেষ্ঠ গ্ৰুপ কামাণ্ডাৰৰ সন্মান লাভ কৰে টিহু মহাবিদ্যালয়ৰ কামাণ্ডাৰ কৌশিক তালুকদাৰে। প্ৰতিযোগিতাৰ পেৰেড কামাণ্ডাৰৰ দায়িত্ব বহন কৰি সুচাৰু ৰূপে চলাই নিয়ে নলবাৰী মহাবিদ্যালয়ৰ প্ৰাক্তন কেডেট পুলক পাটগিৰীয়ে। প্ৰতিযোগিতাৰ অন্তত অনুস্থিত মুকলি সভা আৰু বঁটা বিতৰণী সভাত দেশৰ হৈ সেৱা আগবঢ়োৱা কেইবাজনো প্ৰাক্তন সৈনিকক সম্বৰ্দ্ধনা জ্ঞাপন কৰা হয়।

উত্তৰ-পূৰ্বাঞ্চলৰ প্ৰথমখন শিক্ষানুষ্ঠান হিচাপে নলবাৰী মহাবিদ্যালয়ে সৰ্ব প্ৰথম অনুষ্ঠিত কৰা কুচ্-কাৱাজ প্ৰতিযোগিতাখনত বিশেষভাৱে সহায় কৰা নলবাৰী জিলাৰ উপায়ুক্ত অনন্ত লাল জ্ঞানী, 1 Assam B.N. N.C.C. ৰ CO কৰ্ণেল গোবিন্দ সিং, 21 Mahar Regiment Tamulpur Army Camp ৰ CO কৰ্ণেল নিতিন মামগেইন, 136 B.N. CRPF নলবাৰীৰ CO পি.চি চৌহান আৰু নলবাৰী জিলাৰ আৰক্ষী অধীক্ষৰ হেমন্ত কুমাৰ ভট্টচাৰ্য্যকে ধৰি সমূহ উচ্চ পদস্থ বিষয়ববীয়াৰ অৱদানক আন্তৰিকতাৰে সুঁৱৰিছো।

আমাৰ কাৰ্য্যকালতে মহাবিদ্যালয়খনৰ কিছুমান বিশেষ কাৰ্য্যসূচীত মহাবিদ্যালয়খনে অতিথি হিচাপে পদ-ধূলি লাভ কৰিছিল অসমৰ সন্মানীয় মুখ্যমন্ত্ৰী মাননীয় শ্ৰীযুত সৰ্বানন্দ সোণোৱাল ডাঙৰীয়াদেৱৰ লগতে অসমীয়া সংগীত জগতৰ ভোটাতৰা স্বৰূপ তথা ন-প্ৰজন্মৰ হিয়াৰ আমঠু জুবিন গাৰ্গ আৰু তেখেতৰ সহধৰ্মিনী গৰিমা শইকীয়া গাৰ্গ, অসমীয়া চলচিত্ৰৰ জনপ্ৰিয় অভিনেতা ৰবি শৰ্মা, অভিনেত্ৰী বৰ্ষাৰাণী বিষয়া, চেতনা দাস, সুকণ্ঠী গায়িকা তৰালী শৰ্মা, গায়ক বিদ্যাসাগৰ আদিকে ধৰি বহুতো কলা-কৌশলীৰ। এইসকলক লৈ আমি সৌভাগ্যবান আৰু লগতে গৌৰাৱন্বিত।

পোন প্ৰথমবাৰৰ বাবে অসম চৰকাৰে মহাবিদ্যালয়ৰ শিক্ষাৰ্থীসকলক বিধান সভাৰ কাম-কাজ দেখুৱাৰ যি ব্যৱস্থা কৰিছিল তাৰে ফলশ্ৰুতিত আমাৰ কাৰ্য্যাকালৰ সময়ছোৱাতে চৰকাৰৰ আমন্ত্ৰণ ৰক্ষা কৰি মহাবিদ্যালয় অসমীয়া বিভাগৰ অধ্যাপিকা ড° বন্দনা দাস বাইদেউ আৰু ইংৰাজী বিভাগৰ অধ্যাপক ৰতন ডেকা ছাৰৰ তত্বাবধানত মহাবিদ্যালয়ৰ পৰা পোন্ধৰজনীয়া ছাত্ৰ-ছাত্ৰীৰ দল এটি ২৬ ফেব্ৰুৱাৰীৰ পৰা ২৯ ফেব্ৰুৱাৰী, ২০১৭ ইং তাৰিখলৈ তিনিদিনীয়া কাৰ্য্যসূচীৰে বিধান সভালৈ যাত্ৰা কৰিছিলো। মহাবিদ্যালয়ৰ দলটিৰ লগত মই অংশীদাৰ হবলৈ পাই গৰ্বিত। প্ৰথমবাৰৰ বাবে চৰকাৰে গ্ৰহণ কৰা এই পদক্ষেপ সঁচাকৈ প্ৰসংশনীয়। এই ছেগতে মহাবিদ্যালয়ৰ তৰফৰ পৰা চৰকাৰক ধন্যবাদ জনাইছো আৰু আশা কৰো চৰকাৰে গ্ৰহণ কৰা নতুন পদক্ষেপ চিৰপ্ৰৱাহমান হৈ ৰওক।

**ছাত্ৰ একতা সভা আৰু কৰ্তৃপক্ষৰ অন্য এক প্ৰসঙ্গ ঃ**

আমি আমাৰ কাৰ্য্যকালত আমাৰ ওপৰত ন্যস্ত কৰা প্ৰতিটো দায়িত্ব সম্পূৰ্ণ নিষ্ঠা সহকাৰে আৰু সফলভাৱে ৰূপায়ণ কৰিবলৈ যত্ন কৰিছিলো। তথাপি আমাৰ এই চমু কাৰ্য্যকালত মহাবিদ্যালয়খনত এতিয়াও সমাধান কৰিবলগীয়া বহুতো সমস্যা দৃষ্টিগোচৰ হৈছিল। সম্প্ৰতি নলবাৰী মহাবিদ্যালয়ে নানা ঘাত-প্ৰতিঘাতৰ মধ্যস্থানত উপনীত হৈ বিভিন্ন সমস্যাৰে জৰ্জৰিত হৈ পৰা মহাবিদ্যালয় বুলি কলেও কিজানি ভুল নহব। মহাবিদ্যালয়খনক নানা সমস্যাই গ্ৰাস কৰিবলৈ যেন অবিৰতভাৱে আগবাঢ়ি আহিছে। তথাপিও অভাৱক কোনো দিনে অৱহেলা কৰা নাই। কতৃপক্ষই কিমানখিনি অভাৱ পূৰণ কৰিবলৈ সক্ষম হৈছে এয়া আমাৰ সকলোৰে জ্ঞাত। দৰাচলতে ক'বলৈ গলে মানুহৰ শৰীৰৰ যেতিয়া সকলো অংগতে আঘাত হয় তেতিয়া সি পাহৰি যায় তাৰ যে আগতে কিবা এটা বেমাৰ আছিল। ঠিক তেনেদৰে মহাবিদ্যালয়খনৰ ক্ষেত্ৰতো একে অৱস্থা। ইমানবোৰ সমস্যাৰ মাজত থাকি কৰ্তৃপক্ষই মাজে সময়ে পাহৰি যায় অইন কিছুমান গুৰুত্বপূৰ্ণ সমস্যাৰ কথা। কিন্তু আমাৰ কাৰ্য্যাকালত সদা সহনশীল মনোভাৱ লৈ আমি

সদায়ে সমস্যা সমধানৰ বাবে কৰ্তৃপক্ষৰ সমস্যাটোৰ প্ৰতি দৃষ্টি আকৰ্ষণৰ চেষ্টা চলাই আহিছো। আমি মাথোন সমস্যা সমূহৰ সমাধানৰ বাবে আবেদন কৰিবহে পাৰো তাক বাস্তৱত ৰূপায়িত কৰে কৰ্তৃপক্ষইহে। আমাৰ কাৰ্য্যকালৰ শেষৰ সময়চোৱাত কৰ্তৃপক্ষৰ ওচৰত মহাবিদ্যালয়ৰ গুৰুত্বপূৰ্ণ সমস্যাসমূহৰ খতিয়ান দাঙি ধৰিছিলো। আশাকৰো অনাগত দিনবোৰত সমস্যাসমূহক গুৰুত্ব সহকাৰে লৈ সমাধান কৰাৰ বাবে কৰ্তৃপক্ষই সকলো প্ৰকাৰে ব্যৱস্থা গ্ৰহণ কৰে যেন।

এনে নহয় যে কৰ্ত্তৃপক্ষই উক্ত কাৰ্য্যকালত কোনো এটা সমস্যাই সমাধানৰ চেষ্টা কৰা নাছিল। কাৰ্য্যভাৰ গ্ৰহণ কৰিয়েই ছাত্ৰ-একতা সভাই উত্থাপন কৰাৰ দাবীৰ প্ৰতি সঁহাৰি জনায় কৰ্ত্তৃপক্ষই কলেজৰ দুয়োটা মূল তোৰণৰ 'গেটমেন' দুজনৰ জিৰণি কোঠা দুটা নিৰ্মাণ কৰোৱাইছিল, যাৰ বাবে আমি মহাবিদ্যালয় কৰ্ত্তৃপক্ষৰ ওচৰত চিৰকৃতজ্ঞ হৈ ৰ'ম।

**<u>আমাৰ ব্যক্তিগত অনুভৱ আৰু মহাবিদ্যালয়ৰ উত্তৰসূৰী ছাত্ৰ সমাজৰ প্ৰতি আহ্বান ঃ</u>**

আমাৰ মহাবিদ্যালয়ৰ শৈক্ষিক পৰম্পৰা অৱধাৰিতভাৱে গতি কৰিছে; কিন্তু অন্য কিছু স্পৰ্শকাতৰ দিশে আমাৰ চিন্তিত কৰি তুলিছে। পুঁজিবাদৰ ধামখুমীয়াত পৰি বহু ক্ষেত্ৰত আমি নিজকে পাহৰি যাওঁ । এনে কিছুমান ঘটনা বা অপৰাধমূলক কাৰ্য্যসংঘটিত হয় যাৰ বাবে আমি কৰ্তৃপক্ষক দোষাৰোপ কৰো। যদিও তেনে কামৰ বাবে আমাৰ এই নিৰ্দ্দিষ্ট দুই এজন দায়ী। দুই এজনৰ বাবে মহাবিদ্যালয় তথা সমগ্ৰ অনুষ্ঠানটোৰে সুনাম নষ্ট হোৱাৰ পৰিস্থিতিৰো সৃষ্টি নোহোৱা নহয়। সেয়ে মই সকলোকে আহ্বান জনাও বেলেগক দোষাৰোপ কৰাৰ আগতে আমি এবাৰ নিজকে টুকুৰিয়াই চাও আহক।

পৰিৱেশ পৰিস্থিতি সলনি হ'ল। মহাবিদ্যালয়ৰ কিছুমান কাৰ্য্যসূচীত ছাত্ৰ-ছাত্ৰী তথা শিক্ষক-কৰ্মচাৰীৰ সামূহিক অংশগ্ৰহণৰ অভাৱ দেখা পাইছিলো। কাৰ্য্যসূচীসমূহত মুষ্টিমেয় কেইজনমানেহে দায়িত্ব লব লগা হয়। মহাবিদ্যালয়খনক নিজৰ পৰিয়াল বুলি ধৰি লৈ প্ৰতিজনে মহাবিদ্যালয়খনৰ উত্তৰোত্তৰৰ বাবে আগবাঢ়ি আহো আহক। অপ-সংস্কৃতি আৰু আমদানিকৃত জীৱন শৈলীত হাবু-ডাবু নাখায় আঁহক আমি শিপাৰ সৈতে সংলগ্ন হৈ থাকি উন্নয়ন আৰু আধুনীকতাৰ পথত অগ্ৰসৰ হওঁ।

সমাজ অবিহনে ব্যক্তি হ'ব নোৱাৰে। ছাত্ৰ সমাজৰ অধ্যয়নৰ উপৰিও আমাৰ সমাজ, জাতি আৰু দহৰ প্ৰতিও দায়িত্ব আছে বুলি আমিও শিকি আহিছোঁ। জাতিৰ এই সংকটপূৰ্ণ মুহূৰ্তত ব্যক্তিকেন্দ্ৰীকতা পৰিহাৰ কৰি আমি অলপ বেলেগকৈ ভাবোঁ আঁহক। বস্তুবাদৰ প্ৰতি আকৰ্ষণ পৰিহাৰ কৰি জীৱনটোক উপলব্ধি কৰোঁ আহক। আমাৰ জীৱনটোত কি পালোঁ তাক হিচাপ কৰাতকৈ আমি জীৱনত কিমানজনক কি দিব পাৰিম আৰু তাৰ বাবে নিজক কেনেকৈ সাজু কৰাম তাৰ প্ৰতি সচেতন হোৱা উচিত। আমাৰ উত্তৰপুৰুষে যাতে ভৱিষ্যতে আমাক আঙুলিয়াব নোৱাৰে তাৰ বাবে আজিয়েই আমি সংকলাবদ্ধ হৈ সাজু হওঁ আহক।

**<u>কৃতজ্ঞতা স্বীকাৰ ঃ</u>**

প্ৰাক-স্বাধীনোত্তৰ কালতে বৰ্তমান শিক্ষাৰ নৱদ্বীপ হিচাপে পৰিচিত নলবাৰী জিলাত স্থাপিত কলা আৰু বিজ্ঞান উভয় শাখাৰে উচ্চ শিক্ষাৰ প্ৰথম আৰু একমাত্ৰ শিক্ষানুষ্ঠান নলবাৰী মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ কাৰ্যকালত কাৰ্যনিৰ্বাহ কৰি থকা সময়ছোৱাত মোক সজ উপদেশৰ লগতে উপযুক্ত দিহা-পৰামৰ্শ দিয়াৰ বাবে মহাবিদ্যালয়ৰ অধ্যক্ষ ড° দীপক গোস্বামীদেৱক, ছাত্ৰ একতা সভাৰ তত্বাৱধায়ক ড° সুব্ৰত বৰ্মন ছাৰৰ লগতে মোৰ বিভাগৰ তত্বাৱধায়িকা গীতিমা বুজৰবৰুৱা বাইদেউক কৃতজ্ঞতা জ্ঞাপন কৰিলো। কাৰ্যকালৰ সময়ছোৱাত দায়িত্বপূৰ্ণ কথাৰ বাহিৰেও বহুকথাৰে মোক উৎসাহিত কৰাৰ বাবে কৃতজ্ঞতা জনাইছো উপাধ্যক্ষা ড° মঞ্জুলা দত্ত ৰায় বৰুৱা বাইদেউ, ড° দ্বিজেন দাস ছাৰ, ড° অমৰ নায়ক ছাৰ, ড° প্ৰদ্যুম্ন শৰ্মা ছাৰ, ড° মণি শৰ্মা ছাৰ, বিদ্যুৎ দাস ছাৰ, ৰিন্টু ডেকা, গিৰীণ ডেকা ছাৰ সমন্বিতে মহাবিদ্যালয়ৰ সমূহ চিৰ নমস্য অধ্যাপক-অধ্যাপিকা সকলক। কাৰ্যকালৰ বিভিন্ন কাৰ্যসূচীত মহাবিদ্যালয়ৰ ৰঞ্জন দা, ৰাভা খুড়া, গণেশ খুড়া, বিতু দা, মিতুপন দা, তহবিলদাৰ খুৰা, মনোজ দা, প্ৰবোধ দা আদি সমূহ কৰ্মচাৰীসকলৰ সহায়-সহযোগিতা তথা সজ উপদেশৰ শলাগ নলৈ নোৱাৰিলো। ধন্যবাদ জনাইছো মহাবিদ্যালয় সেৱাত ব্ৰতী হোৱা মোৰ কাৰ্যকালৰ ছাত্ৰ একতা সভাৰ সমূহ সতীৰ্থবৃন্দলৈ। মোৰ কাৰ্য্যকালত নিঃস্বাৰ্থভাৱে সোঁশৰীৰে যথেষ্ঠ কষ্ট স্বীকাৰ কৰি আৰম্ভণিৰ পৰা অন্তলৈ সহায় কৰা মৰমৰ বন্ধু-বান্ধৱী দীপক, দিনবন্ধু, অনামিকা, ধৃতি, শুভ্ৰ, সমৰ, জিতু, শান্তনু, অনিমেষ, মানৱ, প্ৰসেনজিত, কাৰ্তিক, জিতু, হৰিদেৱ, কুলেন আদিকে ধৰি পুলক দা, কংকন দা, নয়ন দা, বিশ্ব দা, দাদু দা, দীপ

দা আটাইৰে ওচৰত মই কৃতজ্ঞ। মই পাহৰিব নোৱাৰো মোৰ প্ৰতি তেওঁলোকৰ সহায়ৰ অৱদান। উপৰোক্ত আটাইৰে উপৰিও মই চিৰ কৃতজ্ঞ সেইসকলৰ ওচৰত যিসকল মোৰ জ্ঞাত-অজ্ঞাতে শুভাকাংশী, বন্ধু-বান্ধৱী, দাদা-বাইদেই, ভাই-ভনীৰ অজস্ৰ মৰম আৰু শুভকামনাত মই আজিও শক্তি আৰু শান্তি অনুভৱ কৰো। আশাকৰো এনে মৰম আৰু শুভকামনা মোক তেওঁলোকে সদায় দি থাকে যেন। মই চিৰ কৃতজ্ঞ মহাবিদ্যালয় এন.চি.চি কেডেট, অগ্ৰজ আৰু অনুজ ছাত্ৰ-ছাত্ৰী , মহাবিদ্যালয়ৰ শিক্ষক গোট, এন.চি.চি গোট- যাৰ আস্থা আৰু সহায়-সহযোগিতাই মোক কাৰ্যকালৰ আৰম্ভণিৰ পৰা শেষলৈ সফলভাৱে ৰূপায়িত কৰাত সহায় কৰিছিল।

মহাবিদ্যালয়ৰ ছাত্ৰ প্ৰতিনিধি হিচাপে সেৱা আগবঢ়োৱাৰ ক্ষেত্ৰত পৰোক্ষভাৱে সহায় আগবঢ়োৱা অসমৰ অন্যতম শক্তিশালী জাতীয় সংগঠন অসম জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদৰ নলবাৰী জিলা সমিতি, নলবাৰী চহৰ সমিতি, আৰু নলবাৰী মহাবিদ্যালয়ৰ গোটকো মই কৃতজ্ঞতা জ্ঞাপন কৰিছো।

সদৌ শেষত মোৰ হৈ যোৱা সকলো ভুল-ত্ৰুটীৰ বাবে সকলোৰে ওচৰত মাৰ্জনা বিচাৰিলো আৰু নলবাৰী মহাবিদ্যালয় শিক্ষাৰ জ্যোতিৰে জ্যোতিস্মান হৈ চৌদিশে আলোকেৰে উদ্ভাসিত হৈ থকাৰ লগতে সমাজৰ পৰা অপ-সংস্কাৰ, দুৰ্নীতি আঁতৰাই সু-চিন্তাৰে সমাজক এটি নতুন গতি দিয়াৰ স্বপ্ন মনত সাঁচি ৰখা প্ৰতিজন শিক্ষাৰ্থীলৈ শুভেচ্ছা জনাই প্ৰাণৰ মহাবিদ্যালয়খনৰ ভৱিষ্যতে সৰ্বতোপ্ৰকাৰৰ উন্নতি কামনা কৰাৰ লগতে মোৰ জীৱনলৈ আটাইৰে শুভাশীষ বিচাৰি মই মোৰ প্ৰতিবেদনৰ সামৰণি মাৰিলো।

ধন্যবাদেৰে

জয়তু নলবাৰী মহাবিদ্যালয়

জয়তু নলবাৰী মহাবিদ্যালয় ছাত্ৰ একতা সভা

জয় আই অসম

# প্ৰতিবেদন



**বিকাশ তালুকদাৰ**
সহঃ সাধাৰণ সম্পাদক, আবেলি শাখা
নলবাৰী মহাবিদ্যালয় ছাত্ৰ একতা সভা,
২০১৬-১৭ ইং বৰ্ষ

প্ৰতিবেদনৰ শীৰ্ষকত মই সেইসকল ব্যক্তিলৈ শ্ৰদ্ধা জ্ঞাপন কৰিছো যিসকল ব্যক্তিৰ অশেষ চেষ্টা আৰু ত্যাগৰ ফলত ঐতিহ্যমণ্ডিত নলবাৰী মহাবিদ্যালয় ১৯৪৫ চনতে স্থাপিত হয়। লগতে যিসকল শ্বহীদে ত্যাগৰ মন্ত্ৰৰে আন্ধাৰৰ পথ অতিক্ৰম কৰি অসমীয়া জাতি সত্তা ৰক্ষাৰ যুঁজত প্ৰাণ বিসৰ্জন দি গ'ল সেইসকল বীৰ শ্বহীদলৈ মই মোৰ গভীৰ শ্ৰদ্ধাঞ্জলি নিবেদিছোঁ।

যিহেতু মই আবেলি শাখাৰ পৰা প্ৰতিনিধিত্ব কৰিছিলো, গতিকে মোৰ বাবে এই পদটোত পূৰ্ণ দায়িত্ব আছিল। মোৰ এই এবছৰীয়া কাৰ্যকালত মই কিমানদূৰ সফল হৈছো তাক কৰ্তৃপক্ষ আৰু ছাত্ৰ-ছাত্ৰীয়ে বিচাৰ কৰিব। এইখিনিতে মই উল্লেখ কৰিব খোজো যে মোৰ কাৰ্যকালৰ সময়ত হোৱা এটি দুৰ্ঘটনাৰ বাবে মই কাৰ্যকালৰ অন্তিম সময়লৈ অন্যান্য সম্পাদক-সম্পাদিকাক সহায় কৰিব নোৱাৰিলোঁ। কিন্তু মই ক'বলৈ পাই নথৈ আনন্দিত হৈছো যে, যদিওবা মই সহায়ৰ হাত আগবঢ়াব নোৱাৰিলোঁ, তথাপিও প্ৰতিদিনে, প্ৰতিটো অনুষ্ঠানৰ প্ৰাক্ আৰু পৰৱৰ্তী ক্ষণত অনুষ্ঠানটোৰ সন্দৰ্ভত সমূলি বিৰৰণ অন্যান্য সম্পাদকৰ পৰা শুনিবলৈ পাইছিলোঁ। এই কথাই মোৰ মনোবল যথেষ্ট পৰিমাণে বৃদ্ধি কৰিছিল আৰু মই আনন্দ লাভ কৰিছিলো যে মোৰ অভাৱক তেওঁলোকে সদায় মনত ৰাখিছিল, কিন্তু কৰ্মত এই কথাৰ উমান কোনো ছাত্ৰ-ছাত্ৰী বা ব্যক্তিক দিয়া নাছিল।

মই মোৰ কাৰ্যকালত আবেলি শাখাটোক নিয়াৰিকৈ চলাই নিয়াত গুৰুত্ব দিছিলোঁ। বহুতৰে ভুল ধাৰণা যে, আবেলি শাখাত কম নম্বৰ পোৱা বেয়া ছাত্ৰই নামভৰ্ত্তি কৰে। সেয়ে মই যথেষ্ঠ কষ্ট তথা আন্তৰিকতাৰে সমূহ ছাত্ৰ-ছাত্ৰীৰ সৈতে মত বিনিময় কৰিছিলোঁ যাতে তেওঁলোকৰ সমস্যাবোৰ বুজি উঠো। পৰৱৰ্তী শিক্ষাবৰ্ষত যেতিয়া আবেলি শাখাটো বন্ধ কৰি দিয়াৰ কথা ওলাইছিল, তেতিয়া আমি ছাত্ৰ একতা সভাই এই কথাৰ বিৰোধ কৰিছিলোঁ। কাৰণ মই সেই সমূহ ছাত্ৰ-ছাত্ৰীৰ সৈতে মত বিনিময় কৰোতে কিছুমান বাস্তৱ সত্য উদ্ধাৰ কৰিছিলো, যাক কলেজ কৰ্তৃপক্ষই জনা উচিত বুলি মই ভাবো। এই শাখাৰ বিভিন্ন ছাত্ৰ বা ছাত্ৰীয়ে দুখীয়া পৰিয়ালৰ -যাৰ ঘৰত পঢ়িবৰ বাবে এখন কিতাপ, লিখিবৰ বাবে এটা বহী, আন্ধাৰত জ্বলাবৰ বাবে চাকিও যাৰ নাই। তেনেস্থলত এটা সুন্দৰ ৰিজাল্ট পোৱাতো যথেষ্ঠ কষ্টকৰ। বেছি ভাগ ছাত্ৰ-ছাত্ৰীয়ে পঢ়াশুনাৰ লগতে ঘৰখন চলাবলৈ কষ্ট কৰে। সেইসকল ছাত্ৰ-ছাত্ৰীক লৈ আমি দৰাচলতে গৌৰৱবোধ কৰা উচিত। এনে এক চিন্তাধাৰাৰে আমি আবেলি শাখাটো পুনৰ মুকলি কৰাও।

মহাবিদ্যালয় সপ্তাহত মোৰ ভাগত দুটি অনুস্থান আছিল — কুইজ প্ৰতিযোগিতা আৰু আকস্মিক বক্তৃতা প্ৰতিযোগিতা। এই দুয়োটি প্ৰতিযোগিতাতে বহুতো ছাত্ৰ-ছাত্ৰীৰ সঁহাৰি মই পাওঁ।

সদৌ শেষত মই একেমুখে মোৰ সতীৰ্থ সমূহ বন্ধু-বান্ধৱ, সতীৰ্থ সম্পাদকসকল, মহাবিদ্যালয়ৰ সমূহ ছাত্ৰ-ছাত্ৰী, শিক্ষক-কৰ্মচাৰীৰ ওচৰত চিৰ কৃতজ্ঞ। ভুল-ভ্ৰান্তি মাৰ্জনীয়।

# প্ৰতিবেদন



**দীপজ্যোতি কলিতা**
সাংস্কৃতিক সম্পাদক
নলবাৰী মহাবিদ্যালয় ছাত্ৰ একতা সভা,
২০১৬-১৭ ইং বৰ্ষ

প্ৰতিবেদনৰ আৰম্ভণিতে শ্ৰদ্ধাঞ্জলি আগবঢ়ালোঁ জাতিৰ অস্তিত্ব ৰক্ষাৰ স্বাৰ্থত যিসকল বীৰ-বীৰাংগনাই নিজ বুকু ৰাঙলী কৰি অসমী আইক ধন্য কৰি থৈ গ'ল, লগতে প্ৰণাম জনালোঁ সেইসকল মনীষীলৈ যাৰ সুচিন্তা, সুপ্ৰচেষ্টা আৰু সমাজৰ প্ৰতি থকা দায়বদ্ধতাৰ প্ৰতিফলনস্বৰূপে ১৯৪৫ চনৰ ৪ জুলাই তাৰিখে নামনি অসম তথা সমগ্ৰ অসমৰে শিক্ষাৰ নৱদীপ 'নলবাৰী মহাবিদ্যালয়'ৰ জন্ম হয়। ২০১৬-১৭ বৰ্ষৰ 'নলবাৰী মহাবিদ্যালয়' ছাত্ৰ একতা সভাৰ সাধাৰণ নিৰ্বাচনত শিক্ষাগুৰু আৰু জ্যেষ্ঠসকলৰ আশীৰ্বাদ, সতীৰ্থ আৰু কনিষ্ঠসকলৰ সহযোগত, নলবাৰী মহাবিদ্যালয়ৰ প্ৰতিজন ছাত্ৰ-ছাত্ৰীৰ সহায়-সহযোগত আৰু 'সদৌ অসম ছাত্ৰ সন্থা'ৰ দৰে মহান জাতীয় সংগঠনটোৰ সমৰ্থনত নলবাৰী মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ 'সাংস্কৃতিক সম্পাদক'ৰ দৰে এটি গধুৰ দায়িত্ব লাভ কৰোঁ। 'নলবাৰী মহাবিদ্যালয়'ৰ ছাত্ৰ-ছাত্ৰীসকলৰ সক্ৰিয় যোগদানে আমাৰ কাৰ্যকালৰ প্ৰতিটো কাৰ্যসূচীকে সফলভাৱে ৰূপায়ন কৰাত আমাক সহায় কৰিছিল। প্ৰতিবেদনৰ জৰিয়তে 'ছাত্ৰ একতা সভা'ৰ 'সাংস্কৃতিক সম্পাদক'ৰ পদত মনোনীত কৰি মোক যি গধুৰ দায়িত্ব অৰ্পণ কৰিলে তাৰ বাবে মই সমূহ 'নলবাৰী মহাবিদ্যালয়'ৰ ছাত্ৰ-ছাত্ৰীলৈ আন্তৰিক ধন্যবাদ জনাইছোঁ।

মহাবিদ্যালয় সপ্তাহ ঃ

কাৰ্যকালৰ প্ৰথমটো বৃহৎ কাৰ্যসূচীয়েই আছিল বাৰ্ষিক 'মহাবিদ্যালয় সপ্তাহ'। ৪ ফেব্ৰুৱাৰীত আন্তঃ বিভাগীয় প্ৰতিযোগিতামূলক সাংস্কৃতিক শোভাযাত্ৰাৰে আৰম্ভ হৈছিল এই বৃহৎ মহাবিদ্যালয় সপ্তাহ। অন্তাক্ষৰী প্ৰতিযোগিতা, স্পট ফটোগ্ৰাফী প্ৰতিযোগিতা, মৃৎশিল্প প্ৰতিযোগিতা, চিত্ৰাংকন আৰু কাৰ্টুনিং প্ৰতিযোগিতা, তাল আৰু স্বৰবাদ্য প্ৰতিযোগিতা, সংগীত প্ৰতিযোগিতা আৰু নৃত্য প্ৰতিযোগিতা এই গোটেই প্ৰতিযোগিতাসমূহ মোৰ বিভাগীয় কাৰ্যসূচী আছিল। সংগীত বিভাগৰ প্ৰতিযোগিতাসমূহ বৰগীত, লোকসংগীত (বিহু, জিকিৰ, টোকাৰী, কামৰূপী লোকগীত, গোৱালপৰীয়া লোকগীত), লঘু কণ্ঠ সংগীত (ভজন বা গজল), পাশ্চাত্য সংগীত, জ্যোতি সংগীত / বিষ্ণুৰাভা সংগীত/ পাৰ্বতী প্ৰসাদৰ গীত, ড° ভূপেন হাজৰিকাৰ গীত / জয়ন্ত হাজৰিকা বা খগেন মহন্তৰ গীত, অসমীয়া আধুনিক গীত / অসমীয়া যুগসংগীত (Non recording),বনগীত, সমবেত সংগীত। নৃত্য বিভাগৰ প্ৰতিযোগিতাসমূহ- শাস্ত্ৰীয় একক নৃত্য, লোকনৃত্য বা জনজাতীয় নৃত্য, অসমীয়া আধুনিক নৃত্য আৰু দলীয় নৃত্য এই চাৰিটা শিতানত অনুষ্ঠিত কৰা হয়। সংগীত বিভাগৰ প্ৰতিযোগিতাসমূহৰপৰা শ্ৰেষ্ঠ কণ্ঠশিল্পী হিচাপে উচ্চতৰ মাধ্যমিক প্ৰথম বৰ্ষৰ ছাত্ৰী শ্ৰেয়সী ডেকা নিৰ্বাচিত হয়। আনহাতে, নৃত্য বিভাগৰ প্ৰতিযোগিতাসমূহৰ পৰা শ্ৰেষ্ঠ নৃত্যশিল্পী হিচাপে প্ৰাণীবিজ্ঞান বিভাগৰ স্মৃতি বৰ্মন নিৰ্বাচিত হয়।

মহাবিদ্যালয় সপ্তাহৰ সাংস্কৃতিক বিভাগৰ প্ৰতিযোগিতাসমূহত ছাত্ৰ-ছাত্ৰীৰ পৰা পোৱা সহযোগ আৰু যোগদানে আমাৰ কষ্টক সাৰ্থক কৰিছিল। সকলো কাৰ্যসূচীতে ছাত্ৰ-ছাত্ৰীসকলৰ পৰা আমি লাভ কৰা সঁহাৰিৰ বাবে তেওঁলোকৰ অশেষ ধন্যবাদ জনালোঁ।

আন্তঃ মহাবিদ্যালয় যুৱ মহোৎসৱৰ মাণ্ডলিক পৰ্যায় (৮-১০ ছেপ্তেম্বৰ, ২০১৭ টিহু মহাবিদ্যালয়) অইনবেলিৰ দৰে গুৱাহাটী বিশ্ববিদ্যালয় যুৱ মহোৎসৱৰ মাণ্ডলিক পৰ্যায়ৰ মহোৎসৱ নলবাৰী জিলাৰ অন্তৰ্গত টিহু মহাবিদ্যালয়ত অনুষ্ঠিত হয়। প্ৰায় আটাইবোৰ কাৰ্যসূচীতে নলবাৰী মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলে অংশগ্ৰহণ কৰি শ্ৰেষ্ঠ মহাবিদ্যালয় বঁটা লাভ কৰিবলৈ সক্ষম হয়।

ফলাফল-

| অংশগ্রহণকাৰী | প্রতিযোগিতা | স্থান |
|---|---|---|
| বনশ্রী গোস্বামী | পাৰ্বতী প্ৰসাদ বৰুৱা সংগীত | তৃতীয় |
| | ৰবীন্দ্ৰ সংগীত | প্ৰথম |
| নিতাশ্ৰী বৈশ্য | লঘু কণ্ঠ সংগীত | প্ৰথম |
| ভাস্কৰজ্যোতি দাস | অসমীয়া সংগীত | প্ৰথম |
| নৰদ্বীপ কলিতা | বিষ্ণুৰাভা সংগীত | তৃতীয় |
| হিমাংশু তালুকদাৰ | পাশ্চাত্য সংগীত | প্ৰথম |
| মৃদুল হালৈ | স্বৰবাদ্য | প্ৰথম |
| কৌশিক দত্ত | শাস্ত্ৰীয় নৃত্য | প্ৰথম |
| বনশ্ৰী বৈশ্য | স্ব-ৰচিত কবিতা | দ্বিতীয় |
| নিলোৎপল গোস্বামী, জিণ্টুমণি বৰ্মন | তৰ্ক | তৃতীয় |
| জিণ্টুমণি বৰ্মন | বক্তৃতা | তৃতীয় |
| ৰুবুল কলিতা, পাপৰি দেৱী, দেৱাশিষ দত্ত | কুইজ | প্ৰথম |
| বিশালবিক্ৰম চৌধুৰী, প্ৰবাল ৰাজবংশী, ৰক্তিম ভূঞা, মৃগাংক বাৎচায়ন, আফতাৰ হুছেইন, দীপজ্যোতি কলিতা | একাংকিতা নাট | তৃতীয় |
| অলকেশ ডেকা, মৃদুল হালৈ, নৰদ্বীপ কলিতা, হিমাংশু তালুকদাৰ, জেছমিন আৰাবেগম, ভাস্কৰজ্যোতি দাস, বিশালবিক্ৰম চৌধুৰী, ৰূপম ডেকা, হিৰকজ্যোতি তালুকদাৰ | লোকবাদ্য | দ্বিতীয় |

লোকবাদ্য প্ৰতিযোগিতাত নলবাৰী মহাবিদ্যালয়ে পোন-প্ৰথমবাৰৰ বাবে অংশগ্ৰহণ কৰি দ্বিতীয় স্থান পাবলৈ সক্ষম হয়।

মাণ্ডলিক পৰ্যায়ৰ কেইদিনমান পাছতে গুৱাহাটী বিশ্ববিদ্যালয়ত অনুষ্ঠিত আন্তঃ মহাবিদ্যালয় যুৱ মহোৎসৱত মাণ্ডলিক পৰ্যায়ৰ পৰা নিৰ্বাচিত প্ৰতিযোগিসকলে অংশগ্ৰহণ কৰিবলৈ লয়। অংশগ্ৰহণ কৰা প্ৰতিযোগিতা সমূহৰ সৰ্বমুঠ ১০ টা প্ৰতিযোগিতাত শ্ৰেষ্ঠতা দেখুৱাবলৈ সক্ষম হৈছিল। পুৰস্কাৰপ্ৰাপ্তসকল হ'ল-

| অংশগ্ৰহণকাৰী | প্ৰতিযোগিতা | স্থান |
|---|---|---|
| বনশ্ৰী গোস্বামী | ৰবীন্দ্ৰ সংগীত | দ্বিতীয় |
| নিতাশ্ৰী বৈশ্য | লঘুকণ্ঠ সংগীত | তৃতীয় |
| হিমাংশু তালুকদাৰ | পাশ্চাত্য সংগীত | তৃতীয় |
| ভাস্কৰজ্যোতি দাস | অসমীয়া সুগম সংগীত | তৃতীয় |
| কৌশিক দত্ত | শাস্ত্ৰীয় নৃত্য | দ্বিতীয় |
| মৃদুল হালৈ | স্বৰবাদ্য | প্ৰথম |
| বনশ্ৰী বৈশ্য | স্ব-ৰচিত কবিতা | তৃতীয় |
| ঋবুল কলিতা, পাপৰি দেৱী, দেৱাশিষ দত্ত | কুইজ | দ্বিতীয় |
| প্ৰবাল ৰাজবংশী, বিশাল বিক্ৰম চৌধুৰী, মৃগাংক বাৎচায়ন, ৰক্তিম ভূএগ, আফতাব হুছেইন, দীপজ্যোতি কলিতা | একাংকিকা নাট | প্ৰথম |
| দীপজ্যোতি কলিতা | একাংকিতা নাট | দ্বিতীয় শ্ৰেষ্ঠ অভিনেতা |

ইয়াৰ উপৰি নলবাৰী মহাবিদ্যালয়ে পোনপ্ৰথমবাৰৰ বাবে একাংকিকা নাট প্ৰতিযোগিতাত সোণৰ পদক বুটলিবলৈ সক্ষম হয়। লগতে নলবাৰী মহাবিদ্যালয়ৰ হৈ যুৱ মহোৎসৱত অংশগ্ৰহণ কৰা আটাইগৰাকী ছাত্ৰ-ছাত্ৰীলৈ থাকিল মোৰ তৰফৰ পৰা আন্তৰিক শুভেচ্ছা। বাদ্যসংগীতকাৰী অমৰদা, কুশলদা, ৰঞ্জিত শৰ্মা ছাৰ আৰু আমাৰ মহাবিদ্যালয়ৰ সকলোৰে মৰমৰ ভাইটি ইন্দুকেশ যোগী আটাইগৰাকীকে মোৰ তৰফৰ পৰা ধন্যবাদ জনালোঁ। লগতে মোৰ লগত সকলো সময়তে থকা ছাত্ৰ একতা সভাৰ সকলোকে আন্তৰিক ধন্যবাদ জনালোঁ। আন্তঃ মহাবিদ্যালয় যুৱ মহোৎসৱ মাণ্ডলিক পৰ্যায়ত লোকবাদ্য প্ৰতিযোগিতাত দ্বিতীয় স্থান লাভ কৰাৰ পিছত মণ্ডলিক পৰ্যায় গুৱাহাটী বিশ্ববিদ্যালয়ত প্ৰতিযোগিতা অংশৰ বাবে আমাক ঢোল বজাই সহায় কৰা দাদা দিপাংকৰ কলিতা তেখেতৰ ওচৰত মই চিৰকৃতজ্ঞ। আন্তঃ মহাবিদ্যালয় যুৱ মহোৎসৱ মাণ্ডলিক পৰ্যায়ত সমবেত সংগীত প্ৰতিযোগিতাৰ সংগীতৰ কথা-বিজয় প্ৰকাশ মেধি আৰু সুৰ-অজিত মহন্ত, অন্ৰিত প্ৰভা মহন্ত। বিশেষভাৱে সহায় কৰিছে কৈলাশ তালুকদাৰ আৰু বৈজয়ন্তী তালুকদাৰে। আটাইগৰাকীৰ ওচৰত মই চিৰ ঋণী।

কৃতজ্ঞতা স্বীকাৰ ঃ পোনপ্ৰথমতে কৃতজ্ঞতা স্বীকাৰ কৰিছো সদৌ অসম ছাত্ৰ সন্থা নামৰ মহৎ জাতীয় সংগঠনটোৰ। যিটো সংগঠনে মোক নলবাৰী মহাবিদ্যালয়ৰ সাংস্কৃতিক সম্পাদকৰ পদত নিৰ্বাচিত হোৱাৰ সুযোগ দিয়ে। এই অনুষ্ঠানৰ প্ৰতিগৰাকী সদস্যলৈ থাকিল মোৰ তৰফৰ পৰা সস্নেহ কৃতজ্ঞতা। কাৰ্যকালৰ আৰম্ভণিৰে পৰা মোক বিভিন্ন ক্ষেত্ৰত পৰামৰ্শ আগবঢ়োৱা বিভাগীয় তত্বাৱধায়ক ড° মণি শৰ্মা শাস্ত্ৰী ছাৰৰ লগত সন্মানীয় অধ্যক্ষ ড° দীপক গোস্বামীদেৱ ছাৰৰ ওচৰত মই চিৰকৃতজ্ঞ। ইয়াৰ লগতে বিভিন্ন সময়ত সহায় কৰা ড° প্ৰদ্যুম্ন শৰ্মা, ড° ৰঞ্জনা ভট্টাচাৰ্য, ড° সুব্ৰত বৰ্মন, বিদ্যুৎ ছাৰ, শৈলেন ছাৰ, ৰিণ্টু ছাৰ, কুমুদ চন্দ্ৰ ৰাভা ছাৰলৈ শ্ৰদ্ধা নিবেদিছোঁ। লগতে ৰঞ্জনদা, মণ্টুদা, তহবিলদাৰ খুৰা, ৰাভা খুৰা, ৰবীন খুৰা, বিতুদা, প্ৰবোধদা, মিতুপণদা, পাৰ্থদা, সুভাষ দা সমন্বিতে মহাবিদ্যালয় পৰিয়ালৰ প্ৰতিজন সদস্যলৈ থাকিল আন্তৰিক কৃতজ্ঞতা।

"জয়তু নলবাৰী মহাবিদ্যালয়'<br>জয়তু নলবাৰী মহাবিদ্যালয় ছাত্ৰ একতা সভা'<br>'জয় আই অসম'

# প্ৰতিবেদন



**গুঞ্জন শৰ্মা**
সম্পাদক, আলোচনী
নলবাৰী মহাবিদ্যালয় ছাত্ৰ একতা সভা,
২০১৬-১৭ ইং বৰ্ষ

নলবাৰী মহাবিদ্যালয় গ্ৰাম্যাঞ্চলৰ প্ৰথম মহাবিদ্যালয়। অশেষ ত্যাগ কষ্টৰে যিসকল মহান মনীষীয়ে ১৯৪৫ চনত নলবাৰী মহাবিদ্যালয় স্থাপন কৰিলে সেইসকল নক্ষত্ৰক প্ৰতিবেদনৰ আৰম্ভণিতে শ্ৰদ্ধা নিবেদিছোঁ। ২০১৬-১৭ বৰ্ষৰ গণতান্ত্ৰিক পদ্ধতিৰে মোক যোগ্য বুলি বিবেচনা কৰি মহাবিদ্যালয়ৰ আলোচনীৰ দায়িত্ব অৰ্পণ কৰা মহাবিদ্যালয়ৰ সমূহ ছাত্ৰ-ছাত্ৰীৰ ওচৰত মই কৃতজ্ঞ।

মহাবিদ্যালয় সপ্তাহত সাহিত্য শিতানৰ পৰা কবিতা আবৃত্তি, ঠাইতে লিখা কবিতা, গল্প, বাতৰি নীলাখামৰ চিঠি আদি প্ৰতিযোগিতা ছাত্ৰ-ছাত্ৰীৰ মাজত অনুষ্ঠিত কৰিছিলো। ছাত্ৰ-ছাত্ৰীৰ উপস্থিতি তথা সহাঁৰি যথেষ্ট উৎসাহজনক আছিল। মহাবিদ্যালয় সপ্তাহৰ সাহিত্য শিতানৰ প্ৰতিযোগিতাৰ উপৰিও আন আন বিভাগৰ প্ৰতিযোগিতাসমূহ নিয়াৰিকৈ অনুষ্ঠিত কৰাত সহায় কৰিছিলো। ইয়াৰ পিছতেই মই মহাবিদ্যালয় আলোচনীখনৰ বাবে উঠিপৰি লাগিছিলো। লিখনি বিচৰাৰ ক্ষেত্ৰত মই ভয় খাইছিলো, দুই এজন অধ্যাপক-অধ্যাপিকাৰ লগতে বহু ছাত্ৰ-ছাত্ৰীৰ মন্তব্যত মই হতাশ হৈছিলো। একাংশ অধ্যাপক-অধ্যাপিকাৰ আলোচনীখন কেতিয়া ওলাব বুলি সোধাতেই যেন দায়িত্ব শেষ। অধ্যাপক-অধ্যাপিকাক আলোচনীত লিখাৰ বাবে বহুত অনুৰোধ কৰিব লগা হৈছিল। তাৰ মাজৰ বেছিভাগেই লিখাৰ বাবে সময় নোপোৱা অজুহাতত লিখনি নিদিলে। মহাবিদ্যালয় আলোচনীখন নিৰ্ভৰ কৰে আপোনালোকৰ ওপৰত (ছাত্ৰ-ছাত্ৰী, অধ্যাপক-অধ্যাপিকা)। অৱশ্যে তাৰ মাজতো কিছু সংখ্যক ছাত্ৰ-ছাত্ৰী, অধ্যাপক-অধ্যাপিকা ব্যতিক্ৰম। তেওঁলোকে মহাবিদ্যালয়ত উৎকৃষ্টমানৰ আলোচনী এখন প্ৰস্তুতৰ বাবে যথেষ্ট উৎসুক তথা তেওঁলোকৰ সহায়-সহযোগিতা শলাগলবলগীয়া। আলোচনীখন প্ৰস্তুতৰ বাবে বিভিন্ন লেখা দিয়া অধ্যাপক-অধ্যাপিকা, ছাত্ৰ-ছাত্ৰীৰ ওচৰত মই কৃতজ্ঞ।

নলবাৰী মহাবিদ্যালয়ত কবিতাৰ মেলা আগতে হৈছিল যদিও মাজত কেইবাবছৰৰ বিৰতিৰ অন্তত আলোচনী বিভাগ আৰু কাব্য আৰু দৰ্শন কেন্দ্ৰৰ ফালৰপৰা ৫০ গৰাকীতকৈও অধিক নিমন্ত্ৰিত কবিৰ কবিতা পাঠেৰে এটি অনুষ্ঠান আয়োজন কৰা হৈছিল। অনুষ্ঠানটি আয়োজনত সহায় কৰিছে শ্ৰদ্ধাৰ অধ্যক্ষ ড° দীপক গোস্বামীৰ, লগতে গীতিমা বুজৰবৰুৱা বাইদেউ, কাবেৰী দত্ত বাইদেউ, প্ৰণীতা বৰ্মন বাইদেউ, ড° অমৰ নায়ক ছাৰ, ড° সুব্ৰত বৰ্মন ছাৰ, ড° প্ৰদ্যুম্ন শৰ্মা ছাৰ, অনন্ত ৰাজবংশী ছাৰ, আৰু ভাস্কৰ ভট্ট ছাৰে। অনুষ্ঠানটি আয়োজন কৰাত সহায় কৰিছে কবি প্ৰণৱ কুমাৰ বৰ্মন, ভাস্কৰ দত্ত, অলকেশ ভট্ট, গৌতম হালৈ, নিৰেন বৰুৱা, প্ৰণৱ খাৰজাৰা, চুনু সঞ্চয়, ত্ৰিদিপ মেধিৰ লগতে মহাবিদ্যালয় সমূহ ছাত্ৰ-ছাত্ৰীয়ে। উক্ত অনুষ্ঠানটিৰ আধাৰত প্ৰণৱ কুমাৰ বৰ্মনৰ সম্পাদনাত ‘নলনিত ডাউকীৰ মাত’ নামে কাব্য সংকলনটি প্ৰস্তুত কৰাত সহায় কৰিছে পুলক বৰ্মন, আব্দুল মজিদ, ৰমেন ৰাজবংশী, দিলীপ কলিতাই দাই।

গোটেই কাৰ্যকালটো নিয়াৰিকৈ চলাই নিয়াৰ বাবে মোক সহায় কৰিছে আলোচনী বিভাগৰ তত্ত্বাৱধায়ক অসমীয়া বিভাগৰ অধ্যাপিকা ড° বন্দনা দাস বাইদেৱে। মহাবিদ্যালয়ত মই সন্মুখীন হোৱা যিকোনো সমস্যা, যিকোনো পৰামৰ্শৰ বাবেই দৌৰি কাষ পাইছিলো ড° প্ৰদ্যুম্ন শৰ্মা ছাৰৰ। তেওঁৰ পৰাই মই বিগত জীৱনত বিভিন্ন কামত যথেষ্ট উৎসাহ পাইছিলো। আলোচনীখন প্ৰস্তুতৰ

ক্ষেত্ৰত সম্পাদনা সমিতিৰ শিক্ষাগুৰুসকলৰ পৰামৰ্শ, উপদেশেৰে আগবাঢ়িছিলো। আফতাৱ, জিমনী, বনশ্ৰী, মানৱ দা, মিনহাজুল সকলোৱে আলোচনী প্ৰকাশৰ বাবেই বৰকষ্ট কৰিছে। প্ৰাণজিৎ দা, বনশ্ৰী বা, ভাস্কৰ দা, ভাস্কৰ দত্ত দা, মৃণাল দা, মানস দা, ভূপালী বা, সৰ্পিল দা, সমীৰণ দাদা, গজেন দা, হৃষিকেশ দা, দেৱজিৎ দা, ৰূপম দা, সকলোৱে মোৰ গোটেই কাৰ্যকালটোত উৎসাহ দিছে। মহাবিদ্যালয়ৰ বিভিন্ন অনুষ্ঠানৰ স্মৃতি ফটোৰ জৰিয়তে ধৰি ৰখাত সহায় কৰিছে ভৱেশ ডেকা আৰু প্ৰাণজিৎ কলিতা দাই।

মহাবিদ্যালয়ৰ বিভিন্ন সময়ত পাপৰী, কংকন, প্ৰীতি, ভূপাক্ষী, জান্নাতুল, মৃগাক্ষী, ইমৰাণ, ইলিমা, ছামনুৰ, নিলয়, দেৱাশীষ, প্ৰাঞ্জল, অভিলাষ, আকাশ, বিশাল দা, প্ৰবাল দা, জিন্তু দা, ভাইটি হৃষিকেশ, হৃদয়হঁতৰ লগত কতোৱা সময় (আড্ডা)বোৰে মোক জীৱনৰ বহু কথাই শিকাইছে।

ভুল-ত্ৰুটি দেখুৱাই বহুমূলীয়া পৰামৰ্শৰে সহায় কৰা বাবে মই বিশেষভাৱে কৃতজ্ঞ কবি প্ৰণৱ কুমাৰ বৰ্মন, বিপুল কুমাৰ দত্ত, ব্ৰজেন চৌধুৰী, সঞ্জয় তালুকদাৰৰ, ড° ৰঞ্জনা ভট্টাচাৰ্য্যৰ ওচৰত। কাৰ্য্যকালৰ বিভিন্ন কাৰ্যসূচীত মহাবিদ্যালয়ৰ ৰঞ্জন দা, মিতুপণ দা, মণ্টু দা, ৰাভা খুৰা, গণেশ খুৰা, প্ৰবোধ দা, প্ৰাৰ্থ দা, তহবিলদাৰ খুৰা, মনোজ দা আদিৰ কৰ্মচাৰী সহায়-সহযোগিতা তথা সজ উপদেশৰ শলাগ নলৈ নোৱাৰিলো। ছাত্ৰ একতা সভাৰ প্ৰতিজন বিষয়ববীয়াৰ লগতে প্ৰতিটো বিভাগৰ তত্ত্বাৱধায়কে প্ৰতিটো অনুষ্ঠানত কৰা সহায়ৰ বাবে মই চিৰ কৃতজ্ঞ।

সদৌ শেষত ছাত্ৰ একতা সভাৰ তত্ত্বাৱধায়ক ড° সুব্ৰত বৰ্মন ছাৰ, আলোচনী বিভাগৰ তত্ত্বাৱধায়িকা ড° বন্দনা দাস বাইদেউ, মহাবিদ্যালয়ৰ সন্মানীয় অধ্যক্ষ ড° দীপক গোস্বামীদেৱৰ লগতে সমূহ অধ্যাপক-অধ্যাপিকাৰ শ্ৰীচৰণত সেৱা জনালোঁ। মহাবিদ্যালয়ৰ প্ৰাক্তন আৰু বৰ্তমানৰ ছাত্ৰ-ছাত্ৰী, অধ্যাপক, অধ্যাপিকাৰ সহযোগিতা অবিহনে আলোচনীখন পূৰ্ণাংগ ৰূপ নাপালেহেঁতেন। গোটেই কাৰ্যকালত মোক সহায় কৰা, বিভিন্ন ধৰণৰ দিহা-পৰামৰ্শ আগবঢ়োৱা দাদা-বাইদেউ, ভাইটি-ভণ্টি, বন্ধু তথা ব্যক্তিৰ ওচৰত মই চিৰঋণী হৈ ৰ'লোঁ।

জয়তু নলবাৰী মহাবিদ্যালয়

জয়তু নলবাৰী মহাবিদ্যালয় ছাত্ৰ-একতা সভা

জয় আই অসম

# প্ৰতিবেদন



**মিহিৰ বিক্ৰম দত্ত**
সম্পাদক, গুৰু খেল বিভাগ
নলবাৰী মহাবিদ্যালয় ছাত্ৰ একতা সভা
২০১৬-১৭ বৰ্ষ

লিখনীৰ আৰম্ভণিতে যিসকল মহান ব্যক্তিৰ অশেষ প্ৰচেষ্টাৰ ফলত শুভকামৰ নৱদ্বীপ নলবাৰী জিলাৰ গৌৰৱ তথা গোটেই অসমৰ এক আগশাৰীৰ বিদ্যামন্দিৰ 'নলবাৰী মহাবিদ্যালয়' গঢ়ি উঠিছিল, সেইসকলৰ প্ৰচেষ্টাক শ্ৰদ্ধাৰে সুৱৰিছোঁ।

যিসকল বীৰ বিৰংগনাই দেশৰ বাবে অকালতে নিজৰ জীৱন উচৰ্গা কৰি গ'ল সেইসকলৰ মহান বীৰক পূণ্য স্মৃতিত অঞ্জলি যাচিলোঁ। ২০১৬-১৭ ইং বৰ্ষৰ নলবাৰী মহাবিদ্যালয়ৰ সাধাৰণ নিৰ্বাচনত মোৰ ওপৰত গভীৰ আস্থা আৰু বিশ্বাসেৰে গুৰুখেল বিভাগৰ সম্পাদক হিচাপে নিৰ্বাচিত কৰিলে। সেই বাবে মহাবিদ্যালয়ৰ সমূহ ছাত্ৰ-ছাত্ৰীলৈ কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ।

খেল হৈছে শিক্ষাৰ এটি অবিচ্ছেদ্য অংগ। ই আধুনিক শিক্ষাৰ এটা অন্যতম অংগ। আধুনিক বিশ্বৰ প্ৰতিখন সভ্য দেশে খেল-ধেমালিৰ ওপৰত গুৰুত্ব দিয়ে। কিন্তু আমাৰ অসমৰ পৰিৱেশ আৰু অৰ্থৰ সমস্যাই খেল জগতখনক ক্ৰমশ গ্ৰাস কৰি আনিছে। এই সমস্যাৰ দূৰ কৰিব পাৰিলে যুৱক-যুৱতীসকলৰ শাৰীৰিক তথা মানসিক উৎকৰ্ষ সাধন হোৱাৰ উপৰিও ইয়াৰ মাধ্যমেৰে বিশ্ব ভাতৃত্ব আৰু বন্ধুত্ব অধিক সুদৃঢ় হ'ব। সেয়েহে মানুহে পঢ়া-শুনাৰ লগতে দেহটোক নিৰোগী কৰি ৰাখিবলৈ খেলৰ অতি প্ৰয়োজন।

গুৰু খেল বিভাগৰ সম্পাদকৰ দায়িত্ব পালন কৰাৰ ক্ষেত্ৰত মই কিমান সফল, তাৰ খতিয়ান আপোনালোকৰ হাতত। পৰিতাপৰ বিষয় এই যে আমাৰ মহাবিদ্যালয়ৰ খেলা-ধূলাৰ বাবে প্ৰয়োজনীয় সুবিধা, পৰিৱেশ আদিৰ যথেষ্ট পৰিমাণে অভাৱ আছে। যাৰ ফলস্বৰূপে ছাত্ৰ-ছাত্ৰীসকলে অভিজ্ঞতা থকা সত্ত্বেও পঢ়া-শুনাৰ লগতে খেলা-ধূলাৰ দিশত সমানে আগবাঢ়ি যাব পৰা নাই। গতিকে এই ক্ষেত্ৰত মহাবিদ্যালয়ৰ কৰ্তৃপক্ষই বিহিত ব্যৱস্থা গ্ৰহণ কৰে তাৰ বাবে অনুৰোধ জনালোঁ।

মোৰ কাৰ্যকালৰ আৰম্ভণিতে ৪/২/১৭ তাৰিখৰ পৰা ১০/২/১৭ তাৰিখলৈ বৰ্ণাঢ্য কাৰ্যসূচীৰে মহাবিদ্যালয় সপ্তাহ আয়োজন কৰা হয়। বিভিন্ন প্ৰতিযোগিতা তথা ছাত্ৰ-ছাত্ৰীসকলৰ উলহ-মালহৰ পৰিৱেশৰ মাজত মহাবিদ্যালয় সপ্তাহ আকৰ্ষণীয় হৈ পৰিছিল। মোৰ কাৰ্যকালতে নলবাৰী মহাবিদ্যালয়ৰ ইতিহাসত পোন-প্ৰথমবাৰৰ বাবে ছোৱালী ক্ৰিকেট প্ৰতিযোগিতাৰ সংযোজন ঘটোৱা হয়। ছোৱালী ক্ৰিকেটৰ ১০ টা দলেৰে প্ৰতিযোগিতাখন ছাত্ৰ-ছাত্ৰীৰ মাজত আকৰ্ষণীয় হৈ উঠে। উদ্ভিদ বিজ্ঞানৰ ছাত্ৰীৰ দলটোৱে এই প্ৰতিযোগিতাৰ বিজয়ী দল। ইয়াৰ উপৰিও মোৰ বিভাগৰ প্ৰতিযোগিতাসমূহ হ'ল- ল'ৰাৰ ক্ৰিকেট, ল'ৰাৰ কাবাডী, ছোৱালীৰ কাবাডী আৰু ল'ৰাৰ ভলীবল প্ৰতিযোগিতা। গোটেই প্ৰতিযোগিতাকেইখন সূচাৰুৰূপে চলাই নিয়া প্ৰতিগৰাকী ব্যক্তিলৈ আৰু মহাবিদ্যালয়ৰ প্ৰতিটো অনুষ্ঠানতে সহায় কৰা প্ৰতিগৰাকী ছাত্ৰ-ছাত্ৰীলৈ মোৰ অশেষ ধন্যবাদ।

জয়তু নলবাৰী মহাবিদ্যালয়
জয়তু নলবাৰী মহাবিদ্যালয় ছাত্ৰ একতা সভা
জয় আই অসম

# প্ৰতিবেদন



**দিগন্ত হালৈ**
সম্পাদক, লঘু খেল বিভাগ
নলবাৰী মহাবিদ্যালয় ছাত্ৰ একতা সভা
২০১৬-১৭ ইং বৰ্ষ।

প্ৰতিবেদনৰ আৰম্ভণিতে দেশ আৰু স্বজাতিৰ হকে প্ৰাণ আহুতি দিয়া বীৰ শ্বহীদসকলক শ্ৰদ্ধাৰে সুঁৱৰিছো, লগতে ঐতিহ্যমণ্ডিত নলবাৰী মহাবিদ্যালয়ৰ প্ৰতিষ্ঠাৰ বাবে যিসকল মহান ব্যক্তিয়ে অশেষ ত্যাগ আৰু অক্লান্ত শ্ৰমৰ বলত মহাবিদ্যালয় প্ৰতিষ্ঠা কৰিছিল সেইসকল মহান ব্যক্তিলৈ গভীৰ শ্ৰদ্ধা আৰু কৃতজ্ঞা জনালোঁ। মহাবিদ্যালয়ৰ ২০১৬-১৭ বৰ্ষৰ ছাত্ৰ একতা সভাৰ প্ৰতিনিধি হিচাপে নিৰ্বাচিত হৈ মহাবিদ্যালয়ৰ হকে সেৱা আগবঢ়াব পাই মই নিজকে ধন্য মানিছো। সেয়েহে মহাবিদ্যালয়ৰ সমূহ ছাত্ৰ-ছাত্ৰীলৈ অশেষ কৃতজ্ঞতা জ্ঞাপন কৰিছো মোক এই সুযোগ দিয়াৰ বাবে।

লঘু খেল বিভাগৰ সম্পাদকৰ হৈ দায়িত্ব ভাৰ গ্ৰহণ কৰাৰ পিছত মোৰ সন্মুখত আহি পৰিছিল মহাবিদ্যালয় সপ্তাহ। মোৰ বিভাগীয় প্ৰতিযোগিতাসমূহৰ পৰা ছাত্ৰ-ছাত্ৰীসকলৰ প্ৰতিভাক বিকশিত কৰাৰ বাবে এখন মঞ্চ তৈয়াৰ কৰাই মোৰ লক্ষ্য আছিল। মই ছাত্ৰ-ছাত্ৰী সমূহৰ মাজত ১০০, ২০০, ৪০০ মিটাৰ দৌৰ, ওজন দলিওৱা, যাঠি দলিওৱা, থাল দালিওৱা, দীঘল জাঁপ, একক-দ্বৈত বেড্‌মিণ্টনৰ ল'ৰা-ছোৱালী উভয় শাখাত অনুষ্ঠিত কৰিছিলোঁ। মোৰ বিভাগত থকা খেলসমূহ চলাই নিয়াত যিসকল বন্ধু-বান্ধৱীয়ে সহায়-সহযোগিতা কৰিছিল, তেওঁলোকক মোৰ ফালৰ পৰা অশেষ ধন্যবাদ জ্ঞাপন কৰিলোঁ, লগতে মোৰ তত্ত্বাৱধায়ক শ্ৰদ্ধাৰ সুৰজিত শৰ্মা ছাৰলৈ বিশেষ কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ। আশা কৰিছো অনাগত দিনত পটুতা প্ৰদৰ্শন কৰি মহাবিদ্যালয়ক গৌৰাৱান্বিত কৰিব।

সদৌ শেষত, মোৰ কাৰ্যকালত অজানিতে হোৱা ভুল-ত্ৰুটিৰ বাবে সদৌটিৰ ওচৰত ক্ষমা-মাৰ্জনা বিচাৰিছোঁ।

'জয়তু নলবাৰী মহাবিদ্যালয়'
'জয়তু নলবাৰী মহাবিদ্যালয় ছাত্ৰ একতা সভা'
'জয় আই অসম'

# প্ৰতিবেদন



**পুলক দাস**
সম্পাদক, ছাত্ৰ জিৰণি চ'ৰা
নলবাৰী মহাবিদ্যালয় ছাত্ৰ একতা সভা,
২০১৬-১৭ ইং বৰ্ষ।

প্ৰতিবেদনৰ আৰম্ভণিতে যিসকল মহান ব্যক্তিৰ অহোপুৰুষাৰ্থ প্ৰচেষ্টাৰ ফলত নামনি অসমৰ প্ৰথমখন উচ্চ শিক্ষাৰ প্ৰতিষ্ঠান গঢ়ি উঠিছিল, সেইসকল ব্যক্তিলৈ সশ্ৰদ্ধ প্ৰণাম যাচিছোঁ। ছাত্ৰ একতা সভাৰ সাধাৰণ নিৰ্বাচনত মোক বিনা প্ৰতিদ্বন্দ্বিতাৰে নিৰ্বাচিত কৰি মহাবিদ্যালয়ৰ হকে কাম কৰিবলৈ সুযোগ দিয়াৰ বাবে মহাবিদ্যালয়ৰ সমূহ ছাত্ৰ-ছাত্ৰী, বন্ধু-বান্ধৱীলৈ মই কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ।

নলবাৰী মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ ছাত্ৰ জিৰণি চ'ৰাৰ সম্পাদকৰ দায়িত্বভাৰ গ্ৰহণ কৰি কাম-কাজসমূহ সুচাৰুৰূপে চলাই নিবলৈ চেষ্টা কৰিছিলোঁ।

**মহাবিদ্যালয় সপ্তাহ ঃ**

ছাত্ৰ-ছাত্ৰীসকলৰ সুপ্ত প্ৰতিভা বিকাশৰ প্ৰতি লক্ষ্য ৰাখি অনুষ্ঠিত কৰা মহাবিদ্যালয় সপ্তাহত মোৰ বিভাগৰ প্ৰতিযোগিতাসমূহ নিয়াৰিকৈ চলাই নিবলৈ চেষ্টা কৰিছিলোঁ। প্ৰতিযোগিতাসমূহৰ ভিতৰত আছিল- কেৰম, ডবা, টেবুল টেনিচ, লুডু, পাঞ্জা, ৰচীটনা।

'জয়তু নলবাৰী মহাবিদ্যালয়'

'জয়তু নলবাৰী মহাবিদ্যালয় ছাত্ৰ একতা সভা'

'জয় আই অসম'

# প্ৰতিবেদন



**তৰালী বৈশ্য**
সম্পাদিকা, ছাত্ৰী জিৰণি চ'ৰা
নলবাৰী মহাবিদ্যালয় ছাত্ৰ একতা সভা
২০১৬-১৭ ইং বৰ্ষ

প্ৰতিবেদনৰ শীৰ্ষকত মই সেইসকল ব্যক্তিলৈ শ্ৰদ্ধা জ্ঞাপন কৰিছো যিসকল ব্যক্তিৰ অশেষ চেষ্টা আৰু ত্যাগৰ ফলত ঐতিহ্যমণ্ডিত নলবাৰী মহাবিদ্যালয় ১৯৪৫ চনতে স্থাপিত হয়। লগতে, যিসকল শ্বহীদে ত্যাগৰ মন্ত্ৰৰে আন্ধাৰৰ পথ অতিক্ৰম কৰি অসমীয়া জাতি সত্তা ৰক্ষাৰ যুজত প্ৰাণ বিসৰ্জন দি গ'ল সেই সকল বীৰ শ্বহীদলৈ মোৰৰ গভীৰ শ্ৰদ্ধাঞ্জলি নিবেদিছোঁ।

মহাবিদ্যালয়ৰ ২০১৬-১৭ ইংৰাজী বৰ্ষৰ ছাত্ৰ একতা সভাৰ নিৰ্বাচনত মোক ছাত্ৰী জিৰণি চ'ৰাৰ সম্পাদিকা পদত নিৰ্বাচিত কৰি মহাবিদ্যালয়ৰ হকে কিছুমান কাম কৰিবলৈ সুবিধা দিয়াৰ বাবে নলবাৰী মহাবিদ্যালয়ৰ সমূহ ছাত্ৰ-ছাত্ৰীৰ লগতে মোৰ বন্ধু-বান্ধৱীৰ ওচৰত কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ।

নলবাৰী মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ ছাত্ৰী জিৰণি চ'ৰাৰ সম্পাদিকা হিচাপে দায়িত্বভাৰ গ্ৰহণ কৰি তাক সুচাৰুপে চলাই নিবৰ বাবে সাধ্যানুসাৰে যত্ন কৰিছিলোঁ। ছাত্ৰী জিৰণি চ'ৰাৰ সমস্যাসমূহ দূৰ কৰিবলৈ চেষ্টা কৰিছিলো যদিও কিছু পৰিমাণে সমাধান হ'লেও তাৰে বহুখিনি অভাৱ থাকিয়েই গ'ল।

মহাবিদ্যালয়ৰ সপ্তাহৰ দিনকেইটা মই বহুতো সমস্যাৰ সন্মুখীন হ'বলগীয়া হৈছিলোঁ। কিয়নো মোৰ তেনে কোনো ধৰণৰ অভিজ্ঞতা নাছিল। ক'ত কেনেকৈ কি কৰিব লাগে, কেনেকৈ খেলা চলাই নিব লাগে একো ধৰিব পৰা নাছিলোঁ। তথাপিও সকলোৰে পৰা সহায় লৈ সকলোবোৰ খেলাৰ লগতে প্ৰতিযোগিতা চলাই নিছিলোঁ। যদি এইবোৰ চলাই নিয়াত মোৰ কিবা ভুল-ভ্ৰান্তি হৈছিল তেন্তে মোক ক্ষমা কৰি দিয়ে যেন।

**বিশেষ কৃতজ্ঞতা স্বীকাৰ ঃ**

মোৰ কাৰ্যকালৰ আৰম্ভণিৰে পৰা মোক বিভিন্ন দিহা-পৰামৰ্শৰ লগতে সহায় সহযোগিতা আগবঢ়োৱা বিভাগীয় তত্ত্বাৱধায়িকা সন্মানীয় অদিতি দাস বাইদেউৰ লগতে সন্মনীয় অধ্যক্ষ ড° দীপক গোস্বামী ছাৰদেৱক অশেষ কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ। ইয়াৰোপৰি ছাত্ৰী জিৰণি চ'ৰাৰ পদত নিযুক্ত হোৱাৰ লগতে কাৰ্যকালৰ আৰম্ভণিৰে পৰা বহুতো ক্ষেত্ৰত আগবঢ়োৱা সহায়ৰ বাবে মোৰ বন্ধুবৰ্গ- অলকা, জাহ্নৱী, মেঘালী, উপসনা, বিতুদা, কপিলদা, কমল দা আদি সকলোকে মোৰ ফালৰ পৰা অশেষ ধন্যবাদ জ্ঞাপন কৰিলোঁ। এইখিনিতে যদি কৰোবাৰ নাম ৰৈ গৈছে তাৰ বাবে মই ক্ষমা মাগিছোঁ।

অৱশেষত, কেনেকৈ কাৰ্যকালৰ দিনবোৰ পাৰ হ'ল কেনেকৈ এই কাৰ্যকাল শেষ হ'ল একো গমকে নাপালোঁ। কাৰ্যকালৰ সময়ছোৱাত মই নিষ্ঠা সহকাৰে মহাবিদ্যালয়ৰ উন্নতিৰ হকে কাম কৰিবলৈ যত্ন কৰিছিলোঁ। তাৰ মাজতে অজানিতে হোৱা ভুল-ত্ৰুটিৰ বাবে আটাইৰে ওচৰত মাৰ্জনা বিচাৰিছো।

সদৌশেষত মহাবিদ্যালয়ৰ সৰ্বাঙ্গীন উন্নতি আৰু প্ৰগতি কামনা কৰি মোৰ এই প্ৰতিবেদনৰ সামৰণি মাৰিলোঁ।

'জয়তু নলবাৰী মহাবিদ্যালয়'

'জয়তু নলবাৰী মহাবিদ্যালয় ছাত্ৰ একতা সভা'

'জয় আই অসম'

# প্ৰতিবেদন



**শ্ৰীজ্ঞানদ্বীপ পাঠক**
সমাজসেৱা সম্পাদক
নলবাৰী মহাবিদ্যালয় ছাত্ৰ একতা সভা
২০১৬-১৭ ইং বৰ্ষ

"আয়ে দিয়া মোৰ বিহুৰ গামোচাৰে
গুলী খোৱা তেজ মচি
ৰণদেৱতাৰ ৰঙা থাপনাৰ
জ্বলাও শলিতা গছি।"

অসমা, সুষমা, নিৰুপমা আই অসমীয়াৰ সেউজী কোলাত উপজি, যিসকল মহান সন্তাই জাতি, মাটি আৰু মানুহৰ স্বাৰ্থত নিজকে আহুতি দি, অদেখা দিনলৈ ধন্য কৰি আই অসমীৰ উচ্চতাক মহীয়ান কৰি থৈ গ'ল; সেই মহান সন্তাসমূহলৈ প্ৰতিবেদনৰ আৰম্ভণিতে হৃদয়ৰ নিভৃত কোণৰ পৰা যাচিলো শ্ৰদ্ধাৰ অঞ্জলি। লগতে আজিৰ এই শুভক্ষণত সেইসকল সমাজ-সচেতন লোকক সোঁৱৰিছো, যাৰ অশেষ কষ্ট আৰু ত্যাগৰ ফলত অসমৰ গ্ৰাম্যাঞ্চলত স্থাপিত প্ৰথমখন মহাবিদ্যালয় হিচাপে নলবাৰী মহাবিদ্যালয়ক প্ৰতিষ্ঠা কৰি শিক্ষা, সাহিত্য, ৰাজনীতি আৰু সংস্কৃতিৰ মহান আৰু পৱিত্ৰ অনুষ্ঠান হিচাপে 'মানুহ গঢ়াৰ পাঠশালা' গঢ়ি থৈ গ'ল।

২০১৬-১৭ বৰ্ষৰ নলবাৰী মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ নিৰ্বাচনত সমাজসেৱা বিভাগৰ সম্পাদকৰ পদত প্ৰাৰ্থীত্ব লৈ যিসকল ছাত্ৰ-ছাত্ৰীৰ বিশ্বাসেৰে বিশ্বস্ত হৈ মহাবিদ্যালয়খনৰ সামগ্ৰিক উন্নয়ন আৰু বিকাশৰ কামত মন নিৱিষ্ট কৰিবলৈ সুযোগ পালো, এইসকল শুভাকাংক্ষীৰ ওচৰত মই চিৰকৃতজ্ঞ হৈ ৰ'ম।

সমাজসেৱা বিভাগৰ সম্পাদকজন মূলতঃ মহাবিদ্যালয়খনৰ চাফ-চিকুণতাৰ ওপৰত লক্ষ্য ৰাখে। ইয়াৰ উপৰি বিভিন্ন সময়ত সমাজৰ উপযোগী কিছুমান কাম, যেনে- পৰিৱেশ সজাগতা সভা, গছপুলি ৰোপণ কাৰ্যসূচী, ডাষ্টবিনৰ ব্যৱহাৰ সম্পৰ্কে সজাগ কৰা আদি কামবোৰ মোৰ আগৰ সম্পাদকসকলে কৰিছিল। এইসমূহ কামৰ হয়তো কোনো কামেই মই কৰিবলৈ সক্ষম নহ'লো, যদিও মই চেষ্টা কৰিছিলো।

এনেকুৱা কিছুমান আনুষংগিক কথাৰ ফলতেই মই মোৰ একমাত্ৰ কাৰ্যসূচী হাতত লওঁ 'মহাবিদ্যালয় সপ্তাহ'। এই মহাবিদ্যালয় সপ্তাহত আমি আমাৰ পূৰ্বৱৰ্তী ছাত্ৰ একতা সভাৰ দ্বাৰা প্ৰস্তাৱিত মহাবিদ্যালয় সপ্তাহ মুকলি স্থানত অনুষ্ঠিত কৰিব লাগে বুলি বিশ্বাস কৰো। এই বৰ্ষৰ মহাবিদ্যালয় সপ্তাহখন আমি নিয়াৰিকৈ চলাই নিবলৈ সক্ষম হওঁ। মহাবিদ্যালয় সপ্তাহত অনুষ্ঠিত হোৱা সকলোবোৰ প্ৰতিযোগিতাৰ ভিতৰত মোৰ ভাগত আছিল ভেশচন প্ৰতিযোগিতা। সকলোৰে সহায়-সহযোগিতাৰ দ্বাৰা মোৰ ভাগত থকা ভেশচন প্ৰতিযোগিতা মই শৃংখলাবদ্ধভাৱে চলাই নিবলৈ সক্ষম হৈছিলো। ক'ব লাগিব যে- 'মনৰ বল, অসীম সাহস আৰু সততাৰ বলত সকলো পংগুত্বকে আমি মষিমূৰ কৰিব পাৰো।' এনে এক মনোবলৰ ফলতেই আমাৰ ছাত্ৰ একতা সভাৰ কাৰ্যকালত মহাবিদ্যালয়ত গণৱেশ নিপিন্ধা ছাত্ৰ-ছাত্ৰীৰ প্ৰৱেশ সম্পূৰ্ণৰূপে বন্ধ হৈ পৰে। ছাত্ৰ একতা সভাৰ প্ৰকৃত ছবিখন সকলোকে দেখুৱাই আমি এফালৰ পৰা কলেজৰ বেয়াখিনি আঁতৰাবলৈ চেষ্টা কৰি সুফল আনিবলৈ সক্ষম হৈছিলো। পুনৰবাৰ নলবাৰী মহাবিদ্যালয়ৰ শিক্ষক গোট, অধ্যক্ষ, উপাধ্যক্ষ আৰু তত্ত্বাৱধায়ক মহোদয়ক এইক্ষেত্ৰত আমাক

উৎসাহ যোগোৱা বাবে আমি শলাগ ল'লো। তেওঁলোকৰ সহায়-সহযোগিতাৰ ফলতেই মই সনিৰ্বন্ধ প্ৰণিপাত জনাইছো। মহাবিদ্যালয়খন চাফ-চিকুণ কৰি যিবোৰ গোটে মোক সহায় কৰিছিল, তেওঁলোকে লোৱা প্ৰতিটো পদক্ষেপ মোৰ বাবে আছিল আশীৰ্বাদ স্বৰূপ। ইয়াৰোপৰি আমি বিভিন্ন সময়ত দেখি আহিছো, মহাবিদ্যালয়খনত চাফ-চিকুণতাৰ ওপৰত যেন কমকৈ গুৰুত্ব দিয়া হৈছিল। সেয়েহে মই এইক্ষেত্ৰত গুৰুত্ব দিও আৰু ইয়াৰ ওপৰত লক্ষ্য ৰাখিয়েই মই মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলৰ সহযোগত 'সমূহীয়া চাফাই অভিযান' অনুষ্ঠানটি অনুষ্ঠিত কৰিছিলো। অনুষ্ঠানটিৰ জৰিয়তে মই কিছু পৰিমাণে হ'লেও সফলতা লাভ কৰিছিলো।

সমাজসেৱা সম্পাদক হিচাপে মোৰ বিশেষ কাৰ্যসূচী আছিল মহাবিদ্যালয় সপ্তাহৰ ভেশচন প্ৰতিযোগিতাখন পৰিচালনা কৰা। সকলোৰে সহায়-সহযোগিতাত এই প্ৰতিযোগিতাখন মই সুকলমে পৰিচালিত কৰাত সক্ষম হৈছিলো। ভেশচন প্ৰতিযোগিতাত বিচাৰক হিচাপে আমন্ত্ৰণ কৰিছিলো ক্ৰমে সুশীল মেধি আৰু অজিত বৰ্মন ডাঙৰীয়াক। বিভিন্ন ছাত্ৰ-ছাত্ৰীয়ে ভিন ভিন বেশ ধৰি প্ৰতিযোগিতাখনৰ সৌন্দৰ্য্য বৰ্দ্ধন কৰিছিল। লগতে তেওঁলোকে নিজ নিজ প্ৰতিভাৰ পৰিচয় দিছিল। এই ছাত্ৰ-ছাত্ৰীসকললৈ মই অনাগত জীৱনলৈ অযুত শুভকামনা জ্ঞাপন কৰাৰ লগতে কৃতজ্ঞতা যাচিলোঁ।

ইয়াৰ উপৰি, সীমিত বাজেটৰে মহাবিদ্যালয় চৌহদত এখন বাগিচা নিৰ্মাণৰ কাম আৰম্ভ কৰিছিলো। এইখন বৰ্তমান নিৰ্মীয়মান অৱস্থাত আছে। নিজৰ কাৰ্যসূচীৰ উপৰিও আন আন সদস্যসকলক সহায় কৰাৰ ক্ষেত্ৰতো মই কোনোদিনে পিছহোঁহকা নাছিলো। মোৰ কাৰ্যকালত বিভিন্ন সময়ত মোক সহায় কৰা তত্বাৱধায়ক ছাৰ শ্ৰীযুত শচীন্দ্ৰ কলিতা মহোদয়, ছাত্ৰ-ছাত্ৰীসকল আৰু সতীৰ্থবৃন্দলৈ ধন্যবাদ যাচিলো। বিভিন্ন সময়ত অজানিতে হোৱা ভুল-ক্ৰটিবোৰৰ মাৰ্জনা বিচাৰি এই প্ৰতিবেদনৰ সামৰণি মাৰিলোঁ।

জয়তু নলবাৰী মহাবিদ্যালয়।
জয় আই অসম।

# নলবাৰী মহাবিদ্যালয়ত পদাৰ্পণ কৰা বিশেষ ব্যক্তিসকলৰ একলম

নলবাৰী কলেজৰ সুন্দৰ পৰিৱেশ দেখি আনন্দিত হৈছো। নলবাৰী কলেজৰ ছাত্ৰ একতা সভা ২০১৬-১৭ বৰ্ষৰ লগতে সমূহ Student লৈ মোৰ মৰম আৰু আশীষ জনালোঁ।

***জুবিন গাৰ্গ***

ভাল লাগি গ'ল নলবাৰী মহাবিদ্যালয়ৰ এই অনুষ্ঠানৰ অংশীদাৰী হৈ এই মহাবিদ্যালয়ৰ উজ্বল কামনা কৰিলোঁ।

***বিদ্যা সাগৰ***

নলবাৰী কলেজ জয়।

***তৰালি শৰ্মা***

সেয়া ২০১৭ চনৰ শাৰদীয়া দিন এটাত অসমীয়া কথাছবি তুমি আহিবানেৰ প্ৰচাৰৰ বাবে নলবাৰী মহাবিদ্যালয়লৈ যোৱা সুযোগ ঘটিছিল। তাত উপস্থিত হৈ পৰিচালিকা প্ৰেৰণা বৰবৰুৱা বাইদেউ, তৰালী শৰ্মা বাইদেউ ৰবী শৰ্মা সহিতে প্ৰতিজন সদস্য অভিভূত হৈ পৰিছিলো। কলেজ কৰ্তৃপক্ষৰ আৰু ছাত্ৰ একতা সভাৰ সদস্যৰ লগতে প্ৰতিজন শিক্ষাৰ্থীৰ উষ্ম আদৰণী পাইছিলো। অসমীয়া সাহিত্য সংস্কৃতি পথাৰখন সাৰুৱা কৰিবলৈ প্ৰতিজন শিক্ষাৰ্থীৰ ভূমি অপৰিহাৰ্য্যৰ লগতে শিল্পীসকলৰ প্ৰতি যঁচা আদৰ সৎকাৰখিনিৰ বাবে ছাত্ৰ একতা সভাৰ সদস্যসকলক লগতে কলেজ কৰ্তৃপক্ষক ধন্যবাদ জনালোঁ। পিছত শিক্ষাৰ্থী আদৰণী সভাত পুনৰ এবাৰ যোৱাৰ সৌভাগ্য ঘটিছিল। আৰু সেয়াও মোৰ বাবে ধুনীয়া স্মৃতি। নলবাৰী মহাবিদ্যালয়ৰ সুনাম কষ্টুৰীৰ দৰে এক সুৱদী সুগন্ধি যেন হৈ দশোদিশ বিয়পি পৰক তাকে কামনা কৰিলোঁ।

***বৰষা ৰাণী বিষয়া***

# নলবাৰী মহাবিদ্যালয়ত পদাৰ্পণ কৰা বিশেষ ব্যক্তিসকলৰ একলম

I always feel very proud to be originated from a celebrated district Nalbari. Your college has made me feel proud of my orgin. I wish all the students and the faculty a very beautiful life........

***Ravi Sarma***

অনুষ্ঠানটো বৰ ভাল পালোঁ।

***কৈলাশ তালুকদাৰ***

ইয়ালৈ আহি বহুত ভাল লাগিল।

***বৈজয়ন্তী নাথ তালুকদাৰ***

অভিভূত হৈ গ'লো পৰিৱেশ চাই কলেজৰ, আহি বৰ ভাল লাগিল।

***বিজয় প্ৰকাশ মেধি***

# সম্পাদনা সমিতি ২০১৬-১৭ বৰ্ষ



ড° বন্দনা দাস
তত্বাৱধায়িকা



ড° দ্বিজেন দাস
সদস্য



ড° কাকলি দত্ত
সদস্যা



ড° প্ৰদ্যুম্ন শৰ্মা
সদস্য



ড° ধঞ্জুমণি পাঠক
সদস্যা



ৰিণ্টু ডেকা
সদস্য



গুঞ্জন শৰ্মা
সম্পাদক



আফতাব হুছেইন
সদস্য



বনশ্ৰী বৈশ্য
সদস্যা



মিনহাজুল হক চৌধুৰী
সদস্য



জিমণি দেৱী
সদস্যা



মানৱ শৰ্মা
সদস্য

# নলবাৰী মহাবিদ্যালয় ছাত্ৰ একতা সভা, ২০১৬ - ১৭ বৰ্ষ


ড° সুব্ৰত বৰ্মন
তত্ত্বাৱধায়ক


গীতিমা বুজৰবৰুৱা
তত্ত্বাৱধায়িকা, সহঃ সাঃ সম্পাদক(দিবা)


প্ৰণীতা বৰ্মন
তত্ত্বাৱধায়িকা, সহঃ সাঃ সম্পাদক(আবেলি)


ড° মণি শৰ্মা শাস্ত্ৰী
তত্ত্বাৱধায়ক, সাংস্কৃতিক বিভাগ


ড° বন্দনা দাস
তত্ত্বাৱধায়িকা, আলোচনী বিভাগ


অনন্ত ৰাজবংশী
তত্ত্বাৱধায়ক, গুৰু খেল বিভাগ


সুৰজিৎ শৰ্মা
তত্ত্বাৱধায়ক, লঘু খেল বিভাগ


ড° হংসধৰ ৰাজবংশী
তত্ত্বাৱধায়ক, ছাত্ৰ জিৰণী চ'ৰা


অদিতি দাস
তত্ত্বাৱধায়িকা, ছাত্ৰী জিৰণী চ'ৰা


শচীন কলিতা
তত্ত্বাৱধায়ক, সমাজসেৱা বিভাগ


কমল কুমাৰ তালুকদাৰ
সভাপতি


ৰূপম ডেকা
উপ- সভাপতি


কপিলদেৱ তালুকদাৰ
সাধাৰণ সম্পাদক


হেমেন কলিতা
সহঃ সাধাৰণ সম্পাদক (দিবা)


বিকাশ তালুকদাৰ
সহঃ সাধাৰণ সম্পাদক (আবেলি)


দীপজ্যোতি কলিতা
সাংস্কৃতিক সম্পাদক


গুঞ্জন শৰ্মা
আলোচনী সম্পাদক


মিহিৰ বিক্ৰম দত্ত
গুৰু খেল সম্পাদক


দিগন্ত হালৈ
লঘু খেল সম্পাদক


পুলক দাস
সম্পাদক, ছাত্ৰ জিৰণী চ'ৰা


তৰালী বৈশ্য
সম্পাদিকা, ছাত্ৰী জিৰণী চ'ৰা


জ্ঞানদ্বীপ পাঠক
সমাজ সেৱা সম্পাদক

# যি সকলৰ অশেষ কষ্টৰ ফলত নলবাৰী মহাবিদ্যালয়ৰ সন্মান অটুত আছিল



বনশ্ৰী গোস্বামী
যুৱ মহোৎসৱৰ ৰবীন্দ্ৰ সংগীতত দ্বিতীয় স্থান



নিতাশ্ৰী বৈশ্য
যুৱ মহোৎসৱৰ লঘু কণ্ঠ সংগীতত তৃতীয় স্থান



হিমাংশু তালুকদাৰ
যুৱ মহোৎসৱৰ পাশ্চাত্য সংগীতত তৃতীয় স্থান



ভাস্কৰ জ্যোতি দাস
যুৱ মহোৎসৱৰ অসমীয়া সুগম সংগীতত তৃতীয় স্থান



কৌশিক দত্ত
যুৱ মহোৎসৱৰ শাস্ত্ৰীয় নৃত্যত দ্বিতীয় স্থান



মৃদুল হালৈ
যুৱ মহোৎসৱৰ স্বৰবাদ্যত প্ৰথম স্থান



বনশ্ৰী বৈশ্য
যুৱ মহোৎসৱৰ স্ব ৰচিত কবিতাত তৃতীয় স্থান



দীপজ্যোতি কলিতা
যুৱ মহোৎসৱৰ দ্বিতীয় শ্ৰেষ্ঠ অভিনেতা



দীপাংকৰ দত্ত
মহাবিদ্যালয় সপ্তাহৰ শ্ৰেষ্ঠ সাহিত্য প্ৰতিযোগী



উদিত শৰ্মা
মহাবিদ্যালয় সপ্তাহৰ শ্ৰেষ্ঠ অভিনেতা



পূৰবী জালান
মহাবিদ্যালয় সপ্তাহৰ শ্ৰেষ্ঠা অভিনেত্ৰী



স্মৃতি বৰ্মন
মহাবিদ্যালয় সপ্তাহৰ শ্ৰেষ্ঠা নৃত্যশিল্পী



দিব্যামণি হালৈ
মহাবিদ্যালয় সপ্তাহৰ শ্ৰেষ্ঠা খেলুৱৈ



শ্ৰেয়শ্ৰী ডেকা
মহাবিদ্যালয় সপ্তাহৰ শ্ৰেষ্ঠা গায়িকা



ৰুবুল কলিতা, পাপৰি দেৱী, দেৱাশীষ দত্ত
যুৱ মহোৎসৱৰ কুইজত দ্বিতীয় স্থান



মহাবিদ্যালয় সপ্তাহৰ শ্ৰেষ্ঠ নাট্য দল ''আত্মাৰ আৱিষ্কাৰ''
অভিনয়ত- মানসপ্ৰতীম ৰাজবংশী, প্ৰবাল ৰাজবংশী, উদিত শৰ্মা



যুব মহোৎসৱৰ শ্ৰেষ্ঠ নাট্য দল "নষ্ট ভ্ৰষ্ট প্ৰেত সভা"
অভিনয়ত- প্ৰবাল ৰাজবংশী, আফতাব হুছেইন, দীপজ্যোতি কলিতা, বিশাল বিক্ৰম চৌধুৰী, মৃগাংক বাথচায়ন, বক্তিম ভূঞা



আন্তঃ মহাবিদ্যালয় যুৱ মহোৎসৱৰ মাণ্ডলিক পৰ্যায়ত শ্ৰেষ্ঠ
আমাৰ মহাবিদ্যালয়



খিতাপ অৰ্জন কৰাৰ মুহূৰ্তত এন চি চি ৰ সদস্য




আন্তঃ মহাবিদ্যালয় যুৱ মহোৎসৱত নলবাৰী মহাবিদ্যালয়ৰ সাফল্য

# আমাৰ গৌৰৱ



চিমি কলিতা
(প্ৰথম শ্ৰেণীৰ প্ৰথম স্থান, অৰ্থনীতি বিভাগ)



বৰষা বৰ্মন
(প্ৰথম শ্ৰেণীৰ প্ৰথম স্থান, প্ৰাণী বিজ্ঞান বিভাগ)



গৌৰৱ বিকাশ ভূঞা
(প্ৰথম শ্ৰেণীৰ প্ৰথম স্থান, ভূগোল বিজ্ঞান বিভাগ)



অদিতি বাস্যাস
(প্ৰথম শ্ৰেণীৰ প্ৰথম স্থান, সংস্কৃত বিভাগ)



অদিতি ডেকা
(প্ৰথম শ্ৰেণীৰ দ্বিতীয় স্থান, প্ৰাণী বিজ্ঞান বিভাগ)



বিদিশা ডেকা
(প্ৰথম শ্ৰেণীৰ তৃতীয় স্থান, অৰ্থনীতি বিভাগ)



দেবৰাজ বসুমতাৰী
(প্ৰথম শ্ৰেণীৰ দ্বিতীয় স্থান, বি. পি. ই বিভাগ)



**Dr. Meetali Deori, (Department of Zoology)**

"EVALUATION OF CERTAIN PHARMACOLOGICAL PROPERTIES OF SILK PROTEIN SERICIN AND PUPAE OF MUGA SILKWORM Antheraea assamensis HELFER"
A Thesis
Submitted to Gauhati University as requirement for the degree of Doctor of Philosophy



Dr. Rahul Daimary (Head of the Department, Political Science) has been awarded Doctor of Philosophy (Ph.D) by Bodoland University, for thesis entitled "Witch hunting in Bodo society of Kokrajhar district, Assam: A socio-political study".




মহাবিদ্যালয় সপ্তাহ



ভেশ - সন্মান



মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ সংবিধান উন্মোচন



মুকলি অধিবেশন







নৱাগতক আদৰি

উৎপল বড়ো নতুন দিল্লীৰ গণৰাজ্য দিৱসত পেৰেদ কৰি অহাৰ পিছত মহাবিদ্যালয়ত সম্ভাষণ





মহাবিদ্যালয় সপ্তাহত নাটকৰ এক মুহূৰ্ত



অভিশপ্ত ৩০ অক্টোবৰত মহাবিদ্যালয়ৰ অশ্ৰুসিক্ত শ্ৰদ্ধাঞ্জলি



সুধাকণ্ঠ ড° ভূপেন হাজৰিকা দেবক মহাবিদ্যালয়ৰ পৰিয়ালৰ একাঁজলি শ্ৰদ্ধাঞ্জলি






আমাৰ দৃষ্টিয়েও লক্ষ্য জানে শীৰ্ষক অনুষ্ঠান





মহাবিদ্যালয়ৰ চৌহদ কবিতাত মজগুল



মাধ্যম আন্দোলনৰ কৰ্ণধাৰ প্ৰসন্ন নাৰায়ণ চৌধুৰী স্মাৰক তৰ্ক প্ৰতিযোগিতা



জাপানীজ এনকেফেলাইটিচৰ টিকা গ্ৰহণৰ মুহূৰ্তত



নৱনিৰ্মিত ডিজিটেল ক্লাচ ৰুমৰ উদ্বোধনী অনুষ্ঠান



আমাৰ মহাবিদ্যালয়ৰ শিক্ষাৰ্থীৰ এটা গোট বিধান সভাৰ মজিয়াত



মহাবিদ্যালয়ত নাট কৰ্মশালা



ডনবস্কো ইউনিভাৰচিটিত দ্বিতীয় শ্ৰেষ্ঠ নাট্যদল আমাৰ মহাবিদ্যালয়
অভিনয়ত - মিনহাজুল, সাগৰিকা, ভাৰ্গৱ, অলকেশ, জানমনি, পৰাগ



মহাবিদ্যালয়ৰ আলোচনী উন্মোচন



কুচকাৱাজ প্ৰতিযোগিতাত মহাবিদ্যালয়ৰ তিনিখন সৰ্বোচ্ছ ধ্বজা



পেৰেডৰ মুহূৰ্তত এন চি চিৰ সদস্য সকল





নলবাৰী মহাবিদ্যালয়ত জুবিন গাৰ্গৰ সৈতে তেওঁৰ সংগীবৃন্দ



উত্তৰ সুৰীৰ হাতত ভৱিষ্যত



পাঠক কল্যাশ তালুকদাৰৰ সৈতে মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী



নৱপ্ৰজন্মৰ হাৰ্টথ্ৰবৰ সৈতে বিশেষ আলোচনাৰ এক মুহূৰ্ত



ছাত্ৰ একতা সভাৰ প্ৰতিনিধিসকল



# ৰং তুলিকাৰে



পাপৰি দেৱী




তাপস মধুকল্য



জান্নাতুল ফিৰদুচ

# আলোক শিল্প



অলকেশ ডেকা



চিন্ময় মেধি



গুঞ্জন শৰ্মা



প্ৰণৱ ৰাজবংশী

